কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

# Krishna Kanta Handiqui State Open University

Bachelor Degree

## SELF LEARNING MATERIAL

UG SO S6-01(DSC)

A

SEMESTER-VI

সামাজিক লিংগৰ সমাজতত্ত্ব

সমাজতত্ত্ব

Sociology

UG SO S6-01(DSC)

# চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম

(চি. বি. চি. এচ.; এন. ই. পি-২০২০ অনুসৰি)

ষষ্ঠ ষাণ্মাসিক

## সামাজিক লিংগৰ সমাজতত্ত্ব

## সমাজতত্ত্ব




সূৰ্যকুমাৰ ভূঞা সমাজ বিজ্ঞান অধ্যয়ন সত্ৰ

**কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়**

**বিষয় বিশেষজ্ঞ মণ্ডলী**

অধ্যাপক সঞ্জয় বৰবৰা, টি আই এছ এছ, গুৱাহাটী আৱাস
অধ্যাপক সম্বিৎ মল্লিক, এইছ এছ এছ বিভাগ, আই আই টি গুৱাহাটী
ড° ইন্দ্রানী শর্মা, সমাজতত্ত্ব বিভাগ, কটন বিশ্ববিদ্যালয়

**পাঠ্যবিষয়ৰ সমন্বয়ৰক্ষী ঃ** ড° গার্গী গায়ন, সহকাৰী অধ্যাপিকা কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

**প্রস্তুতি গোটৰ সদস্য**

| *অধ্যায়* | *অৱিহণা যোগাইছে* |
|---|---|
| ১,২,৩ আৰু ৭ | মনজিৎ মহন্ত |
| ৪ | বিশ্বজিৎ বর্মন |
| ৫ আৰু ৬ | শিল্পীশিখা দুৱৰা |
| ৮ | মনজিৎ মহন্ত |
| ৯,১০,১৩আৰু ১৪ | চৈয়দা জলি কাজী |
| ১১ | শিল্পীশিখা দুৱৰা |
| ১২ | ময়ুৰী ভাগৱতী |

**অসমীয়া অনুবাদ** ঃ অর্ণৱ শর্মা ১,২,৩ গীতাঞ্জলি মেধি ৪,৫ আৰু ৬, ড° প্রভাত ভূঞা, ৭আৰু ৮, গীতাঞ্জলি মেধি ১১, ১৩ আৰু ১৪, সীমান্ত বর্মন ৯ , ১০, ময়ুৰী ভাগৱতী, ১২

**সম্পাদনা** ঃ প্রাধ্যাপক জ্যোতি প্রসাদ শইকীয়া

**ভাষা সম্পাদনা** ঃ ড° নিভাৰাণী ফুকন, সহঃ অধ্যাপিকা, অসমীয়া বিভাগ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

**গাঁথনিক সম্পাদনা** ঃ ড° গার্গী গায়ন সহকাৰী অধ্যাপিকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রকাশ ঃ মার্চ, ২০২৬

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

*কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।*

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী - ৭৮১ ০১৭
নগৰ কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী - ৭৮১০২২; www.kkhsou.in

# বিষয়সূচী


| অধ্যায় | | পৃষ্ঠা |
|---|---|---|
| অধ্যায় ১ ঃ | **এক সামাজিক নির্মাণ ৰূপে সামাজিক লিংগ**<br>সামাজিক লিংগৰ জৈৱিক তত্ত্ব আৰু সমাজতাত্ত্বিক ব্যাখ্যা | ৭-১৪ |
| অধ্যায় ২ ঃ | **সামাজিক লিংগৰ লগত সম্পর্কিত মৌলিক ধাৰণাসমূহ**<br>সামাজিক লিংগভিত্তিক বৈষম্য, পিতৃতন্ত্র, মাতৃতন্ত্র আৰু সামাজিক লিংগই লাভ কৰা ন্যায়। | ১৫-২২ |
| অধ্যায় ৩ ঃ | **সামাজিক লিংগৰ সামাজিকীকৰণ**<br>সামাজিকীকৰণৰ অর্থ, তাত্ত্বিক দৃষ্টিবংগী আৰু প্রতিনিধি/ | ২৩-৩১ |
| অধ্যায় ৪ ঃ | **উদাৰ নাৰীবাদ আৰু উগ্র নাৰীবাদ**<br>উদাৰ আৰু নাৰীবাদৰ অর্থ তথা সমালোচনা | ৩২-৪৪ |
| অধ্যায় ৫ ঃ | **মার্ক্সবাদী নাৰীবাদ**<br>সামাজিক লিংগ আৰু সামাজিক লিংগভিত্তিক সম্পর্কবোৰৰ মার্ক্সবাদী ব্যাখ্যা | ৪৫-৫৫ |
| অধ্যায় ৬ ঃ | **সামাজিক লিংগভিত্তিক প্রভেদ আৰু অসমতা**<br>জাতি, শ্রেণী আৰু বংশৰ ধাৰণাবোৰৰ লগতে এইবোৰে সামাজিক লিংগৰ সৈতে কৰা আন্তঃক্রিয | ৫৬-৭২ |
| অধ্যায় ৭ ঃ | **ঔপনিৱেশিক কালত ভাৰতত নাৰী আন্দোলন**<br>নাৰীৰ স্থিতি উন্নত কৰিবলৈ চলা সমাজ সংস্কাৰ আন্দোলনবোৰৰ ভূমিকা আৰু ভাৰতৰ ৰাষ্ট্রীয়তাবাদী আন্দোলনত মহিলাসকলৰ ভূমিকা | ৭৩-৮৩ |
| অধ্যায় ৮ ঃ | **উত্তৰ ঔপনিৱেশিক কালৰ নাৰী আন্দোলন**<br>তেলেংগানা আন্দোলন, চিপ্‌কো আন্দোলন আৰু আৰাক্‌ বিৰোধী আন্দোলন | ৮৪-৯৩ |

**অধ্যায় ৯ ঃ** **মহিলা আৰু স্বাস্থ্য** ৯৪-১০২
সামাজিক লিংগই কেনেকৈ মহিলাৰ স্বাস্থ্যৰ স্থিতিক প্রভাৱিত কৰে সেয়া আলোচনা কৰা হৈছে

**অধ্যায় ১০ ঃ** **মহিলা আৰু শিক্ষা** ১০৩-১১২
মহিলাৰ সামাজিক স্থিতি উন্নত কৰাত শিক্ষাৰ ভূমিকা , মহিলা শিক্ষাৰ প্রসাৰৰ উদ্দেশ্যেৰে গঠন কৰা বিভিন্ন আয়োগৰ বিষয়ে আলোচনা কৰা হৈছে

**অধ্যায় ১১ ঃ** **নাৰী আৰু পৰিৱেশ** ১১৩-১২৩
নাৰী আৰু পৰিৱেশৰ মাজৰ সম্পর্ক আৰু পৰিৱেশ সংৰক্ষণ কার্যত মহিলাসকলক অংশীদাৰ কৰি তোলাৰ উদ্দেশ্যেৰে চলা বিভিন্ন ৰাজনৈতিক সংগঠিতকৰণ প্রক্রিয়াৰ বিষয়ে আলোচনা কৰা হৈছে

**অধ্যায় ১২ ঃ** **মহিলাৰ প্রতি হোৱা হিংসা** ১২৪-১৩৪
মহিলাক বলপূর্বক গণিকা বৃত্তিত জড়িত কৰোৱা আৰু যৌতুক দাবী আদিৰ দৰে হিংসাৰ বিষয়ে আলোচনা কৰা হৈছে

**অধ্যায় ১৩ ঃ** **সামাজিক লিংগ, আইন আৰু মানৱ অধিকাৰ** ১৩৫-১৪৬
সামাজিক লিংগভিত্তিক সমতা নিশ্চিত কৰিবলৈ থকা বিভিন্ন আইন আৰু সাংবিধানিক সা- সুবিধাৰ বিষয়ে আলোচনা কৰা হৈছে

**অধ্যায় ১৪ ঃ** **সামাজিক লিংগভিত্তিক বিত্ত আবণ্টন পৰিকল্পনা** ১৪৭-১৫৬
সামাজিক লিংগভিত্তিক বিত্ত আবণ্টন পৰিকল্পনাৰ অর্থ, উদ্দেশ্য আৰু ভাৰতত ইয়াৰ প্রয়োগৰ বিষয়ে আলোচনা কৰা হৈছে

**প্রসঙ্গ পুথি ঃ** ১৫৭-১৬০

## পাঠ্যবিষয়ৰ পৰিচয় ঃ সামাজিক লিংগৰ সমাজতত্ত্ব

সমাজতত্ত্ব বিভাগৰ স্নাতক মহলাৰ ষষ্ঠ যাণ্মাসিকৰ শিক্ষার্থীৰ বাবে এই পাঠ্যবিষয়টো প্রস্তুত কৰা হৈছে। পাঠ্যবিষয়টোৰ শীর্ষক হ'ল 'সামাজিক লিংগৰ সমাজতত্ত্ব'। সামাজিক লিংগ হ'ল আমাৰ পৰিচয়ৰ সৈতে জড়িত হৈ থকা এটা অত্যাৱশ্যকীয় দিশ। ই আমাৰ দৈনন্দিন অভিজ্ঞতাবোৰক গঢ় দিয়ে। সমাজেই সামাজিক লিংগৰ ধাৰণাটো সৃষ্টি কৰিছে। এই পাঠ্যবিষয়টো সন্নিৱিষ্ট কৰা অধ্যায়বোৰ পঢ়ি শিক্ষার্থীয়ে সমাজে কেনেদৰে সামাজিক লিংগৰ ধাৰণাটো নির্মাণ কৰে আৰু মানুহে কেনেদৰে এই ধাৰণাটো গ্রহণ কৰে সেয়া বুজিব পাৰিব।

পাঠ্যবিষয়টোত ১৪ টা অধ্যায় আছে।

প্রথম অধ্যায়টোৰ নাম হ'ল ' এক সামাজিক নির্মাণ ৰূপে সামাজিক লিংগ '। ইয়াত সামাজিক লিংগৰ জৈৱিক তত্ত্ব আৰু সমাজতাত্ত্বিক ব্যাখ্যাবোৰ আলোচনা কৰা হৈছে।

সামাজিক লিংগৰ লগত সম্পর্কিত মৌলিক ধাৰণাসমূহ শীর্ষক দ্বিতীয় অধ্যায়ৰ আলোচনাৰ মূল বিষয়বোৰ হ'ল সামাজিক লিংগভিত্তিক বৈষম্য, পিতৃতন্ত্র, মাতৃতন্ত্র আৰু সামাজিক লিংগই লাভ কৰা ন্যায়।

তৃতীয় অধ্যায়টোৰ শিৰোনাম হ'ল 'সামাজিক লিংগ সামাজিকীকৰণ'। ইয়াত সামাজিকীকৰণৰ অর্থ, তাত্ত্বিক দৃষ্টিভংগী আৰু প্রতিনিধি/ উপাদানবোৰৰ বিষয়ে আলোচনা কৰা হৈছে।

চতর্থ অধ্যায়টিৰ নাম হ'ল 'উদাৰ নাৰীবাদ আৰু উগ্র নাৰীবাদ'ৰ উদাৰ আৰু বৈপ্লৱিক নাৰীবাদৰ অর্থ তথা সমালোচনাবোৰ সন্নিৱিষ্ট কৰা হৈছে।

'মার্ক্সবাদী নাৰীবাদ' নাম দিয়া পঞ্চম অদ্যায়টোত সামাজিক লিংগ আৰু সামাজিক লিংগভিত্তিক সম্পর্কবোৰৰ মার্ক্সবাদী ব্যাখ্যাসমূহ আলোচনা কৰা হৈছে।

ষষ্ঠ অধ্যায় 'সামাজিক লিংগভিত্তিক প্রভেদ আৰু অসমতা'ত জাতি, শ্রেণী আৰু বংশৰ ধাৰণাবোৰৰ লগতে এইবোৰে সামাজিক লিংগৰ সৈতে কৰা আন্তঃক্রিয়া আলোচনা কৰা হৈছে।

'ঔপনিৱেশিক কালত ভাৰতত নাৰী আন্দোলন' শীর্ষক সপ্তম অধ্যায়ত সমাজত নাৰীৰ স্থিতি উন্নত কৰিবলৈ চলা সমাজ সংস্কাৰ আন্দোলনবোৰৰ ভূমিকা আৰু ভাৰতৰ ৰাষ্ট্রীয়তাবাদী আন্দোলনত মহিলাসকলৰ ভূমিকা বহলাই আলোচনা কৰা হৈছে।

অষ্টম অধ্যায়টোৰ শিৰোনাম হ'ল 'উত্তৰ ঔপনিৱেশিক কালৰ নাৰী আন্দোলন'। এই অধ্যায়ততেলেংগানা আন্দোলন, চিপ্‌কো আন্দোলন আৰু আৰাক্ বিৰোধী আন্দোলনৰ বিষয়ে আলোচনা কৰা হৈছে।

নৱম অধ্যায়ৰ শিৰোনাম হ'ল 'মহিলা আৰু স্বাস্থ্য'। ইয়াত সামাজিক লিংগই কেনেকৈ মহিলাৰ স্বাস্থ্যৰ স্থিতিক প্রভাৱিত কৰে সেয়া আলোচনা কৰা হৈছে।

দশম অধ্যায় 'মহিলা আৰু শিক্ষা'ত মহিলাৰ সামাজিক স্থিতি উন্নত কৰাত শিক্ষাৰ ভূমিকা আৰু মহিলা শিক্ষাৰ প্রসাৰৰ উদ্দেশ্যেৰে গঠন কৰা বিভিন্ন আয়োগৰ বিষয়ে আলোচনা কৰা হৈছে।

একাদশ অধ্যায়ৰ শিৰোনাম হ'ল 'নাৰী আৰু পৰিৱেশ'। ইয়াত নাৰী আৰু পৰিৱেশৰ মাজৰ সম্পর্ক

আৰু পৰিৱেশ সংৰক্ষণ কাৰ্যত মহিলাসকলক অংশীদাৰ কৰি তোলাৰ উদ্দেশ্যেৰে চলা বিভিন্ন ৰাজনৈতিক সংগঠিতকৰণ প্ৰক্ৰিয়াৰ বিষয়ে আলোচনা কৰা হৈছে।

মহিলাৰ প্ৰতি হোৱা হিংসা' নামৰ দ্বাদশ অধ্যায়ত মহিলাক বলপূৰ্বক গণিকা বৃত্তিত জড়িত কৰোৱা আৰু যৌতুক দাবী আদিৰ দৰে হিংসাৰ বিষয়ে আলোচনা কৰা হৈছে।

ত্ৰয়োদশ অধ্যায় 'সামাজিক লিংগ, আইন আৰু মানৱ অধিকাৰ'ত সামাজিক লিংগভিত্তিক সমতা নিশ্চিত কৰিবলৈ থকা বিভিন্ন  আইন আৰু সাংবিধানিক সা- সুবিধাৰ বিষয়ে আলোচনা কৰা হৈছে।

চতুৰ্দশ অধ্যায়ৰ শিৰোনাম হ'ল 'সামাজিক লিংগভিত্তিক বিত্ত আবণ্টন পৰিকল্পনা'। ইয়াত সামাজিক লিংগভিত্তিক বিত্ত আবণ্টন পৰিকল্পনাৰ অৰ্থ, উদ্দেশ্য আৰু ভাৰতত ইয়াৰ প্ৰয়োগ সম্পৰ্কে বহলাই আলোচনা কৰা হৈছে।

এই পাঠ্যবিষয় অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অৰ্থ সন্নিৱিষ্ট হৈছে। সেইদৰে — 'জানি থোৱা ভাল' বাকচবোৰত  মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'চিন্তা-চৰ্চা কৰক'সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন বিষয়সমূহৰ বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্ৰসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন  পুথি অধ্যয়ন কৰিব পাৰিব।

# অধ্যায় ১ ঃ এক সামাজিক নির্মাণ ৰূপে সামাজিক লিংগ (Gender)

## অধ্যায় গাঁথনি


১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ সামাজিক লিংগ (gender)ৰ অর্থ
১.৪ সামাজিক লিংগ ঃ জৈৱিক নির্ধাৰণ নে সামাজিক বাধ্যবাধকতা
১.৫ সামাজিক লিংগ সম্পর্কীয় সমাজতাত্ত্বিক তত্ত্ব
১.৬ লিংগ (Sex) আৰু সামাজিক লিংগ (gender)ৰ মাজত পার্থক্য
১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৮ অধিক জানিবলৈ
১.৯ অগ্রগতিৰ খতিয়ান
১.১০ আৰ্হি প্রশ্ন


## ১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সামাজিক লিংগৰ অর্থ জানিব পাৰিব
- লিংগৰ সামাজিক গঠনৰ বিষয়ে অৱগত হ'ব পাৰিব।

## ১.২ পৰিচয়

সততে দেখা যায় যে প্র-পত্রসমূহত আবেদনকাৰীসকলক তেওঁলোকৰ লিংগ (Sex) অথবা সামাজিক লিংগ (gender)ৰ বিষয়ে সোধা হয়। প্রায়ে এই দুটা শব্দ এটাক আনটোৰ সমার্থক হিচাপে ব্যৱহাৰ কৰা পৰিলক্ষিত হয়। প্রকৃততে দুয়োটা শব্দৰে অর্থ পৃথক পৃথক। প্রস্তাৱিত এই অধ্যায়টিত আমি শব্দ দুটাৰ অর্থৰ পার্থক্যৰ বিষয়ে আলোচনা কৰিম।

## ১.৩ সামাজিক লিংগ (gender)ৰ অর্থ

পুৰুষ আৰু মহিলাৰ মাজৰ যি পার্থক্য সি প্রাকৃতিকৰ তুলনাত অধিক সামাজিক। লিংগ আৰু সামাজিক লিংগ ধাৰণা দুটাৰ মাজৰ পার্থক্যও এই দৃষ্টিভংগীৰ ওপৰত নির্ভৰশীল। নাৰীবাদীসকলৰ ক্রমবর্ধমান প্রভাৱৰ বাবে সামাজিক লিংগ বর্তমান সময়ত এটা গুৰুত্বপূর্ণ সামাজিক ধাৰণা হিচাপে পৰিগণিত হৈছে। 'শাৰীৰিক গঠনেই নির্ণয়কাৰী নহয়' (Anatomy is not destiny) তথা 'নাৰীয়ে নাৰী হিচাপে জন্মগ্রহণ নকৰে, সমাজেহে নাৰী হিচাপে গঢ়ি তোলে' (One is not born, but rather becomes a woman)ৰ দৰে ধাৰণাৰ অৱতাৰণা কৰি ছিমন দ্য বুভাই তেওঁৰ বিখ্যাত নাৰীবাদ সম্বন্ধীয় গ্রন্থ *'The Second Sex'* ত সামাজিক লিংগ সম্বন্ধে প্রশ্ন উত্থাপন কৰিছে। অৱশ্যে বর্তমান সমাজবিজ্ঞানতো পুৰুষ আৰু মহিলাৰ মাজৰ পার্থক্য প্রাকৃতিকৰ সলনি অধিক

সামাজিক হিচাপে মানি লোৱা হৈছে। ই নিঃসন্দেহে এটা কথাই সূচায় যে সামাজিক লিংগ সমাজৰ দ্বাৰা সৃষ্ট; ই কোনো প্ৰাকৃতিক বা জৈৱিক ঘটনাৰ পৰিণতি নহয়। 'লিংগ' আৰু 'সামাজিক লিংগ'ৰ মাজত এক ধাৰণাগত পাৰ্থক্যও দেখা যায়। উভয় ধাৰণাই সমাৰ্থক নহয়। আমেৰিকাৰ প্ৰখ্যাত নৃতত্ত্ববিদ মাৰ্গাৰেট মিডে সৰ্বপ্ৰথমে পুৰুষ আৰু নাৰীৰ জৈৱিক তথা সামাজিক বৈশিষ্ট্যসমূহ নিৰূপণ কৰিছিল। তেওঁ এই বৈশিষ্ট্যসমূহ নিউগিনি দ্বীপৰ Arapesh, Mundugamor আৰু Tchambuli নামৰ তিনিখন সমাজৰ লোকসকলৰ ওপৰত চলোৱা পুৰুষত্ব (masculinity) আৰু নাৰীত্ব (femininity) সম্পৰ্কীয় এক সমীক্ষাৰ ভিত্তিত নিৰ্ণয় কৰিছিল। এই সমীক্ষাৰ পৰা প্ৰাপ্ত তথ্যৰ ভিত্তিত তেওঁ কৈছিল যে পুৰুষত্বই সদায় বীৰত্ব বা আগ্ৰাসনক আৰু নাৰীত্বই অধীনতাক সূচায়। এই দিশটোৰ লগত পুৰুষ বা নাৰীৰ জৈৱিক বা জন্মগত লিংগৰ পোনপটীয়া সম্পৰ্ক নাই; ই সমাজসৃষ্ট এক ধাৰণা। মিডৰ এই অধ্যয়নে পৰৱৰ্তী সময়ত সামাজিক লিংগৰ ধাৰণাটো গঢ় লৈ উঠাত গুৰুত্বপূৰ্ণ অৰিহণা যোগাইছিল।

সামাজিক লিংগই সামাজিক দায়বদ্ধতা আৰু পুৰুষ-নাৰী তথা ল'ৰা-ছোৱালীৰ মাজৰ সম্পৰ্কক সূচায়। সামাজিক বৈশিষ্ট্য তথা পুৰুষ-নাৰীৰ সামাজিক সম্পৰ্কৰ বিভিন্ন সুযোগ বা সুবিধাকো সামাজিক লিংগৰ ধাৰণাই প্ৰকাশ কৰে। সামাজিক দায়বদ্ধতা, বৈশিষ্ট্য, সুবিধা তথা সম্পৰ্কৰ এই দিশবোৰ সমাজে গঠন কৰে আৰু এইবোৰ সামাজিকীকৰণ প্ৰক্ৰিয়াৰ জৰিয়তে আয়ত্ত কৰা হয়। এইবোৰ সময় সাপেক্ষ, নিৰ্দিষ্ট আৰু পৰিৱৰ্তনশীল।

সহজ ভাষাত ক'বলৈ গ'লে, সামাজিক লিংগই পুৰুষ আৰু নাৰীৰ মাজৰ পাৰ্থক্যক সূচিত কৰে। লিংগ এনে এক বিশ্লেষণাত্মক পদ্ধতি, যিটো পুৰুষ আৰু মহিলাৰ জৈৱিক পাৰ্থক্যক নিৰ্দিষ্ট কৰিবলৈ সামাজিকভাৱে গঠিত হৈছে। সামাজিক লিংগৰ ধাৰণাই পুৰুষ আৰু মহিলাৰ আচৰণ আৰু বৈশিষ্ট্যৰ যি পাৰ্থক্য নিৰ্দিষ্ট কৰে, তাক পুৰুষত্ব আৰু নাৰীত্ব বুলি জনা যায়। নাৰীবাদী লেখকসমূহে এইটো দাবী কৰে যে এই পাৰ্থক্যসমূহ জৈৱিক নহয়; পুৰুষতান্ত্ৰিক সমাজৰ দ্বাৰাহে সৃষ্ট। আনহাতে আন একাংশৰ মতে পুৰুষ আৰু মহিলাৰ জৈৱিক পাৰ্থক্যই তেওঁলোকৰ মাজত শাৰীৰিক আৰু মানসিক বিভিন্নতাৰ সৃষ্টি কৰে। তেওঁলোকৰ মতে পুৰুষসকল মানসিক আৰু শাৰীৰিকভাৱে নাৰীতকৈ অধিক শক্তিশালী। আকৌ আন একাংশ তাত্ত্বিকৰ মতে পুৰুষ আৰু নাৰীৰ জৈৱিক পাৰ্থক্যসমূহক সমাজত অস্বাভাৱিকভাৱে বিস্তৃতি প্ৰদান কৰা হয়। পুৰুষ আৰু নাৰীৰ মাজৰ এই পাৰ্থক্য পুৰুষতান্ত্ৰিক সমাজৰ দ্বাৰা সৃষ্ট য'ত পুৰুষক নাৰীৰ তুলনাত সকলো ক্ষেত্ৰত আগস্থান দিয়া হয়। সেয়েহে সমাজত নাৰী অধিকাংশ সময়ত পুৰুষৰ ওপৰত নিৰ্ভৰশীল হৈ থাকিবলগীয়া হৈছে। FAO-এ সামাজিক লিংগৰ সংক্ষা এইদৰে আগবঢ়াইছে— "পুৰুষ আৰু নাৰীৰ মাজৰ যি সম্পৰ্ক, সি সংবোধনাত্মক (perceptual) আৰু বস্তুগত (material)। সামাজিক লিংগ কেতিয়াও জৈৱিকভাৱে সূচিত নহয়, ই সামাজিকভাৱেহে নিৰ্দিষ্ট হয়। ই সমাজৰ কেন্দ্ৰীয় গঠনাত্মক নীতি আৰু ই প্ৰায়ে উৎপাদন, পুনৰুৎপাদন, ব্যৱহাৰ আৰু বিতৰণ ব্যৱস্থাক প্ৰভাৱিত কৰে। সামাজিক লিংগই নাৰীৰ ওপৰত গুৰুত্ব আৰোপ কৰে; লগতে নাৰী-পুৰুষৰ সম্পৰ্ক, তেওঁলোকৰ ভূমিকা, সম্পদৰ উপলব্ধতা আৰু নিয়ন্ত্ৰণ, শ্ৰমৰ বিভাজন, পৰিকল্পনা, উৎপাদন আৰু বিভিন্ন আনুষংগিক বিষয়কো নিজৰ পৰিসৰৰ ভিতৰত সামৰি লয়। সামাজিক লিংগ ব্যাপক সামাজিক-সাংস্কৃতিক ক্ষেত্ৰখনৰ এটা অংশ।'

লিংগ আৰু সামাজিক লিংগৰ মাজৰ পাৰ্থক্য লিংগৰ বিশ্বজনীন ধাৰণা আৰু সামাজিক লিংগৰ বৈষম্যৰ ভিত্তিত গঢ় লৈ উঠিছে। লিংগ আৰু সামাজিক লিংগৰ এই পাৰ্থক্যই ১৯৭০ৰ দশকত সমাজতত্ত্বৰ সামাজিক লিংগৰ তাত্ত্বিক আলোচনাক বিশেষভাৱে প্ৰভাৱিত কৰিছে। ১৯৭২ চনত ৰচিত Ann Oakleyৰ *'Sex, Gender and Society'* ৰ গ্ৰন্থখনে লিংগ আৰু সামাজিক লিংগৰ পাৰ্থক্য যথেষ্ট জনপ্ৰিয় কৰি তুলিছিল। অ'কলেৰ মতে 'লিংগ' (sex) শব্দই পুৰুষ আৰু মহিলাৰ জৈৱিক, যৌনাংগ তথা সন্তান জন্ম দিয়াৰ ক্ষমতাৰ পাৰ্থক্যক সূচায়। 'সামাজিক লিংগ সংস্কৃতিৰ এটা উপাদান। ই পুৰুষত্ব আৰু নাৰীত্বৰ ভেটিত সামাজিক বৰ্গীকৰণক নিৰ্দেশ কৰে। তেওঁ সামাজিক লিংগৰ ধাৰণাটো সংস্কৃতিৰ সৃষ্ট বুলি অভিহিত কৰিছে। পুৰুষত্ব আৰু

নাৰীত্বৰ ভেটিত পুৰুষ আৰু নাৰীক বিভাজন কৰা প্ৰক্ৰিয়াই হৈছে সামাজিক লিংগ।

### অগ্ৰগতি নিৰীক্ষণ

**প্ৰশ্ন নং ১ ঃ** 'Sex, Gender & Society' গ্ৰন্থখন কোন চনত ৰচিত হৈছিল?

.....

**প্ৰশ্ন নং ২ ঃ** 'Sex, Gender & Society' গ্ৰন্থখনৰ ৰচক কোন?

.....

## ১.৪ সামাজিক লিংগ ঃ জৈৱিক নিৰ্ধাৰক নে সামাজিক বাধ্যবাধকতা

জীৱবিজ্ঞানী আৰু সমাজতত্ত্ববিদসকলে লিংগ আৰু সামাজিক লিংগৰ অৰ্থক লৈ পৰস্পৰ বিৰোধিতা নাই হিচাপে ব্যৱহাৰ কৰা দেখা যায়। জীৱবিজ্ঞানীসকলে প্ৰায়ে সামাজিক লিংগত জৈৱিক কাৰকে নিৰ্ধাৰণ কৰে বুলি মন্তব্য প্ৰদান কৰে। তেওঁলোকৰ মতে প্ৰাথমিক আৰু গৌণ যৌন বৈশিষ্ট্যই পুৰুষ আৰু মহিলাৰ শাৰীৰিক পাৰ্থক্য নিৰূপণ কৰে। যৌৱন প্ৰাপ্ত অৱস্থা (Puberty)ৰ সময়ত পুৰুষ আৰু মহিলাৰ শাৰীৰিক পাৰ্থক্যই প্ৰকাশিত ৰূপ লাভ কৰে। এই সময়ছোৱাত পুৰুষসকলৰ মাংসপেশী আৰু উচ্চতাৰ দ্ৰুত বিকাশ হোৱাৰ লগতে তেওঁলোকৰ শৰীৰত অধিক কেশৰ অৱস্থিতি লক্ষ্য কৰা যায়। আনহাতে ছোৱালীবোৰৰ স্তনগ্ৰন্থিৰ লগতে চৰ্বিযুক্ত অংশসমূহৰ দ্ৰুত বিকাশ পৰিলক্ষিত হয়। জীৱবিজ্ঞানীসকলৰ মতে মানুহে জন্মসূত্ৰে লিংগ লাভ কৰে (প্ৰজনন ক্ষমতাই আমাৰ লিংগ নিৰ্ধাৰণ কৰে)। আকৌ সামাজিকীকৰণ আৰু সামাজিক প্ৰতিষ্ঠানে আমাৰ জৈৱিক প্ৰৱণতাসমূহ প্ৰতিফলিত কৰে আৰু কেতিয়াবা অতিৰঞ্জিত ৰূপত প্ৰদৰ্শন কৰে। জৈৱিক প্ৰৱণতাই পুৰুষ আৰু নাৰীৰ পৃথক পৃথক আচৰণ নিৰ্দিষ্ট কৰে। এই সামাজিক লিংগৰ এটা জৈৱিক ভেটি থকাও দেখা যায়।

জীৱবিজ্ঞানে পুৰুষ আৰু নাৰীৰ শাৰীৰিক, বৌদ্ধিক আৰু আবেগিক দিশত কিছুমান সহজাত পাৰ্থক্য আছে বুলি যুক্তি দৰ্শায়। এই পাৰ্থক্যসমূহ তেওঁলোকৰ ব্যক্তিগত ধাৰণা, আচৰণ, সংবোধন (Perception), সম্বন্ধ তথা কাৰ্যকলাপত পৰিলক্ষিত হৈয়। পুৰুষ আৰু মহিলাৰ প্ৰাথমিক জৈৱিক পাৰ্থক্যসমূহ হ'ল—

- জিনগত পাৰ্থক্য (ছোৱালীৰ 'XX', ল'ৰাৰ 'XY' )
- হৰম'ন সম্বন্ধীয় পাৰ্থক্য (Hormonal difference) — পুৰুষৰ ক্ষেত্ৰত টেষ্টষ্টেৰণ (testosterone) আৰু এণ্ড্ৰজেন (Andogen)ৰ পৰিমাণ অধিক হোৱাৰ বিপৰীতে মহিলাৰ ক্ষেত্ৰত এষ্ট্ৰজেন (Estrogen)ৰ পৰিমাণ অধিক।
- গোনাড গ্ৰন্থি সম্বন্ধীয় পাৰ্থক্য (Gonadal difference) — পুৰুষৰ ক্ষেত্ৰত 'testes' আৰু মহিলাৰ ক্ষেত্ৰত 'Ovaries'ৰ উপস্থিতি।
- যৌনাংগ সম্বন্ধীয় পাৰ্থক্য (genital difference) — পুৰুষৰ ক্ষেত্ৰত পিন্স (Peins) আৰু মহিলাৰ ক্ষেত্ৰত clitoris ।
- প্ৰজনন সম্বন্ধীয় পাৰ্থক্য — প্ৰাকৃতিকভাৱে মহিলাসকল প্ৰজনন ক্ষমতাৰ অধিকাৰী

আকৌ পুৰুষ আৰু মহিলাৰ বৌদ্ধিক আৰু আচৰণ সম্বন্ধীয় মৌলিক পাৰ্থক্যসমূহ হ'ল—

- শাৰীৰিক শক্তি— সাধাৰণতে পুৰুষসকল মহিলাসকলতকৈ অধিক শক্তিশালী হোৱা দেখা যায়।
- মগজুৰ সক্ৰিয়তা— মহিলাসকল মৌখিকভাৱে সক্ৰিয় হোৱাৰ বিপৰীতে পুৰুষসকল অধিক কাৰ্যপ্ৰৱণ।

● শৈলী— মহিলাসকল অধিক কুটনীতিপ্ৰৱণ হোৱাৰ বিপৰীতে, পুৰুষসকলৰ কথনভংগী অধিক পোনপটীয়া হোৱা দেখা যায়।

● মৰম বা আদৰ— মহিলাসকল অধিক সহানুভূতিশীল হোৱাৰ বিপৰীতে পুৰুষসকল কম সহানুভূতিপ্ৰৱণ আৰু অধিক বাস্তৱমুখী (Practical) তথা কর্মমুখী হয়।

সামাজিক লিংগই সৃষ্টি কৰা পুৰুষ আৰু নাৰীৰ জৈৱিক পার্থক্যই উভয়ৰে মাজত সামর্থ্য আৰু স্থিতি নির্ধাৰণ কৰে বুলি প্ৰায় মত প্ৰকাশ কৰা দেখা যায়। উদাহৰণস্বৰূপে টেষ্টষ্টেৰণৰ আধিক্যই পুৰুষক মহিলাৰ তুলনাত অধিক আক্ৰমণাত্মক কৰি তোলে। মগজুৰ বাওঁ অংশ প্ৰভাৱশালী হোৱা বাবে পুৰুষ মহিলাৰ তুলনাত বেছি যুক্তিনির্ভৰ হয়। আনহাতে মগজুৰ সোঁ-অংশ প্ৰভাৱশালী হোৱা বাবে মহিলাসকল অধিক আৱেগপ্ৰৱণ হয়।

সমাজতত্ত্ববিদসকলৰ মতে সামাজিক লিংগৰ ধাৰণা সামাজিকীকৰণৰ জৰিয়তে আহৰণ কৰিব পাৰি। প্ৰত্যেক সংস্কৃতিয়ে লিংগ অনুসৰি উপযুক্ত আচৰণ আৰু ভংগী ব্যক্তিৰ ওপৰত আৰোপ কৰে। সামাজিক লিংগ হৈছে এনে এক আহিলা যাৰ সহায়ত সমাজে ইয়াৰ বাসিন্দাসকলক নিয়ন্ত্ৰণ কৰে। সমাজতত্ত্বৰ মতে প্ৰতিখন সমাজত পুৰুষ আৰু মহিলাই যিবোৰ কাম কৰে, সেইবোৰ ব্যক্তিৰ জৈৱিক প্ৰৱণতাই সামাজিক প্ৰেক্ষাপটত নিয়ন্ত্ৰণ কৰে। জৈৱিক প্ৰৱণতা বহু ক্ষেত্ৰত ব্যক্তিৰ আচৰণৰ কাৰক হিচাপে চিহ্নিত হয়; অৱশ্যে এই কাৰকসমূহ মূলতঃ প্ৰজনন অথবা দৈহিক গঠনৰ লগত জড়িত। সমাজতত্ত্ববিদসকলৰ মতে সামাজিক লিংগৰ ভূমিকা আৰু পৰিচয় অধিক পৰিমাণে প্ৰাকৃতিকভাৱে নির্দিষ্ট হয়। পৰম্পৰাগত জ্ঞান তথা সংস্কৃতিয়ে সমাজত সামাজিক লিংগৰ পৰিচয় আৰু ভূমিকাৰ সৃষ্টি কৰে আৰু তাক বর্তাই ৰাখে। সামাজিক লিংগ সম্পর্কীয় আচৰণসমূহৰ সম্যক জ্ঞান লিংগৰ সামাজিকীকৰণত গুৰুত্বপূর্ণ ভূমিকা লোৱা লোকসকলৰ পৰা আহৰণ কৰিব পাৰি। উদাহৰণস্বৰূপে এজনী ছোৱালী বা এটা ল'ৰাই কোনো এটা নির্দিষ্ট ৰং ভাল পাই বা বেয়া পাই জন্মগ্ৰহণ নকৰে। কিন্তু সাধাৰণতে দেখা যায় যে সৰু ল'ৰা-ছোৱালীবোৰক গুলপীয়া (Pink) ৰঙটো ছোৱালীৰ ৰং হিচাপে শিকোৱা হয়। সংস্কৃতিয়ে ব্যক্তিৰ জন্মগত পার্থক্যসমূহ বিচাৰ কৰি সেইবোৰ বিকশাই তোলে। বেলেগ বেলেগ সংস্কৃতিয়ে পৃথক পৃথক প্ৰমূল্য আৰু প্ৰত্যাশা সামাজিক লিংগৰ ওপৰত আৰোপ কৰে আৰু লিংগ সামাজিকীকৰণে পুৰুষ আৰু মহিলা উভয়কে সামাজিক প্ৰত্যাশাৰ বিষয়ে অৱগত কৰি তেওঁলোকৰ আচৰণ সুনির্দিষ্ট কৰে। গতিকে লিংগক ভিত্তি কৰি সমাজে ব্যক্তিৰ আচৰণ, ভাল পোৱা-বেয়া পোৱা মনোভাৱ ধার্য কৰা প্ৰক্ৰিয়াক **লিংগৰ সামাজিক গঠন** আখ্যা দিয়া হয়। প্ৰত্যেক সমাজে আদর্শ পুৰুষ আৰু মহিলাৰ ধাৰণা গঠন কৰে। সেয়েহে এগৰাকী পুৰুষ অথবা মহিলাৰ পৰা সমাজ অনুসৰি প্ৰত্যাশাসমূহ ভিন্ন হয়। কিছুমান সমাজত মহিলাসকল কৃষিকার্যত জড়িত হোৱাৰ বিপৰীতে আন একাংশ সমাজত পুৰুষসকলহে কৃষিকার্যত জড়িত হয়। আকৌ পৰম্পৰাগতভাৱে মহিলাক পুৰুষৰ তুলনাত দুর্বল হিচাপে গণ্য কৰা হয় যদিও বর্তমান প্ৰেক্ষাপটত হিমা দাস, মেৰীকমৰ লগতে পোহনীয়া জন্তুৰ খাদ্য আহৰণৰ বাবে পাহাৰ আৰু গছ বগাবলৈও কুণ্ঠাবোধ নকৰা মহিলাসকল শক্তি আৰু সামর্থ্যৰ জ্বলন্ত উদাহৰণ।

## ১.৫ সামাজিক লিংগ সম্পর্কীয় সমাজতাত্ত্বিক তত্ত্ব

সামাজিক লিংগ সন্দর্ভত চাৰিটা গুৰুত্বপূর্ণ সমাজতাত্ত্বিক তত্ত্ব (Sociological theory) পোৱা যায়। সেইকেইটা হৈছে— কার্যকৰী তত্ত্ব (Functional theory), প্ৰতীকাত্মক কথোপকথনমূলক তত্ত্ব (Symbolic interaction theory), বিৰোধমূলক তত্ত্ব (The conflict theory) আৰু নাৰীবাদী তত্ত্ব (The Feminist theory)। সামাজিক লিংগ সম্পর্কীয় এই তত্ত্বসমূহ তলত আলোচনা কৰা হ'ল—

● কার্যকৰী তত্ত্বৰ মতে পুৰুষে সমাজত গঠনাত্মক ভূমিকা (instrumental role) পালন কৰাৰ

বিপৰীতে মহিলাই সমাজত অভিব্যক্তিমূলক ভূমিকা (expressive role) পালন কৰে। ই সমাজৰ হিতৰ ক্ষেত্রত অৰিহণা যোগায়। আকৌ গঠনাত্মক ভূমিকাই নেতৃত্ব আৰু কর্ম সম্পাদনক সামৰি লোৱাৰ বিপৰীতে অভিব্যক্তিমূলক ভূমিকাই মনোবলৰ প্রয়োজনীয়তাৰ দিশটোক সাঙুৰি লয়। এই নির্দিষ্ট ভূমিকাসমূহৰ সামাজিকীকৰণ লিংগগত বৈষম্যৰ এক গুৰুত্বপূর্ণ কাৰক।

● প্রতীকাত্মক কথোপকথনমূলক তত্ত্বই সামাজিক লিংগক সূক্ষ্ম দৃষ্টিভংগীৰে বিচাৰ কৰে আৰু সামাজিক লিংগৰ মূল্যায়ন দৈনিক ভিত্তিত সম্পন্ন কৰে। উদাহৰণস্বৰূপে পুৰুষে মহিলাৰ কথোপকথন আৰু কর্মত প্রায়ে হস্তক্ষেপ কৰা দেখা যায়। ই সাধাৰণতে পুৰুষ অধিক প্রভাৱশালী হোৱাৰ কথাটোক সূচায়। সামাজিক লিংগৰ ভূমিকাক পুৰুষ আৰু মহিলাই কিদৰে আয়ত্ত কৰে, সেয়াও এই তত্ত্বৰ আলোচনাৰ অধীন।

● সমাজ সংগঠনত পৰিলক্ষিত হোৱা পুৰুষ আৰু মহিলাৰ বৈষম্যৰ বাবে বিৰোধমূলক তত্ত্বই মহিলাসকল এক ঋণাত্মক পৰিস্থিতিৰ সন্মুখীন হোৱা বুলি গণ্য কৰে। উদাহৰণস্বৰূপে পুৰুষ আৰু মহিলাৰ মাজত থকা পাৰিশ্রমিকৰ বৈষম্যই পুৰুষে মহিলাৰ কর্ম আৰু দলগতভাৱে মহিলাৰ অৱদানক মূল্যহীন হিচাপে বিবেচনা কৰা কার্যক বুজায়।

● নাৰীৰ আন্দোলন আৰু সমাজত নাৰীৰ নিম্নগামী অৱস্থাৰ পর্যালোচনা কৰি নাৰীৰ স্থান উন্নত কৰি তোলা লক্ষ্যৰ পৰাই নাৰীবাদী তত্ত্বৰ সৃষ্টি হৈছিল। নাৰীবাদী তত্ত্বৰ পৰা চাৰিটা গুৰুত্বপূর্ণ মতবাদৰ সূত্রপাত হৈছিল। সেইকেইটা হ'ল— উদাৰনৈতিক নাৰীবাদ (Liberal feminism), সামাজিক নাৰীবাদ (Socialistic feminism), সংস্কাৰমূলক (Radical feminism) আৰু বহুবর্ণবিশিষ্ট নাৰীবাদ (Multiracial feminism)।

উদাৰনৈতিক নাৰীবাদীসকলৰ মতে অতীতৰ পৰা পৰম্পৰাগতভাৱে মহিলাৰ অগ্রগতিৰ ক্ষেত্রত সামাজিক লিংগৰ অসমতা হেঙাৰ হিচাপে পৰিগণিত হৈ আহিছে। আনহাতে সামাজিক নাৰীবাদীসকলে মহিলাৰ ওপৰত চলা দমনমূলক নীতিৰ কাৰণ হিচাপে পুঁজিবাদী ব্যৱস্থাক অভিহিত কৰিছে। কিয়নো পুঁজিবাদী ব্যৱস্থাত মহিলাসকলক সস্তীয়া শ্রমিক হিচাপে গণ্য কৰাৰ লগতে মহিলাসকল পুঁজিপতিসকলৰ শোষণৰ বলি হয়। ই তেওঁলোকক মহিলা আৰু শ্রমিক হিচাপে দুর্বল কৰি তোলে। সংস্কাৰমূলক নাৰীবাদীসকলৰ মতে মহিলাসকলৰ ওপৰত চলা দমনৰ মূল কাৰণ হ'ল পুৰুষতান্ত্রিকতা। তেওঁলোকে মহিলাৰ শৰীৰৰ ওপৰত পুৰুষৰ নিয়ন্ত্রণকেই এই দমনৰ মুখ্য কাৰণ হিচাপে অভিহিত কৰিছে। শেষত বহুবর্ণবিশিষ্ট নাৰীবাদীসকলে সামাজিক লিংগ, বর্ণ আৰু জাতি বা শ্রেণীৰ প্রভাৱৰ বিষয়ে অধ্যয়ন কৰি এইবোৰে সন্মিলিতভাৱে কিদৰে পুৰুষ আৰু মহিলাৰ অভিজ্ঞতা গঠন কৰে তাৰ আলোচনা দাঙি ধৰে।

## ১.৬ লিংগ (Sex) আৰু সামাজিক লিংগ (gender) ৰ মাজত পার্থক্য

লিংগ আৰু সামাজিক লিংগৰ মাজৰ পার্থক্য পোনপ্রথমে বিংশ শতিকাৰ পঞ্চম আৰু ষষ্ঠৰ দশকত ব্রিটিছ আৰু আমেৰিকাৰ intersex আৰু trans-sexual ৰোগীসকলৰ চিকিৎসা কৰা মনোবিজ্ঞানী তথা চিকিৎসকসকলে প্রদর্শন কৰিছিল। তেতিয়াৰ পৰাই সামাজিক লিংগ (gender) শব্দটো জৈৰিক প্রক্রিয়া হিচাপে লিংগ (sex) আৰু সামাজিক-সাংস্কৃতিক প্রক্রিয়া হিচাপে সামাজিক লিংগৰ মাজত পার্থক্য প্রদর্শন কৰাৰ বাবে ব্যৱহাৰ হৈ আহিছে। অতীতৰ পৰাই লিংগ শব্দটোৰ জৰিয়তে জৈৰিক লিংগ আৰু ইয়াৰ লগত জড়িত বিষয়সমূহ সূচিত কৰিবলৈ ব্যৱহাৰ কৰি অহা হৈছে। আনহাতে সামাজিক লিংগ অভিধাটো মূলতঃ সামাজিক আৰু সাংস্কৃতিক প্রসংগত ব্যৱহাৰ কৰা হয়। লিংগ হৈছে মূলতঃ প্রজনন ক্ষমতাৰ ওপৰত ভিত্তি কৰি কৰা এটা জৈৰিক শ্রেণী বিভাজন। আনহাতে সামাজিক লিংগ হৈছে জৈৰিক লিংগৰ সামাজিক বিস্তৃতি।

শাৰীৰিক, অন্তঃস্রাবী আৰু ক্রম'জমীয় বৈশিষ্ট্যৰ ভিত্তিত লিংগ নির্ণয় কৰা হয়। এই বৈশিষ্ট্যসমূহৰ

ওপৰত নির্ভৰ কৰি সাংস্কৃতিক পৰম্পৰাৰ ভিত্তিত ব্যক্তিক লিংগ সূচিত কর্মৰ বাবে বাছনি কৰা প্ৰক্ৰিয়াইহে প্ৰকৃততে মানুহৰ পুৰুষত্ব আৰু নাৰীত্ব নির্ধাৰণ কৰে। গতিকে দেখা যায় পুৰুষ আৰু মহিলাৰ লিংগৰ জৈৱিক সংজ্ঞা অথবা মানুহৰ পুৰুষ আৰু মহিলা সম্পৰ্কীয় ধাৰণা মূলতঃ সামাজিক।

লিংগ আৰু সামাজিক লিংগৰ মাজৰ পার্থক্যসমূহ তলত উল্লেখ কৰা হ'ল—

| লিংগ | সামাজিক লিংগ |
|---|---|
| ➢ লিংগই জৈৱিক আৰু দৈহিক বৈশিষ্ট্যৰ ভিত্তিত পুৰুষ আৰু মহিলাৰ বিভাজনক সূচায়। ই জিনগত পার্থক্যকো সামৰি লয়। | ➢ সমাজে পুৰুষ আৰু মহিলা ভেদে নির্ধাৰণ কৰা আৰু উত্তম বুলি ভবা কার্যক্রমনিকা, কথনভংগী হ'ল সামাজিক লিংগ। |
| ➢ লিংগ জিনীয় আৰু শাৰীৰিক বৈশিষ্ট্যৰ দ্বাৰা নির্ধাৰিত হয়। | ➢ সামাজিক লিংগ হ'ল এনে এক পৰিচয় যাক আহৰণ কৰা হয়, যি সময় অনুসৰি পৰিৱর্তন হয় আৰু সংস্কৃতি ভেদে পৃথক পৃথক হয়। |
| ➢ লিংগ অপৰিৱর্তনীয় আৰু ই প্ৰাকৃতিক। | ➢ সামাজিক লিংগ পৰিৱর্তনীয় আৰু ই সংস্কৃতি নির্ভৰ। |
| ➢ শাৰীৰিক বৈশিষ্ট্য আৰু যৌনাকাংক্ষা পূৰণ কৰা লিংগ এটা মূলতঃ বৈজ্ঞানিক অভিধা (scientific term) | ➢ সামাজিক লিংগ অভিধাটো মূলতঃ সামাজিক। ই বিভিন্ন কর্ম, বৃত্তি নির্বাচন আৰু মানুহৰ সামাজিক স্থিতিক সামৰি লয়। |
| ➢ লিংগই মানুহৰ জৈৱিক পার্থক্য যেনে ক্রম'জমীয়, হৰমন তথা অভ্যন্তৰীণ আৰু বাহ্যিক পার্থক্য সামৰি লয়। | ➢ সামাজিক লিংগই সমাজ বা সংস্কৃতিয়ে নির্ধাৰণ কৰা পুৰুষত্ব আৰু নাৰীত্বৰ বৈশিষ্ট্যৰ সূচায়। |
| ➢ লিংগই ব্যক্তিক পুৰুষ আৰু নাৰী হিচাপে বিভাজিত কৰে। | ➢ সামাজিক লিংগই 'পুৰুষত্ব' আৰু 'নাৰীত্ব'ৰ ধাৰণাৰ ভিত্তিত বিভাজন কৰে। |
| ➢ লিংগৰ ধাৰণা সমাজ ভেদে একে। | ➢ সামাজিক লিংগই ব্যক্তিৰ ওপৰত পৰিচয় আৰোপ কৰে। সামাজিক প্ৰত্যাশা আৰু আচৰণ সাংস্কৃতিকভাৱে হস্তান্তৰ কৰা হয়। |
| ➢ নাৰীৰ প্ৰজনন ক্ষমতা আৰু দৈহিক গঠনৰ বৈশিষ্ট্যৰ পৰা কিছুমান যৌন অভিব্যক্তি ফুটি উঠে। | ➢ নাৰীয়ে সমাজত পালন কৰা দায়িত্ব আৰু কর্তব্যৰ পৰা সামাজিক লিংগৰ অভিব্যক্তি ফুটি উঠে। |

গতিকে সামাজিক লিংগ আমি জন্মগতভাৱে লাভ নকৰোঁ; ই হৈছে এনে এক প্ৰক্ৰিয়া যিটো আমি সামাজিক পৰিৱেশত লাভ কৰোঁ। লিংগ হৈছে মূলতঃ প্ৰজননৰ ক্ষমতাৰ ওপৰত ভিত্তি কৰি কৰা জৈৱিক বিভাজন। আনহাতে সামাজিক লিংগ হৈছে জৈৱিক লিংগৰ সামজিক বিস্তৃতি। সামাজিক লিংগ জৈৱিক লিংগৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠে যদিও ই জৈৱিক পার্থক্যক নতুন ব্যাপ্তি প্ৰদান কৰে। ই জৈৱিক পার্থক্যক এটা

নতুন স্তৰলৈ লৈ যায় য'ত জৈৱিক পার্থক্যবোৰ বহুক্ষেত্রত অপ্রাসংগিক হৈ পৰে। লিংগ শাৰীৰিক, আন্তঃস্রাবী আৰু ক্রম'জমীয় বৈশিষ্ট্যৰ ভিত্তিত নির্ধাৰিত হয় আৰু লিংগ অনুসৰি কার্যপ্রণালী নির্দিষ্টকৰণৰ প্রক্রিয়াটো বহু পৰিমাণে সাংস্কৃতিক বৈশিষ্ট্যৰ ওপৰত নির্ভৰশীল হৈ পৰে যাৰ জৰিয়তে প্রকৃততে এগৰাকী ব্যক্তিয়ে পুৰুষ অথবা মহিলা হিচাপে স্বীকৃতি লাভ কৰে। গতিকে দেখা যায় লিংগ সম্পর্কীয় জৈৱিক সংজ্ঞা অথবা মানুহৰ পুৰুষ আৰু মহিলা সম্পর্কীয় ধাৰণা মূলতঃ সামাজিক। 'Anne Fausto Sterling' (২০০০)-এ এই প্রসংগত প্রদান কৰা এটি মন্তব্যৰ জৰিয়তে ইয়াৰ আলোচনা সামৰিব পাৰি, 'কাৰোবাক পুৰুষ অথবা মহিলা হিচাপে অভিহিত কৰাৰ সিদ্ধান্তটো সম্পূর্ণ সামাজিক।'

## অগ্রগতি নিৰীক্ষণ

**প্রশ্ন নং ৩ ঃ** সমাজতত্ত্বৰ দুটা তাত্ত্বিক দিশ উল্লেখ কৰক।

.....

**প্রশ্ন নং ৪ ঃ** লিংগ আৰু সামাজিক অভিধা দুটাৰ মাজৰ পার্থক্যৰ বিষয়ে কোনে পোনপ্রথমে উল্লেখ কৰিছিল?

.....

## ১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- পুৰুষ আৰু মহিলাৰ মাজৰ বিভাজন প্রাকৃতিকৰ তুলনাত অধিক পৰিমাণে সামাজিক।
- লিংগ আৰু সামাজিক লিংগৰ মাজৰ ধাৰণাগত পার্থক্যই বর্তমান গুৰুত্ব লাভ কৰিছে। সামাজিক লিংগ হৈছে নাৰীবাদৰ প্রভাৱত গঢ় লৈ উঠা এটি ধাৰণা।
- 'শাৰীৰিক গঠনেই নির্ণয়কাৰী নহয়' আৰু 'নাৰীয়ে নাৰী হিচাপে জন্মগ্রহণ নকৰে, সমাজেহে নাৰী হিচাপে গঢ়ি তোলা'ৰ দৰে ধাৰণাৰ অৱতাৰণা কৰি ছিমন দ্য বুভেয়ে তেওঁৰ বিখ্যাত নাৰীবাদী সম্পর্কীয় গ্রন্থ 'The Second Sex'ত সামাজিক লিংগ সম্পর্কে প্রশ্ন উত্থাপন কৰিছে।
- সমাজ বিজ্ঞানত বর্তমান সর্বসম্মতভাৱে পুৰুষ আৰু মহিলাৰ বিভাজন প্রাকৃতিকৰ তুলনাত যে অধিক পৰিমাণে সামাজিক, সেই কথা মানি লোৱা হৈছে।
- জীৱবিজ্ঞানী আৰু সমাজতত্ত্ববিদসকলে সততে লিংগ আৰু সামাজিক লিংগক একেটা অর্থত ব্যৱহাৰ কৰে।
- জীৱবিজ্ঞানীসকলৰ মতে সামাজিক লিংগ জৈৱিকভাৱে নির্ণীত হয়।
- তেওঁলোকৰ মতে লিংগ সম্পর্কীয় প্রাথমিক আৰু গৌণ বৈশিষ্ট্যই পুৰুষ আৰু মহিলাৰ দৈহিক পার্থক্যক নির্দিষ্ট কৰে।
- লিংগৰ ভিত্তি হৈছে শাৰীৰিক, অন্তঃস্রাবী আৰু ক্রম'জমীয় বৈশিষ্ট্য। এই বৈশিষ্ট্যসমূহৰ ওপৰত নির্ভৰ কৰি সাংস্কৃতিক পৰম্পৰাৰ ভিত্তিত ব্যক্তিক লিংগ সূচিত কর্মৰ বাবে বাছনি কৰা প্রক্রিয়াইহে প্রকৃততে মানুহৰ পুৰুষত্ব আৰু নাৰীত্ব নির্ধাৰণ কৰে।

## ১.৮ অধিক জানিবলৈ

**ইংৰাজী গ্রন্থ ঃ**

1. Kausal, Rachana (2000) : Women and Human Rights in India, Kaveri Books.
2. Aswal, Balam Singh (2013) : Reading in Women's and Girls rights, Cyber-Tech

Publications.

3. Mc Neese, Tim, Mountjoy, Shane (2009) : The Women Rights Movement. Moving Towards Equality, Infobase Publishing.
4. Chawla, Monica (2006) : Gender Justice Women and Law in India, Deep & Deep Publications Pvt.-Ltd.
5. Saikia, Nandita (2008) : Indian Women A socio-Legal Perspective, Serials Publications.
6. Ray, Raka (2000) Fields of Pratest : Women's Movements in India, Zutaan.
6. Ray, Raka, Katzenstein, Main Fainsod (2005) : Social Movements in India : Poverty, Power and Politics, Rowman & Littlefield.

## ১.৯ অগ্রগতিৰ খতিয়ান

**১নং প্রশ্নৰ উত্তৰ ঃ** ১৯৭২ চনত 'Sex Gender & Society' গ্রন্থখন ৰচিত হৈছিল?

**২নং প্রশ্নৰ উত্তৰ ঃ** 'Sex Gender & Society' গ্রন্থখনৰ ৰচক হ'ল Ann Oakley

**৩নং প্রশ্নৰ উত্তৰ ঃ** ১৯৫০ আৰু ১৯৬০ চনত লিংগ আৰু সামাজিক লিংগ শব্দ দুটা পোনপ্রথমে ব্যৱহৃত হৈছিল।

**৪নং প্রশ্নৰ উত্তৰ ঃ** ব্রিটিছ আৰু আমেৰিকাৰ মনোবিদসকলে সর্বপ্রথমে লিংগ আৰু সামাজিক লিংগৰ মাজৰ প্রভেদ ধার্য কৰিছিল।

## ১.১০ আৰ্হি প্রশ্ন

**প্রশ্ন ১ ঃ** সামাজিক লিংগ সম্পর্কীয় তত্ত্বসমূহৰ বিষয়ে এটি আলোচনা প্রস্তুত কৰক।

**প্রশ্ন ২ ঃ** সামাজিক লিংগৰ সামাজিক গঠন (Social construction of gender) বুলিলে কি বুজা যায়? আলোচনা কৰক।

**প্রশ্ন ৩ ঃ** লিংগ আৰু সামাজিক লিংগৰ মাজৰ পার্থক্যসমূহ আলোচনা কৰক।

**প্রশ্ন ৪ ঃ** সামাজিক লিংগৰ জৈৰিক আৰু সামাজিক দৃষ্টিভংগীৰ পার্থক্য সম্পর্কে এটি টোকা যুগুত কৰক।

*** ***** ***

# অধ্যায় ২ ঃ সামাজিক লিংগৰ লগত সম্পৰ্কিত মৌলিক ধাৰণাসমূহ

## অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ সামাজিক লিংগৰ বৈষম্য
২.৪ পিতৃতান্ত্রিকতা আৰু মাতৃতান্ত্রিকতা
২.৫ সামাজিক লিংগৰ ন্যায়
২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৭ অধিক জানিবলৈ
২.৮ অগ্রগতিৰ খতিয়ান
২.৯ আৰ্হি প্রশ্ন

## ২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সামাজিক লিংগৰ বৈষম্যৰ বিষয়ে অৱগত হ'ব
- পিতৃতান্ত্রিকতাৰ বিষয়ে জানিব পাৰিব
- সামাজিক লিংগৰ ন্যায় সম্পর্কে সম্যক ধাৰণা লাভ কৰিবলৈ সক্ষম হ'ব।

## ২.২ পৰিচয়

সামাজিক লিংগ হৈছে সামাজিক আৰু আর্থিক কার্যকলাপ নির্ধাৰণৰ প্রাথমিক ভিত্তি। আর্থসামাজিক ক্ষমতা নির্বিশেষে বস্তুগত জগতখনত সামাজিক লিংগৰ বৈষম্য দেখা যায় যদিও দেশ আৰু সময় ভেদে বৈষম্যৰ মাত্রাসমূহ বেলেগে বেলেগ হয়। অধিকাংশ সমাজত পুৰুষসকল সামাজিক, আর্থিক আৰু ৰাজনৈতিক ক্ষেত্রত নাৰীৰ তুলনাত উন্নত স্থান অধিকাৰ কৰি থকা বাবে সামাজিক লিংগ বৈষম্য সমাজসমূহৰ এটা বৈশিষ্ট্য হিচাপে পৰিগণিত হৈছে। বিগত দুটা দশকত সামাজিক লিংগৰ এই বৈষম্যক দূৰ কৰাৰ প্রচেষ্টাই আন্তঃৰাষ্ট্রীয় আৰু ৰাষ্ট্রীয় ৰাজনীতিত এক গুৰুত্বপূর্ণ স্থান অধিকাৰ কৰিছে। সামাজিক লিংগৰ এই বৈষম্য সম্পদৰ উপলব্ধতা তথা নিয়ন্ত্রণৰ ওপৰতে কেবল নির্ভৰশীল হৈ থকা নাই। লিংগ সম্পর্কীয় নীতি আৰু পৰম্পৰাগত বদ্ধমূল ধাৰণাৰ জৰিয়তে পুৰুষ আৰু নাৰী সম্পর্কীয় আচৰণ নির্ধাৰণ কৰা কার্যই উভয়ৰে মাজত বৈষম্যৰ সৃষ্টি কৰে (Ridgeway, 2011)। প্রস্তাৰিত এই অধ্যায়টিত সামাজিক লিংগৰ লগত সম্পর্কিত কিছুমান মৌলিক ধাৰণাৰ বিষয়ে আলোচনা কৰা হ'ব।

## ২.৩ সামাজিক লিংগৰ বৈষম্য

সাধাৰণ অর্থত বিভিন্ন বৈশিষ্ট্যৰ ভিত্তিত মানুহক অসমান ৰূপে গণ্য কৰা প্রক্রিয়াকে বৈষম্য আখ্যা দিয়া হয়। Quillianৰ মতে বদ্ধমূল ধাৰণা, পক্ষপাতমূলক আচৰণ, বর্ণবৈষম্য আদিয়ে মানুহৰ মনত বৈষম্যৰ বীজ

ৰোপণ কৰে। অভিধাৰ পৰাই এই কথা সহজে অনুমান কৰিব পাৰি যে লিংগৰ ভিত্তিত ব্যক্তিক অনৈতিক বা অসভ্য আচৰণ কৰাই হৈছে লিংগ বৈষম্য। প্ৰায়ে দেখা যায় যে মহিলাসকলক তেওঁলোকৰ লিংগৰ বাবে বিভিন্ন সুবিধাৰ পৰা বঞ্চিত কৰাৰ লগতে তেওঁলোকৰ অধিকাৰো খৰ্ব কৰা হয়। মহিলাসকলক পুৰুষৰ তুলনাত শাৰীৰিক আৰু মানসিকভাৱে হীন হিচাপে গণ্য কৰাৰ উপৰিও তেওঁলোক সম্পূৰ্ণৰূপে পুৰুষৰ নিয়ন্ত্ৰণত থাকিবলগীয়া হয়। আজিও পুত্ৰ সন্তান জন্ম হ'লে আশীৰ্বাদ হিচাপে গণ্য কৰি আনন্দ কৰাৰ বিপৰীতে কন্যা সন্তানৰ জন্মক বোজা বুলি ভবা হয়। পত্নীৰ ওপৰত চলা নিৰ্যাতন বৰ্তমান গতানুগতিক ঘটনাত পৰিণত হৈছে আৰু পত্নীক নিজৰ অধীনত ৰখাৰ উপায় ৰূপে চিহ্নিত হৈছে। দেখা যায় ছোৱালীবোৰক কম বয়সতে সিহঁততকৈ যথেষ্ট ডাঙৰ ল'ৰালৈ বিয়া দিয়া হয়। পৰিয়ালৰ সন্মান নাৰীৰ সৈতে জড়িত হৈ থাকে বুলি তেওঁলোকৰ কৰ্ম, আচৰণ তথা চলন-ফুৰণৰ ওপৰত কঠোৰ দৃষ্টি ৰখা হয় যাতে তেওঁলোকে পৰিয়ালৰ সন্মানত কলংকৰ দাগ সানিব নোৱাৰে। মহিলাসকলক সততে ঘৰৰ ভিতৰত থকাৰ পোষকতা কৰা হয় আৰু মহিলাসকলক পৰিয়ালৰ কোনো পুৰুষ সদস্যৰ সৈতেহে বাহিৰলৈ যোৱাৰ অনুমতি প্ৰদান কৰা দেখা যায়। কিছুমান সমাজত আকৌ মহিলাসকলৰ ওপৰত পৰ্দা প্ৰথাৰ নীতি জাপি দিয়া হয়। এই প্ৰথা অনুসৰি বাহিৰলৈ যোৱাৰ সময়ত মহিলাসকলে চকুৰ বাহিৰে শৰীৰৰ সমস্ত অংশ কাপোৰেৰে ঢাকি ৰাখিব লাগে। ভাৰতৰ কিছু অংশতহে মহিলাসকলক সন্তান জন্মৰ সময়ত চিকিৎসালয়লৈ নিয়া হয়। সাধাৰণতে মহিলাসকলক সমাজে দৈহিক আৰু মানসিকভাৱে দুৰ্বল বুলি গণ্য কৰে। সেয়েহে কোনো বিষয়ৰ সিদ্ধান্ত গ্ৰহণ তথা বিবাহৰ সময়ত ছোৱালীৰ মত আৰু সন্মতি-অসন্মতিত গুৰুত্ব আৰোপ কৰা নহয়। সকলো ক্ষেত্ৰতে মহিলাসকলক অপৰিপক্ক হিচাপে ভাবি যিকোনো সমস্যাৰ প্ৰতি তেওঁলোকৰ দৃষ্টিভংগীক অপেণত বুলি ভাবি তেওঁলোকৰ মতামতক আওকাণ কৰা হয়। সমাজৰ দৃষ্টিত বুদ্ধিদীপ্ততা, প্ৰাণচঞ্চলতা, সামৰ্থ্য আদি যোগাত্মক দিশসমূহ পুৰুষৰ লগতহে সম্পৰ্কিত হৈ থাকে। ভাৰতৰ দৰিদ্ৰতা তথা অন্য ৰাষ্ট্ৰৰ তুলনাত পিছ পৰি থকাৰ ক্ষেত্ৰত বহু পৰিমাণে লিংগ বৈষম্য দায়ী। পুৰুষ আৰু মহিলাই সহযোগিতাৰে সমানে কাম কৰিলেহে আজিৰ বিশ্বত আৰ্থিক প্ৰগতি সম্ভৱ। অধিকাংশ মানুহে ভাবে যে নাৰী শিক্ষাই শেষত কোনো প্ৰতিদান নিদিয়ে। ই সম্পূৰ্ণ ভুল ধাৰণা। স্বাস্থ্য সেৱাৰ সুবিধা উপলব্ধ কৰাৰ প্ৰতি কৰা আওকাণ বৰ্তমান প্ৰসুতিৰ মৃত্যু আৰু মনোৰোগৰ এক গুৰুত্বপূৰ্ণ কাৰণ হিচাপে চিহ্নিত হৈছে। ই শিশুৰ স্বাস্থ্যৰ ওপৰতো ঋণাত্মক প্ৰভাৱ পেলায়।

## ২.৪ পিতৃতান্ত্ৰিকতা আৰু মাতৃতান্ত্ৰিকতা

পিতৃতান্ত্ৰিকতা এনে এটা সামাজিক ব্যৱস্থা য'ত পুৰুষ সদস্যসকলক কেন্দ্ৰীয় কৰ্তৃপক্ষ হিচাপে গণ্য কৰা হয়। ই এনে এটা ব্যৱস্থাক সূচায়, য'ত মহিলা, শিশু আৰু সম্পত্তিৰ ওপৰত পুৰুষৰ পূৰ্ণ কৰ্তৃত্ব থাকে। পুৰুষৰ দ্বাৰা নিয়ন্ত্ৰিত এক ব্যৱস্থা হিচাপে পিতৃতান্ত্ৰিকতা মহিলাৰ অধীনস্থতাৰ ওপৰত নিৰ্ভৰশীল। ইতিহাসৰ পাত লুটিয়ালে দেখা যায় যে এই ব্যৱস্থা বিভিন্ন সমাজ-সংস্কৃতিৰ সামাজিক, ন্যায়িক, ৰাজনৈতিক আৰু অৰ্থনৈতিক বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছে। বিগত শতিকাত বহুতো সংস্কৃতিয়ে সমতাৰ ধাৰণাক গ্ৰহণ কৰিলেও আধুনিক সভ্যতাৰ বিকাশত পিতৃতান্ত্ৰিকতাৰ যথেষ্ট প্ৰভাৱ আছে। আভিধানিক অৰ্থত 'পুৰুষতান্ত্ৰিকতা' মানে হৈছে 'পিতৃৰ শাসন'। প্ৰাৰম্ভিকতে 'পুৰুষতান্ত্ৰিক' অভিধাই পৰিয়ালৰ মুখ্য পুৰুষজনৰ স্বৈৰাচাৰী শাসনক বুজাইছিল। কিন্তু আধুনিক কালত ই সাধাৰণতে কোনো প্ৰাপ্তবয়স্ক পুৰুষৰ হাতত ক্ষমতাৰ ভাৰ নিয়োজিত হৈ থকা এটা ব্যৱস্থাক বুজায়। নৃতাত্ত্বিক আৰু ঐতিহাসিক তথ্যৰ পৰা এইটো জনা যায় যে অধিকাংশ প্ৰাগ্ ঐতিহাসিক সমাজ ক্ষমতাৰ ভিত্তিত প্ৰতিষ্ঠিত হৈছিল আৰু পিতৃতান্ত্ৰিক ব্যৱস্থাই Pleistocene যুগত হোৱা প্ৰযুক্তি, কৃষি আৰু গৃহকাৰ্যৰ উন্নতিৰ আগলৈ সমাজত থিতাপি ল'ব পৰা নাছিল। আনহাতে ৰবাৰ্ট এম. ষ্টেজিয়াৰৰ মতে ঐতিহাসিক অধ্যয়নে

ঢুকি পোৱা সময়ৰ পূৰ্বৰ পৰা বৰ্তমানলৈ পিতৃতান্ত্ৰিক ব্যৱস্থা আৰম্ভ হোৱাৰ অন্তৰালত কোনো নিৰ্দিষ্ট কাৰণ নিহিত হৈ থকা নাই। একাংশ অধ্যয়নকাৰীয়ে আকৌ দুহাজাৰ বছৰ আগত আৰম্ভ হোৱা পিতৃৰ বংশ নিৰ্ণয়ৰ প্ৰথাক পুৰুষতান্ত্ৰিক ব্যৱস্থাৰ আৰম্ভৰ কাৰণ হিচাপে দৰ্শাইছে। খ্ৰীষ্টপূৰ্ব একত্ৰিংশতিতম শতিকাত প্ৰাচ্যৰ প্ৰাচীন অঞ্চলসমূহত পুৰুষৰ হাতত নাৰী অৱদমিত হোৱাৰ প্ৰমাণ পোৱা যায়। এই সময়ছোৱাত নাৰীৰ প্ৰজনন ক্ষমতাৰ ওপৰত বাধ্যবাধকতা আৰোপ কৰা হৈছিল। হিব্ৰুসকলৰ আবিৰ্ভাৱৰ লগে লগে মহিলাসকলক ভগৱান-মানৱৰ সম্পৰ্কৰ প্ৰক্ৰিয়াৰ পৰাও অব্যাহতি দিয়া হয়। এৰিষ্টটলীয় দৰ্শনতো মহিলাসকলক নৈতিক, বৌদ্ধিক আৰু শাৰীৰিকভাৱে পুৰুষৰ তুলনাত হীন হিচাপে বিবেচনা কৰা হৈছিল। নাৰীক পুৰুষৰ পণ্য বা সম্পদ ৰূপে গ্ৰহণ কৰা হৈছিল বাবে সন্তান জন্ম দিয়া আৰু পুৰুষক সেৱা কৰাই মহিলাৰ একমাত্ৰ কৰ্তব্য বুলি সমাজে ভাবিছিল। প্ৰণিধানযোগ্য যে নাৰীৰ ওপৰত পুৰুষৰ এই নিয়ন্ত্ৰণক প্ৰাকৃতিক আৰু পবিত্ৰ হিচাপে গণ্য কৰা হৈছিল। নাৰীবাদৰ অধিকাংশ দৃষ্টিভংগীয়ে পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাক নাৰীৰ প্ৰতি কৰা এক অন্যায় ৰূপে বিবেচনা কৰে। নাৰীবাদী তথা ৰাজনৈতিক চিন্তাবিদ Carole Pateman-এ এইদৰে মত প্ৰদান কৰিছে, 'পিতৃতান্ত্ৰিক ব্যৱস্থাৰ যি পুৰুষত্ব আৰু নাৰীত্বৰ মাজৰ পাৰ্থক্য সি ৰাজনীতিৰ স্বাধীনতা আৰু অধীনতাৰ ধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত। অৱশ্যে নাৰীবাদী তত্ত্বত পুৰুষে নাৰীক দমন কৰিব পৰা সকলো সামাজিক নীতিক পিতৃতান্ত্ৰিক ব্যৱস্থাৰ অধীন হিচাপে গণ্য কৰে। নাৰীবাদী তত্ত্বসমূহে পুৰুষতান্ত্ৰিকতাক এটা সামাজিক সংগঠন হিচাপে বিবেচনা কৰে। এই ব্যৱস্থাৰ বিভিন্ন দিশ যুক্তিপূৰ্ণভাৱে বিচাৰ কৰি পৰিৱৰ্তন কৰিব পাৰি। অধিকাংশ সমাজতত্ত্ববিদে পিতৃতান্ত্ৰিকতাৰ জৈৱিক ব্যাখ্যাক মানি লোৱা নাই। তেওঁলোকৰ মতে সামাজিক আৰু সাংস্কৃতিক নীতিসমূহেই পুৰুষ আৰু নাৰীৰ লিংগ সম্পৰ্কীয় কৰ্তব্য নিৰ্ধাৰণ কৰে। সমাজতত্ত্বৰ মান্য তত্ত্বই পিতৃতান্ত্ৰিকতা প্ৰজন্মৰ পৰা প্ৰজন্মলৈ বাগৰি অহা এক সামাজিক ব্যৱস্থা বুলি কৈছে। এই ব্যৱস্থা আৰ্থিক উন্নয়নৰ তুলনাত পৰম্পৰাগত সংস্কৃতি তথা নীতি-নিয়মৰ ওপৰত অধিক নিৰ্ভৰশীল হোৱা দেখা যায়। অৱশ্যে পৰিয়াল, গণমাধ্যম আৰু গণমাধ্যমসমূহৰ দ্বাৰা প্ৰেৰিত লিংগ সম্পৰ্কীয় ধাৰণাসমূহে সমাজত পুৰুষক নিয়ন্ত্ৰক হিচাপে গঢ়ি তোলাত অৰিহণা যোগায়। ষ্টিভেন গল্ডবাৰ্গকে আদি কৰি একাংশ সমাজ জীৱবিজ্ঞানী (Socio-biologists)ৰ মতে সামাজিক আচৰণ মূলতঃ জিনীয় বৈশিষ্ট্যৰ জৰিয়তে নিৰ্ধাৰিত হয় আৰু পিতৃতান্ত্ৰিকতাই সামাজিকতকৈ জৈৱিক কাৰণৰ বাবেহে অস্তিত্ব লাভ কৰে। তেওঁলোকৰ মতে পিতৃতান্ত্ৰিকতা মানৱ সংস্কৃতিৰ এটা বিশ্বজনীন বৈশিষ্ট্য। ১৯৭৩ চনত গল্ডবাৰ্গে লিখিছিল, 'প্ৰত্যেক সমাজৰ নৃগোষ্ঠীগত অধ্যয়নৰ পৰা প্ৰাপ্ত ফলাফল অনুসৰি পিতৃতান্ত্ৰিকতাৰ এই বৈশিষ্ট্য সকলো সমাজতে দেখা যায় আৰু ইয়াৰ মাজত বিশেষ পাৰ্থক্য নাথাকে।' পিতৃতান্ত্ৰিক ব্যৱস্থাৰ সকলো ব্যাখ্যাই অতীতৰ পৰা নাৰীৰ অধীনতাৰ কাৰণে দাঙি ধৰাৰ লগতে ভৱিষ্যতে ইয়াৰ প্ৰভাৱ আৰু সফলতাৰ বিষয়ে আলোচনা কৰে। পিতৃতান্ত্ৰিকতাই কেবল আমাৰ সমাজ কিদৰে পৰিচালিত হয় সেয়াই আলোচনা নকৰে, কিদৰে নাৰীক নিয়ন্ত্ৰণ কৰা হয়, তাৰো ব্যাখ্যা আগবঢ়ায়। গতিকে পিতৃতান্ত্ৰিকতাক 'পুৰুষৰ নিয়ন্ত্ৰণ' হিচাপে অভিহিত কৰাই অধিক সমীচীন। জনজাতীয় মহিলাসকলে হাবিত আৰু কৃষিক্ষেত্ৰত কাম কৰিব লাগে বাবে তেওঁলোকে চলাচলৰ ক্ষেত্ৰত পৰ্যাপ্ত স্বাধীনতা আৰু সমান আৰ্থিক অধিকাৰ লাভ কৰে। তেওঁলোকে পুৰুষৰ শ্ৰেষ্ঠত্ব মানি ল'লেও অন্য অঞ্চলৰ মহিলাসকলতকৈ অধিক স্বাধীনতা উপভোগ কৰে।

মাতৃতান্ত্ৰিক ব্যৱস্থাত নাৰীক সমাজ ব্যৱস্থাৰ কেন্দ্ৰ হিচাপে মানি লোৱা হয়। অৱশ্যে এনে ব্যৱস্থাত অৱস্থিতি যথেষ্ট সীমিত। ভাৰতত মাতৃসূত্ৰী ব্যৱস্থাৰ সমধৰ্মী সমাজব্যৱস্থা পোৱা যায়। ই মাতৃতান্ত্ৰিক ব্যৱস্থাতকৈ কিছু পৃথক। এই ব্যৱস্থাত উত্তৰাধিকাৰৰ বংশলতা মাতৃৰ জৰিয়তে নিৰ্ধাৰিত হয় যদিও ৰাজনৈতিক ক্ষমতাসমূহ মূলতঃ পুৰুষৰ হাতত থাকে। মাটি আৰু আন সম্পত্তিৰ অধিকাৰ মাতৃৰ বংশলতিকা অনুসৰি নিৰূপিত হয়; কিন্তু ইয়াৰ পৰিচালনাৰ দায়িত্ব ন্যস্ত হৈ থাকে পুৰুষৰ হাতত। মাতৃৰ বংশশতিকাক গুৰুত্ব আৰোপ কৰা এই ব্যৱস্থাত নাৰীক বিশেষ সন্মানৰ চকুৰে চোৱা হয় যদিও পুৰুষ আৰু নাৰীৰ কৰ্ম, কৰ্তব্য আৰু নিয়ন্ত্ৰণ পৃথক পৃথক ৰূপে বিবেচনা

কৰাৰ নীতিৰ পৰিৱৰ্তন নহ'ল। খাচী জনজাতীয় লোকসকলৰ মাজত এটা মতৰ প্ৰচলন আছে, 'যুদ্ধ আৰু ৰাজনীতি পুৰুষৰ বাবে হোৱাৰ বিপৰীতে সম্পত্তি আৰু সন্তান নাৰীৰ অধীনস্থ বিষয়'। তেওঁলোকৰ শাসক, প্ৰধানসকল তথা ক্ষমতাৰ নিয়ন্ত্ৰকসকল পুৰুষ। আনহাতে মহিলাসকলে অৰ্থনৈতিক দিশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। উদাহৰণস্বৰূপে খাচী মহিলাসকলে সৰু দোকান চলোৱাৰ লগতে স্থানীয় ব্যৱসায়ো পৰিচালনা কৰে। কেৰালাৰ হিন্দু সমাজৰ অংশ কৃষিকাৰ্যত জড়িত নোহোৱা ভূমিৰ গৰাকীসকলৰ দ্বাৰা গঠিত নায়াৰ সমাজৰ মহিলাসকলে ঘৰত থাকি ঘৰুৱা কাম-কাজ পৰিচালনা কৰাৰ বিপৰীতে পুৰুষসকলে প্ৰতিৰক্ষাৰ দায়িত্ব গ্ৰহণ কৰে। তেওঁলোকৰ তাৰাৰাড়ত (কেৰালাৰ নায়াৰসকলৰ মাতৃসূত্ৰী যৌথ পৰিয়াল) সম্পত্তিৰ স্বত্ব মহিলাসকলৰ হাতত ন্যস্ত থাকে যদিও পৰিচালকসকলে ইয়াৰ চোৱা-চিতা কৰে। এই পৰিচালকসকল সদায় পুৰুষ হয়। লক্ষদ্বীপৰ মাতৃসূত্ৰী মুছলমান পৰিয়ালতো অনুৰূপ পৰম্পৰাৰ প্ৰচলন আছে। কেৰালা আৰু কৰ্ণাটকৰ কিছু সংখ্যক মাতৃসূচী সমাজতহে মহিলা পৰিয়ালৰ মুখীয়াল হিচাপে চিহ্নিত হয়। অৱশ্যে সমসাময়িক কালত সমাজ পৰিচালনাৰ নিয়মৰ পৰিৱৰ্তনৰ ফলত মাতৃতান্ত্ৰিক ব্যৱস্থা লুপ্ত হোৱাৰ উপক্ৰম হৈছে। বজাৰ অৰ্থনীতি, আধুনিক শিক্ষা, যাতায়তৰ সুবিধা আৰু নতুন কৰ্মসংস্থাপনৰ সুযোগ-সুবিধা আদি এই পৰিৱৰ্তনৰ কেইটামান গুৰুত্বপূৰ্ণ কাৰক। পতি, পত্নী আৰু সন্তান থকা ক্ষুদ্ৰ পৰিয়ালত মাতৃসূচী ব্যৱস্থাই পৰম্পৰাগত সমাজৰ যৌথ পৰিয়ালৰ দৰে ভূমিকা পালন কৰিব নোৱাৰে। নতুন শাসন ব্যৱস্থাই নায়াৰ তাৰাৰাড়সকলৰ মাজৰ বিবাহৰ পৰম্পৰাগত নীতিলৈ পৰিৱৰ্তন কঢ়িয়াই অনাৰ লগতে উত্তৰাধিকাৰ সূত্ৰে পোৱা সম্পত্তিৰ অধিকাৰৰ নীতিৰো পৰিৱৰ্তন সাধন কৰিছে। অৱশ্যে মাতৃসূত্ৰী ব্যৱস্থাৰ নীতি-নিয়মসমূহ সম্পূৰ্ণ নোহোৱা কৰি পেলাব নোৱাৰি কিয়নো যিসকল মহিলাই মাতৃসূত্ৰী নীতি এতিয়াও মানি চলি আহিছে, তেওঁলোকে উত্তৰাধিকাৰ সূত্ৰে পোৱা সম্পত্তিৰ ভাগ লাভ কৰাৰ লগতে পৰম্পৰাগত ব্যৱস্থাই তেওঁলোকক প্ৰদান কৰা সন্মান আৰু স্থান অক্ষুণ্ণ ৰখাৰ দাবীও সময়ে-সময়ে উত্থাপন কৰি আহিছে।

বিভিন্ন কৰ্তব্য বা কৰ্ম ধাৰ্য কৰাৰ সময়ত ইয়াৰ বিভাজনসমূহ 'পুৰুষৰ কাম' আৰু 'মহিলাৰ কাম' হিচাপে কৰা হয়। ঘৰুৱা কাম-কাজৰ দায়িত্ব মহিলাৰ ওপৰত ন্যস্ত হৈ থাকে। যদিহে তেওঁলোকে ঘৰুৱা কামত সহায় কৰিবলৈ কোনো কৰ্মচাৰী নিয়োগ নকৰে, তেন্তে পানী অনা, ৰন্ধা, ঘৰ পৰিষ্কাৰ কৰা, নিজৰ লগতে স্বামী আৰু সন্তানৰ কাপোৰ ধোৱা, সন্তানক চোৱা-চিতা কৰাৰ দৰে ঘৰৰ কামবোৰ নাৰীসকলেই কৰিবলগীয়া হয়। পুৰুষসকলে এই কামবোৰ কৰিবলৈ সহজবোধ নকৰে। যেতিয়া পত্নীৰ বেমাৰ হয়, আঁতৰত থাকে অথবা এই কামবোৰ কৰিবলৈ কোনো মহিলা নাথাকে, তেতিয়া পুৰুষসকলে এই কামবোৰ কৰা দেখা যায়। এই ধাৰণাটো আমাৰ সমাজত ইমান গভীৰভাৱে শিপাইছে যে কৰ্ম সংস্থাপনৰ লগত জড়িত মহিলাসকলেও পেচাদাৰী কামৰ লগতে এই ঘৰুৱা কামবোৰ কৰিবলগীয়া হয়। বহুক্ষেত্ৰত আনকি মহিলাসকলে ঘৰৰ দায়িত্ব সুচাৰুৰূপে পালন কৰিব নোৱাৰিলে অপৰাধপ্ৰৱণতাত ভোগাও দেখা যায়। আনহাতে পুৰুষসকলে ঘৰৰ বাহিৰৰ জগতখনৰ কাম-কাজ চোৱা-চিতা কৰে। তেওঁলোকে পৰিয়ালৰ প্ৰয়োজনসমূহ পূৰণ কৰাৰ লগতে বিভিন্ন বিষয়ৰ বিবাদত মধ্যস্থতাকাৰীৰ ভূমিকাও পালন কৰে। সমাজৰ নিম্ন বিত্তীয় পৰিয়ালৰ মহিলাসকলে পৰিয়ালৰ আয়ৰ ক্ষেত্ৰতো অৰিহণা যোগায়। তেওঁলোকে মাটি চহ কৰিব নোৱাৰিলেও কৃষিকাৰ্যৰ অন্যান্য কৰ্মত নিয়োজিত হৈ অৱদান আগবঢ়াব পাৰে। কুটীৰ শিল্পক জীৱিকা হিচাপে গ্ৰহণ কৰা পৰিয়ালৰ মহিলাসকলে পৰম্পৰাগত শিল্প চৰ্চা কৰি তাক আগুৱাই লৈ যায়। ঘৰৰ আয়ৰ ক্ষেত্ৰত তেওঁলোকৰ এই অৱদানক আওকাণ কৰিব নোৱাৰি। সমাজৰ শীৰ্ষতম পদত সাধাৰণতে পুৰুষক দেখা গৈছিল যদিও বৰ্তমান এই দৃশ্যৰ পৰিৱৰ্তন হৈছে আৰু মহিলাসকলেও লোকসেৱাৰ উচ্চ পদবীসমূহৰ দায়িত্ব নিয়াৰিকৈ পালন কৰি পুৰুষৰ সমানে আয় কৰিবলৈ সক্ষম হৈছে। জীৱন ধাৰণাৰ ক্ৰমবৰ্ধমান ব্যয় আৰু মানদণ্ড বৃদ্ধিৰ দিশটোলৈ লক্ষ্য কৰি আমি এই পৰিৱৰ্তনক মানি ল'ব লাগে। বৰ্তমানৰ পৰিৱৰ্তনসমূহে পুৰুষতান্ত্ৰিকতাক সম্পূৰ্ণৰূপে মানি ল'ব নিবিচাৰে যদিও পৰম্পৰাগত ব্যৱস্থাই ইয়াক পূৰ্ণৰূপে আঁতৰাই পেলোৱাৰ প্ৰতিও সমৰ্থন নজনায়।

## অগ্রগতি নিৰীক্ষণ

**ক) প্রশ্ন নং ১ ঃ** মাতৃসূত্রী ব্যৱস্থা অনুসৰণ কৰা সমাজ এখনৰ নাম লিখক।

.....

**প্রশ্ন নং ২ ঃ** লিংগ বৈষম্যই কি অর্থ প্রকাশ কৰে?

.....

## ২.৫ সামাজিক লিংগৰ ন্যায়

সামাজিক লিংগৰ ন্যায় বা চমুকৈ লিংগগত ন্যায় এটা আপেক্ষিকভাৱে বহল ধাৰণা, যিয়ে জীৱনৰ প্রতিটো দিশকে প্রভাৱিত কৰি আছে। ইতিহাসে ঢুকি পোৱা সময়ৰ আগৰ পৰাই আমি এনে এখন পিতৃতান্ত্রিক (কিছুমান বিশেষ দৃষ্টান্তক বাদ দি) আৰু সামন্তবাদী সমাজত বাস কৰি আহিছো, য'ত মহিলাসকলে সদায় গৌণ স্থান লাভ কৰে। নাৰীসকলৰ প্রতি সন্মান আৰু মৰমৰ ভাব ব্যক্ত কৰিলেও তেওঁলোকক সদায় ঘৰৰ ভিতৰত আবদ্ধ কৰি ৰখা হৈছিল। সাধাৰণতে গৃহসজ্জা, সন্তান, পৰিয়ালৰ ৰুগীয়া আৰু বয়স্ক লোক আদিক চোৱা-চিতা কৰাৰ দৰে অধিকাংশ অবৈতনিক কাম মহিলাই কৰিব লগা হয়। সামাজিক-সাংস্কৃতিক স্বাধীনতাৰ অভাৱৰ বাবে তেওঁলোক সততে শোষণৰ বলি হ'ব লগা হয়। এই শোষণৰ বিৰুদ্ধে সজাগ কৰি তুলিবলৈ সামাজিক, নৈতিক, অর্থনৈতিক, ৰাজনৈতিক, ন্যায়িক তথা সাংবিধানিক ব্যৱস্থাৰ পৰিৱর্তন সাধন কৰি সমাজখনক সংস্কাৰ কৰাৰ প্রয়াস ইতিমধ্যে আৰম্ভ হৈছে। লিংগৰ সমতা আৰু লিংগগত ন্যায়ে বিগত সময়ত যথেষ্ট লেহেমীয়া গতিৰে অগ্রগতি লাভ কৰিছে। পুৰুষৰ ওপৰত মহিলাৰ নির্ভৰশীলতা অথবা পুৰুষৰ তুলনাত মহিলাৰ গৌণ স্থান বিগত কেইবা শতিকাৰ পৰাই সকলো সমাজ আৰু দেশত চলি আহিছে। বর্তমান একবিংশ শতিকাতহে পুৰুষ আৰু মহিলা উভয়কে সমানে গুৰুত্ব দিবলৈ আৰম্ভ কৰা হৈছে। অধ্যাপক অমর্ত্য সেনৰ দৃষ্টিত, 'বিগত বছৰসমূহত কৰা পৰীক্ষামূলক গৱেষণাৰ পৰা এইটো ফলাফল লাভ কৰা হৈছে যে পৰম্পৰাগত অর্থনৈতিক আৰু সামাজিক ক্ষেত্রত মহিলাই যথেষ্ট নিম্নগামী অৱস্থাৰ সন্মুখন হৈছে। ইউৰোপ আৰু উত্তৰ আমেৰিকা (আৰু জাপানত) লিংগ বৈষম্যৰ প্রভাৱ দেখিবলৈ পোৱা যায়। তৃতীয় বিশ্বৰ দেশসমূহৰ একাংশত লিংগ বৈষম্যৰ ঘটনাই যথেষ্ট জটিল ৰূপ ধাৰণ কৰিছে।'

## জানি থোৱা ভাল

তৃতীয় বিশ্বৰ দেশ— বিশ্বৰ উন্নয়নশীল দেশসমূহক তৃতীয় বিশ্বৰ দেশ হিচাপে জনা যায়।

নাইলা কবীৰ (Naila Kabeer)-এ দিয়া মত অনুসৰি, 'সামাজিক লিংগৰ এটা ৰাজনৈতিক-অর্থনৈতিক দিশ আছে, যিয়ে শ্রম, সম্পত্তি তথা অন্যান্য সম্পদৰ বিতৰণত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। ই উৎপাদনশীল আৰু পুনৰুৎপাদনশীল শ্রমৰ বিভাজন কৰে য'ত মহিলাক পিছৰ উৎপাদন প্রক্রিয়াটোৰ দায়িত্ব প্রদান কৰা হয়। ই বহুতো সমাজত ভূমি আৰু সম্পত্তিৰ অ-সম বিভাজন কৰে, যাৰ ফলত মহিলাসকলে সম্পত্তিৰ কোনো অধিকাৰ লাভ নকৰে অথবা পুৰুষৰ তুলনাত যথেষ্ট সীমিত অধিকাৰ লাভ কৰে। আকৌ কেতিয়াবা তেওঁলোকৰ অধিকাৰ লাভৰ ক্ষেত্রত পৰিয়ালৰ সদস্যইও বাধ্যবাধকতা আৰোপ কৰে। ই শ্রমৰ বজাৰখনকো সু-গঠিত কৰে। এই ব্যৱস্থাত পুৰুষক শ্রমৰ বাবদ অধিক অনুদান দিয়াৰ লগতে নিয়মীয়া খণ্ড (formal sector) তথা মেনেজাৰৰ

সমানুপাতিক পদ প্ৰদান কৰাৰ বিপৰীতে মহিলাসকলক কম দৰমহা প্ৰদান কৰি অনিয়মীয়া খণ্ডত জড়িত কৰায়। অধ্যাপক Anne Philipsৰ মতে, 'লিংগগত বৈষম্য সাধাৰণতে অসমতাৰ লগত জড়িত হৈ থাকে। মহিলা আৰু পুৰুষৰ পাৰ্থক্যৰ দিশবোৰেও মহিলাক বহু ক্ষেত্ৰত কম গুৰুত্বপূৰ্ণ হিচাপে বিবেচনা কৰাত অৱিহণা যোগাইছে। 'বিগত সময়ত গণতন্ত্ৰ আৰু মানৱ অধিকাৰৰ বিভিন্ন দিশসমূহ প্ৰসাৰৰ বাবে ব্যাপক প্ৰয়াস আৰম্ভ হৈছে যিয়ে লিংগগত ন্যায়ক গুৰুত্ব সহকাৰে বিচাৰ কৰিবলৈ আৰম্ভ কৰিছে।' মহিলাসকলৰ দৃষ্টিকোণৰ পৰা ক'বলৈ গ'লে বজাৰৰ লগত সম্পৰ্কযুক্ত আন এটা বিয়োগাত্মক দিশ আছে। যিহেতু বজাৰ ব্যৱস্থাই দৰহীন পণ্য আৰু সেৱাৰ মূল্য নিৰ্দ্ধাৰণ কৰিব নোৱাৰে, সেয়েহে পৰিয়ালক শুশ্ৰূষা কৰা, সন্তানক চোৱা-চিতা কৰাৰ দৰে মহিলাই কৰা কামবোৰৰ হিচাপো কৰোতে অসুবিধা হয়। ফলত সমগ্ৰ বজাৰ ব্যৱস্থাটোৱে পুৰুষকেন্দ্ৰিক হৈ পৰে, কিয়নো মহিলাসকলে কৰা বেছিভাগ কামেই বজাৰ ব্যৱস্থাই সামৰি নোলোৱা কাম। UNIFEMৰ প্ৰতিবেদন অনুসৰি, 'বিংশ শতিকাৰ নৱম দশকৰ শেষৰফালে উদ্যোগ আৰু সেৱা খণ্ডত মহিলাসকলৰ আয় গঢ় হিচাপত পুৰুষৰ আয়ৰ ৭৮ শতাংশ আছিল।'

## অগ্ৰগতি নিৰীক্ষণ

**খ) খালী ঠাই পূৰণ কৰক ঃ**

**প্ৰশ্ন নং ১ ঃ** বিংশ শতিকাৰ নৱম দশকৰ শেষৰফালে উদ্যোগ আৰু সেৱা খণ্ডত মহিলাসকলৰ আয় গঢ় হিচাপত পুৰুষৰ আয়ৰ _____ শতাংশ আছিল।

.....

**প্ৰশ্ন নং ২ ঃ** _____ কিছু অংশত লিংগ বৈষম্যৰ ঘটনাই যথেষ্ট জটিল ৰূপ ধাৰণ কৰিছে।

.....

## ২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- লিংগ হৈছে সামাজিক আৰু আৰ্থিক কাৰ্যকলাপ নিৰ্ধাৰণৰ প্ৰাথমিক ভিত্তি।
- আৰ্থসামাজিক ক্ষমতা নিৰ্বিশেষে বস্তুগত জগতখনত সামাজিক লিংগৰ বৈষম্য দেখা যায় যদিও দেশ আৰু সময় ভেদে বৈষম্যৰ মাত্ৰাসমূহ বেলেগ বেলেগ হয়।
- অভিধাৰ পৰাই এই কথা অনুমান কৰিব পাৰি যে লিংগৰ ভিত্তিত ব্যক্তিক অনৈতিক বা অসভ্য আচৰণ কৰাই হৈছে লিংগ বৈষম্য।
- প্ৰায়ে দেখা যায় মহিলাসকলক তেওঁলোকৰ লিংগৰ বাবে বিভিন্ন সুবিধাৰ পৰা বঞ্চিত কৰা হয় তথা তেওঁলোকৰ অধিকাৰো খৰ্ব কৰা হয়।
- পিতৃতান্ত্ৰিকতা এটা সামাজিক ব্যৱস্থা, যিটো ব্যৱস্থাত পুৰুষ সদস্যসকলক কেন্দ্ৰীয় কৰ্তৃপক্ষ হিচাপে গণ্য কৰা হয়।
- ই এনে এটা ব্যৱস্থাক সূচায়, য'ত মহিলা, শিশু আৰু সম্পত্তিৰ ওপৰত পুৰুষৰ পূৰ্ণ কৰ্তৃত্ব থাকে।
- পুৰুষৰ দ্বাৰা নিয়ন্ত্ৰিত এক ব্যৱস্থা হিচাপে পিতৃতান্ত্ৰিকতা মহিলাৰ অধীনস্থতাৰ ওপৰত নিৰ্ভৰশীল।
- সামাজিক লিংগৰ ন্যায় বা লিংগগত ন্যায় এটা আপেক্ষিকভাৱে বহুল ধাৰণা যিয়ে জীৱনৰ প্ৰতিটো দিশকে প্ৰভাৱিত কৰি আছে।
- তেওঁলোকৰ সামাজিক-আৰ্থিক পৰাধীনতাই শোষণৰ বাট মুকলি কৰে।

- কিন্তু এই শোষণৰ বিৰুদ্ধে সজাগ কৰি তুলিবলৈ সামাজিক, নৈতিক, অৰ্থনৈতিক, ৰাজনৈতিক, ন্যায়িক তথা সংবিধানিক ব্যৱস্থাৰ পৰিৱৰ্তন সাধন কৰি সমাজখনক সংস্কাৰ কৰাৰ প্ৰয়াস ইতিমধ্যে আৰম্ভ হৈছে।

## ২.৭ অধিক জানিবলৈ

**ইংৰাজী গ্ৰন্থ ঃ**


1. Leela Menon, 'Women and Social Attitude', Kerla Calling, March 2004, P. 5
2. Yojana US, Mo.S, Aughst 2001, P. 4
3. United Nation Development Programme (UNDP), Human Development Report 2006.
4. J. A. Rubby, 'A Study of Kudumbashree Project in Kerala', Mahatma Gandhi University, Kottagam, July 2001, P. 28
5. Sharma, Sheetal, 'Empowerment of Women and Property, right key to rural development', Kurukshetra-54, Mo-8, June 2006, P. 47
6. Pager D, Shepherd H (2001) : The Sociology of Discriminication : Racial Discriminication in Employment, houning, Credit and Consumer market. Annual Review of Sociology 34, 181-209
7. Quillian. L (2006) : New Approaches to Understanding Racial Prejudice and Discrimination, Annual Review of Sociology 32 : 299-329.
8. Kelsey CL, Gender Inequality : Empowering Women, Journal of Legal Issues and cases in Business.
9. Baxter, Wright (2000) : The Glass Ceiling Hypothesis : A Comparative Study of the United States, Sweden and Australia. Gender and Society 14 : 278-294
10. Nair S (2015) : More Gender inequality in India than Pakistan, Bangladesh : UN. The Indian Express.
11. Wadesango N (2011) : Is gender equality still an issue? Tensions and contradictions embedding the work of feminists today. J Soc Sci 26 : 163
12. Gender Discrimination (2016) Editorial, Business Recorder.


## ২.৮ অগ্ৰগতিৰ খতিয়ান

**ক) ১নং প্ৰশ্নৰ উত্তৰ ঃ** খাচী সমাজ

**২নং প্ৰশ্নৰ উত্তৰ ঃ** লিংগৰ ভিত্তিত ব্যক্তিক অৰ্থনৈতিক বা অসভ্য আচৰণ কৰাই হৈছে লিংগ বৈষম্য।

**খ) ১নং প্ৰশ্নৰ উত্তৰ ঃ** ৭৮ শতাংশ

**২নং প্ৰশ্নৰ উত্তৰ ঃ** তৃতীয় বিশ্বৰ দেশ।

## ২.৯ আৰ্হি প্ৰশ্ন

**(ক) চমু উত্তৰৰ প্ৰশ্ন** (১৫০টা শব্দৰ ভিতৰত)

**প্ৰশ্ন ১ ঃ** পিতৃতান্ত্ৰিকতা আৰু মাতৃতান্ত্ৰিকতাৰ মাজৰ পাৰ্থক্য উল্লেখ কৰক।

**প্ৰশ্ন ২ ঃ** লিংগগত ন্যায়ে কি বুজায়?

**(খ) ৰচনাধৰ্মী উত্তৰৰ প্ৰশ্ন** (৩০০-৫০০টা শব্দৰ ভিতৰত)

**প্ৰশ্ন ১ ঃ** পিতৃতান্ত্ৰিক ব্যৱস্থাৰ ওপৰত এটি প্ৰৱন্ধ প্ৰস্তুত কৰক।

*** ***** ***

# অধ্যায় ৩ ঃ সামাজিক লিংগৰ সামাজিকীকৰণ

## অধ্যায় গাঁথনি


৩.১ উদ্দেশ্য
৩.২ পৰিচয়
৩.৩ সামাজিক লিংগৰ সামাজিকীকৰণৰ অর্থ
৩.৪ সামাজিক লিংগৰ সামাজিকীকৰণ সম্পৰ্কীয় তত্ত্ব
৩.৫ সামাজিকীকৰণৰ মাধ্যম
৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৩.৭ অধিক জানিবলৈ
৩.৮ অগ্রগতিৰ খতিয়ান
৩.৯ আৰ্হি প্রশ্ন


## ৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সামাজিক লিংগৰ সামাজিকীকৰণৰ অর্থ জানিব পাৰিব
- সামাজিক লিংগৰ সামাজিকীকৰণৰ বিভিন্ন তত্ত্বৰ বিষয়ে অৱগত হ'ব
- সামাজিক লিংগৰ সামাজিকীকৰণৰ বিভিন্ন মাধ্যমৰ ধাৰণা লাভ কৰিবলৈ সক্ষম হ'ব।

## ৩.২ পৰিচয়

পূর্বৱর্তী অধ্যায়ত আমি সামাজিক সংগঠক হিচাপে সামাজিক লিংগৰ বিষয়ে অধ্যয়ন কৰিলোঁ। দৰাচলতে সামাজিকীকৰণ প্রক্রিয়াৰ জৰিয়তে আমি বিভিন্ন লিংগ সম্পৰ্কীয় ধাৰণাৰ লগত সম্পর্কিত হৈ পৰিছোঁ। প্রস্তাৱিত এই অধ্যায়টিত আমি লিংগ সামাজিকীকৰণৰ প্রক্রিয়াৰ বিষয়ে আলোচনা কৰিম।

## ৩.৩ সামাজিক লিংগৰ সামাজিকীকৰণৰ অর্থ

সামাজিকীকৰণ এনে এটা প্রক্রিয়া, যাৰ জৰিয়তে শিশুৱে সমাজৰ বিভিন্ন প্রমূল্য, নিয়ম, নীতি আৰু আচৰণ আয়ত্ব কৰে। 'লিংগ সামাজিকীকৰণ' সামাজিকীকৰণ প্রক্রিয়াৰ অন্তর্গত এটা অতি গুৰুত্বপূর্ণ দিশ। এই প্রক্রিয়াৰ জৰিয়তে পৃথক লিংগৰ শিশুসকলক লিংগ সম্পৰ্কীয় কর্তব্যসমূহৰ বিষয়ে শিকাই সামাজিক কৰি তোলা হয় (Giddens, 1993) আৰু পুৰুষ তথা মহিলাৰ ধাৰণা দুটাই কি সূচায়, সেই সম্পর্কে অৱগত কৰোৱা হয় (Morris, 1998; Condry, 1976)। লিংগ সামাজিকীকৰণৰ প্রক্রিয়াটো জন্মৰ লগে লগে 'ই ল'ৰা নে ছোৱালী'— এই সাধাৰণ প্রশ্নটোৰ আৰম্ভ হয় (Glietman, 2000)। আমি লিংগৰ লগত জড়িত বিভিন্ন কর্তব্যসমূহ সামাজিকীকৰণৰ বিভিন্ন মাধ্যমৰ জৰিয়তে আহৰণ কৰোঁ। সামাজিকীকৰণৰ প্রধান মাধ্যমবোৰ হ'ল— পৰিয়াল বা অভিভাৱক, সমমর্যাসম্পন্ন মানুহৰ গোট, বিদ্যালয় আৰু গণমাধ্যম। লিংগ সামাজিকীকৰণৰ বাবে এই মাধ্যমবোৰে লিংগ সম্পৰ্কীয় বদ্ধমূল ধাৰণাসমূহ ব্যক্তিৰ ওপৰত আৰোপ কৰে। বিশেষকৈ শৈশৱ আৰু

কৈশোৰ কালত হোৱা সামাজিকীকৰণ প্ৰক্ৰিয়াৰ জৰিয়তে লিংগ সম্পৰ্কীয় পাৰ্থক্যসমূহ নিৰ্দিষ্ট হয় (Beal, 1997)।

## ৩.৪ সামাজিক লিংগৰ সামাজিকীকৰণ সম্পৰ্কীয় বিভিন্ন তত্ত্ব

বিভিন্ন তত্ত্বই লিংগ সামাজিকীকৰণৰ প্ৰক্ৰিয়াটোৰ এটা গ্ৰহণযোগ্য ব্যাখ্যা দাঙি ধৰিবলৈ প্ৰয়াস কৰিছে। এই তত্ত্বসমূহৰ ভিতৰত 'সামাজিক শিক্ষণ তত্ত্ব' (Social Learning theory) আৰু 'লিংগৰ প্ৰণালীবদ্ধ তত্ত্ব' (Gender Schema Theory) উল্লেখযোগ্য। লিংগ আৰু যৌনতাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা তত্ত্বটো হ'ল— 'মনোবিশ্লেষণাত্মক তত্ত্ব' (Psychoanalytical Theory)। এই তত্ত্বই লিংগ পৰিচয় বিকাশৰ ক্ষেত্ৰত জড়িত হৈ থকা অচেতন প্ৰক্ৰিয়াসমূহৰ বিষয়ে বিশেষভাৱে অধ্যয়ন কৰে। তলত লিংগ সামাজিকীকৰণ সম্পৰ্কীয় তত্ত্বসমূহৰ বিস্তৃত আলোচনা দাঙি ধৰা হ'ল—

● **সামাজিক শিক্ষণ তত্ত্ব (Social Learning Theory)**

এই তত্ত্বটো মনোবিদ Albert Bandura-ৰ অৱদান আৰু চিন্তাৰ লগতে ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে। তেওঁৰ কৰ্ম আচৰণবাদী পৰম্পৰাৰ দ্বাৰা বিশেষভাৱে প্ৰভাৱিত। আচৰণবাদী চিন্তাধাৰাই শিক্ষণক উদ্দীপক (Stimulus) আৰু প্ৰতিক্ৰিয়া (response)ৰ ভিত্তিত ব্যাখ্যা কৰিছে। এই দৃষ্টিভংগী অনুসৰি শিশুৰ ওপৰত যোগাত্মক আৰু বিয়োগাত্মক অনুবন্ধনৰ ৰূপত লিংগ অনুকূল আৰু লিংগ প্ৰতিকূল আচৰণসমূহ আৰোপ কৰা হয় (Burn 1996, Wharton 2005)। উদাহৰণ স্বৰূপে এটা ল'ৰা শিশুৱে পুতলাৰ সৈতে খেলি থকা প্ৰক্ৰিয়াটোক পিতৃয়ে আওকাণ কৰিলে ই বিয়োগাত্মক অনুবন্ধন হিচাপে পৰিগণিত হ'ব আৰু শিশুটোৱেও ক্ৰমান্বয়ে পুতলাৰ লগত খেলিবলৈ এৰিব। আকৌ পিতৃ-মাতৃয়ে যদি কান্দি থকা ছোৱালী সন্তানক আঁকোৱালি লয় তেন্তে ই যোগাত্মক অনুবন্ধন হিচাপে চিহ্নিত হ'ব আৰু ই ভৱিষ্যতেও ছোৱালীজনীৰ এই আচৰণৰ পুনৰাবৃত্তিৰ সম্ভাৱনা বঢ়াই তুলিব। এইদৰে ল'ৰা-ছোৱালীয়ে সমাজে বিচৰা আচৰণৰ বিষয়ে শিকে। ল'ৰাই পুতলাৰ সৈতে খেলাটো গ্ৰহণযোগ্য নহয় বুলি শিকাৰ বিপৰীতে ছোৱালীয়ে নাৰী হিচাপে আবেগ প্ৰকাশ কৰাটো গ্ৰহণযোগ্য বুলি শিকে। সামাজিক শিক্ষণ তত্ত্বৰ মতে শিশুৱে একে লিংগৰ প্ৰাপ্তবয়স্ক ব্যক্তিৰ আচৰণ পৰ্যবেক্ষণ আৰু অনুকৰণৰ জৰিয়তেও জ্ঞান আহৰণ কৰে। এজনী সৰু ছোৱালীয়ে মাকক পৰ্যবেক্ষণ কৰি নাৰী সম্পৰ্কীয় ধাৰণাবোৰ আয়ত্ব কৰে। আনহাতে ল'ৰাই পুৰুষ সম্পৰ্কীয় ধাৰণাবোৰ পিতৃক অনুসৰণ কৰি শিকে। বিংশ শতিকাৰ দশকত পোনপ্ৰথমবাৰলৈ অৱতাৰণা কৰা সামাজিক শিক্ষণ তত্ত্ব সময়ৰ লগে লগে সকলো ক্ষেত্ৰত গ্ৰহণযোগ্য হৈ নাথাকিল। গৱেষণাৰ পৰা প্ৰাপ্ত ফলাফল অনুসৰি ল'ৰাই লিংগ অনুকূল আচৰণ সামাজিক আৰোপ আৰু অনুবন্ধন অবিহনেও প্ৰদৰ্শন কৰে (Wharton, 2005)। আকৌ কিছুমান এনেকুৱা অনুবন্ধনো দেখা যায় যিবোৰ পিতৃ-মাতৃয়ে ল'ৰা-ছোৱালী ভেদে আৰোপ নকৰে। এইবোৰে এইটোৱে সূচায় যে সামাজিক শিক্ষণ তত্ত্বই ব্যাখ্যা কৰাতকৈ শিশুসকল অধিক সক্ৰিয়ভাৱে সামাজিকীকৰণ প্ৰক্ৰিয়াৰ লগত জড়িত। Wharton (2005) ৰ মতে, 'সহজভাৱে ক'বলৈ গ'লে সামাজিক শিক্ষণ তত্ত্বই শিশুক (আৰু সামাজিকীকৰণৰ আন লক্ষ্যবোৰক) মাটিৰ লদা হিচাপে গণ্য কৰে, যি পৰিৱেশৰ প্ৰভাৱত ৰূপ গ্ৰহণ কৰে।'

● **বোধ শক্তিৰ বিকাশৰ তত্ত্ব (Cognitive Development theory)**

এই বোধ শক্তিৰ তত্ত্বই লিংগ সামাজিকীকৰণৰ এটা পৃথক ধাৰণা প্ৰদান কৰিছে। এই তত্ত্বই সামাজিকীকৰণ প্ৰক্ৰিয়াৰ বৈশিষ্ট্য আৰু শিশুৱে লিংগ পৰিচয় গঠন কৰাৰ ক্ষেত্ৰত পালন কৰা সক্ৰিয় ভূমিকাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে (Stockard, 1999)। নৈতিক বিকাশৰ তত্ত্বৰ বাবে জনাজাত Lawrence Kohlberg-এ পোনপ্ৰথমবাৰলৈ বোধ শক্তিৰ বিকাশৰ তত্ত্বটো লিংগ পৰিচয়ৰ প্ৰসংগত প্ৰয়োগ কৰিছিল। তেওঁৰ

মতে, 'শিশুৰ যি লিংগগত কর্তব্য সম্পর্কীয় দৃষ্টিভংগী, সেয়া বয়স বৃদ্ধিৰ লগে লগে বোধ শক্তিৰ বিকাশ অনুসৰি পৰিৱর্তন হয়' (Stockard, 1999)। পাঁচৰ পৰা আঠ বছৰীয়া শিশুসকলে লিংগ সম্পর্কীয় এক অনমনীয় ধাৰণা গ্রহণ কৰে আৰু লিংগ সম্পর্কীয় নীতি ভংগৰ বাবে কঠোৰ ব্যৱস্থাও গ্রহণ কৰে। অৱশ্যে বয়স বৃদ্ধিৰ লগে লগে সিহঁতে লিংগ সম্পর্কীয় অধিক জটিল আৰু নমনীয় ধাৰণা গঠন কৰে (Martin Ruble, 2004)। Kohlberg-ৰ মতে শিশুই এবাৰ লিংগৰ অপৰিৱর্তনীয়তা (পুৰুষ আৰু মহিলা সম্পর্কীয় স্বীকৃতি)ৰ ধাৰণা গঠন কৰাৰ পিছতে, লিংগৰ এই অপৰিবর্তনীয় আচৰণে লিংগ অনুকূল আচৰণ প্রদর্শন কৰিবলৈ প্রণোদিত কৰে। কিন্তু Kohlberg-ৰ তত্ত্বৰ সমালোচকসকলে ইয়াৰ বিপৰীতধর্মী দৃষ্টান্ত দাঙি ধৰি কৈছে যে শিশুৱে লিংগৰ অপৰিবর্তনীয়তাৰ ধাৰণা গঠন কৰাৰ পূর্বেই দুই-তিনি বছৰ বয়সতে লিংগ অনুকূল আচৰণ প্রদর্শন কৰিবলৈ আৰম্ভ কৰে (Martin & Ruble, 2004)। এই কার্যই বোধ শক্তিৰ বিকাশৰ তত্ত্বৰ বিৰোধিতা কৰে। সমালোচকসকলে পুনৰ কৈছে যে শিশুৱে সমাজ তথা জগতখনৰ প্রতি ধাৰণা গঠন কৰোতে অন্যান্য কাৰকৰ তুলনাত লিংগকহে কিয় ভিত্তি হিচাপে গ্রহণ কৰে, সেই সম্পর্কে Kohlberg-ৰ তত্ত্ব নিমাত (Wharton, 2005)।

● **সামাজিক লিংগৰ প্রণালীৱদ্ধ তত্ত্ব (Gender Schema Theory)**

সমালোচকসকলৰ মতৰ ওপৰত ভিত্তি কৰি Sandra Bem-এ বোধ শক্তিৰ লগত সম্পর্কযুক্ত লিংগ সামাজিকীকৰণৰ আন এটা তত্ত্ব আগবঢ়াইছে। এই তত্ত্বটোৱে হ'ল লিংগৰ প্রণালীবদ্ধ তত্ত্ব। বেমৰ দৃষ্টিভংগী অনুসৰি, পুৰুষ আৰু নাৰীৰ পার্থক্যৰ ওপৰত গুৰুত্ব দিয়া সংস্কৃতিত শিশুৱে লিংগক জগতৰ তথ্য আহৰণৰ এটা উপায় হিচাপে গ্রহণ কৰে। বোধ শক্তিৰ বিন্যাস বা লিংগৰ প্রণালীবদ্ধতাই শিশুক তথ্য আহৰণত আৰু সংগতি তথা ভৱিষ্যৎ সম্পর্কীয় দৃষ্টিভংগী গঢ় লৈ উঠাত সহায় কৰে (Stockard, 1999)। বেমে লিংগৰ প্রণালীবদ্ধতাৰ দুটা বৈশিষ্ট্য গুৰুত্বপূর্ণ বুলি কৈছে। তেওঁৰ মতে লিংগ প্রণালীবদ্ধতাৰ ধাৰণাই মেৰুকৰণৰ সৃষ্টি কৰে। ফলত শিশুৱে 'যিটো মহিলাৰ বাবে গ্রহণযোগ্য সেইটো পুৰুষৰ বাবে গ্রহণযোগ্য নহয় আৰু যিটো পুৰুষৰ বাবে গ্রহণযোগ্য সেইটো মহিলাৰ বাবে গ্রহণযোগ্য নহয়'ৰ দৰে ধাৰণা গঠন কৰে (Wharton, 2005)। দ্বিতীয়তে, লিংগ সম্পর্কীয় বোধ অন্তঃস্রাবী (androcentric) হোৱা দেখা যায়। শিশুৱে পিতৃ-মাতৃয়ে প্রদর্শন কৰা লিংগ সম্পর্কীয় বিভিন্ন বদ্ধমূল ধাৰণা গ্রহণ কৰে। সিহঁতেও পিতৃ-মাতৃৰ দৰে পুৰুষ আৰু পুৰুষত্বক সমাজত অধিক গ্রহণযোগ্য হিচাপে বিশ্বাস কৰিবলৈ লোৱাৰ উপৰিও নাৰী আৰু নাৰীত্বৰ তুলনাত অধিক গুৰুত্বপূর্ণ হিচাপে বিবেচনা কৰে (Wharton, 2005)।

● **মনোবিশ্লেষণাত্মক তত্ত্ব (Psychoanalytic Theory)**

মনোবিশ্লেষণাত্মক তত্ত্ব সামাজিক শিক্ষণ তত্ত্ব আৰু বোধ শক্তিৰ বিকাশৰ তত্ত্বৰ পৰা দুটা গুৰুত্বপূর্ণ দিশত ভিন্ন। ই কোনো শিক্ষণ সম্পর্কীয় তত্ত্ব নহয়। এই তত্ত্ব অনুসৰি লিংগ সম্পর্কীয় কিছুমান বিশেষ দিশ আহিঁ গ্রহণ বা বোধ শক্তিৰ জৰিয়তে তথ্য আহৰণৰ সলনি এক অচেতন মনস্তাত্ত্বিক প্রণালীৰ জৰিয়তে গঠন কৰা হয় (Wharton, 2005)। মনোবিশ্লেষণাত্মক প্রক্রিয়াৰ অৱতাৰণা সর্বপ্রথম ছিগমাণ্ড ফ্রয়েডে কৰিছিল যদিও লিংগ সামাজিকীকৰণৰ প্রক্রিয়াত ইয়াৰ প্রয়োগ বিংশ শতিকাৰ সপ্তম দশকৰ শেষৰ ফালে Nancy Chodorow-এ কৰিছিল। Nancy Chodorow-ৰ মতে প্রাথমিক পালনকর্তা হিচাপে মাতৃয়ে পালন কৰা ভূমিকাই লিংগ পৰিচয়ৰ ধাৰণাৰ বিকাশ কৰে (Stockard, 1999)। কিয়নো শিশুৱে অধিকাংশ সময় পিতৃৰ তুলনাত মাতৃৰ লগত কটাই। Chodorow-ৰ মতে শিশুৰ প্রথম পৰিচয় ঘটে নাৰীৰ সৈতে। পৰৱর্তী কালত শিশুৱে নিজস্বতাৰ এক পৰিচয় বিকাশ কৰে। মাকৰ পৰা ইতিমধ্যে নাৰী সম্পর্কীয় দৃষ্টিভংগীবোৰ আহৰণ কৰে বাবে ছোৱালীৰ বাবে এই প্রক্রিয়াটো বহু ক্ষেত্রত সহজ হয়। আনহাতে ল'ৰাই পুৰুষ সম্পর্কীয় পৰিচয়ৰ ধাৰণা বিকাশৰ বাবে পোনপ্রথমে নাৰীৰ সৈতে সিহঁতৰ পৰিচয় আৰু সম্পর্কৰ ধাৰণাক নস্যাৎ কৰিব লাগিব। Stockard (1999)ৰ মতে, 'যিহেতু ল'ৰাই নাৰীত্বৰ বিষয়ে অতি ঘনিষ্ঠভাৱে জানে, গতিকে সি পুৰুষত্বৰ ধাৰণাক 'নাৰীত্বৰ বিপৰীত'

বা 'নাৰীত্ব নহয়' দৃষ্টিভংগীৰেহে প্ৰতিষ্ঠা কৰে।' বিভাজনৰ এই প্ৰক্ৰিয়াত ল'ৰাই প্ৰায়ে নাৰীক মূল্যহীন হিচাপে বিবেচনা কৰা ৰীতিৰ বিষয়েও আয়ত্ব কৰে। মনোবিশ্লেষণাত্মক তত্ত্ব অন্যান্য তত্ত্বৰ দৰে সমালোচনাৰ পৰা মুক্ত নহয়। লিংগ সম্পৰ্কীয় চিন্তাবিদসকলৰ যুক্তি অনুসৰি মহিলাই সংযোগ বা সম্পৰ্ক বিচাৰে আৰু পুৰুষে বিভাজন বিচৰাৰ দৰে বদ্ধমূল অনুবন্ধিত ধাৰণাসমূহ ব্যৱহাৰিকভাৱে প্ৰমাণ কৰিব নোৱাৰি। তদুপৰি এই তত্ত্বই মানুহৰ অবচেতন মনৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰিছে (Wharton, 2005)। পৰৱৰ্তী সময়ত অন্তৰ্দৰ্শন পদ্ধতি (Insight)ক লিংগ সামাজিকীকৰণৰ বিভিন্ন দিশ অধ্যয়ন কৰাৰ বাবে ব্যৱহাৰ কৰা হৈছে। এই তত্ত্বসমূহত বিভিন্ন দৃষ্টিভংগী গ্ৰহণ কৰি সামাজিকীকৰণৰ প্ৰক্ৰিয়া সম্পৰ্কে অধ্যয়ন কৰা হৈছে আৰু অধ্যয়নৰ পৰা প্ৰাপ্ত ফলাফলৰ ভিত্তিত পৰিৱৰ্তনৰ নীতিসমূহ আলোচনা কৰা হৈছে। কিছুমান ফলাফল বাকীবোৰৰ তুলনাত অধিক গ্ৰহণযোগ্য। শিশুৰ খেলাৰ প্ৰতি থকা লিংগ নিৰপেক্ষপ্ৰৱণতা সকলো অধ্যয়নত প্ৰদৰ্শন কৰা হৈছে। যি হওঁক, সেই বিশ্বাসটো য'ত এইটো ভবা হয় যে পিতৃ-মাতৃয়ে তেওঁলোকৰ ল'ৰা আৰু ছোৱালী সন্তানক পৃথক ব্যৱহাৰ কৰে, সেইটোক লৈ মিশ্ৰ ফলাফল প্ৰত্যক্ষ কৰিবলৈ পোৱা গৈছে। অধ্যয়নৰ নতুন ক্ষেত্ৰ হিচাপে লিংগ সামাজিকীকৰণে ক্ৰমান্বয়ে বিকাশ লাভ কৰিছে।

### অগ্ৰগতি নিৰীক্ষণ

**(ক) খালী ঠাই পূৰণ কৰক ঃ**

**প্ৰশ্ন নং ১ ঃ** মনোবিদ Albert Bandura-ৰ কৰ্ম _____ পৰম্পৰাৰ দ্বাৰা বিশেষভাৱে প্ৰভাৱিত।

.....

**প্ৰশ্ন নং ২ ঃ** লিংগ সামাজিকীকৰণৰ প্ৰক্ৰিয়াটো _____ৰ লগে লগে আৰম্ভ হয়।

.....

## ৩.৫ সামাজিকীকৰণৰ মাধ্যম

- [redacted]

বিভিন্ন চিন্তাবিদৰ মতে অভিভাৱকসকল লিংগ সামাজিকীকৰণৰ আটাইতকৈ গুৰুত্বপূৰ্ণ মাধ্যম। নাবালক-নাবালিকাৰ প্ৰতি কৰা পৃথক আচৰণ সম্পৰ্কীয় এটি অধ্যয়নত গৱেষকসকলে অভিভাৱকসকলৰ তেওঁলোকৰ সন্তানৰ আগত নিৰ্দিষ্ট কিছুমান বিশেষণ ব্যৱহাৰ কৰিবলৈ কৈছিল (Rubin et al, 1974 as cited in Wharton, 2005)। ছোৱালী সন্তানৰ অভিভাৱকসকলক 'কোমল' (soft), 'সু-ব্যৱস্থাপনাযুক্ত' (fine-featured), 'সৰু' (little) আৰু 'অমনোযাগী' (inattentive) বিশেষণ ল'ৰা সন্তানৰ অভিভাৱকৰ তুলনাত সঘনাই ব্যৱহাৰ কৰিবলৈ কোৱা হৈছিল। অধ্যয়নৰ পৰা গৱেষকসকলে প্ৰাপ্ত ফলাফল অনুসৰি, 'যিহেতু নাবালকসকল দৈহিক বৈশিষ্ট্যৰ দিশৰ পৰা প্ৰায় একে, অভিভাৱকসকলে শিশুসকলৰ প্ৰকৃত পাৰ্থক্যৰ প্ৰতি কোনো সঁহাৰি নজনাই লিংগৰ বদ্ধমূল ধাৰণাক প্ৰয়োগ কৰা কাৰ্যই ল'ৰা আৰু ছোৱালী সন্তানৰ পৃথক পৃথক আচৰণৰ কাৰণ হিচাপে চিহ্নিত হয়' (Wharton, 2005)। সমসাময়িক সময়ৰ অধ্যয়নবোৰেও পাৰ্থক্যসমূহত চিহ্নিত কৰিছে। Clearfield আৰু Nelson (2006) এ দেখুৱাইছে যে মাতৃয়ে নাবালিকাৰ বা ছোৱালীৰ সন্তানৰ সৈতে অধিক কথোপকথনত লিপ্ত হয়। আনকি নতুন অভিভাৱকৰ ওপৰত চলোৱা পৰ্যবেক্ষণেও এনে পৃথক আচৰণৰ উপস্থিতিৰ কথা প্ৰকাশ কৰে। Coltrane (1998)ৰ মত অনুসৰি, 'নাবালক আৰু নাবালিকাসকল অধিকাংশ ক্ষেত্ৰতে সদৃশ যদিও প্ৰাপ্তবয়স্কসকলে তেওঁলোকক পৃথক হিচাপে গঢ়ি তোলে' (Wharton,

2005)। আনহাতে আন একাংশ অধ্যয়নে এইটো দেখুৱাইছে যে অভিভাৱকে ল'ৰা বা ছোৱালী সন্তানৰ প্ৰতি পৃথক আচ�ৰণ প্ৰদৰ্শন নকৰে। Lytton আৰু Romney (1991 as cited in Wharton, 2005)-এ ১৫০ টাতকৈও অধিক প্ৰকাশিত গৱেষণা গ্ৰন্থৰ ওপৰত চলোৱা অধ্যয়নৰ ভিত্তিত মত প্ৰকাশ কৰি কৈছে যে ল'ৰা আৰু ছোৱালীৰ প্ৰতি অভিভাৱকৰ পৃথক আচৰণ বিগত ষাঠি বছৰত যথেষ্ট হ্ৰাস পাইছে। এই অধ্যয়নৰ পৰা প্ৰাপ্ত ফলাফল অনুসৰি সফলতা বা নিৰ্ভৰশীলতাৰ ক্ষেত্ৰত প্ৰদান কৰা উৎসাহ, কথোপকথন, বাধ্যবাধকতা আৰু নিয়মানুৱৰ্তিতা আদি দিশত অভিভাৱক ল'ৰা আৰু ছোৱালীৰ প্ৰতি সম-আচৰণ কৰে (Stockard, 1999, P-217)। সামাজিকীকৰণৰ প্ৰক্ৰিয়াত অভিভাৱকৰ ভূমিকা সম্পৰ্কে অধিকাংশ অধ্যয়নৰ পৰা পৃথক পৃথক ফলাফল লাভ কৰিলেও পুতলা, খেলা-ধুলা আৰু ধৰ্মৰ ক্ষেত্ৰত এই অধ্যয়নবোৰৰ ফলাফল অনুৰূপ। অধ্যয়নবোৰে প্ৰকাশ কৰা অনুসৰি অভিভাৱকসকলে ল'ৰা-ছোৱালী উভয়কে পৃথক পৃথক খেলাৰ সামগ্ৰী বা পুতলা প্ৰদান কৰে (Stockard, 1999, Wharton, 2005)। উদাহৰণস্বৰূপে তেওঁলোকে ল'ৰাৰ বাবে ফুটবল আৰু ছোৱালীৰ বাবে পুতলা নিৰ্বাচন কৰা দেখা যায়। খেলৰ সামগ্ৰী বা পুতলা নিৰ্বাচনে অভিভাৱকে সন্তানৰ সৈতে কৰা আচৰণ নিৰ্ধাৰণ কৰে। অভিভাৱকে বিশিষ্টকৈ পিতৃয়ে ল'ৰাৰ লগত খেলা খেলবোৰ অধিক দৈহিক আৰু কঠোৰ হয় (Wharton, 2005)। আকৌ অধ্যয়নৰ ফলাফল অনুসৰি ল'ৰা আৰু ছোৱালীৰ বিপৰীত লিংগৰ খেলা (Cross-gender play) বা কৰ্ম গ্ৰহণৰ প্ৰতিও অভিভাৱকৰ অ-সম মনোভাৱ পৰিলক্ষিত হয়। ফ্ৰীমেন (Freeman)ৰ ব্যাখ্যা অনুসৰি প্ৰাপ্তবয়স্কৰ বিষয়ে আলোচনা কৰা গৱেষকসকলে বিপৰীত লিংগৰ খেলাৰ সন্দৰ্ভত মত প্ৰকাশ কৰি কৈছে যে ল'ৰাই ছোৱালীৰ বাবে 'নিৰ্ধাৰিত' খেলা খেলিলে, ল'ৰাৰ বাবে 'নিৰ্ধাৰিত' খেল খেলা বা কাৰ্য কৰা ছোৱালীবোৰৰ তুলনাত অভিভাৱক আৰু শিক্ষকৰ অধিক সমালোচনাৰ সন্মুখীন হয়। উল্লেখযোগ্য যে ল'ৰাই বিপৰীত লিংগৰ খেল খেলিলে পিতৃয়ে আটাইতকৈ বেছি ঋণাত্মক প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। এই দিশবোৰে এটা কথাই সূচিত কৰে যে নাৰীৰ লিংগ সম্পৰ্কীয় কৰ্তব্যসমূহৰ পৰিসৰ ক্ৰমে বৃদ্ধি হৈ থকাৰ বিপৰীতে ল'ৰাৰ এই পৰিসৰ হ্ৰাস পাইছে (Freeman, 2007)।

**● সামাজিকীকৰণৰ মাধ্যম হিচাপে সম-মৰ্যাদাসম্পন্ন ব্যক্তিৰ গোট (Peer Group Socialization)**

সামাজিকীকৰণত সম-মৰ্যাদাসম্পন্ন ব্যক্তিৰ গোটৰ ভূমিকাৰ ক্ষেত্ৰত অধ্যয়নকাৰীসকলে এক পৃথক দৃষ্টিভংগী গ্ৰহণ কৰিছে। তেওঁলোকে শিশুৰ সামাজিকীকৰণৰ প্ৰক্ৰিয়াৰ বিভিন্ন দিশ অধ্যয়ন কৰাৰ পৰিৱৰ্তে এটা কথোপকথনমূলক আৰ্হি প্ৰদান কৰে। যিসকল গৱেষকে এই দৃষ্টিভংগীক অধ্যয়ন কৰে, তেওঁলোকে শিশুসকলৰ মাজত হোৱা কথোপকথনক শিশুৰ ব্যক্তিগত বৈশিষ্ট্যৰ তুলনাত অধিক গুৰুত্ব প্ৰদান কৰিছে (Tholander, 2002)। সম-মৰ্যাদাসম্পন্ন ব্যক্তিৰ গোটৰ অধ্যয়নে শৈশৱকালৰ সম-লৈংগিক খেলাৰ প্ৰৱণতাৰ কথা প্ৰকাশ কৰে। প্ৰায় তিনি বছৰ বয়সৰ আ�ৰম্ভণিৰ পৰা ল'ৰা আৰু ছোৱালী উভয়ে খেলাৰ বাবে সম-লিংগৰ সংগী নিৰ্বাচন কৰে (Wharton, 2005)। এই বৈশিষ্ট্য বিভিন্ন সংস্কৃতিত পোৱা যায়। প্ৰাপ্তবয়স্ক লোকৰ প্ৰভাৱমুক্ত এই বৈশিষ্ট্য কৈশোৰ কালৰ শেষলৈ থাকে। যদিও লিংগ সম্পৰ্কীয় এই নিৰ্বাচন সৰ্বপ্ৰথমে ছোৱালীৰ ক্ষেত্ৰত পৰিলক্ষিত হয়, তথাপি এই দিশত ল'ৰাবোৰ অধিক কঠোৰ হোৱাৰ লগতে প্ৰাপ্তবয়স্কৰ লগত অধিক কথোপকথনৰ পৰিপন্থী হয়।

Stockard-ৰ মতে এই সম-লিংগৰ নিৰ্বাচনৰ দ্বাৰা ল'ৰা আৰু ছোৱালীয়ে সম-লিংগৰ গোটৰ পৰা পুৰুষ আৰু নাৰী সম্পৰ্কীয় ধাৰণাবোৰ আয়ত্ব কৰে। তেওঁ এই প্ৰক্ৰিয়াকে 'শৈশৱৰ নীতি' (Cult of Childhood) আখ্যা দিছে। ই এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ যোৱা খেলা-ধুলা, কাৰ্য, নীতি আৰু ভূমিকাক অন্তৰ্ভুক্ত কৰে। প্ৰাপ্তবয়স্কসকলৰ দ্বাৰা এই প্ৰক্ৰিয়া সহজে প্ৰভাৱিত নহয় তথা পুৰুষ আৰু মহিলাৰ বাবে পৃথক কৰ্তব্য নিৰ্দিষ্ট হৈ থাকে। এই কৰ্তব্য বা নীতি ভংগ কৰিলে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাও দেখা যায়। গৱেষণাসমূহে লিংগভিত্তিক খেলাৰ সন্দৰ্ভত ব্যাখ্যা আগবঢ়াই কৈছে যে ল'ৰা আৰু ছোৱালীৰ খেলাৰ ধৰণ

পৃথক পৃথক। সেয়েহে শিশুৱে একে বৈশিষ্ট্যযুক্ত একে লিংগৰ আন শিশুৰ সৈতে ওচৰ সম্পৰ্ক গঢ়ি তোলে। সাধাৰণতে দেখা যায় ছোৱালীবোৰে এজনী বা দুজনী ছোৱালীৰ সৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্ক স্থাপন কৰে। আনহাতে ল'ৰাবোৰে সাধাৰণতে ডাঙৰ দলত থাকি আৰু খেলি ভাল পায়। সিহঁতে বহল পৰিসৰৰ অথবা সাহসিকতাপূৰ্ণ কাম কৰিবলৈ পছন্দ কৰে। Stockard (1999)ৰ মতে, 'ল'ৰা আৰু ছোৱালী উভয়ে আনক কথোপকথনৰ সময়ত প্ৰভাৱিত কৰে। সিহঁতে বিভিন্ন উপায়েৰে এই কাৰ্য কৰে।' ছোৱালীবোৰে আন ছোৱালীক অতি সহজে প্ৰভাৱিত কৰিব পাৰে যদিও ল'ৰাবোৰক সিমান সহজে প্ৰভাৱিত কৰিব নোৱাৰে। সেয়েহে Maccoby-এ কৈছে যে ছোৱালীবোৰে স্বেচ্ছাই ল'ৰাবোৰৰ পৰা আঁতৰি থাকি সম-লিংগকেন্দ্ৰিকতাৰ সৃষ্টি কৰে (as cited in Stockard 1999)। অৱশ্যে এই দৃষ্টিভংগীটো ল'ৰাই কিয় ছোৱালীক এৰাই চলে সেই ব্যাখ্যাৰ ক্ষেত্ৰত গ্ৰহণযোগ্য নহয়। শেষত ক'ব পাৰি যে বিপৰীত লিংগৰ আচৰণৰ (Cross gender behaviour) ক্ষেত্ৰত অভিভাৱকে বিশেষভাৱে প্ৰভাৱিত কৰে। ল'ৰাই বিপৰীত লিংগৰ বাবে 'নিৰ্ধাৰিত' আচৰণ কৰিলে অভিভাৱকে অধিক ঋণাত্মক মনোভাৱ গ্ৰহণ কৰে। তদুপৰি ছোৱালীয়ে ল'ৰাৰ বাবে নিৰ্ধাৰিত কাৰ্য কৰিলে ছোৱালীক প্ৰদান কৰা শাস্তিৰ তুলনাত অধিক কঠোৰ শাস্তি অভিভাৱকে ল'ৰাক প্ৰদান কৰে। উদাহৰণস্বৰূপে 'Tomboy' শব্দটো সেইবোৰ ছোৱালীক বুজাবলৈ বহুলভাৱে ব্যৱহাৰ কৰা হয়, যিয়ে ল'ৰাৰ দৰে আচৰণ কৰে। এই অভিধাটো যোগাত্মক দৃষ্টিৰে ব্যৱহাৰ কৰা হয়। সেইদৰে 'sissy' অভিধাটো ছোৱালীৰ দৰে আচৰণ কৰা ল'ৰাক বুজাবলৈ ব্যৱহাৰ কৰা হয় যদিও ইয়াক ঋণাত্মক দৃষ্টিভংগীৰে ব্যৱহাৰ কৰা হয় (Thornem 1993 as cited in Wharton, 2005)। Wharton-ৰ মত অনুসৰি, 'লিংগৰ বদ্ধমূল ধাৰণাৰ ক্ষেত্ৰত ছোৱালীয়ে ল'ৰাৰ তুলনাত কম চাপৰ সন্মুখীন হোৱাৰ লগতে ল'ৰাৰ তুলনাত ছোৱালীবোৰৰ লিংগৰ সীমা অতিক্ৰম কৰাৰ প্ৰৱণতা বেছি আৰু বিপৰীত লিংগৰ সৈতে খেলা খেলিলে বা কোনো কাম কৰিলে ছোৱালীবোৰ ল'ৰাৰ তুলনাত কম সমলোচনাৰ সন্মুখীন হয়।'

**● সামাজিকীকৰণৰ মাধ্যম হিচাপে গণমাধ্যম (Media)**

অভিভাৱক আৰু মৰ্যাদাসম্পন্ন ব্যক্তিৰ গোটৰ লগতে দূৰদৰ্শন, কম্পিউটাৰ গেম আৰু সাহিত্যইও ল'ৰা-ছোৱালীৰ বাবে লিংগ অনুকূল আচৰণৰ ধাৰণা বহন কৰিব পাৰে। গৱেষণাৰ পৰা প্ৰাপ্ত ফলাফলে দেখুৱাই যে শিশুৰ বাবে উপযোগী বৰ্তমান প্ৰকাশিত কিতাপবোৰে ল'ৰা আৰু ছোৱালীক বদ্ধমূল ধাৰণাৰ বিপৰীতে ছবি এখন প্ৰদান কৰে। অৱশ্যে এই কিতাপবোৰৰ পূৰ্বে প্ৰকাশ হোৱা তথা পুথিভঁড়াল তথা দোকানত উপলব্ধ কিতাপবোৰত ল'ৰা-ছোৱালীৰ বদ্ধমূল ধাৰণাকে সন্নিৱিষ্ট কৰা হৈছে। ধ্ৰুপদী সাহিত্যসমূহত ছোৱালীয়ে ঘৰুৱা কাম-কাজ আৰু ল'ৰাই ঘৰৰ বাহিৰৰ দায়িত্বসমূহত জড়িত হৈ থকা দেখা যায়। কিতাপবোৰত ছোৱালীবোৰক ৰন্ধা-বঢ়া আৰু ঘৰ পৰিষ্কাৰ কৰা কাম আৰু ল'ৰাক ঘৰৰ বাহিৰত বিভিন্ন সৰঞ্জাম ব্যৱহাৰ কৰি থকা আৰু বস্তু সাজি থকা চৰিত্ৰৰ ৰূপত অংকন কৰা হৈছে (Burn, 1996)। দূৰদৰ্শনত প্ৰদৰ্শিত বিভিন্ন অনুষ্ঠানৰ বিষয়বস্তুৰ ওপৰত চলোৱা সমীক্ষাই পুৰুষৰ প্ৰতি পক্ষপাতিত্বমূলক মনোভাৱৰ ইংগিত বহন কৰে। বিংশ শতিকাৰ নব্বৈৰ দশকৰ আৰম্ভণিতে কৰা একাধিক অধ্যয়ন অনুসৰি দূৰদৰ্শনৰ অনুষ্ঠানসমূহত সাধাৰণতে মহিলাৰ তুলনাত পুৰুষ চৰিত্ৰৰ সংখ্যা বেছি হয় আৰু মহিলা চৰিত্ৰবোৰ পুৰুষ চৰিত্ৰৰ তুলনাত কম বয়সীয়া হোৱাৰ লগতে মহিলা চৰিত্ৰবোৰক পেচাদাৰী কৰ্মত নিয়োজিত নাৰী হিচাপে প্ৰদৰ্শন কৰা দেখা নাযায় (Burns, 1996)। Atkins-এ পাঁচশৰো অধিক দূৰদৰ্শনৰ চৰিত্ৰ পৰ্যবেক্ষণ কৰি কৈছে যে, 'অধিকাংশ নাৰী চৰিত্ৰই পুৰুষৰ স্বল্পবস্ত্ৰ পৰিহিতা ভোটা বুদ্ধিৰ নাৰীক বিভিন্ন বিপদৰ পৰা ৰক্ষা কৰিবলৈ থকা মহিলাকেন্দ্ৰিক কল্পনাক চৰিতাৰ্থ কৰিবলৈ নিৰ্মাণ কৰা হৈছে'। (as cited in Burns, 1996, P.15)। বাণিজ্য ক্ষেত্ৰতো কৰ্তৃপক্ষ পুৰুষ হোৱাৰ লগতে পুৰুষ আৰু মহিলাসকলক পৰম্পৰাগত ধাৰণাৰ ভিত্তিত বিভাজন কৰা হয়। গৱেষকসকলৰ মতে শিশুৱে দূৰদৰ্শনৰ অনুষ্ঠান চাই অধিক সময় ব্যয় কৰে (Danis, 1991 as cited in Burns, 1996)। সহসম্বন্ধ অধ্যয়নৰ পৰা (Correlation Studies)

প্ৰাপ্ত ফলাফল অনুসৰিও অধিক টিভি চোৱা শিশুবোৰৰ পুৰুষ আৰু মহিলা সম্পৰ্কীয় বদ্ধমূল ধাৰণা অধিক হয়। অন্যান্য অধ্যয়নবোৰেও দেখুৱাইছে যে লিংগ সম্পৰ্কীয় পৰম্পৰাগত ধাৰণাৰ টিভিৰ অনুষ্ঠানবোৰে খেলাৰ সামগ্ৰী, পুতলা, জীৱনৰ লক্ষ্য আৰু স্বাভিমানক প্ৰভাৱিত কৰে (Burns 1996)।

## অগ্ৰগতি নিৰীক্ষণ

**(খ) খালী ঠাই পূৰণ কৰক ঃ**

**প্ৰশ্ন নং ১ ঃ** সম্বন্ধযুক্ত অধ্যয়নৰ পৰা প্ৰাপ্ত ফলাফল অনুসৰি অধিক টিভি চোৱা শিশুবোৰৰ পুৰুষ আৰু মহিলা সম্পৰ্কীয় _____ ধাৰণা অধিক হয়।

.....

**প্ৰশ্ন নং ২ ঃ** _____বিপৰীত লিংগৰ খেল খেলিলে পিতৃয়ে আটাইতকৈ বেছি ঋণাত্মক প্ৰতিক্ৰিয়া প্ৰকাশ কৰে।।

.....

## ৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সামাজিকীকৰণ এনে এটা প্ৰক্ৰিয়া, যাৰ জৰিয়তে শিশুৱে সমাজৰ বিভিন্ন প্ৰমূল্য, নিয়ম, নীতি আৰু আচৰণ আয়ত্ব কৰে।
- 'সামাজিক লিংগৰ সামাজিকীকৰণ' সামাজিকীকৰণ প্ৰক্ৰিয়াৰ অন্তৰ্গত এটা অতি গুৰুত্বপূৰ্ণ দিশ।
- এই প্ৰক্ৰিয়াৰ জৰিয়তে পৃথক লিংগৰ শিশুসকলক লিংগ সম্পৰ্কীয় কৰ্তব্যসমূহৰ বিষয়ে শিকাই সামাজিক কৰি তোলা হয় আৰু পুৰুষ তথা মহিলাৰ ধাৰণা দুটাই কি সূচায় সেই সম্পৰ্কে অৱগত কৰোৱা হয়।
- বিভিন্ন তত্ত্বই সামাজিক লিংগৰ সামাজিকীকৰণৰ প্ৰক্ৰিয়াটোৰ এটা গ্ৰহণযোগ্য ব্যাখ্যা দাঙি ধৰিবলৈ প্ৰয়াস কৰিছে।
- এই তত্ত্ববোৰৰ ভিতৰত 'সামাজিক শিক্ষণ তত্ত্ব', 'সামাজিক লিংগৰ প্ৰণালীবদ্ধ তত্ত্ব' উল্লেখযোগ্য।
- এই তত্ত্ববোৰে শিশুই কিদৰে লিংগ অনুকূল আচৰণ আয়ত্ব কৰে, সেই সম্পৰ্কে ব্যাখ্যা দাঙি ধৰে।
- লিংগ আৰু যৌনতাৰ ওপৰত গুৰুত্ব আৰোপ কৰা তত্ত্বটো হ'ল মনোবিশ্লেষণাত্মক তত্ত্ব।
- সমালোচকসকলৰ মতৰ ওপৰত ভিত্তি কৰিয়েই বোধ শক্তিৰ লগত সম্পৰ্কযুক্ত লিংগ সামাজিকীকৰণৰ আন এটা তত্ত্ব আগবঢ়াইছে। এই তত্ত্বটোৱে হ'ল লিংগৰ আঁচনিগত তত্ত্ব।
- বেমৰ দৃষ্টিভংগী অনুসৰি পুৰুষ আৰু নাৰীৰ পাৰ্থক্যৰ ওপৰত গুৰুত্ব দিয়া সংস্কৃতিত শিশুৱে লিংগক জগতৰ তথ্য আহৰণৰ এটা উপায় হিচাপে গ্ৰহণ কৰে।
- বোধ শক্তিৰ বিন্যাস বা লিংগৰ প্ৰণালীবদ্ধতাই শিশুক তথ্য আহৰণত আৰু সংগতি তথা ভৱিষ্যৎ সম্পৰ্কীয় দৃষ্টিভংগী গঢ় লৈ উঠাত সহায় কৰে।
- মনোবিশ্লেষণাত্মক তত্ত্ব সামাজিক শিক্ষণ তত্ত্ব আৰু বোধ শক্তিৰ বিকাশৰ তত্ত্বৰ পৰা দুটা গুৰুত্বপূৰ্ণ দিশত ভিন্ন।
- ই কোনো শিক্ষণ সম্পৰ্কীয় তত্ত্ব নহয়। এই তত্ত্ব অনুসৰি লিংগ সম্পৰ্কীয় কিছুমান বিশেষ দিশ আৰ্হি গ্ৰহণ বা বোধ শক্তিৰ জৰিয়তে সক্ৰিয়ভাৱে তথ্য আহৰণৰ সলনি এক অচেতন মনস্তাত্বিক প্ৰণালীৰ

জৰিয়তে গঠন হয়।

- বিভিন্ন চিন্তাবিদৰ মতে অভিভাৱকসকল লিংগ সামাজিকীকৰণৰ আটাইতকৈ গুৰুত্বপূর্ণ মাধ্যম।
- নাবালক-নাবালিকাৰ প্ৰতি কৰা পৃথক আচৰণ সম্পৰ্কীয় এটি অধ্যয়নত গৱেষকসকলে অভিভাৱকসকলক তেওঁলোকৰ সন্তানৰ আগত নির্দিষ্ট কিছুমান বিশেষণ ব্যৱহাৰ কৰিবলৈ কৈছিল।

## ৩.৭ অধিক জানিবলৈ

**ইংৰাজী গ্ৰন্থ ঃ**


1) Leela Menon, “Women and Social attitude”, Kerla Calling, March 2004, p. 5.
2) Yojana 45, No. 8, August 2001, p. 4.
3) United Nation Development Programmes (UNDP), Human Development Report2006.
4) J.A. Rubby, “A Study of Kudumbashree Project in Kerala”, Mahatma GandhiUniversity, Kottayam, July 2008, p. 23.
5) Sharma Sheetal, “Empowerment of women and property, rights key to ruraldevelopment”, Kurukshetra, 54, No. 8, June 2006, p47
6) Pager D, Shepherd H (2008) The sociology of discrimination: racial discrimination in employment, housing, credit, and consumer markets. Annual Review of Sociology 34: 181-209.
7) Quillian L (2006) New approaches to understanding racial prejudice and discrimination. Annual Review of Sociology 32: 299-328.
8) Kelsey CL, Gender inequality: Empowering women. Journal of Legal Issues and Cases in Business.
9) Baxter, Wright (2000) The glass ceiling hypothesis: a comparative study of the United States, Sweden and Australia. Gender and Society 14: 275-294.
10) Nair S (2015) More gender inequality in India than Pakistan, Bangladesh: UN. The Indian Express.
11) Wadesango N (2011) Is gender equality still an issue? Tensions and contradictions embedding the work of feminists today. J Soc Sci 26: 163.
12) Gender Discrimination (2016) Editorial, Business Recorder.


## ৩.৮ অগ্ৰগতিৰ খতিয়ান

**(ক) ১নং প্ৰশ্নৰ উত্তৰ ঃ** আচৰণবাদী

**২নং প্ৰশ্নৰ উত্তৰ ঃ** জন্ম

**(খ) ১নং প্ৰশ্নৰ উত্তৰ ঃ** বদ্ধমূল

**২নং প্ৰশ্নৰ উত্তৰ ঃ** ল'ৰাই/ল'ৰা সন্তানে

## ৩.৯ আৰ্হি প্ৰশ্ন

**(ক) চমু উত্তৰৰ প্ৰশ্ন ঃ** (১৫০টা শব্দৰ ভিতৰত)

**প্ৰশ্ন ১ ঃ** সামাজিক লিংগৰ সামাজিকীকৰণে কি বুজায়?

**প্ৰশ্ন ২ ঃ** সামাজিক লিংগৰ সামাজিকীকৰণৰ মনোবিশ্লেষণাত্মক তত্ত্বটো ব্যাখ্যা কৰক।

**(খ) ৰচনাধৰ্মী প্ৰশ্নৰ উত্তৰ ঃ** (৩০০-৫০০টা শব্দৰ ভিতৰত)

**প্ৰশ্ন ১ ঃ** সামাজিক লিংগৰ সামাজিকীকৰণ প্ৰক্ৰিয়াত বিভিন্ন মাধ্যমৰ ভূমিকা সম্পৰ্কে এটি প্ৰৱন্ধ যুগুত কৰক।

**প্ৰশ্ন ২ ঃ** সামাজিক শিক্ষণ তত্ত্ব আৰু বোধ শক্তিৰ বিকাশৰ তত্ত্বৰ এটি তুলনামূলক আলোচনা দাঙি ধৰক।

*** ***** ***

# অধ্যায় ৪ ঃ উদাৰ নাৰীবাদ আৰু উগ্ৰ নাৰীবাদ

## অধ্যায় গাঁথনি


৪.১ উদ্দেশ্য

৪.২ উদাৰ নাৰীবাদ (Liberal Feminism)

- ৪.২.১ উদাৰ নাৰীবাদী চিন্তাধাৰাৰ অৱধাৰণামূলক উৎস ঃ যুক্তিযুক্ততাৰ গুৰুত্ব
- ৪.২.২ ইউৰোপৰ প্ৰবুদ্ধি যুগত উদাৰ নাৰীবাদঃ সম শিক্ষা
- ৪.২.৩ ঊনবিংশ শতিকাত উদাৰ নাৰীবাদ ঃ সম স্বাধীনতা
- ৪.২.৪ বিংশ শতিকাত উদাৰ নাৰীবাদ ঃ অভেদ বনাম প্ৰভেদ
- ৪.২.৫ উদাৰ নাৰীবাদৰ সমালোচনা

৪.৩ উগ্ৰ নাৰীবাদ (Radical Feminism)

- ৪.৩.১ যৌনতা / সামাজিক লিংগ ব্যৱস্থা সম্পৰ্কীয় উগ্ৰ -ব্যক্তি স্বাতন্ত্ৰ্যবাদী দৃষ্টিভংগী
- ৪.৩.২ যৌনতা/ সামাজিক লিংগ ব্যৱস্থা সম্পৰ্কীয় উগ্ৰ -সাংস্কৃতিক দৃষ্টিভংগী
- ৪.৩.৩ যৌনতা
- ৪.৩.৪ প্ৰজনন
- ৪.৩.৫ মাতৃত্ব
- ৪.৩.৬ উগ্ৰ নাৰীবাদৰ সমালোচনা

৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৪.৫ অধিক জানিবলৈ

৪.৬ অগ্ৰগতিৰ খতিয়ান

৪.৭ আৰ্হি প্ৰশ্ন


## ৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- উদাৰ নাৰীবাদ আৰু ইয়াৰ অৱধাৰণামূলক উৎসবোৰৰ বিষয়ে বুজি পাব
- উদাৰ নাৰীবাদৰ বিভিন্ন ভাগ আৰু এই নাৰীবাদৰ সৈতে জড়িত অগ্ৰণী ব্যক্তিসকলৰ বিষয়ে জানিব পাৰিব
- যুক্তিযুক্ততা (Rationality), সমতা (Equality), শিক্ষা আৰু স্বাধীনতা বিষয়ক উদাৰবাদী দৃষ্টিভংগীসমূহৰ বিষয়ে অৱগত হ'ব
- উগ্ৰ নাৰীবাদ আৰু ইয়াৰ ভাগবোৰৰ বিষয়ে জানিব পাৰিব
- সামাজিক লিংগ, যৌনতা, প্ৰজনন আৰু মাতৃত্ব বিষয়ক উগ্ৰ নাৰীবাদী দৃষ্টিভংগীসমূহৰ সৈতে পৰিচিত হ'ব পাৰিব

## ৪.২ উদাৰ নাৰীবাদ (Liberal Feminism)

নাৰীবাদী চিন্তাধাৰাৰ ইতিহাসক তলত দিয়া ভাগবোৰত ভগাব পাৰিঃ উদাৰ (Liberal), বৈপ্লৱিক

(Radical), মাৰ্ক্সীয় / সমাজবাদী (Marxist/Socialist), মনোবৈশ্লেষিক (Psychoanalytic), যত্ন-নিবিষ্ট (Care-focused ), বহু-সাংস্কৃতিক/ বিশ্বজনীন / ঔপনিৱেশিক (Multicultural/Global/Colonial), পাৰিপাৰ্শ্ব-নাৰীবাদ (Eco-Feminism) আৰু আধুনিক যুগৰ পৰৱৰ্তী সময়ৰ / তৃতীয় লহৰৰ নাৰীবাদ (Postmodern/Third Wave Feminism) । উদাৰ নাৰীবাদীসকলক দুভাগত ভগোৱা হয়- ধ্ৰুপদী (classical) আৰু কল্যাণকামী (Welfare)। ধ্ৰুপদী উদাৰ নাৰীবাদীসকলে ৰাজনৈতিক তথা ন্যায়িক অধিকাৰবোৰক অত্যন্ত আৱশ্যকীয় আৰু গুৰুত্বপূৰ্ণ বুলি গণ্য কৰে। সেয়েহে তেওঁলোকে সীমিত চৰকাৰ আৰু মুক্ত বজাৰৰ পোষকতা কৰে।ধ্ৰুপদী উদাৰ নাৰীবাদী চিন্তাধাৰাৰ এক বৃহৎ অংশ দখল কৰি থকা প্ৰধান বিষয়বোৰ হ'ল অভিব্যক্তি প্ৰকাশৰ স্বাধীনতা, ধৰ্ম আৰু বিবেক (conscience)। ইয়াৰ  বিপৰীতে কল্যাণকামী উদাৰ নাৰীবাদী চিন্তাধাৰাই সামাজিক তথা অৰ্থনৈতিক অধিকাৰবোৰত অধিক গুৰুত্ব আৰোপ কৰে। এই ভাগটোৰ সমৰ্থকসকলৰ মতে সামাজিক আৰু অৰ্থনৈতিক অধিকাৰবোৰ হ'ল ন্যায়িক তথা ৰাজনৈতিক অধিকাৰ অনুশীলনৰ সম্ভাৱনীয়তাৰ চৰ্ত। তেওঁলোকে  মানুহৰ বাবে, বিশেষকৈ সমাজৰ সা-সুবিধা বঞ্চিত শ্ৰেণীটোৰ বাবে চৰকাৰে সবল ভূমিকা লোৱাত জোৰ দিয়ে। তেওঁলোকৰ মতে চৰকাৰে এই শ্ৰেণীটোক ঘৰ, শিক্ষা, স্বাস্থ্য যত্ন আৰু সামাজিক সুৰক্ষা প্ৰদান কৰিব লাগে। কল্যাণকামী উদাৰ নাৰীবাদীসকলে বজাৰৰ সীমিত ভূমিকাৰ পোষকতা কৰে।

## ৪.২.১ উদাৰ নাৰীবাদী চিন্তাধাৰাৰ অৱধাৰণামূলক উৎস ঃ যুক্তিযুক্ততাৰ গুৰুত্ব

উদাৰবাদী ৰাজনৈতিক চিন্তাধাৰাই যুক্তিযুক্ততা বাহিৰ কৰাৰ সামৰ্থক মানুহৰ এটা বৈশিষ্ট্য বুলি গণ্য কৰে। মানুহক এই বৈশিষ্ট্যটোৱে অন্য জন্তুতকৈ পৃথক কৰে বুলি এই চিন্তা ধাৰাই কৰা বিশ্বাসতো এই সামৰ্থ পোষকতাকাৰী ভাৱৰ প্ৰতিফলন দেখা যায়। উদাৰবাদীসকলে বিভিন্ন ধৰণে যুক্তি (reasan)ৰ সংজ্ঞা দাঙি ধৰাৰ প্ৰয়াস কৰিছে। কিন্তু তেওঁলোকে অৱধাৰণাটোৰ নৈতিক (moral) অথবা সুবিবেচনাপূৰ্ণ (prudanted) দিশ দুটা ব্যাখ্যাতহে অধিক গুৰুত্ব দিয়া দেখা যায়। নৈতিকতাৰ দিশেৰে যুক্তি মানে হ'ল ব্যক্তিগত স্ব-নিয়ন্ত্ৰণৰ মূল্যত জোৰ দিয়া নৈতিকতাৰ যুক্তিসংগত নীতিবোৰ বুজিবলৈ থকা মানুহৰ সামৰ্থ। আকৌ, সুবিবেচনাপূৰ্ণতাৰ দিশেৰে যুক্তি মানে হ'ল আত্মসন্তুষ্টিৰ মূল্যতজোৰ দিয়া প্ৰত্যাশিত ফলাফল লাভ কৰিবলৈ  সৰ্বোত্তম সম্ভাব্য উপায় নিৰ্ণয় তথা বাছনি কৰিবলৈ থকা মানুহৰ সামৰ্থ। উদাৰবাদী সকলে 'ভাল' (good) তকৈ 'শুদ্ধ'  (right) ক অধিক গুৰুত্ব দিয়ে। তেওঁলোকে ব্যক্তিগত অধিকাৰৰ সমগ্ৰ ব্যৱস্থাটোক যিটো ভিত্তিত ন্যায্যতা প্ৰদানৰ চেষ্টা কৰে সেই ভিত্তিটো হ'ল এই  অধিকাৰবোৰে এনে এক সংৰচনা আগবঢ়ায় যিটোৰ পৰিসীমাৰ ভিতৰত মানুহে অন্যক তেওঁলোকৰ 'ভাল'বোৰৰ পৰা বঞ্চিত নকৰাকৈ নিজৰ বাবে থকা সুকীয়া 'ভাল' বোৰ বাছনি কৰিব পাৰে। ইয়াৰএটা উদাহৰণ হ'ল ধৰ্মীয় স্বাধীনতা। এই স্বাধীনতাই প্ৰত্যেক ব্যক্তিকে আধ্যাত্মিকতাৰ নিজস্ব ধৰণ অনুশীলন কৰাৰ সুবিধা দিয়ে। কিন্তু একাংশই 'ভালতকৈ শুদ্ধক' প্ৰাধান্য দিয়া নীতিটোৰ সমালোচনা কৰে। সমালোচকসকলে যুক্তি দৰ্শায় যে সম্প্ৰদায়ৰ কল্যাণৰ দিশটোৰ সৈতে আপোচ নকৰাকৈ ব্যক্তিগত স্বাধীনতাৰ মাত্ৰা সৰ্বাধিক কৰি তোলা ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক অনুষ্ঠান গঢ়ি তোলাটো এটা  প্ৰত্যাহ্বান মাথোন। এনে হ'লে সমলৰ পৰিমাণ সীমিত হোৱাৰ বাবে (উদাৰবাদীসকলৰ দাবী অনুসৰি) প্ৰত্যেক ব্যক্তিয়েই যিমান পাৰে সিমান সমল গোটাবলৈ আপ্ৰাণ চেষ্টা চলাব।

ব্যক্তিগত আৰু ৰাজহুৱা জীৱনত ৰাষ্ট্ৰৰ হস্তক্ষেপৰ বিষয়টো সন্দৰ্ভত ধ্ৰুপদী উদাৰবাদী অথবা ব্যক্তি স্বাতন্ত্ৰ্যবাদী(Libertarian) আৰু কল্যাণকামী উদাৰবাদী অথবা সমতাবাদী (Egalitarian) সকলে

ভিন ভিন মত পোষণ কৰে। ধ্ৰুপদী উদাৰবাদীসকলৰ মতে ৰাষ্ট্ৰই ব্যক্তিৰ সম্পত্তিৰ অধিকাৰ, ভোট দানৰ অধিকাৰ, অভিব্যক্তি প্ৰকাশৰ স্বাধীনতা, ধৰ্মীয় স্বাধীনতা, সংগঠিত হোৱাৰ স্বাধীনতা আদিৰ দৰে নাগৰিক স্বাধীনতাবোৰ সুৰক্ষিত ৰখাৰ দায়িত্বতে সীমাৱদ্ধ হৈ থকা উচিত। মুক্ত বজাৰত ৰাষ্ট্ৰই কোনো হস্তক্ষেপ কৰা অনুচিত। ৰাষ্ট্ৰই ইয়াৰ পৰিৱৰ্তে সকলো লোককে সমান সুবিধা প্ৰদান কৰা উচিত যাতে সকলোৱে ৰাষ্ট্ৰীয় অৰ্থনীতিৰ পৰিসীমাৰ ভিতৰত আহৰণ কৰা সম্পত্তিৰ পৰিমাণ নিৰ্ধাৰণ কৰিব পাৰে। আনহাতে, কল্যাণকামী উদাৰবাদীসকলে বিশ্বাস কৰে যে ৰাষ্ট্ৰই অৰ্থনৈতিক তাৰতম্য আঁতৰোৱা আৰু নাগৰিক স্বাধীনতা অক্ষুণ্ণ ৰখা-এই দুয়োটা বিষয়তে সমানে মনোনিৱেশ কৰা উচিত। তেওঁলোকৰ মতে বজাৰ এখনে আগবঢ়োৱা সা-সুবিধাবোৰ প্ৰত্যেক ব্যক্তিয়ে সমানে উপভোগ কৰাৰ সুবিধা নাপায়। সেয়েহে অসমতাৰ মাত্ৰা হ্ৰাস কৰিবলৈ কিছুমান দিশ ইফাল-সিফাল কৰি সকলোৰে অনুকূল সুবিধাসৃষ্টি কৰিবলৈ ৰাষ্ট্ৰৰ হস্তক্ষেপৰ প্ৰয়োজন হয়। যেনে- ন্যায়িক সেৱা, বিদ্যালয় ঋণ, কমখৰছী গৃহ নিৰ্মাণ, স্বাস্থ্য যত্ন, সামাজিক সুৰক্ষা আদিৰ ক্ষেত্ৰত ৰাষ্ট্ৰৰ হস্তক্ষেপৰ প্ৰয়োজন। তেতিয়াহে বজাৰে সৃষ্টি কৰা অসমতাৰ মাত্ৰা কমাব পৰা যাব।

সমসাময়িক উদাৰ নাৰীবাদীসকলে কল্যাণকামী উদাৰবাদীসকলৰ আৰ্হিটোৰ পোষকতা কৰা দেখা যায়। ওপৰৰ আলোচনাৰ পৰা গম পোৱা গ'ল যে ধ্ৰুপদী উদাৰ ভাৱধাৰা আৰু কল্যাণমুখী ভাৱ ধাৰাই মিলি উদাৰ নৰীবাদী চিন্তাৰ ভেটি গঢ়ি তুলিছে।

## ৪.২.২ ইউৰোপৰ প্ৰবুদ্ধি যুগত উদাৰ নাৰীবাদঃ সম শিক্ষা

ঔদ্যোগিক পুঁজিবাদে সবল খোপনি পোতাৰ আগতে পৰিয়ালৰ পুৰুষ আৰু মহিলা সদস্যই মিলি ঘৰ আৰু বাহিৰৰ সকলোবোৰ উৎপাদনশীল কাম-কাজ কৰিছিল। কিন্তু ঔদ্যোগিক পুঁজিবাদৰ শক্তিয়ে লাহে লাহে শ্ৰমিকক ঘৰৰ পৰা ৰাজহুৱা কৰ্মস্থানবোৰলৈ উলিয়াই নিবলৈ আৰম্ভ কৰিলে। নাৰী সমাজত এই কাৰ্যৰ বিৰূপ প্ৰভাৱ পৰিল। তেওঁলোক ঘৰৰ চাৰিবেৰৰ মাজত নিচেই সামান্য অথবা কোনো উৎপাদনশীল কাৰ্য নকৰাকৈ আৱদ্ধ হৈ ৰ'ল। মেৰী ৱু'লষ্টোনক্ৰাফ্টে তেওঁৰগ্ৰন্থ (*A Vindication of the Rights of Women*) ত লিখিছে ঃ "মহিলাসকলক নিজাববীয়াকৈ কোনো সিদ্ধান্ত ল'বলৈ দিয়া নহৈছিল, তেওঁলোকৰ ক্ষেত্ৰত স্বতন্ত্ৰতাৰ নাটনি ঘটিছিল আৰু তেওঁলোকক যুক্তি-বুদ্ধি প্ৰয়োগৰ সামৰ্থ বিকশিত কৰাত নিৰুৎসাহিত কৰা হৈছিল। এই কথাবোৰে কালক্ৰমত নাৰীক যুক্তিযুক্ততাপূৰ্ণ সত্তা ৰূপে প্ৰতিষ্ঠা নকৰি নৈতিকতা আৰু আৱেগৰ প্ৰতিনিধি ৰূপে প্ৰতিষ্ঠা কৰিছিল।"

ৱু'লষ্টোনক্ৰাফ্টৰ দৰে উদাৰ নাৰীবাদীসকলে নাৰীৰ যুক্তিবাদী তথা নৈতিক দুয়ো ধৰণৰ সামৰ্থৰ বিকাশ ঘটাব পৰা শিক্ষাৰ পোষকতা কৰিছিল। এনে শিক্ষাই নাৰীকো নিজৰ মানৱীয় সম্ভাৱনীয়তাবোৰৰ পূৰ্ণ ব্যৱহাৰ কৰিবলৈ সক্ষম কৰি তুলিব বুলি কোৱা হৈছিল। উদাৰবাদীসকলে যুক্তিযুক্ততাক সেইটো বিশেষ কাৰক বুলি গণ্য কৰিছিল যিটোৱে মানুহক অন্য জন্তুৰ পৰা পৃথক কৰে। সেয়েহে, সমাজে পুৰুষক দিয়াৰ দৰে হুবহু শিক্ষা নাৰীকো দিয়া উচিত বুলি তেওঁলোকে মত পোষণ কৰিছিল। ৱু'লষ্টোনক্ৰাফ্টৰ দৰে উদাৰ নাৰীবাদীসকলে শিক্ষাৰ সৈতে জড়িত পৰম্পৰাগত পুৰুষ বৈশিষ্ট্যবোৰক নাৰী শিক্ষাৰ ক্ষেত্ৰতো প্ৰয়োগ কৰিব পৰা নিৰ্ভুল পথ বুলি গণ্য কৰিছিল। তেওঁলোকে নাৰীকো স্বতন্ত্ৰ সিদ্ধান্ত গ্ৰহণকাৰীৰ ভূমিকা লোৱাটো বিচাৰিছিল। কিন্তু শৈক্ষিক সীমাবদ্ধতাৰ বাবে নাৰীয়ে স্ব-নিয়ন্ত্ৰণৰ অধিকাৰ লাভ কৰিব পৰা নাছিল। নাৰীৰ বাবে সুলভ শিক্ষাই কোনো ধৰণৰ গঠনমূলক দিক্ নিৰ্দেশনা দিব নোৱাৰিছিল। উদাৰ

নাৰীবাদে পুৰুষৰ পৰা পৃথকে নাৰীৰ ৰাজনৈতিক তথা অৰ্থনৈতিক স্বাধীনতা প্ৰয়োজনীয় বুলি ভবা নাছিল। ইয়াৰ পৰিৱৰ্তে তেওঁলোকে যুক্তি দৰ্শাইছিল যে 'উচ্চ শিক্ষিতা' নাৰী স্ব-নিয়ন্ত্ৰিত সত্তাত পৰিণত হ'বলৈ অৰ্থনৈতিক দিশেৰে স্বাৱলম্বী হোৱাৰ প্ৰয়োজন নাই। তেওঁলোকে কেৱল নাৰী এক সুকীয়া ব্যক্তিসত্তাৰ অধিকাৰী হোৱাটো বিচাৰিছিল। পৰম্পৰাগত উদাৰ নাৰীবাদী সকলৰ বাবে নাৰী কেৱল পুৰুষক সুখ আৰু সন্তুষ্টি প্ৰদান কৰাৰ এক 'উপায়' (means) নহয়, নাৰী নিজেই এক সম্পূৰ্ণতা (an end in herself)। নাৰী স্ব নিৰ্ণয়ৰ সম্পূৰ্ণ সামৰ্থযুক্ত এক যুক্তিযুক্ততাসম্পন্ন প্ৰতিভূ (agent)।

### অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ উদাৰ নাৰীবাদৰ ভাগবোৰ কি কি?

.....

.....

প্ৰশ্ন ২ ঃ A Vindication of the Right of Women গ্ৰন্থখন কোনে লিখিছিল?

.....

.....

## ৪.২.৩ ঊনবিংশ শতিকাত উদাৰ নাৰীবাদ ঃ সম স্বাধীনতা

ঊনবিংশ শতিকাৰ উদাৰ নাৰীবাদৰ দুগৰাকী প্ৰধান সমৰ্থক হ'ল জন ষ্টুৱার্ট মিল (১৮০৬-১৮৭৩) আৰু হেৰিয়েট টেইলৰ (মিল) (১৮০৭-১৮৫৮)। দুয়োগৰাকীৰে বহুল পঠিত ৰচনা কেইখনমান হ'ল টেইলৰ আৰু মিলে যুটীয়াভাৱে লিখা *(Early Essays on Marriage and Divorce(1832)*। টেইলৰে লিখা *(Enfranchisement of Women(1851)*। মিলে লিখা *(The Subjection of Woman(1869)*পূৰ্বসূৰীসকলৰ দৰে মিল আৰুটেইলৰেও নাৰীক যুক্তিবাদী কৰি তোলাত গুৰুত্ব দিছিল। কিন্তু তেওঁলোকে যুক্তিযুক্ততাক কেৱল নৈতিকতাৰ দিশটোকে সাঙুৰি ন'লৈ সুবিবেচনাকো স্থান দিছিল।তেওঁলোকৰ মতে সুবিবেচনাপূৰ্ণ যুক্তিবাদী চিন্তাৰ অধিকাৰী হোৱাৰ লগতে নাৰীৰ বাবে স্বতন্ত্ৰ সিদ্ধান্ত গ্ৰহণৰ সামৰ্থও সমানে গুৰুত্বপূৰ্ণ। লিংগভিত্তিক সমতা অথবা সামাজিক লিংগভিত্তিক ন্যায় পাবলৈ নাৰীকো পুৰুষৰ দৰে একে শিক্ষাৰে শিক্ষিতা কৰি তুলিব লাগিব, সমান ৰাজনৈতিক অধিকাৰ আৰু অৰ্থনৈতিক সা-সুবিধা প্ৰদান কৰিব লাগিব। টেইলৰে পৰামৰ্শ আগবঢ়াইছিল যে গৃহিনী আৰু মাতৃ হোৱাৰ লগতে নাৰীয়ে পৰিয়ালক পাৰ্থিৱ দিশেৰে সহায় কৰিব পৰাকৈ এটা বৃত্তিও বাছি লোৱা উচিত। তেওঁৰ মতে তেতিয়াহে নাৰী প্ৰকৃত অৰ্থত পুৰুষৰ সমান হ'ব পাৰিব। টেইলৰৰ দৃষ্টিভংগী অনুসৰি চাকৰিয়াল মহিলাসকলে প্ৰয়োজন সাপেক্ষে ঘৰুৱা কাম-কাজত সহায় কৰা লোক ৰাখিব পাৰে। অৱশ্যে এই কথাৰ পৰা গম পোৱা যায় যে টেইলৰ নিজে উচ্চ মধ্যবিত্ত পৰিয়ালৰ মহিলা আছিল। তেওঁৰ লেখনীবোৰতো সাধাৰণ নাৰীৰ সলনি এটা অধিক সা-সুবিধা উপভোগকাৰী শ্ৰেণীৰ নাৰীৰ অৱস্থাহে প্ৰতিফলিত হয়।

আনহাতে মিলে সাধাৰণভাৱে নাৰী আৰু পুৰুষৰ মাজত কোনো বৌদ্ধিক আৰু নৈতিক প্ৰভেদ থকাটো অস্বীকাৰ কৰিছে। তেওঁৰ মতে নাৰী আৰু পুৰুষৰ মাজত থকা বৌদ্ধিক ব্যৱধান হ'ল পুৰুষে

লাভ কৰা শিক্ষা আৰু সমাজত পুৰুষে উপভোগ কৰা সুবিধাজনক স্থিতিৰ ফলাফল মাথোন। তেওঁ নাৰীক ভোটাধিকাৰ প্ৰদানৰো গোহাৰি জনাইছিল। তেওঁ বিশ্বাস কৰিছিল যে নাৰীকো যদি সক্ৰিয় ৰাজনৈতিক নিৰ্বাচনতঅংশগ্ৰহণ কৰাৰ অধিকাৰ দিয়া হয়, তেন্তে তেওঁলোকেও সমাজৰ পৰা লাভ কৰা সা-সুবিধাবোৰ সম্পৰ্কে সচেতন হ'ব আৰু নিজৰ ভোট প্ৰদান কৰিব। ভোট দিয়াৰ অধিকাৰে তেওঁলোকক পৰিয়ালৰ চাৰিসীমা অতিক্ৰম কৰি সমাজখনৰ বিষয়ে চিন্তা কৰিবলৈ শিকাব। কিন্তু সাধাৰণভাৱে নাৰীৰ বৌদ্ধিক সামৰ্থৰ প্ৰতি উচ্চ মনোভাৱথকা সত্বেও মিলে এই অনুমানো ব্যক্ত কৰিছিল যে আদৰ্শ পৰিস্থিতিত নাৰীয়ে সদায় চাকৰিতকৈ পৰিয়ালক প্ৰাধান্য দিব।

## ৪.২.৪ বিংশ শতিকাত উদাৰ নাৰীবাদঃ অভেদ বনাম প্ৰভেদ

উদাৰ নাৰীবাদৰ পৰিৱৰ্তনশীল বৈশিষ্ট্য আৰু 'অভেদ বনাম প্ৰভেদ' (Sameness -Vs.- Difference) ক লৈ চলা বিতৰ্ক হ'ল বিংশ শতিকাৰ অংশ। বেটী ফ্ৰাইডেন (১৯২১-২০০৬) ৰ লেখনীত এই দুটা দিশ স্পষ্টকৈ ধৰা পৰে। ফ্ৰাইডেনৰ তিনিখন বহুল পঠিত ৰচনা হ'ল *The Feminine Mystique,1963, The Second Stage,1981* আৰু *The Fountain of Age(1993)* ।

প্ৰথম অৱস্থাত ফ্ৰাইডেনে এই মত প্ৰকাশ কৰিছিল যে সমসাময়িক নাৰীয়ে ৰাজহুৱা কৰ্মস্থানত অৰ্থবহ পূৰ্ণকালীন চাকৰি বিচাৰি লোৱা উচিত। কিন্তু ইয়াৰ বাবে নাৰীয়ে বিবাহ নাইবা মাতৃত্ব বলিদান দিয়াটো তেওঁ বিচৰা নাছিল। তেওঁৰ মতে পৰিয়ালত নাৰীৰ আংশিক অনুপস্থিতিয়ে পতি আৰু ল'ৰা-ছোৱালীক অধিক আত্মনিৰ্ভৰশীল কৰি তুলিব। ফ্ৰাইডেনে বিবাহ অনুষ্ঠান আৰু মাতৃত্বৰ ধাৰণাটোক যথোচিত মৰ্যাদা প্ৰদান কৰি নাৰীৰ স্ব-পৰিচয়, সমতা আৰু ৰাজনৈতিক ক্ষমতা লাভৰ প্ৰয়োজনীয়তাত গুৰুত্ব দিছিল। ১৯৬৩ চনত লিখা ধ্ৰুপদী ৰচনা *The Feminine Mystique* ত এই কথা ফ্ৰাইডেনে বহলাই আলোচনা কৰিছে। কিন্তু ফ্ৰাইডেনে আওকাণ কৰা এটা গুৰুত্বপূৰ্ণ কথা হ'ল এয়াই যে পৰিয়ালৰ ভিতৰ আৰু বাহিৰত কিছুমান সংৰচনামূলক পৰিৱৰ্তন সাধন নোহোৱা পৰ্যন্ত আনকি সমাজৰ সা-সুবিধাপ্ৰাপ্ত শ্ৰেণীটোৰ মহিলা সদস্যাসকলৰ বাবেও বিবাহ, মাতৃত্ব তথা এটা সফল চাকৰিৰ দায়িত্ব সমানে আগবঢ়াই নিয়াটো কঠিন হৈয়েই ৰ'ব।

তেওঁৰ দ্বিতীয়খন প্ৰখ্যাত ৰচনা *'The Second Stage'* ত ফ্ৰাইডেনে এই কথাত জোৰ দিছিল যে ব্যক্তিগত আৰু ৰাজহুৱা উভয় খণ্ডতে সমানে নিজ নিজ ব্যক্তিত্বৰ পূৰ্ণতা প্ৰাপ্তিৰ বাবে সকলোবোৰ প্ৰয়োজনীয় সামাজিক প্ৰমূল্য, নেতৃত্ব শৈলী তথা আনুষ্ঠানিক সংৰচনাৰ বিকাশ ঘটাবলৈ নাৰী আৰু পুৰুষে সমানে কাম কৰিব লাগিব। এই প্ৰসংগতে তেওঁ 'ফ্লেক্সিটাইম' (কামতযোগ দিয়া আৰু কৰ্মবিৰতিৰ সময় কৰ্মচাৰীয়ে নিজে ঠিক কৰিব পৰা ব্যৱস্থা) প্ৰচলনৰ প্ৰয়োজনীয়তাত জোৰ দিছিল। এই ব্যৱস্থা নাৰী, বিশেষকৈ মাতৃসকলৰ বাবে উপযোগী। এনে ব্যৱস্থাৰ প্ৰচলন ঘটিলে তেওঁলোকে ল'ৰা-ছোৱালীৰ উপযুক্ত যত্ন ল'ব পাৰিব। একেদৰে, তেওঁ ৰাজহুৱা জীৱনত নাৰীৰ লীনভৱন আৰু ব্যক্তিগত জীৱনত পুৰুষৰ লীনভৱনৰ প্ৰয়োজনীয়তাত গুৰুত্ব দিছিল। অন্যথা নাৰীয়ে সদায় পুৰুষতকৈ কঠোৰ পৰিশ্ৰম কৰি যাব লাগিব বুলি তেওঁ মত পোষণ কৰিছিল। ফ্ৰাইডেনৰ মতে সমতাৰ অধিকাৰী হ'বলৈ নাৰীয়ে পুৰুষৰ সৈতে থকা প্ৰভেদবোৰ অস্বীকাৰ কৰাৰ কোনো প্ৰয়োজন নাই। দুয়োটা লিংগৰ মাজত সমতা নিশ্চিত কৰাৰ বাবে তেওঁ সামাজিক লিংগ নিৰপেক্ষ আইন(gender neutral ) তকৈ সামাজিক লিংগ নিৰ্দিষ্ট আইন (gender specific laws) প্ৰণয়নত অধিক গুৰুত্ব দিছিল।

ফ্ৰাইডেনৰ তৃতীয়খন প্ৰখ্যাত ৰচনা *The Fountain of Age* ত তেওঁ 'উভয় লৈঙ্গিকতা' androgyny ৰ আলোচনা কৰিছিল। তেওঁৰ বৰ্ণনা মতে বয়স বঢ়াৰ লগে লগে মানুহ পুৰ্ণ বিকশিত হয় আৰু ধ্ৰুবত্বযুক্ত লিংগ ভূমিকাবোৰ অতিক্ৰম কৰে। প্ৰাপ্তবয়স্কই সেইবোৰ দিশত মনোনিৱেশ কৰে যিবোৰ তেওঁলোকে যুৱাৱস্থাত বিকশিত নকৰাকৈ এৰি থৈ গৈছিল। ফ্ৰাইডেনৰ মতে উভয় লৈঙ্গিক বৈশিষ্ট্যৰ মানুহবোৰ সবাতোকৈ সুখী। বিষয়টো ব্যাখ্যা কৰোঁতে তেওঁ 'মানৱীয় সমগ্ৰতা' (human wholeness)ত জোৰ দিছে। তেওঁৰ মতে এয়াই হ'ল 'নাৰীবাদৰ প্ৰকৃত প্ৰতিশ্ৰুতি' (true promise of feminism)। নাৰীবাদ সদায় নাৰী সংক্ৰান্তীয় সমস্যাৰ উৰ্দ্ধলৈ যোৱা উচিত। ই মূৰ্ত, ব্যৱহাৰিক আৰু দৈনন্দিন সমস্যাবোৰ লৈ পুৰুষৰ সমভাগী হৈ কাম কৰাৰ চেষ্টা চলোৱা উচিত। তেতিয়াহে নাৰী আৰু পুৰুষ উভয়ে সমানভাৱে জীৱন যাপন আৰু কাম কৰি যাব পাৰিব।

### অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৩ ঃ ফ্লেক্সিটাইম কি?

.....

.....

প্ৰশ্ন ৪ ঃ উভয় লৈঙ্গিক ব্যক্তিত্ব কেনে ধৰণৰ?

.....

.....

## ৪.২.৫ উদাৰ নাৰীবাদৰ সমালোচনা

নব্য-উদাৰ নাৰীবাদে প্ৰায়েই উদাৰ নাৰীবাদক অগ্ৰাহ্য কৰে। নব্য-উদাৰ বাদীসকলে প্ৰদৰ্শন কৰা প্ৰধান যুক্তিটো হ'ল উদাৰ নাৰীবাদী চিন্তাধাৰাই সকলো নাৰীৰ স্বাৰ্থৰ পোষকতা কৰা নাছিল। তেওঁলোকে কেৱল এটা বিশেষ সুবিধাভোগী শ্ৰেণীৰ নাৰীৰ স্বাৰ্থৰ পোষকতা কৰিছিল। এই নাৰীসকলে বিভিন্ন সা-সুবিধা লাভ কৰিছিল বাবে পুৰুষৰ দৰে চিন্তা আৰু কাম কৰিব পাৰিছিল।

➢ **যুক্তি, স্বাধীনতা আৰু আত্ম-নিয়ন্ত্ৰণ**

এলিচন জেগাৰ (ছেপ্টেম্বৰ, ২৩, ১৯৪২) এ তেওঁৰ গ্ৰন্থ *Feminist Politics and Human Nature* (১৯৮৩)ত উদাৰ নাৰীবাদৰ সমালোচনা কৰিছে। তেওঁৰ মতে উদাৰ নাৰীবাদীসকলে সমৰ্থন কৰা যুক্তিযুক্ত, মুক্ত আৰু আত্ম-নিয়ন্ত্ৰিত সত্তা লিংগবোৰৰ মাজত নিৰপেক্ষ ৰূপত নাথাকে। উদাৰ নাৰীবাদীসকলকে ধৰি অধিকাংশ ব্যক্তি স্বাতন্ত্ৰ্যবাদীয়েই আদৰ্শ দ্বৈতবাদ (normative dualism) ক মানি লৈছে। আদৰ্শ দ্বৈতবাদ দৃষ্টিভংগীৰ মতে শৰীৰৰ প্ৰকাৰ্য আৰু ক্ৰিয়া-কলাপতকৈ মনৰ প্ৰকাৰ্য আৰু কাৰ্যকলাপ অধিক উন্নত। জেগাৰৰ মত অনুসৰি আদৰ্শ দ্বৈতবাদৰ সৈতে থকা এই সংলগ্নতাই নাৰীবাদৰ বাবে সমস্যাৰ সৃষ্টি কৰে। প্ৰথমতে ই শাৰীৰিক ক্ৰিয়া-কলাপ আৰু প্ৰকাৰ্যবোৰৰ মান অৱনমিত কৰে আৰু দ্বিতীয়তে এই ধাৰণাটোৱে 'ৰাজনৈতিক আত্মকেন্দ্ৰিকতা' (Political Solipsism) আৰু 'ৰাজনৈতিক সন্দেহপ্ৰৱণতা

(Political Skepticism) ৰ সৃষ্টি কৰিব পাৰে। ৰাজনৈতিক আত্মকেন্দ্রিকতা হ'ল এটা বিশ্বাস। এই বিশ্বাসে যুক্তিবাদী আৰু স্বনিয়ন্ত্রণৰ সামৰ্থযুক্ত ব্যক্তিক অন্য ব্যক্তিতকৈ পৃথক বুলি ভাবিবলৈ শিকায়। এনে ব্যক্তিৰ প্রয়োজন আৰু আগ্রহবোৰো পৃথক তথা কেতিয়াবা পৰস্পৰৰ সৈতে বৈসাদৃশ্যযুক্ত হ'ব পাৰে। ৰাজনৈতিক সন্দেহপ্রৱণতাও এক বিশ্বাস। এই বিশ্বাস মতে মানৱ কল্যাণ কোনবোৰ উপাদানেৰে সৃষ্টি হ'ব পাৰে আৰু মানৱ কল্যাণ কিদৰে সাধন কৰিব পৰা যায় আদিৰ দৰে ৰাজনৈতিক দর্শনৰ সৈতে জড়িত কিছুমান মৌলিক প্রশ্নৰ কোনো উমৈহতীয়া উত্তৰ নাই। জেগাৰে ৰাজনৈতিক আত্মকেন্দ্রিকতাৰ সমালোচনা কৰি কৈছে যে সামাজিকভাৱে নির্মিত প্রয়োজন আৰু ইচ্ছাই ব্যক্তিগত পৰিচয় নির্ণয় কৰে অথবা ব্যক্তিগত সত্তাবোৰ হ'ল এটা সমূহৰ সৃষ্টি । তেওঁ উদাৰ নাৰীবাদীসকলৰ ৰাজনৈতিক সন্দেহপ্রৱণতাৰ সমালোচনা কৰি কৈছে যে বিষয়টো সত্তা (Self) ৰ এটা অতিবিমূর্ত্ত আৰু ব্যক্তি স্বাতন্ত্রবাদী অৱধাৰণা নির্ভৰশীল।

➢ **<u>পুৰুষকেন্দ্রিক প্রমূল্যবোৰত মাত্রাধিক গুৰুত্ব আৰোপ</u>**

জ্যাঁ বেথ্‌কে এল্‌শ্যটেইন (১৯৪১-২০১৩) নামৰ স্বনামধন্য ব্যক্তি-সামূহিকতাবাদী ৰাজনৈতিক তাত্ত্বিগৰাকীয়ে উদাৰ নাৰীবাদৰ সমালোচনা কৰি কৈছে যে ই তথা কথিত পুৰুষকেন্দ্রিক প্রমূল্যবোৰক অধিক গুৰুত্ব দিয়ে। তেওঁ ফ্রাইডেন, ৰু'লষ্টোনক্রাফ্‌ট, মিল আৰু টেইলৰৰ দৰে উদাৰ নাৰীবাদীসকলৰ সমালোচনাত লিখিছে যে তেওঁলোকে পুৰুষৰ সত্তাক মানৱ সত্তাৰ সৈতে আৰু পুৰুষোচিত গুণবোৰক মানৱ গুণৰ সৈতে তুলনা কৰিছে। তেওঁ উদাৰ নাৰীবাদৰ তিনিটা প্রধান আসোঁৱাহ আঙুলিয়াই দেখুৱাইছে। প্রথমটো হ'ল- এই নাৰীবাদে কয় যে যদি নাৰীয়ে মন বান্ধে তেন্তে তেওঁলোকো পুৰুষৰ দৰে হ'ব পাৰে। দ্বিতীয়টো হ'ল- উদাৰ নাৰীবাদীসকলে দাবী কৰে যে বেছিভাগ নাৰীয়েই পুৰুষৰ দৰে হ'ব বিচাৰে। তৃতীয় আসোঁৱাহটো হ'ল- এই নাৰীবাদৰ মতে সকলো নাৰীয়েই পুৰুষৰ দৰে হ'বলৈ বিচৰা উচিত।

এল্‌শ্যটেইনে কঠোৰ ভাষাৰে সমালোচনা কৰা আন এটা বিষয়টো হ'ল পুৰুষ-নাৰীৰ মাজৰ প্রভেদবোৰ জীৱতত্ত্বৰ নিয়মৰ পৰিৱর্তে সংস্কৃতিৰ পৰা উদ্ভূত বুলি উদাৰ নাৰীবাদীসকলে মানি চলা সাধাৰণ বিশ্বাস। উদাৰ নাৰীবাদীসকলে কিছুমান সামাজিক লিংগ প্রভেদ জৈৱিক কাৰকৰ দ্বাৰা নির্ণিত হোৱাৰ সম্ভাৱনীয়তাক মানি নলয় বাবেও এল্‌শ্যটেইনে ইয়াৰ সমালোচনা কৰিছে। তেওঁ এয়াও নিৰীক্ষণ কৰিছিল যে উদাৰ নাৰীবাদীসকলে পুৰুষৰ দৰে হ'ব বিচৰা নাৰীৰ সংখ্যা প্রয়োজতকৈ অধিক বুলি ধৰি লৈছিল। এনেবোৰ আসোঁৱাহৰ বিপৰীতে এল্‌শ্যটেইনে পৰামর্শ আগবঢ়াইছিল যে নাৰীয়ে এনে এখন সমাজ গঢ়াৰ বাবে কাম কৰা উচিত য'ত পুৰুষ আৰু নাৰী উভয়ে বন্ধু আৰু পৰিয়ালক পর্যাপ্ত সময় দিয়াৰ লগতে নিজ নিজ বৃত্তিৰ সৈতে জড়িত দায়ৱদ্ধতাবোৰকো সুকলমে আগবঢ়াই লৈ গৈ থাকিব পাৰে।

➢ **<u>প্রজাতিবাদ, জাতিবাদ আৰু ভৈন্নলৈঙ্গিকতাবাদ</u>**

উদাৰ নাৰীবাদীসকলে বেছিভাগ ক্ষেত্রতে কৃষ্ণাংগ মহিলাসকলক আওকাণ কৰি কেৱল শ্বেতাংগ, মধ্যবিত্ত আৰু ভিন্নলৈঙ্গিক নাৰীৰ স্বার্থ ৰক্ষাত মনোনিৱেশ কৰিছিল বুলিও সমালোচনাৰ সন্মুখীন হৈছে। তৃণমূল পর্যায়ৰ উদাৰ নাৰীবাদীসকলৰ মাজতেই জাতিবাদ (classism)ৰ অস্তিত্ব আছিল। তেওঁলোকৰ অধিকাংশই আছিল উচ্চ মধ্যবিত্ত পৰিয়ালৰ সদস্য। ভিন্নলৈঙ্গিকতাবাদ আছিল উদাৰ নাৰীবাদৰ বাবে সমস্যাৰ সৃষ্টিকাৰী আন এক বিষয়। অধিকাংশ উদাৰ নাৰীবাদীয়ে আশংকা কৰিছিল যে নাৰী অধিকাৰ আন্দোলনৰ ভিতৰ চ'ৰাত গা কৰি উঠা এক সৰৱ আৰু মূর্ত সমলৈঙ্গিক নাৰীৰ গোট এটাৰ বাবে সাধাৰণ নাগৰিকে নাৰীৰ অধিকাৰ বিষয়ক সমস্যাবোৰৰ চর্চাৰ পৰা নিজকে ক্রমে আঁতৰাই নিব।

## ৪.৩ উগ্ৰ নাৰীবাদ (Radical Feminism)

১৯৬০ আৰু ১৯৭০ ৰ দশকত এদল নাৰীবাদীয়ে উদাৰ নাৰীবাদৰ আদৰ্শটোৰ বিৰোধিতা কৰিছিল। এই নাৰীবাদী দলটোৱে নিজকে সমাজ সংস্কাৰকৰ সলনি বিপ্লৱী বুলি গণ্য কৰিছিল। সেয়েহে তেওঁলোক উগ্ৰ নাৰীবাদী বুলি জনাজাত হৈছিল। তেওঁলোকৰ দাবী অনুসৰি নাৰীক নাৰী হোৱাৰ সুবাদতে কৰা দমনৰ আন সকলোবোৰ মানৱীয় দমনতকৈ অধিক মৌলিক বৈশিষ্ট্য আছে। এই প্ৰসংগতে এলিচন জেগাৰ আৰু পউলা ৰোথেনবাৰ্গ (জানুৱাৰী১৭, ১৯৪৩) এ আগবঢ়োৱা উগ্ৰ নাৰীবাদী সকলৰ দৃষ্টিভংগীৰ পৰা পাঁচটা প্ৰধান বিষয় উল্লেখ কৰিব পৰা যায়। বৈপ্লৱিক নাৰীবাদী দৃষ্টিভংগী অনুসৰি-

- নাৰী হ'ল ঐতিহাসিকভাৱে পৃথিৱীৰ প্ৰথমটো নিপীড়িত মানৱ গোট।
- ইয়াৰ প্ৰসাৰ সবাতোকৈ ব্যাপক। প্ৰতিখন জ্ঞাত মানৱ সমাজতে ইয়াৰ অস্তিত্ব আছে বুলি ক'ব পাৰি।
- নিপীড়নৰ ই হ'ল সবাতোকৈ কঠিন ৰূপ। শ্ৰেণী সমাজ প্ৰথাৰ বিলোপ সাধনৰ দৰে সামাজিক পৰিৱৰ্তনেও ইয়াক নিৰ্মূল কৰিব নোৱাৰে।
- নিপীড়নে নাৰীক গুণগত আৰু পৰিমাণগত দুয়োটা দিশেৰে সৰ্বাধিক যাতনা দিয়ে। কিন্তু নিপীড়ক আৰু নিৰ্যাতিতাৰ মাজত থকা লিংগভিত্তিক পক্ষপাতিত্বৰ বাবে এনে নিপীড়ন প্ৰায়েই ধৰা নপৰে।
- নাৰী নিপীড়নক আন সকলোবোৰ নিপীড়ন বুজাৰ এক আৰ্হি হিচাপে ব্যৱহাৰ কৰিব পাৰি।

উগ্ৰ নাৰীবাদীসকলে লিংগবাদ (Sexism) ক প্ৰথম, সৰ্বাধিক ব্যাপ্ত অথবা গুৰুতৰ মানৱ দমনৰ ৰূপ বুলি মানি লয়। কিন্তু এই দমন নিৰ্মূল কৰাৰ দৃষ্টিভংগীৰ মাজত ভিন্নতা আছে। এনে দৃষ্টিভংগীবোৰক দুটা বহল ভাগত ভগোৱা হয়- উগ্ৰ ব্যক্তি স্বাতন্ত্ৰ্যবাদী নাৰীবাদী (Radical Libertarian Feminists) আৰু উগ্ৰ সাংস্কৃতিক নাৰীবাদী (Radical Cultural Feminists)। দুয়োটা ভাগৰ সমৰ্থনকাৰীয়ে লিংগবাদৰ বিৰুদ্ধে যুঁজাৰ ভিন্ ভিন্ উপায়ৰ কথা কৈছে।

উগ্ৰ ব্যক্তি স্বাতন্ত্ৰ্যবাদী নাৰীবাদীসকলে দাবী কৰে যে এটা বিশেষ নাৰীসুলভ লিংগ পৰিচয়ে এক সম্পূৰ্ণ মানৱ ব্যক্তিত্বলৈ নাৰীৰ সম্ভাব্য বিকাশ সীমাবদ্ধ কৰিব। সেয়েহে তেওঁলোকৰ মতে নাৰীয়ে এটা উভয়লৈঙ্গিক ব্যক্তিত্ব (androgynous personality) বিকাশৰ চেষ্টা কৰা উচিত। উভয়লৈঙ্গিক ব্যক্তিত্ব মানে হ'ল নাৰীসুলভ (ভাল) আৰু পুৰুষসুলভ (ভাল) উভয় ধৰণৰ বৈশিষ্ট্যৰে গঢ়ি লোৱা ব্যক্তিত্ব।

ইয়াৰ বিপৰীতে উগ্ৰ সাংস্কৃতিক নাৰীবাদীসকলে মত পোষণ কৰে যে নাৰী সদায় নাৰী/ নাৰীসুলভ হৈ ৰোৱাই ভাল। নাৰীয়ে সদায় নাৰীৰ দৰে হোৱাৰ চেষ্টা কৰা উচিত। তেওঁলোকে নাৰীৰ সৈতে সাংস্কৃতিকভাৱে যুক্ত কৰা প্ৰমূল্য আৰু গুণবোৰ আহৰণ কৰাত জোৰ দিয়া উচিত। তেওঁলোকে পুৰুষৰ সৈতে সাংস্কৃতিক ভাৱে যুক্ত কৰা প্ৰমূল্য আৰু গুণবোৰ আহৰণত গুৰুত্ব দিব নালাগে। সাংস্কৃতিক তাৰতম্য থকা সত্বেও সকলো নাৰীয়ে একেবোৰ নাৰী প্ৰকৃতিৰ মাজৰ এটা প্ৰকৃতি ভাগ বাটোৱাৰা কৰে। পুৰুষে এই প্ৰকৃতিক যিমানেই কম প্ৰভাৱিত কৰিব পাৰে সিমানেই মংগল।

### ৪.৩.১ লিংগ সামাজিক লিংগ ব্যৱস্থা সম্পৰ্কীয় উগ্ৰ-ব্যক্তি স্বাতন্ত্ৰ্যবাদী দৃষ্টিভংগী

উগ্ৰ-ব্যক্তি স্বাতন্ত্ৰ্যবাদী নাৰীবাদী গেইলি ৰুবিন (১৯৪৯-) এ লিংগ সামাজিক লিংগ ব্যৱস্থা

(sex/gender system) টোক এনে এক বিন্যাস সমষ্টি বুলি অভিহিত কৰিছে যিটোৰ দ্বাৰা এখন সমাজে জৈৱিক লৈঙ্গিকতা (biological sexuality)ক মানৱ কার্যকলাপৰ ফলত ৰূপান্তৰ কৰিব পাৰে। পিতৃপ্রধান সমাজে পুৰুষ-নাৰীৰ জীৱতত্ত্বৰ সৈতে জড়িত কিছুমান সত্যতাক পুৰুষ-নাৰীৰ সামাজিক লিংগ পৰিচয় তথা সুকীয়া আচৰণ নির্মাণৰ ভেটি হিচাপে ব্যৱহাৰ কৰে। এই ভেটিয়ে পুৰুষক সবল আৰু নাৰীক নির্বলী কৰি তোলে। ইয়াকে কৰিবলৈ যাওঁতে পিতৃপ্রধান সমাজখনে সদস্যসকলক এই বুলি পতিয়ন নিয়ায় যে সমাজখনৰ সাংস্কৃতিক সংৰচনাবোৰ 'স্বাভাৱিক' (natural) আৰু সেয়েহে মানুহৰ জৈৱিক লিংগৰ সৈতে জড়িত সাংস্কৃতিক পৰিচয় তথা আচৰণবোৰ যথার্থভাৱে প্রদর্শন কৰাতেই মানুহৰ 'স্বাভাৱিকতা' (normality) নির্ভৰ শীল।

কেট মিলেট (১৯৩৪-২০১৭) এ ১৯৭০ চনত প্রকাশিত গ্রন্থ, *The Sexual Politics* ত এই দৃষ্টিভংগী সদৰি কৰিছিল যে নাৰীক স্বতন্ত্র কৰাৰ লক্ষ্যত উপনীত হ'বলৈ ব্যক্তিগত আৰু ৰাজহুৱা উভয় জগততে পুৰুষৰ নিয়ন্ত্রণ নাইকিয়া কৰিব লাগিব। এই নিয়ন্ত্রণ নাইকিয়া কৰিবলৈ পুৰুষ-নাৰী উভয়েই লিংগৰ ধাৰণাটো নোহোৱা কৰিব লাগিব। পিতৃপ্রধান সমাজে নির্মাণ কৰা লিংগ ভিত্তিক সামাজিক প্রস্থিতি, ভূমিকা আৰু মানসিক সংস্থিতি (temperament) বিশেষভাৱে নির্মূল হোৱাটো বাঞ্ছনীয়।

আন এগৰাকী উগ্র ব্যক্তি স্বাতন্ত্র্যবাদী নাৰীবাদী শুলামিথ ফায়াৰষ্টোন (১৯৪৫-২০১২) এ দাবী কৰিছিল যে নাৰীৰ আনুগত্য আৰু পুৰুষৰ আধিপত্যৰ লৈঙ্গিক /ৰাজনৈতিক আদর্শৰ ব্যৱহাৰিক ভিত্তিটো পুৰুষ আৰু নাৰীৰ জনন ভূমিকাৰ পৰা সৃষ্ট। নিজৰ যুক্তিৰ সপক্ষত তেওঁ স্বাভাৱিক প্রজননতকৈ কৃত্রিম প্রজনন ব্যৱস্থাৰ প্রতি সমর্থন ব্যক্ত কৰিছিল। ফায়াৰষ্টোনৰ মতেই জৈৱিক পৰিয়ালৰ প্রয়োজনীয়তা নাইকিয়া কৰিব আৰু পর্যায়ক্রমে পুৰুষ আৰু নাৰী জৈৱিক সামাজিক লিংগভিত্তিক ভূমিকা পালনৰ দায়িত্বৰ পৰা মুক্ত হ'ব পাৰিব।

## ৪.৩.২ লিংগ / সামাজিক লিংগ ব্যৱস্থা সম্পর্কীয় উগ্র-সাংস্কৃতিক দৃষ্টিভংগী

প্রখ্যাত উগ্র-সাংস্কৃতিক নাৰীবাদী মেৰিলিন ফ্রেন্স (১৯২৯-২০০৯) এ পুৰুষ নাৰীৰ প্রভেদৰ বাবে সামাজিকীকৰণ (প্রতিপালিত) প্রক্রিয়াতকৈজৈৱিক (প্রাকৃতিক) কাৰকহে অধিক দায়ী বুলি মত পোষণ কৰিছিল। তেওঁ এই বুলিও দাবী কৰিছিল যে নাৰীক দমন কৰা কথাটোৱে যুক্তিৰ দিশেৰে মানৱ দমনৰ আন সকলোবোৰ ৰূপৰ কথা বুজাব পাৰে। ফ্রেন্সৰ মতে যদি নাৰীৰ ওপৰত পুৰষৰ আধিপত্যক ন্যায়সংগত বুলি প্রমাণ কৰিব পাৰি, তেন্তে সকলো ধৰণৰ আধিপত্যকে ন্যায্যতা প্রদান কৰোটো সম্ভৱ। তেওঁৰ দৃষ্টিভংগী অনুসৰি পুৰুষপ্রধান সমাজ ব্যৱস্থাৰ উৎপত্তিৰ আঁৰৰ কাৰণটো হ'ল নাৰী প্রকৃতিক নিয়ন্ত্রণ কৰিবলৈ পুৰুষৰ মনত জন্মা ইচ্ছা। এনে সমাজ ব্যৱস্থাই এনে এটা পদানুক্রমিক প্রক্রিয়া অনুসৰণ কৰে যিটোৱে আন সকলো গুণতকৈ ক্ষমতাক অধিক মূল্য দিয়ে। তেওঁ কৈছিল যে পুৰুষক প্রাধান্য দিয়া আদর্শই সৃষ্টি কৰা পুংলিঙ্গৰ সমাজখনত নাৰীসুলভ প্রমূল্যবোৰ পুনৰ সংহত কৰিব লাগিব। ফ্রেন্সৰ মতে উভয়লৈঙ্গিক বৈশিষ্ট্যপূর্ণ সমাজেই হ'ল শ্রেষ্ঠ সমাজৰ আর্হি। ইয়াত পুৰুষ আৰু নাৰী উভয়েই ঐতিহাসিকভাৱে নাৰীসুলভ বুলি স্বীকৃত স্নেহ, কৰুণা আৰু প্রতিপালনৰ দৰে বৈশিষ্ট্যবোৰ আৰু নিয়ন্ত্রণ, সম্পত্তিৰ গৰাকী হোৱাৰ বোধ তথা সামাজিক প্রস্থিতিৰ দৰে ঐতিহাসিকভাৱে স্বীকৃত পুৰুষোচিত প্রমূল্যবোৰ গ্রহণ কৰিব পাৰে।

### ৪.৩.৩ যৌনতা

উগ্ৰ -ব্যক্তি স্বাতন্ত্ৰ্যবাদী আৰু উগ্ৰ -সংস্কৃতিক নাৰীবাদীসকলে যৌনতা (Sexuality) সম্পৰ্কীয় ভিন্ ভিন্ দৃষ্টিভংগী সমৰ্থন কৰে। প্ৰথমে আমি যৌনতাৰ উগ্ৰ-ব্যক্তি স্বাতন্ত্ৰ্যবাদী দৃষ্টিভংগীবোৰলৈ চাও আহক-

- সকলো যৌন অনুশীলনৰেই অৱদমনৰ দ্বাৰা সৃষ্ট বৈশিষ্ট্য কিছুমান আছে। পিতৃপ্ৰধান বুৰ্জোৱা সমাজে যৌন সংখ্যালঘুসকলক নিন্দা কৰে আৰু সংখ্যা গৰিষ্ঠ শ্ৰেণীটোক নিয়ন্ত্ৰণ কৰি ৰাখে। ইয়াৰ বাবে এনেবোৰ সমাজে সকলো লোকৰ যৌন স্পৃহাক অৱদমিত কৰে।
- নাৰীবাদীসকলে যৌন সংখ্যালঘুক নিন্দা কৰা আৰু তেনে লোকৰ স্বাধীনতাত বাধা-নিষেধ জাপি সকলে তাত্ত্বিক বিশ্লেষণ, ন্যায়িক নিষেধাজ্ঞা আৰুনৈতিক ৰায় মানি ল'বলৈ অস্বীকাৰ কৰা উচিত।
- নাৰীবাদীসকলে নাৰীৰ যৌনতা নিয়ন্ত্ৰণৰ অধিকাৰ পুনৰ নিজৰ হাতলৈ অনা উচিত।
- উগ্ৰ -ব্যক্তি স্বাতন্ত্ৰ্যবাদী নাৰীবাদীসকলৰ মতে সেইটো সম্পৰ্ককেই এক আদৰ্শ যৌন সম্পৰ্ক বুলি ক'ব পাৰি য'ত দুগৰাকী সমান, সম্পূৰ্ণৰূপে সন্মতি থকা অংশীদাৰে নিজৰ পছন্দ অনুসৰি যিকোনো উপায়েৰে তেওঁলোকৰ যৌন আনন্দ সৰ্বাধিক কৰি তুলিবলৈ আলাপ আলোচনাৰ মাধ্যমেৰে সিদ্ধান্ত লয়।

উগ্ৰ-সাংস্কৃতিক নাৰীবাদীসকলৰ যৌনতা সম্পৰ্কীয় দৃষ্টিভংগীবোৰ এনে ধৰণৰ-

- ভিন্নলৈঙ্গিক সম্পৰ্কবোৰক নাৰীক যৌন বস্তুকৃত আদৰ্শটোৱে বিভিন্ন বৈশিষ্ট্য প্ৰদান কৰিছে। এই আদৰ্শটোৱে নাৰীৰ দেহত পুৰুষে চলোৱা যৌন হিংসাকো সমৰ্থন কৰে।
- নাৰীবাদীসকলে পুৰুষৰ যৌন হিংসা সমৰ্থন কৰা অথবা স্বাভাৱিক বুলি গণ্য কৰা যিকোনো যৌন অনুশীলন মানি ল'বলৈ অস্বীকাৰ কৰা উচিত।
- উগ্ৰ-সাংস্কৃতিক নাৰীবাদীসকলৰ মতে নাৰীয়ে নিজৰ যৌন অগ্ৰাধিকাৰ অনুসৰি নিজৰ যৌনতাৰ ওপৰত পুনৰ নিয়ন্ত্ৰণ সাব্যস্ত কৰা উচিত।
- এটা আদৰ্শযৌন সম্পৰ্ক হ'ল সেইটো যিটোত দুগৰাকী সম্পুৰ্ণ সন্মতি থকা সমান অংশীদাৰ থাকে। এনে অংশীদাৰ দুগৰাকীৰ মাজত আবেগিক সম্পৰ্ক থাকে আৰু তেওঁলোক কোনো ধ্ৰুৱকীকৃত ভূমিকাত ভাগ নলয়।

### ৪.৩.৪ প্ৰজনন

প্ৰজনন (Reproduction) সম্পৰ্কেও উগ্ৰ-ব্যক্তি স্বাতন্ত্ৰ্যবাদী আৰু উগ্ৰ-সাংস্কৃতিক নাৰীবাদীসকলে ভিন্ ভিন্ দৃষ্টিভংগী সমৰ্থন কৰে।

উগ্ৰ ব্যক্তি স্বাতন্ত্ৰ্যবাদী নাৰীবাদীসকলে বিশ্বাস কৰে যে নাৰীয়ে স্বাভাৱিক প্ৰজনন প্ৰক্ৰিয়াৰ সলনি কৃত্ৰিম প্ৰক্ৰিয়া অৱলম্বন কৰা উচিত। নাৰীয়ে যিমানেই স্বাভাৱিক প্ৰজনন প্ৰক্ৰিয়াত ভাগ লোৱাটো কমাই দিব সিমানেই তেওঁলোকে সমাজৰ উৎপাদনশীল কাম-কাজত নিজকে জড়িত কৰিবলৈ সময় আৰু শক্তি পাব।

উগ্ৰ-সাংস্কৃতিক নাৰীবাদীসকলে বিশ্বাস কৰে যে স্বাভাৱিক প্ৰজনন প্ৰক্ৰিয়াই নাৰীৰ স্বাৰ্থ ৰক্ষা কৰে। তেওঁলোকৰ মতে নাৰীৰ পৰম শক্তি হ'ল নতুন জীৱন সৃষ্টি কৰিব পৰা ক্ষমতাটো। এই শক্তি অবিহনে নাৰী পুৰুষৰ ক্ষমতাৰ অধীন হৈ পৰিব।

## ৪.৩.৫ মাতৃত্ব

উগ্ৰ -ব্যক্তি স্বাতন্ত্ৰ্যবাদী নাৰীবাদীসকলে জৈৱিক মাতৃত্বৰ বিৰুদ্ধে সবল যুক্তি প্ৰদৰ্শন কৰিছে। এন অ'ক্লী (জানুৱাৰী ১৭, ১৯৯৪) এ জৈৱিক মাতৃত্বৰ অনুকূল প্ৰধান সামাজিক অনুমানবোৰৰ সমালোচনা কৰিছে। এনে অনুমানৰ প্ৰথমটো হ'ল সকলো নাৰীয়েই মাক হোৱাটো আৱশ্যকীয়। দ্বিতীয় অনুমানটোৰ মতে মাতৃক সন্তান লাগিবই, অন্যথা তেওঁ ক্ৰমে হতাশাগ্ৰস্ত হৈ পৰিব আৰু তৃতীয় অনুমানটো হ'ল সন্তানক মাতৃৰ প্ৰয়োজন।অ'ক্লীয়ে এই তিনিওটা অনুমানৰ সালোচনা কৰি কৈছেযে সামাজিক মাতৃসকল জৈৱিক মাতৃৰ সমানেই সুফলদায়ী। সন্তানকজৈৱিক মাতৃতকৈ জৈৱিক পিতৃৰহে অধিক প্ৰয়োজন। ল'ৰা - ছোৱালী ডাঙৰ কৰাত পুৰুষেও এক গৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবলৈ নাৰীৰ সমানে সক্ষম। তেওঁৰ অন্তিম সমালোচনা মতে মাত্ৰ এগৰাকী ব্যক্তিয়ে এটা সন্তানৰ যত্ন লোৱাটো সামূহিক সামাজিকীকৰণ অথবা 'একাধিক মাতৃৰ প্ৰতিপালন' (multiple mothering) তকৈ উন্নত হ'ব বুলি কোনো কথা নাই। অ'ক্লীৰ পূৰ্বানুমান অনুসৰি জৈৱিক মাতৃত্ব নাৰীৰ এক স্বাভাৱিক প্ৰয়োজনীয়তা নহয়। একেদৰে, জৈৱিক মাতৃৰ দ্বাৰা প্ৰতিপালিত হোৱাটো সন্তানৰ বাবেও স্বাভাৱিক প্ৰয়োজনীয়তা নহয়। তেওঁৰ মতে জৈৱিক মাতৃত্ব হ'ল এটা সামাজিক নিৰ্মাণ আৰু দমনৰ এক আহিলা।

ইয়াৰ বিপৰীতে উগ্ৰ-সাংস্কৃতিক নাৰীবাদীসকলৰ মতে কোনো নাৰীয়েই স্বতন্ত্ৰতাৰ নামত স্ত্ৰী জীৱতত্ত্বই আগবঢ়োৱা সুযোগ পৰিত্যাগ কৰা অনুচিত। ইয়াৰ সলনি নাৰীয়ে নিজৰ চৰ্ত অনুসৰি জৈৱিক মাতৃত্বৰ অভিজ্ঞতা আহৰণ কৰা উচিত। প্ৰজনন প্ৰযুক্তিয়ে নাৰীক সম্পূৰ্ণৰূপে স্বতন্ত্ৰ কৰিব নোৱাৰে. প্ৰতিগৰাকী নাৰীয়ে নিজে সৰ্বোত্তম বুলি ভবা ধৰণে নিজৰ শৰীৰটো ব্যৱহাৰ কৰাৰ সুযোগ পোৱা উচিত। তেওঁলোকে নাৰীসুলভ প্ৰমূল্যেৰে সন্তান ডাঙৰ-দীঘল কৰা উচিত।

## অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৫ ঃ উগ্ৰ নাৰীবাদৰ ভাগবোৰ কি কি?

.....

.....

প্ৰশ্ন ৬ ঃ উগ্ৰ -সাংস্কৃতিক নাৰীবাদৰ মতে পিতৃপ্ৰধান সমাজ ব্যৱস্থা মানে কি?

.....

.....

প্ৰশ্ন ৭ ঃ উগ্ৰ নাৰীবাদৰ কোনটো শাখাই জৈৱিক মাতৃত্বৰ বিৰুদ্ধে যুক্তি প্ৰদৰ্শন কৰিছে?

.....

.....

### ৪.৩.৬ উগ্ৰ নাৰীবাদৰ সমালোচনা

সমালোচকসকলৰ মতে উগ্ৰ নাৰীবাদেও উদাৰ নাৰীবাদৰ দৰে একে ৰোৰ ভুলকেই নিজ চিন্তাত স্থান দিছে। ভুলটো হ'ল দুয়ো ধৰণৰ নাৰীবাদে সকলো বস্তুকে একোটা 'পছন্দ' কৰাত জোৰ দিয়ে। কিন্তু পিতৃপ্ৰধান সমাজ এখনত নাৰীৰ 'পছন্দ' কৰিব পৰা সামৰ্থ তেনেই সীমাবদ্ধ।

সমালোচকসকলে ভাবে যে উগ্ৰ-সাংস্কৃতিক নাৰীবাদীসকলে পুৰুষ আৰু নাৰীক জৈৱিক আৰু জীৱাস্তি তাত্ত্বিক (ontologically) ভাৱে দুটা সম্পূৰ্ণ ভিন্ন জীৱ তথা দুয়োটাৰে কোনোটোৰে প্ৰকৃতি সলনি কৰিব নোৱাৰি বুলি কৰা দাবীটো ভুল। সমালোচকসকলে বৈপ্লৱিক-সাংস্কৃতিক নাৰীবাদীসকলক এয়াও পৰামৰ্শ দিছে যে তেওঁলোকে নাৰী আৰু পুৰুষক স্থিৰ ভূমিকাত বন্দী কৰি সৃষ্টি কৰা শিতানবোৰ নিজ চিন্তাধাৰাৰ পৰা বাদ দিব লাগে। তেওঁলোকে ভৱাৰ দৰে প্ৰতিগৰাকী পুৰুষ শোষণকাৰী অথবা দমনকাৰী আৰু প্ৰতিগৰাকী মহিলা এনে শোষণ- দমনৰ বলি নহ'বও পাৰে। নিজ যুক্তিৰ সমৰ্থনত সমালোচকসকলে সামাজিক ইতিহাসত প্ৰধান ভূমিকা লোৱা মহিলা আৰু নাৰী স্বাধীনতা বিষয়ক আন্দোলনলৈ সমৰ্থন আগবঢ়োৱা পুৰুষসকলৰ কথা উল্লেখ কৰিছে।

উগ্ৰ-ব্যক্তি স্বাতন্ত্ৰ্যবাদী আৰু বৈপ্লৱিক-সাংস্কৃতিক নাৰীবাদীসকলে অনাৱশ্যকীয় মেৰুবিভাজন এৰাই চলিবলৈ তেওঁলোকৰ মাজৰ ব্যৱধান আঁতৰোৱাৰ প্ৰয়োজন আছে।

## ৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- নাৰীবাদী চিন্তা ধাৰাৰ ইতিহাসক বিভিন্ন ভাগত ভগাব পাৰি।
- উদাৰ ৰাজনৈতিক চিন্তাধাৰাতেই উদাৰ নাৰীবাদৰ উৎসও লুকাই আছে।
- উদাৰ নাৰীবাদক দুটা বহল ভাগত ভগোৱা হয়- ধ্ৰুপদী উদাৰ নাৰীবাদ আৰু কল্যাণকামী উদাৰ নাৰীবাদ।
- উদাৰ নাৰীবাদে সামৰি লোৱা দুটামান প্ৰধান দিশ হ'ল- যুক্তিযুক্ততা, শিক্ষাৰ অধিকাৰ, সমতাৰ অধিকাৰ, অভেদ বনাম প্ৰভেদ আদি।
- মেৰী ৱু'লষ্টোনক্ৰাফ্ট, জে. এইছ. মিল,হেৰিয়েট টেইলৰ (মিল), বেটী ফ্ৰাইডেন হ'ল উদাৰ নাৰীবাদৰ সমৰ্থনকাৰী কেইগৰাকীমান প্ৰখ্যাত ব্যক্তি।
- উদাৰ নাৰীবাদী আদৰ্শৰ বিৰোধত উগ্ৰ নাৰীবাদৰ উত্থান ঘটিছিল।
- উগ্ৰ নাৰীবাদক দুটা বহল ভাগত ভগোৱা হয়- উগ্ৰ-ব্যক্তি স্বাতন্ত্ৰ্যবাদী আৰু উগ্ৰ-সাংস্কৃতিক নাৰীবাদ।
- সামাজিক লিংগ, যৌনতা, প্ৰজনন আৰু মাতৃত্ব হ'ল উগ্ৰ নাৰীবাদে সামৰি লোৱা কেইটামান গুৰুত্বপূৰ্ণ বিষয়।

## ৪.৫ অধিক জানিবলৈ

) Tong,Rosemarie.(2009).*Feminist Thought-A More Comprehensive lintroduction.* Colarado:Westview Press

## ৪.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ধ্ৰুপদী উদাৰ নাৰীবাদ আৰু কল্যাণকামী উদাৰ নাৰীবাদ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ মেৰী ৱু'লষ্টোনক্ৰাফ্‌ট।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ 'ফ্লেক্সিটাইম' হ'ল এনে এক ব্যৱস্থা যিটোৱে কৰ্মচাৰীক কামত যোগ দিয়াৰ সময় আৰু কামৰ পৰা বিৰতি লোৱাৰ সময় ঠিৰাং কৰাৰ অনুমতি দিয়ে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ নাৰীসুলভ (ভাল)আৰু পুৰুষসুলভ (ভাল) উভয় ধৰণৰ বৈশিষ্ট্যৰে গঢ় লোৱা ব্যক্তিত্ব।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ উগ্ৰ-ব্যক্তি স্বাতন্ত্ৰ্যবাদী নাৰীবাদ আৰু উগ্ৰ-সাংস্কৃতিক নাৰীবাদ।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ পিতৃপ্ৰধান সমাজ ব্যৱস্থা হ'ল এটা পদানুক্ৰম অনুসৰণকাৰী ব্যৱস্থা। ইয়াত কেৱল ক্ষমতাক সৰ্বাধিক গুৰুত্ব দিয়া হয়। নাৰী / প্ৰকৃতিক নিয়ন্ত্ৰণ কৰিবলৈ পুৰুষৰ মনত জাগি উঠা ইচ্ছাৰ পৰাই ক্ষমতাৰ সৃষ্টি হয়।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ উগ্ৰ -ব্যক্তিস্বাতন্ত্ৰ্যবাদী নাৰীবাদে।

## ৪.৭ আৰ্হি প্ৰশ্ন

**(ক) অতি চমু প্ৰশ্ন**

প্ৰশ্ন ১ ঃ The Sexual Politics নামৰ গ্ৰন্থখন কোনে লিখিছে?

**খ) চমু প্ৰশ্ন** (প্ৰায় ১৫০ শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ নাৰীৰ ওপৰত চলা নিপীড়ন সম্পৰ্কে উগ্ৰ নাৰীবাদী দৃষ্টিভংগীবোৰ কেনেধৰণৰ?

**(গ) দীঘল প্ৰশ্ন** (প্ৰায় ৩০০-৫০০ শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ বিংশ শতিকাৰ উদাৰ নাৰীবিদৰ অন্তৰ্গত অভেদ বনাম প্ৰভেদ বিতৰ্কটো আলোচনা কৰক।

**********

# অধ্যায় ৫ ঃ মার্ক্সবাদী নাৰীবাদ

## অধ্যায় গাঁথনি


৫.১ উদ্দেশ্য
৫.২ পৰিচয়
৫.৩ উৎপাদন (Production)
৫.৪ পুনৰুৎপাদন (Reproduction)
৫.৪.১ উৎপাদনৰ সম্বন্ধ
৫.৫ শ্রেণী (Class)
৫.৬ বিচ্ছিন্নতা (Alienation)
৫.৭ বিবাহ আৰু পৰিয়াল
৫.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৫.৯ অধিক জানিবলৈ
৫.১০ অগ্রগতিৰ খতিয়ান
৫.১১ আৰ্হি প্রশ্ন


## ৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- মার্ক্সবাদী দৃষ্টিভংগীৰে নাৰীবাদৰ ব্যাখ্যা বুজিব পাৰিব
- উৎপাদন আৰু পুনঃ উৎপাদন প্রক্রিয়াত নাৰীৰ ভূমিকা সম্পর্কে অবগত হ'ব।
- নাৰীৰ ক্ষেত্রত বিচ্ছিন্নতা কি সেয়া জানিব পাৰিব
- মার্ক্সবাদী দৃষ্টিভংগীৰে বিবাহ আৰু পৰিয়ালৰ সংজ্ঞা আগবঢ়াব পাৰিব।

## ৫.২ পৰিচয়

সামাজিক লিংগ পৰিচয়ৰ ধাৰণা (Gender) টোৰ আলোচনা আৰম্ভ হোৱাৰ লগে লগে নাৰীবাদ(Feminism) বিষয়ক আলাপ আলোচনায়ো গুৰুত্ব লাভ কৰিছিল। কাৰণ পুৰুষ আৰু নাৰীৰ মাজৰ ক্ষমতাভিত্তিক সম্পর্ক সলনি কৰাৰ সবাতোকৈ ফলপ্রসূ উপায় হিচাপে লিংগকেন্দ্রিক ভূমিকাবোৰৰ পুংখানুপুংখ পুনৰীক্ষণৰ কথা কোৱা হৈছিল। কাৰণ কোনো সুস্থ মন-মস্তিষ্কৰ গৰাকীয়ে নিজকে নাৰী বাবেই দুর্বলা, নির্ভৰশীল, অযুক্তিবাদী আৰু আত্ম অনুকম্পাৰ কেন্দ্র কৰি ৰখা কাকোৰেই গুৰুত্বপূর্ণ ক্ষমতা অর্পন কৰিবলৈ ৰাজী নহ'ব। সমাজে নির্ধাৰণ কৰি দিয়া এনে ধৰণৰ লিংগকেন্দ্রিক গতানুগতিকতা বর্ত্তই ৰখাৰ সংস্কৃতি বিলোপ কৰাটো অতি গুৰুত্বপূর্ণ। মার্ক্সবাদী দৃষ্টিভংগী অনুসৰি সামাজিক শ্রেণীবোৰৰ মাজত চলা সংঘর্ষই ইতিহাসত আধিপত্য বিস্তাৰ কৰি আহেছে। এই প্রথাৰ তেতিয়াহে অৱসান ঘটিব যেতিয়া সঁচা অর্থত এখন শ্রেণীহীন সমাজ প্রতিষ্ঠা কৰিব পৰা যাব। ইতিহাস ৰচনা হোৱাৰ দিন ধৰি নাৰীক সমূহীয়াভাৱে বিশ্বৰ সর্বত্র গুৰুত্বপূর্ণ অধিকাৰবোৰ উপভোগৰ পৰা বঞ্চিত কৰি ৰখা বিষয়টোলৈ চাই মার্ক্সবাদী নাৰীবাদৰ উত্থানক এক অনিবার্য ঘটনা বুলি ধৰা হয়। মার্ক্সবাদী নাৰীবাদে মহিলাসকলক এক শোচনীয়ভাৱে সা-সুবিধা বঞ্চিত সামাজিক শ্রেণী বুলি গণ্য কৰে। এংগল্‌চে তেওঁৰ

গ্ৰন্থ, *The Origin of family proparty and the state* (১৮৮৪)ত ব্যক্তিগত সম্পত্তি তথা পৰিয়ালৰ যত্ন লোৱা কার্যাৱলীৰ লগতে সন্তান জন্ম দিয়া কার্যটোৰ সৈতে নাৰীৰ শাৰীৰিক আৰু যৌন শ্ৰমৰ মাজত সংগতি স্থাপন কৰা হৈছে সেয়া বহলাই ব্যাখ্যা কৰিছে। নাৰীৰ আনুগত্য প্ৰদৰ্শনকাৰী আৰু অৱদমন সহনকাৰী বৈশিষ্ট্য দুটা স্বাভাৱিক নহয় যদিও সমাজৰ পুৰুষপ্ৰধান বৈশিষ্ট্যটোক প্ৰয়োজনীয় সহায়-সহযোগিতা আগবঢ়াবলৈ ইয়াক স্বাভাৱিক বুলি দেখুওৱাৰ প্ৰচেষ্টা চলি আহিছে। মার্ক্সবাদী নাৰীবাদৰ সমর্থকসকলে ভাবে যে পুঁজিবাদৰ অধীনত চলা শ্ৰেণী শোষণেই হ'ল নাৰীক অৱদমিত কৰি ৰখা কার্য-কলাপবোৰৰ প্ৰচলন ঘটাৰ প্ৰধান কাৰণ। এই নাৰীবাদে সেয়েহে নাৰীৰ সম্পূৰ্ণ স্বাধীনতাৰ লক্ষ্যত উপনীত হ'বলৈ পুঁজিবাদ উৎখাতকাৰী এক বিপ্লৱৰ সূচনা কৰাৰ আহ্বান জনায়।

## ৫.৩ উৎপাদন (Production)

মার্ক্সবাদৰ সবাতোকৈ গুৰুত্বপূৰ্ণ যুক্তিবোৰৰ এটা হ'লঃ মানুহে নিজে নিজৰ জীৱন গঢ়ে। ইয়াকে কৰিবলৈ যাওঁতে মানুহে দুটা আন্তঃসম্পর্কযুক্ত বৈষয়িক প্ৰক্ৰিয়া (material processes) সহায় লয়। ইয়াৰে এটা হ'ল উৎপাদন। এখন সমাজৰ সদস্যসকলে খাদ্য, আশ্ৰয়স্থল আৰু বস্ত্ৰৰ দৰে মৌলিক প্ৰয়োজনসমূহ পূৰাবলৈ কৰা সকলো কাম-কাজকে উৎপাদনৰ ধাৰণাটোৱে সামৰি লয়। মার্ক্সবাদে এই কথা মানি চলে যে প্ৰতিখন সমাজে একোটা বিশেষ উপায়েৰে উৎপাদন সংগঠিত কৰে। অর্থাৎ, প্ৰতিখন সমাজৰে অন্ন, বস্ত্ৰ, বাসস্থান উৎপাদনৰ নির্দিষ্ট আৰ্হি আছে। এনে আৰ্হি অথবা উপায়বোৰ, কেনেকৈ উৎপাদন কৰা হৈছে আৰু কোনে উৎপাদন কৰিছে এই তিনিটা কথাৰ ওপৰত নির্ভৰশীল। উৎপাদনৰ উপায় (The mode of production) সুস্থিৰ নহয়। সময়ত এনে উপায় সলনি হয়। আনহাতে, প্ৰজনন উৎপাদনৰ বিষয়টোৰ সৈতে শৰীৰতাত্ত্বিক আৰু সাংস্কৃতিক— এই দিশ দুটা জড়িত হৈ থাকে। নাৰীয়ে সন্তান জন্ম দিয়ে; আক্ষৰিক অর্থত নাৰীয়ে সন্তান উৎপাদন কৰে। এনে সন্তানে সময়ত গৈ উৎপাদন প্ৰক্ৰিয়াত নির্ধাৰিত ভূমিকা পালন কৰে। ইয়ৰে উপৰি উৎপাদনৰ উপায়ত নাৰীয়ে আন এক প্ৰধান ভূমিকা লয়। নাৰীয়ে সম্পর্ক আৰু পৰিয়ালৰ একতা বর্তাই ৰখাৰ লগতে ল'ৰা-ছোৱালী তুলি-তালি ডাঙৰ কৰে আৰু সিহঁতৰ সামাজিকীকৰণ ঘটায়। ইয়াৰ বাবেই সন্তানে এসময়ত উৎপাদন প্ৰক্ৰিয়াত নিজৰ বাবে নির্ধাৰিত ভূমিকাবোৰ সহজে গ্ৰহণ কৰিব পৰা হয়। নাৰীয়ে এনেবোৰ কাম বিভিন্ন ধৰণে সম্পাদন কৰে। সামাজিকীকৰণ ঘটোৱাৰ সবতোকৈ ফলপ্ৰসূ পন্থাবোৰৰ দুটা হ'ল সংস্কৃতি আৰু ধর্মীয় বিশ্বাস। মহিলাই অধিকাংশ পৰিয়ালকেন্দ্ৰিক সকাম-নিকামৰ দায়িত্বৰ লগতে ধর্মীয় ৰীতি-নীতি বিশ্বাসেৰে সৈতে পালন কৰে।

### অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ উৎপাদনে কি কি বিষয় সামৰি লয়?

.....

.....

প্ৰশ্ন ২ ঃ উৎপাদনৰ উপায় সুস্থিৰনে?

.....

.....

প্ৰশ্ন ৩ ঃ সামাজিকীকৰণৰ সর্বাধিক ফলপ্ৰসূ পন্থাবোৰ কি?

.....

.....

## ৫.৪ পুনৰুৎপাদন (Reproduction)

উৎপাদনৰ পাছতেই মানুহে সম্পাদন কৰা আনটো বৈষয়িক প্ৰক্ৰিয়া হ'ল পুনৰুৎপাদন। খাদ্য সামগ্ৰী উৎপাদন কৰিবলৈ অথবা বাসগৃহ এটা নিৰ্মাণ কৰিবলৈ মানুহ বৰ্তি থাকিব লাগিব। বৰ্তি থকাৰ প্ৰক্ৰিয়াটোক এটা সমৰ্থকাৰী পৃষ্ঠভূমিৰ প্ৰয়োজন। এনে পৃষ্ঠভূমি মানুহে ক'ত খাদ্য খাব, ক'ত শুব, বৃদ্ধ অথবা অসুস্থ হ'লে ক'ত শুশ্ৰূষা পাব, ক'ত সংগী আৰু মৰম-ভাল পোৱা বিচাৰি পাব ইত্যাদি কথাই গঢ়ি তোলে। প্ৰজননৰ ক্ষেত্ৰ, পৰিয়ালে এই লক্ষ্যবোৰত উপনীত হ'বলৈ ফলপ্ৰসূভাৱে দৈনন্দিন জীৱন যাপন প্ৰক্ৰিয়াটো সংগঠিত কৰি ৰাখে আৰু এনেকৈয়ে উৎপাদন প্ৰক্ৰিয়াটো অবিৰতভাৱে চলি থকাৰ পথ সুচল কৰি ৰাখে।

### ৫.৪.১ উৎপাদন সম্বন্ধ

উৎপাদন আৰু পুনৰুৎপাদনৰ সৈতে আন এটা ধাৰণাৰ সম্বন্ধ আছে। ধাৰণাটো হ'ল উৎপাদন আৰু পুনৰুৎপাদনৰ সম্বন্ধ। উৎপাদনেকৰল কাম কৰা অথবা কোনে কাম এটা কেনেদৰে কৰিলে-সেয়াই নুবুজায়। চিকাৰ কৰা, মাছ মৰা, খেতি কৰা অথবা নিৰ্মাণ কাৰ্যকে ধৰি উৎপাদনৰ সৈতে জড়িত প্ৰতিটো কামকে দুটা কথাৰ প্ৰয়োজনঃ কামটো সম্পাদন কৰাৰ প্ৰকৃত কাৰিকৰী উপায় আৰু কামটো সম্ভৰ কৰি তুলিবলৈ মানৰ শ্ৰম। এই শ্ৰম কেতিয়াও বিনামূলীয়া অথবা স্বাধীন নহয়। কোনোবাই যদি নিজৰ মাটিত শ্ৰম কৰে অথবা সৰু-সুৰা দোকান চলায়, তেনে ক্ষেত্ৰত অৱশ্যে ই ব্যতিক্ৰম। প্ৰায়েই শ্ৰম ভাৰালৈ লোৱা হয় অথবা ক্ৰীতদাসৰ হতুৱাই শ্ৰম কৰোৱা হয়। প্ৰচীন কালত অপহৰণ আৰু দাসত্ব প্ৰথাৰ প্ৰচলনেৰে শ্ৰমিক সংগ্ৰহ কৰা হৈছিল। প্ৰাচীন যুগৰ মানৰ সম্প্ৰদায়বোৰৰ মাজত চলা যুদ্ধ-বিগ্ৰহবোৰত পৰাজিত সম্প্ৰদায়টোক বিজয়ী সম্প্ৰদায়টোৱে দাস ৰূপে ব্যৱহাৰ কৰিছিল।

সমগ্ৰ বিশ্বৰে মানৰ সমাজবোৰ দুটা স্পষ্ট গোটত বিভক্ত ঃ এটা গোট সম্পদ-সমল তথা ক্ষমতাৰ অধিকাৰী আৰু আনটো গোটৰ হাতত কেৱল দক্ষতা আৰু শ্ৰম থাকে। প্ৰথম গোটটোৱে উৎপাদন প্ৰক্ৰিয়াটো নিয়ন্ত্ৰণ কৰে, কিন্তু বিৰল ব্যতিক্ৰমৰ বাদে কেতিয়াও উৎপাদকক পৰিচালনা নকৰে। দ্বিতীয় গোটটো হ'ল প্ৰকৃত উৎপাদক। এই গোটৰ শ্ৰমিকসকলে শস্য উৎপাদন কৰে, দক্ষতা প্ৰয়োগ কৰি উপাসনা গৃহ নিৰ্মাণ কৰে। কিন্তু তেওঁলোকে সদায় মজুৰি দিব পৰা সকলৰ বাবে, নিয়োগৰ সুবিধা দিয়া সকলৰ বাবে কাম কৰিব লাগে। তেতিয়াহে তেওঁলোকৰ অস্তিত্ব বৰ্তি থাকে। শ্ৰম আৰু উৎপাদন কৰোঁতা আৰু সম্পদ-সমলৰ গৰাকীসকলৰ মাজৰ সম্বন্ধকে উৎপাদন সম্বন্ধ বোলা হয়। এই সম্বন্ধ দৰাচলতে ক্ষমতাৰ সম্বন্ধ। যিসকলে অৰ্থনৈতিক সম্পদ-সমল নিয়ন্ত্ৰণ কৰে সেইসকলে শ্ৰমৰ ক্ষমতাৰ বাহিৰে আন একো নথকা শ্ৰেণীটোৰ ওপৰত ক্ষমতা আৰু প্ৰভূত্ব খটুৱায়।

### অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৪ ঃ প্ৰজননে কি বুজায়?

.....

.....

প্রশ্ন ২ ঃ উৎপাদনৰ সৈতে জড়িত প্রতিটো কার্যৰ আঁৰত থকা প্রধান কথা দুটা কি?

.....

.....

## ৫.৫ শ্রেণী

সামাজিক চিন্তাধাৰাৰ অন্য পৰম্পৰাৰ পৰা মার্ক্সবাদক ইয়াৰ মৌলিক ধাৰণা শ্রেণী (Class) এ পৃথক কৰিছে বুলি ক 'ব পাৰি। অৱশ্যে এটা আনুষ্ঠানিক ধাৰণা হিচাপে মার্ক্সে শ্রেণীৰ বিষয়ে বহলাই লিখা নাছিল। তেওঁ কেৱল কৈছিল যে শ্রেণীবোৰৰ মাজত উৎপাদনকেন্দ্রিক নির্ণায়ক সম্বন্ধ থাকে। প্রত্যক্ষ উৎপাদক অথবা অনা-উৎপাদক (non-producer) ৰ মাজত এনে সম্বন্ধ স্থাপিত হয়। ইয়াৰ বাহিৰে মানুহক আৰু কোনো প্রকাৰে শ্রেণীবিভক্ত কৰিব নোৱাৰি। ঐতিহাসিক অগ্রগতিৰ একো একোটা নির্দিষ্ট পর্যায়ত একো একোটা সুনির্দিষ্ট উৎপাদন পন্থাৰ বিশেষত্ব উপস্থাপনকাৰী সম্পত্তিৰ মালিকীস্বত্বৰ বিভিন্ন ৰূপৰ মাজত স্থাপিত হোৱা একোটা পৰস্পৰ বিৰোধী (antagonistic) সম্পর্কৰ পৰা শ্রেণীসমূহৰ উদ্ভৱ হৈ আহিছে। পুঁজিবাদী উৎপাদন পন্থাত মালিকীস্বত্বৰ প্রধান ৰূপবোৰ হ'ল শ্রমৰ ক্ষমতা, মূলধন আৰু ভূমিৰ সৈতে থকা সম্বন্ধ।

এতিয়া প্রশ্ন হ'ল, এটা শ্রেণীহিচাপে নাৰীক কেনেদৰে দমন কৰাহৈছে? ইয়াৰ উত্তৰ হিচাপে ১৮৮৪ চনত প্রকাশিত এংগেলচ্ৰ গ্রন্থ *'Origin of the Family, Private Poperty and the State'* ৰ উদ্ধৃতি উল্লেখ কৰিব পৰা যায়। এংগেলচ্ৰ মতে সামন্তবাদী ব্যৱস্থাৰপৰা সমাজে মাটিৰ ব্যক্তিগত মালিকানাৰ পর্যায়টোলৈ গতি কৰাৰ লগে লগে নাৰীৰ সামাজিক প্রস্থিতি গভীৰভাৱে প্রভাৱিত হৈছিল। এক ব্যক্তিগত মালিকীস্বত্ব ব্যৱস্থাত নিজৰ মাটি নথকা অথবা উৎপাদনৰ অন্য উপায় নথকা লোকসকলৰ অৱস্থাক এংগেলচে দাসত্বৰ সৈতে তুলনা কৰিছিল। কাৰণ, এনে মানুহখিনিয়ে ব্যক্তিগত মালিকীস্বত্বৰ ব্যৱস্থাটোৰ অংশ হৈ জীয়াই থকাৰ স্বার্থত মাটিৰ গৰাকীৰ বাবে কাম কৰিবলৈ বাধ্য আছিল। তেওঁ যুক্তি দর্শাইছিল যে নাৰীৰ আনুগত্যৰ মূল কাৰণ জৈৰিক সংৰচনা নাছিল। ইয়াৰ মূল কাৰণ আছিল সামাজিক সম্পর্কবোৰৰ স্বৰূপ। নাৰীৰ শ্রম আৰু যৌন বৈশিষ্ট্যবোৰ নিয়ন্ত্রণ কৰিবলৈ পুৰুষে কৰা দাবীক বাস্তৱ ৰূপ দিবলৈ চলোৱা প্রয়াসবোৰৰ এসময়ত একক পৰিয়ালবোৰত আনুষ্ঠানিকীকৰণ ঘটিছিল। এংগেল্চে নাৰীৰ যৌন নৈতিকতাৰ সৈতে জড়িত কুমাৰীত্ব অক্ষুণ্ণ ৰখা আৰু যৌন পবিত্রতা আদিৰ দৰে সকলো সমাজতে প্রচলিত সামাজিক পৰিঘটনাবোৰ এটা মার্ক্সবাদী ঐতিহাসিক দৃষ্টিভংগীৰে বিশ্লেষণ কৰিছিল। পুঁজিবাদৰ উত্থানে পৰিয়ালবোৰক পণ্যদ্রব্য উৎপাদনৰ খাটিৰত পৃথক কৰিবলৈ লোৱাৰ লগে লগে নাৰীৰ ওপৰত পুৰুষৰ নিয়ন্ত্রণ আগতকৈ দৃঢ় হৈ পৰিছিল। নাৰী আর্থিক দিশেৰে পুৰুষৰ ওপৰত নির্ভৰশীল হৈ পৰিছিল। একক পৰিয়ালৰ পুৰুষ হৈ পৰিছিল পৰিয়ালৰ অন্নদাতা আৰু নাৰী গৃহিণী। কিন্তু এইখিনিতে এটা মনত ৰাখিবলগীয়া কথা হ'ল যে পুঁজিবাদে এটা দিশেৰে পৰিয়ালকেন্দ্রিক পিতৃপ্রধান সমাজব্যৱস্থাৰ পৰা নাৰী স্বাধীন হ'ব পৰাৰ সম্ভাৱনীয়তাও সৃষ্টি কৰিছিল। পুঁজিবাদে নাৰীকো মজুৰিপ্রাপ্ত শ্রমিক ৰূপে কাম কৰাৰ সুযোগ দিছিল। কিন্তু এংগেলচ্ৰ যুক্তি অনুসৰি পুঁজিবাদত শ্রমৰ লিংগভিত্তিক বিভাজন মতে মজুৰীহীন ঘৰুৱা কাম-কাজ কৰাৰ দায়িত্ব নাৰীক এটা একচেটিয়া ব্যক্তিগত কার্যৰূপে সঁপি দিয়াটোৱে এই ক্ষেত্রত সমস্যাৰ সৃষ্টি কৰিছিল। তেওঁ এই কথাত জোৰ দিছিল যে সমাজবাদৰ বিকাশ তথা ৰাষ্ট্রৰ দ্বাৰা আগবঢ়োৱা সামাজিক সেৱাবোৰত ঘৰুৱা কাম-কাজ আৰু সন্তান প্রতিপালনৰ দিশ দুটাৰ সামাজিকীকৰণ ঘটাইহে নাৰীৰ পূর্ণ স্বাধীনতাৰ কল্পনাক বাস্তৱ ৰূপ দিব পৰা যাব।

দমনৰ এক কাৰণ হিচাপে সামাজিকভাৱে স্বীকৃত সামাজিক লিংগ (Gender) ৰ শ্রেণী দমনৰ সৈতে ঘনিষ্ঠ সম্পর্ক আছে। অর্থাৎ, সেইফালৰ পৰা নাৰীক দমন কৰা কার্যটোৰ সর্বহাৰা আৰু বুর্জোৱাৰ মাজত থকা সম্পর্কটোৰ সৈতে সাদৃশ্য আছে। উৎপাদন আৰু প্রজনন প্রক্রিয়াত নাৰীয়ে এটা গুৰুত্বপূর্ণ ভূমিকা পালন কৰে যদিও নাৰীৰ এই ভূমিকাক বৰ বেছি স্বীকৃতি দিয়া নহয়।

বিংশ শতিকালৈকে নাৰীক দমন কৰা কার্য পৃথিৱীৰ সর্বত্র চলিয়েই আছে। কর্মস্থালীতো নাৰী বিভিন্ন দমনমূলক নীতি আৰু অন্যায়ৰ বলি হ'বলগীয়া হয়।

## অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৬ ঃ মার্ক্সবাদক অন্য সামাজিক চিন্তাধাৰাৰ পৰম্পৰাবোৰৰ পৰা কোনটো কথাই পৃথক কৰিছে?

.....

.....

প্রশ্ন ৭ ঃ এংগেল্চৰ মতে নাৰীৰ ওপৰত পুৰুষৰ নিয়ন্ত্রণ কিহে আগতকৈ আধিক দৃঢ় কৰি তুলিছে।

.....

.....

## ৫.৬ বিচ্ছিন্নতা (Alienation)

বিচ্ছিন্নতা মানে হ'ল এনে এটা পৰিস্থিতি যিটো কোনো বৈৰীভাবাপন্ন শক্তি (hostile force) অথবা নৈর্ব্যক্তিক পৰিৱেশ (impersonal environment)ৰ দ্বাৰা সৃষ্ট আৰু যিটো পৰিস্থিতিত আমি নিজকে পৃথক বুলি ভাবোঁ অথবা ৰুষ্ট হৈ পৰোঁ। কিন্তু মার্ক্সে বিচ্ছিন্নতাৰ ধাৰণাটোক মূলতঃ ব্যক্তিগত অনুভৱ অথবা প্রজ্ঞাত্মক সংঘাত জড়িত থকা মনোবৈজ্ঞানিক ধাৰণা বুলিব নোৱাৰি। মার্ক্সৰ বিচ্ছিন্নতাৰ ধাৰণাটোৱে প্রকৃতার্থত মানুহ হোৱাৰ মর্যাদা লাঘৱকাৰী অদৃশ্য সামাজিক শক্তিবোৰৰ ক্রিয়া-কলাপৰ ব্যাখ্যা আগবঢ়ায়।

মার্ক্সৰ বিচ্ছিন্নতাই সৃষ্টিশীল আৰু সামাজিক ব্যক্তি একোগৰাকীৰ মৌলিক সত্তাৰ পৰা মানৱীয় সামর্থবোৰ পৃথক কৰাৰ কথা বুজায়। তেওঁ যুক্তি দর্শাইছে যে সমস্যা সমাধানৰ বাবে থকা মানুহৰ প্রতিপাদিত সামর্থ হ'ল প্রকৃতার্থত মানুহক মানুহ ৰূপে জীয়াই ৰখাৰ এক অবিচ্ছেদ্য উপাদান। 'মানৱ-প্রকৃতি' (human-nature) বুলি মার্ক্সে আগবঢ়োৱা ধাৰণাটো এক সুস্থিৰ অথবা অত্যাৱশ্যকীয় প্রকৃতিৰ নহয়। এই প্রকৃতি চৌপাশৰ পৰিৱেশ-পৰিস্থিতি অনুসৰি পৰিৱর্তনশীল। কিছু কিছু ক্ষেত্রত মানৱ ক্ষমতাৰ এই পৃথকীকৰণৰ সৈতে মানুহৰ কার্যকলাপ জড়িত হৈ থাকে। প্রতিখন মানৱ সমাজে নিজ অস্তিত্ব বর্তাই ৰখাৰ লগতে পুনৰুৎপাদন প্রক্রিয়া অব্যাহত ৰাখিবলৈ বাসস্থান আৰু খাদ্যৰ দৰে মৌলিক প্রয়োজনবোৰ পূৰাবলৈ উৎপাদন কৰিব লাগে। এই কার্য সম্পাদন প্রক্রিয়াটো তেতিয়াই 'বিচ্ছিন্ন' হৈ পৰে যেতিয়া উৎপাদিত বস্তু আৰু শ্রমৰ উপায়, চূড়ান্ত উৎপাদন আৰু উৎপাদনৰ উপায় আদিক প্রত্যক্ষ উৎপাদনৰ পৰা প্রণালীবদ্ধভাৱে পৃথক কৰা হয়। উৎপাদিত সামগ্রী আৰু শ্রমৰ উপায়ক এনেদৰে বলপূর্বকভাৱে পৃথক কৰাৰ নিয়মটোৰ পুঁজিবাদৰ উত্থানৰ লগে লগে উৎপাদনৰ এক উপায় ৰূপে প্রচলন ঘটিছে। তলত উৎপাদন প্রক্রিয়াৰপৰা নাৰীক কেনেদৰে বিচ্ছিন্ন কৰা হৈছে সেয়া আলোচনা কৰা হ'ল।

মানৱীয় মর্যাদা হ্রাসকৰণৰ সৈতে চাৰিটা আন্তঃ সম্পর্কযুক্ত দিশ জড়িত—

- মানুহে নিজৰ শ্রম দান কৰি উৎপাদন কৰা সামগ্রীৰ পৰা বিচ্ছিন্ন হয়।
- মানুহ নিজ কার্য-কলাপৰ পৰা বিচ্ছিন্ন হয়
- মানুহ নিজৰ জীৱনৰ সৈতে জড়িত কার্যকলাপৰ পৰা বিচ্ছিন্ন হয়
- মানুহ পৰস্পৰৰ পৰা বিচ্ছিন্ন হয়।

এই চাৰিওটা দিশ বিশ্লেষণ কৰি মার্ক্সে কৈছে যে বিচ্ছিন্নতাৰ জন্ম দিয়া পুঁজিবাদৰ অধীনত 'শ্রমক সদায় বিকর্ষিত কার্য, সদায় বাহিৰৰ পৰা বলেৰে আদায় কৰা শ্রম হিচাপে দেখুওৱা হয়। ইয়াৰ বিপৰীতে পুঁজিবাদক শ্রমক 'স্বাধীনতা আৰু আনন্দ'ৰ শ্রম বুলি ধৰা নহয়।" মার্ক্স আৰু এংগেলচ্ দুয়োগৰাকীৰে মতে বিবাহিতা মহিলাক কৰা দমনক বিচ্ছিন্নতাৰ এক আক্ষৰিক উদাহৰণ বুলিব নোৱাৰি। কেৱল পুঁজিবাদৰ অধীনত সৃষ্টি হোৱা বিচ্ছিন্নতাতহে এই বৈশিষ্ট্যবোৰ থাকে। ঘৰুৱা কাম-কাজ হ'ল এক অনা-পুঁজিবাদী (non- capitalistic) বিসংগতি। নাৰীবাদৰ ধাৰণাটোৱে গা কৰি উঠাৰ লগে লগে মেৰী ৱু'লষ্ট'নক্রাফ্ট আৰু মাগাৰেট ফুলাৰৰ দৰে লেখিকাসকলে এই কথাটোক লৈ প্রশ্নৰ অৱতাৰণা কৰি আহিছে। তেওঁলোকে জোৰ দি কৈছেযে ঘৰুৱা কাম-কাজ আৰু সন্তান উৎপাদন কৰাৰ দৰে নিতান্তই পাৰিবাৰিক বিষয়টোৰ সৈতেও আনকি বাহ্যিক শক্তি আৰু বল প্রয়োগৰ দিশ দুটা জড়িত। তেওঁলোকে যুক্তি দর্শাইছিল যে দমন বুলি গণ্য কৰাৰ সলনি পৰিয়ালৰ বাবে কৰা শ্রমক 'স্বাধীনতা আৰু আনন্দ' বুলি ভাবিবলৈ মহিলাসকলক উৎসাহিত কৰা হৈছিল। এই দৰেই প্রাৰম্ভিক যুগৰ নাৰীবাদীসকলে বিবাহৰ সৈতে বিচ্ছিন্নতাৰ ধাৰণাটো সংলগ্ন কৰিছিল। তেওঁলোকে বিশেষভাৱে মার্ক্সৰ পুনৰুৎপাদন (reproduction) ৰ অভিধাটোৰ সমালোচনা কৰিছিল। অভিধাটোৰ মতে 'পুনৰুৎপাদন' হ'ল "কর্মৰত শ্রমিকক খাদ্যৰ যোগান ধৰি পুনৰ কর্মোদ্যমী কৰি তোলা, অৱকাস দিয়া, সন্তান জন্ম আৰু প্রতিপালনৰ জৰিয়তে শ্রমিকৰ ভৱিষ্যৎ যোগান অব্যাহত ৰখা।" মার্ক্সে মহিলাৰ ঘৰুৱা কাম-কাজ কৰোঁতে আৰু সন্তান জন্ম দিওতে হোৱা শ্রমক সঠিক অর্থত বিচ্ছিন্নতা বুলি গণ্য নকৰিছিল। কাৰণ এনে শ্রমৰ কোনো ব্যৱহাৰ মূল্য (use value) নাছিল আৰু ইয়াত কোনো ৰাহি মূল্য (surplus value ) যোগ দিব পৰা নগৈছিল। একেদৰে, ঘৰুৱা কাম-কাজকো পুঁজিবাদৰ সংজ্ঞাই সামৰি নলয় বাবে ইয়াক বিচ্ছিন্ন শ্রম বুলি ধৰা নহৈছিল। অর্থাৎ, ধ্রুপদী মার্ক্সবাদত এই বিষয় দুটা উৎপাদনৰ ধাৰণাৰ পৰা সম্পূর্ণ বাহিৰত ৰখা হৈছিল। ইয়াক কেৱল স্বাভাৰিক আৰু প্রজনন প্রক্রিয়াৰ অংশ বুলি ধৰা হৈছিল। অৱশ্যে, পৰম্পৰাগত মার্ক্সবাদত 'উৎপাদনৰ ঘৰুৱা সম্বন্ধ' নামৰ আন এটা নতুন ধাৰণা যুক্ত হৈছিল। ইয়াৰ লক্ষ্য আছিল গর্ভধাৰণ আৰু গর্ভাৱস্থাত উৎপাদিত বস্তুকে ধৰি নাৰীয়ে সৃষ্টি কৰা ঘৰুৱা সামগ্রীত নাৰীৰ কোনো ভাগ নথকাৰ ফলত হোৱা অন্যায়ত আলোকপাত কৰা। পৰস্পৰাগত মার্ক্সবাদত পৰিয়ালৰ বাবে আহাৰ ৰন্ধাৰ দৰে ৰাহি মূল্য সৃষ্টি কৰিব নোৱাৰা কামবোৰ উৎপাদনৰ সলনি উপভোগ (consumption) বুলি ধৰা হৈছিল। নাৰীৰ ঘৰুৱা শ্রমক উৎপাদনৰ ৰূপ বুলি নধৰি উপভোগ অথবা পুনৰুৎপাদন বুলি ধৰাটোলৈ চাই আমি নাৰীৰ শ্রমৰ সংযোজিত মূল্য (adding value) কিয় নাই বুলি প্রশ্ন উত্থাপন কৰিব পাৰোঁ। কাৰণ, নাৰীয়ে উৎপাদন কৰা সামগ্রী আৰু আগবঢ়োৱা সেৱাবোৰ বজাৰৰ পৰা ক্রয় কৰিব লগা হ'লহেঁতেন যদি নাৰীয়ে শ্রম বা সেৱা আগবঢ়ালেহেঁতেন। এইবোৰ কাৰণতে পৰিয়ালৰ ভিতৰত কোনো শ্রম বিভাজন নাই, ঘৰুৱা কাম-কাজ স্বাভাৰিক আৰু চিৰাচৰিত ধৰণে অনা-শোষণকাৰী প্রকৃতিৰ আৰু প্রজনন কার্য কেৱল নাৰীৰ বাবে বুলি ধৰি লোৱা পৰম্পৰাগত মার্ক্সবাদ সমালোচনাৰ সন্মুখীন হৈছে। ইয়াৰ বিৰুদ্ধে যুক্তি প্রদর্শন কৰি কোৱা হৈছে যে কেৱল মহিলাই কৰে বাবেই ঘৰুৱা কাম-কাজক এটা বজাৰ মূল্যৰ উৎস বুলি ধৰা হোৱা নাই। কিন্তু এই কামৰ যে বজাৰ মূল উৎস হ'ব পৰা ৱৈশিষ্ট্য নাই সেয়া নহয়। ধনৰ বিনিময়ত এনে কার্য আৰু সেৱা যে ক্রয় কৰিব নোৱাৰি সেয়াও নহয়। মহিলাই কৰা কার্যবোৰে তেওঁলোকৰ উৎপাদনৰ সৈতে সম্বন্ধৰ প্রকৃতি প্রদর্শন নকৰে। মহিলাই যিবোৰ কাম কৰিবলগীয়া হয় সেইবোৰৰ উৎপাদনৰ সৈতে থকা তেওঁলোকৰ সম্বন্ধবোৰেহে তেনেবোৰ কামক কিয় মূল্য সংযোজনৰ পৰা আঁতৰত ৰখা হৈছে সেই কথাৰ ব্যাখ্যা দাঙি ধৰে।

নাৰীয়ে উৎপাদন কৰা সামগ্ৰীবোৰক নহয়, একোগৰাকী অৰ্থনৈতিক অভিকৰ্তা (economic agent) ৰূপে নাৰীকহে বজাৰ (বিনিময়)ৰ পৰা বাহিৰত ৰখা হয়।

মিলাসিঁউ (Meillasoux) নামৰ নাৰীবাদীগৰাকীৰ মতে নাৰী প্ৰধানতঃ দুই প্ৰকাৰৰ শোষণৰ বলি হ'বলগীয়া হয় ঃ

- শ্ৰমকেন্দ্ৰিক শোষণ। নাৰীয়ে নিজে উৎপাদন কৰা সামগ্ৰীৰ ওপৰত থকা অধিকাৰ হেৰুৱাবলগীয়া হয়। নাৰীয়ে উৎপাদিত সামগ্ৰী স্বামীক অৰ্পন কৰে,স্বামীয়ে এনে সামগ্ৰীবোৰ নিয়ন্ত্ৰণ অথবা আন কোনো জ্যেষ্ঠা পুৰুষলে হস্তান্তৰ কৰে।
- প্ৰজনন সামৰ্থৰ শোষণ। কেৱল পুৰুষৰ জৰিয়তেহে জন্ম লাভ কৰা সন্তানে সামাজিক স্বীকৃতি লাভ কৰে। ওপৰৰ আলোচনাৰ পৰা ক'ব পাৰি যে নাৰীক সদায় সামাজিক পুনৰুৎপাদনৰ এক অংশ বুলি ধৰা হয়। সেই দৃষ্টিৰে নাৰীক কৰা শোষণকো উৎপাদনৰ সম্বন্ধৰ এটা অংশ বুলিব পাৰি।

### অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৮ ঃ বিচ্ছিন্নতাৰ অৰ্থ কি ?

.....

.....

প্ৰশ্ন ৯ ঃ বিচ্ছিন্নতাৰ ধাৰণাটোৰ সৈতে জড়িত কোনটো নতুন কথা পৰম্পৰাগত মার্ক্সবাদৰ ক্ষেত্ৰত প্ৰযোজ্য ?

.....

.....

প্ৰশ্ন ১০ ঃ কোনে কৰা ঘৰুৱা কাম-কাজক বজাৰ সম্বন্ধৰ পৰা বাদ দিয়া হয় ?

.....

.....

## ৫.৭ বিবাহ আৰু পৰিয়াল

নাৰী আৰু পুৰুষৰ মাজৰ সবাতোকৈ সাধাৰণ আৰু দীৰ্ঘস্থায়ী সম্পৰ্কটো হ'ল বিবাহ। বিবাহ আৰু সন্তানে মিলি সম্পৰ্কৰ সমষ্টি ৰূপে পৰিয়ালৰ সৃষ্টি কৰে। সংস্কৃতি ভেদে প্ৰজনন অথবা বংশ বৃদ্ধিৰ বাবে স্থাপন কৰা সম্পৰ্কৰ ৰূপ ভিন্ ভিন্ হ'ব পাৰে। এই সম্পৰ্ক উৎপাদন সম্বন্ধতকৈ অধিক দৃঢ় আৰু স্থিৰ। সামগ্ৰী উৎপাদনৰ সময়ত প্ৰয়োজন অনুসৰি বিভিন্ন উপায় অৱলম্বন কৰা হয়।

কার্ল মার্ক্সৰ আদৰ্শৰ অনুগামী বন্ধু তথা চিন্তাবিদ ফ্ৰেডৰিক্ এংগেল্চে তেওঁৰ প্ৰখ্যাত গ্ৰন্থ *'The Origin of the Family, Private Property and the State'* ত এই কথাবোৰ বহলাই লিখিছে। তেওঁৰ মতে প্ৰাম্ভিক কালত মানৱ সমাজবোৰ আছিল সমতাবাদী প্ৰকৃতিৰ। সেই সময়ছোৱাত শ্ৰম বিভাজনৰ ৰূপ আছিল সৰল আৰু

কার্যসম্পাদনকাৰী। নাৰী আৰু পুৰুষৰ সম্পর্ক আছিল প্রকৃতিৰ এক বিশুদ্ধ আৰু সৰল সম্প্রসাৰণ।' পুৰুষে চিকাৰ কৰিছিল, মাছ মাৰিছিল, খাদ্যৰ বাবে কেঁচা সামগ্রীৰ যোগান ধৰিছিল আৰু এই কামবোৰ কৰিবলৈ প্রয়োজন হোৱা সঁজুলি আদি তৈয়াৰ কৰি লৈছিল। নাৰীয়ে ঘৰৰ তদাৰক, খাদ্য প্রস্তুত, বস্ত্র উৎপাদন আৰু ল'ৰা-ছোৱালীক ডাঙৰ কৰিছিল।

পুৰুষ আৰু মহিলা উভয়েই নিজ নিজ কর্মত দক্ষ আছিল। পুৰুষে বন-অৰণ্যত আৰু নাৰীয়ে ঘৰত নিজ নিজ দক্ষতাৰ পৰিচয় দিছিল। পৰিয়ালবোৰ সম্প্রদায়ৰ দৰে আছিল। একোটা পৰিয়াল একাধিক অথবা প্রায় ভাগতেই যথেষ্ট সংখ্যক পৰিয়ালৰ সমষ্টি আছিল। উমৈহতীয়াভাৱে উৎপাদন আৰু ব্যৱহাৰ কৰা সকলো বস্তুকে উমৈহতীয়া সম্পত্তি বুলি গণ্য কৰা হৈছিল।

সামূহিক পৰিয়ালবোৰৰ কেন্দ্র আছিল নাৰী। তেওঁহে নিজৰ সন্তানৰ প্রকৃত পিতৃৰ পৰিচয় দিব পাৰিছিল। বর্তমান সময়তকৈ তেতিয়াৰ সমাজবোৰত পৰিয়ালৰ পুৰুষ আৰু মহিলা সদস্যৰ মাজৰ যৌন সম্পর্কবোৰ অধিক মুক্ত আছিল। নাৰীয়ে নিজৰ সংগী বাছনি কৰিছিল। সমগ্র ঘৰখন প্রকৃতার্থত নাৰীয়ে নিয়ন্ত্রণ কৰিছিল। পুৰুষ আছিল আলহীৰ দৰে। নাৰীয়ে প্রয়োজন অনুভৱ নকৰিলে পুৰুষক ঘৰৰ পৰা ওলাই যাবলৈ বাধ্য কৰাব পাৰিছিল।

মানৱ সম্প্রদায়বোৰে একেটা স্থানতে দীর্ঘদিনৰ বাবে বসবাস কৰিবলৈ লোৱাৰ লগে লগে সমাজৰ এই বৈশিষ্ট্যবোৰ সলনি হৈছিল। পূর্বতে মানুহৰ অস্তিত্ব প্রধানতঃ যাযাবৰ প্রকৃতিৰ আছিল। খাদ্য আৰু পানীৰ সন্ধানত মানুহৰ দল ইঠাইৰ পৰা সিঠাইলৈ গৈছিল। কিন্তু এটা সুস্থিৰ পৰিৱেশত বাস কৰিবলৈ লোৱাৰ লগে লগে মানুহে খেতি কৰিবলৈ আৰু জীৱ-জন্তু পুহিবলৈ শিকিলে। এসময়ত খাদ্য মানুহৰ বাবে দৈনন্দিন সমস্যা হৈ নাথাকিল। মানুহে প্রতিদিনে খোৱা খাদ্য যোগাৰ কৰাৰ উপৰি ৰাহি খাদ্য ভৱিষ্যতৰ বাবে জমা কৰি ৰাখিবলৈও শিকিলে। খাদ্য উৎপাদনৰ কৌশল, সা-সঁজুলি নির্মাণৰ জ্ঞান আৰু জীৱ-জন্তু ঘৰচীয়া কৰাৰ কলা আয়ত্ব কৰাৰ পাছত মানুহৰ হাতত বিভিন্ন ধৰণৰ সামগ্রী জমা হ'ল। এনে সামগ্রীৰ উৎপাদন ত্বৰান্বিত হোৱাৰ লগে লগে সমাজৰ সামূহিকভাৱে বসবাস কৰা স্বভাৱটো সলনি হ'ল। বিভিন্ন দল-গোটৰ মাজত সম্পদ-সমলৰ বাবে প্রায়েই কাজিয়া-পেচাল আৰম্ভ হ'ল। বেছিভাগ সময়তে বিজয়ীসকলে পৰাজিতসকলক নিজৰ দাসত পৰিণত কৰি কামত খটুৱাইছিল। এংগেলচ্ৰ মতে এয়াই আছিল 'সমাজত ঘটা প্রথমটো বৃহৎ শ্রেণীবিভাজন।' এনেকৈয়ে সমাজত গৰাকী আৰু দাস, শোষক আৰু শোষিত শ্রেণীৰ সৃষ্টি হৈছিল।

মানৱগোটবোৰৰ হাতত সম্পত্তি জমা হোৱাৰ লগে লগে পুৰুষ আৰু নাৰীৰ মাজৰ সম্পর্কলৈও পৰিৱর্তন আহিছিল। সম্পত্তি আছিল উৎপাদনৰ ফল আৰু উৎপাদনক মৌলিকভাৱে পুৰুষৰ কার্য বুলি ধৰা হৈছিল। নাৰীৰ একচেটিয়া কর্তৃত্ব থকা ঘৰুৱা কাম-কাজ আৰু পৰিয়ালৰ তদাৰক আদিৰ দৰে দিশবোৰে তাৎপর্য হেৰুৱাইছিল।

ঘৰতকৈ উৎপাদনৰ গুৰুত্ব বাঢ়ি যোৱা বাবে ঘৰুৱা শ্রমৰ অৱমূল্যন ঘটিছিল আৰু নাৰী ঘৰুৱা দাসীত পৰিণত হৈছিল।

এনেকৈয়ে প্রকৃতিৰ বিশুদ্ধ আৰু সৰল সম্প্রসাৰণ শ্রম বিভাজন প্রক্রিয়াটোৱে নাৰীৰ বাবে প্রতিকূল ৰূপ ধাৰণ কৰিছিল। উৎপাদনৰ ক্রমবর্দ্ধনশীল তাৎপর্যই 'ব্যক্তিগত সম্পত্তি' নামৰ এক নতুন অনুষ্ঠানৰ উত্থান ঘটালে। দিনে দিনে অধিক উৎপাদন কৰিবলৈ সক্ষম পুৰুষে সকলো বস্তু নিজৰ নিয়ন্ত্রণত ৰাখিবলৈ চেষ্টা আৰম্ভ কৰিলে। প্রাৰম্ভিক পর্যায়ত মাটি, জীৱ-জন্তু অথবা দাস-দাসীক ব্যক্তিগত সম্পত্তি বুলি গণ্য কৰা পুৰুষে পৰৱর্তী সময়ত পৰিয়ালৰ মহিলা সদস্যাসকলকো ব্যক্তিগত সম্পত্তি বুলি ভাবিবলৈ ল'লে। পুৰুষে নাৰীক অধিকাৰ কৰি ল'ব বিচাৰিছিল, যাতে পাছত সন্তানৰ ওপৰতো তেওঁলোকৰ নিয়ন্ত্রণ থাকে। তেওঁলোকে পৰৱর্তী প্রজন্মক নিজৰ সম্পত্তি হস্তান্তৰ কৰিবলৈ এনে নিয়ন্ত্রণ আৱশ্যক বুলি ভাবিছিল।

নাৰী একো একোজন পুৰুষৰ ব্যক্তিগত সম্পত্তি হৈ পৰাৰ লগে লগে তেওঁলোকৰ নিজ সন্তানৰ ওপৰত থকা অধিকাৰো শিথিল হৈ পৰিছিল। পূর্বৰ সমাজবোৰত সন্তানে পিতৃৰ পৰা নহয় মাতৃৰ পৰাহে সম্পতি লাভ কৰিছিল। কিন্তু বর্তমান এই পৰিস্থিতি সম্পূর্ণ সলনি হৈছে। মাতৃৰ জৰিয়তে সম্পত্তিৰ উত্তৰাধিকাৰ লাভ কৰাটোক

মাতৃ-অধিকাৰ (mother-right) বোলা হৈছিল। পৰিয়ালত মাতৃৰ প্ৰস্থিতি দুৰ্বল হৈ পৰাৰ পাছত মাতৃ-অধিকাৰো ক্ৰমে নাইকিয়া হ'ল। সন্তানে লাহে লাহে পিতৃৰ জৰিয়তে নিজৰ বংশ পৰিচয় আৰু উত্তৰাধিকাৰ চিনাক্ত কৰিবলৈ শিকিলে। তেতিয়ালৈ মানৱ গোটবোৰৰ সামাজিক জীৱনৰ অংগ পৰিয়ালবোৰৰ কেন্দ্ৰ ৰূপে নাৰীয়ে পালন কৰি অহা ভূমিকাৰো ওৰ পৰিল। পৰিয়ালবোৰত পুৰুষ, পুৰুষৰ ঘৰ আৰু সম্পত্তিৰ গুৰুত্ব বাঢ়িল। পুৰুষ হৈ পৰিল সন্মানীয় দলনেতা। এনেকৈয়ে সমাজত পিতৃতন্ত্ৰ অথবা পৰিয়ালত পিতৃৰ শাসন আৰম্ভ হৈছিল।

নাৰীৰ সম্পত্তিলৈ পৰ্যবসিত হোৱাৰ পৰিঘটনা আৰু মাতৃ-অধিকাৰৰ বিলোপক এংগেলচে 'স্ত্ৰী লিংগৰ বিশ্ব জনীন ঐতিহাসিক পৰাজয়' বুলি অভিহিত কৰিছে। নাৰী পুৰুষৰ সম্পত্তি হৈ পৰাৰ লগে লগে যৌন প্ৰেম নাৰীৰ বাবে মুক্ত তথা অনুকূল হৈ নাথাকিল। নাৰীক মাত্ৰ এজন পুৰুষৰ সৈতে বান্ধি পেলোৱা হ'ল। লাহে লাহে একপুৰুষগামিতা নিয়মৰ বিবাহ সমাজৰ স্বীকৃত প্ৰথা হৈ পৰিল। ইয়াৰ সৈতে যুক্ত প্ৰথা অনুসৰি নাৰীয়ে নিজৰ যৌন পবিত্ৰতা অক্ষুণ্ণ ৰাখি স্বামীৰ অনুগত হৈ ৰ'বলগীয়া হ'ল। কিন্তু পুৰুষৰ ক্ষেত্ৰত একেটা নিয়ম প্ৰযোজ্য কৰা নহ'ল। পুৰুষৰ হাতত থকা অৰ্থনৈতিক ক্ষমতা আৰু যৌনতা নিয়ন্ত্ৰণকাৰী কৰ্তৃত্বৰ বাবে তেওঁ একাধিক পত্নী অথবা ৰাক্ষিতা বাছনি কৰাৰ অধিকাৰ পালে। এংগেলচ্ৰ যুক্তি অনুসৰি ব্যক্তিগত সম্পত্তিয়ে সৃষ্টি কৰা হেঁচাত সমূহীয়া পৰিয়ালৰ ধাৰণাটো ক্ৰমে নাইকিয়া হোৱাৰ লগতে পৰিয়ালবোৰৰ অভ্যন্তৰীণ সম্পৰ্কবোৰৰো অৱনতি ঘটিল। স্বতঃস্ফূৰ্ত যৌন -প্ৰেম আৰু নিৰ্বিচাৰ যৌন আচৰণৰ বাবে সমাজত মৰ্যাদা হানিকাৰক তথা দমনমূলক সম্পৰ্কই গা কৰি উঠাৰ চাই বহুতো নাৰীয়ে যৌনতা নিয়ন্ত্ৰণ বিষয়ক নীতি-নিয়মবোৰক স্বাগতম জানাইছিল। একপত্নীক ব্যৱস্থাৰ উত্থানক তেওঁলোকে পুৰণি নিয়মৰ বিপৰীতে নিজৰ বাবে এক অনুকূল অগ্ৰগতি বুলি ধৰি লৈছিল।

এংগেলচ্ৰ মতে স্ত্ৰী লিংগৰ ঐতিহাসিক পৰাজয় আৰু পিতৃতন্ত্ৰৰ উত্থানে নাৰীৰ কাম, ভূমিকা আৰু দায়িত্ববোৰৰ অৱমূল্যন ঘটাইছিল। ইয়াৰ বিপৰীতে পুৰুষৰ ভূমিকা আৰু কাৰ্যাৱলীক মহিমামণ্ডিত ৰূপ দিয়া হৈছিল। ইয়াৰ আন কেইটামান বিৰূপ প্ৰভাৱ আছিল বিবাহত ধৰা পৰা যৌন ভণ্ডামি আৰু সংকীৰ্ণমনা যৌন নীতিৰ প্ৰচলন। পুৰুষক পত্নী আৰু পৰিয়ালৰ প্ৰয়োজন, কিন্তু একে সময়তে পুৰুষে পুৰণি কালৰ যৌন স্বাধীনতাৰ অধিকাৰ উপভোগৰ দাবীকো ন্যায্যতা প্ৰদানৰ চেষ্টা কৰে। ইয়াৰ বাবে পুৰুষে বিবাহ বহিৰ্ভূত সম্পৰ্ক স্থাপন কৰে। কিন্তু নাৰীক সদায় নিজ পবিত্ৰতা অক্ষুণ্ণ ৰাখি একপুৰুষগামিতাৰ ধাৰণাটো মানি স্বামীৰ অনুগত হৈ থাকিবলৈ কোৱা হয়।

## অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১১ ঃ এংগেলচ্ৰ মতে প্ৰাচীন কালৰ মানৱ সমাজবোৰ কেনে আছিল?

.....

.....

প্ৰশ্ন ১২ ঃ কেতিয়াৰ পৰা ঘৰুৱা কাম-কাজৰ অৱমূল্যন ঘটিল আৰু নাৰী ঘৰুৱা দাসীত পৰিণত হ'ল?

.....

.....

## ৫.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টি পঢ়ি আমি মার্ক্সবাদী নাৰীবাদৰ বিষয়ে কিছু কথা শিকিলোঁ।
- মার্ক্সবাদী নাৰীবাদী দৃষ্টিভংগীৰে উৎপাদন আৰু প্ৰজনন প্ৰক্ৰিয়াত নাৰীৰ ভূমিকা সম্পৰ্কে অধ্যায়টিত আলোচনা কৰা হৈছে।
- উৎপাদনৰ সম্বন্ধ হ'ল অধ্যায়টিত আলোচিত আন এটা বিষয়।
- অধ্যায়টি পঢ়ি আমি এটা সামাজিক শ্ৰেণীৰূপে নাৰী, পুঁজিবাদী ব্যৱস্থাত পুৰুষে নাৰীক কেনেদৰে দমন কৰি আহিছে আৰু এই বিষয়টো ফ্ৰেডৰিখ্ এংগেলচে কেনেদৰে বিশ্লেষণ কৰিছিল সেয়া জানিব পাৰিলোঁ।
- উৎপাদন আৰু প্ৰজনন প্ৰক্ৰিয়াৰ পৰা নাৰীক কেনেদৰে বিচ্ছিন্ন কৰা হ'ল সেই বিষয়েও আমি অধ্যায়টি পঢ়ি জানিব পাৰিলোঁ।
- অধ্যায়টিত বিবাহ আৰু পৰিয়ালত নাৰীৰ ভূমিকা বহলাই আলোচনা কৰাৰ লগতে বিষয়টো মার্ক্সবাদী নাৰীবাদৰ দৃষ্টিভংগীৰে বিশ্লেষণ কৰি চোৱা হৈছে।

1) Vogel, Lise. *Marxism and the oppression of Women*.USA: Rutgers University Press,1983.

2) Water, Mary-Alice. *Feminism and the Marxist Movement*. London: Pathfinder Press, 1972.

## ৫.১০ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ এখন সমাজৰ সদস্যসকলে, খাদ্য, আশ্ৰয়স্থল আৰু বস্ত্ৰৰ দৰে মৌলিক প্ৰয়োজনসমূহ পূৰাবলৈ কৰা সকলো কাম-কাজকে উৎপাদনৰ ধাৰণাটোৱে সামৰি লয়।

২নং প্ৰশ্নৰ উত্তৰ ঃ উৎপাদনৰ উপায় (The mode of production) সুস্থিৰ নহয়। সময়ত এনে উপায় সলনি হয়।

৩নং প্ৰশ্নৰ উত্তৰ ঃ সামাজিকীকৰণ ঘটোৱাৰ সবতোকৈ ফলপ্ৰসূ পন্থাবোৰৰ দুটা হ'ল সংস্কৃতি আৰু ধৰ্মীয় বিশ্বাস। মহিলাই অধিকাংশ পৰিয়ালকেন্দ্ৰিক সকাম-নিকামৰ দায়িত্বৰ লগতে ধৰ্মীয় ৰীতি-নীতি বিশ্বাসেৰে সৈতে পালন কৰে।

৪নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰজনন হ'ল সন্তানক এই পৃথিৱীত ভূমিস্থ কৰা আৰু তুলি-তালি ডাঙৰ কৰাৰ বিশেষ কাৰ্য।

৫নং প্ৰশ্নৰ উত্তৰ ঃ উৎপাদনৰ সৈতে জড়িত প্ৰতিটো কামকে দুটা কথাৰ প্ৰয়োজনঃ কামটো সম্পাদন কৰাৰ প্ৰকৃত কাৰিকৰী উপায় আৰু কামটো সম্ভৱ কৰি তুলিবলৈ মানৱ শ্ৰম।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ সামাজিক চিন্তাধাৰাৰ অন্য পৰম্পৰাৰ পৰা মার্ক্সবাদক ইয়াৰ মৌলিক ধাৰণা শ্ৰেণী (Class) এ পৃথক কৰিছে বুলি ক'ব পাৰি।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ পুঁজিবাদৰ উত্থানে পৰিয়ালবোৰক পণ্যদ্ৰব্য উৎপাদনৰ খাটিৰত পৃথক কৰিবলৈ লোৱাৰ লগে লগে নাৰীৰ ওপৰত পুৰুষৰ নিয়ন্ত্ৰণ আগতকৈ দৃঢ় হৈ পৰিছিল।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ বিচ্ছিন্নতা মানে হ'ল এনে এটা পৰিস্থিতি যিটো কোনো বৈৰীভাৱাপন্ন শক্তি (hostile force) অথবা নৈৰ্ব্যক্তিক পৰিৱেশ (impersonal environment)ৰ দ্বাৰা সৃষ্ট আৰু যিটো পৰিস্থিতিত আমি নিজকে পৃথক বুলি ভাবোঁ অথবা ৰুষ্ট হৈ পৰোঁ।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ বিচ্ছিন্নতাৰ ধাৰণাটোৰ সৈতে জড়িত 'উৎপাদনৰ ঘৰুৱা সম্বন্ধ' নামৰ নতুন শিতানটো পৰম্পৰাগত মার্ক্সবাদৰ ক্ষেত্ৰত প্ৰযোজ্য।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ বজাৰ সম্বন্ধৰ পৰা নাৰীয়ে কৰা ঘৰুৱা কাম-কাজক বাদ দিয়া হৈছে। কেৱল মহিলাই কৰে বাবে ঘৰুৱা কাম-কাজক এটা বজাৰ মূল্যৰ উৎস বুলি ধৰা হোৱা নাই। কিন্তু এই কামৰ যে বজাৰ মূল্যৰ উৎস হ'ব পৰা বৈশিষ্ট্য নাই সেয়া নহয়।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ এংগেলচ্‌ৰ মতে প্ৰাম্ভিক কালত মানৱ সমাজবোৰ আছিল সমতাবাদী প্ৰকৃতিৰ। সেই সময়ছোৱাত শ্ৰম বিভাজনৰ ৰূপ আছিল সৰল আৰু কার্যসম্পাদনকাৰী। নাৰী আৰু পুৰুষৰ সম্পর্ক আছিল প্ৰকৃতিৰ এক বিশুদ্ধ আৰু সৰল সম্প্ৰসাৰণ।'

১২ নং প্ৰশ্নৰ উত্তৰ ঃ স্ত্ৰী লিংগৰ ঐতিহাসিক পৰাজয় আৰু পিতৃতন্ত্ৰৰ উত্থানৰ লগে লগে ঘৰুৱা কাম-কাজৰ অৱমূল্যন ঘটিল আৰু নাৰী ঘৰুৱা দাসীত পৰিণত হ'ল।

## ৫.১১ আৰ্হি প্ৰশ্ন

**(ক) চমু প্ৰশ্ন** (প্ৰায় ১৫০ শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ মার্ক্সবাদী নাৰীবাদৰ দৃষ্টিভংগীবোৰ কেনে ধৰণৰ?

প্ৰশ্ন ২ ঃ উৎপাদনৰ সম্বন্ধ মানে কি?

প্ৰশ্ন ৩ ঃ মার্ক্স আৰু এংগেলচ্‌ৰ মতে বিবাহিতা মহিলাৰ ওপৰত চলা দমনক কিয় বিচ্ছিন্নতাৰ এটা ৰূপ বুলি ধৰিব পৰা নাযায়?

**(খ) দীঘল প্ৰশ্ন** (প্ৰায় ৩০০-৫০০ শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ এটা সামাজিক শ্ৰেণী হিচাপে নাৰীক কেনেদৰে অৱদমন কৰা হয়?

প্ৰশ্ন ২ ঃ 'স্ত্ৰী লিংগৰ বিশ্বজনীন ঐতিহাসিক পৰাজয়'— কথাষাৰেৰে এংগেলচে কি বুজাব বিচাৰিছিল?

**********

# অধ্যায় ৬ ঃ সামাজিক লিংগ (Gender) ভিত্তিক প্রভেদ আৰু অসমতা

## অধ্যায় গাঁথনি


৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ শ্রেণী আৰু সামাজিক লিংগ (gender) প্রভেদ
৬.৪ জাতি আৰু সামাজিক লিংগ (gender) প্রভেদ
৬.৫ প্রজাতি আৰু সামাজিক লিংগ (gender) প্রভেদ
৬.৬ পৰিয়াল আৰু সামাজিক লিংগ (gender) প্রভেদ
৬.৬.১ পৰিয়াল আৰু নাৰীৰ কর্মসংস্থাপন পছন্দ কৰাৰ সুযোগ
৬.৭ জীৱিকা আৰু সামাজিক লিংগ (gender) প্রভেদ
৬.৭.১ ঔদ্যোগিক যুগত পৰিয়াল, জীৱিকা আৰু সামাজিক লিংগ (gender) প্রভেদ
৬.৮ সম্পত্তিৰ অধিকাৰ আৰু নাৰী
৬.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৬.১০ অধিক জানিবলৈ
৬.১১ অগ্রগতিৰ খতিয়ান
৬.১২ আৰ্হি প্রশ্ন


## ৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- সমাজৰ বিভিন্ন দিশত এতিয়াও প্রচলিত বিভিন্ন সামাজিক লিংগ (gender) ভিত্তিক প্রভেদ আৰু অসমতাৰ বিষয়ে জানিব পাৰিব
- সামাজিক শ্রেণী (class) আৰু জাতি (caste) ব্যৱস্থাত থকা সামাজিক লিংগ (gender) প্রভেদবোৰৰ বিষয়ে বুজি পাব
- পৰিয়াল আৰু কর্মস্থানত এতিয়াও অস্তিত্ব থকা সামাজিক লিংগ (gender) অসমতাবোৰৰ বিষয়ে বুজি পাব
- নাৰীৰ সম্পত্তি বিষয়ক অধিকাৰ সম্পর্কে অৱগত হ'ব।

## ৬.২ পৰিচয়

অসমতা আৰু প্রভেদৰ মাজত গভীৰ সম্পর্ক আছে যদিও দুয়োটা প্রক্রিয়াই একে নহয়। সময় পাৰ হোৱাৰ লগে লগে বিভিন্ন দিশত সামাজিক লিংগভিত্তিক অসমতাৰ পৰিমাণ কম দেখা পোৱা গৈছে। সামাজিক লিংগ সম্পর্কে সমতাবাদী বিশ্বাসৰ মাত্রা বাঢ়িছে। ফলত, শৈক্ষিক সফলতা, মুজুৰি প্রাপক শ্রমিক শক্তি, শ্রমৰ ঘৰুৱা বিভাজন আদি বিভিন্ন ক্ষেত্রত পুৰুষ আৰু নাৰীৰ অংশগ্রহণৰ ক্ষেত্রত থকা ব্যৱধান লাহে লাহে নাইকিয়া হৈছে। কিন্তু এই পৰিৱর্তনবোৰ সংঘটিত হোৱা সত্বেও আন কিছুমান ক্ষেত্রত সামাজিক লিংগভিত্তিক প্রভেদ আঁতৰা নাই আৰু পৰিস্থিতি সাপেক্ষে কিছুমান ক্ষেত্রত এই প্রভেদ আগতকৈ গভীৰহে হৈ পৰিছে। সমাজৰ এটা

স্তৰত সৃষ্টি হোৱা এনে অসমতাৰ প্ৰায়েই সমাজৰ অন্য স্তৰ কেইটামানত ক্ৰিয়াশীল হৈ থকা আন কিছুমান সামাজিক প্ৰক্ৰিয়াৰ দ্বাৰা সুদৃঢ়কৰণ ঘটে। দুটা আন্তঃসম্পৰ্কযুক্ত প্ৰক্ৰিয়াই এনে অসমতাবোৰৰ পুনঃসৃষ্টি কৰে। এই প্ৰক্ৰিয়া দুটা হ'ল- আনুষ্ঠানিকীকৰণ (Institutionalization) আৰু বৈধকৰণ (Legitimation) প্ৰক্ৰিয়া। আনুষ্ঠানিকীকৰণ হ'ল সেইটো প্ৰক্ৰিয়া যিটোৰ জৰিয়তে সামাজিক সম্পৰ্কবোৰে একোটা অনুষ্ঠানৰ বৈশিষ্ট্য ধাৰণ কৰে। আনহাতে, বৈধকৰণ হ'ল সেইটো প্ৰক্ৰিয়া যিটোৱে অসমতাবোৰক ন্যায্যতা প্ৰদান কৰে। অৰ্থাৎ, বৈধকৰণ প্ৰক্ৰিয়াৰ জৰিয়তে মানুহে অসমতাবোৰক পক্ষপাতিত্বহীন তথা যুক্তিসংগত বুলি ভাবিবলৈ শিকে।

### অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ বৰ্তমান সময়ৰ এনে যিকোনো দুখন ক্ষেত্ৰৰ নাম উল্লেখ কৰক য'ত পুৰুষ আৰু নাৰীৰ মাজৰ ব্যৱধান আঁতৰ হৈছে।

.....

.....

প্ৰশ্ন ২ ঃ অসমতা সৃষ্টিকাৰী আন্তঃসম্পৰ্কযুক্ত প্ৰক্ৰিয়া দুটাৰ নাম কি?

.....

.....

## ৬.৩ শ্ৰেণী আৰু সামাজিক লিংগ প্ৰভেদ

শ্ৰেণী (Class) আৰু সামাজিক লিংগ (Gender)ৰ মাজত সম্পৰ্ক আছে। শ্ৰেণী প্ৰভেদে সমাজত লিংগ প্ৰভেদৰ প্ৰবিষ্ট পথ সুচল কৰি তোলে। এই প্ৰবিষ্টভৱনে কেতিয়াবা সামাজিক লিংগ সচেতনাতাই শ্ৰেণী সচেতনতাক অতিক্ৰম কৰাৰ সম্ভাৱনা নাইকিয়া কৰে। এতিয়া প্ৰশ্ন হ'ল এটা শ্ৰেণী হিচাপে নাৰীসকলক কেনেকৈ দমন কৰি ৰখা হয়? এই প্ৰসংগত আমি এংগলচ্ৰ কথা উল্লেখ কৰিব পাৰোঁ। ১৮৮৪ চনত প্ৰকাশিত *'Origin of the Family, Private Property and the State'* গ্ৰন্থখনত এংগল্চে কৈছিল যে ভূমিৰ সামন্তবাদী নিয়ন্ত্ৰণ প্ৰথাৰ ওৰ পৰাৰ পাছত আৰম্ভ হোৱা ব্যক্তিগত মালিকীস্বত্বৰ প্ৰথাই নাৰীৰ সামাজিক প্ৰস্থিতিক গভীৰভাৱে প্ৰভাৱিত কৰিছিল। এংগল্চে এই ব্যক্তিগত মালিকীস্বত্ব ব্যৱস্থাত মাটি নথকা অথবা উৎপাদনৰ আন কোনো উপায়ৰ গৰাকী নোহোৱা ব্যক্তিসকলৰ অৱস্থাক 'পদানত অৱস্থা' (enslavement) ৰ সৈতে তুলনা কৰিছিল। ব্যক্তিগত মালিকীস্বত্বৰ প্ৰথা প্ৰচলন থকা সমাজ ব্যৱস্থাটোত বাস কৰিবলৈ এই লোকসকলে মাটিৰ গৰাকীৰ বাবে কাম কৰিবলৈ বাধ্য আছিল। তেওঁ যুক্তি দৰ্শাইছিল যে সমাজত নাৰীৰ গোলাম সদৃশ অৱস্থাৰ বাবে জৈৱিক গঠন দায়ী নাছিল; ইয়াৰ বাবে দায়ী আছিল সামাজিক সম্পৰ্কবোৰ। নাৰীৰ শ্ৰম আৰু নাৰীৰ পৰা পোৱা যৌন সুখ নিয়ন্ত্ৰণ কৰাৰ দাবীত সফল হ'বলৈ পুৰুষে চলোৱা প্ৰচেষ্টাবোৰৰ একক পৰিয়াল ব্যৱস্থাত ক্ৰমে আনুষ্ঠানিকীকৰণ ঘটিছিল। এংগল্চে মাৰ্ক্সীয় ঐতিহাসিক দৃষ্টিকোণেৰে নাৰীৰ যৌন নৈতিকতাৰ সৈতে জড়িত সৰ্বত্ৰ বিয়পি পৰা সামাজিক পৰিঘটনাটো বিশ্লেষণ কৰি দেখুৱাইছিল। এনে নৈতিকতাৰ সৈতে কুমাৰীত্ব (Virginity)ৰ স্থিৰতা আৰু যৌন সম্বন্ধ স্থাপনমূলক পৰিত্ৰতা (Sexual Purity) ৰ দৰে বিষয়বোৰ জড়িত আছিল। পুঁজিবাদৰ উত্থানে পণ্যদ্ৰব্যৰ উৎপাদনৰ পৰা পৰিয়ালকেন্দ্ৰিক ভাৱে সম্পত্তি ৰখাৰ ব্যৱস্থাটো অধিক বিচ্ছিন্ন কৰি পেলাইছিল। ই নাৰীৰ ওপৰত পুৰুষৰ নিয়ন্ত্ৰণ

গাঢ়তৰ কৰি তুলিছিল। কাৰণ, নাৰী পৰিয়ালৰ বাবে উপার্জন কৰোঁতা পুৰুষসকলৰ ওপৰত অর্থনৈতিকভাৱে আগতকৈ অধিক নির্ভৰশীলহৈ পৰিছিল। পৰিয়ালৰ বাবে উপার্জন নকৰা গৃহিনী থকা একক পৰিয়াল ব্যৱস্থাত এই নির্ভৰশীলতা অধিক স্পষ্টকৈ ধৰা পৰিছিল। এইখিনিতে এটা কথা মনত ৰাখি থোৱা ভাল হ'ব যে পুঁজিবাদে নাৰীৰ বাবে পৰিয়ালকেন্দ্রিক পুৰুষপ্রধান ব্যৱস্থাৰ পৰা মুক্ত হোৱাৰ সম্ভাৱনীয়তাৰো সৃষ্টি কৰিছিল। পুঁজিবাদে নাৰীকো মজুৰি প্রাপক শ্রমিক হিচাপে কাম কৰাৰ সুযোগ দিছিল। কিন্তু এংগল্‌চে এয়াও বিশ্লেষণ কৰি দেখুৱাইছিল যে পুঁজিবাদত শ্রমৰ সামাজিক লিংগভিত্তিক বিভাজনে মজুৰিবিহীন ঘৰুৱা কাম-কাজ কৰাটো নাৰীসকলৰ এটা ব্যক্তিগত কার্য বুলি ধার্য কৰি দিয়া কথাটোৱে উপার্জনৰ ক্ষেত্রত নাৰীৰ বাবে সমস্যাৰ সৃষ্টি কৰিছিল। তেওঁৰ মতে সমাজবাদৰ বিকাশৰ দ্বাৰাহে নাৰীৰ পূর্ণ মুক্তি সম্ভৱ। লগতে ৰাষ্ট্রই আগবঢ়োৱা সামাজিক সেৱাত ঘৰুৱা কার্য তথা ল'ৰা-ছোৱালী ডাঙৰ কৰাৰ কাম দুটাৰ সামাজিকীকৰণ ঘটোৱা উচিত।

এক দমনৰ ৰূপত সামাজিক লিংগভিত্তিক নিপীড়নৰ শ্রেণী নিপীড়নৰ সৈতে ঘনিষ্ঠ সম্পর্ক আছে। সেই দৃষ্টিকোণেৰে নাৰী দমনৰ সর্বহাৰা তথা বুর্জোৱা শ্রেণীৰ মাজত থকা দমনমূলক সম্পর্কৰ সৈতে সাদৃশ্য আছে। নাৰীয়ে পণ্যদ্রব্য উৎপাদন আৰু সন্তান জন্ম দিয়া প্রক্রিয়া দুটাত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে যদিও , তেওঁৰ ভূমিকাক সমাজে স্বীকৃতি নিদিয়ে বুলি ক'লেও ভুল নহয়।

একবিংশ শতিকাতো বিশ্বৰ সর্বত্র এটা মানৱ শ্রেণীৰূপে নাৰী দমনৰ বলি হৈ আহিছে। কার্যক্ষেত্রতো নাৰী দমনৰ বলি আৰু বিভিন্ন দিশেৰে তেওঁলোকৰ প্রতি অন্যায় কৰা হয়।

### অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৩ ঃএংগলচ্‌ৰ মতে সমাজে নাৰীক কোনটো দিশেৰে পদানত কৰি ৰাখিব পাৰে?

.....

.....

প্রশ্ন ৪ ঃনাৰীক কৰা দমনক আন কি দমনৰ সৈতে তুলনা কৰিব পাৰি?

.....

.....

## ৬.৪ জাতি আৰু সামাজিক লিংগ (gender) প্রভেদ

**সামাজিক লিংগ আৰু জাতি (Caste)** ঃ "ভাৰতীয় সমাজে এটা কঠোৰ জাতি ব্যৱস্থা মানি চলে। এই ব্যৱস্থাই মানুহক এখন পদানুক্রমিক তালিকাৰ অন্তর্ভুক্ত কৰে। এই তালিকাই সমাজত ক্ষমতা, প্রস্থিতি আৰু পৰিচয় বিতৰণ কৰে।" (মেক্‌ৱেন, ২০০৬) জাতি ব্যৱস্থা হ'ল ভাৰতীয় সমাজৰ মেৰুদণ্ড স্বৰূপ। ভাৰতৰ বাহিৰে আন কোনো সমাজতে অসমতাৰ ইমান স্তৰীকৃত ৰূপ দেখা নাযায়। ই নিপীড়িত শ্রেণীটোক কেতিয়াও ঐক্যবদ্ধভাৱে নিপীড়নকাৰী শ্রেণীৰ বিৰুদ্ধে থিয় দিয়াৰ সুযোগ নিদিয়ে। আন কোনো সমাজতে ধর্মৰ ইমান নিষেধাজ্ঞা অথবা অনুমোদন নাথাকে.যিবোৰে মানুহৰ মনক স্বাধীন হোৱাত বাধা দিয়ে অথবা স্বাধীন হোৱাৰ প্রয়াস চলাবলৈ নিদিয়ে। ভাৰতত এই জাতি ব্যৱস্থাই নাৰীৰ জীৱন তথা সামাজিক লিংগভিত্তিক সম্পর্কবোৰক প্রভাৱিত কৰে। জাতি ব্যৱস্থাই নাৰীক সামাজিক সম্পর্ক আৰু জাতি নামৰ অনুষ্ঠানটো গঠনকাৰী, পুনঃগঠনকাৰী তথা অনুষ্ঠানটোৰ

সৈতে জড়িত সামাজিক ব্যৱস্থাবোৰৰ বৈশিষ্ট্যসমূহ শুধবোৱাৰ এক সচেতন সক্রিয় উপাদান বুলি গণ্য কৰে। এইখিনিতে স্বনামধন্য ইতিহাসবিদ উমা চক্রৱর্তীৰ মন্তব্য প্রণিধানযোগ্য। তেওঁ বহুল পঠিত ৰচনা *'Conceptualising Brahminical Patriarchy in Early India'* ত এই কথা উল্লেখ কৰিছে। গের্ডা লার্নাৰৰ *'The Creation of Patriarchy'* নামৰ গ্রন্থখনৰ দ্বাৰা অনুপ্রাণিত হৈ লিখা ৰচনাখনত চক্রৱর্তীয়ে যুক্তি দর্শাইছে যে ভাৰতীয় পটভূমিত পুৰুষপ্রধান সমাজ ব্যৱস্থাটো অন্য সামাজিক গাঁথনিৰ সৈতে থকা ইয়াৰ সম্পর্কৰ মাজত আৰু এক ঐতিহাসিক পটভূমিৰ পৰিধিৰ ভিতৰত অৱস্থিত হ'ব লাগিব। অতি স্তৰীভৱন ঘটা তথা ৰুদ্ধ সামাজিক গাঁথনিৰ ৰূপ লোৱা সমাজবোৰত নাৰীৰ যৌনত্ব বিষয়ক দিশবোৰ নিয়ন্ত্রণ কৰা পন্থাবোৰ লার্নাৰে যি ধৰণে পর্যবেক্ষণ কৰিছিল তাৰ ভিত্তিত চক্রৱর্তীয়ে তলৰ যুক্তিবোৰ প্রস্তুত কৰিছিল।

- সামাজিক লিংগাভিত্তিক ভূমিকা আৰু পৰিচয়বোৰ জাতি ব্যৱস্থাৰ পৰাই উদ্ভূত আৰু ইয়েই জাতিভিত্তিক সমাজ এখনৰ সামাজিক পটভূমি নির্মাণ কৰেঃ "হিন্দু সমাজৰ এক প্রধান বৈশিষ্ট্য হ'ল সামাজিক স্তৰীভৱনৰ এক চৰম অভিব্যক্তিক ই বৈধ অনুমোদন জনায়। এনে সমাজত নাৰী আৰু নিম্ন জাতিৰ লোকসকল অস্তিত্বৰ অপমানজনক পৰিস্থিতিত বাস কৰিবলৈ বাধ্য।"
- জাতিভিত্তিক সমাজ এখনে প্রাচীন তথা অধিক সমতাবাদী সামাজিক গাঁথনি একোটা অনুসৰণ কৰিছিল। যেনে- চিকাৰ কৰি খাদ্য সংগ্রহ কৰা সমাজ এখনে প্রাচীন জাতি ব্যৱস্থা এটা মানি চলিছিল। এনে সমাজে নাৰীৰ উৎপাদনশীল শ্রমক মূল্য দিছিল আৰু সন্তান জন্ম দিব পৰা ক্ষমতাক শ্রদ্ধাৰ দৃষ্টিৰে চাইছিল।
- এটা পদানুক্রমিক জাতি ব্যৱস্থা তথা এটা সম্পত্তিৰ অধিকাৰী সৃষ্টি কৰা নতুন ক্রমৰ পর্যায়ক্রমিক উত্থান আৰু সুদৃঢ়ভৱন প্রক্রিয়াই নাৰীৰ প্রতি সামাজিক মনোভাৱ সুস্পষ্ট ৰূপত সলনি কৰিছিল। কাৰণ, এই নতুন সামাজিক গাঁথনিত সকলো নাৰীয়েই উৎপাদনৰ কামত জড়িত হোৱা নাছিল। ধনী অথবা মাটিৰ গৰাকী পৰিয়ালবোৰৰ মহিলাবোৰৰ শ্রম ঘৰুৱা কাম-কাজত সীমাবদ্ধ ৰখা হৈছিল। তেওঁলোকক কেৱল মাতৃৰ ভূমিকা পালন কৰিবলৈ দিয়া হৈছিল একে সময়তে নাৰীৰ যৌন ক্ষমতাক সু-অনুভূতি জাগ্রতকাৰী, সন্মানীয় তথা ভয়ৰ কাৰণ বুলি ভাবি অহা সমাজবোৰে এই নতুন ব্যৱস্থাৰ প্রচলন ঘটাৰ লগে লগে এক বন্য শক্তি বুলি গণ্য কৰিবলৈ ল'লে। নাৰীৰ যৌনতাক সাৱধানে নিয়ন্ত্রণ তথা স্বামীৰ অধীন কৰি ৰখাৰ প্রক্রিয়া আৰম্ভ হ'ল। এই নিয়ন্ত্রণাধীন আৰু ঘৰচীয়াকৰণ প্রক্রিয়াটোক বাস্তৱ ৰূপ দিবলৈ সামাজিক শৃংখলাৰ দোহাই দি নাৰীৰ গতিবিধি সীমাবদ্ধ কৰা হ'ল।

  নাৰীক আক্ষৰিক অর্থত জাতি ব্যৱস্থাৰ প্রৱেশদ্বাৰ বুলি গণ্য কৰা হয়। সমাজৰ নিম্ন জাতিৰ পুৰুষৰ যৌন ক্ষমতা উচ্চ জাতিৰ পুৰুষৰ বাবে ভাবুকি স্বৰূপ হৈ পৰিল। সেয়েহে উচ্চ জাতিৰ পৰিত্রতা আনুষ্ঠানিকভাৱে ৰক্ষা কৰাৰ স্বার্থত নিম্ন জাতিৰ পুৰুষক উচ্চ জাতিৰ মহিলাৰ সৈতে যৌন সম্পর্ক স্থাপনৰ পৰা আঁতৰাই ৰখাৰ প্রক্রিয়াৰ লগতে নাৰীক সাৱধানে পহৰা দিয়াৰ নিয়ম আৰম্ভ হ'ল।
- নাৰীক পহৰা দিয়া কার্যটোৰ এটা প্রয়োজনীয় অংশ হ'ল একেটা বৈধ পন্থাৰে নাৰীৰযৌন স্পৃহাক নিয়ন্ত্রণ কৰা। ইয়াৰ বাবে নাৰীক 'সন্তান জন্ম দিয়াৰ এক অনমনীয় নিয়ন্ত্রিত সামাজিক গাঁথনিৰ ভিতৰত বৈধ মাতৃত্বৰ গৰাকী কৰা, যিটোৱে জাতিভিত্তিক বিশুদ্ধতা (কেৱল বিধিসন্মত সংগীৰ সৈতে যৌন সম্পর্ক স্থাপন) আৰু পিতৃসূত্রী (patrilineal) উত্তৰাধিকাৰী (কেৱল এজন পুৰুষৰ সৈতে শাৰীৰিক সম্পর্ক স্থাপনৰ সীমাবদ্ধতা মানি লৈ) সুনিশ্চিত কৰিব।"
- নাৰীৰ নিয়ন্ত্রণ সুনিশ্চিত কৰিবলৈ বলপ্রয়োগ কৰা হৈছিল। অথবা সন্মতি-বলপ্রয়োগ ব্যৱস্থাৰ এটা মিশ্রিত ৰূপ ব্যৱহাৰ কৰা হৈছিল। স্বামীৰ ইচ্ছা, ৰজাঘৰীয়া নিয়ম অথবা পুৰোহিতৰ আদেশ অনুযায়ী এই ব্যৱস্থাবোৰৰ অনুশীলন কৰা হৈছিল। এনে ব্যৱস্থাৰ অধীনত নাৰীয়ে নিজৰ নৈতিক পহৰাদাৰ হ'ব বুলি সন্মতি প্রদান

কৰিছিল। নাৰীৰ সন্মতি আদায় কৰিবলৈ তেওঁৰ আগত বিভিন্ন প্রমূল্য তথা নৈতিক গুণ ব্যাখ্যা কৰা হৈছিল। নাৰীয়ে সেইবোৰ নিজৰ জীৱনত প্রোথিত কৰি লৈছিল। যৌন পৱিত্রতাক সর্বোত্তম গুণ বুলি মানি লোৱা হৈছিল। ইয়াক নাৰীৰ প্রদত্ত নৈতিকতা আৰু ধর্ম বুলি ঘোষণা কৰা হৈছিল। নাৰীয়ে এই ধর্ম যিকোনো পৰিস্থিতিতে বর্তাই ৰাখিব লাগিছিল।

- নাৰীয়ে সদায় নিজ ধর্ম পালন কৰিব লাগিছিল। ইয়াৰ বিচ্যুতি ঘটিলে তেওঁৰ জীৱন পুনৰ জান্তৱ তথা বন্য হৈ পৰিব বুলি কোৱা হৈছিল।

ওপৰত আলোচনা কৰাৰ দৰে আমি সামাজিক লিংগ আৰু জাতিৰ মাজত থকা সম্পর্ক বিশ্লেষণ কৰিব পাৰোঁ।

## অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৫ ঃ নাৰী সম্পর্কে থকা সামাজিক মনোভাৱ কিহে সুস্পষ্ট ৰূপত সলনি কৰিছিল?

.....

.....

প্রশ্ন ৬ ঃ অতীজত কেনেদৰে নাৰীক নিয়ন্ত্রণ কৰাৰ ব্যৱস্থাটো নিশ্চিত কৰা হৈছিল?

.....

.....

## ৬.৫ প্রজাতি আৰু সামাজিক লিংগ (gender) প্রভেদ

সমাজত প্রচলিত অসমতাৰ এটা কাৰণ হ'ল প্রজাতি (race) আৰু আনটো কাৰণ হ'ল সামাজিক লিংগ ((gender))। দুয়োটা কথাই কোনো পাৱস্পৰিক সম্পর্ক নথকা বৈষম্যৰ একক ৰূপ নহয়। ইয়াৰ পৰিৱর্তে দুয়োটা বিষয়ৰ মাজত প্রায়েই সম্পর্ক ধৰা পৰে। দুয়োটা দিশে মিলি যৌগিক নাইবা দ্বৈত বৈষম্যৰ সৃষ্টি কৰে। বহুতো নাৰীৰ বাবে প্রজাতি, গাৰ বৰণ, নৃগোষ্ঠীত্ব আৰু জাতীয় উৎসৰ দৰে সামাজিক পৰিচয় সৈতে জড়িত বিভিন্ন দিশে 'পার্থক্য সৃষ্টিকাৰী প্রভেদ' ৰ কাম কৰে। এই কাৰকবোৰে কোনো এটা নির্দিষ্ট দলৰ নাৰী সদস্যাৰ বাবে বিশেষ ধৰণৰ সমস্যাৰ সৃষ্টি কৰিব পাৰে নাইবা কোনোবা এটা দলৰ নৰী সদস্যক অন্য এটা দলৰ নাৰী সদস্যাসকলতকৈ তুলনামূলকভাৱে অসমানুপাতিক ধৰণৰ সমস্যাত ভোগাব পাৰে।

এইখিনিতে পূৱ ইউৰোপত বাস কৰা এগৰাকী ৰোমান মহিলাই সন্মুখীন হ'বলগীয়া হোৱা অভিজ্ঞতাৰ বিষয়ে উল্লেখ কৰিব পাৰি। এই ৰোমান মহিলাসকলৰ হৈ মাত মতা লোকৰ সংখ্যা নিচেই কম আছিল আৰু তেওঁলোক অহৰহ বিভিন্ন ধৰণৰ আক্রোশৰ বলি হৈছিল। সমাজত মহিলাৰ প্রস্থিতি সংখ্যালঘু প্রকৃতিৰ আছিল বাবে সম্প্রদায়ৰ ভিতৰতো নাৰীসকলক একাষৰীয়া কৰি ৰখা হৈছিল। পৰিয়ালবোৰত নাৰীসকল লিংগ বৈষম্যৰ বলি হৈছিল। একে ধৰণৰ পৰিস্থিতি অষ্ট্রেলিয়াৰ খিলঞ্জীয়া সম্প্রদায়বোৰৰ মহিলা নাইবা ভাৰতৰ দলিত সম্প্রদায়ৰ মহিলা নাইবা ইংলেণ্ডত ৰাজনৈতিক শৰণ লৈ বাস কৰি থকা মহিলা এগৰাকীৰ ক্ষেত্রতো প্রযোজ্য। এইসকল সামাজিক লিংগ তথা প্রজাতি বৈষম্যৰ আলিদোমোজাত বাস কৰি আছে। এইখিনিতে ২০০৭ চনত গুৱাহাটীত

ঘটা এটা প্রজাতি ভিত্তিক তথা সামাজিক লিংগ বৈষম্যভিত্তিক ঘটনাৰ উদাহৰণো উল্লেখ কৰিব পাৰোঁ। সেই চনত গুৱাহাটীৰ বেলতলাত সদৌ অসম আদিবাসী ছাত্র সন্থাই আয়োজন কৰা এটা ৰেলীত ভাগ ল'বলৈ অহা যুৱতী এগৰাকীক একাংশ দুর্বৃত্তই ৰাজপথত উলংগ কৰি নির্দয়ভাৱে প্রহাৰ কৰিছিল। উল্লেখ্য যে অসমৰ চাহ বাগানীয়া সম্প্রদায়ক জনজাতি মর্যাদা দিয়াত বিলম্ব হোৱাৰ প্রতিবাদত এই ৰেলীৰ আয়োজন কৰা হৈছিল।

প্রজাতিৰ বিষয়টো আলোচনাৰ মাজলৈ ননাকৈয়ে যদি বিশ্বৰ নাৰী সমাজৰ সামাজিক প্রস্থিতিৰ পৰিসংখ্যাৰ ওপৰত চকু ফুৰোৱা হয়, তেন্তে দেখা যাব যে পুৰুষৰ সৈতে সমতা স্থাপন কৰিবলৈ নাৰী সমাজে এক দীঘলীয়া পথ অতিক্রম কৰিব লাগিব। ৰাষ্ট্রসংঘৰ নাৰীৰ বাবে থকা উন্নয়ন পুঁজি (UNIFEM) ৰ এক শেহতীয়া প্রতিবেদনত প্রকাশ যে সামাজিক লিংগ সমতা আৰু নাৰী সবলীকৰণৰ প্রগতি জোখাৰ বহুকেইটা প্রধান সূচক নাৰীৰ অগ্রগতিয়ে এতিয়ালৈকে স্পর্শ কৰিব পৰা নাই।

সমগ্র বিশ্বতে পুৰুষৰ সাক্ষৰতাৰ হাৰ ৯০.০% আৰু মহিলাৰ সাক্ষৰতাৰ হাৰ হ'ল ৮২.৭% । সমগ্র বিশ্বৰ ৯৬০ মিলিয়ন নিৰক্ষৰ প্রাপ্তবয়স্কৰ দুই তৃতীয়াংশ হ'ল নাৰী। উপার্জনৰ ক্ষেত্রতো সামাজিক লিংগ ব্যৱধান স্পষ্ট। উদ্যোগ আৰু সেৱা খণ্ডত পুৰুষে কৰা উপার্জনৰ বিপৰীতে একে কাম কৰি মহিলাই ৭৮ শতাংশ বেতনহে লাভ কৰে। ১৯৯০ ৰ দশকত বিশ্বৰ মাত্র ২৮ খন দেশত মাত্র ৩০% মহিলাহে সিদ্ধান্ত গ্রহণ প্রক্রিয়াৰ অংশ হ'ব পাৰিছিল। ইয়াৰ উপৰি দৰিদ্রতাৰ কবলত থকা বিশ্বৰ মুঠ ১.৩ বিলিয়ন লোকৰ ৭০ শতাংশই হ'ল নাৰী।

যেতিয়া কোনো নাৰীৰ প্রজাতি (race) ৰ নামতো তিক্ত অভিজ্ঞতাৰ মুখামুখি হ'বলগীয়া হয়, তেতিয়া সামাজিক লিংগ আৰু জাতিগত বৈষম্যৰ বোজা দুটাৰ লগতে ইয়াৰ সৈতে সম্পর্ক থকা আন বহুতো অসহিষ্ণুতাৰ বলি হয়। এই বিষয়বোৰৰ বাবে শ্রম বজাৰত সংখ্যালঘু মহিলা সমাজ নানা ধৰণৰ অসুবিধাৰ সন্মুখীন হোৱাৰ লগতে অবৈধ নাৰী সৰবৰাহকে ধৰি নাৰীৰ বিৰুদ্ধে নানা ধৰণৰ প্রজাতি ভিত্তিক হিংসাত্মক কার্যকলাপ সংঘটিত হয়।

বহুতো সমাজত সংখ্যালঘু, প্রব্রজনকাৰী আৰু খিলঞ্জীয়া নাৰীৰ বাবে সীমিত কর্মসংস্থাপন সুযোগ আছে। এওঁলোকে প্রায়েই শ্রম বজাৰৰ সর্বনিম্ন স্তৰটোত কাম কৰিব লাগে। এনে বহুতো নাৰীয়ে মুক্ত বাণিজ্য মণ্ডল, অনানুষ্ঠানিক অর্থনীতিৰ প্রচলন থকা ব্যৱস্থা অথবা অনিয়ন্ত্রিত খণ্ডবোৰৰ অধীনত সৰুসুৰা কাম কৰে। ৰাষ্ট্রসংঘৰ মানৱ অধিকাৰ বিষয়ক আয়োগৰ হৈ প্রজাতিবাদৰ সমসাময়িক ৰূপবোৰৰ অনুসন্ধান তথা অধ্যয়ন কৰি থকা বিশেষ প্রতিবেদক মৌৰিচ গ্লেগল্ আহানহাঞ্জোই ১৯৯৫ চনত ব্রাজিল ভ্রমণ কৰি দেশখনৰ শ্রম বজাৰত সংখ্যালঘু মহিলাৰ অৱস্থা নিৰীক্ষণ কৰিছিল। প্রতিবেদনত তেওঁ উল্লেখ কৰিছিলযে, "কৃষ্ণাংগ মহিলাসকলে সর্বনিম্ন বেতন লাভ কৰে (এজন শ্বেতাংগ পুৰুষতকৈ এই বেতন চাৰি গুণ কম) তেওঁলোকক সবাতোকৈ অস্বাস্থ্যকৰ স্থানত কাম কৰিবলৈ দিয়া হয়, তেওঁলোকে এটা কর্মদিৱসত তিনিগুণ অধিক কাম কৰিব লাগে আৰু তেওঁলোকে তিনি প্রকাৰৰ বৈষম্য সহ্য কৰিবলৈ বাধ্য।"

নাৰীৰ বিৰুদ্ধে চলা হিংসাত্মক কার্যকলাপৰ বিশেষ প্রতিবেদন প্রস্তুতকাৰী ৰাধিকা কুমাৰস্বামীয়ে ৰাষ্ট্রসংঘৰ মানৱ অধিকাৰ বিষয়ক আয়োগৰ হাতত নাৰীৰ অবৈধ সৰবৰাহ সম্পর্কীয় এখন প্রতিবেদন দাখিল কৰিছে। এই কার্যটো হ'ল নাৰীৰ বিৰুদ্ধে চলা বৈষম্যবোৰৰ মাজৰ এটা গুৰুতৰ বৈষম্য। নিজৰ প্রতিবেদনত কুমাৰস্বামীয়ে উল্লেখ কৰিছে যে সৰবৰাহকাৰীসকলে প্রব্রজন কৰা লোকসকলক এনে ধৰণে শোষণ কৰে যে ই "নাৰী সমাজক এক সুৰক্ষাবিহীন অথবা আইনৰ দ্বাৰা নামমাত্র সুৰক্ষা লাভৰ সম্ভাৱনা থকা পৰিস্থিতি উপনীত কৰায়। কেৱল

বলাৎকাৰেই এনে নাৰীৰ ওপৰত চলা হিংসাত্মক কার্যকলাপৰ একমাত্র প্রকাশ্য ৰূপ নহয়। বলাৎকাৰৰ উপৰি এনে নাৰী নানা ধৰণৰ অত্যাচাৰ, যাদৃচ্ছিক হত্যা, স্বাধীনতা হীনতা, বলপূর্বক শ্রমদান, বলপূর্বক বিবাহ আদিৰ বলি হয়। লগতে মুকলিভাৱে চলা- ফুৰা কৰাৰ স্বতন্ত্রতা অনুশীলন কৰিব খোজা নাৰীৰ বিৰুদ্ধেও নানা ধৰণৰ অপৰাধমূলক কার্য সম্পাদন কৰা হয়।"

কুমাৰস্বামীয়ে তেওঁৰ প্রতিবেদনত বহিৰাগত বিৰোধী নীতি, নাৰীৰ বাবে সমান সুযোগৰ অভাৱ আৰু অবৈধ নাৰী সৰবৰাহৰ পৰিঘটনাৰ মাজত এটা প্রত্যক্ষ সম্পর্ক থকাৰ কথা আঙুলিয়াই দেখুৱাইছিল। তেওঁৰ মতে, "বিভিন্ন বাধা-নিষেধ থকা আৰু বহিৰাগতক বাদ দিয়া অনুপযুক্ত বহিৰাগত নীতিবোৰে নাৰী সৰবৰাহৰ কামটো অবিৰতভাবে চলি যোৱাৰ আঁৰৰ এক গুৰুত্বপূর্ণ কাৰণত পৰিণত হৈছে।" যদি নাৰীৰ কোনো অধিকাৰ নাথাকে আৰু যদি অধিকাৰবোৰক ৰাষ্ট্রই কোনো সন্মান প্রদর্শন নকৰে আৰু যদি নাৰীৰ বাবে শিক্ষা তথা নিয়োগৰ সমান সুযোগ নাথাকে, নাৰী পুৰুষতকৈ সকলো দিশেৰে দুর্বল হৈ ৰৈ যায়।

নাৰীৰ বিৰুদ্ধে চলা নৃগোষ্ঠীয় অথবা প্রজাতিগত হিংসাক আন্তঃশাখা ভিত্তিক বৈষম্যৰ সবাতোকৈ স্পষ্ট উদাহৰণ বুলি ধৰা হয়। ব'চ্নিয়া, ক'চ'ভো, বুৰুণ্ডি আৰু ৰৱাণ্ডা আদি দেশত নাৰীৰ ওপৰত চলা নানা ধৰণৰ অত্যাচাৰৰ ভেটি হ'ল প্রজাতিগতভিত্তিক বৈষম্য। কেৱল নাৰীক এনে আক্রমণৰ লক্ষ্য কৰি লোৱাটো হ'ল সম্পূর্ণৰূপে সামাজিক লিংগভিত্তিক অধিকাৰৰ উলংঘন। আনহাতে, নৃগোষ্ঠীয় সংঘাতৰ ফলত বৃহৎ সংখ্যক নাৰী শৰণার্থীৰ সৃষ্টি হৈছে। তেওঁলোক সততে যৌন হিংসা আৰু সামাজিক লিংগভিত্তিক সমস্যাৰ বলি হয়। নাৰী বলাৎকাৰৰ ঘটনা বৃদ্ধি পোৱাৰ আঁৰত নাৰীৰ নৃগোষ্ঠীয় অথবা ধর্মীয় পৰিচয়ে এক সক্রিয় ভূমিকা লয়। ৰৱাণ্ডা আৰু য়ুগোশ্লাভিয়াৰ বাবে গঠন কৰা আন্তঃৰাষ্ট্রীয় অপৰাধ ন্যায়াধীকৰণে বলাৎকাৰক যুদ্ধৰ এক অস্ত্র বুলি মানি লৈ দোষীক উপযুক্ত শাস্তি প্রদান কৰিছিল।

কিছুদিনৰ আগলৈকে সামাজিক লিংগ আৰু প্রজাতি ভিত্তিক বৈষম্যৰ আন্তঃসম্পর্ক তথা ইয়াৰ পৰিণামবোৰ খৰছি মাৰি বিবেচনা কৰা হোৱা নাছিল। এই সমস্যাবোৰক দুয়োটাৰে মাজৰ যিকোনো এটা দিশৰ প্রকাশ বুলি শিতানভুক্ত কৰা হৈছিল। সেয়েহে সমস্যাটো পূর্ণ পৰিসৰত বিশ্লেষণ কৰাৰ সুযোগৰ সৃষ্টি হোৱা নাছিল। ফলত ইয়াৰ প্রতিকাৰসমূহেও ভবা ধৰণে সুফল প্রদর্শন কৰিব পৰা নাছিল অথবা অনুপযুক্ত প্রকৃতিৰ আছিল। বর্তমান এই অৱস্থাৰ সলনি হৈছে। ৰাষ্ট্রসংঘই 'সামাজিক লিংগৰ মূলসুতিত অন্তর্ভুক্তকৰণ' (gender mainstreaming) নীতিৰ জৰিয়তে সামাজিক লিংগৰ ভূমিকা তথা সামাজিক লিংগৰ সম্পর্কই কেনেদৰে নাৰী আৰু পুৰুষৰ অধিকাৰ, সম্পদ তথা সুযোগ লাভৰ সুচলতা গঢ় দিয়ে তাৰ বিভিন্ন পদ্ধতিক সত্য বুলি স্বীকৃতি দিছে। এই নীতিৰ চৰম লক্ষ্য হ'ল সামাজিক লিংগভিত্তিক সমতা স্থাপন কৰা।

২০০১ চনৰ ৩১ আগষ্টৰে পৰা ৭ চেপ্টেম্বৰলৈ দক্ষিণ আফ্রিকাৰ ডাৰবানত বহা প্রজাতিবাদ, প্রজাতিভিত্তিক বৈষম্য, বহিৰাগত আতংক আৰু আনুষংগিক অসহিষ্ণতা বিষয়ক বিশ্ব সন্মিলনখনত এনে বহু জটিল সমস্যাৰ প্রত্যক্ষ আলোচনা কৰা হৈছিল। এই সন্মিলনৰ সচিব প্রধান আছিল মানৰ অধিকাৰ উচ্চায়োগৰ উচ্চায়ুক্ত মেৰী ৰবীনচন। তেওঁ ডাৰবান সন্মিলনৰ প্রস্তুতি সন্দর্ভত ষ্টার্চবার্গত আয়োজিত এখন ইউৰোপীয়ান আঞ্চলিক সভাত কৈছিল, "আধুনিক প্রজাতিবাদৰ চানেকীবোৰ উদ্বেগজনকভাৱে পৃথক। আমি সামাজিক লিংগ আৰু প্রজাতিবাদত বিশেষ মনোযোগ দিব লাগিব তথা ঘটিব পৰা দ্বৈত বৈষম্যবোৰক চিনাক্ত কৰি উলিয়াব লাগিব।"

ওপৰৰ আলোচনাৰ পৰা আমি গম পালো যে সামাজিক লিংগভিত্তিক সমস্যা আৰু সামাজিক লিংগ

বৈষম্যই আন বহুতো সমস্যাৰ সৃষ্টি কৰিব পাৰে। সামাজিক লিংগ আৰু প্রজাতিৰ বিষয় দুটাই সৃষ্টি কৰিব পৰা সমস্যাবোৰ গুৰুত্ব সহকাৰে বিবেচনা কৰাৰ সময় আহি পৰিছে।

## অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৭ ঃ আন্তঃশাখাভিত্তিক বৈষম্যৰ সবাতোকৈ স্পষ্ট উদাহৰণটো কি?

.....

.....

প্রশ্ন ৮ ঃনাৰীৰ ওপৰত চলা প্রজাতিভিত্তিক হিংসাৰ এটা উদাহৰণ দিয়ক।

.....

.....

## ৬.৬ পৰিয়াল আৰু সামাজিক লিংগ প্রভেদ

সামাজিক লিংগ, জীৱিকা আৰু পৰিয়ালৰ মাজত ওতঃপ্রোত সম্পর্ক আছে। জীৱিকা আৰু পৰিয়ালৰ পৰিৱর্তনে সামাজিক লিংগভিত্তিক সম্পর্কবোৰ সলনি কৰে। সামাজিক লিংগভিত্তিক সম্পর্কৰ পৰিৱর্তনে আকৌ পৰিয়াল আৰু জীৱিকালৈ পৰিৱর্তন কঢ়িয়াই আনিব পাৰে। পুৰুষ আৰু নাৰীৰ জীৱন সলনি হোৱাৰ লগে লগে জীৱিকা আৰু পৰিয়ালৰ প্রকৃতিও সলনি হৈছে। জীৱিকা আৰু পৰিয়াল হ'ল সামাজিক লিংগৰ ভিত্তিত গঢ় লৈ উঠা অনুষ্ঠান।

ইতিহাস অধ্যয়নৰ পৰা আৰু বিশ্বৰ ঘটনাক্রম পর্যবেক্ষণ কৰি গম পোৱা গৈছে যে লিংগভিত্তিক অৱস্থাৰ সলনি হোৱাৰ লগে লগে শ্রম বিভাজন প্রক্রিয়াৰ বিকাশ ঘটিছে। জীৱিকা হ'ল ঐতিহাসিকভাৱে পুৰুষ আৰু নাৰী উভয়ে কৰি অহা কার্য। লিংগ হ'ল প্রায় সকলো সমাজৰে সামাজিক সংগঠন গঢ়াৰ এটা গুৰুত্বপূর্ণ আধাৰ। শ্রমৰ লিংগভিত্তিক বিভাজন হ'ল সেইটো প্রক্রিয়া যিটোৰ জৰিয়তে লিংগৰ আধাৰত নানা কাম ভগোৱা হয়। সামাজিক অনুষ্ঠানবোৰত লিংগভিত্তিক প্রভেদ প্রকট কৰাৰ সবাতোকৈ মৌলিক পন্থাটো হ'ল এই শ্রম বিভাজন। আনকি একবিংশ শতিকাতো পুৰুষ আৰু নাৰীয়ে সুকীয়া সুকীয়া ধৰণৰ কাম কৰি আছে। পৰিয়ালৰ ভিতৰত এই লিংগভিত্তিক শ্রম বিভাজন সন্তান ডাঙৰ কৰোঁতে পুৰুষ আৰু মহিলাই পালন কৰা ভিন্ ভিন্ ধৰণৰ দায়িত্বৰ মাজেদি প্রত্যক্ষভাৱে প্রতিফলিত হয়। নাৰীয়ে (পুৰুষে নহয়) সন্তান জন্ম দিব পাৰে- এয়া এক জৈৱিক সত্য। কিন্তু অধিকাংশ সমাজত নাৰীয়েই সন্তান ডাঙৰ-দীঘল কৰাৰ প্রাথমিক দায়িত্বটো পালন কৰিব লাগে। এটা লিংগৰ ভিত্তিত গঢ় লৈ উঠা অনুষ্ঠানৰূপে পৰিয়ালবোৰত প্রচলিত সন্তান তদাৰকৰ এনে লিংগভিত্তিক দায়িত্বৰ প্রভেদ হ'ল এটা উল্লেখযোগ্য উপাদান। ই পুৰুষ আৰু নাৰীৰ কাম তথা পাৰিবাৰিক জীৱনৰ বিভিন্ন দিশ নির্মাণ কৰে। মজুৰি প্রাপক শ্রমিক শক্তিত সক্রিয় হৈ থকা লিংগভিত্তিক শ্রম বিভাজন প্রক্রিয়াটো সকলো জীৱিকাৰ সকলো স্তৰতে সক্রিয় হৈ থকা লিংগভিত্তিক শ্রেণীবিভাজনত স্পষ্টকৈ ধৰা পৰে।

## ৬.৬.১ পৰিয়াল আৰু নাৰীৰ কৰ্মসংস্থাপন পছন্দ কৰাৰ সুযোগ

নাৰীৰ ব্যক্তিগতভাবে কৰ্মসংস্থাপন পছন্দ কৰাৰ সুযোগৰ সৈতে জড়িত তত্ত্বৰোৰক দুটা মতবিৰোধী পৰম্পৰাত ভগাব পৰা যায়।

প্রথম পৰম্পৰাটোৰ অধীনত পৰিয়াল সম্পৰ্কীয় নব্য-ধ্রুপদী (neo-classical ) অর্থনৈতিক তত্ত্বৰোৰ বিচাৰ কৰি চোৱা হয়। এই পৰম্পৰাৰ যুক্তি অনুসৰি পৰিয়ালৰ ক্ষেত্রত এটা পৰম্পৰাগত সামাজিক লিংগভিত্তিক শ্রম বিভাজন হ'ল সবাতোকৈ যুক্তিসংগত ব্যৱস্থা।

দ্বিতীয় পৰম্পৰাটোৰ অধীনত পৰিয়াল সম্পৰ্কীয় সমাজতাত্ত্বিক তত্ত্বৰোৰ বিচাৰ কৰি চোৱা হয়। এই পৰম্পৰাৰ যুক্তি অনুসৰি নাৰীৰ কৰ্মসংস্থাপন পছন্দৰ চানেকী নির্ণয়ত ব্যক্তিগতভাৱে মানি চলা প্রথা নাইবা অগ্রাধিকাৰবোৰৰ তাৎপর্য সর্বাধিক।

'মানৱ মূলধন' (Human Capital)ৰ তত্ত্ব বিকশিত কৰি অর্থনীতিবিদসকলে যুক্তি দর্শাইছে যে পৰিয়াল এককৰ ক্ষেত্রত ঘৰুৱা কাম-কাজত ব্যুৎপত্তি আহৰণ কৰিবলৈ নাৰীয়ে স্থিৰ কৰি লোৱা কর্মপছন্দ আৰু বজাৰকেন্দ্রিক কাম-কাজত ব্যুৎপত্তি আহৰণ কৰিবলৈ পুৰুষে স্থিৰ কৰি লোৱা কর্ম পছন্দ হ'ল অর্থনৈতিক দিশেৰে সবাতোকৈ যুক্তিসংগত ব্যৱস্থা (Mincer and Polachek, 1974) । নাৰীসকলে সন্তান আৰু পৰিয়ালৰ যত্ন লোৱাৰ দায়িত্ব পালন কৰিবলগীয়া হোৱাৰ বাবে নিয়োগ বিৰতি (employment breaks) ল'বলগীয়া হয়, সেয়েহে তেওঁলোকক 'মানৱ মূলধন' ৰূপে মজুৰী প্রদান কৰা কর্মক্ষেত্রত বিনিয়োগ কৰাটো যুক্তিসংগত নহয়। এই যুক্তি নাৰীৰ কর্মসংস্থাপন অভিজ্ঞতাত প্রতিফলিত হয়। গেৰী বেকাৰ (১৯৯১)ৰ লেখনিতো এই অনুমান প্রকাশ পাইছিল যে এটা যুক্তিসংগত 'কর্তা' (actor) হিচাপে পৰিয়াল এককে নাৰীৰ কর্ম ব্যুৎপত্তিৰ উপযোগিতা সর্বাধিক কৰি তুলিবলৈ যথোপযুক্ত আচৰণ প্রদর্শন কৰে। বেকাৰে এয়াও কৈছিল যে পৰিয়াল এটাৰ ভিতৰত অইনৰ মংগলৰ বাবে জীয়াই থকাৰ জীৱন দর্শন ৰ অভিপ্রায় নিহিত থাকে। যিটো প্রতিদ্বন্দ্বিতামূলক বজাৰ পৃষ্ঠভূমিত এই অভিপ্রায় প্রোথিত হয়, সেই পটভূমিত কথাটো কিছু বৈসাদৃশ্যপূর্ণ । সেয়েহে পৰিয়ালৰ সদস্যসকলে (সদস্যসকল অইনৰ দৃষ্টিত 'নিষ্কর্মা সন্তান' হ'লেও) পৰিয়ালটোৰ জ্যেষ্ঠ পৰহিতকাৰী সদস্যগৰাকী (অথবা অনুকম্পাশীল পিতৃস্থানীয় ব্যক্তিগৰাকী) ৰ উপযোগিতামূলক কার্যাৱলী সর্বাধিক কৰি তুলিব পৰা ধৰণৰ আচৰণ কৰিব। সেয়েহে নব্য-ধ্রুপদী পৰিয়ালৰ সমর্থক অর্থনীতিবিদসকলে এই যুক্তি আগবঢ়াইছে যে পৰিয়াল এটাক সামগ্রিকভাৱে উপকৃত কৰিব পৰা যুক্তিসংগত সর্বোচ্চ মানলৈ বর্দ্ধিতকৰণ নীতিৰ দ্বাৰা নাৰী আৰু পুৰুষৰ মাজত ঘৰুৱা তথা বজাৰকেন্দ্রিক কাম-কাজ আবণ্টনৰ সিদ্ধান্ত (নাৰীৰ কর্মসংস্থাপন বাছনিৰ আর্হি) গ্রহণ প্রক্রিয়াটো পৰিচালিত হয়।

নাৰীবাদী অর্থনীতিবিদসকলে নব্য-ধ্রুপদী ধাৰণাটোৰ বিস্তৃত সমালোচনা কৰিছে। কোনোবাই যুক্তি দর্শাব পাৰে যে কার্যক্ষেত্রত অংশগ্রহণৰ বিষয়টোত আমাৰ দৰে পৰম্পৰাগত সমাজৰ বিশেষকৈ নাৰীয়ে প্রায়েই স্ব-ইচ্ছাৰে অংশকালীন চাকৰিত যোগ দিয়াৰ অগ্রাধিকাৰ দেখুওৱা পৰিলক্ষিত হয়। তেওঁলোকে আনকি স্থায়ী অথবা সাময়িকভাৱে শ্রম শক্তিৰ বাহিৰত থকাৰ ইচ্ছাও প্রকট কৰিব পাৰে। বাস্তৱক্ষেত্রত দেখা গৈছে যে বহুতো নাৰীয়ে ঘৰুৱা কাম-কাজত ব্যস্ত হৈ থাকিয়েই সন্তুষ্টি পায়। আন বহুতো নাৰীয়ে শ্রম বজাৰত অংশগ্রহণৰ ক্ষেত্রত অধিকতৰ নমনীয়তা আশা কৰে। ইয়াৰ উপৰি ঐতিহাসিক

দৃষ্টিকোণেৰে নাৰীয়ে সদায় পৰিয়ালৰ সন্তানবোৰৰ তদাৰকৰ প্রধান দায়িত্বটো পালন কৰি আহিছে। এই ক্ষেত্রত জৈৱিক বাধ্যবাধকতা অথবা স্বৈচ্ছিক অব্যাহতি দুয়োটা কাৰকেই নাৰীক বজাৰকেন্দ্রিক কর্মশক্তিৰ পৰা আঁতৰাই ৰাখিব পাৰে। কিন্তু ইয়াৰ বাবে নাৰীয়ে বৈষম্যৰ বলি হোৱা বুলি কোনেও অভিযোগ কৰিব নোৱাৰে। কিন্তু দেখা যায় যে কেৱল নাৰীসমাজহে কিছুমান নির্দিষ্ট সামাজিক নিষেধৰ লক্ষ্য অথবা তেওঁলোকক কিছুমান সামাজিক, সাংস্কৃতিক নাইবা অন্য ধৰণৰ বাধ্য বাধকতাৰ নামত বজাৰকেন্দ্রিক শ্রমত যোগদান কৰাৰ পৰা বিৰত ৰখা হয় অথবা বাধা দিয়া হয় নাইবা চাকৰিৰ বাবে প্রতিযোগিতা কৰাৰ সময়ত নানা আহুকালৰ সন্মুখীন হ'বলগীয়া পৰিস্থিতিৰ সৃষ্টি কৰা হয়। এয়া শ্রম বজাৰ বৃত্তিগত তথা ঔদ্যোগিক শ্রেণীবিভাজনৰ ফল। আকৌ, কেতিয়াবা বয়স, অভিজ্ঞতা, শিক্ষা, দক্ষতা, উৎপাদনশীলতা আদি কোনো ক্ষেত্রতে দৃশ্যমান প্রভেদ নেদেখুওৱা সত্বেও নাৰীক ইচ্ছাকৃতভাৱে পুৰুষৰ সমান মজুৰী দিয়া নহয়। এনেবোৰ পৰিস্থিতিক নিশ্চয়কৈ সামাজিক 'লিংগভিত্তিক বৈষম্য'ৰ শিতানত অন্তর্ভুক্ত কৰিব পাৰি। সহজ অর্থত, নাৰীৰ শ্রম বজাৰত অনা-অংশগ্রহণৰ দিশটোৱে যেতিয়া স্বাভাৱিক নাইবা স্বেচ্ছাপূর্বক ভাৱে আৰোপিত বাধ্যবাধকতাৰ সীমা অতিক্রম কৰে অথবা দুয়োটা লিংগৰ মাজত সকলোৱে দেখাকৈ আচৰণৰ প্রভেদ থাকে আৰু সেয়া শ্রম বজাৰে ইচ্ছাকৃতভাৱে গঢ়ি লোৱা এটা ব্যৱস্থা হয়, তেন্তে এই বিষয়টোক সামাজিক তথা অর্থনৈতিক তাৎপর্য থকা সমস্যা বুলি গণ্য কৰা হয়।

ওপৰত আলোচনা কৰা কর্মত অংশগ্রহণ, মজুৰীৰ মাজত থকা পার্থক্য, বৃত্তিগত অথবা ঔদ্যোগিক শ্রেণীবিভাজন আদিৰ দৰে শ্রম বজাৰত প্রচলিত পক্ষপাতিত্বমূলক আচৰণবোৰৰ পাৰস্পৰিক সম্পর্ক আছে। নাৰীয়ে কিছুমান বিশেষ ধৰণৰ কাম (উদ্যোগ আদিও)ৰ প্রতি আগ্রহ প্রদর্শন কৰাৰ পূৰামাত্রাই সম্ভাৱনা আছে। তেওঁলোকে অধিকতৰ নমনীয়তা থকা কিন্তু সম্ভৱতঃ কম মজুৰী পোৱা কামত অংশগ্রহণ কৰাৰ বিশেষ আগ্রহ দেখুৱাব পাৰে। ইয়াৰ ফলতেই উদ্যোগবোৰত লিংগভিত্তিক বৃত্তিগত শ্রেণীবিভাজনৰ সৃষ্টি হয় আৰু নাৰীৰ উপার্জনত প্রভাৱ পৰে। কিন্তু প্রকৃতার্থত এনে ধৰণৰ উপার্জন ব্যৱধানক 'বৈষম্য' বুলি নোকোৱাই শ্রেয়। কাৰণ, এই ব্যৱস্থাই 'একে কামৰ বাবে একে মজুৰী' নীতি উলংঘা নকৰে। শ্রম বজাৰৰ এনে সম্ভাব্য কার্যসম্পাদন নীতিটোক শ্রমিকৰ চাহিদা আৰু যোগানৰ দিশেৰে গভীৰভাৱে অধ্যয়ন কৰি চোৱা উচিত। শ্রমিক যোগানৰ সৈতে জড়িত কাৰকবোৰৰ অধ্যয়নৰ সময়ত নাৰীয়ে কিয় কিছুমান নির্দিষ্ট প্রকাৰৰ চাকৰি অথবা অর্থনৈতিক খণ্ডত (বৃত্তি অথবা উদ্যোগ)ত কাম কৰাটোক অগ্রাধিকাৰ দিয়ে সেয়া নির্ণয় কৰাত মনোনিৱেশ কৰা হয়। আনহাতে, শ্রমিকৰ চাহিদা অধ্যয়নৰ সময়ত মনোনিৱেশ কৰা মূল বিষয়টো হ'ল কিয় নিয়োগকর্তাই সাধাৰণতে কোনো নির্দিষ্ট বৃত্তি (উদ্যোগ)ৰ বাবে নাৰী অথবা পুৰুষক নিয়োগ কৰাত অগ্রাধিকাৰ দিয়ে। এই 'অগ্রাধিকাৰ' শ্রম বজাৰত প্রচলিত সামাজিক তথা সাংস্কৃতিকভাৱে স্বীকৃত প্রথা আৰু সামাজিক লিংগভিত্তিক গতানুগতিকতা নির্ণয় কৰা প্রমূল্যবোৰৰ দ্বাৰা প্রভাৱিত হয়।

কর্মত অংশগ্রহণ, কর্মসংস্থাপনৰ সুযোগ, শ্রেণীবিভাজন, মজুৰীৰ মাজত থকা ব্যৱধান আদিৰ দৰে শ্রম বজাৰত চলি থকা বিভিন্ন ধৰণৰ সামাজিক লিংগ বৈষম্যৰ উপৰি জীৱনৰ আন আন ক্ষেত্রতো নাৰীসকল নানা ধৰণৰ বৈষম্যৰ বলি হয়। এই কথা সকলোৱে জ্ঞাত যে উপার্জনৰ লগতে শিক্ষা, পুষ্টি সমর্থন স্বাস্থ্য যত্নৰ দৰে দিশবোৰতো নাৰী বৈষম্যৰ চিকাৰ হৈ আহিছে। ভাৰতত এই কথা এতিয়াও সত্য যে পৰিয়ালত কন্যাশিশুবোৰক ভৰিষ্যৎ উপার্জনৰ সম্ভাব্য উৎস বুলি ধৰা নহয়। ইয়াৰ ফলত সমাজত এক ধৰণৰ নাৰী বিৰোধী পক্ষপাতিত্বমূলক আচৰণৰ উত্থান ঘটিছে।

### অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৯ ঃ ঐতিহাসিকভাৱে কেনেদৰে শ্রম বিভাজন প্রক্রিয়াটো বিকশিত হৈছে?

.....

.....

প্রশ্ন ১০ ঃ শ্রমৰ লিংগভিত্তিক বিভাজন বুলিলে কি বুজে?

.....

.....

প্রশ্ন ১১ ঃ নাৰীৰ কর্মসংস্থাপনৰ সৈতে জড়িত ব্যক্তিগত পছন্দৰ দিশটোৰ তাৎপর্য প্রকাশ কৰা মতবিৰোধ সম্পন্ন পৰম্পৰাত বিভাজিত তত্ত্বৰ ভাগ দুটা কি কি?

.....

.....

## ৬.৭ জীৱিকা আৰু সামাজিক লিংগ প্রভেদ

সামাজিক লিংগই জীৱিকা আৰু কর্মী সম্পর্কে থকা সামাজিক প্রত্যাশাবোৰ গঢ়ি তোলে। জীৱিকাৰ মাজত থকা সম্পর্কবোৰ বুজাত সামাজিক লিংগৰ প্রভাৱে সক্রিয় ভূমিকা পালন কৰে। দুটা জীৱিকাৰ মাজত থকা পদানুক্রমিক সম্পর্কৰ প্রকৃতিও সামাজিক লিংগই নির্ধাৰণ কৰে। এনে পদানুক্রমিক সম্পর্কই জীৱিকাৰ উলম্ব শ্রেণীবিভাজন ঘটায় আৰু অনানুষ্ঠানিক সম্পর্কবোৰে জীৱিকাৰ আনুভূমিক শ্রেণীবিভাজন সুদৃঢ় কৰে।

এই শিতানত আমি বিগত ত্রিশ বছৰত সামাজিক লিংগৰ ভূমিকা, সামাজিক লিংগভিত্তিক মনোভাৱ আৰু মজুৰী পোৱা কামৰ ক্ষেত্রত হোৱা সমান্তৰাল পৰিৱর্তনবোৰ বিশ্লেষণ কৰিম। নাৰী, বিশেষকৈ মাতৃসকলে ক্রমবর্দ্ধিত হাৰত বেতন পোৱা কামত যোগদান কৰা পৰিলক্ষিত হৈছে। বহুতো নিয়োগ পদ্ধতি আগতকৈ নমনীয় হৈছে যদিও কর্মসংস্থাপনভিত্তিক সুৰক্ষাৰ পৰিমাণ কমি গৈছে। নাৰীয়ে কর্মক্ষেত্রত সমতাৰ পূর্ণ অধিকাৰ লাভ কৰিছে যদিও উচ্চ পদবীত এতিয়াও নাৰী প্রতিনিধিৰ সংখ্যা প্রয়োজনতকৈ কমি আছে। পুৰুষ আৰু নাৰীৰ মাজত থকা মজুৰীৰ ব্যৱধান আঁতৰ হোৱা নাই। নাৰীৰ ক্ষেত্রত দেখুওৱা এই অবিৰত অসমতাৰ আর্হিটো ব্যাখ্যা কৰাৰ বিভিন্ন অজুহাত আছে। প্রধান ব্যাখ্যাটো হ'ল গার্হস্থ্য জীৱনৰ আদর্শ। এই আদর্শই এতিয়াও পৰিয়ালৰ সদস্যৰ যত্ন লোৱাৰ গুৰুদায়িত্ব নাৰীকেই আবণ্টন কৰি আছে। এই আদর্শই বিশেষভাৱে 'নৈতিক মাতৃত্ব' (moral motherhood) ৰ ধাৰণাটো সমর্থন কৰে। এনে মাতৃ আত্ম-বলিদান দিবলৈ সদা প্রস্তুত, কোনো ধৰণৰ বিশেষ আসক্তিহীন আৰু 'এখন হৃদয়হীন পৃথিৱীত এক সৰগ'ৰ তদাৰক কৰাৰ কামত উৎসর্গিকৃত বুলি ধৰা হয়। ইয়াৰ দ্বাৰা পুৰুষতকৈ নাৰীৰ নৈতিকশ্রেষ্ঠতাৰ দাবী সৃষ্টি কৰাৰ প্রক্রিয়া এটাৰ সূচনা হৈছিল। বিংশ শতিকাৰ শেষৰ ফালে জোৱান ৰিলিয়ামচে এই যুক্তি দাঙি ধৰিছিল যে 'গার্হস্থ্যজীৱনৰ মৃত্যু ঘটা নাই, ইয়াক কেৱল মূক কৰি ৰখা হৈছে' (২০০০.৩)। নাৰীয়ে (বিশেষকৈ মাতৃসকলে) বিভিন্ন কামত বর্দ্ধিত হাৰত যোগদান কৰিবলৈ লৈছে যদিও এতিয়াও সন্তানৰ তদাৰক আৰু ঘৰুৱা জীৱনৰ সৈতে জড়িত কামকাজবোৰ সংগঠিত কৰাই তেওঁলোকৰ প্রধান দায়িত্ব হৈ আছে। নিয়োগকর্তাই অবিৰতভাৱে

'আদর্শ কর্মী' নিয়োগ কৰিব বিচাৰি আছে। এই আদর্শ কর্মীসকল হ'ল পূর্ণ কালীন কর্মচাৰী। এনে কর্মচাৰীসকল পৰিয়ালৰ কাম-কাজৰ দায়িত্বৰ পৰা সম্পূর্ণ মুক্ত হ'ব লাগিব (Williams, 2000:20)। নাৰীবাদৰ দ্বিতীয়টো লহৰৰ উত্থানৰ লগে লগে বেতন পোৱা কামৰ ক্ষেত্রখনৰ বিশ্বজনীন ৰূপান্তৰ প্রক্রিয়াটোৱে গার্হস্থ্যজীৱনক মূক কৰি ৰখাৰ ক্ষমতা বৃদ্ধি কৰিছিল। নাৰীয়ে বেতন পোৱা কামত যোগদানৰ সুযোগ আৰু এনে কামত সমতাৰ দাবী উত্থাপন কৰিছিল। নমনীয় প্রকৃতিৰ কর্মসংস্থাপন লাভৰ সুযোগ বৃদ্ধি পোৱাৰ লগে লগে নামমাত্র লাভদায়ী কামৰ ক্ষেত্রখন সম্প্রসাৰিত হৈছিল। এনে কামৰ বাবে 'আদর্শ কর্মী'ৰ প্রয়োজন নাছিল। কিন্তু একে সময়তে 'আদর্শ কর্মী'ৰ চাহিদাও বৃদ্ধি পাইছিল। সেৱাত নিযুক্তি লাভৰ সুযোগ বঢ়াটোৱে নাৰীক উপকৃত কৰিছিল। নাৰীৰ চাৰিত্রিক বৈশিষ্ট্যৰ সৈতে গতানুগতিকভাৱে সংলগ্ন কৰি ৰখা সহমর্মিতা আৰু সম্পর্ক তথা প্রতিপাল কৰাৰ গুণবোৰক সেৱা অর্থনীতিৰ সৈতে জড়িত কর্মীৰ প্রধান গুণ বুলি ধৰি লোৱা হৈছিল। এই সময়ছোৱাত প্রদর্শিত হোৱা যুক্তি অনুসৰি 'আত্মবাচক আধুনিকতা' (reflexive modernity)ৰ নমনীয় তথা ব্যক্তিগতকৃত কর্ম পৰিৱেশত লাহে লাহে লিংগ প্রভেদ নাইকিয়া হ'ব।

## ৬.৭.১ ঔদ্যোগিক যুগত পৰিয়াল, জীৱিকা আৰু সামাজিক লিংগ প্রভেদ

বিংশ শতিকাত অধিকাংশ ঔদ্যোগীকৃত ৰাষ্ট্রৰে কর্ম তথা পাৰিবাৰিক জীৱনত নাটকীয় পৰিৱর্তন ঘটিছিল। শতিকাটোৰ আৰম্ভণিত ঔদ্যোগিকীকৰণৰ শক্তিসমূহে পূর্ণোদ্যমে কাম কৰি আছিল। শতিকাটোৰ শেষার্ধক এচামে 'দ্বিতীয় ঔদ্যোগিক বিপ্লৱ' বুলি অভিহিত কৰে। এই সময়ছোৱাত 'বিশ্বজনীন অর্থনীতি'ৰ ধাৰণাটোৰ উত্থান ঘটিছিল। ঔদ্যোগিকীকৰণে কর্ম আৰু পাৰিবাৰিক জীৱনৰ প্রকৃতি যথেষ্ট পৰিমাণে সলাই পেলাইছিল। কল-কাৰখানা স্থাপনৰ সংখ্যা বঢ়াৰ লগে লগে সামগ্রী উৎপাদন প্রক্রিয়াটো ঘৰৰ পৰা কল-কাৰখানালৈ স্থানান্তৰিত হৈছিল। পৰিয়ালবোৰে এগৰাকী নাইবা একাধিক সদস্যক এনে ঔদ্যোগিক স্থানলৈ কাম কৰিবলৈ পঠাইছিল। ঔদ্যোগিকীকৰণৰ প্রসাৰ ঘটাৰ লগে লগে আন বহুতো গুৰুত্বপূর্ণ সামাজিক পৰিৱর্তন সংঘটিত হৈছিল। ইয়াৰ এটা উদাহৰণ হ'ল নগৰীকৰণ প্রক্রিয়া। ডাৰখেইমৰ ভাষাত সমাজৰ যান্ত্রিকৰপৰা জৈৱিক ভ্রাতৃত্ববোধলৈ অৱস্থান্তৰ ঘটিছিল। পৰিচালক আৰু অন্য বৃত্তিজীৱীৰে গঠিত ক্রমবর্দ্ধিত মধ্যবিত্ত শ্রেণীটোৰ বাবে নগৰীকৰণ প্রক্রিয়াটোৱে কাম তথা পৰিয়ালৰ মাজৰ ব্যৱধান বৃদ্ধি কৰিছিল। ভৌগোলিক আৰু প্রতীকী দুয়ো ধৰণে এই ব্যৱধান বাঢ়ি গৈছিল। এই বিচ্ছিন্নতা ঔদ্যোগিক তথা আবাসিক এলেকাবোৰৰ মাজত স্পষ্ট সীমা নির্দ্ধাৰণৰ বিভিন্ন স্থাপত্যমূলক সজ্জা তথা মণ্ডল বিভাজন আইনৰ দ্বাৰা অধিক স্পষ্ট কৰি তোলা হৈছিল। কাম আৰু পৰিয়ালৰ মাজত সৃষ্ট এই ভৌতিক সীমা শ্রমৰ সামাজিক লিংগাভিত্তিক বিভাজনৰ দ্বাৰা সুদৃঢ় কৰা হৈছিল। মধ্যবিত্ত শ্রেণীৰ বাবে কর্মস্থলী হৈ পৰিল পুৰুষৰ আধিপত্য থকা ক্ষেত্র। আনহাতে, পৰিয়ালবোৰ হৈ পৰিল নাৰী আৰু সন্তানৰ দ্বাৰা পৰিচালিত ক্ষেত্র। মধ্যবিত্ত শ্রেণীৰ গৃহিণীসকলে খাদ্য প্রস্তুত কৰিছিল ঘৰ চাফ-চিকুণ কৰি ৰাখিছিল,ল'ৰা -ছোৱালী ডাঙৰ কৰিছিল, পৰিয়ালৰ সদস্যকআৱেগিক সমর্থন আগবঢ়াইছিল, মনোৰঞ্জন প্রদান কৰিছিল আৰু স্বামীৰ কর্মজীৱনৰ অগ্রগতিৰ স্বার্থত নিজৰ উচ্চাকাংক্ষাক জলাঞ্জলি দিছিল। অর্থাৎ, বিবাহিত মধ্যবিত্ত শ্রেণীৰ পুৰুষ এজনে দুগৰাকী ব্যক্তিৰ কর্ম নির্ধাৰণ কৰিছিল। কর্মক্ষেত্র আৰু পৰিয়ালৰ মাজত থকা ভৌগোলিক ব্যৱধানৰ বাবে ঔদ্যোগিক যুগত মধ্যবিত্ত শ্রেণীৰ বিবাহ আৰু পাৰিবাৰিক জীৱন মধ্যবিত্ত শ্রেণীৰ বাবে উপযুক্ত কর্মৰ চাহিদাৰ দ্বাৰা গঢ় লৈ উঠিছিল।

## অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১২ ঃ গার্হস্থ্য জীৱনৰ আদর্শই নাৰীক কি কার্য আবণ্টন কৰিছিল ?

.....

.....

প্রশ্ন ১৩ ঃ কর্ম আৰু পাৰিবাৰিক জীৱনৰ প্রকৃতি কিহে যথেষ্ট পৰিমাণে সলাই পেলাইছিল ?

.....

.....

## ৬.৮ সম্পত্তিৰ অধিকাৰ আৰু নাৰী

নাৰীক সম্পত্তিৰ অধিকাৰ প্রদান কৰাটো কেৱল মানৱ অধিকাৰ আৰু সামাজিক লিংগ সমতাৰেই অংশ নহয়, ই সকলো লোকৰ অর্থনৈতিক উন্নয়ন সম্ভৱপৰ কৰি তুলিব পৰা এক মৌলিক নীতি। বহুতো গৱেষণাৰ পৰা পোৱা গৈছে যে যেতিয়া নাৰীৰ উপার্জন বাঢ়ে,এই অতিৰিক্ত উপার্জনখিনি পৰিয়ালৰ বর্দ্ধিত পণ্যদ্রব্য উপভোগত খৰছ হয় আৰু এনেকৈয়ে ই সামগ্রিক অর্থনৈতিক উন্নয়নত অৰিহণা আগবঢ়ায়। আনহাতে, পুৰুষে নিজৰ উপার্জনৰ অধিক অংশ ব্যক্তিগত সামগ্রী ক্রয়ত খৰছ কৰে। সম্পত্তিত নাৰীৰ অধিকাৰ খটুওৱাৰ সুযোগ কম হোৱা কথাটোৱে অন্যান্য উন্নয়নমূলক সমস্যাৰ সৃষ্টি কৰিছে। যেনে, শিক্ষাৰ মান নিম্নগামী হৈছে, ক্ষুধাৰ পৰিমাণ বাঢ়িছে আৰু মানুহৰ স্বাস্থ্য বেয়া হৈছে। নাৰীৰ ক্ষেত্রত গ্রাম্য আৰু নগৰীয় উভয় ধৰণৰ দৰিদ্রতাৰে আন্তঃসম্পর্ক আছে। গাঁৱত বাস কৰা নাৰীৰ যদি নিজাকৈ মাটি থাকে অথবা মাটি নিয়ন্ত্রণৰ অধিকাৰ থাকে, তেন্তে তেওঁৰ উপার্জন বঢ়াৰ অৱকাশ থাকে। এনে মাটিত তেওঁৰ ব্যক্তিগত অথবা যুটীয়া অধিকাৰ থাকিব পাৰে। তেওঁ আইনে স্বীকৃতি দিয়া মাটিৰ ব্যৱহাৰ আৰু উত্তৰাধিকাৰ অধিকাৰৰ সুবিধা গ্রহণ কৰিব পাৰে। গাঁৱৰ নাৰীক অহৰহ গ্রাম্য ভূমি অধিকাৰ উপভোগৰ সুবিধাৰপৰা আঁতৰত ৰখা হৈছে বাবে বহুতো নাৰী চহৰ-নগৰ অভিমুখী হৈছে। চহৰ-নগৰলৈ আহি তেওঁলোকে বস্তি এলেকাবোৰত ক্রমে সংখ্যা বাঢ়িবলৈ ধৰা নাৰী নেতৃত্বাধীন অথবা কেৱল নাৰী সদস্যা থকা পৰিয়ালত থাকিবলৈ লৈছে। এনে অঞ্চলবোৰত থকা সাধাৰণ সমস্যা দুটা হ'ব অনুপযুক্ত বাসগৃহ আৰু গৃহহীন অৱস্থা।

বাসগৃহ নির্মাণ কৰিবলৈ আৰু উদ্যমিতা বিষয়ক কাম-কাজৰ বাবে সম্পত্তিৰ দৰে ব্যৱহাৰ কৰিবলৈ নাৰীৰ মাটিৰ ওপৰত থকা আধিকাৰক অসংখ্য আন্তঃৰাষ্ট্রীয় ন্যায়িক চুক্তি তথা ঘোষণাপত্রই স্বীকৃতি দিছে। ১৯৪৮ চনত গৃহীত ৰাষ্ট্রসংঘৰ সাধাৰণ পৰিষদৰ মানৱ অধিকাৰ বিষয়ক সার্বজনীন ঘোষণাপত্রত নাৰীৰ পুৰুষৰ সমানেই সম্পত্তিৰ অধিকাৰ থকা কথাটোৰ গুৰুত্ব স্বীকাৰ কৰি এই অধিকাৰক স্বীকৃতি দিয়া হৈছে। নাৰীৰ সম্পত্তিৰ অধিকাৰক স্বীকৃতি দিয়া আন দুখন আন্তঃৰাষ্ট্রীয় নথি হ'ল ১৯৯৫ চনত অনুস্থিত বেইজিং বিশ্ব সম্মিলনত গৃহীত কার্য সম্পাদন মঞ্চৰ সিদ্ধান্ত আৰু ২০০০ চনত গৃহীত সহস্রাব্দ উন্নয়ন লক্ষ্য। ভাৰতত ১৯৫৬ চনৰ হিন্দু উত্তৰাধিকাৰ আইনৰ অধীনত নাৰীৰ সম্পত্তিৰ অধিকাৰক যথেষ্ট উন্নত নিয়মৰ অধীনত ন্যায্যতা প্রদান কৰা হৈছে। নাৰীয়ে উত্তৰাধিকাৰী সূত্রে সম্পত্তি লাভ কৰাৰ সময়ত নামমাত্র স্থাবৰ সম্পত্তি লাভৰহে যোগ্য বুলি থকা ধাৰণাটো সম্পূর্ণ নির্মূল কৰা হৈছে। এতিয়া দেশৰ নাৰীয়ে পুৰুষৰ সমানেই উত্তৰাধিকাৰী সূত্রে স্থাবৰ সম্পত্তি লাভ কৰাৰ যোগ্য। ইয়াৰ লগতে

পিতৃ-মাতৃৰ আগতে মৃত্যুবৰণ কৰা পুত্ৰৰ জীয়ৰী আৰু কন্যাৰ জীয়ৰীৰ সম্পত্তিৰ অধিকাৰ আগতকৈ অধিক কৰা হৈছে। তেওঁলোকক বৰ্তমান প্ৰথম শ্ৰেণীৰ উত্তৰাধিকাৰী (Class-1) ৰ মৰ্যাদা দিয়া হয় আৰু তেওঁলোকে পৰিয়ালৰ পুত্ৰ তথা অন্য প্ৰথম শ্ৰেণীৰ উত্তৰাধিকাৰীৰ সমানেই সম্পত্তিৰ অংশ লাভ কৰে। সামাজিক লিংগ বৈষম্য আঁতৰ কৰিবলৈ পৰিয়ালৰ কন্যা সন্তানকো প্ৰথম শ্ৰেণীৰ উত্তৰাধিকাৰীৰ মৰ্যাদা দিয়া হৈছে। এনেদৰে, নাৰীৰ নিজা সম্পত্তি অথবা 'স্ত্ৰীধন' যি ধৰণৰে নহওক কিয়, এনে সম্পত্তি উত্তৰাধিকাৰীসূত্ৰে লাভ কৰা নিয়ম সকলোৰে বাবে একে কৰা হৈছে। ইয়াৰ লগতে পৰুষ আৰু নাৰী উত্তৰাধিকাৰীৰ মাজত থকা সকলো প্ৰভেদ আঁতৰ কৰা হৈছে। তেওঁলোকে যদি পিতৃ-মাতৃৰ সৈতে সম্পৰ্কৰ সমান মাত্ৰা ভাগ-বাটোৱাৰা কৰে, তেন্তে তেওঁলোকে উত্তৰাধিকাৰী সূত্ৰে সম্পত্তিও সমানে লাভ কৰিব। এতিয়া নাৰীক অসতীত্বৰ ভিত্তিত সম্পত্তিৰ উত্তৰাধিকাৰী হোৱাৰ সুযোগৰ পৰা বঞ্চিত কৰিব পৰা নাযায়। ইমানৰ পাছতো কিন্তু সমগ্ৰ বিশ্বতে নাৰীয়ে ভূ-সম্পত্তি আৰু অন্য স্থাবৰ সম্পত্তিৰ মাত্ৰ ১-২ শতাংশহে লাভ কৰি আছে। এনে সৰ্বব্যাপ্ত অনিয়মৰ কেনেকৈ প্ৰচলন ঘটিল আৰু ইয়াক কিহে সাৰ-পানী যোগাই আহিছে? ইতিহাস অধ্যয়নৰ দ্বাৰা গম পোৱা যাব যে অসংখ্য সাংস্কৃতিক, ন্যায়িক, ৰাজনৈতিক আৰু সামাজিক কাৰকে প্ৰণালীৱদ্ধভাৱে নাৰীৰ সম্পত্তিৰ অধিকাৰ খৰ্ব কৰি আহিছে অথবা নাৰীক সম্পত্তিৰ অধিকাৰ উপভোগৰ পৰা আঁতৰাই ৰাখিছে।

বিশ্বৰ আনবোৰ দেশৰ দৰে ভাৰততো বিভিন্ন প্ৰগতিশীল শক্তি আৰু স্থিতাৱস্থা সমৰ্থকৰ মাজত অবিৰতভাৱে চলি থকা মতানৈক্যৰ মাজতে নাৰীৰ সম্পত্তিৰ অধিকাৰৰ বিষয়টোৱে বৰ্তমানৰ ৰূপ ধাৰণ কৰিছে। বিশ্বৰ আন আন প্ৰান্তৰ দৰে ভাৰতীয় নাৰীৰ সম্পত্তিৰ অধিকাৰো অসমান আৰু অন্যায়পূৰ্ণ। পাৰ হৈ যোৱা শতিকাটোত ভাৰতীয় নাৰীয়ে বিভিন্ন ক্ষেত্ৰত অভূতপূৰ্ব অগ্ৰগতি লাভ কৰিছে। তথাপিও, পৰিমাণ আৰু গুণ উভয় দিশেৰে নাৰীয়ে পুৰুষতকৈ সদায় কম সম্পত্তি লাভ কৰি আহিছে।

ভিন্ন ধৰ্মৰ গৃহভূমি ভাৰতে বৰ্তমানেও একৰূপী নাগৰিক সংহিতা এটাৰ প্ৰচলন ঘটাব পৰা নাই। সেয়েহে,প্ৰতিটো ধৰ্মীয় সম্প্ৰসায়ে বিভিন্ন বিষয়ত নিজ নিজ ধৰ্মৰ ব্যক্তিগত আইন মানি চলে। সম্পত্তিৰ অধিকাৰ হ'ল তেনে এক বিষয়। বিভিন্ন ধৰ্মীয় দলৰ মাজতে আকৌ বহুতো উপ-দল, স্থানীয় পৰম্পৰা আৰু স্বীকৃত প্ৰথা আছে। এইবোৰৰ অধীনত সংশ্লিষ্ট ব্যক্তিৰ সম্পত্তিৰ অধিকাৰ নিৰ্ণয় কৰা হয়। ভাৰতৰ হিন্দু, শিখ, বৌদ্ধ আৰু জৈন ধৰ্মাৱলম্বী লোকসকলে ১৯৫৬ চনৰ হিন্দু উত্তৰাধিকাৰী আইন মানি চলে। কিন্তু খৃষ্টান ধৰ্মাৱলম্বীয়ে আন এক সংহিতা মানি চলে আৰু ইছলাম ধৰ্মাৱলম্বীসকলৰ বাবে এতিয়াও কোনো সম্পত্তিৰ অধিকাৰ বিষয়ক লিখিত নীতি-নিয়ম নাই। ইছলাম ধৰ্মৰ চিয়া আৰু চুন্নী দুয়োটা বিভাগৰ ক্ষেত্ৰতে এই কথা প্ৰযোজ্য। বিভিন্ন ধৰ্ম আৰু ৰাজ্যৰ জনজাতি সম্প্ৰদায়ৰ নাৰীসকলে নিজ নিজ সম্প্ৰদায়ৰ পৰম্পৰা তথা স্বীকৃত প্ৰথাৰ অধীনতহে সম্পত্তিৰ অধিকাৰ উপভোগ কৰিব পাৰে। বিষয়টো আৰু অধিক জটিল কৰি তুলিবলৈ ভাৰতীয় সংবিধানে উত্তৰাধিকাৰী সন্দৰ্ভত কেন্দ্ৰ তথা ৰাজ্য চৰকাৰক প্ৰয়োজনীয় আইন প্ৰণয়নৰ অধিকাৰ দিছে। সেয়েহে কিছুমান ৰাজ্যই প্ৰতিখন ব্যক্তিগত আইনৰ পৰিসীমাৰ ভিতৰত সম্পত্তি আইনৰ নিজ নিজ সংস্কাৰণ বলবৎ কৰিছে।

## অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১৪ ঃ নাৰীৰ উপাৰ্জন বৃদ্ধি হ'লে কি ঘটে?

.....

.....

প্রশ্ন ১৫ ঃ নাৰীৰ সম্পত্তিৰ অধিকাৰ উন্নত কৰি তোলা আইনখনৰ নাম লিখক।

.....

.....

## ৬.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সমাজৰ এটা স্তৰত সৃষ্টি হোৱা অসমতাৰ প্ৰায়েই সমাজৰ অন্য স্তৰ কেইটামানত ক্ৰিয়াশীল হৈ থকা আন কিছুমান সামাজিক প্ৰক্ৰিয়াৰ দ্বাৰা সুদৃঢ়কৰণ ঘটে। দুটা আন্তঃসম্পৰ্কযুক্ত প্ৰক্ৰিয়াই এনে অসমতাবোৰৰ পুনঃসৃষ্টি কৰে। এই প্ৰক্ৰিয়া দুটা হ'ল- আনুষ্ঠানিকীকৰণ আৰু বৈধকৰণ।
- শ্ৰেণী আৰু সামাজিক লিংগৰ মাজত সম্পৰ্ক আছে। শ্ৰেণী প্ৰভেদে সমাজত সামাজিক লিংগ প্ৰভেদৰ প্ৰবিষ্ট পথ সুচল কৰি তোলে। এই প্ৰবিষ্টভৱনে কেতিয়াবা সামাজিক লিংগ সচেতনতাৰ শ্ৰেণী সচেতনতা অতিক্ৰম কৰাৰ সম্ভাৱনা নাইকিয়া কৰে।
- অসমতাৰ দুটা প্ৰধান কাৰণ হ'ল প্ৰজাতি আৰু সামাজিক লিংগ বৈষম্য।
- সামাজিক লিংগ, জীৱিকা আৰু পৰিয়ালৰ মাজত ওতঃপ্ৰোত সম্পৰ্ক আছে। জীৱিকা আৰু পৰিয়ালৰ পৰিৱৰ্তনে সামাজিক লিংগভিত্তিক সম্পৰ্কবোৰ সলনি কৰে তথা সামাজিক লিংগভিত্তিক সম্পৰ্কৰ পৰিৱৰ্তনে পৰিয়াল আৰু জীৱিকাৰ পৰিৱৰ্তন সাধন কৰে।
- নাৰীক সম্পত্তিৰ অধিকাৰ প্ৰদান কৰাটো কেৱল মানৱ অধিকাৰ আৰু লিংগ সমতাৰেই অংশ নহয়, ই সকলো লোকৰ অৰ্থনৈতিক উন্নয়ন সম্ভৱপৰ কৰি তুলিব পৰা এক মৌলিক নীতি। সম্পত্তিত নাৰীৰ অধিকাৰ খটুওৱাৰ সুযোগ কম হোৱা কথাটোৱে অন্যান্য উন্নয়নমূলক সমস্যাৰ সৃষ্টি কৰিছে।

## ৬.১০ অধিক জানিবলৈ


1) Rajan, R.S. 1999. *Signposts-Gender Issues in Post –Independence India*. New Jersey: Rutgers University Press.

2) Murthy, N.Let.2007. *Towards Gender Equality: India's Experience*. New Delhi: Serials Publications.

3) Beauvoir , Simone de. 2010. *The Second Sex*. New York: Knopf Doubleday Publishing Group.


## ৬.১১ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ পুৰুষ আৰু নাৰীৰ মাজৰ ব্যৱধান নথকা বৰ্তমান সময়ৰ ক্ষেত্ৰ দুখন হ'ল-

(i) শৈক্ষিক সফলতা আৰু

(ii) মজুৰি প্ৰাপক শ্ৰমিক শক্তিত উভয় সামাজিক লিংগৰ সমান অংশগ্ৰহণ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ অসমতা সৃষ্টিকাৰী আন্তঃসম্পৰ্কযুক্ত প্ৰক্ৰিয়া দুটা হ'ল- আনুষ্ঠানিকীকৰণ আৰু বৈধকৰণ প্ৰক্ৰিয়া।

৩ নং প্রশ্নৰ উত্তৰ ঃ এংগলচ্ৰ মতে সমাজে নাৰীক জৈৱিক গঠনৰ দিশেৰে নহয়, সামাজিক সম্পৰ্কৰ দিশেৰেহে পদানত কৰি ৰাখিব পাৰে।

৪ নং প্রশ্নৰ উত্তৰ ঃ সমাজে নাৰীক কৰা দমনক সৰ্বহাৰা আৰু বুৰ্জোৱা শ্রেণী দুটাৰ মাজৰ দমনমূলক সম্পৰ্কৰসৈতে তুলনা কৰিব পাৰি।

৫ নং প্রশ্নৰ উত্তৰ ঃ এটা পদানুক্রমিক জাতি ব্যৱস্থা তথা এটা সম্পত্তিৰ অধিকাৰী সৃষ্টি কৰাৰ নতুন ক্রমৰ  পর্যায়ক্রমিক উত্থান আৰু সুদৃঢ়ভৱন প্রক্রিয়াই নাৰীৰ প্রতি সামাজিক মনোভাৱ সুস্পষ্টৰূপত সলনি কৰিছিল।

৬ নং প্রশ্নৰ উত্তৰ ঃ অতীজন নাৰীৰ নিয়ন্ত্রণ সুনিশ্চিত কৰিবলৈ বলপ্রয়োগ কৰা হৈছিল অথবা সন্মতি-বলপ্রয়োগ ব্যৱস্থাৰ এটা মিশ্রিত ৰূপ ব্যৱহাৰ কৰা হৈছিল। পৰিয়ালৰ মুৰব্বী পুৰুষজনে বলপ্রয়োগ কৰিছিল।

৭ নং প্রশ্নৰ উত্তৰ ঃ আন্তঃশাখাভিত্তিক বৈষম্যৰ সবাতোকৈ স্পষ্ট উদাহৰণটো হ'ল নাৰীৰ বিৰুদ্ধে চলা নৃগোষ্ঠীয় অথবা ফৈদভিত্তিক হিংসাত্মক কার্যকলাপ।

৮ নং প্রশ্নৰ উত্তৰ ঃ নাৰীৰ ওপৰত চলা প্রজাতিভিত্তিক হিংসাৰ এটা উদাহৰণ হ'ল শ্রম বজাৰত সংখ্যালঘু মহিলাসকলে মুখামুখি হোৱা বিভিন্ন অসুবিধা।

৯ নং প্রশ্নৰ উত্তৰ ঃ ঐতিহাসিকভাৱে সামাজিক লিংগক ভিত্তি কৰি শ্রম বিভাজন প্রক্রিয়াটো বিকশিত হৈছে।

১০ নং প্রশ্নৰ উত্তৰ ঃ শ্রমৰ সামাজিক লিংগাভিত্তিক বিভাজন মানে হ'ল নাৰী নে পুৰুষ সেয়া বিচাৰ কৰি কাম আবণ্টন কৰাৰ প্রক্রিয়া।

১১ নং প্রশ্নৰ উত্তৰ ঃ প্রথম ভাগটো হ'ল পৰিয়াল সম্পর্কীয় নব্য-ধ্রুপদী অর্থনৈতিক তত্ত্ববোৰ সমর্থন কৰা পৰম্পৰা। এই পৰম্পৰাৰ যুক্তি অনুসৰি পৰিয়ালৰ ক্ষেত্রত এটা পৰম্পৰাগত সামাজিক লিংগভিত্তিক শ্রম বিভাজন হ'ল সবাতোকৈ যুক্তিসংগত ব্যৱস্থা

দ্বিতীয় ভাগটো হ'ল পৰিয়াল সম্পর্কীয় সমাজতাত্ত্বিক তত্ত্ববোৰ সমর্থন কৰা পৰম্পৰা। এই পৰম্পৰাৰ যুক্তি অনুসৰি নাৰীৰ কর্মসংস্থাপন পছন্দৰ  চানেকী নির্ণয়ত ব্যক্তিগতভাৱে মানি চলা প্রথা নাইবা অগ্রাধিকাৰবোৰৰ তাৎপর্য  সর্বাধিক।

১২ নং প্রশ্নৰ উত্তৰ ঃ গার্হস্থ্য জীৱনৰ আদর্শই নাৰীক পৰিয়ালৰ সদস্যৰ যত্ন লোৱাৰ গুৰুদায়িত্ব আবণ্টন কৰিছিল।

১৩ নং প্রশ্নৰ উত্তৰ ঃ ঔদ্যোগিকীকৰণে কর্ম আৰু পাৰিবাৰিক জীৱনৰ প্রকৃতি যথেষ্ট পৰিমাণে সলাই পেলাইছিল।

১৪ নং প্রশ্নৰ উত্তৰ ঃ নাৰীৰ উপার্জন বৃদ্ধি হ'লে অতিৰিক্ত উপার্জনখিনি পৰিয়ালৰ বর্দ্ধিত পণ্যদ্রব্য উপভোগত খৰছ হয় আৰু এনেকৈয়ে ই সামগ্রিক অর্থনৈতিক উন্নয়নত অৱিহণা আগবঢ়ায়।

১৫ নং প্রশ্নৰ উত্তৰ ঃ ১৯৫৬ চনৰ হিন্দু উত্তৰাধিকাৰী আইনখনে নাৰীৰ সম্পত্তিৰ অধিকাৰ পূর্বতকৈ উন্নত কৰি তুলিছিল।

## ৬.১২ আৰ্হি প্রশ্ন

**(ক) চমু প্রশ্ন** (প্রায় ১৫০ শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ নাৰীৰযৌন নৈতিকতাৰ সৈতে জড়িত সর্বব্যাপ্ত সামাজিক পৰিঘটনাটো বিশ্লেষণ কৰিবলৈ

এংগল্‌চে কি দৃষ্টিভংগী প্রয়োগ কৰিছিল?

প্রশ্ন ২ ঃ জাতিয়ে নাৰীক কি দৃষ্টিৰে চায়?

প্রশ্ন ৩ ঃ 'মানৱ মূলধন'ৰ তত্ত্বৰোৰক লৈ অর্থনীতিবিদসকলে কেনে ধৰণৰ যুক্তি প্রদর্শন কৰিছিল।

**(খ) দীঘল প্রশ্ন** (প্রায় ৩০০-৫০০ শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ উমা চক্রৱর্তীৰ প্রতিবেদনৰ আধাৰত জাতি আৰু সামাজিক লিংগৰ মাজত থকা সম্পর্কৰ এটা টোকা প্রস্তুত কৰক।

প্রশ্ন ২ ঃ ঔদ্যোগিকীকৰণে কেনেকৈ জীৱিকা আৰু পৰিবাৰিক জীৱন সলনি কৰিছিল আলোচনা কৰক।

**********

# অধ্যায় ৭ ঃ ঔপনিৱেশিক কালত ভাৰতত নাৰী আন্দোলন

## অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ সামাজিক সংস্কাৰ আন্দোলন
৭.৪ জাতীয়তাবাদী আন্দোলন
৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৬ অধিক জানিবলৈ
৭.৭ অগ্রগতিৰ খতিয়ান (কৱল ৰূপৰেখা)
৭.৮ আৰ্হি প্রশ্ন

## ৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰতীয় নাৰীৰ অৱস্থা উন্নীতকৰণত সংস্কাৰ আন্দোলনসমূহৰ ভূমিকা বিষয়ে জানিবলৈ সক্ষম হ'ব।
- ভাৰতীয় জাতীয় আন্দোলনত ভাৰতীয় নাৰীৰ ভূমিকাৰ বিষয়ে আলোচনা কৰিব পাৰিব।

## ৭.২ পৰিচয়

ইউৰোপীয়সকলৰ ভাৰতলৈ আগমনে ভাৰতীয় নাৰীৰ অৱস্থা পৰিৱর্তন ঘটোৱা নাছিল। আন আন পশ্চিমীয়া শক্তিৰ দৰে, প্রথমৰ সময়ছোৱাত ভাৰতত ব্রিটিছসকলৰ মুখ্য লক্ষ্য আছিল বাণিজ্য। পৰৱর্তী সময়ত যেতিয়া তেওঁলোকে নতুনকৈ অধিকাৰ কৰা অঞ্চলসমূহৰ প্রশাসন চম্ভালিব লগীয়া হ'ল, ভাৰতত ব্রিটিছ প্রশাসন ব্যৱস্থাৰ অধীনত ভাৰতীয়সকলে যাতে কাম কৰিব পাৰে তাৰ প্রশিক্ষণার্থেহে প্রথমে ইংৰাজী শিক্ষাৰ প্রৱর্তন কৰা হৈছিল। ইয়েই উচ্চ অভিজাত শ্রেণী এটাৰ সৃষ্টি কৰিছিল, যিসকলে তেওঁলোকৰ সমাজত প্রচলিত প্রথাবোৰৰ ওপৰত সন্দেহ কৰি এইবোৰৰ যুক্তিপূর্ণ ব্যাখ্যা কৰিবলৈ আৰম্ভ কৰিছিল। ব্রিটিছ শাসন প্রতিষ্ঠা আৰু বিস্তাৰে ব্রিটিছ মিছনেৰীসকলক তেওঁলোকৰ উপনিবেশিকত প্রৱেশ কৰিবলৈ আৰু স্কুল প্রতিষ্ঠা, অনাথ আশ্রম আৰু অসহায়জনৰ বাবে, বিশেষকৈ বিধবাসকলৰ বাবে আশ্রয় গৃহ স্থাপন কৰিবলৈ উদ্গনি যোগাইছিল। তেওঁলোকে সতীদাহ প্রথা, শিশু বিবাহ, পর্দা প্রথা আৰু বহুবিবাহৰ বিপক্ষেও থিয় দিছিল। পাশ্চাত্যৰ শিক্ষা লাভ কৰা নতুন ভাৰতীয় অভিজাত সম্প্রদায়ে ওঠৰশ শতিকাৰ ইউৰোপীয় উদাৰনীতিৰ দ্বাৰা প্রভাৱিত হৈছিল আৰু তেওঁলোকৰ নিজৰ সমাজখনৰ প্রয়োজনীয় সংস্কাৰৰ কথা ভাবিছিল। ইয়েই পৰৱর্তী সময়ত বাস্তৱসন্মত সুনির্দিষ্ট ফলাফল দেখুৱাইছিল। ঔপনিৱেশিক আমোলৰ নাৰী আন্দোলন প্রধানকৈ দুটা ভিন্ন দিশৰ লগত সম্পৃক্ত। এই দুটা হ'ল— (ক) সামাজিক সংস্কাৰ আন্দোলন আৰু (খ) জাতীয় আন্দোলন। আমি এই অধ্যায়ত এই দুয়োটা আন্দোলনৰ বিষয়ে বিশদভাৱে আলোচনা কৰিম।

## ৭.৩ সামাজিক সংস্কাৰ আন্দোলন

ঊনবিংশ শতিকাত নাৰী আন্দোলন সামাজিক সংস্কাৰ আন্দোলনৰ ৰূপত আৰম্ভণি ঘটে। ব্রিটিছৰ ভাৰত অধিকাৰ আৰু তেওঁলোকৰ শাসনে ভাৰতীয় অর্থনীতিৰ লগতে সমাজলৈও পৰিৱর্তন আনে। ব্রিটিছসকলৰ দ্বাৰা হোৱা নতুন ভূমি বন্দোৱস্তি, ব্যৱসায়িক, কৃষি আৰু ৰাস্তা-ঘাট, ৰেলপথ, ডাক আৰু টেলিগ্রাফ আদি অন্তঃগাঁথনিক সা-সুবিধাৰ সূচনাই ভাৰতীয় গ্রাম্য অর্থনীতিলৈ উল্লেখনীয় পৰিৱর্তন আনে। নতুন অর্থনৈতিক ব্যৱস্থা আৰু প্রশাসন যন্ত্রটোৰ বাবে এক ধৰণৰ শিক্ষিত ব্যক্তিৰ আৱশ্যক হয়, যাৰ ফলস্বৰূপে আধুনিক শিক্ষা প্রদানকাৰী পশ্চিমীয়া শিক্ষাৰ প্রতিষ্ঠানবোৰে প্রতিষ্ঠা লাভ কৰে। যিসকল ভাৰতীয়ই নতুন অর্থনৈতিক ব্যৱস্থাৰ সুবিধা লাভ কৰিছিল সেইসকলে এই শিক্ষা ব্যৱস্থাৰ প্রতি আকর্ষিত হৈছিল আৰু ইয়াৰ ফলাফল স্বৰূপে ভাৰতীয় সমাজত নতুন এক শ্রেণী বুদ্ধিজীৱীয়ে গঢ় লৈ উঠে। এই বুদ্ধিজীৱীসকলেই সামাজিক, ৰাজনৈতিক, অর্থনৈতিক আৰু সাংস্কৃতিক এই সকলোবোৰ প্রগতিশীল গণতান্ত্রিক আন্দোলনৰ অগ্রদূত। এই সংস্কাৰ আন্দোলনসমূহ সম প্রকৃতিৰ নাছিল আৰু ভিন্ন ধাৰণা আৰু বৈচিত্র্যৰে প্রতিপালিত হৈছিল। অৱশ্যে তেঁলোকে সমাজৰ অশুভখিনি উঘালি পেলোৱাৰ বাবে এক উমৈহতীয়া চিন্তাৰ অংশীদাৰ হৈছিল। ইয়াৰ উপৰি আংশিকভাৱে তেওঁলোকে ঔপনিৱেশিক শাসকসকলৰ বর্বৰতা সন্দর্ভতো প্রতিক্রিয়া প্রকাশ কৰিছিল। এই সময়ছোৱা আছিল ঔপনিৱেশিক চিন্তাদর্শ প্রভাৱিত আৰু ঔপনিৱেশিক কর্তৃত্বাধীন। এই সময়ছোৱা আছিল পৰিৱর্তনৰ সময়। সমাজত এক বুর্জোৱা শ্রেণীৰ সৃষ্টি হৈছিল আৰু নতুন ধৰণৰ চিন্তা-চেতনাও গঢ় লৈ উঠিছিল। ঊনবিংশ শতিকাৰ ঔপনিবেশিক হস্তক্ষেপ আমাৰ সমাজ আৰু সংস্কৃতিৰ ভিতৰলৈও অনাহুতভাৱে প্রৱেশ কৰিছিল আৰু ই আমাৰ সামাজিক গাঁথনি পৰিৱর্তনত প্রভাৱ পেলাইছিল। এই সম্ভাব্য ভাবুকি ভাৰতীয় বুদ্ধিজীৱী সংস্কাৰকসকলে অনুধাৱন কৰিছিল আৰু পাশ্চাত্য ধাৰণা আৰু মূল্যবোধক উন্মুক্ত কৰি তুলিছিল। এনে সন্ধিক্ষণত ভাৰতীয় বুদ্ধিজীৱী সংস্কাৰকসকল ঔপনিৱেশিক শাসকৰ ক্ষমতাৰ প্রতি সচেতন আছিল। পাশ্চাত্যৰ যুক্তিবাদী চিন্তাধাৰা আৰু উদাৰনীতিক গুৰুত্ব সহকাৰে অন্বেষণ কৰিছিল যদিও ঔপনিৱেশিক কর্তৃত্ব প্রতিৰোধ কৰিব বিচাৰিছিল। ইয়াকে কে. এন. পানিকাৰে ১৯৭৫ চনৰ ভাৰতীয় বুৰঞ্জী কংগ্রেছৰ সভাপতি অভিভাষণত সাংস্কৃতিক প্রতিৰক্ষা আখ্যা দিছিল। এই সাংস্কৃতিক প্রতিৰক্ষাৰ ফলস্বৰূপে এক আপাত বিৰোধ পৰিস্থিতিৰ সৃষ্টি কৰিছিল। ভাৰতীয় সংস্কাৰকসকলে নতুন ইউৰোপীয় যুক্তিবাদী ধাৰণা আৰু প্রগতিৰ দ্বাৰা অনুপ্রাণিত হৈ নতুন সমাজ গঢ়িবলৈ চেষ্টা কৰিলেও ভাৰতীয় পৰম্পৰাৰ শিপাডালৰ লগত সংযোগ ৰাখিহে আধুনিক সমাজ গঢ়াৰ কথা ভাবিছিল। তেওঁলোকে সমালোচনামূলক দৃষ্টিৰে ভাৰতীয় সমাজ দুখনৰ মূল্য নির্ধাৰণৰ চেষ্টা কৰিছিল আৰু মহিলাসকলৰ প্রগতিত ব্যাধি স্বৰূপ বহুদেৱবাদ, বহুবিবাহ, জাতিভেদ, সতীদাহ প্রথা, বাল্যবিবাহ, নিৰক্ষৰতা আদি সামাজিক কু-সংস্কাৰসমূহ বর্জন কৰি নতুন তত্ত্ব বা আদর্শ প্রতিষ্ঠাৰ চেষ্টা কৰিছিল। ঊনবিংশ শতিকাত বিশ্বৰ বিভিন্ন প্রান্তৰ সমাজ সংস্কাৰকসকলে বিশ্বাস কৰিছিল যে মহিলাসকল যদি পিছপৰি থাকে তেতিয়া কোনো সমাজেই প্রগতিৰ পথত আগবাঢ়িব নোৱাৰে। ঊনবিংশ শতিকাৰ ভাৰতীয় নাৰীৰ সামাজিক মর্যাদা আছিল অতি নিম্নমানৰ। শিক্ষাৰ প্রসাৰ, আইন আৰু ৰাজনৈতিক প্রক্রিয়াৰে নাৰীৰ সর্বাঙ্গীন উন্নতি সেই কথা সমাজ সংস্কাৰকসকলে বুজি উঠিছিল আৰু সেয়েহে ঘটাব পাৰি তাৰ যত্ন কৰিছিল। ইয়াকে কৰিবলৈ তেওঁলোকক পাশ্চাত্যৰ প্রথমটো নাৰীবাদী টোৱে উৎসাহিত কৰিছিল আৰু তেওঁলোকে নাৰীৰ মৌলিক অধিকাৰৰ ওপৰত গুৰুত্ব দিছিল। এই সামাজিক সংস্কাৰ আন্দোলনে সমাজত প্রচলিত পিতৃতান্ত্রিক ব্যৱস্থা বা সামাজিক লিংগ সম্বন্ধীয় প্রশ্নৰ কোনো মৌলিক প্রত্যাহ্বান জনোৱা নাছিল। তেওঁলোকে সংস্কাৰৰ বাবে এনে কেতবোৰ সমস্যা বাছি লৈছিল যিবোৰক ব্রিটিছসকলে ভাৰতীয় সমাজৰ অধঃপতনৰ কাৰণ হিচাপে দেখুৱাই দিছিল। তথাপি এই সময়ছোৱাত উদ্ভুত মহিলা প্রতিষ্ঠান আৰু সংগঠনসমূহে বিকাশৰ এক স্বকীয় দৃষ্টিভংগী প্রকাশ কৰা নাছিল। ইয়াৰ

ফলস্বৰূপে, যেতিয়া নাৰীয়ে তেওঁলোকৰ বিষয়ে কৈছিল, তেতিয়া তেওঁলোকে কেৱল পুৰুষৰ দ্বাৰা নির্ধাৰণ কৰা বাগধাৰাতহে কৈছিল। পাশ্চাত্যৰ শিক্ষিত অভিজাত পুৰুষসকলে প্রদান কৰা মানৱীয় আচৰণৰ পৰোক্ষ গ্রাহীতা হিচাপেহে মহিলাসকলক দেখা গৈছিল। এনে ধৰণৰ প্রয়াসবোৰত মহিলাসকলে বিৰোধ কৰা সামাজিক পৰিস্থিতিতকৈ মহিলাৰ সংস্কাৰেহে অগ্রাধিকাৰ পাইছিল। ক্ষমতাৰ গাঁথনি পৰিৱর্তন আৰু নাৰী-পুৰুষৰ সম্পর্কৰ সাল-সলনিৰ প্রয়াস এইবোৰত নাছিল।

এই প্রয়াসে এক ভাৰতীয় নাৰী সৃষ্টি কৰিলে। সঁচা অর্থত ভাৰতীয় আৰু পর্যাপ্তভাৱে শিক্ষিত আৰু ঊনবিংশ শতিকাৰ উদীয়মান নতুন সমাজখনৰ মূল্য বুজি পাব পৰাকৈ সামর্থৱান। ছোৱালীৰ বাবে এনে ধৰণৰ শিক্ষাই তেওঁলোকক স্বনির্ভৰশীল, স্বাধীন, শোষণৰ পৰা মুক্ত আৰু কিছুমান বৃত্তি ল'ব পৰাকৈ প্রশিক্ষিত হ'বলৈ সুবিধা দিয়া নাছিল। বৰঞ্চ এগৰাকী সুগৃহিণী হোৱাতহে সহায় কৰিছিল (পাণ্ডে আৰু কামেশ্বৰী, ১৯৮৭)। নাৰীসকলে ঔপনিৱেশিকতাবাদৰ বিপক্ষে যুঁজো দিছিল। কিন্তু গান্ধীৰ দৰে নেতাই তেওঁলোকক যেতিয়া আন্দোলনত অংশগ্রহণ কৰিবলৈ উৎসাহিত কৰিছিল, তেওঁলোকৰ যুঁজখন মাত্র ঘৰুৱা কাম-কাজলৈহে প্রসাৰিত হৈছিল। অতি কম সংখ্যক মহিলাইহে পুৰুষৰ সমানে আগ স্থানত যোগ দিবলৈ সুযোগ পাইছিল আৰু যিসকলে এই সুবিধা পাইছিল তেওঁলোকে এটা সময়ত বিচ্ছিন্নতাত ভুগিছিল (কুমাৰ, ১৯৯৩)। নেতিবাচক ৰূপত ঔপনিৱেশিকতাবাদে ভাৰতলৈ কঢ়িয়াই অনা এইবোৰ নতুন ধাৰণাই মহিলাৰ ভূমিকা অধিক পৰম্পৰাগত জীৱনৰ ফাললৈহে ঠেলি দিলে। এই সীমাবদ্ধতাবোৰ সত্ত্বেও এইটো অস্বীকাৰ কৰিব নোৱাৰি যে সামাজিক সংস্কাৰ আন্দোলনে নাৰীৰ শিক্ষাৰ বিৰোধী কু-সংস্কাৰসমূহ নির্মূল কৰিছিল আৰু ৰাজহুৱা ক্ষেত্রত নাৰীক এক সুকীয়া স্থান প্রদান কৰিছিল। সংস্কাৰকসকলে সতীদাহ প্রথা, কন্যা শিশু হত্যা, বহুবিবাহ, বাল্যবিবাহ, পর্দা প্রথা, মহিলাসকলৰ মাজত শিক্ষাৰ অভাৱ আদি সমস্যাসমূহ দাঙি ধৰিছিল।

**উদাৰনৈতিক সংস্কাৰক** আৰু **পুনর্জাগৰণবাদী** এই দুই দলত সমাজ সংস্কাৰকসকলক বিভাজন কৰিব পাৰি। দুয়োটা দলেই বিনা দ্বিধাই সামাজিক প্রতিষ্ঠানসমূহৰ দমনমূলক বা অত্যাচাৰী প্রথাবোৰ চিনাক্ত কৰি উলিয়াইছিল। কিন্তু প্রথম উল্লিখিত দলটোৱে উদাৰনৈতিক দর্শনৰ আধাৰত নাৰীক উদ্দেশ্য কৰি তেওঁলোকৰ কাম আগবঢ়াই নিছিল। তাৰ বিপৰীতে দ্বিতীয়তে উল্লেখ কৰা দলটোৱে এক আঁচনিৰ আধাৰত আধুনিক ভাৰতত বৈদিক সমাজ ব্যৱস্থাৰ পুনর্জাগৰণ কৰিব বিচাৰিছিল। যেতিয়া মহিলা বা নাৰীসকলৰ সম অধিকাৰৰ পক্ষে যুক্তি প্রদর্শন কৰা হৈছিল তেতিয়া যুক্তি, কাৰণ, বুৰঞ্জী, ব্যক্তিগত স্বাধীনতাৰ নীতি আৰু সামজিক আঁচনিসমূহৰ প্রয়োজনীয়তা আদিবোৰো পুনর্বিবেচনা কৰা হৈছিল। ৰাজা ৰামমোহন ৰায়, কেশৱ চন্দ্র সেন, ঈশ্বৰ চন্দ্র বিদ্যাসাগৰ, কান্দুকুৰি বীৰেচালিঙ্গম পন্থুলু, এম. জি. ৰানাডে, কার্ভে, স্বামী বিবেকানন্দ, স্বামী দয়ানন্দ সৰস্বতী আৰু আন আন সকলেও ভাৰতীয় নাৰীৰ অৱনমিত অৱস্থানৰ বিষয়ে অকপটে স্বীকাৰ কৰি নাৰী আন্দোলনৰ নেতৃত্ব দিছিল। সমাজ সংস্কাৰকসকলে তেওঁলোকৰ মনোযোগ সীতদাহ প্রথা, বিধৱা নাৰীৰ দুর্দশা আৰু তেওঁলোকৰ পুনর্বিবাহৰ অধিকাৰ আদিৰ দৰে গুৰুত্বপূর্ণ বিষয়ৰ ওপৰত দিছিল। সমাজ সংস্কাৰকসকলে ভাৰতীয় নাৰীৰ উদ্দেশ্যে ব্রাহ্মসমাজ, ৰামকৃষ্ণ মিছন, সমাজ বা সংস্থা গঢ়ি তুলিছিল। উদাৰতাবাদৰ আটাইতকৈ শ্রেষ্ঠ প্রদর্শকজন আছিল ৰাজা ৰামমোহন ৰায়, যি গৰাকীয়ে পোন প্রথমবাৰৰ বাবে ভাৰতত এক সমাজ সংস্কাৰ আন্দোলন আৰু মহিলাৰ হকে প্রচাৰ কৰিছিল। তেওঁ পুৰুষ আৰু নাৰীৰ সমতাৰ বাবে উকালতি কৰিছিল আৰু ঘোষণা কৰিছিল যে মহিলাসকল পুৰুষতকৈ কোনোপধ্যে নৈতিকভাৱে আৰু বৌদ্ধিকভাৱে তলখাপৰ নহয়। ৰামমোহন ৰায়ে প্রথমে সতীদাহৰ দৰে অমানৱীয় প্রথা, পৰৱর্তী সময়ত কন্যা শিশুহত্যা বিষয়ত মনোযোগ আকর্ষণ কৰিছিল। ১৮১৮ চনৰ পাছৰ পৰাই তেওঁ সতী দাহৰ বিপক্ষে তেওঁৰ সক্রিয় প্রচাৰ বক্তৃতা আৰু লেখাৰ জৰিয়তে চলাবলৈ আৰম্ভ কৰে। মূলতঃ তেওঁৰ যত্ন আৰু যুক্তিত পতিয়ন গৈ ১৮২৯ চনত ব্রিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে সতী যোৱা প্রথাক বেআইনী আৰু শাস্তিযোগ্য অপৰাধ হিচাপে ঘোষণা কৰে। ৰাজা ৰামমোহন

ৰায়ে বাল্যবিবাহ, বহু বিবাহ আদিৰ দৰে আন আন কু-প্রথাৰো বিৰোধিতা কৰিছিল। তেওঁ নাৰী শিক্ষা, বিধৱা বিবাহ আৰু আন্তর্জাতিৰ বিবাহক সমর্থন কৰিছিল। তেওঁ মহিলাসকলে উত্তৰাধিকাৰী আৰু সম্পত্তিৰ অধিকাৰ পোৱাটো বিচাৰিছিল। ৰাজা ৰামমোহন ৰায়ৰ ব্রাহ্মসমাজে মহিলা সংক্রান্তীয় বিষয়ক সংস্কাৰত উল্লেখনীয় ভূমিকা পালন কৰিছিল। ব্রাহ্মসমাজে আৰম্ভ কৰা সবল সংস্কাৰমুখী সামাজিক অন্দোলনে প্রথমে বঙ্গদেশত আৰু অতি সোনকালে দেশৰ অন্যান্য প্রান্ততো প্রসাৰিত হৈ পৰে আৰু দেশৰ অন্যান্য প্রান্তৰ স্থানীয় একে লক্ষ্যধাৰী সংস্কাৰকসকলৰ আন্দোলনৰ লগত চামিল হৈ অধিক শক্তিশালী আৰু বিশালায়তন লাভ কৰে। ব্রাহ্ম সমাজৰ সদস্যসকলে জাতিভেদ প্রথাৰ বিৰোধিতা কৰিছিল আৰু তেওঁলোকে মহিলাসকলৰ নিম্ন অৱস্থাৰ উন্নতি কল্পে অতিশয় মনোযোগ দিছিল আৰু ভালেমান উপযোগী লাভদায়ক ব্যৱস্থাৰ আৰম্ভণি ঘটোৱাত অতি গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল। ৰাজা ৰামোহন ৰায়ৰ দৰে ঈশ্বৰ চন্দ্র বিদ্যাসাগৰেও মহিলাসকলৰ সহায়ৰ হকে প্রচাৰ কৰিছিল। বাল্য বিবাহৰ দৰে কুপ্রথাৰ ফলস্বৰূপে বহু সংখ্যক গাভৰু ছোৱালীয়ে বিধৱা হৈ জীৱন পাত কৰিবলগীয়া হৈছিল। তেওঁলোকৰ ওপৰত জাপি দিয়া কঠোৰ বাধা-নিষেধবোৰৰ বাবে তেওঁলোকৰ জীৱন দুর্বিসহ হৈ পৰিছিল। তেওঁ বিধৱাসকলৰ পুনর্বিবাহৰ পক্ষে যুক্তি দাঙি ধৰিছিল আৰু ১৮৫৩ চনত তেওঁৰ 'বিধৱা পুনর্বিবাহ' (Widow Remarriage) নামৰ গ্রন্থখন প্রকাশ কৰি উলিয়ায়। ১৮৭৫ চনত দয়ানন্দ সৰস্বতীয়ে আর্য সমাজ প্রতিষ্ঠা কৰে। দয়ানন্দ সৰস্বতীয়ে ল'ৰা আৰু ছোৱালীৰ বাধ্যতামূলক শিক্ষাৰ ওপৰত জোৰ দিছিল। মহিলাসকলৰ বাবে এক শ্রেণীৰ বিদ্যালয়— 'আর্য কন্যা পাঠশালা' আছিল এক পদ্ধতিগত ৰূপত মহিলা শিক্ষাৰ উৎকর্ষ সাধনৰ বাবে আর্য সমাজে গ্রহণ কৰা প্রথম সন্মিলিত প্রয়াস। ১৮৬৭ চনত মহাৰাষ্ট্রৰ ব্রাহ্মণসকলৰ নেতা এম. জি. ৰানাডে, এন. জি. চন্দ্রশেখৰ আৰু আৰ. জি. ভাণ্ডাৰকাৰে প্রার্থনা সমাজ প্রতিষ্ঠা কৰে। ব্রাহ্ম সমাজ আৰু প্রার্থনা সমাজে নাৰী শিক্ষাৰ পৃষ্ঠপোষকতা প্রবল ৰূপত প্রমাণ কৰিবলৈ চেষ্টা কৰিছিল যে হিন্দু ধর্মীয় পৰম্পৰা সমাজত মহিলাসকলৰ দুখজনক পৰিস্থিতিৰ উৎস নহয়। পাশ্চাত্যৰ উদাৰতাবাদী চিন্তাৰ প্রভাৱত দুয়োখন সমাজে মহিলাসকলৰ বাবে সমাজত মর্যাদাপূর্ণ আসন পুনৰুদ্ধাৰৰ বাবে যুঁজ দিছিল। বিদ্যাসাগৰ, কেশৰ চন্দ্র সেন আৰু ভি. কে. কার্ভেৰ প্রচেষ্টাৰ ফলস্বৰূপে ১৮৫৬ চনত বিধৱা পুনর্বিবাহ আইন প্রণয় কৰা হয়। দাক্ষিণাত্যত কান্দুকুৰী বীৰচালিঙ্গমে বিধবা পুনর্বিবাহ আন্দোলনৰ নেতৃত্ব দিছিল। ১৯৭৪ চনত তেওঁ সমগ্র মাদ্রাছ প্রেডিচেন্সীত ৬৩ গৰাকী বিধৱাৰ পুনর্বিবাহ সম্পন্ন কৰে আৰু যিসকল লোকে বিধৱা বিবাহ কৰে তেওঁলোকক ঘৰ-দুৱাৰ, অন্যান্য সুবিধাকে ধৰি বিত্তীয় সাহার্যও আগবঢ়োৱা হৈছিল। অন্য এটা দিশ হ'ল সংস্কাৰকসকলে ছোৱালীৰ বিয়াৰ বয়সৰ বিষয়েও চিন্তা-চর্চা কৰিছিল। ঊনবিংশ শতিকাত ছোৱালীৰ বিয়াৰ গড় বয়স আছিল ৮ বা ৯ বছৰ। বিদ্যাসাগৰ আৰু অন্যান্য সংস্কাৰকসকলে এই ক্ষেত্রত গ্রহণ কৰা ব্যাপক প্রচাৰ কার্যই ব্রিটিছ চৰকাৰক নাবালিকা সামাজিক অৱস্থা উন্নতি ঘটোৱাৰ বাবে আইনী নির্দেশ জাৰি কৰাত বিশেষ ভূমিকা গ্রহণ কৰিছিল আৰু ১৮৬০ চনত ছোৱালীৰ বয়স সম্পর্কীয় বিধেয়ক গৃহীত হয়। এই আইনে দহ বছৰৰ তলৰ ছোৱালীৰ লগত যৌন সম্বন্ধ স্থাপন কৰিলে তাক ধর্ষণ হিচাপে গণ্য কৰে। ইয়াৰ উপৰি মহাদেৱ গোবিন্দ ৰানাডে, বেহৰামজী মালাবাৰি আৰু তেজ বাহাদুৰ চাপ্রুৰ দৰে সমাজ সংস্কাৰকসকলৰ প্রচেষ্টাত সমাজত গুৰুতৰ শাৰীৰিক আৰু মনঃস্তাত্ত্বিক সমস্যা সৃষ্টিকাৰী ১০ বা ১১ বছৰত বিয়া হোৱা বহুতো ঘটনা পৰিসমাপ্তি ঘটে। পাচী সাংবাদিক বেহৰামজীয়ে ১৮৮৪ চনত বাল্যবিবাহ আৰু বলপূর্বক বৈধব্য বিষয়ক তেওঁ ৰচনা প্রকাশ কৰি শৈক্ষিক প্রতিষ্ঠানসমূহত বাল্যবিবাহক নিৰুৎসাহিত কৰাৰ বাবে পৰামর্শ আগবঢ়োৱাৰ লগতে চৰকাৰকো এই ক্ষেত্রত কিছুমান সংস্কাৰমুখী ব্যৱস্থা ল'বলৈ আহ্বান জনায়। ১৮৮৪ আৰু ১৮৮৯ চনৰ মাজৰ সময়ছোৱাত ছোৱালীৰ বিবাহৰ বয়স অধিক বৃদ্ধিৰে আইন প্রণয়ন কৰাৰ বাবে চৰকাৰৰ ওপৰত প্রবল হেঁচা দিয়া হয়। অৱশেষত সংস্কাৰকসকলৰ সন্মিলিত প্রচেষ্টাত ১৮৯১ চনত বয়স অনুজ্ঞা বিধেয়ক নামেৰে আইন গৃহীত হয়। এই আইনত ছোৱালীৰ বিয়াৰ বয়স ১২ বছৰলৈ বৃদ্ধি কৰা হয়। সমাজ সংস্কাৰকসকলে ভাবিছিল যে স্ত্রী শিক্ষাৰ লগত

সামাজিক ব্যাধিসমূহ জড়িত কৰি মৌলিক পৰিয়াল গাঁথনিক শক্তিশালী আৰু সংৰক্ষণ কৰিব পাৰিলে সামাজিক ব্যাধিসমূহ দূৰ কৰিব পৰা যাব আৰু আদর্শ পত্নী আৰু মাতৃসকলে এইক্ষেত্রত আগবাঢ়ি আহিব। আৰম্ভণিৰে পৰা ৰাজা ৰামমোহন ৰায়কে ধৰি উদাৰতাবাদী ৰক্ষণশীল সংস্কাৰকসকলেও স্ত্রীশিক্ষা সমর্থন কৰিছিল। ইয়াৰ ফলশ্রুতিত ছোৱালীৰ বাবে বিদ্যালয় আৰু বিধৱাসকলৰ বাবে বাসস্থান স্থাপন হৈছিল। ১৮৫৫ আৰু ১৮৫৮ চনৰ মাজৰ সময়ছোৱাত বিদ্যালয় পৰিদর্শক হৈ থাকোঁতে বিদ্যাসাগৰে ৪৮ খন ছোৱালী বিদ্যালয় স্থাপন কৰে। এম. জি. ৰানাড' আৰু তেওঁৰ পত্নী লগ লাগি স্ত্রী শিক্ষা প্রসাৰৰ প্রচাৰ চলোৱাৰ লগতে ১৮৮৪ চনত এখন ছোৱালী হাইস্কুল আৰম্ভ কৰে। এখন পৰম্পৰাত বিশ্বাসী সমাজত ১৮৫৬ চনৰ বিধৱা বিবাহ আইনৰ দৰে আন আন বিলাকৰো আইনী ব্যৱহার্যতা প্রদান আৰু সীমিত বলবৎ কৰণক ডি. কে. কার্ভেই স্বীকৃতি প্রদান কৰিছিল। সেয়েহে তেওঁ বিধৱাসকলৰ মাজত শিক্ষা বিস্তাৰৰ বাবে যত্ন কৰিছিল। ১৮৯৬ চনত কার্ভে আৰু তেওঁৰ ১৫ জন সহযোগী লগ লাগি বিধৱা শিক্ষাৰ বাবে অনাথ বালিকা আশ্রম প্রতিষ্ঠা কৰে। য'ত বিধৱাসকলক আত্মনির্ভৰশীল কৰি তুলিব পৰা শিক্ষা প্রদান কৰা হৈছিল। তেওঁ ১৯০৭ চনত মহিলা বিদ্যালয় আৰম্ভ কৰিছিল। কেৰল ইমানতেই ক্ষান্ত নাথাকি তেওঁ ১৯১৬ চনত মহিলাসকলৰ বাবে এক সুকীয়া শিক্ষা প্রতিষ্ঠান এছ. এন. ডি. টি ৰ'মেন ইউনিভাৰছিটি প্রতিষ্ঠা কৰিছিল যাতে নাৰী শিক্ষাৰ ক্ষেত্রত ৰক্ষণশীলসকলৰ প্রতিৰোধ হ্রাস কৰিব পাৰি। সামাজিক সংস্কাৰ আন্দোলনৰ পৰৱর্তী পর্যায়সমূহত নাৰী সমাজ সংস্কাৰক এচামকো জন্ম দিছিল যিসকলে তেওঁলোকৰ নিজৰ হকে কাম কৰিছিল। পণ্ডিতা ৰামাবাঈয়ে ১৮৮৯ চনত বোম্বাইত সাৰদা সদন প্রতিষ্ঠা কৰে যাৰ দ্বাৰা পৰিত্যক্ত উচ্চ বর্ণৰ বিধৱাসকলক আশ্রয় প্রদান কৰা হৈছিল। ১৯১২-১৯১৩ চনত ভগ্নী শুভলক্ষ্মী নামৰ এগৰাকী বিধৱাই মাদ্রাজত এক বিধৱাগৃহ স্থাপন কৰে। ভাৰতত মহিলাৰ ক্ষেত্রত হোৱা সামাজিক সংস্কাৰ আন্দোলনৰ আন এক গুৰুত্বপূর্ণ দিশ হ'ল হিন্দু মহিলাৰ বাবে সম্পত্তিৰ অধিকাৰ। প্রচলিত সামাজিক নীতি-নিয়মসমূহ হিন্দু বিধৱাৰ ক্ষেত্রত অতি নির্দয় আছিল। হিন্দু বিধৱাই তেওঁ স্বামীৰ সম্পত্তিৰ ওপৰত কোনো দাবী কৰিব নোৱাৰিছিল। ইয়াৰ ফলস্বৰূপে তেওঁ স্বামীৰ সম্বন্ধীয়সকলৰ অনুগ্রহৰ ওপৰতহে নির্ভৰশীল হ'ব লগীয়া হৈছিল। এই ক্ষেত্রত ৰাজা ৰামমোহন ৰায়ে বিধৱা নাৰীৰ এনে ধৰণৰ অক্ষমতা দূৰ কৰাৰ বাবে আইন প্রণয়ন আৰু বলৱৎ কৰণৰ পৰামর্শ আগবঢ়ায় যাতে ইয়াৰ যোগেদি বিধৱা নাৰীসকলে অর্থনৈতিক স্বাধীনতা আৰু আত্মনির্ভৰশীলতা লাভ কৰে। এনে ধৰণৰ প্রযত্নৰ ফলশ্রুতিত বিশেষ বিবাহ আইন ১৮৭২ (Special marriage act of 1872) গৃহীত হয়। এই আইনে বিচ্ছেদিত মহিলা আৰু উত্তৰাধিকাৰী সূত্রে মহিলাসকলক সম্পত্তিৰ অধিকাৰ প্রদান কৰে। ১৮৭৪ চনৰ বিবাহিত মহিলা সম্পত্তি আইনে স্ত্রী ধন (মহিলাৰ সম্পত্তি)ৰ পৰিসৰ বৃদ্ধি কৰে আৰু মহিলাৰ নিজস্ব আৰু প্রাপ্য সম্পত্তিৰ অধিকাৰৰ ক্ষেত্রখনৰো বিস্তৃতি ঘটায়। এই আইনে বিধৱা মহিলা এগৰাকীক জীৱনৰ স্বার্থত পুত্রৰ সম পৰিমাণে স্বামীৰ সম্পত্তিৰ ভাগ পোৱাৰ ব্যৱস্থা কৰে।

ভাৰতীয় নাৰীৰ হকে কাম কৰা **পুনঃসংস্কাৰ** দলসমূহৰ উল্লেখযোগ্য সংস্কাৰকৰ ভিতৰত স্বামী বিবেকানন্দ, স্বামী দয়ানন্দ সৰস্বতী আৰু এনি বেচান্ত আছিল মুখ্য সংস্কাৰক। এই দলসমূহে আধুনিক ভাৰতৰ বৈদিক সমাজখনৰ পুনৰুত্থান বিচাৰিছিল। আর্য সমাজৰ প্রতিষ্ঠাপক দয়ানন্দ সৰস্বতীয়ে বাল্য বিবাহৰ বিৰোধিতা কৰিছিল। তেওঁ বিধৱাসকলৰ পুনর্বিবাহক উৎসাহ জনোৱাৰ লগতে ভালেমান উদ্ধাৰ গৃহ আৰু অনাথ আশ্রম পাতিছিল। থিয়'ছফিকেল আন্দোলনৰ নেত্রী এনি বেচান্তেও বাল্য বিবাহৰ বিপক্ষে থিয় দিছিল আৰু বালিকা বিধৱাৰ পুনর্বিবাহ সমর্থন কৰিছিল। তেওঁ স্ত্রী-শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল আৰু এনেদৰে তেওঁ সামাজিক সংস্কাৰ আন্দোলনক শক্তিশালী কৰি তুলিছিল।

ভাৰতত মুছলমান সম্প্রদায়ৰ মহিলাসকলেও তেওঁলোকৰ অৱস্থা ব্রিটিছ পূর্ব বা ব্রিটিছ পৰৱর্তী এই উভয় সময়ছোৱাত সামান্য উন্নতি কৰিব পাৰিছিল। ব্রিটিছ যুগৰ উন্নতিৰ মুখ্য বাহন পাশ্চাত্য শিক্ষাই তেওঁলোকক চুব পৰা নাছিল। কাৰণ পর্দা প্রথাৰ প্রচলন আৰু আবুৰৰ মাজত থকাৰ বাবে মহিলাসকলৰ বাহ্যিক পৰিৱেশৰ লগত

কোনো সম্পর্ক নঘটিছিল। তাৰ উপৰি শিক্ষা তেওঁলোকৰ বাবে অনাৱশ্যকীয় বুলি বিবেচনা কৰা হৈছিল। ঊনবিংশ শতিকাত জনসংখ্যাৰ অতি ক্ষুদ্ৰ অংশ এটাহে শিক্ষিত মুছলমান মহিলা আছিল আৰু এই সকল দেশৰ চহৰ অঞ্চলতে আবদ্ধ আছিল। ইয়াৰ পৰিণতি স্বৰূপে কুৰি শতিকালৈকে মুছলমান মহিলাসকলৰ মাজত সহযোগিতা স্থাপন আৰু শিক্ষাৰ প্ৰযত্ন আৰম্ভ হোৱা নাছিল। এই ক্ষেত্ৰত বোম্বাইৰ টয়েবজি (Tyabji) পৰিয়ালে এক লেখত ল'বলগীয়া ব্যতিক্ৰমী ভূমিকা পালন কৰিছিল। এলফিন্সষ্টন কলেজৰ স্নাতক বদৰুদ্দিন তায়বজিয়ে ১৮৭৬ চনত এক মুছলমান আত্মসহায়ক সংগঠন প্ৰতিষ্ঠা কৰে। তেওঁৰ সম্পৰ্কীয় মহিলাসকলো পৰৱৰ্তী সময়ত সক্ৰিয় হৈ উঠে আৰু আমিনা বিন্তে বদৰুদ্দিন টয়েবজিয়ে এখন মুছলিম ছোৱালী স্কুল, বেগম নৱালে মিশ্ৰই এক ছোৱালী অনাথ গৃহ আৰু ছৰিফা হামিদ আলীয়ে এক ধাত্ৰীসেৱা কেন্দ্ৰ আৰম্ভ কৰিছিল। এইদৰেই সমাজ সংস্কাৰকসকলে ভাৰতত নাৰী আন্দোলনৰ ভেঁটি প্ৰতিষ্ঠা কৰিছিল। সামাজিক সংস্কাৰ আন্দোলনৰ প্ৰথম লক্ষ্য আছিল মহিলাসকলৰ জীৱনৰ পৰা প্ৰতিবন্ধকতাসমূহ আঁতৰ কৰা। এই আন্দোলনে জনসাধাৰণৰ মাজত এনে এক সজাগতা সৃষ্টি কৰিছিল যে নাৰী সকলো স্বাধীন আৰু পুৰুষৰ সমান।

### অগ্ৰগতি নিৰীক্ষণ

**প্ৰশ্ন নং ১ ঃ** কোন বছৰত বদৰুদ্দিন টয়েবজিয়ে মুছলমান আত্মসহায়ক গোট গঠন কৰিছিল।

.....

**প্ৰশ্ন নং ২ ঃ** ভাৰতীয় মহিলাৰ উন্নতিৰ হকে কাম কৰা কেইগৰাকীমান সমাজ সংস্কাৰকৰ নাম লিখক।

.....

## ৭.৪ জাতীয়তাবাদী আন্দোলন

ঊনবিংশ শতিকাৰ সামাজিক সংস্কাৰ আন্দোলনৰ ফলস্বৰূপে সামাজিক ব্যাধিসমূহ হ্ৰাস পায় আৰু মহিলাসকলে শিক্ষাৰ সুবিধা লাভ কৰে। নাৰী শিক্ষাৰ প্ৰসাৰ আৰু শিক্ষা প্ৰতিষ্ঠানত তেওঁলোকৰ প্ৰৱেশে ঊনবিংশ শতিকাৰ শেষৰফালে এক লেখত ল'বলগীয়া পৰিমাণৰ ইংৰাজী জনা মধ্যবিত্ত শ্ৰেণীৰ মহিলাৰ সৃষ্টি কৰিলে আৰু তেওঁলোকে ৰাজনৈতিক কাম-কাজত নিজৰ অৱস্থিতিও অনুভৱ কৰালে।

নাৰী আন্দোলনৰ দ্বিতীয় পৰ্যায়, যেনে- জাতীয় আন্দোলনৰ বৈশিষ্ট্যসমূহ হ'ল—

- প্ৰথমবাৰৰ বাবে মধ্যবিত্ত শ্ৰেণীৰ বহু মহিলাই ৰাজনৈতিক কাম-কাজত অংশগ্ৰহণ কৰিবলৈ আগবাঢ়ি আহিল।
- ১৯১৯ চনলৈকে জাতীয় আন্দোলন নগৰীয়া উচ্চ শ্ৰেণীৰ মাজতে সীমাবদ্ধ আছিল। ইয়াৰ পাছত মহাত্মা গান্ধীয়ে জাতীয় আন্দোলনত প্ৰৱেশ কৰাৰ লগে লগে সমাজৰ বিপুল সংখ্যকে অংশগ্ৰহণ কৰে।
- এই পৰ্যায়ত ৰাজনৈতিক উন্নতি আৰু জাতীয় আন্দোলনত নাৰীৰ অংশগ্ৰহণে হাতে হাত ধৰি আগবাঢ়ে।

১৯০৫ চনত বংগৰ বিভাজনৰ ফলস্বৰূপে জাতীয়তাবাদীসকলে স্বদেশী আন্দোলন আৰম্ভ ঘটায়। যদিও এই আন্দোলনত মহিলাসকলৰ মাজত ব্যাপক সজাগতাৰ নাছিল, তথাপি সভা-সমিতি অনুষ্ঠিত কৰা আৰু খাদী বস্ত্ৰ বোৱা-কটা আদি মহিলাসকলেই কৰিছিল। মহিলাসকলে তেওঁলোকৰ খাৰু, নাকফুলি আদি জাতীয় পুঁজিলৈ দান কৰিছিল। গাঁওসমূহত মহিলাসকলে প্ৰতিদিনে খাদ্য শস্যৰ এমুঠি আন্দোলনৰ অৰ্থে সুকীয়াকৈ ৰাখিছিল। স্বদেশী আন্দোলনত বংগ আৰু পঞ্জাৱৰ মহিলাসকলে সক্ৰিয় অংশগ্ৰহণ কৰিছিল। আৰ্য সমাজৰ মহিলা কৰ্মীসকলেও জনসাধাৰণৰ মাজত জাতীয়তাৰ ভাবনা গঢ়ি তোলাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল।

ৰবীন্দ্রনাথ ঠাকুৰৰ ভগ্নী স্বর্ণ কুমাৰী আৰু তেওঁৰ জীয়েক সৰলা দেৱী স্বদেশী আন্দোলনৰ ঘোৰ সমর্থক আছিল। পৰিৱর্তনকামী বৈপ্লৱিক কর্মৰাজিত অংশগ্রহণ কৰা উল্লেখযোগ্য নাৰীসকল হৈছে— মিচেছে শ্যামজী কৃষ্ণা বার্মা, শ্রীমতী পি নৌৰজী, শ্রীমতী এম. চট্টোপাধ্যায় আৰু মেডাম ভিকাজী ৰুষ্টম। কে. আৰ. কামে. ইউৰোপত থাকিও ভাৰতীয় বিপ্লৱীসকলৰ মাজৰ এগৰাকী আছিল আৰু বিপ্লৱীসকলৰ কাম-কাজত সহযোগিতা আগবঢ়াইছিল। তেওঁ ভাৰতৰ বাস্তৱিক ছবিখন প্রতিফলন ঘটাই আন্তঃৰাষ্ট্রীয় সমাজবাদী চক্রৰ আগত নাৰীৰ সমমর্যাদাৰ বিষয়টো দাঙি ধৰিছিল। স্বদেশী আন্দোলনৰ সময়ছোৱাত ভালেমান নাৰী সংগঠনৰ গঠন হোৱাতো মন কৰিবলগীয়া। সৰলা দেৱীয়ে নাৰী আন্দোলন সংগঠিত কৰাত আগভাগ লৈছিল আৰু ১৯১০ চনত লাহোৰত ভাৰত স্ত্রী মহামণ্ডল গঠন কৰাত তেওঁ মুখ্য ভূমিকা লৈছিল। এই সংগঠনৰ শাখা এলাহাবাদ আৰু কলিকতাতো প্রতিষ্ঠা হৈছিল। এই সমাজৰ লক্ষ্য আছিল সমাজৰ সকলো বর্ণৰ মহিলাক একত্রিত কৰা আৰু ভাৰতীয় নাৰীৰ নৈতিক আৰু পার্থিব উন্নতিৰ অর্থে ধর্মীয় বিশ্বাসৰ আধাৰত তেওঁলোকৰ অর্থনৈতিক অধিকাৰ সুৰক্ষিত কৰা। মাদ্রাছ প্রেচিডেন্সীৰ কাঞ্চী নামৰ সৰু চহৰৰখনৰ হিন্দু ছোৱালী বিদ্যালয়ৰ প্রধান শিক্ষয়িত্রী পার্বতী দেৱীয়ে কাঞ্চী মহিলা পৰিষদ আৰম্ভ কৰে। এই পৰিষদৰ লক্ষ্য আছিল কাঞ্চীৰ মহিলাসকলক শিক্ষিত কৰি দেশৰ জ্বলন্ত সমস্যাসমূহৰ ওপৰত যাতে তেওঁলোকে ৰাজহুৱা সমর্থন আদায় কৰিব পাৰে তাৰ ব্যৱস্থা কৰা। ১৯১১ৰ পৰা ১৯১৮ চনৰ মাজৰ সময়ছোৱা ভাৰতীয় জাতীয় আন্দোলনৰ বুৰঞ্জীত বিশেষভাৱে উল্লেখনীয় কিয়নো প্রথমবাৰৰ বাবে এনি বেছান্তে ভাৰতীয় জাতীয় কংগ্রেছৰ সভানেত্রী হিচাপে জাতীয় আন্দোলনৰ নেতৃত্ব গ্রহণ কৰে। হ'ম ৰুল লীগ স্থাপন আৰু হ'ম ৰুল লীগৰ সংগঠনে আন্দোলনৰ তীব্রতা অধিক জোৰদাৰ কৰি তোলে। এয়াও সম্ভৱ হৈছিল এনি বেছান্তৰ দৰে মহিলাৰ বাবে যি নাৰীৰ বন্ধন মুক্তিৰ কাৰণেও আন্দোলন সংগঠিত কৰিছিল আৰু নাৰীৰ ৰাজনৈতিক অধিকাৰ দাবীয়ে দৃঢ়ৰূপে ৰাজনৈতিক কার্যসূচীত ঠাই পাবলৈ সক্ষম হৈছিল। ভাৰতত দ্বিতীয় পর্যায়ত নাৰী আন্দোলনৰ গুৰুত্বপূর্ণ সফলতাটো হ'ল ভাৰতীয় মহিলা সংঘ (Women's Indian Association, WIA) স্থাপন, পণ্ডিতা ৰমা বাঈৰ পুনাৰ সাৰদা সদন (১৮৯২), আহমেদাবাদৰ শ্রীমহিপটম ৰূপৰাম অনাথ আশ্রয় (১৮৯২), বোম্বাইৰ শ্রী জৰাষ্ট্রিয়ান মণ্ডল (১৯০৩), বৰোদাৰ প্রসূতি আৰু শিশু পৰিচর্যা সংঘ (১৯১৪), পুনাৰ ভগিনী সমাজ (১৯১৬)। এই সকলো মহিলাসকলৰ জীৱন ধাৰণৰ মান উন্নত কৰাৰ অর্থে বিশেষ একোটা লক্ষ্য লৈ প্রতিষ্ঠা হৈছিল। এই আঞ্চলিক সংগঠনসমূহে ভাৰতীয় মহিলা সংঘ (১৯১৭) আৰু ভাৰতৰ জাতীয় মহিলা পৰিষদ (The National Council of Women in India, 1920)ৰ দৰে জাতীয় সংগঠনসমূহক অনুসৰণ কৰিছিল। সর্বভাৰতীয় মহিলা সম্মিলনে (১৯২৬) ১৯৩৭ চনলৈকে ১২ খন মহিলা সম্মিলন অনুষ্ঠিত কৰিছিল। ভাৰতৰ বিশ্ববিদ্যালয় মহিলা সংঘই (১৯২০) নাগৰিক আৰু ৰাজহুৱা জীৱনত নাৰীৰ গুৰুত্বক উৎসাহিত কৰিছিল আৰু নাৰীৰ অক্ষমতাক দূৰ কৰা আৰু সামাজিক, অসামৰিক, নৈতিক উৎকর্ষ সাধন আৰু মহিলা আৰু শিশুৰ শৈক্ষিক কল্যাণ সাধনত মনোযোগ কেন্দ্রীভূত কৰিছিল। ভাৰতীয় মহিলা সংঘ প্রধানকৈ মহিলাসকলৰ ভোটাধিকাৰ, শৈক্ষিক আৰু সামাজিক সংস্কাৰ বিষয়ক চৰকাৰৰ নীতি-নির্দেশনাৰ প্রভাৱসমূহৰ লগত জড়িত হৈ পৰিছিল। ইয়াৰ প্রধান লক্ষ্যসমূহ আছিল নাৰী শিক্ষাৰ বিস্তাৰ, বাল্য বিবাহ আৰু অন্যান্য সামাজিক ব্যাধিসমূহ ৰোধ কৰা, নাৰী মুক্তি আৰু পুৰুষ আৰু মহিলাৰ মাজত সম অধিকাৰ প্রতিষ্ঠা। এই সংঘই সর্বভাৰতীয় মহিলা সম্মিলনৰ লগত একত্রিত নোহোৱালৈকে নাৰী আন্দোলন সবল কৰি তোলাত গুৰুত্বপূর্ণ ভূমিকা লৈছিল।

ভাৰতীয় নাৰী আন্দোলনৰ আৰম্ভণিৰে পৰা ভোটাধিকাৰ প্রাপ্তিক সামাজিক সংস্কাৰৰ মাপকাঠী হিচাপে লোৱা হৈছিল। নেতাসকলে বিশ্বাস কৰিছিল যে নাৰী মুক্তিৰ অর্থ হৈছে বিধায়িনী সংস্কাৰৰ অতিৰিক্ত সমর্থন বা অৱলম্বন। মহাত্মা গান্ধীৰ অভিজ্ঞতাপুষ্ট প্ররেশে ৰাষ্ট্রীয় ৰাজনীতিলৈ নাটকীয় পৰিৱর্তন আনে। তেওঁ বহুজন আধাৰিত জাতীয়তাবাদক উপলব্ধি কৰিছিল আৰু পৰৱর্তী সময়ত ইয়াৰ লগত খাপ খোৱাকৈ এক দর্শন প্রচাৰ

কৰিছিল। বহুতকে একত্রিত কৰিব পৰা গান্ধী শৈলীয়ে ভাৰতীয় নাৰী আন্দোলনক প্রভাৱিত কৰা লগতে ভাৰতীয় স্বাধীনতা আন্দোলনত নাৰীৰ সংহত অংশগ্রহণৰ সংখ্যাও বৃদ্ধি কৰিছিল, যদিও গান্ধীয়ে নাৰীকেন্দ্রিক কিছুমান সমস্যাক চিনাক্ত কৰিছিল তথাপি তেওঁ নাৰী আন্দোলন আৰু জাতীয় আন্দোলনৰ মাজত সংঘাত প্রত্যক্ষ কৰা নাছিল। জাতীয় আন্দোলনৰ গান্ধীৰ যুগত নাৰীসকলে তেওঁলোকৰ ৰাজনৈতিক অধিকাৰ আৰু সামাজিক সংস্কাৰ হকে সংগঠনৰ জৰিয়তে আন্দোলন আগবঢ়াই নিছিল। ৰাওলাট আইনৰ বিৰুদ্ধাচৰণ কৰি গান্ধীয়ে ১৯১৯ চনত সর্বভাৰতীয় সত্যাগ্রহৰ আৰম্ভণি ঘটায়। নাৰীসকলে সমদলত যোগ দিয়াৰ লগতে খাদী বস্ত্রৰ প্রয়োগ হকে প্রচাৰ আৰু কাৰাগাৰলৈ যাবলৈ প্রস্তুত আছিল। যদিও অতি কম সংখ্যক মহিলা গ্রেপ্তাৰ হৈছিল তথাপি মহিলা অংশগ্রহণেৰে আৰম্ভণি আছিল উল্লেখনীয়। যদিও অসহযোগ আন্দোলন অকৃতকার্যতাৰে সামৰণি পৰিছিল তথাপি ই সকলো শ্রেণীৰ মহিলাক সজাগ কৰি তুলিছিল আৰু সত্যাগ্রহৰ পৰা তেওঁলোকে প্রথম শিক্ষা লাভ কৰিছিল।

ভোটাধিকাৰৰ বাবে কৰা সংগ্রামৰ শেষত, প্রথমবাৰৰ কাৰণে ১৯২৬ চনৰ নির্বাচনত ভাৰতীয় নাৰীৰে ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ পায়। মহিলাসকলক প্রদান কৰা ভোটাধিকাৰ আছিল অতি নিয়ন্ত্রিত। প্রথমবাৰৰ বাবে নির্বাচনত প্রার্থিত্ব আগবঢ়োৱা মহিলা হৈছে কমলা দেৱী চট্টোপাধ্যায়। মহিলা সদস্যক মনোনীত কৰা মাদ্রাজ প্রথমখন ৰাজ্য আৰু বিধান পৰিষদলৈ মনোনীত হোৱা এই মহিলা সদস্যগৰাকীৰ নাম ডঁ মুট্টু লক্ষ্মী ৰেড্ডী। তেওঁ দেবদাসী প্রথা বিলোপন আইন, পতিতালয় বন্ধকৰণ আৰু নাবালিকা ছোৱালী সুৰক্ষা আইন প্রত্যক্ষ কৰিছিল। তেওঁ শিশু আইনৰ সংশোধনী আনিছিল আৰু স্বাস্থ্য বিদ্যালয় গঢ়ি তোলাৰ বাবে কাম কৰিছিল।

সৰোজিনী নাইডুকে ধৰি এক বৃহৎ সংখ্যক মহিলাৰ গোটে দাণ্ডী যাত্রাত সক্রিয়ভাৱে অংশগ্রহণ কৰিছিল। মহিলাসকলে লোন আইন ভংগ, অৰণ্য আইন বাতিলৰ বাবে সমদল, বিদ্যালয়, মহাবিদ্যালয়, বিধান পৰিষদ আৰু ক্লাব বন্ধ কৰি দিয়া আদি কার্যসূচীত অংশ লৈছিল। ১৯৩১ চনত ভাৰতৰ চৰকাৰী মহিলা প্রতিনিধি হিচাপে সৰোজিনী নাইডুৱে দ্বিতীয় ঘূৰণীয়া মেজমেলত উপস্থিত আছিল।

১৯৩০ চনত আইন অমান্য আন্দোলনৰ সময়ত কমলা দেৱী চট্টোপাধ্যায়ে সভা-সমিতিসমূহ ভাষণ দি বিদেশী বস্ত্র বর্জন আৰু সু�ৰাৰ দোকানসমূহ বন্ধ কৰি দিবলৈ আহ্বান জনাইছিল। তেওঁ হিন্দুস্থান সেৱা দলৰ নাৰী বাহিনীৰ তত্ত্বাৱধায়ক আছিল। ১৯৩৫ চনৰ ভাৰত আইনৰ অধীনত প্রাদেশিক স্বায়ত্ত শাসনৰ সূচনা হয় আৰু মহিলাসকলক ৰাজ্যিক বিধান পৰিষদলৈ নির্বাচিত হোৱাৰ লগতে প্রশাসক হোৱাৰ সুবিধাও প্রদান কৰে। ১৯৩৭ চনৰ নির্বাচনত ৮ গৰাকী সাধাৰণ সমষ্টিৰ পৰা, ৪২ গৰাকী সংৰক্ষিত সমষ্টিৰ পৰা মহিলা নির্বাচিত হয়। ৫ গৰাকী মহিলা উচ্চ সদনলৈ মনোনীত হয়, য'ৰ পৰা মন্ত্রীসভা গঠন কৰা হয়। ১০ গৰাকী মহিলাৰ এগৰাকীয়ে মন্ত্রী হিচাপে আৰু আন আন সকলে উপাধ্যক্ষ আৰু সংসদীয় সচিব ৰূপে কার্যভাৰ গ্রহণ কৰে।

১৯৪২ চনত জাতীয়তাবাদী আন্দোলনৰ অন্তিম কার্যক্রমনিকা হিচাপে 'কৰিম অথবা মৰিম' শ্লোগানেৰে মহাত্মা গান্ধীয়ে ভাৰত ত্যাগ আন্দোলনৰ আৰম্ভণি ঘটায়। আন্দোলনৰ প্রথম পর্যায়ত পুৰুষ নেতাসকলক গ্রেপ্তাৰ কৰাত তেওঁলোকৰ অনুপস্থিতিত মহিলাসকলে আন্দোলনটো আগবঢ়াই নিয়ে আৰু ব্রিটিছৰ ৰোষতো পৰিছিল। মহিলাসকলে কেৱল প্রতিবাদী সমদল অথবা নির্দেশনা দিয়াতেই ক্ষান্ত নাথাকি কিছুমান শিবিৰ অনুষ্ঠিত কৰিছিল য'ত তেওঁলোকক আইনী কর্তব্য, প্রাথমিক চিকিৎসা আৰু গণতন্ত্রৰ বাবে শিক্ষিত নাগৰিকৰ প্রয়োজনীয়তা বিষয়ক প্রশিক্ষণ দিছিল। মহিলাসকলে ৰাজনৈতিক কাৰাবন্দী সাহায্য নিধিও গঠন কৰিছিল। কিছু মহিলাই আত্মগোপন কৰিছিল আৰু গোপনে আন্দোলন পৰিচালনা কৰিছিল। সুভাষ চন্দ্র বসুৰ ভাৰতীয় জাতীয় সৈন্য দল (Indian National Army)ৰ ৰাণী ঝান্সী বাহিনী (Rani Jhansi Regiment) টো মহিলাসকলৰ বাবে আছিল। মহিলাসকলক ধাত্রী, সমাজ সেৱা আৰু অস্ত্র চালনাৰ প্রশিক্ষণ দিয়া হৈছিল। এনেদৰে মহিলাসকলে জাতীয় আন্দোলনৰ বিভিন্ন কার্যসূচীত অংশ লৈছিল। নাৰী আন্দোলনৰ এই পর্যায়ৰ

বিশেষ বৈশিষ্ট্য হ'ল— মহিলাসকলে নিজেই তেওঁলোকৰ সামাজিক, অর্থনৈতিক, সাংস্কৃতিক আৰু ৰাজনৈতিক উত্তৰণ ঘটোৱাৰ বাবে সর্বভাৰতীয় স্তৰত ভালেমান নাৰী সংগঠন স্থাপন কৰিছিল। স্বাধীনতা সংগ্ৰামত পুৰুষ নেতৃত্বই দ্বিতীয় শাৰীৰ নেতৃত্বক উৎসাহিত কৰা নাছিল আৰু যেতিয়া পুৰুষসকলক কাৰাবন্দী কৰা হ'ল তেতিয়াহে মহিলাসকলে নেতৃত্ব গ্ৰহণ কৰে। যি কি নহওক, এনেকুৱা সময়ত মহিলাসকলৰ উত্থানে কেৱল ব্ৰিটিছ চৰকাৰকে নহয় তেওঁলোকৰ নিজৰ পুৰুষ লোকসকলকো আচৰিত কৰি তুলিছিল। নিজৰ ঘৰতে সোমাই থকা উচ্চ বা মধ্যবিত্ত শ্ৰেণীৰ কৃষিজীৱী মহিলা, বিভিন্ন কাম-কাজ কৰা মহিলাসকলে দশক আৰু হাজাৰ হিচাপত চৰকাৰৰ আইন আৰু পুলিচৰ নৃশংসতাকো অমান্য কৰি বাহিৰ ওলাই আহিল। এয়া কেৱল তেওঁলোকৰ সাহসৰ আৰু নিভীকতাৰ প্ৰদৰ্শনেই নাছিল, তাতকৈও তেওঁলোকে প্ৰদৰ্শন কৰা সাংগঠনিক শক্তি মানিবলগীয়া ধৰণে আশ্চৰ্যকৰ আছিল। মুখ্যতঃ মহিলাসকলৰ প্ৰচেষ্টা আৰু স্বাধীনতা সংগ্ৰামত তেওঁলোকৰ বলিষ্ঠ ভূমিকাৰ বাবে তেওঁলোক ভোটদানৰ অধিকাৰ আৰু ভাৰতবর্ষৰ সংবিধানত সম্পূর্ণ সমমর্যাদা লাভ কৰিবলৈ সক্ষম হয়। তৎসত্ত্বেও তত্ত্বগতভাৱে মহিলাসকলৰ যি পদমর্যাদাৰ কথা কোৱা হয় আৰু তেওঁলোকৰ অধিকাৰ আৰু বাস্তৱ অৱস্থানৰ মাজত এক বৃহৎ ব্যৱধান বিদ্যমান হৈ ৰ'ল।

## অগ্ৰগতি নিৰীক্ষণ

**প্ৰশ্ন নং ৩ ঃ** কোনখন আইনৰ জৰিয়তে ভাৰতীয় মহিলাই ৰাজ্যিক বিধানসভালৈ নির্বাচিত হোৱাৰ সুবিধা লাভ কৰিছিল?

.....

**প্ৰশ্ন নং ৪ ঃ** কোনটো বছৰত ভাৰত ত্যাগ আন্দোলনৰ আৰম্ভণি ঘটিছিল?

.....

## ৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ঊনবিংশ শতিকাত নাৰী আন্দোলন এক সমাজ সংস্কাৰ আন্দোলন হিচাপে আৰম্ভণি ঘটিছিল।
- ব্ৰিটিছৰ অধিকাৰ আৰু ভাৰতত ইয়াৰ শাসনে ভাৰতীয় অর্থনীতিৰ লগতে সমাজলৈও পৰিৱর্তন আনে।
- ব্ৰিটিছে সূচনা কৰা নতুন ভূমি কৰ বন্দোৱস্তি, বাণিজ্যিক কৃষি, স্থলপথ, ৰে'লপথ, ডাকঘৰ আৰু টেলিগ্ৰাফ সেৱা আদিৰ দৰে আন্তঃগাঁথনি সুবিধাই ভাৰতীয় গ্ৰাম্য অর্থনীতিৰ পৰিৱর্তনতো উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছিল।
- নতুন অর্থনৈতিক ব্যৱস্থা আৰু প্ৰশাসন যন্ত্ৰটো চলোৱাৰ বাবে এক নতুন ধৰণৰ শিক্ষিত ব্যক্তিৰ প্ৰয়োজন হৈছিল। ইয়াৰ ফলস্বৰূপে আধুনিক শিক্ষাৰ অংশ হিচাপে ভাৰতৰ পশ্চিমীয়া শিক্ষা প্ৰতিষ্ঠানৰ প্ৰতিষ্ঠা হয়।
- সমাজ সংস্কাৰকসকলে ভাৰতত নাৰী আন্দোলনৰ ভেটি প্ৰতিষ্ঠা কৰে। সামাজিক সংস্কাৰ আন্দোলন আছিল মহিলাসকলৰ জীৱনৰ পৰা প্ৰতিবন্ধকতা আঁতৰোৱাৰ প্ৰথম পদক্ষেপ। ই জনসাধাৰণৰ মাজত মহিলাৰ স্বাধীনতা আৰু পুৰুষৰ লগত সমতাৰ ধাৰণাৰ প্ৰতি সজাগতা সৃষ্টি কৰে।
- নাৰী শিক্ষাৰ বিস্তাৰ আৰু শিক্ষা প্ৰতিষ্ঠানত তেওঁলোকৰ প্ৰৱেশে ঊনবিংশ শতিকাৰ শেষকৈ এচাম ইংৰাজী শিক্ষাৰে শিক্ষিত মধ্যবিত্ত শ্ৰেণীৰ মহিলাক সৃষ্টি কৰে আৰু তেওঁলোকে ৰাজনৈতিক কাম-কাজত তেওঁলোকৰ উপস্থিতি অনুভৱ কৰিছিল।

- নাৰী আন্দোলনৰ দ্বিতীয় পর্যায় অর্থাৎ জাতীয় আন্দোলনৰ সময়ৰ বৈশিষ্ট্য সমূহ হৈছে ঃ প্রথমবাৰৰ বাবে মধ্যবিত্ত শ্রেণীৰ বহু মহিলাই ৰাজনৈতিক কাম-কাজত অংশগ্রহণ কৰা আৰম্ভ কৰিছিল।
- ১৯১৯ চনলৈকে জাতীয় আন্দোলন নগৰীয়া শ্রেণীৰ মাজত সীমাবদ্ধ আছিল। জাতীয় আন্দোলনত মহাত্মা গান্ধীৰ প্রৱেশে বহুজনৰ অংশগ্রহণৰ আৰম্ভণি ঘটায়।
- এই সময়ছোৱাত ৰাজনৈতিক বিকাশ আৰু নাৰীৰ অংশগ্রহণে হাতে হাত ধৰি আগবাঢ়িছিল।

## ৭.৬ অধিক জানিবলৈ

**ইংৰাজী গ্রন্থ ঃ**


1) Baig, Tara Ali. 1976. Women Power of India. New Delhi: Sultan Chand and Sons.
2) Banerjee, Narayan. 1992. Grassroots Empowerment Mimeograph. New Delhi: Center for Women's Development Studies.
3) Kumar, Radha. 1993. History of Doing. New Delhi: Kali for Women.
4) Lal, Ruby. 2004. Domesticity and Power in the Early Mughal World. Cambridge: Cambridge University Press.
5) Mukharjee, B.N. 1975. "Awareness of Legal Rights Among Married Women And their Status". Indian Anthropologist, 5 (2) 30-58.
6) Pande, Rekha. 2010. Divine Sounds from the Heart, Singing Unfettered in their Own Voices- The Bhakti Movement and its Women Saints (12th to 17th century). U.K: Cambridge Scholars Publishing.
7) Pande, Rekha. 2002. "The Public Face of a Private Domestic Violence".
8) International Feminist Journal of Politics. Vol. 4, No. 3, pp.342-367.
9) Pande, Rekha &Kamweshwari J. 1987, "Women's Discourse on Education (A Preliminary Reading of the Speeches Delivered at the Annual Conferences of the Andhra Mahila Sabha, 1913 & 1914)". Proceedings of Indian History Congress, pp. 390 -396.
10) Panniker, K.N. 1975. "Presidential Address". Proceedings of Indian History Congress.
11) Patel, K.A. 1975. "International Women's Year : Half of Humanity and New International Order." Mainstream, 13 (49).
12) Thapar, Romila. 1975. "Looking Back in History". Devaki Jain (ed.) Indian Women. New Delhi: Publication Division, Government of India.
13) Tharu, Susie and K. Lalit (eds). 1991. Women Writing in India, Vol. 11. NewDelhi: Oxford University Press.
14) Chakravarty, Uma. 1998. Rewriting History: The Life and Times of PanditaRamabai. New Delhi: Kali for Women Press.

## ৭.৭ অগ্রগতিৰ খতিয়ান

**১নং প্রশ্নৰ উত্তৰ ঃ** ১৮৭৬

**২নং প্রশ্নৰ উত্তৰ ঃ** স্বামী বিবেকানন্দ, স্বামী দয়ানন্দ সৰস্বতী আৰু এনি বেচান্তে আছিল পুনৰ জাগৰণবাদী দলৰ বিশিষ্ট সংস্কাৰক, এওঁলোকে ভাৰতীয় নাৰীৰ হকে কাম কৰিছিল।

**৩নং প্রশ্নৰ উত্তৰ ঃ** ১৯৩৫ চনৰ ভাৰত আইনে মহিলাসকলক ৰাজ্যিক বিধানসভালৈ নির্বাচিত হোৱাৰ সুবিধা প্রদান কৰে।

**৪নং প্রশ্নৰ উত্তৰ ঃ** ১৯৪২ চন।

## ৭.৮ আৰ্হি প্রশ্ন

**চমু প্রশ্ন ঃ** (উত্তৰ ১৫০ শব্দৰ ভিতৰত)

**প্রশ্ন ১ ঃ** ভাৰত ত্যাগ আন্দোলনৰ বিষয়ে চমুকৈ লিখক।

**প্রশ্ন ২ ঃ** ব্রিটিছৰ বিৰুদ্ধে চলা জাতীয় আন্দোলনৰ লগত মিলিত হোৱা নাৰী আন্দোলনৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰক।

**দীঘলীয়া প্রশ্ন ঃ** (উত্তৰ ৩০০ৰ পৰা ৫০০ শব্দৰ ভিতৰত)

**প্রশ্ন ১ ঃ** ভাৰতৰ জাতীয় আন্দোলনত নাৰীৰ ভূমিকা আলোচনা কৰক।

**প্রশ্ন ২ ঃ** ভাৰতৰ সংস্কাৰ আন্দোলনৰ বিষয়ে এখন ৰচনা লিখক।

*** ***** ***

# অধ্যায় ৮ ঃ উত্তৰ ঔপনিৱেশিক কালৰ নাৰী আন্দোলন

## অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ তেলেঙ্গানা আন্দোলন
৮.৪ চিপ্‌কো আন্দোলন
৮.৫ দেশীয় সুৰা বিৰোধী আন্দোলন
৮.৬ ১৯৭০ চনৰ পৰা ভাৰতত নাৰী আন্দোলন
৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৮ অধিক জানিবলৈ
৮.৯ অগ্রগতিৰ খতিয়ান
৮.১০ আৰ্হি প্রশ্ন

## ৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- তেলেঙ্গানা আন্দোলনৰ বিষয়ে জানিব পাৰিব
- দেশীয় সুৰা বিৰোধী আন্দোলনৰ বিষয়ে আলোচনা কৰিব পাৰিব
- চিপকো আন্দোলনৰ বিষয়ে জানিবলৈ সমর্থ হ'ব
- আন্দোলনসমূহত ভাৰতীয় মহিলাৰ অৱদানসমূহ অনুধাৱন কৰিব পাৰিব।

## ৮.২ পৰিচয়

ভাৰতবর্ষৰ স্বাধীনতাৰ পৰৱর্তী কালছোৱাক উত্তৰ ঔপনিৱেশিক কাল বোলা হয়। স্বাধীনতা লাভৰ লগে লগেই ভাৰতে বিভিন্ন ধৰণৰ সমস্যাৰ মুখামুখি হ'ব লগীয়া হয়। বহু বছৰ জোৰা ঔপনিৱেশিক দমনে আমাৰ থলুৱা শিল্প ধ্বংস কৰাৰ লগতে আমাৰ সম্পদসমূহকো হ্রাস কৰে। ঔদ্যোগীকৰণ, প্রযুক্তিৰ পৰিৱর্তন, নিৰক্ষৰতা, সক্রিয়তাৰ অভাৱ এই সকলোবোৰৰ ফলস্বৰূপে নতুন ব্যৱস্থাৰ সৈতে মোকাবিলা কৰাত মহিলাসকল অক্ষম হৈ পৰিছিল। এই সময়ছোৱাত সমাজ সংস্কাৰকসকলে সাংবিধানিক আৰু আইনী সুবিধাৰ সূচনা আৰু সমাজক সুৰক্ষা প্রদান আৰু বর্ণ, ধর্ম, জাতি আৰু লিংগ নির্বিশেষে সকলো নাগৰিকলৈ সমঅধিকাৰ প্রদান আৰু মহিলাসকলক সামাজিক বৈষম্যৰ পৰা উদ্ধাৰ আদি লক্ষ্য আগত ৰাখি ভাৰতীয় সমাজখনক সঠিক বাটেৰে লৈ যোৱাৰ চেষ্টা কৰিছিল। কেইটামান বিশিষ্ট আন্দোলন হ'ল— তেলেঙ্গানা আন্দোলন, চিপকো আন্দোলন, দেশীয় সুৰা বিৰোধী আন্দোলন। এই অধ্যায়ত আমি এই আন্দোলনসমূহৰ বিষয়ে আলোচনা কৰিম।

## ৮.৩ তেলেঙ্গানা আন্দোলন

তেলেঙ্গানা আন্দোলন ১৯৪৬ চনত আৰম্ভ হৈ ১৯৫১ চনলৈকে চলিছিল। ই আছিল ভাৰতত যুদ্ধোত্তৰ

যুগৰ দুটা গুৰুত্বপূৰ্ণ বিদ্রোহী কৃষক সংগ্রামৰ এটা। তেলেঙ্গানা আন্দোলন (১৯৪৬-৫১) আছিল জনসাধাৰণৰ এক প্রতিবাদ, য'ত হায়দৰাবাদৰ পাতিল আৰু জাগীৰদাৰ আৰু নিজামৰ অত্যাচাৰী শাসনৰ পৰা মুক্তি আৰু অন্ন এই দুয়োটাই বিচাৰিছিল। নিজামৰ ব্যক্তিগত জমিদাৰীত কৃষকসকল আছিল গিৰিমিতিয়া অথবা নিজামৰ জমিদাৰীৰ কৃষকসকলৰ ওপৰত নিজাম আছিল শাসনকর্তা। জাগীৰদাৰী ব্যৱস্থাৰ অধীনত বিভিন্ন বেআইনী কৰ সংগ্রহ কৰাৰ লগতে ভূস্বামীসকলৰ দ্বাৰা কৃষকসকলক বলপূৰ্বকভাৱে বনুৱা কৰা হৈছিল। ইয়াৰ উপৰি দেশমুখ আৰু দেশপাণ্ডে (এখন জিলাৰ মুখ্য আয়কৰ বিষয়া যি মাটিৰ মালিকতো পৰিণত হৈছিল) বা নিজামৰ কৰ সংগ্রহ কৰোঁতাসকলে হাজাৰ হাজাৰ একৰ ভূমি হস্তগত কৰি তেওঁলোকৰ নিজৰ সম্পত্তিত পৰিণত কৰিছিল। এনেদৰেই কৃষকসকল তেওঁলোকৰ ইচ্ছাৰ বহতীয়া হৈ পৰিছিল। বলপূৰ্বক বনুৱাৰ ভেটি ব্যৱস্থা আৰু সকলো শ্রেণীৰ কৃষকৰ ওপৰত বিভিন্ন হাৰত বলপূৰ্বক মাচুল সংগ্রহ এক সাধাৰণ সামাজিক ঘটনা হৈ পৰিছিল। প্রত্যেক পৰিয়ালে তেওঁলোকৰ কোনোবা এজন সদস্যক ইন্ধনৰ বাবে কাঠ-বাঁহ সংগ্রহ, এখন গাঁৱৰ পৰা আন এখনলৈ ডাক কঢ়িওৱা, যোগান সামগ্রী কঢ়িওৱা আদি কামত পঠিয়াব লগীয়া হৈছিল। ভৰিত পিন্ধা জোতা, পাদুকা, কৃষি সৰঞ্জাম, বিভিন্ন ৰন্ধন পাত্র বা বস্ত্র বিনামূলীয়াকৈ ভূ-স্বামীসকলক যোগান ধৰিবলগীয়া হৈছিল। আন এক প্রথা আছিল যে কৃষকসকলৰ ছোৱালীবিলাকে ভূ-স্বামীৰ ঘৰত দাসী হিচাপে সেৱা আগবঢ়াব লাগিছিল। যেতিয়া ভূ-স্বামীৰ ছোৱালীৰ বিবাহ হয় তেতিয়া তেওঁলোকক প্রায়ে উপপত্নী বা ৰক্ষিতা হিচাপেও পঠিওৱা হৈছিল। যেতিয়া ভূ-স্বামীসকলৰ অত্যাচাৰ শোষণৰ সীমা চেৰাই কৃষকসকলক তেওঁলোকৰ ভূমিৰ পৰা উচ্ছেদ কৰিবলৈ পর্যন্ত আগবাঢ়ি গ'ল, তেতিয়া কৃষকসকলে প্রতিৰোধ কৰিবলৈ আৰম্ভ কৰিলে। ১৯৪৬ চনত বিচুনুৰ, সূর্যপেত, বাবাচাহেবপেট আৰু কুল্লুৰৰ দেশমুখসকলৰ বিৰুদ্ধে বিক্ষিপ্ত সংগ্রামৰ আৰম্ভণি হয়। সামন্তীয় গৰাকীৰ দ্বাৰা যৌন শোষিত মহিলা আৰু অতি দৰিদ্রতা, দাসত্ব বন্ধনত হতাশাগ্রস্ত বৃহৎ সংখ্যক মহিলাই এই আন্দোলনত সাহসিকতাৰে যুঁজ দিছিল। মহিলাসকলৰ মাজত গতিশীলতা আৰু সূক্ষ্ম বিচাৰ শক্তি বৃদ্ধিৰ বাবে কমিউনিষ্ট দলে এক নাৰী সংগঠন গঠন কৰিছিল যি 'অন্ধ্র বনিথা' নামেৰে এক আলোচনীও প্রকাশ কৰিছিল। ইয়াৰ জৰিয়তে তেওঁলোকে বাল্য বিবাহৰ বিৰোধিতা, বিধৱা পুনর্বিবাহ আৰু মজুৰি বৃদ্ধি আদি বিষয়ত প্রচাৰ চলাইছিল।

ভূ-স্বামী আৰু সুদখোৰ ঋণদাতাৰ নিপীড়নত গুৰুতৰভাৱে আক্রান্ত কৃষি শ্রমিক আৰু ধপাতৰ পাত তোলা হিচাপে নিয়াজিত বৃহৎ সংখ্যক মহিলাই ভূমি, ভাল মজুৰি, ন্যায্যতা, খাজনা বা কৰ, নগদ ধনৰ বিনিময়ত যথোপযুক্ত সুত আৰু খাদ্য শস্য ঋণ আদিৰ কাৰণে এই সংগ্রামত সংগ্রামী ৰূপত অৱতীর্ণ হয়। দাস শ্রেণীৰ মাজত ধর্ষণ, ভূ-স্বামীৰ জীয়েকৰ বিবাহত উপপত্নী হোৱা আদি প্রথা আছিল ব্যাপক। উচ্চ শ্রেণীৰ মহিলাসকলৰ শোষণ লুকুৱাই ৰখা হৈছিল যাতে তেওঁলোকে মুখামুখি হোৱা হিংস্রতা আনে দেখা নাপায়। সেয়েহে হিন্দু আৰু মুছলমান উভয়ৰে উচ্চ শ্রেণীৰ মহিলাই পর্দা প্রথা কঠোৰভাৱে মানি চলিছিল। বাল্যবিবাহ আৰু সৰুতে বিধবা হোৱাটো সমাজৰ সাধাৰণ ঘটনা আছিল। মহিলাৰ শিক্ষাৰ কথা শুনাই নাছিল। তেলেঙ্গানাত মুছলমান সামন্তীয় শাসনৰ সাংস্কৃতিক অৱদমনে মহিলাসকলক মূল সুঁতিৰ পৰা বহু আঁতৰাই ৰাখিলে। অন্ধ্র মহাসভা, যি মানুহৰ সাংস্কৃতিক পৰিচয় প্রতিষ্ঠাৰ বাবে প্রবল উদ্যম লৈছিল, তেওঁলোকে তেওঁলোকৰ সংবিধান সংশোধনৰ এজেণ্ডা বা লক্ষ্যত নাৰী শিক্ষা আৰু অসামৰিক স্বাধীনতাকো অন্তর্ভুক্ত কৰিছিল। এনেদৰে বহু মহিলা সাংস্কৃতিক আন্দোলনৰ প্রতি আকৃষ্ট হৈছিল, অন্ধ্র মহাসভাৰ জৰিয়তে কাম চলাই যোৱা কমিউনিষ্ট দলৰ ওচৰ চাপি আহিছিল। যেতিয়া অন্ধ্র মহাসভাই তেওঁলোকৰ কর্ম আঁচনিত মৌলিক কৃষি সংস্কাৰক অন্তর্ভুক্ত কৰিলে এই মহিলাসকলো আন্দোলনত নিমজ্জিত হৈ পৰিছিল। সমাজৰ সকলো শ্রেণীৰ মহিলাই আন্দোলনটোত মহাশক্তিৰে আৰু দায়িত্ব সহকাৰে জঁপিয়াই পৰিছিল। উচ্চ আৰু মধ্যবিত্ত এই উভয় শ্রেণীৰ লগতে খেতিয়ক শ্রেণীৰ মানুহৰ সমর্থন লাহে লাহে অথচ নিশ্চিতভাৱে আন্দোলনৰ পক্ষে গতি কৰিছিল। কমিউনিষ্ট দলে বিধবা পুনৰ বিবাহ, বাল্যবিবাহ ৰোধ, নাৰীৰ বাবে শিক্ষা আৰু সুবিধা আদিৰ দৰে মহিলা সম্পর্কীয় সমাজ সংস্কাৰৰ

বিষয়সমূহ গভীৰভাৱে লোৱাৰ উপৰি আন্দোলনটোক শক্তিশালী কৰিব পৰাকৈ মহিলাৰ সক্ষমতাৰো অনুসন্ধান কৰিছিল। আন্দোলনটোত সক্ৰিয় ভূমিকা গ্ৰহণ কৰা মহিলাসকল হৈছে— ডুবলা চলম্মা, চ কমলাম্মা, ৰেণুলা আচাম্মা, চিত্যলা আইলাম্মা, পেচাৰু সাতবাম্মা, মাল্লা স্বৰাজ্যম, দয়ানী কৈশল্যা, প্ৰমিলা টাইল, চাকিলাম লালিমাম্মা, বুলেম্মা, নৰচাম্মা, বজ্ৰাম্মা, চাইডাম্মা, চুগানাম্মা আদি।

অন্ধ্ৰপ্ৰদেশত কমিউনিষ্ট দলে তেলেঙ্গানা আন্দোলনৰ কাৰণে পৃষ্ঠ ভূমি হিচাপে সেৱা আগবঢ়াইছিল। তেওঁলোকে যোগান আৰু সাহায্যত ব্যৱস্থা কৰিছিল। ১৯৪৮ চনত আহমেদাবাদত ভাৰতীয় সৈন্যৰ প্ৰৱেশে নিজামক আত্মসমৰ্পণ কৰিবলৈ বাধ্য কৰে আৰু ৰাজাকৰ ব্যৱস্থা ভংগ কৰা হয়। সৈন্য বাহিনী তেতিয়া খেতিয়ক অভিমুখী হৈ পৰে। কমিউনিষ্ট দলক নিষিদ্ধ কৰা হয় আৰু দমন-নিপীড়ন বৃদ্ধি পায়। এসময়ত নিজামক সমৰ্থন কৰা ধনী কৃষক গোষ্ঠীয়ে তেওঁলোকৰ সমৰ্থন উঠাই লয় আৰু নিজামৰ শাসন অন্ত পৰে আৰু এই ক্ষুদ্ৰ দলটো অৰণ্যাভিমুখী হয়। অৱশেষত ১৯৫১ চনত আন্দোলনটোৰ পৰিসমাপ্তি ঘটোৱা হয়। এই আন্দোলন প্ৰত্যাহাৰৰ পাছত কিছুমান পৰিৱৰ্তন সাধিত হয়। বলপূৰ্বক বনুৱা প্ৰথা লোপ পায়, গাঁওসমূহে সক্ৰিয় হৈ উঠে আৰু জনসাধাৰণে দাৰী প্ৰথা ঘূৰাই অনাত বাধা প্ৰদান কৰে। জনসাধাৰণৰ ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক এই সকলো প্ৰকাৰৰ বিকাশৰ বাবে উঠা ভাষাভিত্তিক অঞ্চল বিভাজনৰ দাবী পৰৱৰ্তী সময়ত আগবঢ়াই দিয়া হয়। বহু গুৰুত্বপূৰ্ণ সত্য এয়ে যে ইয়াত আছিল তেলেগু মানুহৰ মাজৰ পৰিৱৰ্তনকামী পৰম্পৰাৰ লক্ষ্য বা উদ্দেশ্য।

### অগ্ৰগতি নিৰীক্ষণ

**প্ৰশ্ন নং ১ ঃ** কোনটো বৰ্ষত তেলেঙ্গানা আন্দোলন আৰম্ভ_হৈছিল?

.....

**প্ৰশ্ন নং ২ ঃ** তেলেঙ্গানা আন্দোলনৰ লগত জড়িত তিনিগৰাকী মহিলাৰ নাম উল্লেখ কৰক।

.....

## ৮.৪ চিপকো আন্দোলন

চিপকো আন্দোলনৰ জন্ম হৈছিল উত্তৰ প্ৰদেশৰ গাঢ়োৱাল জিলাৰ আদৱানি নামৰ এখন সৰু পাহাৰীয়া গাঁৱত। ১৯৭২ চনৰ ডিচেম্বৰত এদল নিৰক্ষৰ আদিবাসী মহিলাই এই আন্দোলনৰ নেতৃত্ব দিছিল। পুৰণি বিশ্বাস যে অৰণ্য মানৱ জীৱনৰ আধাৰ স্বৰূপ বিশুদ্ধ বায়ু আৰু পানী যোগান ধৰোঁতা, কাঠ যোগাওঁতা আৰু ভূমিভাগ গঢ়াতহে গুৰুত্বপূৰ্ণ। এই পুৰণি বিশ্বাসৰ প্ৰতি এই আন্দোলন আছিল এক প্ৰত্যাহ্বান। এই দৰ্শনে আন্দোলনটোক বহু দেশত জনপ্ৰিয় কৰি তোলে। এই মহিলাসকলে প্ৰতীকিভাৱে গছবো�ৰৰ চাৰিওফালে ধৰ্মীয় ভাবনাৰ ডোলেৰে মেৰাই ৰাখিছিল। ১৯৭৮ চনৰ ফেব্ৰুৱাৰীত তেওঁলোক পুলিচৰ গুলীবৰ্ষণৰ মুখামুখি হৈছিল আৰু শেষত তেওঁলোকে গ্ৰেপ্তাৰ বৰণো কৰে। এই আন্দোলনটো সুন্দৰ লাল বহুগুৱে নেতৃত্বত বিভিন্ন গাঁৱত চলিবলৈ ধৰে। আন্দোলনটোৰ শ্লোগানৰ লগত পাঁচটা F জড়িত হৈ আছিল। এই পাঁচটা F হৈছে Food (আহাৰ), Fodder (ঘৰচীয়া জন্তুৰ দানা-ঘাঁহ), Fuel (ইন্ধন), Fibre (সুতা বা তন্তু) আৰু fertiliser (সাৰ)। দৰাচলতে এই পাঁচোটা জনসম্প্ৰদায়ৰ সকলো ধৰণৰ প্ৰাথমিক প্ৰয়োজনীয়তা পূৰণৰ বাবে যথেষ্ট। অৰ্থাৎ এই পাঁচটাই যিকোনো সম্প্ৰদায়ৰ লোকক স্বাৱলম্বী কৰি তুলিব পাৰে। চিপকো আন্দোলন তাত্ত্বিকভাৱে ভিতৰৰ পৰাই লিংগ অসমতাৰ বিৰোধী আছিল ঠিক এক প্ৰচলিত ৰাজনীতি আৰু অৰ্থনীতিৰো বিৰোধী আছিল। মহিলা আৰু শিশুবিলাকে ঘৰুৱা ব্যৱহাৰ বাবে খৰি সংগ্ৰহ কৰিছিল। ধানৰ নৰাৰ দৰে দহনীয় ফচলৰ অৱশিষ্টবোৰৰ কাৰণে তেওঁলোক

অৰণ্যৰ ওপৰত নির্ভৰশীল আছিল। তথাপিও ইয়াক নিম্নমানৰ কাঠ-ইন্ধন হিচাপেহে বিবেচনা কৰা হৈছিল। সেয়েহে বনভূমিৰ কার্যকলাপে কাঠ-ইন্ধনৰ সহজলভ্যতা বৃদ্ধি কৰিছিল। উন্নত মানৰ ৰন্ধন চৌকা ব্যৱহাৰৰ বাবে উৎসাহ যোগোৱা উন্নয়নমূলক প্রকল্পৰ কাৰণে মহিলাসকল ইন্ধন সংগ্রহৰ শ্রমৰ পৰা ৰেহাই পাইছিল আৰু এই সময়খিনি আন কোনো উৎপাদনমূলক কার্যত খটুৱাব পাৰিছিল। ইয়াৰ উপৰি খাদ্য-শস্যৰ অনশিষ্টবোৰে হ্রাসপ্রাপ্ত মাটিৰ গুণাগুণ বৃদ্ধি কৰি কৃষি পৰিবেশ উন্নত কৰিছিল। আন্দোলনটোৱে খাদ্য যোগাওঁতা আৰু সংগ্রহ কৰোঁতা হিচাপে মহিলাসকলে ল'বলগীয়া বোজা আৰু হিংসাত্মক লুণ্ঠনৰ পৰা প্রাকৃতিক সম্পদসমূহ ৰক্ষা কৰিবলৈ তেওঁলোকৰ সংগ্রামী মনোভাৱৰ মাজত সংযোগসমূহ বিচাৰি উলিয়াইছিল। চিপকোৰ মহিলাসকলে বিশ্বাস কৰিছিল যে গছবোৰো জীৱন্ত আৰু গছবোৰেও তেওঁলোকৰ দৰেই উশাহ লয়। সেয়েহে গছকো সমীহ কৰিব লাগে। কৃষি আৰু পশুপালনত সহায়তা কৰাৰ উপৰি অৰণ্যই ৰোগ প্রতিৰোধী ঔষধি গছ উৎপন্ন কৰে। পাহাৰীয়া মহিলাসকলে অভাৱ-অনাটনৰ দিনত ফল-মূল, শাক-পাচলি বা গছ-গছনি মূল আদি খাদ্য হিচাপে ব্যৱহাৰ কৰিছিল। এই অৰণ্যৰ সম্পদৰ ওপৰত নির্ভৰশীলতা ধর্ম, লোক-সংস্কৃতি আৰু মৌখিক পৰম্পৰাৰ দৰে কিছুমান সামাজিক আৰু সাংস্কৃতিক পদ্ধতিৰ জৰিয়তে প্রথাগত ৰূপত প্রতিষ্ঠিত হৈছিল। বহু গছ-গছনিৰে ভৰা অঞ্চলে গছ-গছনি ৰোপণ আৰু অৰণ্য সংৰক্ষণৰ কাৰণে পাহাৰীয়া লোকৰ স্বভাৱজাত প্রচেষ্টাৰ চিন কঢ়িয়াইছিল। চিপকো আন্দোলন গছ-কটাৰ বিৰোধী আছিল। ১৯৭৪ চনৰ এপ্রিল মাহত এই মহিলাসকল যাৰ বছৰি আয় মাত্র ১২৯ টকা, তেওঁলোকে গছ কটাৰ বিৰুদ্ধে থিয় দিছিল। প্রাকৃতিক পৰিৱেশ ৰক্ষাৰ কাৰণে জনসাধাৰণৰ জৈৱ পাৰিপার্শ্বিকতা আন্দোলন হিচাপে ই ৰাষ্ট্রীয় আৰু আন্তঃৰাষ্ট্রীয় মহলত চর্চা লাভ কৰিছিল। পুৰুষসকল সমতললৈ প্রব্রজিত হৈছিল আৰু মহিলাসকলক নিঃস্ব অৱস্থাত প্রতিকুলতাৰ লগত যুঁজ দিবলৈ এৰি গৈছিল। বুঢ়া-বুঢ়ী আৰু শিশুবিলাককো তেওঁলোকক গতাই গৈছিল। মহিলাসকলে বাৰে বাৰে প্রশাসক আৰু ৰাজনৈতিক নেতাৰ প্রস্তাৱক প্রত্যাহ্বান জনাইছিল। জীৱ-জন্তু বা পশুধনৰ খাদ্য, ইন্ধন আৰু পানী অবিহনে আঁচনিবোৰ যে পক্ষপাতপূর্ণ হ'ব সেয়া তেওঁলোকে বুজি পাইছিল। এই আন্দোলনৰ পথত গাঢ়োৱাল মহিলাসকলে সফল নেতৃত্ব প্রদান কৰিছিল আৰু অৰণ্যৰ ভৱিষ্যৎ সম্পর্কে পুৰুষে সিদ্ধান্ত লোৱাৰ অধিকাৰ অথবা যিসকল ৰেয়াকৈ প্রভাৱিত হৈছিল তেওঁলোকৰ লগত আলোচনা অবিহনে চুক্তিৰ অন্তর্ভুক্তিৰ ওপৰত প্রশ্ন তুলিছিল। অৰণ্য আছিল এই মহিলাসকলৰ ঘৰৰ নিচিনা আৰু সেয়ে তেওঁলোকে ইয়াৰ গছ-গছনি কাটিবলৈ দিয়া নাছিল। আৰক্ষী বাহিনীয়ে সকলো ধৰণৰ দমনমূলক আৰু ভীতি-সন্ত্রাসৰ পদ্ধতি মহিলাসকলৰ অহিংস শক্তিৰ ওপৰত প্রয়োগ কৰিছিল। গৌড়া দেবী নামৰ এগৰাকী মহিলাই ২৭ গৰাকী গাঁৱলীয়া মহিলাক লগত লৈ ৰেণী অৰণ্যত ২৪১৫ জোপা গছ কাটিবলৈ যোৱা ঠিকাদাৰ, বন বিভাগৰ লোককে ধৰি সর্বমুঠ ৬০ জন লোকক অৰণ্যত প্রৱেশত বাধা দিছিল। যেতিয়া মহিলাসকলে অৰণ্য প্রৱেশৰ বাট বন্ধ কৰি দিছিল, সেই পুৰুষবোৰে সকলো প্রকাৰৰ ভাবুকি প্রদান আৰু মহিলাসকলক দুর্ব্যৱহাৰ কৰিছিল। কিন্তু মহিলাসকলে সাহসেৰে পিছহুঁহকিবলৈ অস্বীকাৰ কৰিলে। এই আন্দোলনৰ গতিপথত গাড়োৱাল মহিলাই সফলতাৰে নেতৃত্বৰ ভূমিকা পালন কৰিছিল আৰু অৰণ্যৰ ভৱিষ্যতৰ ওপৰত পুৰুষৰ সিদ্ধান্ত লোৱা অধিকাৰ আৰু তেওঁলোকৰ লগত আলোচনা নকৰাকৈ কোনো চুক্তিত প্রৱেশৰ ওপৰত প্রশ্ন তুলিছিল।

## ৮.৫ দেশীয় সুৰা বিৰোধী আন্দোলন

অন্ধ্রপ্রদেশৰ মহিলাসকলৰ দেশীয় সুৰা বিৰোধী আন্দোলন আছিল ১৯৯০ৰ এক ঐতিহাসিক আৰু অতি বিশেষত্বপূর্ণ আন্দোলন। ঐতিহাসিকভাৱে খ্যাত বালা পৰিহিতা অন্ধ্রপ্রদেশৰ মহিলাসকলে মদ সেৱনৰ দৰে সামাজিক ব্যাধিৰ বিৰুদ্ধে চলোৱা যুঁজখন ভাৰতৰ সামাজিক বুৰঞ্জীত সুৰা যুদ্ধ হিচাপে জনা যায়। অন্ধ্রপ্রদেশৰ মহিলাসকলে সুৰা বিক্রী আৰু সুৰা সেৱন বন্ধ কৰাৰ ক্ষেত্রত এক ঐতিহাসিক ভূমিকা পালন কৰিছিল। অৱশ্যে

এই আন্দোলন কেৱল সুৰা বৰ্জনতেই সীমাবদ্ধ নাছিল। তেওঁলোকৰ জীৱন আৰু সংস্কৃতি বৰ্তাই ৰখা আৰু সুৰক্ষা প্ৰদানো ইয়াৰ লক্ষ্য আছিল। গাঁৱলীয়া মহিলাসকলে তেওঁলোকৰ পুৰুষসকলে আৰু সন্তানে মাদক দ্ৰব্য সেৱনেৰে নিজৰ লগতে পৰিয়ালসমূহ ধ্বংস কৰি তোলাৰ বিপক্ষে তেওঁলোকৰ কণ্ঠ তুলি ধৰিছিল। এই আন্দোলনটো অন্ধ্ৰ প্ৰদেশৰ নেলো�ৰ জিলাৰ দুবগুণ্টা নামৰ এখন সৰু গাঁৱত আৰম্ভ হৈছিল। এই আন্দোলনৰ মূল কাৰণ ক'বলৈ গ'লে নেলো�ৰ জিলাত সফলতাৰে পৰিচালিত সাক্ষৰতা অভিযান। ১৯৯০ চনৰ ২ জানুৱাৰীত নেলুৰ জিলাত চৰকাৰীভাৱে ৰাষ্ট্ৰীয় সাক্ষৰতা অভিযানৰ আৰম্ভ হয় আৰু ১৯৯১ চনৰ জানুৱাৰীৰ পৰা ই ৰূপায়িত হয়। এই আঁচনিখন পৰিৱৰ্তনৰ আহিলা হিচাপে উন্নয়ন স্বীকৃতিৰে আৰু মহিলা সৱলীকৰণক গুৰুত্ব দি অতি উদ্ভাৱনীমূলক পদ্ধতিৰে পৰিচালিত হৈছিল। সেয়ে প্ৰচাৰৰ লক্ষ্য হিচাপে সাক্ষৰতাৰ বাৰ্তা বিয়পাই দিয়া হৈছিল। পাঠ্যপুথি লিখন, জনপ্ৰিয় অভিনয় কলাৰ ব্যৱহাৰ আৰু জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰা হৈছিল। ইয়াৰ উপৰি সাংস্কৃতিক কমিটি গঠন কৰি গীত, নৃত্য-নাটক আৰু বাটৰ নাটৰ জৰিয়তে শিক্ষাৰ প্ৰয়োজনীয়তা, সাক্ষৰতাৰ অৰ্থ বুজাই দিয়া হৈছিল। এই মাধ্যমবোৰৰ জৰিয়তে সমস্যাসমূহ উপস্থাপন কৰাত বা ভাগ বটোৱাৰা কৰাই ই মহিলাসকলৰ মাজত এক নিকট সম্পৰ্ক গঢ়ি তোলাত সহায় কৰিছিল। তেওঁলোকে মদ সেৱনৰ দৰে কু-অভ্যাসৰ বিৰুদ্ধে যুঁজ দিবলৈ সিদ্ধান্ত লয়। মহিলাসকলে ভাবিছিল যদিহে মদৰ দোকানসমূহ বন্ধ হয়, পুৰুষবোৰে মদ বিচাৰি নাপাব। ফলত মদ খোৱা বন্ধ হ'ব। এই মহিলাসকলে পৰৱৰ্তী দিনত সমদল যাত্ৰা কৰি তেওঁলোকৰ গাঁৱৰ মদৰ দোকানসমূহ বন্ধ কৰিবলৈ সক্ষম হয়। এই দুবগুণ্টা কাহিনীটোৱে অতি সোনকালে অন্য এখন ন-শিকাৰুৰ পাঠ্যপুথিত আডাভাল্লু একমেইটহে (Adavallu Ekamaithe) নামেৰে ঠাই পায়। যাৰ অৰ্থ হৈছে 'যদিহে নাৰীসকল একেলগ হয়'। এই পাঠটোৱে আন আন গাঁৱৰ তিৰোতাসকলৰ মাজতো বিদ্যুৎ সঞ্চাৰী প্ৰভাৱ পেলালে। তেওঁলোকেও ভাবিলে যে তেওঁলোকেও সেই কাম কৰিব পাৰে। বহু গাঁৱত মহিলা সমিতি গঠন হ'ল। তেওঁলোকৰ যুঁজখন ঠিকাদাৰ, আৱকাৰী বিভাগ আৰু নিজ ৰাজ্যৰ লগত জড়িত বৃহৎ বিষয়বোৰৰ লগত আছিল। মহিলাসকলে জানিব বিচাৰিছিল যে কিয় তেওঁলোকৰ গাঁওবাসীয়ে খোৱা পানী, ল'ৰা-ছোৱালীৰ বাবে বিদ্যালয় বা যথোপযুক্ত মজুৰি নাপায়? তাৰ বিপৰীতে যথেষ্ট পৰিমাণৰ মদৰ দোকান গাঁৱত আছে। সু�ৰাবিৰোধী আন্দোলন স্বতঃস্ফুতভাৱে নিম্ন শ্ৰেণী আৰু নিম্ন শ্ৰেণীৰ মহিলাসকলৰ মাজত আৰম্ভ হ'লেও ই সোনকালেই এক উন্মাদনা ৰূপত সকলো শ্ৰেণী আৰু জাতি-বৰ্ণৰ মাজত দেশীয় সু�ৰাৰ দোকান, আবকাৰী বিষয়া, দেশীমদৰ ঠিকাদাৰ আৰু এই ব্যৱসায়ত জড়িত ৰাজ্যৰ সকলো প্ৰশাসনীয় যন্ত্ৰৰ বিৰোধিতাতে গা কৰি উঠে। এইবোৰৰ বাহিৰেও মহিলাসকলে যাৰ বিৰুদ্ধে যুঁজিছে সিহঁতৰ কাৰ্য পদ্ধতি আৰু আক্ৰমণকো বাধা দিছিল। মিষ্টাৰ ভাবীলাল গোপাল কৃষ্ণায়াহাৰ দৰে অভিজ্ঞ স্বাধীনতা সংগ্ৰামীৰ অনুপ্ৰেৰণামূলক পথ প্ৰদৰ্শনত আন্দোলনটোৱে জিলাৰ সকলো গাঁৱলৈ বিয়পি পৰিল আৰু সাংগঠনিক গতিশক্তি লাভ কৰিবলৈ সক্ষম হ'ল। অতি সোনকালে সকলো দেশী মদৰ যোগানৰ উৎস বন্ধ হৈ পৰিল। সকলো ঠাইতে মদ সেৱনৰ বিৰোধিতাৰে স্বতঃস্ফুত আৰু একে সময়তে বিক্ষোভ হ'ল। অন্ধ্ৰপ্ৰদেশত দেশীয় সুৰাৰ বিক্ৰী বিৰোধী মহিলাৰ সংগ্ৰামত ২০ টা অৰাজনৈতিক সংগঠনে নিলাম বন্ধ কৰা আৰু সুৰাৰ উৎপাদন সম্পূৰ্ণৰূপে বন্ধ কৰাৰ কাৰণে যুঁজিছিল। এই আন্দোলনৰ মাজেদি মহিলাসকলে নিশ্চিতভাৱে বিজয়ী ৰূপত উলাই আহিছিল কিয়নো তেওঁলোকৰ শক্তি আৰু সামৰ্থ্যৰ ওপৰত থকা সজাগতাই সমাজখন পৰিৱৰ্তন কৰিবলৈ সক্ষম হ'ল। অতি গুৰুত্বপূৰ্ণ কথা যে দেশীয় সুৰাবিৰোধী আন্দোলন সমাজত পৰিয়ালকেন্দ্ৰিক হিংসা ৰোধ কৰাৰ ক্ষেত্ৰত এক ভাল উদাহৰণ। ই এক নাৰীবাদী দৃষ্টিভংগীৰে চোৱা বিষয় বিশেষত পৰিয়ালকেন্দ্ৰিক হিংসাৰ দৰে এক ব্যক্তিগত বিষয় আৰু ইয়াৰ লগত ৰাজ্য আৰু সমাজৰ বিষয়বোৰ লগ লাগি ডাঙৰ বিচাৰ্য বিষয় হৈ পৰিছে। ঘৰুৱা হিংসা ব্যক্তিগত আৰু মহিলাই এই ক্ষেত্ৰত একো কৰিবলৈ সমৰ্থ নহয়, এনে ধৰণৰ ধাৰণাৰ ওপৰত ই প্ৰশ্ন উত্থাপন কৰিছে। এই আন্দোলনে মহিলাসকলক অসাধাৰণ আত্মবিশ্বাস আৰু মহিলা শক্তিৰ সজ্ঞানতা প্ৰদান কৰে। মহিলাসকলে তেওঁলোকৰ শক্তি

অনুভৱ আৰু প্ৰয়োগ কৰি তেওঁলোকৰ লাভ পাবলৈ সক্ষম হৈছিল। মহিলাসকল বিজয়ী হৈ ওলাই আহিছিল কাৰণ তেওঁলোকে তেওঁলোকৰ শক্তি আৰু সামৰ্থৰ দ্বাৰা সমাজত পৰিৱৰ্তন আনিব পাৰিব বুলি বিশ্বাস কৰিছিল।

## ৮.৬ ১৯৭০ চনৰ পাছৰ পৰা ভাৰতত নাৰী আন্দোলন

উত্তৰ ঔপনিৱেশিক কালৰ প্ৰথম কেইটামান দশকত গুৰু চিন্তাৰ বিষয় আছিল সামগ্ৰিক অৰ্থনৈতিক বিকাশ। ই এটা দশকৰ পৰা আন এটা দশকলৈ চলি আহিছিল যি সমতা আৰু দৰিদ্ৰতা হ্ৰাসৰ দৰে বিষয়বোৰত উৎকণ্ঠা বৃদ্ধিৰ সাক্ষ্য বহন কৰে। লিংগ সম্পৰ্কীয় বিষয়বোৰ দৰিদ্ৰতাৰ লগতে অন্তৰ্ভুক্ত কৰা হৈছিল আৰু মহিলাসকলক উদ্দেশ্য কৰি কোনো বিশেষ আঁচনি নাছিল। এই সময়ছোৱাত মহিলাসকল আইন আৰু দুৰ্ভিক্ষ সহায়তা আন্দোলনৰ দৰে আন্দোলনত জড়িত হৈছিল যদিও ১৯৭০ চনলৈকে তেওঁলোকৰ ওপৰত চলি থকা শোষণ-নিপীড়নৰ বিষয়বোৰ দাঙি ধৰিব পৰা নাছিল। '৭০ চনৰ পৰা বেচৰকাৰী সংস্থা আৰু অন্যান্য সংগঠনে মহিলাসকলৰ উন্নয়নৰ ওপৰত গুৰুত্ব দিবলৈ আৰম্ভ কৰে আৰু তেওঁলোকৰ সমস্যাবোৰৰ ক্ষেত্ৰত সামূহিক কণ্ঠেৰে আগবাঢ়ি যোৱাৰ পথ প্ৰদৰ্শন কৰে। এই তৃণমূল সংগঠনসমূহে কেনেদৰে মহিলা কল্যাণ সাধিত হ'ব আৰু সংঘবদ্ধ অংশগ্ৰহণমূলক শক্তি বা ক্ষমতাৰ পথ কি হ'ব তাক লৈ প্ৰশ্ন উত্থাপন কৰিছিল। এই সংগঠনসমূহৰ সফলতাক লৈ যেতিয়াই প্ৰশ্ন উঠিছিল, তেতিয়া প্ৰায়ে দেখা গৈছিল যে মহিলাসকলৰ সক্ৰিয়তাৰ মাজত বিৰাট সম্ভাৱনা, অনুভূতিপ্ৰৱণতা আৰু নিৰ্ধাৰণ কৰিব পৰা ক্ষমতা উদ্ভাসিত হৈ আছে।

১৯৭৪ চনৰ টুৱাৰ্ডচ ইকুইলিটি ৰিপোৰ্ট অনুসৰি নাৰী সমতাৰ কাহিনীটো পথ বন্ধৰ টুকুৰা টুকুৰ। ইয়াৰ হিচাপে প্ৰতিবেদনত কোৱা হৈছিল যে বহুতো উন্নয়নমূলক সামাজিক আইন আৰু সাংবিধানিক প্ৰতিশ্ৰুতি সত্বেও মহিলাৰৰ অৱস্থানৰ উন্নতি বেছিকৈ হোৱা নাই। ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক আদি বহু ক্ষেত্ৰত মহিলাৰ স্থান নিম্নখাপৰ। প্ৰতিবেদনখনত দেখুওৱা এটা দুখ লগা কথা হ'ল সমাজে এতিয়ালৈকে মহিলাসকলে উত্তৰাধিকাৰীত্ব লাভৰ বাবে প্ৰয়োজনীয় বিধি এটা তৈয়াৰ কৰা নাই আৰু অনুষ্ঠানসমূহেও মহিলাসকলে তেওঁলোকৰ বহুমুখী ভূমিকা পৰিপূৰ্ণ কৰিব পৰাকৈ সক্ষম কৰা নাই। যৌতুক প্ৰথাৰ বৃদ্ধিৰ ঘটনাই মহিলাৰ মৰ্যাদা অধিক লঘু হোৱাৰ ইংগিত দিয়ে। প্ৰতিবেদনখনত এইটোও আঙুলিয়াই দিয়া হৈছে যে মহিলাসকলৰ সমস্যা সম্পৰ্কে যিবোৰ উৎসাহ-উদ্দীপনা স্বাধীনতা আন্দোলনৰ সময়ত পোৱা গৈছিল, বিগত দুটা দশকত সেয়া উদ্বেগজনকভাৱে হ্ৰাস পাইছে। উত্তৰ স্বাধীনতা কালত নাৰী আন্দোলনসমূহ যৌতুক প্ৰথা, মহিলাৰ কৰ্মৰ মূল্য বৃদ্ধি, ভূমি অধিকাৰ, মহিলাৰ ৰাজনৈতিক অংশগ্ৰহণ, দলিত প্ৰান্তীয় মহিলাৰ অধিকাৰ, মৌলবাদৰ বিকাশ, প্ৰচাৰ মাধ্যমত মহিলাৰ অংশগ্ৰহণ আদি বহু বিষয়ক লৈ আগবাঢ়িছিল। এই আন্দোলনে শিশু কন্যা, লিঙ্গ হিংস্ৰতা আৰু বিশ্বায়ন এই তিনিটা প্ৰধান বিষয় লৈ সমাজৰ বৃহৎ সংখ্যক মহিলাক আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। তৃতীয় পৰ্যায়ৰ নাৰী আন্দোলনৰ গুৰুত্বপূৰ্ণ বৈশিষ্ট্যসমূহ (উত্তৰ স্বাধীনতা কালৰ পৰা ১৯৮৫ চনলৈকে) তলত দিয়া ধৰণৰ ১৯৭০ চনলৈকে এক ধৰণৰ নিষ্ক্ৰিয়তা বা মুক্ত ভাৰতৰ সামাজিক-অৰ্থনৈতিক পৰিস্থিতিৰ স্বাচ্ছন্দ্যই নাৰী আন্দোলনক প্ৰভাৱিত কৰিছিল। ১৯৬০ চনত অৰ্থনৈতিক সংকটে এনে এক পৰিৱেশ সৃষ্টি কৰিছিল য'ত মহিলা বিষয়ক উৎকণ্ঠা বৃদ্ধি পায় আৰু মহিলাসকলে আৰম্ভণি কৰা স্বনিয়ন্ত্ৰিত নাৰী আন্দোলন পৰিলক্ষিত হয় য'ত স্বনিয়ন্ত্ৰিত মহিলা দল বা সংগঠনসমূহে স্বাধীনতাৰ কাৰণে, যুঁজ আৰম্ভ কৰিছিল। সমমৰ্যাদাৰ আদৰ্শ আৰু মহিলাৰ কল্যাণৰ কাৰণে প্ৰয়োজনীয় সুবিধা ভাৰতীয় সংবিধানত অন্তৰ্ভুক্ত কৰা হৈছিল যদিও স্বাধীনতাৰ পূৰ্বৰ আইনসমূহেই বলৱৎ হৈ আছিল। ভাৰতীয় সংবিধানে পুৰুষ মহিলা উভয়কে সম অধিকাৰ প্ৰদান কৰিছে। সংবিধানৰ ১৫ আৰু ১৬ (২) অনুচ্ছেদত বৈষম্য নিষেধ কৰা হৈছে আৰু ১৪ নং অনুচ্ছেদত আইনৰ চকুত সকলো সমান হিচাপে গ্ৰহণ কৰা হৈছে। ১৯৫০ চনৰ প্ৰাৰম্ভিক কালছোৱাত হিন্দু বিবাহ আইন, হিন্দু উত্তৰাধিকাৰ আইন,

যৌতুক প্ৰতিৰোধ আইন আৰু সম পাৰিশ্ৰমিক আইনৰ দৰে এক শ্ৰেণী আইন গৃহীত হয়। স্বাধীন ভাৰত এখন কল্যাণকামী ৰাষ্ট্ৰ হিচাপে উত্থানেও ভাৰতৰ নাৰী আন্দোলনৰ গতিপথক প্ৰভাৱিত কৰে। চৰকাৰৰ কেন্দ্ৰীয় সমাজ কল্যাণ বৰ্ডে কল্যাণক অগ্ৰাধিকাৰ দিয়াৰ লগতে মহিলা, শিশু আৰু সমাজৰ অনগ্ৰসৰ শ্ৰেণীৰ উন্নয়নৰ কাৰণে সেৱা আগবঢ়ায়। মহিলা কল্যাণক বিশেষ গুৰুত্ব আৰোপেৰে জনকল্যাণৰ অৰ্থে সাহায্য অনুদান আগবঢ়োৱাই আছিল এক ৰাষ্ট্ৰজোৰা অভিযান। ১৯৬০ চনৰ শেষৰ সময়ছোৱাক অৰ্থনৈতিক সংকট আৰু স্থবিৰতা, মূল্যবৃদ্ধি, ভূমিহীনতাৰ বৃদ্ধি আৰু গ্ৰাম্য আৰু চহৰীয়া অঞ্চল উভয়তে এনে ধৰণৰ ক্ষোভৰ উদ্‌গীৰণৰ সময় হিচাপে চিহ্নিত কৰা হৈছে। বাঁওপন্থী দলসমূহে এই সংকটৰ সুবিধা গ্ৰহণ কৰি সাংগঠিক আন্দোলন আৰম্ভ কৰিছিল যদিও মহিলাৰ বিষয়সমূহ লোৱা হোৱা নাছিল। তথাপি বৃহৎ সংখ্যক মহিলা সক্ৰিয় হৈ উঠিছিল আৰু গ্ৰাম্য, দুখীয়া, জনজাতীয় আৰু উদ্যোগত কাম কৰা শ্ৰেণী আদি সকলো মহিলাই একেলগে সংগ্ৰামত অংশ লৈছিল। শ্ৰমিক মহিলা সংগঠন (মহিলা কৰ্মী সংগঠন)ৰ দৰে নাৰী সংগঠনসমূহে অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি, জালিয়তি আদিবোৰক আলোচ্য বিষয় হিচাপে গ্ৰহণ কৰিছিল। ১৯৭৩ চনৰ মূল্যবৃদ্ধি বিৰোধী আন্দোলনৰ চৰম অৱস্থাত আন্দোলনৰ সংঘবদ্ধ সন্মুখ সংগঠনটো চি পি আই (এম), সমাজবাদী দল আৰু আনকি অৰাজনৈতিক মহিলাৰ মাজৰ পৰা গঠিত হৈছিল। ৰাজনৈতিক দলসমূহে তেওঁলোকৰ নিজা ৰাজনৈতিক লাভৰ বাবে মহিলাসকলক সক্ৰিয় কৰি তোলে। ইয়াৰ ফলস্বৰূপে ভাৰতৰ কমিউনিষ্ট দলে নেচনেল ফেডাৰেচন অৱ ইণ্ডিয়ান ৱ'মেন নামৰ সংগঠন প্ৰতিষ্ঠা কৰিছিল। গ্ৰাম্য জনসাধাৰণৰ অৰ্থনৈতিক দুৰৱস্থা কিছুমান ৰাজনৈতিক দলে মনোযোগ আকৰ্ষণ কৰিছিল। খেতিয়ক মহিলাসকলৰ কৰ্ম অৱস্থাৰ উন্নতি প্ৰয়োজনীয় আছিল যদিও পত্নীৰ ওপৰত অত্যাচাৰ, সু�ৰাসক্তি, যৌতুক প্ৰথা আৰু যৌন আতিশৰ্য্যৰ দৰে উচ্চ শ্ৰেণীৰ মাজত থকা বিষয়সমূহেও মনোযোগ আকৰ্ষণ কৰিছিল। এনেদৰে ১৯৭০ চনৰ আগভাগত অভিজাত মহিলা সংগঠনসমূহে সাংস্কৃতিক কাম-কাজ আৰু সৌন্দৰ্য প্ৰদৰ্শনী আদি পৰিচালনা কৰিছিল। দৰিদ্ৰ মহিলাসকলে এই গুৰুত্বপূৰ্ণ আন্দোলনবোৰ সুদৃঢ় কৰি তুলিছিল। ১৯৭৫ৰ পৰা ১৯৮৫লৈ এই দশকটোত স্বনিয়ন্ত্ৰিত নাৰী আন্দোলন উদ্ভাসিত হৈ উঠা দেখা গৈছিল। ১৯৭৫ চনটো আন্তঃৰাষ্ট্ৰীয় নাৰী বৰ্ষ হিচাপে ঘোষণা কৰা হয়। পৰৱৰ্তী সময়ত ইয়াক এটা দশকলৈ বঢ়াই দিয়া হয়। ১৯৭১ চনত চৰকাৰে 'কমিটি অন দ্যা ষ্টেটাচ অৱ ইণ্ডিয়ান ৱ'মেন (Committee on the Status of Indian Women চমুকৈ CSIW) নামেৰে ভাৰতীয় মহিলাৰ মৰ্যাদা আৰু অধিকাৰসমূহ পৰীক্ষা কৰাৰ লগতে ৰাষ্ট্ৰ গঢ়ি তোলাত মহিলাই যাতে গুৰুত্বপূৰ্ণ যথোপযুক্ত ভূমিকা ল'ব পাৰে তাৰ বাবে পৰামৰ্শ আগবঢ়াবলৈ এখন কমিটি নিযুক্তি দিয়ে। কৃষি উদ্যান ক্ষেত্ৰ, খনি আৰু অসংগঠিত উদ্যোগ আদিৰ দৰে বিশেষ কৰ্মক্ষেত্ৰসমূহত মহিলাক সমান কাম কৰিও পুৰুষৰ সমানে মজুৰি নিদিয়াটো আছিল নাৰীৰ বিৰুদ্ধে বৈষম্যৰ এক অংশ। কাম কৰা মহিলাৰ বাবে হোষ্টেল, আইনী সুবিধা আৰু শ্ৰমিক সংঘৰ (trade union) অধিকাৰ মহিলাসকলৰ বাবে সহজলভ্য নাছিল। অপুষ্টিৰ কাৰণে পুৰুষতকৈ মহিলাৰ মাজত মৃত্যুৰ হাৰ অধিক আছিল। মহিলাসকলে যৌতুকজনিত মৃত্যু, পত্নীৰ ওপৰত মাৰপিট, জাতিসমূহৰ মাজত থকা গণধৰ্ষণ, সাম্প্ৰদায়িক সংঘৰ্ষ, দলবদ্ধ ধৰ্ষণ, নাৰী নিৰ্যাতন আদি হিংসাৰ সন্মুখীন নাৰীসকল হ'বলগীয়া হৈছিল আৰু এই ক্ষেত্ৰত প্ৰচাৰ মাধ্যমৰ বক্তব্যও আছিল গতানুগতিক বা একেসুৰীয়া। এইবোৰৰ উপৰি দৰিদ্ৰতা আৰু অৱহেলিত দলিত আৰু জনজাতীয় মহিলাৰ বহুতকে বলপূৰ্বক বেশ্যাবৃত্তিত নিয়োগ কৰা হৈছিল। স্বনিয়ন্ত্ৰিত নাৰী আন্দোলনে আন্তঃৰাষ্ট্ৰীয় মহিলা দশকতে আৰম্ভণি ঘটে আৰু ই মহিলাৰ সমস্যাবোৰৰ ওপৰত মনোযোগ আকৰ্ষণ কৰে। ১৯৭৫ চনৰ ৮ মাৰ্চত প্ৰথমবাৰৰ বাবে আন্তঃৰাষ্ট্ৰীয় মহিলা দিৱস উদ্যাপন কৰা হয়। স্বনিয়ন্ত্ৰিত নাৰী আন্দোলনৰ গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হৈছে যে এই আন্দোলন নাৰীৰ দ্বাৰাই সংগঠিত হৈছিল আৰু এই আন্দোলন নাৰীৰ নেতৃত্বতেই নাৰীৰ ওপৰত চলা শোষণ, নিপীড়ন, অন্যায় আৰু বৈষম্যৰ বিৰুদ্ধে যুঁজ দিছিল।

স্বনিয়ন্ত্ৰিত নাৰী আন্দোলনৰ সময়ত উজলি উঠা নাৰী সংগঠনবোৰক ৬টা ভাগত ভাগ কৰিব পাৰি। সেই

কেইটা হ'ল—

- স্বনিয়ন্ত্রিত গোট যাৰ মুখ্য উদ্দেশ্য আছিল বিক্ষোভ আৰু সজাগতা সৃষ্টি।
- শ্রমিক সংঘ, কৃষি শ্রমিকৰ সংগঠন, গণতান্ত্রিক দল, জনজাতীয় দলৰ দৰে তৃণমূল বা জন আধাৰিত সংগঠনসমূহে পত্নীৰ ওপৰত মাৰপিট, ভূস্বামীৰ দ্বাৰা যৌন নির্যাতন, পুৰুষৰ সুৰাসক্তিৰ দৰে নাৰীজনিত সমস্যাবোৰ গ্রহণ কৰিছিল।
- কোনো কোনো দল বা গোটেই অভাৰী মহিলাক আশ্রয় গৃহ, কর্মসংস্থান আদি যোগান ধৰিছিল।
- ডাক্তৰ, উকীল আদিৰ দৰে পেছাদাৰী মহিলা সংগঠনসমূহে বৈষম্যৰ বিৰুদ্ধে বিক্ষোভ বিচাৰিছিল আৰু প্রায়ে পেছাদাৰী কর্মৰ বাবে বিকল্প গতিপথ সৃষ্টি কৰিছিল।
- ৰাজনৈতিক দলসমূহৰ নাৰী বাহিনী বা নাৰী দল।
- দলসমূহে নাৰী সম্পর্কীয় সমস্যাসমূহ গৱেষণা আৰু তথ্য লিপিবদ্ধ কৰিছিল।

ওপৰত উল্লেখ কৰা দল আৰু সংগঠনসমূহে মহিলাৰ সমস্যাবোৰ গ্রহণ কৰিছিল আৰু ইয়াৰ অধিকাংশ সদস্যই আছিল মহিলা আৰু তেওঁলোকে মহিলাৰ হকেই কাম কৰিছিল। চহেলী, মানুষী, স্ত্রী শক্তি, স্ত্রী মুক্তি সংগঠন, পেন্নুৰিমায়াকম আদি কিছুমান জনাজাত মহিলা সংগঠন। এই সকলো দল বা গোটেই মহিলাৰ ওপৰত চলা নৃশংসতাৰ দৰে বিষয়বোৰ দাঙি ধৰিছিল। তেওঁলোকে প্রচাৰ পুস্তিকা বিতৰণ, সমর্থন আদায়ৰ স্বাক্ষৰ সংগ্রহ, প্রতিবাদী সভা আয়োজন, জনসাধাৰণক সক্রিয় কৰাৰ কাৰণে প্রদর্শন কার্য আদি কৰিছিল। তেওঁলোকে পথ সভা, বাটৰ নাট, ব্যংগ, গীত-মাত আৰু পোষ্টাৰ প্রদর্শনীও অনুষ্ঠিত কৰিছিল। তেওঁলোকে মহিলাৰ মাজত সজাগতা সৃষ্টিৰ বাবে নাৰীবাদী আলোচনীও প্রকাশ কৰিছিল। ইয়াৰ বাহিৰেও স্বনিয়ন্ত্রিত নাৰী আন্দোলনে মহিলাৰ মাজত সাধাৰণ সজাগতা সৃষ্টি কৰিছিল। মথুৰা ধর্ষণ গোচৰৰ আইনী বিতর্কসমূহ প্রকাশ কৰিছিল। নাৰীক পণ্য বা যৌন প্রতীক হিচাপে দেখুওৱা বা বৰহাৰ কৰা বিজ্ঞাপন, প্রচাৰ প্রত্রিকা আদি আঁতৰ কৰিছিল। এই স্বনিয়িন্ত্রত আন্দোলনবোৰে যৌতুক বিৰোধী আৰু ধর্ষণ বিৰোধী প্রচাৰ কার্যৰ ওপৰত বিশেষ মনোযোগ দিছিল। নাৰী সম্পর্কীয় বহু বিষয়ত গৱেষণা হৈছিল। বিদ্যায়তনিক ক্ষেত্রত নাৰী অধ্যয়ন বিষয়টোৱে ১৯৭০ চনৰ সময়ছোৱাত অধিক গুৰুত্ব লাভ কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ ফলস্বৰূপে নাৰী আন্দোলনৰ হেঁচাত ধর্ষণ, যৌতুক, বিবাহ আদি আইনৰ সংশোধন কৰা হৈছিল।

## অগ্রগতি নিৰীক্ষণ

**প্রশ্ন নং ৩ ঃ** ভাৰতৰ স্বাধীনতাৰ পাছত গঠন হোৱা তিনিটা মহিলা সংগঠনৰ নাম লিখক।

.....

**প্রশ্ন নং ৪ ঃ** কোনটো অঞ্চলত চিপকো আন্দোলন আৰম্ভ হৈছিল?

.....

## ৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বহু বছৰ জোৰা ঔপনিৱেশিক দমনে আমাৰ থলুৱা শিল্প ধ্বংস কৰাৰ লগতে আমাৰ প্রাকৃতিক সম্পদসমূহকো হ্রাস কৰে।
- ঔদোগিকৰণ, প্রযুক্তিগত পৰিৱর্তন, নিৰক্ষৰতা, সক্রিয়তাৰ অভাৰ আদিৰ ফলস্বৰূপে নতুন পৰিস্থিতিৰ লগত মুখামুখি হোৱাত মহিলাসকলক অসমর্থ কৰি তোলে।

- এই সময়ছোৱাত সমাজ সংস্কাৰকসকলে সাংবিধানিক আৰু আইনী সুবিধাৰ সূচনাৰে ভাৰতীয় সমাজখনক এক গতি বিচাৰিছিল প্রদান কৰিব আৰু জাতি, ধর্ম, বর্ণ আৰু লিংগ নির্বিশেষে সকলো নাগৰিকক সমতা প্রদান কৰি, নাৰী বৈষম্য দূৰ কৰি সমাজক সুৰক্ষিত কৰিব বিচাৰিছিল।
- তেলেঙ্গানা আন্দোলন ১৯৪৬ চনত আৰম্ভ হৈছিল আৰু ১৯৫১ চনলৈকে চলিছিল। ই আছিল যুদ্ধোত্তৰ ভাৰতৰ দুটা গুৰুত্বপূর্ণ কৃষক সংগ্রামৰ অন্যতম এটা।
- তেলেঙ্গানা আন্দোলন (১৯৪৬-৫১) আছিল হায়দৰাবাদৰ পাটিল, জাগীৰদাৰ আৰু নিজামৰ শোষণৰ পৰা মুক্তি আৰু খাদ্য উভয়কে বিচাৰি কৰা জনসাধাৰণৰ এক প্রতিবাদ।
- উত্তৰ প্রদেশৰ তেহৰী গাঢ়োৱাল জিলাৰ আদবানি নামৰ এখন সৰু পাহাৰীয়া গাঁৱত চিপকো আন্দোলনৰ জন্ম হয়।
- ১৯৭২ চনত নিৰক্ষৰ আদিবাসী মহিলাসকলে এই আন্দোলনৰ নেতৃত্ব দিছিল।
- ১৯৯০ চনৰ অন্ধ্রপ্রদেশৰ দেশীয় সুৰা বিৰোধী আন্দোলন আছিল এক ঐতিহাসিক আৰু অতি বিশেষত্বপূর্ণ আন্দোলন।
- বুৰঞ্জীখ্যাত বালা পৰিহিতা অন্ধ্রপ্রদেশৰ মহিলাসকলে সুৰা সেৱনৰ দৰে সামাজিক ব্যাধিৰ বিৰোধে চলোৱা যুদ্ধখন ভাৰতৰ সামাজিক বুৰঞ্জীত এক সুৰা যুদ্ধ হিচাপে জনা যায়।
- ১৯৭৪ চনৰ টুৱার্ডছ ইকুৱেলিটি ৰিপ'র্ট অনুসৰি মহিলাৰ কাৰণে সমতা কাহিনীটো ভংগুৰ।
- ইয়াৰ কাৰণ হিচাপে প্রতিবেদনখনত কোৱা হৈছে যে যদিও বহুতো প্রগতিশীল সামাজিক আইন আৰু সাংবিধানিক প্রতিশ্রুতি প্রদান কৰা হৈছে তথাপি নাৰীৰ মর্যাদাৰ বেছি উন্নতি হোৱা নাই।

## ৮.৮ অধিক জানিবলৈ

**ইংৰাজী গ্রন্থ ঃ**


1) Baig, Tara Ali. 1976. Women Power of India. New Delhi: Sultan Chand and Sons.
2) Banerjee, Narayan. 1992. Grassroots Empowerment Mimeograph. New Delhi: Center for Women's Development Studies.
3) Kumar, Radha. 1993. History of Doing. New Delhi: Kali for Women.
4) Lal, Ruby. 2004. Domesticity and Power in the Early Mughal World. Cambridge: Cambridge University Press.


## ৮.৯ অগ্রগতিৰ খতিয়ান

**১নং প্রশ্নৰ উত্তৰ ঃ** ১৯৪৬

**২নং প্রশ্নৰ উত্তৰ ঃ** ৰেগুলা আচাম্মা, চিত্যলা আইলাম্মা, পেছাৰু সাতবাম্মা।

**৩নং প্রশ্নৰ উত্তৰ ঃ** চহেলী, মানুষী, স্ত্রী শক্তি।

**৪নং প্রশ্নৰ উত্তৰ ঃ** উত্তৰ প্রদেশৰ তেহৰী গাড়োৱাল জিলা।

## ৮.১০ আৰ্হি প্ৰশ্ন

**চমু প্ৰশ্ন ঃ** (উত্তৰ ১৫০ শব্দৰ ভিতৰত)

**প্ৰশ্ন ১ ঃ** স্বনিয়ন্ত্ৰিত আন্দোলনৰ সময়ত উদ্ভাসিত হৈ উঠা বিভিন্ন ধৰণৰ নাৰী সংগঠনৰ নাম উল্লেখ কৰক।

**প্ৰশ্ন ২ ঃ** ১৯৭০ চনৰ পৰৱৰ্তী নাৰী সংগঠনসমূহৰ বিষয়ে চমুকৈ লিখক।

**ৰচনাধৰ্মী প্ৰশ্ন ঃ** (উত্তৰ ৩০০ৰ পৰা ৫০০ শব্দৰ ভিতৰত)

**প্ৰশ্ন ১ ঃ** দেশীয় সুৰা বিৰোধী আন্দোলনৰ বিষয়ে এখন ৰচনা লিখক।

**প্ৰশ্ন ২ ঃ** চিপকো আন্দোলনৰ লগত জড়িতা উদ্বেগ আৰু বিষয়সমূহ আলোচনা কৰক।

*** ***** ***

# অধ্যায় ৯ ঃ মহিলা আৰু স্বাস্থ্য

## অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ ভাৰতত মহিলাৰ স্বাস্থ্যৰ স্থিতি
৯.৪ স্বাস্থ্যৰ ওপৰত প্ৰভাৱ পেলোৱা মৰণশীলতা (Mortality) আৰু ৰোগাৱস্থাৰ (Morbidity) কাৰকসমূহ
৯.৫ পৰিপুষ্টি আৰু স্বাস্থ্য
৯.৬ এইচ আই ভি (HIV) আৰু এইডছ্ (AIDS) নিয়ন্ত্ৰণ পৰিকল্পনা
৯.৭ ৰাষ্ট্ৰীয় স্বাস্থ্য আৰু জনসংখ্যা আঁচনি তথা পৰিকল্পনাসমূহ
৯.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৯.৯ অধিক জানিবলৈ
৯.১০ অগ্ৰগতিৰ খতিয়ান
৯.১১ আৰ্হি প্ৰশ্ন

## ৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ভাৰতত মহিলাৰ স্বাস্থ্যৰ স্থিতি সম্পৰ্কে জানিব পাৰিব
- স্বাস্থ্যৰ ওপৰত প্ৰভাৱ পেলোৱা মৰণশীলতা (Mortality) আৰু ৰুগ্নতাৰ (Morbidity) কাৰকসমূহৰ বিষয়ে জানিব
- পৰিপুষ্টি আৰু স্বাস্থ্যৰ অৰ্থ বুজি পাব
- এইচ আই ভি (HIV) আৰু এইডছ্ (AIDS) নিয়ন্ত্ৰণ পৰিকল্পনাৰ ধাৰণাটো বুজি পাব
- ৰাষ্ট্ৰীয় স্বাস্থ্য আৰু জনসংখ্যা আঁচনি তথা পৰিকল্পনাসমূহৰ বিষয়ে জানিব।

## ৯.২ পৰিচয়

মহিলা আৰু স্বাস্থ্যৰ প্ৰসংগটো এক সৰ্বাত্মক প্ৰসংগ (reference) যিটোৱে কৈশোৰ অৱস্থাৰ পৰা প্ৰাপ্তবয়স্কলৈকে সকলো বয়সৰ মহিলাৰ ওপৰত প্ৰভাৱ পেলোৱা স্বাস্থ্য সম্বন্ধীয়

সমস্যাসমূহ আলোচনা কৰে। মহিলা আৰু স্বাস্থ্যৰ প্ৰসংগটোৰ সৈতে জড়িত সমস্যাসমূহ ভিন্ন। এই প্ৰসংগটোৱে অষ্টেঅ'পৰ'চিচ্ৰ (osteoporosis) পৰা বক্ষৰ কৰ্কট ৰোগ আৰু অন্যান্য কৰ্কট ৰোগসমূহ, ঘৰুৱা হিংসা, যৌন সংযোগৰ দ্বাৰা সংক্ৰমিত ৰোগসমূহ, বৃত্তিজনিত সংকট (occupational hazzard), খাদ্যাভ্যাসজনিত বেমেজালি

(eating disorders), হৃদৰোগ আৰু অন্যান্য চিৰকলীয়া (chronic) ৰোগ, দ্ৰব্যৰ অপব্যৱহাৰ (substance abuse) আৰু স্বাস্থ্যৰ ওপৰত প্ৰভাৱ পেলোৱা সমাজভিত্তিক (societal) তথা আচাৰ-সম্বন্ধীয় (behavioural) দিশসমূহৰ দৰে গুৰুত্বপূৰ্ণ প্ৰধান সমস্যাসমূহ সাঙুৰি লয়। মহিলা আৰু স্বাস্থ্যৰ প্ৰসংগটোৱে কেৱল মহিলাসকলৰ সৈতে দেখা দিয়া সুকীয়া তথা মহিলাসকলৰ সৈতে সঘনাই সংঘটিত হোৱা পৰিস্থিতিসমূহেই সাঙুৰি নলয়, বৰঞ্চ ই মহিলাসকলৰ সৈতে বৈষম্য থকা তথা মহিলাসকলৰ ক্ষেত্ৰত পৃথকভাৱে বিবেচনা কৰা পৰিস্থিতিসমূহো সাঙুৰি লয়।

ইয়াৰ উপৰি, স্বাস্থ্যক দৈহিক আৰু মানসিক সকলো দিশৰ পৰাই এক মৌলিক মানৱ অধিকাৰ বুলি গণ্য কৰা হয়। দৰচলতে, স্বাস্থ্য হ'ল এক সুস্থ জীৱন-যাপন তথা জীৱনৰ বিভিন্ন ক্ষেত্ৰত অংশগ্ৰহণৰ বাবে এক ভিত্তি স্বৰূপ। যিদৰে জীৱ-বিজ্ঞানে স্বাস্থ্যক প্ৰভাৱান্বিত কৰে, সেইদৰে সমাজৰ নীতি-নিয়ম, ৰাজনৈতিক সিদ্ধান্ত আৰু অৰ্থনৈতিক অগ্ৰসৰতাৰ স্তৰসমূহেও স্বাস্থ্যৰ ওপৰত প্ৰভাৱ পেলায়। এই সকলোবোৰ ক্ষেত্ৰতেই সামাজিক লিংগ বৈষম্যৰ আৰ্হি পৰিলক্ষিত হয়। ইয়াৰ অৰ্থ এইটোৱে যে পূৰ্ণ স্বাস্থ্যৰ ধাৰণাটোৱে বৰ্তমানে বিশ্বৰ অধিকাংশ মহিলাকে আওকাণ কৰে। এই ক্ষেত্ৰত পৰিলক্ষিত হোৱা সামাজিক লিংগ বৈষম্যৰ ফলস্বৰূপে কিছুমান মহিলাই প্ৰয়োজনীয় স্বাস্থ্য-সেৱাৰ পৰা বঞ্চিত হয়, অথবা তেওঁলোক ৰোগাক্ৰান্ত হোৱাৰ সম্ভাৱনা (susceptible) বৃদ্ধি পায়। সামাজিক লিংগ-ভিত্তিক হিংসা সকলো সমাজৰে এক স্থায়ী মহামাৰী স্বৰূপ আৰু ই মহিলাসকলৰ শাৰীৰিক তথা মানসিক স্বাস্থ্যৰ হানি কৰাৰ লগতে সময় সাপেক্ষে মহিলাসকলৰ প্ৰাণহানিও কৰে।

## ৯.৩ ভাৰতত মহিলাৰ স্বাস্থ্যৰ স্থিতি

এই অধ্যায়টিত মহিলা আৰু স্বাস্থ্যৰ বিষয়টোৰ ওপৰত কিয় গুৰুত্ব আৰোপ কৰা হৈছে? ইয়াৰ প্ৰধান কাৰণ হ'ল মহিলা তথা ছোৱালীসকলৰ নিৰ্দিষ্ট স্বাস্থ্যভিত্তিক প্ৰয়োজনীয়তা আছে আৰু স্বাস্থ্য ব্যৱস্থাসমূহে এই প্ৰয়োজনীয়তাসমূহ পূৰণত ব্যৰ্থ হৈছে। স্বাস্থ্যৰ ক্ষেত্ৰত কিছুমান নিৰ্দিষ্ট পৰিস্থিতি আছে যিবোৰ কেৱল মহিলাসকলে সন্মুখীন হয় আৰু এই পৰিস্থিতিসমূহে কঢ়িয়াই অনা নেতিবাচক প্ৰভাৱসমূহো কেৱল মহিলাসকলে বহন কৰে। কিছুমান পৰিস্থিতি যেনে গৰ্ভাৱস্থা আৰু গৰ্ভধাৰণ সাধাৰণতে কোনো ৰোগ নহয়, কিন্তু ইয়াকে লৈ যিবোৰ জৈৱিক (physiological) তথা সামাজিক প্ৰক্ৰিয়া জড়িত থাকে সেইবোৰেহে স্বাস্থ্য সংকট কঢ়িয়ায় আৰু সেইবাবে মহিলাসকলক এনে পৰিস্থিতিত স্বাস্থ্য-সেৱাৰ প্ৰয়োজন হয়।

কিছুমান স্বাস্থ্যভিত্তিক প্ৰত্যাহ্বানে পুৰুষ আৰু মহিলা উভয় পক্ষকে প্ৰভাৱান্বিত কৰে, কিন্তু জৈৱিক প্ৰক্ৰিয়াসমূহৰ ভিন্নতাৰ বাবে মহিলাসকলৰ ওপৰত ইয়াৰ প্ৰভাৱ অধিক গুৰুতৰ অথবা ভিন্ন হয়। তেনে ক্ষেত্ৰত, এই প্ৰত্যাহ্বানসমূহক নেওচা দিবলৈ মহিলাসকলৰ বাবে নিৰ্দিষ্ট কিছুমান উপায় বিচাৰিব লগা হয়। মহিলাসকলে তেওঁলোকৰ প্ৰয়োজনীয় স্বাস্থ্য-সেৱাসমূহ আহৰণ কৰিবলৈ যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ব লগা হয়। ইয়াৰ উপৰি, শিক্ষা, আয় তথা কৰ্ম-সংস্থাপন আদি ক্ষেত্ৰত থকা সামাজিক লিংগ-বৈষম্যই মহিলাসকলক এক সৰ্বোচ্চ স্তৰৰ (optimal) স্বাস্থ্য অৱস্থিতি লাভ কৰাৰ পৰা বঞ্চিত কৰে আৰু নিজৰ স্বাস্থ্য প্ৰতিৰক্ষাৰ সামৰ্থ্য সীমিত কৰি পেলায়।

মহিলাসকলৰ স্বাস্থ্যৰ বিষয়টো কেৱল মহিলাসকলৰ বাবেই প্ৰয়োজনীয় নহয় বৰঞ্চ শিশুসকল অৰ্থাৎ ভৱিষ্যৎ প্ৰজন্মৰ বাবেও ই এক সংকীৰ্ণ বিষয়। এই ধাৰণাটোৱে এক গুৰুত্বপূৰ্ণ দৃষ্টিকোণৰ (aspect) উন্মেষ ঘটায়। সেয়া হ'ল — ছোৱালী তথা মহিলাসকলৰ স্বাস্থ্যৰ ওপৰত লোৱা যথোচিত যত্নই কেৱল বৰ্তমান সময়ৰ বাবে এক বিনিয়োগ নুসূচায় বৰঞ্চ ই ভৱিষ্যৎ প্ৰজন্মৰ বাবেও এক উপযোগী বিনিয়োগ হিচাপে পৰিগণিত হয়। ইয়াৰ উপৰি, ওপৰোক্ত ধাৰণাটোৱে মহিলাসকলৰ স্বাস্থ্যৰ অন্তৰ্নিহিত গুৰুত্বপূৰ্ণ সামাজিক আৰু অৰ্থনৈতিক নিৰ্ধাৰকসমূহৰ (determinants) ওপৰত আলোচনা কৰাৰ প্ৰসংগটোও উত্থাপন কৰে। এই নিৰ্ধাৰকসমূহৰ ভিতৰত

শিক্ষা অন্যতম যিয়ে মহিলাসকলক প্রত্যক্ষভাৱে লাভান্বিত কৰে আৰু তেওঁলোকৰ সন্তানৰ অস্তিত্ব, বিকাশ তথা সামগ্রিক উন্নয়নৰ এক গুৰুত্বপূর্ণ কাৰক হিচাপে সহায়ক হয়।

মহিলাসকলৰ স্বাস্থ্যৰ ওপৰত হোৱা বিশ্লেষণ এক স্থিৰ পৰিঘটনা নহয় আৰু ই প্রায়ে মহিলাসকলৰ জীৱনৰ কিছুমান নির্দিষ্ট স্তৰ যেনে, প্রজননশীল স্তৰ অথবা এইচ আই ভি (HIV), মাতৃকুলীয়া স্বাস্থ্য (maternal health), নির্যাতন আৰু কু-স্বাস্থ্য (ill- health) আদিৰ দৰে কিছুমান নির্দিষ্ট স্বাস্থ্য সম্বন্ধীয় ভাবুকিৰ ওপৰত মনোনিৱেশ কৰে। যদিহে ছোৱালী আৰু মহিলাসকলে স্বাস্থ্যৰ প্রতি থকা তেওঁলোকৰ মানৰ অধিকাৰ সম্পূর্ণৰূপে উপলব্ধি কৰিব বিচাৰে আৰু পিচলৈ বহল দৃষ্টিত তেওঁলোকৰ সামাজিক তথা অর্থনৈতিক অধিকাৰসমূহ সাব্যস্ত কৰিব বিচাৰে তেন্তে তেওঁলোকৰ স্বাস্থ্য সংক্রান্তীয় চিন্তনীয় বিষয় কিছুমান তাৎক্ষণিকভাৱে আলোচনা কৰিব লাগিব। মহিলাসকলৰ কু- স্বাস্থ্যৰ বোজাৰ ওপৰত দিয়া এই সংক্ষিপ্ত বিৱৰণৰ পৰা এইটো ক'ব পাৰি যে মহিলাসকলে বিভিন্ন বয়সত কেৱল মৃত্যুৱে নহয়, বৰঞ্চ অন্যান্য বহুতো দীর্ঘস্থায়ী ৰোগ সংক্রান্তীয় পৰিস্থিতিৰ সন্মুখীন হয়। মহিলাসকলে সন্মুখীন হোৱা আর্থ-সামাজিক আৰু লিংগ-ভিত্তিক বৈষম্যৰ বাবে তেওঁলোক স্বাস্থ্য-সেৱা আহৰণ তথা ব্যৱহাৰৰ ক্ষেত্রতো শোষিত হয়। স্বাস্থ্য-সেৱা ব্যৱহাৰৰ ক্ষেত্রত সাধাৰণতে দৰিদ্র শ্রেণীৰ মহিলাসকল আটাইতকৈ পিছপৰা। ইয়াৰ কাৰণসমূহ ভিন্ন আৰু জটিল কোনো ক্ষেত্রত হয়তো স্বাস্থ্য-সেৱা উপলব্ধ নাথাকে অথবা দুর্লভ (inaccessible) হয়, আৰু আন কোনো ক্ষেত্রত মহিলাসকলে আর্থিক সামর্থ্যৰে যুগুতাব পৰা যাতায়ত বিচাৰি নাপায়। কিছুমান ক্ষেত্রত, সমাজ-সাংস্কৃতিক (sociocultural) নীতি-নিয়মবোৰেও মহিলাসকলৰ চলন-ফুৰণ (mobility) সীমিত কৰে আৰু স্বাস্থ্য-সেৱা আগবঢ়োৱা পুৰুষ-কর্মীসকলৰ সৈতে আন্তঃক্রিয়াত বাধা আৰোপ কৰে।

আঁচনি তথা পৰিকল্পনাসমূহৰ ক্ষেত্রত আটাইতকৈ প্রভাৱশীল প্রতিক্রিয়াসমূহ নির্ধাৰণ কৰিবলৈ বিভিন্ন পটভূমিত আর্থ-সামাজিক বৈষম্য কিদৰে অৱিহণা যোগায় সেয়া বিচাৰ কৰাতো অপৰিহার্য। কিছুমান পটভূমিত, স্বাস্থ্য-সেৱা আহৰণৰ ক্ষেত্রত থকা বাধাই ধনী শ্রেণীৰ বাহিৰে আন সকলো শ্রেণীকে প্রভাৱিত কৰে। ইন্দোনেছিয়া আৰু পাকিস্তানৰ বাহিৰেও ভাৰতত, সকলো আয়ৰ শ্রেণীৰ মাজতে স্বাস্থ্য-সেৱা আহৰণৰ পথ সূচল যদিও এই সেৱাৰ দ্বাৰা ধনী শ্রেণী অধিক লাভান্বিত হয় আৰু তুলনামূলকভাৱে দৰিদ্র শ্রেণীৰ পৰিয়ালসমূহ বাদ পৰি যায়। এনে ধৰণৰ ভিন্ন বৈষম্য আর্হিয়ে বিভিন্ন পৰিকল্পনা-ভিত্তিক হস্তক্ষেপৰ প্রয়োজনীয়তাৰ কথা সূচায়। দৰিদ্র সকলক উদ্দেশ্য কৰি প্রস্তুত কৰা আঁচনিৰ পৰা আৰম্ভ কৰি সমগ্র স্বাস্থ্য-ব্যৱস্থাটো শক্তিশালী কৰা তথা উভয় পৰিকল্পনা সংযুক্ত কৰি আঁচনি প্রস্তুত কৰালৈকে এই আটাইবোৰ উক্ত পৰিকল্পনাভিত্তিক হস্তক্ষেপৰ ভিতৰত পৰে।

স্বাস্থ্য ব্যৱস্থাটো মহিলাসকলৰ ওপৰত ইমান বেছিকৈ নির্ভৰশীল হোৱা সত্ত্বেও মহিলাসকলৰ বাবে স্বাস্থ্য-সেৱা দুর্লভ্য হোৱা অথবা তেওঁলোকৰ প্রয়োজনসমূহৰ প্রতি প্রতিক্রিয়াহীন (unresponsive) হোৱাটো এক নুবুজা সাঁথৰ (paradox) স্বৰূপ। মহিলাসকল পৰিয়াল এটাৰ মুখ্য যত্নকর্তা তেওঁলোকে আনুষ্ঠানিক স্বাস্থ্য কর্ম বাহিনী (formal health workforce) আৰু অনানুষ্ঠানিক স্বাস্থ্য-সেৱা প্রদান উভয় ক্ষেত্রৰে মূল মেৰুদণ্ড গঠন কৰে। মহিলাসকলে বহু দেশতে আনুষ্ঠানিক স্বাস্থ্য কর্ম বাহিনীত প্রভুত্ব লাভ কৰে।

মহিলা স্বাস্থ্য-কর্মীসকলে বহু সময়ত বিভিন্ন কর্মজনিত স্বাস্থ্য সমস্যাৰ সন্মুখীন হয়। স্বাস্থ্য-সেৱা কর্ম বাহিনীত পুৰুষতকৈ অধিক মহিলা নিয়োজিত হয় বাবে আৰু মহিলা স্বাস্থ্য-কর্মীসকলে প্রায়ে তীক্ষ্ণ আঁহিলাৰ সৈতে কাম কৰে বাবে সর্বাত্মক হেপাটাইটিছ বি আৰু হেপাটাইটিছ চি সংক্রমণ তথা বেজীৰ আঘাতৰ ফলত হোৱা এইচ আই ভি (HIV) সংক্রমণৰ তিনি ভাগৰ দুভাগৰ বাবে মহিলাসকল জবাবদিহি (account for) হয়।

মহিলাসকল বস্তু উঠোৱা কার্যৰ (lifting) ফলত হোৱা পেশী-জঁকা সম্বন্ধীয় (muscoskeletel) আঘাত আৰু জ্বলা-পোৱা (burn-out) আদিৰ দ্বাৰাও অধিক আক্রান্ত (prone) হয়।

ইয়াৰ উপৰি, মহিলা স্বাস্থ্য-কর্মীসকল উৎপৰিৱর্তন কৰণক্ষম (mutagenic) আৰু সম্ভৱতঃ কর্কটৰোগ

সৃষ্টিকাৰী (carcinogenic) কিছুমান বিপজ্জনক ভেষজ দ্রব্য (hazardous drugs) তথা এজমা সৃষ্টিকাৰী বীজাণুনাশক দ্রব্য আৰু প্রাণনাশক (sterilants) দ্রব্য আদিৰ সংস্পর্শলৈ আহে। শাৰীৰিক দিশৰ পৰা তেওঁলোক কিছুমান প্রতিকূল প্রজননশীল ফলাফল যেনে অবিৰত গর্ভপাত আৰু জন্মগত বিকলতা (congenital malfunction) আদিৰ সন্মুখীন হয়। এইবোৰৰ উপৰিও, মহিলা সমুদায় স্বাস্থ্য-কর্মীসকল বিভিন্ন প্রকাৰৰ মানসিক তথা শাৰীৰিক হিংসাৰ বলি হয়।

## ৯.৪ স্বাস্থ্যৰ ওপৰত প্রভাৱ পেলোৱা মৰণশীলতা আৰু ৰোগাৱস্থাৰ (Morbidity) কাৰকসমূহ

ভাৰত হ'ল এখন বৈচিত্র্যপূর্ণ দেশ য'ত স্বাস্থ্যৰ প্রসংগটোক এক গুৰুত্বপূর্ণ বিষয় হিচাপে বিৱেচিত কৰা হয়। এই ক্ষেত্রত, সমাজ, সাংস্কৃতিক দিশত থকা পার্থক্যসমূহৰ ফলত স্বাস্থ্য সুবিধাসমূহ আহৰণ কৰাৰ ক্ষেত্রতো বিভিন্নতা দেখা দিয়ে। আনহাতে, সংসর্গজ (communicable) আৰু অ-সংসর্গজ (non-communicable) উভয় ধৰণৰ ৰোগৰ প্রভাৱতে ৰোগীয়ে মৃত্যুৱৰণ কৰে। যি নহওক, অ-সংসর্গজ (non-communicable) ৰোগসমূহ দেশত হোৱা সর্বমুঠ মৃত্যুৰ এক মুখ্য কাৰণ। সর্বমুঠ মৃত্যুৰ হাৰৰ ৪২ শতাংশ এনেবোৰ ৰোগৰ দ্বাৰাই সংঘটিত হয়। আনহাতে সংসর্গজ, মাতৃকুলীয়া (maternal), জন্মৰ সমসাময়িক (perinatal) আৰু পুষ্টিজনিত পৰিস্থিতিসমূহে সর্বমুঠ মৃত্যুৰ হাৰৰ ৩৮ শতাংশৰ কাৰক হিচাপে দেখা দিয়ে। ইয়াৰ উপৰি, আঘাত আৰু সঠিকভাৱে সংজ্ঞা দিব নোৱাৰা (ill-defined) কাৰণসমূহে অন্য ১০ শতাংশ মৃত্যুৰ হাৰৰ দায়িত্ব বহন কৰে। যি নহওক, মৰণশীলতা আৰু ৰোগাৱস্থাৰ এই কাৰকসমূহ বুজিবলৈ এক প্রাসংগিক দৃষ্টিকোণ (contexual aspect) আছে। সঠিকভাৱে সংজ্ঞা দিব নোৱাৰা কাৰণসমূহৰ (ill-defined causes) বেছিভাগেই বৃদ্ধাৱস্থা (সত্তৰতকৈ উর্দ্ধত)ত দেখা দিয়ে আৰু বহু প্রসংগত এনে ধৰণৰ সঠিকভাৱে সংজ্ঞা দিব নোৱাৰা মৃত্যুৰ কাৰকসমূহ সাধাৰণতে কিছুমান অ-সংসর্গজ ৰোগ (non-communicable) হোৱা দেখা যায়।

বিশ্বৰ দেশসমূহৰ ভিতৰত ভাৰতে সর্বমুঠ মাতৃকুলীয়া (maternal) মৃত্যুৰ গোলকীয় বোজাৰ পাঁচ ভাগৰ এভাগ অৰিহণা যোগায়। যি নহওক, ১৯৯০ চনৰ পৰা ভাৰতত মাতৃকুলীয়া মৰণশীলতা অনুপাতৰ ক্ষেত্রত (চমুকৈ এম এম আৰ) (maternal mortality ratio) ৪.৭ শতাংশ বার্ষিক হ্রাস আৰু কৌশলগত জন্ম উপস্থিতিৰ (skilled birth attendance) ক্ষেত্রত ৩.৫ শতাংশ বৃদ্ধি দেখা গৈছে। ভাৰতে মাতৃকুলীয়া মৰণশীলতা হ্রাসৰ ক্ষেত্রত ক্রমান্বয়ে সফলতা লাভ কৰি আছে যদিও এতিয়াও দেশখনে সহস্রাব্দিক উন্নয়ন লক্ষ্য (Millenium Development Goal) নং ৫ ৰ দিশে গতি কৰিব পৰা নাই।

ভাৰতৰ অভ্যন্তৰীণ ক্ষেত্রত, বিভিন্ন অঞ্চল আৰু সমাজ অর্থনৈতিক কাৰকসমূহৰ মাজত এম এম আৰ (MMR) আৰু স্বাস্থ্য-সেৱা আহৰণৰ ক্ষেত্রত এক লক্ষণীয় তাৰতম্য আছে। এনে তাৰতম্যৰ উচ্চ অনুপাতৰ বাবে চিকিৎসাজনিত কাৰকসমূহৰ বাহিৰেও বিভিন্ন সমাজ-জনসংখ্যাভিত্তিক (socio-demographic) কাৰকসমূহো দায়ৱদ্ধ। ভাৰত চৰকাৰে সময়ে সময়ে গর্ভৱতী মহিলা আৰু পৰিচর্যা কৰি থকা মহিলা তথা প্রজননশীল বয়সৰ গোটত থকা মহিলাসকলৰ স্বাস্থ্যৰ বিকাশৰ বাবে বহুতো পদক্ষেপ হাতত লৈ আহিছে। কিন্তু, মাতৃকুলীয়া মৰণশীলতা অনুপাতৰ ক্ষেত্রত, ইয়াৰ ফলাফল যথেষ্ট সন্তোষজনক নহয়। কম বয়সতে মহিলাসকলক বিবাহপাশত আবদ্ধ কৰোৱা, কম বয়সতে গর্ভৱতী হোৱা, উচ্চ জন্মৰ হাৰ আৰু দুটা প্রসৱৰ মাজত সময়ৰ ব্যৱধান কম হোৱা আদি হ'ল মাতৃকুলীয়া মৰণশীলতা অনুপাত বৃদ্ধিৰ কিছুমান সামাজিক কাৰক। এইবোৰৰ বাহিৰেও, মহিলাসকলৰ মাজত দেখা দিয়া উচ্চ হাৰৰ পুষ্টিহীনতাও এক সামাজিক সমস্যা হিচাপে পৰিগণিত হয়। আনহাতে, কিছুমান চিকিৎসা সম্বন্ধীয় পৰিস্থিতি যেনে গর্ভাৱস্থাত হোৱা জনন সম্বন্ধীয় ৰক্তক্ষৰণ (anti-partum hemorrhage), প্রসৱৰ পাছত

হোৱা জনন সম্বন্ধীয় ৰক্তক্ষৰণ (Post-Partum hemorrhage), ৰক্তহীনতা (anaemia), আক্ষেপ প্রসূতা অথবা এক্লেম্প্ছিয়া (eclampsia), একট'পিক গর্ভাৱস্থা অর্থাৎ গর্ভকোষৰ বাহিৰেও ভ্রূণৰ বিকাশ হোৱা গর্ভাৱস্থা (ectopic pregnancy), ফটা গর্ভ (rupture uterus) আদিয়ে মাতৃকুলীয়া মৰণশীলতা হাৰৰ এক গুৰুত্বপূর্ণ অংশ পূৰণ কৰে। কিন্তু এই পৰিস্থিতিসমূহৰ বেছিভাগেই প্রতিৰোধ (preventable) কৰিব পাৰি। এনেধৰণৰ সমস্যাৰ মুখামুখি হ'বলৈ, কেন্দ্রীয় চৰকাৰে ঊনৈছ আৰু ঊনৈছতকৈ উর্দ্ধতৰ বয়সৰ গর্ভৱতী তথা শিশুক স্তন্যপান কৰোৱা স্তৰত থকা মহিলাসকলৰ বাবে ইন্দিৰা গান্ধী মাতৃত্ব সহযোগ যোজনা (আই জি এম এছ য়াই), সর্তসাপেক্ষ মাতৃত্ব সাহায্য (Conditional Maternity Benefit) (চি এম বি) নামৰ এক আঁচনি প্রণয়ন কৰিছে। ২০১০ চনৰ অক্টোবৰ মাহত আৰম্ভ কৰা এই আঁচনিখনে গ্রাহকসকলৰ সু-স্বাস্থ্য আৰু পৰিপুষ্টিৰ নিশ্চিয়তাৰ বাবে অর্থ-সাহায্যৰ যোগান ধৰে। বর্তমানলৈ, এই আঁচনিখন দেশজুৰি সর্বমুঠ ৫৩ খন জিলাত কার্যকৰী কৰা হৈছে।

গ্রাম্য আৰু নগৰীয়া জনসংখ্যাৰ মাজত মাতৃকুলীয়া সেৱা লাভৰ ক্ষেত্রত এক বৈষম্য দেখা যায়। ভাৰত চৰকাৰৰ ৰাষ্ট্রীয় পৰিয়াল স্বাস্থ্য সমীক্ষা (এন এফ এইচ এছ II , ১৯৯৮-১৯৯৯) অনুসৰি গ্রাম্য অঞ্চলৰ মাতৃকুলীয়া মৰণশীলতাৰ হাৰ নগৰীয় অঞ্চলৰ মাতৃকুলীয়া মৰণশীলতাৰ হাৰতকৈ প্রায় ১৩২ শতাংশ বেছি। ভাৰতৰ মাতৃসকলৰ স্বাস্থ্যৰ সর্বাংগীন বিকাশৰ বাবে বহু আগৰে পৰা বিভিন্ন কার্য পৰিকল্পনা হাতত লোৱা হৈছে। গর্ভৱতী মাতৃসকলৰ উন্নয়নৰ বাবে, ভাৰত চৰকাৰে ২০০৫ চনৰ ১ এপ্রিল তাৰিখৰ পৰা প্রজননশীল আৰু শিশু স্বাস্থ্য পৰিকল্পনা দ্বিতীয় (আৰ চি এইচ - II) নামে এখনি আঁচনি প্রৱর্তন কৰিছে। পৰৱর্তী সময়ত, গর্ভৱতী মহিলাসকলৰ ২০০৫ বাবে চনৰ ১২ এপ্রিলৰ পৰা জননী সুৰক্ষা যোজনা (জে এছ য়াই) নামেৰে আঁচনি এখনো আৰম্ভ কৰা হয়। ইয়াৰ উপৰি, ৰাষ্ট্রীয় জনসংখ্যা নীতি, ২০০০ আৰু ৰাষ্ট্রীয় স্বাস্থ্য নীতি, ২০০০ ৰ লক্ষ্য হ'ল এক লাখ শিশু জন্মৰ ভিতৰত বর্তমানৰ ৪০০-৫০০ মাতৃকুলীয়া মৰণশীলতা হাৰ (এম এম আৰ) ১০০ লৈ হ্রাস কৰা।

২০০৫ চনত, ভাৰতে ৰাষ্ট্রীয় গ্রাম্য স্বাস্থ্য অভিযান (এন আৰ এইচ এম) নামৰ আঁচনিখন বিহিত কৰে। এই আঁচনিখনৰ কিছুমান প্রধান লক্ষ্য হ'ল কেঁচুৰা মৰণশীলতা আৰু মাতৃকুলীয়া মৰণশীলতাৰ অনুপাত হ্রাস কৰা। এন আৰ এইচ এমে (NRHM) ৰাজহুৱা স্বাস্থ্য সেৱাসমূহ সার্বজনীনভাৱে উপলব্ধ কৰিবলৈ আৰু লিংগ অনুপাতৰ ভাৰসম্য ৰাখিবলৈও লক্ষ্য স্থিৰ কৰিছিল। যি নহওক, নায়াৰ আৰু পাণ্ডাৰ দ্বাৰা ২০১১ চনত যুগুত কৰা এক গৱেষণামূলক অধ্যয়নত এইটো কথা পোহৰলৈ আহে যে, যদিও ভাৰতে ২০০৫ চনত বিহিত হোৱা এন আৰ এইচ এম (NRHM) আঁচনিৰ অধীনত মাতৃকুলীয়া স্বাস্থ্যৰ ক্ষেত্রত কিছু পৰিমাণে উন্নতি লাভ কৰিছে, তথাপি দেশখন এতিয়াও অধিকাংশ উন্নিত অর্থনৈতিক অৱস্থাৰ (emerging economics) প্রসংগত যথেষ্ট পিছপৰি আছে।

## ৯.৫ পৰিপুষ্টি আৰু স্বাস্থ্য

খাদ্যই স্বাস্থ্য আৰু ৰোগ উভয়তে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। বর্তমানে বর্দ্ধিত হাৰত দেখা দিয়া জীৱন ধাৰণ প্রণালী সম্বন্ধীয় বেমেজালিসমূহৰ (lifestyle disorders) ভিত্তিত ক'ব পাৰি যে,সকলো বয়স গোটৰ মাজত স্বাস্থ্যকৰ পৰিপুষ্টিৰ প্রয়োজনীয়তা সম্পর্কে প্রচাৰ কৰাটো অতি গুৰুত্বপূর্ণ।

ৰাষ্ট্রীয় পৰিয়াল স্বাস্থ্য সমীক্ষা —৩ এ দর্শায় যে নির্দ্ধাৰিত বিন্দু ১৮.৫ তকৈ কম শৰীৰৰ ভৰ সূচকৰ (Body Mass Index) (বি এম আই) সৈতে ৩৫.৬ শতাংশ ভাৰতীয় মহিলা দীর্ঘস্থায়ীভাৱে পুষ্টিহীন (chronically under-nourished) হয়। ইয়াৰ উপৰি, বিহাৰ আৰু মধ্য প্রদেশৰ পৰা পোৱা ডাটা (data) অনুসৰি চিকিৎসালয়সমূহত অতিশয়ভাৱে পুষ্টিহীন বিভাগত অন্তর্ভুক্ত হোৱা ল'ৰা-ছোৱালীসকলৰ ভিতৰত ছোৱালী বোৰে ৬৮ শতাংশ পর্যন্ত অৰিহণা যোগায়। আনহাতে অনুসূচিত জনজাতি, সম্প্রদায়ৰ শিশুবোৰ পৰিপুষ্টিৰ

স্থিতিৰ ক্ষেত্ৰত প্ৰায় সকলোবোৰ দিশৰ পৰাই আটাইতকৈ দুৰ্বল হোৱা দেখা যায় আৰু লগতে এওঁলোকৰ মাজত খীনাই যোৱাৰ প্ৰৱণতাও আটাইতকৈ বেছি (২৮ শতাংশ) হোৱা দেখা যায়।

সংহত শিশু উন্নয়ন আঁচনি (Integrated Child Development Scheme) (আই চি ডি এছ) নামে অন্য এক উদ্যমৰ (initiative) জৰিয়তে মাতৃ তথা ৬ বছৰৰ তলৰ শিশুক স্বাস্থ্য আৰু পৰিপুষ্টিৰ শিক্ষা, স্বাস্থ্য সেৱা, অতিৰিক্ত খাদ্য আৰু প্ৰাক্-বিদ্যালয় শিক্ষা যোগানৰ জৰিয়তে তেওঁলোকৰ স্বাস্থ্য উন্নত কৰাত সফলতা লাভ কৰা গৈছে। এই আই চি ডি এছ (ICDS) আঁচনিখন ভাৰতৰ কেন্দ্ৰীয় চৰকাৰৰ গ্ৰাম্য, নগৰীয় আৰু জনজাতীয় অঞ্চলক কেন্দ্ৰ কৰি সংস্থাপিত মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰালয়ৰ দ্বাৰা পৰিচালিত।

ভাৰতত ৰাজহুৱা স্বাস্থ্যক প্ৰভাৱিত কৰা কিছুমান অতি সাধাৰণ পৰিপুষ্টিজনিত সমস্যা হ'ল জন্মাৰস্থাৰ নিম্ন ভৰ, শিশুসকলৰ প্ৰ'টিন শক্তি পুষ্টিহীনতা, বয়স্কসকলৰ দীৰ্ঘস্থায়ী শক্তিহীনতা, সূক্ষ্মপোষক পুষ্টিহীনতা (micronutrient malnutrition) আৰু নিয়মিত আহাৰ সম্বন্ধীয় অ-সংসৰ্গজ ৰোগ আদি। সাম্প্ৰতিক সময়ত, ভাৰতৰ স্বাস্থ্য প্ৰতিবেদনঃ পৰিপুষ্টি ২০১৫ ৰ জৰিয়তে দেশৰ মাতৃ তথা শিশুসকলৰ মাজত পৰিপুষ্টিৰ প্ৰৱণতা (trends) নিৰ্ণায়ক সমীক্ষা চলোৱা হয়। এই সমীক্ষাটোৱে ভিন্ন ভূ-তাত্ত্বিক অঞ্চল, সমাজ-অৰ্থনৈতিক শ্ৰেণী-বিভাজন আৰু জনসংখ্যা ভিত্তিক গোট ভেদে দেখা দিয়া বিভিন্ন প্ৰৱণতা তথা বৈষম্যসমূহ বিশ্লেষণ কৰে। সমীক্ষাৰ অন্তত, পৰিপুষ্টিহীনতাৰ সমস্যাটোৰ সমাধানৰ বাবে আৰু নিম্ন পৰিপুষ্টি নিৰ্ধাৰকসমূহ উন্নত কৰিবৰ নিমিত্তে বহুতো স্তৰত বহুতো খণ্ডৰ পৰা সহযোগিতাৰ প্ৰয়োজন হয়।

## ৯.৬ এইচ আই ভি (HIV) আৰু এইডছ্ নিয়ন্ত্ৰণ পৰিকল্পনা

চিকিৎসাভিত্তিক পৰিভাষাত, হিউমেন ইমিউন' ডেফিচিয়েঞ্চী ভাইৰাছ, চমুকৈ এইচ আই ভি (HIV) হ'ল এক 'এণ্টিভাইৰাছ' (lentivirus) (ৰেট্ৰ'ভাইৰাছৰ এক উপবৰ্গ) (subgroup of retrovirus) যি এইচ আই ভি (HIV) সংক্ৰমণ ঘটায় আৰু সময়ৰ লগে লগে এক'ৱাইৰড্ ইমিউন' ডেফিচিয়েঞ্চী ছীন্দ্ৰ'ম (Acquired immuno-deficiency syndrome), চমুকৈ এইডছ্লৈ (AIDS) পৰিৱৰ্তিত হয়। বহুতো অঞ্চলত, সামাজিক পৰিস্থিতিয়ে এইচ আই ভি (HIV) সংক্ৰমণৰ আশংকা বৃদ্ধি কৰে আৰু ফলস্বৰূপে বিশ্বজোৰা এইচ আই ভি (HIV) মহামাৰীটোৰ সৈতে কাৰ্যকৰীভাৱে যুঁজ দিয়াত কঠিনতা আহি পৰে। সংক্ৰমণৰ দিশৰ পৰা, নিৰ্দিষ্ট গোটৰ কিছুমান লোক আনতকৈ অধিক প্ৰৱণতাপূৰ্ণ হয়, কিয়নো এনে লোকসকলে উচ্চ সংকটপূৰ্ণ আচৰণসমূহত অধিক ভাৱে লিপ্ত হয়। আনহাতে, অন্য কিছুমানে অপযশ তথা পক্ষপাতিত্বমূলক আচৰণৰ মুখামুখি হৈ এইচ আই ভি (HIV) সেৱাসমূহ ল'বলৈ আপোচ কৰে।

এইচ আই ভি (HIV) হ'ল এনে এক ভাইৰাছ যি মানুহৰ প্ৰতিৰক্ষা ব্যৱস্থাক আক্ৰমণ কৰে। ইয়াৰ সঠিকভাৱে চিকিৎসা নকৰিলে, ৰোগীৰ প্ৰতিৰক্ষা ব্যৱস্থাটো অৱশেষত সম্পূৰ্ণৰূপে ধ্বংস হৈ যায় আৰু লাহেকৈ ৰোগীজন মৃত্যুমুখত পৰিব পাৰে।

১৯৯২ চনৰ পৰা আৰম্ভ কৰা ৰাষ্ট্ৰীয় এইডছ্ নিয়ন্ত্ৰণ পৰিকল্পনাটো (এন এ চি পি) ভাৰতত এইচ আই ভি অথবা এইডছ্ নিয়ন্ত্ৰণ তথা প্ৰতিৰোধ কৰাৰ উদ্দেশ্যেৰে বলবৎ কৰা হৈছে। সময়ৰ লগে লগে এই পৰিকল্পনাটোৰ উদ্দেশ্যসমূহৰ প্ৰকৃতি সলনি হৈ আছে। পূৰ্বতে কেৱল এইচ আই ভি অথবা এইডছ্ সম্পৰ্কে সজাগতা বৃদ্ধিৰ উদ্দেশ্যৰ ঠাইত বৰ্তমান আচৰণভিত্তিক পৰিৱৰ্তনৰ ওপৰতো গুৰুত্ব দিয়া হয় আৰু পূৰ্বৰ দৰে এক ৰাষ্ট্ৰীয় স্তৰত সঁহাৰি বিচৰাৰ পৰিৱৰ্তে বৰ্তমানে এক অধিক বিকেন্দ্ৰীভূত সঁহাৰি বিচৰা হয়। ইয়াৰ উপৰি, বৰ্তমান সময়ত এই পৰিকল্পনাটোৰ সহায়ত বেচৰকাৰী সংগঠনসমূহ (এন জি অ') আৰু এইচ আই ভিৰ (HIV) সৈতে জীয়াই থকা লোকসকলৰ (চমুকৈ পি এল এইচ আই ভি) জালিকাসদৃশ গোটসমূহক (network) অধিকভাৱে জড়িত কৰাৰ প্ৰয়াস কৰা হয়।

১৯৯২ চনত আৰম্ভ কৰা এন এ চি পি ১ (NACPI) ৰ প্ৰথম পৰ্যায়ৰ পৰিকল্পনাটো দেশত এইডছ্ৰ প্ৰভাৱ, মৰণশীলতা তথা ৰুগ্নতা হ্ৰাস কৰিবৰ নিমিত্তে এইচ আই ভি সংক্ৰমণৰ গতি ৰোধ কৰিবৰ উদ্দেশ্যেৰে বলৱৎ কৰা হৈছিল। ১৯৯৯ চনৰ নৱেম্বৰ মাহত, ৰাষ্ট্ৰীয় এইডছ্ নিয়ন্ত্ৰণ পৰিকল্পনাৰ (এন এচি পি) দ্বিতীয় পৰ্যায়ৰ পৰিকল্পনাটো ভাৰততে এইচ আই ভি (HIV) সংক্ৰমণৰ হাৰ ৰোধ কৰিবলৈ আৰু ভাৰতৰ এইচ আই ভি অথবা এইডছ্ নিয়ন্ত্ৰণৰ ক্ষমতা দীৰ্ঘস্থায়ীভাৱে বৃদ্ধি কৰিবৰ উদ্দেশ্যৰে আৰম্ভ কৰা হৈছিল।

এন এ চি পিৰ (NACP) তৃতীয় পৰ্যায়ৰ পৰিকল্পনাটো ২০০৭ চনৰ জুলাই মাহত সৰ্বমুঠ পাঁচ বছৰৰ ব্যৱধানত এইডছ্ৰ মহামাৰীটো নিঃশেষ অথবা বিপৰীতমুখী কৰাৰ উদ্দেশ্যেৰে মুকলি কৰা হৈছিল। ইয়াৰ পাছত, ২০১২ চনত পৰৱৰ্তী পাঁচ বছৰৰ ভিতৰত এক বিবেচক তথা সু-নিৰ্ধাৰিত সংহত প্ৰক্ৰিয়াৰ দ্বাৰা ভাৰততে এইডছ্ৰ বিপৰীতমুখী কৰণ (reversal) প্ৰক্ৰিয়া ক্ষিপ্ৰতৰ কৰিবলৈ আৰু মহামাৰীটোৰ বিৰুদ্ধে প্ৰতিক্ৰিয়া আৰু অধিক শক্তিশালী কৰি তোলাৰ উদ্দেশ্যেৰে এন এ চি পিৰ (NACP) চতুৰ্থ পৰ্যায়ৰ পৰিকল্পনাটো হাতত লোৱা হয়।

## ৯.৭ ৰাষ্ট্ৰীয় স্বাস্থ্য আৰু জনসংখ্যা আঁচনি তথা পৰিকল্পনাসমূহ

ভাৰতৰ সংবিধানখনে কেন্দ্ৰীয় চৰকাৰৰ পৰিৱৰ্তে ৰাজ্য চৰকাৰসমূহৰ হাতত স্বাস্থ্য বিভাগৰ দায়িত্বটো অৰ্পন কৰে। সংবিধানৰ মতে, প্ৰতিখন ৰাজ্যই ইয়াৰ জনসাধাৰণৰ জীৱন-ধাৰণৰ মানদণ্ড আৰু পৰিপুষ্টিৰ স্তৰ উন্নিতকৰণ তথা ৰাজহুৱা স্বাস্থ্য উন্নিতকৰণ আদি নিজৰ প্ৰাথমিক কৰ্তব্য হিচাপে ল'বলৈ দায়বদ্ধ। ভাৰত চৰকাৰে ১৯৮৩ চনত ৰাষ্ট্ৰীয় স্বাস্থ্য নীতি প্ৰণয়ন কৰে আৰু ২০০২ চনত নীতিটোক নতুন সংযোজিত ৰূপ (updated) প্ৰদান কৰে। এই ৰাষ্ট্ৰীয় স্বাস্থ্য নীতিটো ২০১৭ চনত পুনৰীক্ষণ কৰা হয় আৰু জনসাধাৰণৰ পৰামৰ্শৰ বাবে এটা ড্ৰাফ্ট (draft) মুকলি কৰা হয়। স্বাস্থ্য প্ৰসংগত, ভাৰতৰ ৰাজ্যসমূহৰ মাজত ব্যাপক বৈষম্য থকা পৰিলক্ষিত হয়। এক লোকপিয়ল অনুসৰি, প্ৰতি হেজাৰ শিশুৰ ভিতৰত কেৰালাত কেঁচুৱা মৰণশীলতাৰ (infant mortality) হাৰ ১২ টা, কিন্তু অসমত এই হাৰ ৫৬ টা।

ভাৰতে প্ৰথম পঞ্চ-বাৰ্ষিক পৰিকল্পনাৰ অধীনত প্ৰথমটো পৰিয়াল পৰিকল্পনা আঁচনি হাতত লয়। ইয়াৰ দ্বাৰা ভাৰতে ৰাজ্য চৰকাৰৰ পৃষ্ঠপোষকতাত জনসংখ্যা নিয়ন্ত্ৰক পৰিকল্পনা আঁচনি হাতত লোৱা বিশ্বৰ ভিতৰতে প্ৰথমখন দেশ হিচাপে স্বীকৃতি লাভ কৰে। পৰিয়াল পৰিকল্পনাৰ আঁচনিটো মাতৃ আৰু শিশুৰ স্বাস্থ্য তথা হিতৰ হকে চৰকাৰীভাৱে স্বীকৃত হৈছিল। ইয়াৰ উপৰি, এই আঁচনিখনৰ উদ্দেশ্য আছিল জনসংখ্যাৰ ভাৰসাম্যতা বজাই ৰাখিবলৈ জন্ম আৰু মৃত্যু উভয়তে হাৰ সমান্তৰালভাৱে হ্ৰাস কৰি ৰাষ্ট্ৰীয় অৰ্থনীতিৰ বিকাশত অৰিহণা যোগোৱা। পৰিয়াল পৰিকল্পনা আঁচনিক গুৰুতৰ গতি প্ৰদান কৰিবলৈ আৰু এক নতুন দিশত আগুৱাই নিবলৈ ১৯৭৬ চনৰ জনসংখ্যা নীতি আৰু কাৰ্য (action) আদিৰ দৰে কিছুমান গুৰুত্বপূৰ্ণ নীতি সম্বন্ধীয় সিদ্ধান্ত হাতত লোৱা হৈছিল। ১৯৭৫-৭৭ চনৰ আপদকালীন সময়ছোৱাত (emergency period) পৰিয়াল পৰিকল্পনা আঁচনিটোৰ সফল ৰূপায়ণৰ বাবে জোৰ-জবৰদস্তি (coercion) আৰু হেঁচা প্ৰয়োগৰ নিচিনা কু-পন্থা অৱলম্বন কৰা হৈছিল। পৰিয়াল পৰিকল্পনা প্ৰদৰ্শনৰ সৈতে ৮ শতাংশ কেন্দ্ৰীয় সাহায্য জড়িত আছিল। ১৯৭৭ চনত নতুন চৰকাৰখনে জোৰ-জবৰদস্তি আৰু বল প্ৰয়োগ কৰা প্ৰথমটে বন্ধ কৰে আৰু পৰিয়াল পৰিকল্পনা আঁচনিটোক 'পৰিয়াল কল্যাণ আঁচনি' নামেৰে (family welfare programme) পুনঃ নামকৰণ কৰে।

১৯৮০-৮৫ চনৰ ষষ্ঠ পঞ্চ-বাৰ্ষিক পৰিকল্পনাৰ সময়ত, জনসংখ্যা নিয়ন্ত্ৰণৰ বিষয়টো এক প্ৰধান উদ্দেশ্য হিচাপে উল্লেখ আছিল, আৰু পাছলৈ সেইটো বিশটা উদ্দেশ্য সম্বলিত আঁচনিখনৰ অন্তৰ্ভুক্ত হয়। ১৯৮৫-৯০ চনৰ ভিতৰৰ সপ্তম পঞ্চ-বাৰ্ষিক পৰিকল্পনাটো চূড়ান্ত হোৱাৰ পাছত, পৰিয়াল পৰিকল্পনা আঁচনিটোৰ ক্ষেত্ৰত এক

সংশোধিত কার্যনীতি হাতত লোৱা হয়। এই পৰিকল্পনাটোৱে কিছুমান বিষয় যেনে স্বাক্ষৰতা বৃদ্ধিৰ দ্বাৰা মহিলাসকলৰ বিবাহৰ ন্যুনতম বয়স বৃদ্ধি কৰা, অর্থনৈতিক আৰু কর্ম-সংস্থাপনৰ সুযোগসমূহ বৃদ্ধি কৰি মহিলাসকলৰ সামাজিক স্থিতি উন্নত কৰা, মাতৃ তথা শিশুৰ স্বাস্থ্য উন্নত কৰা, দৰিদ্রতা উপশম কৰা আঁচনিসমূহৰ সৈতে সহযোগিতা আৰু সংযোগ বৃদ্ধি কৰা আৰু পৰিয়াল পৰিকল্পনা আঁচনিসমূহত এন জি অ' (NGOs) সমূহৰ অংশ গ্রহণ বৃদ্ধি কৰা আদিৰ ওপৰত মনোনিৰেশ কৰিছিল। ১৯৯২-৯৭ চনৰ ভিতৰত হোৱা অষ্টম বার্ষিক পৰিকল্পনাটোত, মানৰ উন্নয়নক চূড়ান্ত লক্ষ্য হিচাপে লোৱা হয় আৰু জনসংখ্যা নিয়ন্ত্রণৰ বিষয়টোক এক অন্যতম প্রধান বিষয় হিচাপে লোৱা হয়।

ইয়াৰ পৰৱর্তী পঞ্চ-বার্ষিক পৰিকল্পনাবোৰত জনসংখ্যা বৃদ্ধিৰ সমস্যাটোৰ মুখামুখি হ'বলৈ বিভিন্ন উপায় অৱলম্বনৰ দিহা কৰা হৈছিল।

জনসংখ্যা বৃদ্ধি নিয়ন্ত্রণৰ বাবে ভাৰত চৰকাৰৰ দ্বাৰা স্বীকৃত কিছুমান উপায় তলত উল্লেখ কৰা হ'ল ঃ—

২০০০ চনৰ ৰাষ্ট্রীয় জনসংখ্যা নীতিয়ে জনসংখ্যা স্থিৰকৰণৰ (stabilization) সমস্যাটোৰ ওপৰত এক কেন্দ্রীভূত গুৰুত্ব আৰোপ কৰিছিল। পৰৱর্তী সময়ত, ২০০০ চনত জনসংখ্যাৰ সৈতে জড়িত ৰাষ্ট্রীয় পৰিষদ এটা গঠন কৰা হয়। প্রধান মন্ত্রীৰ নেতৃত্বত গঢ় লৈ উঠা পৰিষদটোৰ ৰাষ্ট্রীয় জনসংখ্যা নীতি পুনৰীক্ষণ, নিৰীক্ষণ তথা কার্যকৰীকৰণৰ ক্ষেত্রত নির্দেশনা দিয়াৰ পুর্নাধিকাৰ আছে।

২০০৫ চনত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ (welfare) মন্ত্রালয়ৰ অধীনত জনসংখ্যা স্থিৰতা কোষ (National Population Stabilization) নামে এটা স্বায়ত্ব-শাষিত সংস্থা গঠন কৰা হয়। ইয়াৰ বহল কার্যাধিকাৰ (broad mandate) সাধাৰণতে জনসংখ্যা স্থিৰকৰণৰ উদ্দেশ্যে হাতত লোৱা কার্যকলাপ সমূহতে সীমাবদ্ধ থাকে।

সময়ে-সময়ে জনসাধাৰণৰ স্বাস্থ্য-সেৱাৰ প্রয়োজনসমূহ পূৰণ কৰিবলৈ চৰকাৰৰ দ্বাৰা ৰাষ্ট্রীয় গ্রাম্য স্বাস্থ্য অভিযান (National Rural Health Mission), জননী সুৰক্ষা যোজনা, সংহত শিশু উন্নয়ন সেৱা (Integrated Child Development Services) (ICDS) আদিৰ দৰে পৰিকল্পনা অথবা আঁচনি হাতত লোৱা হৈছে। এনে ধৰণৰ পন্থাসমূহে জনসংখ্যা স্থিৰকৰণৰ ক্ষেত্রত অৰিহণা যোগোৱা সম্ভাৱনা থাকে।

## অগ্রগতি নিৰীক্ষণ

খালী ঠাই পূৰ কৰক ঃ—

প্রশ্ন ১ ঃ ভাৰত চৰকাৰৰ দ্বাৰা ৰাষ্ট্রীয় স্বাস্থ্য নীতিটো চনত গ্রহণ কৰা হয় আৰু ২০০২ চনত শেহতীয়াকৰণ (updated) কৰা হয়।

.....

.....

প্রশ্ন ২ ঃ ২০০০ চনৰ ৰাষ্ট্রীয় জনসংখ্যা নীতিটোৱে প্রধানকৈ ৰ সমস্যাটোৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল।

.....

.....

## ৯.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- উন্নয়নশীল আৰু সু-স্বাস্থ্য মানুহৰ হিত তথা অর্থনৈতিক বিকাশৰ বাবে এক প্রধান অর্হতা।
- নিয়মিতভাৱে যথোচিত পৰিমাণৰ পৰিপুষ্টি আহৰণৰ জৰিয়তে মহিলাসকলে সমাজৰ উৎপাদনশীল সদস্য হিচাপে কাম কৰিব পাৰে আৰু পৰৱর্তী প্রজন্মৰ সু-স্বাস্থ্য গঠনত সঠিক অৰিহণা যোগাব পাৰে।
- চৰকাৰে মহিলাসকলৰ স্বাক্ষৰতাৰ হাৰ বৃদ্ধি কৰিবলৈ, তেওঁলোকক উন্নত মানদণ্ডৰ শিক্ষা প্রদান কৰিবলৈ আৰু তেওঁলোকৰ বাবে যথোপযুক্ত কর্ম-সংস্থাপনৰ সুযোগ বৃদ্ধি কৰিবলৈ কিছুমান অপৰিহার্য তথা বাধ্যতামূলক নীতি গ্রহণ কৰিব লাগে।
- এনে ধৰণৰ নীতিয়ে মহিলাসকলৰ স্বাস্থ্য সংক্রান্তীয় বিষয়সমূহৰ ওপৰত ইতিবাচক প্রভাৱ পেলায়।
- চৰকাৰে মহিলাসকলৰ স্বাস্থ্য স্থিতি উন্নত কৰিবলৈ অপৰিহার্য স্বাস্থ্য সেৱাসমূহ শক্তিশালীকৰণ আৰু প্রসাৰণৰ লগতে সুৰক্ষিত যৌন সম্পর্কৰ ওপৰত গতানুগতিক পৰামর্শ চক্র (counselling session) অনুষ্ঠিত কৰা, শিক্ষাভিত্তিক আৰু পৰিপুষ্টি সম্বন্ধীয় প্রয়োজনসমূহ তথা সামাজিক লিংগ ভিত্তিক হিংসাৰ সম্পর্কে সজাগতা বৃদ্ধি কৰা আদি কার্যপন্থা হাতত ল'ব পাৰে।

## ৯.৯ অধিক জানিবলৈ


1) Sarojini N.B, ChakraborthySuchita, VenkatachalamDeepa, Bhattacharya Saswati, Kapilasharmi

2) Anuj and Ranjande (2006)"*Women's Right to Health"*, – National Human Rights Commission,New Delhi.


## ৯.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ১৯৮৩ চন।

২ নং প্রশ্নৰ উত্তৰ ঃ জনসংখ্যা স্থিৰকৰণ (Population stabilization)।

## ৯.১১ আৰ্হি প্রশ্ন

**(ক) চমু টোকা লিখক (১৫০ শব্দৰ ভিতৰত উত্তৰ দিয়ক) —**

(১) মৰণশীলতা (Mortality) আৰু ৰোগাৱস্থা (Morbidity) মানে কি?

**(খ) দীঘল প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ দিয়ক) —**

(১) এইচ আই ভি (HIV) আৰু এইডছ্ৰ (AIDS) বিষয়ে বহলাই লিখক।

(২) জনসংখ্যা নীতিসমূহ ব্যাখ্যা কৰক।

(৩) পৰিপুষ্টি আৰু স্বাস্থ্যৰ মাজত কেনে ধৰণৰ সম্পর্ক আছে? ব্যাখ্যা কৰক।

**********

# অধ্যায় ১০ ঃ মহিলা আৰু শিক্ষা

## অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ পাঠ্যসূচী সাৰাংশ (curriculum content)
১০.৪ শিক্ষা অর্ধসমাপ্ত কৰা লোক (Dropouts)
১০.৫ শিক্ষাৰ নেতিবাচক সম্ভাৱনীয়তা (Negative capability in education)
১০.৬ শিক্ষাৰ আদর্শসমূহ
১০.৭ কাৰিকৰী শিক্ষা
১০.৮ মহিলাৰ শিক্ষাৰ ক্ষেত্রত দেখা দিয়া শেহতীয়া প্রৱণতা
১০.৯ শিক্ষাৰ ওপৰত প্রতিষ্ঠিত সমিতি তথা আয়োগসমূহ
১০.১০ প্রাপ্তবয়স্কৰ স্বাক্ষৰতা আৰু মহিলাসকলৰ উন্নয়নৰ বাবে অনানুষ্ঠানিক শিক্ষা
১০.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.১২ অধিক জানিবলৈ
১০.১৩ অগ্রগতিৰ খতিয়ান
১০.১৪ আর্হি প্রশ্ন

## ১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- পাঠ্যসূচী সাৰাংশ (curriculum content), শিক্ষা অর্ধসমাপ্ত কৰা লোক (Dropouts) আৰু শিক্ষাৰ নেতিবাচক সম্ভাৱনীয়তা (Capability) সম্পর্কে বুজ ল'ব
- শিক্ষা তথা কাৰিকৰী শিক্ষাৰ আদর্শ সম্পর্কে অৱগত হ'ব
- মহিলাসকলৰ শিক্ষাৰ ক্ষেত্রত দেখা দিয়া শেহতীয়া প্রৱণতাসমূহৰ বিষয়ে জানিব
- শিক্ষাৰ ওপৰত প্রতিষ্ঠিত সমিটি তথা আয়োগসমূহৰ বিষয়ে জানিব
- প্রাপ্তবয়স্কৰ স্বাক্ষৰতা আৰু মহিলাসকলৰ উন্নয়নৰ বাবে হাতত লোৱা অনানুষ্ঠানিক শিক্ষা ব্যৱস্থাসমূহৰ বিষয়ে জানিব।

## ১০.২ পৰিচয়

ঊনবিংশ শতিকাৰ মাজভাগলৈ ছোৱালী তথা মহিলাসকলক কেৱল পৰম্পৰাগত ঘৰুৱা কাম-কাজৰ বাবে শিক্ষা দিয়া হৈছিল। এতিয়া সময় বাগৰাৰ লগে লগে সমাজত মহিলাসকলৰ ভূমিকা আৰু স্থিতিৰ ক্ষেত্রত পৰিৱর্তন অহা দেখা গৈছে। ল'ৰা আৰু পুৰুষসকলক শিক্ষিত কৰাৰ নিচিনাকৈয়ে ছোৱালী তথা মহিলাসকলৰ শিক্ষাৰ ক্ষেত্রতো অধিক গুৰুত্ব আৰোপ কৰা দেখা গৈছে। সাম্প্রতিক সময়ত পিতৃ-মাতৃসকলে লিংগ সমতা

অবিহনে নিজৰ ল'ৰা-ছোৱালীৰ ইচ্ছা আকাংক্ষাবোৰ পূৰণ কৰাৰ হাবিয়াস ৰাখে। শিক্ষিত মহিলাসকলে সদায় নিজস্ব অসামৰিক, সামাজিক, ৰাজনৈতিক আৰু অর্থনৈতিক অধিকাৰসমূহ অনুশীলনৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ইয়াৰ দ্বাৰা সমাজত মহিলাসকলৰ সামগ্রিক পৰিস্থিতি উন্নত হোৱাৰ সম্ভাৱনা বেছি। ২০১১ চনৰ লোকপিয়ল অনুসৰি ভাৰতত মহিলাৰ স্বাক্ষৰতাৰ হাৰ ৬৫.৪৬ শতাংশ আৰু সেয়েহে ভাৰতত মহিলাৰ শিক্ষাৰ বিষয়টো এতিয়াও এক গভীৰ আলোচনাৰ বিষয়। ভাৰতৰ এই হাৰ এতিয়াও পৃথিৰীৰ ৭৯.৭ শতাংশ গঢ় হাৰতকৈ বহুত তলত। বর্তমান স্কুলীয়া শিক্ষা এক ধৰণৰ আদর্শ হৈ পৰিছে আৰু ৩ বছৰ বয়সৰ পৰাই প্রতিটো শিশুৱে যিকোনো ধৰণৰ স্কুলীয়া শিক্ষা আৰম্ভ কৰে। কিন্তু বহুতো অঞ্চলত যদি শিশুটো ছোৱালী হয় তেন্তে তেনে শিশুৰ শিক্ষা আহৰণৰ ক্ষেত্রত ভিন্ন বাধাৰ সৃষ্টি কৰা দেখা যায়। ভাৰতৰ বহু অংশত এতিয়াও মহিলাৰ শিক্ষাৰ বিষয়টো এক অদৰকাৰী তথা নিষ্ফল কাৰুণ্য (inefficient indulgence) হিচাপে গণ্য কৰা হয়। এফালে য'ত কেৰালাই ৯২.০৭ শতাংশ মহিলা স্বাক্ষৰতাৰ হাৰ সহ মহিলা শিক্ষাৰ ক্ষেত্রত শীর্ষস্থানত আছে, সেই সময়ত বিহাৰে ৫১.৫০ শতাংশ মহিলা স্বাক্ষৰতাৰ হাৰসহ সর্বনিম্ন স্থান দখল কৰিছে। আনহাতে, কেৰালাৰ সর্বমুঠ স্বাক্ষৰতাৰ হাৰ ৯৪ শতাংশ হোৱাৰ বিপৰীতে বিহাৰৰ সর্বমুঠ স্বাক্ষৰতাৰ হাৰ মাত্র ৬১.৮০ শতাংশ।

মহিলা শিক্ষাৰ ধাৰণাটোৱে তেনে সকলোবোৰ শিক্ষা ব্যৱস্থাক বুজায় যাৰ দ্বাৰা মহিলা আৰু ছোৱালীবোৰে জ্ঞান তথা অর্হতা আহৰণ কৰিব পাৰে। সাধাৰণ শিক্ষা, স্কুল-কলেজীয়া শিক্ষা, কাৰিকৰী আৰু প্রযুক্তিগত শিক্ষা, বৃত্তিগত অর্হতাযুক্ত শিক্ষা, স্বাস্থ্য শিক্ষা ইত্যাদি মহিলা শিক্ষাৰ ধাৰণাটোৰ অন্তর্গত। মহিলা শিক্ষাৰ ধাৰণাটোৱে আনুষ্ঠানিক শিক্ষা আৰু অনানুষ্ঠানিক শিক্ষা সাঙুৰি লয়। মহিলাসকল সু-শিক্ষিত হ'লে সমাজৰ হকে অধিক বৰঙণি আগবঢ়াব পাৰে। শিক্ষিত মহিলাসকলে সমাজ-অর্থনৈতিক পৰিৱর্তন আনিব পাৰে। ভাৰতকে ধৰি প্রায় সকলোবোৰ গণতান্ত্রীয় ৰাষ্ট্রৰ সংবিধানে মহিলা-পুৰুষ উভয়কে সমান অধিকাৰ দিয়ে। বর্তমান প্রাথমিক শিক্ষা এক সংবিধান স্বীকৃত মৌলিক অধিকাৰ। যেতিয়া এগৰাকী ছোৱালী অথবা মহিলা নিজৰ অধিকাৰ সম্পর্কে নিশ্চিত হয়, তেতিয়াহে বহল অর্থত এখন সমাজৰ বহনক্ষমতা (sustainability) নিশ্চিত হয়। সেয়েহে, মহিলা শিক্ষাৰ গুৰুত্ব অনুধাৱন কৰি, চৰকাৰ তথা বহুতো বে-চৰকাৰী সংগঠনে সময়ে সময়ে মহিলা শিক্ষাৰ প্রসাৰৰ বাবে বহুতো প্রকল্প হাতত লৈ আহিছে। ইয়াৰ উপৰি মহিলা সবলীকৰণৰ বাবে বিভিন্ন স্বাক্ষৰতা আঁচনিও হাতত লোৱা হৈছে।

## ১০.৩ পাঠ্যসূচী সাৰাংশ (Curriculum content)

সামাজিক লিংগ হ'ল এক প্রকাৰৰ সামাজিক সৃষ্টি (social construct) যিয়ে সকলো সমাজ ব্যৱস্থাতে ল'ৰা-ছোৱালী, পুৰুষ আৰু মহিলাৰ দৃষ্টিভংগী, ভূমিকা, দায়িত্ব আৰু ব্যৱহাৰিক গাঁথনিৰ ওপৰত প্রভাৱ পেলায়। ৰাষ্ট্রীয় শিক্ষাভিত্তিক গৱেষণা আৰু প্রশিক্ষণ পৰিষদৰ (National Council of Educational Rescarch and Training) লেখিয়া আগশাৰীৰ ৰাষ্ট্রীয় সংগঠনে প্রস্তুত কৰা বিদ্যালয় ভিত্তিক পাঠ্যসূচী সংৰচনাটো (Framework) শিক্ষাৰ ক্ষেত্রত থকা লিংগভিত্তিক বিষয়সমূহ প্রতিফলিত হয়। এই ক্ষেত্রত,১৯৭৫, ১৯৮৮,২০০০ আৰু ২০০৫ চনৰ পাঠ্যসূচী সংৰচনাসমূহতে শিক্ষাৰ ক্ষেত্রত থকা সামাজিক লিংগ ভিত্তিক বৈষম্যৰ ওপৰত মনোযোগ আকর্ষণ কৰিবলৈ প্রচেষ্টা চলোৱা হৈছে। ইতিমধ্যে শিক্ষাৰ ক্ষেত্রত থকা সামাজিক লিংগ ভিত্তিক বিষয়সমূহ সংহত কৰিবলৈ যথেষ্ট পদক্ষেপ হাতত লোৱা হৈছে যদিও, গোলকীয়কৰণ, উদাৰকৰণ (liberalization) আৰু তথ্য প্রযুক্তিবিদ্যাৰ প্রসাৰে শিক্ষাৰ ক্ষেত্রত থকা সামাজিক লিংগ ভিত্তিক বৈষম্যৰ বিষয়টো এক গুৰুত্বপূর্ণ কার্যসূচী হিচাপে পুর্ণ বিবেচনা কৰিবৰ বাবে আহ্বান জনাইছে।

বর্তমান পৰিয়াল, সম্প্রদায়, স্কুল, কর্মস্থান ইত্যাদি সামাজিক লিংগ সম্পর্কৰ ওপৰত দেখা দিয়া পৰিৱর্তিত দৃষ্টিভংগী, বিশ্বাস তথা ব্যৱহাৰিক গাঁথনিৰ ওপৰত সংক্রিয়ভাৱে মনোনিৱেশ কৰাৰ প্রয়োজনীয়তা বৃদ্ধি পাইছে।

সামাজিক লিংগ ভিত্তিক বিতর্ক আৰু আলোচনাসমূহ শিক্ষা ব্যৱস্থা গণতান্ত্রীয়কৰণৰ (democratizing) অত্যাধিক (overarching) চিন্তনীয় বিষয়টোৰ পৰিসৰতে কার্য্যকৰী (operationalize) হ'ব লাগে। এই প্রসংগত, শিক্ষাৰ ক্ষেত্রত থকা সামাজিক লিংগভিত্তিক বাধাসমূহ দূৰ কৰিবলৈ কেন্দ্রীয় আৰু ৰাজ্যিক চৰকাৰৰ দ্বাৰা বিভিন্ন সময়ত বিভিন্ন সাংবিধানিক চর্ত তথা প্রতিশ্রুতি, আঁচনি, নীতি আৰু পৰিকল্পনা হাতত লোৱা হৈছে।

পাঠ্যসূচী হ'ল আমাৰ দেশজুৰি প্রচলিত ভিন্ন স্কুলীয়া ব্যৱস্থাৰ এক গুৰুত্বপূর্ণ উপাদান। ইয়াক শ্রেণীকক্ষৰ ভিতৰত আৰু বাহিৰত সংঘটিত হোৱা সকলো ধৰণৰ কার্য-কলাপৰে এক অপৰিহার্য অংশ হিচাপে গণ্য কৰা হয়। পাঠ্যসূচী সেইবোৰ সামাজিক ৰীতি, আদর্শ, বিশ্বাস আৰু ব্যৱহাৰৰ সৰবৰাহৰ ক্ষেত্রত জড়িত যিবোৰ প্রচলিত সামাজিক তথা সাংস্কৃতিক বিশ্বাস (ethos) সমূহ সবল কৰে নতুবা সেইবোৰৰ ওপৰত প্রশ্ন উত্থাপন কৰে। সামাজিক লিংগভিত্তিক সম্পর্কৰ প্রসংগত, পাঠ্যসূচীয়ে হয়তো লিংগসমূহৰ মাজত দেখা দিয়া ক্ষমতা ভিত্তিক বৈষম্য চিৰস্থায়ী কৰে (perpetuate) নতুবা এনে বৈষম্যৰ যথার্থতাৰ ওপৰত প্রশ্ন কৰাৰ বাবে নতুন প্রক্রিয়াৰ উদ্ভৱ হোৱাত সহায় কৰে আৰু তাৰ দ্বাৰা ই শিক্ষা আৰু প্রচলিত প্রথাসমূহত সামাজিক লিংগ ভিত্তিক সমতাৰ ওপৰত প্রযোজ্য নীতিসমূহৰ মাজত থকা বিৰোধাভাস (paradox) আলোচনা কৰা এক গুৰুত্বপূর্ণ সমকৰণীকৃত (equalizing) অভিকৰণ (agency) হিচাপে স্বীকৃত হয়। এক গোপন পাঠ্যসূচীৰ সফলতাৰ আঁৰত থকা শিক্ষা আঁহৰণৰ বিভিন্ন দিশসমূহ হ'ল — অনুশীলন, কার্যপদ্ধতি, নিয়মাৱলী, সম্পর্ক আৰু বিভিন্ন ধৰণৰ বিদ্যালয়ত প্রচলিত গাঁথনি ইত্যাদি। অনিচ্ছাকৃত শিক্ষাগ্রহণৰ দিশসমূহ শিক্ষামূলক প্রশাসনিক বিষয়া, শিক্ষক, সতীর্থ আৰু অন্যান্য কার্যকর্তাৰ সৈতে হোৱা আন্তঃক্রিয়াৰ ফলত উদ্ভৱ হয় আৰু এনে আন্তঃক্রিয়াই সামগ্রিক ব্যক্তিত্ব বিকাশত এক সংকীর্ণ ভূমিকা পালন কৰে।

পাঠ্যসূচীয়ে, সেয়েহে শিক্ষক, শিক্ষার্থী, বিষয় -বস্তু আৰু বিদ্যালয় তথা সমাজৰ সমাজ-সংস্কৃতিক পৰিৱেশৰ (milieu) মাজত এক অবিৰত আন্তঃক্রিয়াৰ প্রক্রিয়া সংলগ্ন কৰে। এই প্রক্রিয়াটো এক নির্দিষ্ট সময়ত সমাজ এখনৰ সমাজ-সাংস্কৃতিক পৰম্পৰা, ৰাজনৈতিক আদর্শ, জীৱন দর্শন আৰু সামাজিক প্রয়োজনীয়তাসমূহৰ ওপৰত ভিত্তি কৰি নির্ধাৰিত হয়। পাঠ্যসূচীৰ প্রসংগত, বিশেষকৈ সামাজিক লিংগ সমতাৰ প্রশ্নটোৰ সন্মুখীন হোৱাৰ ক্ষেত্রতেই এই প্রক্রিয়াটোৰ যথার্থতা পোৱা যায়। এখন সমাজত এক নির্দিষ্ট সময়ত মহিলাসকলে লাভ কৰা শিক্ষা আহৰণৰ সুযোগ সদায় সমাজখনত মহিলাসকলে পালন কৰা সামাজিক ভূমিকাৰ দ্বাৰা নির্ধাৰিত হৈ আহিছে। সেয়েহে, বর্তমান দেশত প্রচলিত পাঠ্যসূচী আর্হিটোৰ বিকাশৰ ঐতিহাসিক পূর্বসূৰী (anticendents) বিচাৰি উলিওৱাটো যথেষ্ট প্রয়োজনীয়। অন্য এটা উল্লেখযোগ্য বিষয় হ'ল, পাঠ্যসূচীৰ প্রসংগত, সামাজিক লিংগ সম্বন্ধীয় প্রশ্নটোৰ ওপৰত হোৱা আলোচনাবোৰ শিক্ষাৰ বিভিন্ন স্তৰ যেনে, প্রাথমিক, মাধ্যমিক আৰু তৃতীয়ক (tertiary) আদিৰ সৈতে জড়িত। ইতিমধ্যে এক সাধাৰণ বুজাপৰা আছে যে প্রাথমিক স্তৰত কোনো ধৰণৰ পৃথকীকৃত (differentiated) পাঠ্যসূচীৰ প্রয়োজন নহয়। কিন্তু পৃথকীকৃত পাঠ্যসূচীৰ প্রয়োজনীয়তা আটাইতকৈ বেছিকৈ অনুভৱ কৰা হৈছে শিক্ষাৰ মাধ্যমিক স্তৰটোত; যিটো স্তৰত ল'ৰা-ছোৱালীবোৰক সমাজত তেওঁলোকৰ বয়স্ক ভূমিকাসমূহৰ বাবে প্রস্তুত কৰা হয়। উচ্চতৰ স্তৰত, যদিও পাঠ্যসূচীবোৰ পৃথকীকৰণ কৰা নহয় আৰু ছোৱালীবোৰে বিভিন্ন বিষয় বাছনি কৰাৰ সুযোগ পায়; তথাপি এই স্তৰটোতো সামাজিকী কৰণৰ ভূমিকাৰ মূলনীতিটোৱে প্রাধান্য পায় আৰু সেয়েহে বেছিভাগ ছোৱালীয়ে শিক্ষকতাৰ দৰে পৰম্পৰাগত বিষয়সমূহ বাছনি কৰাৰ প্রৱণতা দেখা যায়। ভাৰতত পৌৰাণিক বেদৰ (vedic) সময়ছোৱাৰ পৰাই ল'ৰা-ছোৱালীৰ সার্বজনীন (universal) শিক্ষাৰ এক পৰম্পৰা চলি আহিছে। দুর্ভাগ্যবশতঃ, পৰৱর্তী সময়ত আর্যসকল আৰু অনার্য (non-Aryan) সকলৰ মাজত হোৱা সাংস্কৃতিক সন্মিলন তথা সামাজিক পৰিৱর্তনৰ ফলস্বৰূপে এই সার্বজনীন শিক্ষাৰ পৰম্পৰাটো প্রায় সম্পূর্ণৰূপে নোহোৱা হৈ যায়। মধ্যযুগীয়া সময়ছোৱালৈ, ছোৱালীৰ শিক্ষাৰ ব্যৱস্থাটো ক্রমান্বয়ে স্থবিৰ হৈ যায় আৰু পর্দা ব্যৱস্থাৰ (purdah) আগমনে ছোৱালীৰ শিক্ষা তথা স্বাধীনতাৰ ক্ষেত্রত ভয়ংকৰ প্রভাৱ

পেলায়। ব্রিটিছৰ সময়ছোৱাত, খ্রীষ্টান ধর্মযাজকসকলৰ প্রচেষ্টা আৰু বিভিন্ন সমিতি তথা আয়োগৰ পৰামর্শ মর্মে মহিলাৰ শিক্ষাৰ শোচনীয় অৱস্থাটো কিছু পৰিমাণে উন্নত হয়। কিন্তু ব্রিটিছৰ প্রচেষ্টাটো এক নির্বাচনাত্মক পৃথকীকৃত পাঠ্যসূচীৰ ওপৰত কেন্দ্রীভূত আছিল যাৰ ফলত সমাজত খণ্ডিতকৰণ পৃথকীকৰণৰ আভাস ঘটিছিল। ভাৰতৰ প্রাক-স্বাধীন সময়ছোৱাৰ মহিলাৰ শিক্ষা ব্যৱস্থাটো মূল্যাঙ্কন কৰিলে দেখা যায় যে সেই সময়ৰ মহিলাৰ শিক্ষাৰ সমস্ত ধাৰণাটো গৃহিনী তথা মাতৃ হিচাপে থকা মহিলাৰ ঘৰুৱা ভূমিকাৰ সৈতে প্রত্যক্ষভাৱে জড়িত আছিল। শিক্ষা ব্যৱস্থাটো ল'ৰাবোৰক চাকৰিৰ বাবে প্রশিক্ষণ দিয়াৰ উদ্দেশ্যেৰে গঢ়ি তোলা হৈছিল আৰু যিহেতু ছোৱালীবোৰক ঘৰৰ বাহিৰত কাম কৰাৰ সুবিধা দিয়া হোৱা নাছিল, পাঠ্যসূচীখন এনেদৰে সাজি উলিওৱা হৈছিল যাতে ই মহিলাসকলৰ সামাজিক ভূমিকাৰ সৈতে খাপ খায়। এই ধৰণেই কিছুমান নাৰীসুলভ বিষয় যেনে স্বাস্থ্যবিজ্ঞান (hygiene), সুচিকর্ম (needle work), সংগীত, গৃহ বিজ্ঞান ইত্যাদি উদ্ভৱ হয়। আনহাতে, পদার্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান আৰু গণিতৰ দৰে বিষয়সমূহ পুৰুষসুলভ বিষয় হিচাপে পৃথক হৈ যায়। সেই মর্মে, ল'ৰা আৰু ছোৱালীবোৰক তেওঁলোকৰ নিজস্ব সামাজিক ভূমিকা তথা আচাৰ-ব্যৱহাৰ পালনৰ বাবে প্রস্তুত কৰি তুলিবলৈ পৃথক পৃথক বিদ্যালয় স্থাপন কৰা হয়। সামাজিক ভূমিকা পালনৰ উদ্দেশ্যটোৰ বাহিৰেও, পাঠ্যসূচীত অন্তর্ভুক্ত বিষয়বস্তুৰ বাঁছনিৰ বাবে শিক্ষাৰ স্তৰটোৱে অন্যতম গুৰুত্বৰ্ণ ভূমিকা পালন কৰে। প্রাথমিক স্তৰত, যদিও এক পৃথকীকৃত পাঠ্যসূচীৰ প্রয়োজনীয়তা অনুভৱ কৰা নহয়, এই ক্ষেত্রত মাধ্যমিক স্তৰত এক সম্পূর্ণ দ্বিখণ্ডীকৃত পাঠ্যসূচী প্রণয়ন কৰা হয়। উচ্চতৰ স্তৰসমূহত, যদিও নীতিগতভাৱে পাঠ্যসূচীৰ ক্ষেত্রত কোনো পৃথকীকৰণৰ উল্লেখ নাথাকে, তথাপি সামাজিক আদর্শৰ ধাৰণাটোৱে মহিলাসকলৰ বাছনিৰ ক্ষেত্রত যথেষ্ট প্রভাৱ পেলায়। যাৰ ফলস্বৰূপে উচ্চতৰ স্তৰত বেছিভাগ মহিলাই পৰম্পৰাগত বিষয়সমূহ বাছনি কৰে।

১৯৬১ চনত ৰাষ্ট্রীয় মহিলা শিক্ষা পৰিষদে (National Council for Women's Education) গঠন কৰি দিয়া হানছা মেহতা সমিতিখনৰ (Hansa Mehta Committee) জৰিয়তে বর্তমান বিদ্যালয় ভিত্তিক শিক্ষাত প্রচলিত পাঠ্যসূচীৰ প্রকাৰটোৱে গুৰুত্ব লাভ কৰে আৰু দেশৰ প্রচলিত পৰিস্থিতিত মহিলাসকলৰ ব্যক্তিগত তথা সামাজিক প্রয়োজনসমূহৰ প্রসংগত পাঠ্যসূচীখনৰ আনুসাঙ্গিকতাৰ বিষয়টোৱেও গুৰুত্ব লাভ কৰে। হানছা মেহতা সমিতিৰ প্রধান বৈশিষ্ট্য এইটোৱে আছিল যে সমিতিখনৰ মতে এগৰাকী মহিলাই মাতৃ অথবা গৃহিনী হিচাপে তেওঁৰ ভূমিকাত বাধা নোহোৱাকৈ নিজৰ ইচ্ছা অনুযায়ী বৃত্তি (Career) বাছনি কৰিব পাৰে। ইয়াৰ উপৰি, আয়োগ (১৯৬৪-৬৬) নামেৰে প্রখ্যাত ভাৰতীয় শিক্ষা আয়োগৰ পৰামর্শ মর্মে পাঠ্যসূচীৰ ক্ষেত্রত লিংগ সমতাৰ ধাৰণাটোৱে এক চমকপ্রদ অগ্রগতি লাভ কৰে। কোঠাৰি আয়োগ (১৯৬৪-৬৬) খনে ৰাষ্ট্র-গঠনত ছোৱালীৰ শিক্ষাৰ গুৰুত্ব তথা প্রয়োজনীয়তাও অনুধাৱন কৰে।

ৰাষ্ট্রীয় শৈক্ষিক গৱেষণা আৰু প্রশিক্ষণ পৰিষদে (National Council of Educational Rescarch and Training) (NCERT) ইয়াৰ পাঠ্যসূচী সম্বন্ধীয় কর্মৰাজিৰ পুনৰ সঞ্চালনৰ জৰিয়তে চনৰ পৰৱর্তী সময়ছোৱাত বহুতো অধ্যয়ন আৰু আলোচনা চলায় আৰু তাৰ ওপৰত ভিত্তি কৰি এক পাঠ্যসূচী অধিকৰণ (curriculum framework) প্রস্তুত কৰি উলিয়ায়। ইয়াকে অনুসৰণ কৰি ১৯৮৮ চনৰ এন চি ই আৰ টি (NCERT) এ ৰাষ্ট্রীয় পাঠ্যসূচী অধিকৰণ (National Curriculum Framework) প্রস্তুত কৰে। ২০০৫ চনৰ ৰাষ্ট্রীয় পাঠ্যসূচী অধিকৰণটো 'বোজাবিহীন শিক্ষা,১৯৯৩ (Learning Without Burden, 1993) শীর্ষক ৰিপোর্টটোৰ ভিত্তিত প্রস্তুত কৰা হৈছিল। যি নহওক, পাঠ্যসূচী প্রণয়নৰ ক্ষেত্রত আৰু ২০০৫ চনৰ ৰাষ্ট্রীয় পাঠ্যসূচী অধিকৰণৰ ভিত্তিত, ৰাষ্ট্রীয় শৈক্ষিক গৱেষণা আৰু প্রশিক্ষণ পৰিষদে (NCERT) যি এক বৃহৎ প্রচেষ্টা হাতত লৈছিল সেয়া কিন্তু এতিয়াও ৰাজ্যিক চৰকাৰ আৰু ব্যক্তিগত প্রকাশকবোৰৰ পাঠ্য-পুথি উন্নয়নৰ প্রক্রিয়াসমূহত প্রতিফলিত হোৱা নাই।

দেখা গৈছে যে, এন চি ই আৰ টিৰ (NCERT) নতুন পাঠ্যক্রম আৰু পাঠ্য-পুথিসমূহে সামাজিক লিংগ ভিত্তিক বৈষম্যৰ ক্ষেত্রত এক প্রতিকাৰমূলক স্থিতি লোৱাৰ পৰিৱর্তে এক সক্রিয় (proactive) আৰু বিশ্লেষণীয়

স্থিতি লয়। বহুতে যুক্তি দর্শাই যে এনে পাঠ্যক্রম আৰু পাঠ্য-পুথিসমূহে সামাজিক আৰু অর্থনৈতিক সম্পর্কসমূহ এনেদৰে পুনৰধ্বনিত (rearticulate) কৰে যাতে ইয়াৰ দ্বাৰা শিক্ষক তথা ছাত্র-ছাত্রীসকলে মহিলাৰ উপস্থিতি এনেকুৱা কিছুমান সামাজিক স্থানত উপলব্ধি কৰক যিবোৰ স্থানত পুৰুষতান্ত্রিক শক্তিয়ে এতিয়ালৈকে মহিলাৰ অৱস্থিতি নস্যাৎ কৰি আহিছিল। ইয়াৰ এক উদাহৰণ হ'ল, ষষ্ঠ শ্রেণীৰ পাঠ্য-পুথি এখনৰ সমাজ-ৰাজনৈতিক জীৱন নামৰ নতুন বিষয়টোত গ্রাম্য অর্থনীতিৰ দিশে ছাত্র-ছাত্রীৰ মনোযোগ আকর্ষণ কৰিবলৈ অঙ্কন কৰা খেতিয়কৰ পার্শ্বচিত্রখন এগৰাকী মহিলাৰ। যি নহওক, লিংগ সম্পর্কৰ ধাৰণাটো অন্য বিষয় তথা পাঠ্য-পুথিসমূহত কেৱল মহিলাৰ সৈতে পক্ষপাতিত্ব কৰাৰ অভিযোগৰ পৰা বাচিবৰ বাবে নহয়, বৰঞ্চ সঁচা অর্থত এক গভীৰতৰ আৰু জ্ঞানতাত্ত্বিক (epistemic) স্তৰত অন্তর্ভুক্ত কৰা হয়।

## ১০.৪ শিক্ষা অর্ধসমাপ্ত কৰা লোক (Dropouts)

ভাৰতীয় শিক্ষা ব্যৱস্থাটোত দেশৰ সর্বমুঠ জনসংখ্যাৰ প্রতিটো ভাগকে অন্তর্ভুক্ত কৰিবলৈ ইতিবাচক পক্ষপাতিত্ব আৰু অনানুষ্ঠানিক শিক্ষা আদিৰ দৰে কার্যপ্রণালীসমূহৰ জৰিয়তে চৰকাৰে কৰা নানা প্রচেষ্টাৰ সত্ত্বেও, দেশৰ বৃহৎ সংখ্যক তৰুণ যুৱক-যুৱতী এতিয়াও স্কুলীয়া শিক্ষাৰ পৰা বঞ্চিত। প্রাথমিক স্তৰত যদিওবা ছাত্র-ছাত্রীৰ অন্তর্ভুক্তিকৰণ বৃদ্ধি পাইছে, এইটো অনুমান কৰা গৈছে যে অন্ততঃ ৩৫ কৌটি আৰু সম্ভৱতঃ ৬০ কৌটি ৬ ৰ পৰা ১৪ বছৰীয়া শিশু স্কুললৈ নাযায়। এই প্রসংগত, কঠোৰ লিংগভিত্তিক, আঞ্চলিক আৰু জাতি ভিত্তিক বৈষম্য দেখা যায়। এনে নিম্ন অৱধাৰণশীলতাৰ (retention) বাবে স্কুলীয়া শিক্ষাৰ শোচনীয় মানদণ্ডকেই দায়বদ্ধ কৰা হয়। ইয়াৰ উপৰি অন্যান্য কাৰকসমূহ যেনে নিম্ন সমাজ-অর্থনৈতিক স্থিতি, অভিভাবকৰ নিম্ন সাক্ষৰতাৰ হাৰ, কিশোৰ অপৰাধ প্রবণতা (Juvenile deliquency) উচ্চ হাৰ, মহিলা শিশুৰ ওপৰত অপৰাধপ্রৱণতাৰ বর্দ্ধিত হাৰ আদিবোৰেও নিম্ন অৱধাৰণশীলতাৰ (retention) অৱস্থাটোৰ প্রতি অৱিহণা যোগায়। গৱেষণামর্মে পোৱা তথ্য অনুসৰি ছাত্র-ছাত্রীসকলে প্রাথমিকৰ পৰা উচ্চতৰ মাধ্যমলৈ অগ্রগতি লাভ কৰাৰ সময়ছোৱাত শিক্ষা আধাতে সমাপ্ত কৰা ল'ৰা-ছোৱালীৰ সংখ্যা ২.৭ গুণ বৃদ্ধি পায়। ইয়াৰ উপৰি, হিন্দুতকৈ মুছলমান ধর্মৰ ছাত্র-ছাত্রীয়ে শিক্ষা অর্ধসমাপ্ত কৰাৰ সম্ভাৱনা ১.৯ গুণ বেছি। যি নহওক, চৰকাৰৰ অহৰহ প্রচেষ্টা বৃহৎ বিনিয়োগ আৰু বহুতো উদ্ভাৱনমূলক পৰিকল্পনাৰ পাছতো বহুতো ৰাজ্যৰ শিক্ষা অর্ধসমাপ্ত কৰা ছাত্র-ছাত্রীৰ হাৰ অৱিশ্বাস্যভাৱে উচ্চ। এই প্রসংগত কেৱল স্কুলীয়া সা-সুবিধাৰ যোগান আৰু শিক্ষাৰ গুণগত বৈশিষ্ট্যই নহয়, অন্যান্য ঘৰুৱা তথা সামাজিক কাৰকসমূহেও শিক্ষা অর্ধসমাপ্তিকৰণত বৃহৎ ভূমিকা পালন কৰে। সেয়েহে, স্কুলীয়া শিক্ষা অর্ধসমাপ্ত কৰাৰ কাৰণসমূহ পৰীক্ষা কৰিবলৈ পৰিয়াল তথা অভিভাৱকসকলৰ বৈশিষ্ট্যসমূহৰ বুজ লোৱাটো অত্যন্ত গুৰুত্বপূর্ণ। যেতিয়ালৈকে পৰিয়ালসমূহৰ অর্থনৈতিক অৱস্থা উল্লেখনীয়ভাৱে উন্নত নহয় আৰু অভিভাৱকসকলৰ সামাজিক দৃষ্টিভংগী সলনি নহয়, তেতিয়ালৈকে স্কুলীয়া শিক্ষাৰ সার্বজনীনকৰণ ভাৰতৰ বাবে এক বৃহৎ প্রত্যাহ্বান হৈ ৰ'ব।

## ১০.৫ শিক্ষাৰ নেতিবাচক সম্ভাৱনীয়তা (Negative capability in education)

শিক্ষাখণ্ডত এনে বহুতো বিষয়বস্তু অথবা দিশ আছে যিবোৰ পৰিমেয় (measurable) কিন্তু কম গুৰুত্বপূর্ণ, আনহাতে আন কিছুমান বিষয়বস্তু আছে যিবোৰ অধিক গুৰুত্বপূর্ণ কিন্তু অপৰিমেয়। নেতিবাচক সম্ভাৱনীয়তাৰ (Negative capability) আবিধাটোৱে এই দুইটাৰ মাজৰ সম্পর্কটো দেখুৱায়। কোনবোৰ বস্তু পৰিমেয় আৰু কোনবোৰ বস্তু অপৰিমেয় সত্ত্বেও অধিক গুৰুত্বপূর্ণ এই দুইটা কথাৰ মাজত সম্পর্ক স্থাপন কৰাটোৱেই নেতিবাচক সম্ভাৱনীয়তাৰ বৈশিষ্ট্য। উদাহৰণস্বৰূপে, সাক্ষৰতাৰ হাৰ আদিৰ দৰে তথ্যবোৰ পৰিসাংখ্যিক ভাষাত পৰিমেয় (measurable) কিন্তু, সৃজনীশক্তি, শৈক্ষিক ভাৱধাৰা আদিৰ দৰে বিষয়বোৰ অপৰিমেয়। গতিকে, ক'ব পাৰি যে,

নেতিবাচক সম্ভাৱনীয়তাৰ ধাৰণাটোৱে শিক্ষাখণ্ডত পৰিসংখ্যাৰ ব্যৱহাৰৰ ইতিহাস দৰ্শায়। শিক্ষাখণ্ডত কি কি বস্তু অথবা বিষয়ৰ জোখ-মাখ লোৱা হয় সেই সম্পর্কে যুগুতোৱা কিছু সংখ্যক ঐতিহাসিক টোকাত উল্লেখ আছে যে কিদৰে জোখ-মাখৰ ওপৰত হোৱা যুক্তি তর্কসমূহ শিক্ষাৰ গুণাগুণ বৃদ্ধি নীতি প্রণয়ন আৰু দায়িত্ব বৃদ্ধিৰ উদ্দেশ্যসমূহৰ সৈতে জড়িত আছে। শিক্ষাখণ্ডত লিংগ সমতাৰ পৰিমাপ লোৱাটো বেছিভাগ প্রখ্যাত পৰিমাপ সম্বন্ধীয় খণ্ডৰে (metrics) বৈশিষ্ট্য। নেতিবাচক সম্ভাৱনীয়তাৰ প্রসংগত, বস্তুৰ জোখ-মাখক কেন্দ্র কৰি 'কি?' 'কিয়?' আৰু 'কেনেকৈ?' এই তিনিটা প্রশ্নই প্রাধান্য পায়।

## ১০.৬ শিক্ষাৰ আদর্শসমূহ

আদর্শগত শিক্ষা শিক্ষকতাৰ সৈতে জড়িত এনে এক দৃষ্টিভংগী যি আদর্শক প্রাধান্য দিয়ে। এনে শিক্ষা ব্যৱস্থাই এক শক্তিশালী শিক্ষাৰ পৰিৱেশ গঢ়ি তোলে, য'ত ছাত্র-ছাত্রীসকলৰ শৈক্ষিক সাফল্য বৃদ্ধি পায় আৰু ছাত্র-ছাত্রীসকলৰ সামাজিক তথা সম্বন্ধ কেন্দ্রীক অর্হতাসমূহ চিৰস্থায়ী হোৱাকৈ বিকশিত হয়। আদর্শগত শিক্ষাই সামাজিক, নৈতিক, সত্যনিষ্ঠা, চৰিত্র, আধ্যাত্মিকতা আৰু অন্যান্য বহুতো দিশৰ ওপৰত জ্ঞান দিয়ে। শৈক্ষিক নাৰীবাদীসকলে (academic feminists) মহিলাৰ ওপৰত থকা পুৰুষত্বতান্ত্রিক ধাৰণাসমূহ প্রত্যাখ্যান কৰিবলৈ আৰু মহিলাসকলৰ অভিজ্ঞতা তথা আদর্শৰ ভিত্তিত সামাজিক বাস্তৱতাৰ পুনৰ ভাঙ্গনী (reinterpret) কৰিবলৈ এক আত্ম-সজাগ সংগ্রামত ব্রতি হৈ আছে। শৈক্ষিক নাৰীবাদীসকলৰ বাবে সজাগতা বৃদ্ধিকৰণ এক ধৰণৰ সংগ্রাম স্বৰূপ য'ত তেওঁলোকে এনে এক সজাগতাৰ উন্মেষ ঘটাব খোজে যিটোৱে সকলো ধৰণৰ দমনমূলক সামাজিক গাঁথনিৰ বিৰুদ্ধে প্রশ্ন কৰিব পাৰে। আদর্শগত শিক্ষাই বহুতো উৎসৰ সৈতে সঙ্গতি ৰাখিব পাৰে আৰু এই উৎসসমূহেই ইয়াৰ সফলতাত গুৰুত্বপূর্ণ অৰিহণা যোগায়। আদর্শগত শিক্ষাই ব্যক্তিগত অগ্রাধিকাৰ আৰু সংবেদনশীলতা, সাংস্কৃতিক পার্থক্য, পাৰিৱেশিক আৰু সামাজিক প্রসংগৰ ভিন্নত, বাস্তৱবাদী আৰু অলৌকিক এই সকলোবোৰ দিশকে সমানে গুৰুত্ব দিব লাগে। সমাজৰ নৈতিক আৰু মৌলিক ভেটি, সজ কর্ম কৰাৰ জ্ঞান আদি বিষয়বোৰে আদর্শগত শিক্ষাৰ কার্য পৰিধি (dimension) গঠন কৰে। নৈতিক আদর্শসমূহে মানৱ সভ্যতাৰ অতীত, বর্তমান আৰু ভৱিষ্যতৰ বাবে যিবোৰ বস্তু উপকাৰী তথা প্রাসংগিক সেইসমূহ উনুকিয়ায়। এনে আদর্শসমূহে বেয়াৰ পৰা ভালৰ সংজ্ঞা বিচাৰি উলিয়ায়। ইয়াৰ উপৰি, নৈতিক আদর্শসমূহে মানুহৰ মনত নৈতিক ভাৱধাৰাৰ সৃষ্টি কৰি সিদ্ধান্ত গ্রহণ তথা ক্রিয়াকলাপত প্রভাৱ পেলায়। আদর্শসমূহ এনে কিছুমান গুণ যাৰ ওপৰত মানুহৰ বাঞ্ছনীয়তা আৰু কার্যকাৰিতা নির্ভৰ কৰে। আদর্শসমূহ হ'ল নৈতিক অথবা আধ্যাত্মিক মূলনীতিৰে সৃষ্ট কিছুমান কার্যনিধি অথবা নিয়ম। ইয়াৰ উপৰি, আদর্শসমূহ ডি এন এ'ৰ (DNA) লেখীয়া। ডি এন এ ৰ সহায়ত যিদৰে মানুহৰ মাজত থকা নির্ধাৰণ কৰিব পাৰি, ঠিক তেনেদৰে আদর্শৰ সহায়ৰো মানুহৰ মাজত সম্পর্ক স্থাপন হৈ সমাজ গঢ়ি উঠে। আদর্শগত শিক্ষাই মহিলা আৰু ছোৱালীৰ নির্দিষ্ট সমস্যা তথা প্রয়োজনসমূহ পূৰণ কৰাৰ লগতে ল'ৰা আৰু পুৰুষসকলৰ ক্ষেত্রতো সমানে গুৰুত্ব দিব লাগে।

## ১০.৭ কাৰিকৰী শিক্ষা

কাৰিকৰী শিক্ষা শিক্ষাখণ্ডৰ এনে এটা ভাগ য'ত মানুহক কাৰুশিল্প, বাণিজ্য আৰু কাৰিকৰী আদি বিদ্যাত প্রশিক্ষণ দিয়া হয়। কাৰিকৰী শিক্ষাক মাজে সময়ে বৃত্তিগত শিক্ষা অথবা প্রায়োগিক (technical) শিক্ষা বুলিও কোৱা হয়। ভাৰতৰ সকলোবোৰ পঞ্চবার্ষিক পৰিকল্পনাতে মহিলা শিক্ষাৰ বিষয়টোৱে অগ্রাধিকাৰ পাই আহিছে আৰু তাৰ লগতে মহিলাসকলক অর্থনৈতিকভাৱে স্বাৱলম্বী কৰিবৰ বাবে আৰু তেওঁলোকক একোগৰাকী সুপ্রতিষ্ঠিত গৃহিনী কৰি তোলাৰ উদ্দেশ্যেৰে প্রায়োগিক তথা কাৰিকৰী শিক্ষাৰ বিষয়টোৱেও গুৰুত্ব লাভ কৰিছে। যি নহওক, ১৯৮৬ চনৰ

ৰাষ্ট্ৰীয় শিক্ষা নীতিটোৰ ভাৰতত মহিলাৰ স্থিতি বিবৰ্তনৰ ক্ষেত্ৰত এক স্মৰণীয় পদক্ষেপ হিচাপে ৰৈ গৈছে।

মহিলাসকলৰ অংশগ্ৰহণ আৰু সৱলীকৰণ হ'ল তেওঁলোকৰ দুটা মৌলিক অধিকাৰ যাৰ সহায়ত তেওঁলোকে সমাজত নিজৰ প্ৰভূত্ব বজাই ৰখাৰ লগতে নিজৰ জীৱনৰ ওপৰত স্ব-নিয়ন্ত্ৰণৰ সুযোগ পায়। মহিলাসকলে প্ৰায়ে পক্ষপাতিত্বমূলক ব্যৱহাৰ আৰু লিংগ বৈষম্যৰ সন্মুখীন হয় আৰু তাৰ মাজৰে কোনো কোনোৱে ব্যক্তিগত পটভূমি তথা জাতি আদিৰ দৰে কাৰকৰ ভিত্তিত অধিক পক্ষপাতিত্বমূলক আচৰণ আৰু বহিষ্কাৰৰ বলি হয়। সেয়েহে, বিভিন্ন কাৰিকৰী শিক্ষাৰ লগতে বিভিন্ন ব্যৱস্থা যেনে প্ৰধানমন্ত্ৰী কৌশল বিকাশ যোজনা, ৰাষ্ট্ৰীয় অৰ্হতা বিকাশ নিগম (National Skills Development Corporation), ৰাষ্ট্ৰীয় অৰ্হতা বিকাশ অভিযান (National Skills Development Mission), শ্ৰম আৰু কৰ্ম-সংস্থাপন মন্ত্ৰালয় (Ministry of Labor and Employment) আদিৰ জৰিয়তে মহিলাসকলৰ মাজত অৰ্হতা বিকাশৰ সুবিধা প্ৰদান কৰা হয়। শ্ৰম আৰু কৰ্ম সংস্থাপন মন্ত্ৰালয়ে অৰ্হতা বিকাশ আৰু কৰ্ম-সংস্থাপনৰ ক্ষেত্ৰত বহুত পৰিকল্পনা হাতত লৈছে। উদাহৰণস্বৰূপে, মন্ত্ৰালয়টোৰ দ্বাৰা পৰিচালিত উন্নত প্ৰশিক্ষণ প্ৰতিষ্ঠান (Advanced Training Institutes) আৰু আঞ্চলিক কাৰিকৰী প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহে ছোৱালীসকলৰ বাবে কাৰিকৰী প্ৰশিক্ষণৰ ব্যৱস্থা কৰি আহিছে। কৃষি পাম ভিত্তিক আৰু কৃষি পামৰ বাহিৰৰ যিবোৰ উৎপাদনশীলতাই অঞ্চল জুৰি গ্ৰাম্য আয় উন্নত কৰে। তেনে উৎপাদনশীলতাৰ বৃদ্ধিৰ বাবে হাতত লোৱা যিকোনো কাৰ্য পৰিকল্পনাৰ বাবে কাৰিকৰী শিক্ষা আৰু প্ৰশিক্ষণ অত্যাৱশ্যকীয় কাৰ্যপ্ৰণালী স্বৰূপ। আনহাতে, অৰ্হতা হ'ল চাকৰি আৰু কৰ্মবলৰ মাজৰ সম্পৰ্ক স্বৰূপ। যিহেতু মহিলাসকলে সাধাৰণতে ঘৰুৱা কাৰু-কাৰ্য আৰু পৰিয়ালৰ দায়িত্বসমূহ পালন কৰাৰ লগতে এগৰাকী পৰিয়াল-কৰ্মী, খাদ্য-বস্তু যোগান ধৰোঁতা (subsistence formers), গৃহ স্থিত ক্ষুদ্ৰ উদ্যমী (micro entrepreneur) অথবা নিম্ন মজুৰীপ্ৰাপ্ত বতৰীয়া শ্ৰমিক আদিৰ ভূমিকা পালন কৰিব লাগে, সেয়েহে প্ৰায়ে তেওঁলোকৰ প্ৰশিক্ষণৰ প্ৰয়োজনীয়তাসমূহ পুৰুষতকৈ পৃথক হয়।

## ১০.৮ মহিলাৰ শিক্ষাৰ ক্ষেত্ৰত দেখা দিয়া শেহতীয়া প্ৰৱণতাসমূহ (trends)

মানৱ তথা সামাজিক উন্নয়নৰ অন্য পৰিধিসমূহৰ সৈতে মহিলা শিক্ষাৰ ধাৰণাটোৰ শক্তিশালী পাৰস্পৰিক সম্বন্ধ আছে। শেহতীয়া বৰ্ষবোৰত, ভাৰতে ছোৱালী আৰু ল'ৰা উভয়ৰে শিক্ষাৰ প্ৰতিটো স্তৰতে লক্ষণীয় উন্নতি লাভ কৰিছে। স্বাক্ষৰতাৰ হাৰ উন্নত হোৱাৰ লগতে, ভাৰতে প্ৰাথমিক আৰু মাধ্যমিক উভয় স্তৰতে ছাত্ৰ-ছাত্ৰীৰ অন্তৰ্ভুক্তিকৰণৰ ক্ষেত্ৰত উল্লেখযোগ্য উত্থান দেখিছে।

ভাৰতৰ শিক্ষা ব্যৱস্থাটো পৃথিৱীৰ ভিতৰতে অন্যতম পুৰণি আৰু বৃহত্তম। এই ব্যৱস্থাটোত মহিলাৰ শিক্ষাৰ ক্ষেত্ৰতো যথেষ্ট উন্নতি সাধন কৰা হৈছে। চৰকাৰী সমীক্ষা অনুসৰি, উচ্চতৰ শিক্ষাৰ বাবে বৃহৎ সংখ্যক ছাত্ৰীৰ অন্তৰ্ভুক্তি হোৱাৰ এক শেহতীয়া প্ৰৱণতা দেখা গৈছে। স্নাতক পৰ্যায়ত ইয়াৰ হাৰ ৭৯.৪৪ শতাংশ, স্নাতকোত্তৰ পৰ্যায়ত ১১.৩৯ শতাংশ আৰু গৱেষণা পৰ্যায়ত ০.৭২ শতাংশ। মহিলাৰ অন্তৰ্ভুক্তিকৰণৰ আৰ্হিটোও সলনি হৈ আছে। বৰ্তমান মহিলাসকলে যিকোনো অনা-কাৰিকৰী (non-technical) অথবা অবৃত্তিমূলক (non profession) ক্ষেত্ৰতকৈ কলা, বিজ্ঞান, বাণিজ্য অথবা শিক্ষা আদি বিভাগত স্নাতক ডিগ্ৰী ল'বলৈ অন্তৰ্ভুক্ত হোৱাৰ প্ৰৱণতা বেছি দেখা যায়। আনহাতে, আভিযান্ত্ৰিক, ব্যৱস্থাপনা আৰু প্ৰযুক্তিবিদ্যা আদি যিবোৰ বিভাগত মহিলাৰ উপস্থিতি সাধাৰণতে কম, সেইবোৰতো বৰ্দ্ধিত হাৰত অন্তৰ্ভুক্তিকৰণৰ প্ৰৱণতা দেখা গৈছে।

## ১০.৯ শিক্ষাৰ ওপৰত প্ৰতিষ্ঠিত সমিতি আৰু আয়োগসমূহ

১৯৪৮ চনত ৰাধাকৃষ্ণন আয়োগ নামে খ্যাত বিশ্ববিদ্যালয় শিক্ষা আয়োগখনৰ স্থাপনৰ জৰিয়তে স্বাধীন ভাৰতে শিক্ষাৰ লক্ষ্য তথা উদ্দেশ্যসমূহ সুদৃঢ় কৰণৰ ক্ষেত্ৰত এক বৃহৎ কৃতকাৰ্যতা লাভ কৰে। পৰৱৰ্তী বৰ্ষবোৰত,

শিক্ষাভিত্তিক পুৰ্ণগঠন আৰু উচ্চ শিক্ষা ব্যৱস্থাটোৰ পৰিৱৰ্তনৰ বাবে চৰকাৰে বহুতো আয়োগ তথা সমিতি গঠন কৰি দিয়ে। তাৰ ভিতৰত আটাইতকৈ গুৰুত্বপূৰ্ণ সমূহৰ নাম তলত উল্লেখ কৰা হ'ল —

- শিক্ষা আয়োগৰ ৰিপোৰ্ট, ১৯৬৪-৬৬ চন
- ৰাষ্ট্ৰীয় শিক্ষা নীতি, ১৯৬৮ চন
- শিক্ষা পৰিকল্পনা নীতি (Draft Policy on Education), ১৯৭৮ চন
- শিক্ষকৰ ৰাষ্ট্ৰীয় আয়োগ — দ্বিতীয়, ১৯৮৩ চন
- শিক্ষাৰ প্ৰত্যাহ্বান ঃ এক নীতিৰ পৰিপ্ৰেক্ষিতত, ১৯৮৫ চন (Challenge on Education: A Policy Perspective)
- ৰাষ্ট্ৰীয় শিক্ষা নীতি , ১৯৮৬ চন
- ৰাষ্ট্ৰীয় শিক্ষা নীতি; এক কাৰ্য পৰিকল্পনা, ১৯৮৬ চন
- এখন সচেতন আৰু মানৱীয় সমাজলৈ বুলিঃ শিক্ষাৰ ওপৰত এখনি যথানুপাত পত্ৰ, ১৯৬০ চন (Towards an Enlightened and Human Society: A Perspective Paper on Education, 1960)
- ৰাষ্ট্ৰীয় শিক্ষা নীতি এক কাৰ্য পৰিকল্পনা, ১৯৯২ চন।

### অগ্ৰগতি নিৰীক্ষণ

**৯.৯.১ খালী ঠাই পূৰ কৰক।**

প্ৰশ্ন ১ ঃ ৰাধাকৃষ্ণন আয়োগখন.....চনত স্থাপন কৰা হৈছিল।

প্ৰশ্ন ২ ঃ ৰাধাকৃষ্ণন আয়োগখনে স্বাধীন ভাৰতৰ.....ৰ লক্ষ্য আৰু উদ্দেশ্য পূৰণত অগ্ৰণী ভূমিকা লৈছিল।

## ১০.১০ প্ৰাপ্তবয়স্কৰ স্বাক্ষৰতা আৰু মহিলাৰ উন্নয়নৰ বাবে অনানুষ্ঠানিক শিক্ষা

অনানুষ্ঠানিক শিক্ষা খণ্ডটো (Non-Formal Education Division) (এন এফ ই ডি) হ'ল এটা চৰকাৰী ব্যৱস্থাপনা যাৰ দ্বাৰা চৰকাৰে সাধাৰণ প্ৰাপ্তবয়স্ক ক্ৰিয়াত্মক সাক্ষৰতা নিৰ্ধাৰণ কাৰ্যসূচী ১৯৯১ চনত আৰম্ভ কৰা, ৰাষ্ট্ৰীয় ক্ৰিয়াত্মক স্বাক্ষৰতা পৰিকল্পনাৰ (National Functional Literacy Programme) অধীনত, গ্ৰাম্য আৰু ৰাষ্ট্ৰীয় উন্নয়নৰ পথ সুচল কৰিবলৈ দেশৰ নিৰক্ষৰতা হ্ৰাস কৰাৰ উদ্দেশ্যেৰে বহুতো কাৰ্য-কলাপ হাতত লোৱা হয়। প্ৰাপ্তবয়স্ক শিক্ষাৰ ব্যৱস্থাটোৱে সেইসকল প্ৰাপ্তবয়স্কলৈ শিক্ষাভিত্তিক বিকল্পৰ যোগান ধৰে যিসকলে শিক্ষাগ্ৰহণৰ সুযোগ নাপালে আৰু বৰ্তমান তেওঁলোকে আনুষ্ঠানিক শিক্ষা গ্ৰহণৰ বয়স পাৰ কৰিছে, অথচ এতিয়াও সাধাৰণ শিক্ষা, অৰ্হতা বিকাশ অথবা কাৰিকৰী শিক্ষা অথবা সমকক্ষৰ কোনো ধৰণৰ শিক্ষা গ্ৰহণৰ বাবে আগ্ৰহী।

যদিও অনানুষ্ঠানিক শিক্ষা নিম্ন বয়স্ক আৰু প্ৰাপ্তবয়স্ক উভয় শ্ৰেণীকে প্ৰদান কৰিব পাৰি, তথাপি ভাৰতত স্বাধীনোত্তৰ কালৰ পৰা, এনে ধৰণৰ শিক্ষা কেৱল প্ৰাপ্তবয়স্কৰ শিক্ষাৰ সৈতে জড়িত হৈ আহিছে। প্ৰাপ্তবয়স্ক শিক্ষাৰ ধাৰণাটোৰ ব্যাখ্যা বিভিন্ন ধৰণে দিয়া যায়। কোনো কোনো প্ৰসংগত ইয়াক নাগৰিক প্ৰশিক্ষণ ব্যৱস্থা হিচাপে গণ্য কৰা হয় আৰু অন্য প্ৰসংগত আনুষ্ঠানিক শিক্ষাৰ বিকল্প বুলি ধৰা হয়। আনুষ্ঠানিক শিক্ষাৰ বিকল্প হিচাপে ইয়াৰ তিনিটা উদ্দেশ্য নিৰ্ধাৰণ কৰা হৈছে। সেই তিনিটা হ'ল ঃ

(ক) অৰ্ধবিকশিত সামাজিক পটভূমিৰ পৰা অহা ১৫ ৰ পৰা ২৫বছৰীয়া যুৱ বয়স্কৰ (young adult) গোটটোৰ ওপৰত মনোনিৱেশ কৰা।

(খ) সাধাৰণভাৱে উপলব্ধ সমলৰ সৰ্বোচ্চ ব্যৱহাৰৰ বাবে আনুষ্ঠানিক আৰু অনানুষ্ঠানিক শিক্ষা সংলগ্ন কৰা।

(গ) ক্রিয়াত্মক অৰ্হতাসমূহ উন্নয়নৰ আৱশ্যকতা (imperative) হিচাপে প্রতিপন্ন কৰাৰ ওপৰত গুৰুত্ব দিয়া।

ক্রিয়াত্মক স্বাক্ষৰতাৰ উপৰি বৃত্তিগত প্রশিক্ষণৰ ক্ষেত্রত আৰু অধিক উদ্দীপনা (impectus) অনাৰ প্রয়োজন বোধ কৰি, চৰকাৰে ১৯৮৮ চনত গঠিত ৰাষ্ট্রীয় সাক্ষৰতা অভিযানৰ অধীনত প্রাপ্তবয়স্ক শিক্ষা পৰিকল্পনাক উদগণি যোগায় যাৰ ফলশ্রুতিত উন্নয়নমূলক সাক্ষৰতাৰ ধাৰণাটোৰ অৱকাশ ঘটে। পৰৱর্তী সময়ত, জ্ঞান, অৰ্হতা আৰু প্রতিভা (aptitude), আদিৰ স্তৰ অনুযায়ী গুণগত অৰ্হতা নিৰূপণ কৰাৰ উদ্দেশ্যেৰে ২০১৩ চনত ৰাষ্ট্রীয় অৰ্হতা সিদ্ধি অধিকৰণ (National Skill Qualification Framework) নামেৰে এক গুণগত বৈশিষ্ট্য আশ্বাস অধিকৰণ (quality assurance framework) ব্যৱস্থাৰ সূচনা কৰা হয়। এই অধিকৰণটোৱে শিক্ষার্থীসকলৰ বাবে অত্যাৱশ্যকীয় শিক্ষাগত ফলাফলৰ ওপৰতহে গুৰুত্ব আৰোপ কৰে। এই শিক্ষাগত ফলাফলসমূহ আনুষ্ঠানিক অথবা অনানুষ্ঠানিক উভয় পদ্ধতিৰে আহৰণ কৰা হ'ব পাৰে। চৰকাৰে হাতত লোৱা অন্য এক কার্য পৰিকল্পনাৰ উদাহৰণ হ'ল জন শিক্ষণ সংস্থান (Jana Srikshan Sansthan) (JSS)। ই ভাৰত চৰকাৰৰ মানৱ সম্পদ উন্নয়ন মন্ত্রালয়ৰ প্রাপ্তবয়স্ক শিক্ষা সঞ্চালকালয়ৰ অধীনস্থ অনানুষ্ঠানিক শিক্ষা খণ্ডৰ দ্বাৰা পৰিচালিত এখনি বহুযোজী আঁচনি। পূর্বতে আঁচনিখনৰ নাম আছিল শ্রমিক বিদ্যাপীঠ। ২০০০ চনত ইয়াৰ নামটো সলনি কৰি জন শিক্ষণ সংস্থান ৰখা হয়। ২০১৩ চনৰ তথ্য অনুসৰি দেশৰ ২৮ খন ৰাজ্য আৰু কেন্দ্রীয় শাসিত অঞ্চলত ২৭১ টা অনজ্ঞাপ্রাপ্ত জন শিক্ষণ সংস্থান (জে এছ এ) আছে, যাৰ ভিতৰত ২৫২ টা হে সক্রিয়ভাৱে পৰিচালিত হৈ আছে। এই আঁচনিখনৰ তিনিটা প্রধান উদ্দেশ্য হ'ল, লক্ষ্য-গোটসমূহক কর্ম-সংস্থাপন ভিত্তিক অনানুষ্ঠানিক শিক্ষা প্রদান কৰা, সাক্ষৰতা আৰু কাৰিকৰী অৰ্হতা শিক্ষাৰ বহুযোজন ঘটাই শিক্ষা প্রদান কৰা আৰু আঁচনিখনৰ সৈতে সামঞ্জস্য থকা অন্য সংগঠনসমূহলৈ সেৱা সুচল কৰা।

## ১০.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতত মহিলাৰ শিক্ষা উন্নিতকৰণৰ বাবে চৰকাৰে বহুতো সংস্কাৰ তথা কার্য পৰিকল্পনা হাতত লৈছে।
- যি নহওক, মহিলাসকলৰ পৰিস্থিতি উন্নিতকৰণৰ বাবে সামাজিক দৃষ্টিভংগী তথা ভাৱধাৰা সলনি হ'ব লাগিব।
- ভাৰতত মহিলা শিক্ষাৰ ধাৰণাটো শিক্ষাৰ উপলব্ধতা অথবা অর্থনৈতিক স্থিতিৰ ওপৰত নির্ভৰশীল নহয়, বৰঞ্চ ই জনসাধাৰণৰ চিন্তা, ভাৱধাৰা আৰু সহাৰিৰ ওপৰত নির্ভৰশীল।
- ভাৰতত এতিয়াও এনে বহুত সম্ভ্রান্ত পৰিয়াল আছে য'ত মহিলাসকল চাৰিবেৰৰ মাজত আৱদ্ধ থাকিব লগীয়া হয়।
- সেয়া এইকাৰণে নহয় যে তেওঁলোকৰ সামর্থ্য নাই, বৰঞ্চ এই কাৰণে যে আমি তেওঁলোকৰ পৰা সমাজত নিজৰ স্থান সুকীয়া কৰাৰ সুযোগকণ কাঢ়ি লওঁ।
- সেয়েহে, মহিলাসকলৰ চাকৰি কৰি ধন উপার্জন কৰাৰ আৰু সমাজত নিজৰ উপস্থিতি ব্যক্ত কৰাৰ যি অধিকাৰ সেয়া অক্ষুণ্ণ ৰাখিবলৈ এক সর্বাঙ্গীন শিক্ষা ব্যৱস্থাৰ সূচনা কৰাটো নিতান্তই প্রয়োজনীয়।
- ভাৰতত মহিলা শিক্ষাৰ বিকাশৰ বাবে আমি সকলোৱে পুৰুষতান্ত্রিক চিন্তাধাৰাবোৰ ত্যাগ কৰি মহিলাসকলকো সমানে আগবাঢ়ি যোৱাৰ সুযোগ দিবলৈ দৃঢ়প্রতিজ্ঞ হ'ব লাগে।

## ১০.১২ অধিক জানিবলৈ

1) Sharmila, N & Dhas, Albert Christopher, 2010. "*Development of Women Education in India*," MPRA Paper 20680, University Library of Munich, Germany, retrieved 10.2.2018

## ১০.১১ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৪৮ চন।

২ নং প্ৰশ্নৰ উত্তৰ ঃ উচ্চ শিক্ষাৰ।

## ১০.১৪ আৰ্হি প্ৰশ্ন

**(ক) চমু টোকা লিখক (১৫০ শব্দৰ ভিতৰত উত্তৰ দিয়ক) —**

(১) ৰাষ্ট্ৰীয় পাঠ্যসূচী অধিকৰণ (National Curriculum Framework) মানে কি?

**(খ) দীঘল প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ দিয়ক) —**

(১) অনানুষ্ঠানিক শিক্ষা সম্পৰ্কে আলোচনা কৰক।

(২) শিক্ষাৰ ক্ষেত্ৰত থকা আদৰ্শসমূহ আলোচনা কৰক।

(৩) পাঠ্যসূচী বিষয়বস্তু মানে কি? ব্যাখ্যা কৰক।

**********

# অধ্যায় ১১ ঃ নাৰী আৰু পৰিৱেশ

## অধ্যায় গাঁথনি


১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ পাৰিপাৰ্শ্ব-নাৰীবাদৰ ধাৰণা
১১.৩.১ পৰিৱেশ কেন্দ্রিক আন্দোলন
১১.৪ বহনক্ষম উন্নয়নৰ অর্থ
১১.৪.১ বহনক্ষম উন্নয়নৰ তিনিটা স্তম্ভ
১১.৫ বহনক্ষম উন্নয়ন আৰু নাৰীসমাজত ইয়াৰ প্রভাৱ
১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.৭ অধিক জানিবলৈ
১১.৮ অধিক জানিবলৈ
১১.৯ আৰ্হি প্রশ্ন


## ১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- নাৰী আৰু পৰিৱেশনৰ মাজত থকা সম্পর্কৰ বিষয়ে জানিব পাৰিব
- উন্নয়নৰ সামাজিক লিংগভিত্তিক দৃষ্টিভংগী সম্পর্কে অৱগত হ'ব
- পাৰিপার্শ্বি-নাৰীবাদৰ ধাৰণা আৰু দর্শন সম্পর্কে জানিব পাৰিব
- বহনক্ষম উন্নয়নৰ অর্থ আৰু বিশ্বব্যাপী এই উন্নয়নে নাৰীসমাজলৈ বিশেষভাৱে কঢ়িয়াই অনা শেহতীয়া পৰিৱর্তনবোৰৰ বিষয়ে জানিব পাৰিব
- ভাৰতৰ পৃষ্ঠভূমিত বহনক্ষম উন্নয়নৰ ধাৰণাটো আৰু এই দিশত সক্রিয় হৈ থকা বিভিন্ন কার্যক্রমণিকাৰ বিষয়ে জানিব পাৰিব।

## ১১.২ পৰিচয়

সমগ্র বিশ্বকে প্রভাৱিত কৰি থকা দুটামান বিষয় হ'ল গছ-গছনি, বন-অৰণ্য আৰু বনাঞ্চল ধ্বংস; পানী, খৰাং বতৰ আৰু মৰুভূমিৰ সম্প্রসাৰণ; খাদ্য, উৎপাদন, দৰিদ্রতা আৰু বিষাক্ত আবর্জনা; পৰিৱেশ বিনষ্টভৱন আৰু নাৰী। এই বিষয়বোৰৰ মাজত বিশেষভাৱে নাৰীক কিয় অন্তর্ভুক্ত কৰা হ'ল? আপাতঃ দৃষ্টিত কথাটো অযৌক্তিক যেন লাগিব পাৰে। কিন্তু নাৰীৰ পৰিৱেশৰ সৈতে এক ঘনিষ্ঠ সম্পর্ক আছে। প্রকৃতি মাতৃ আৰু নাৰী অভিন্নভাৱে পৰস্পৰৰ সৈতে সাঙোৰ খাই আছে। প্রকৃতি আৰু নাৰী উভয়েই পিতৃপ্রধান সমাজে চলোৱা দমনৰ উমৈহতীয়া ইতিহাস ভাগ-বাটোৱাৰা কৰে। সেয়েহে পৰিৱেশ সংক্রান্তীয় অধিকাৰ, সম্পর্ক আৰু দায়িত্বৰ এক সামাজিক লিংগভিত্তিক ব্যৱস্থাপনাই নাৰীসমাজক যথেষ্ট উপকৃত কৰিব বুলি ভৰা হৈছে। তেতিয়াহে বিভিন্ন পৰিৱেশভিত্তিক অভিজ্ঞতাৰ পৃষ্ঠভূমিত নাৰীৰ বিশেষ প্রয়োজনীয়তাসমূহ বুজিব আৰু ইয়াৰ যথোপযুক্ত প্রতিকাৰমূলক কৌশল

উদ্ভাৱন তথা প্ৰয়োগ কৰিব পৰা যাব। এনে এক সামাজিক লিংগভিত্তিক দৃষ্টিভংগী সফল কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষৰ দ্বাৰা বিভিন্ন জটিল হস্তক্ষেপৰ প্ৰয়োজন হ'ব। তেতিয়াহে পৰিৱেশকেন্দ্ৰিক পৰিকল্পনা আৰু সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াবোৰত নাৰীসমাজৰ অংশগ্ৰহণ সম্ভৱ হ'ব। ইয়াৰ বাবে নাৰীক ৰাজনৈতিক আৰু আৰ্থ-সামাজিক দিশেৰে সবল কৰি তোলা আৱশ্যক। এই সবলীকৰণে নাৰীক অংশগ্ৰহণমূলক পৰিকল্পনা প্ৰক্ৰিয়াত নিশ্চিতভাৱে ভাগ ল'ব পৰাকৈ সময় তথা বিত্তীয় সুচলতা প্ৰদান কৰিব। দৰিদ্ৰতাৰ বাবে সমাজৰ একেবাৰে নিম্ন প্ৰস্থিতিত জীয়াই থাকিবলগীয়া হোৱা নাৰীসমাজক পৰিৱেশৰ অৱনতিয়ে সবাতোকৈ অধিক প্ৰভাৱিত কৰিছে। কিন্তু এই নাৰীসমাজৰ 'ভাগ্য উন্নত কৰা'ৰ লক্ষ্যেৰে চলোৱা পৰামৰ্শদান ভিত্তিক প্ৰক্ৰিয়াবোৰে প্ৰায়েই তেওঁলোকৰ বি-সবলীকৰণৰ আন এক উৎসত পৰিণত হৈ তেওঁলোকলৈ বিপদহে কঢ়িয়াই আনে। যিটো সময়ত ৰাতিৰ ভাতসাজ ৰান্ধিবলৈ মহিলাসকলে খৰি-খেৰ যোগাৰ কৰাত ব্যস্ত থাকিব লাগে সেইটো সময়ত তেওঁলোকে বিদ্যুৎ সেৱা যোগানকাৰীৰ সৈতে বিদ্যুৎ যোগানৰ বিষয়ে আলোচনা অথবা বিতৰ্কত লিপ্ত হৈ থাকিব নোৱাৰে। সেইখিনি সময়ত খৰি গোটোৱাতকৈ বিদ্যুৎ সেৱাহীনভাৱে বাস কৰাৰ সম্ভাব্য বিপদ সম্পৰ্কে বিতৰ্ক কৰাটো তেওঁলোকৰ বাবে প্ৰায় অসম্ভৱ কথা। চৰকাৰৰ সকলো স্তৰতে পৰিৱেশ বিষয়ক সকলোবোৰ সমস্যাৰে সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত নাৰীৰ অংশগ্ৰহণৰ পোষকতাকাৰী গাঁথনিৰ আনুষ্ঠানিক অন্তৰ্ভুক্তিকৰণৰ সময় আহি পৰিছে। এই ক্ষেত্ৰত বৰ্তমানে প্ৰচলিত, প্ৰায়েই কেৱল পৰামৰ্শদান নিৰ্ভৰশীল তদৰ্থক আৰু পুৰুষ নেতৃত্বৰ প্ৰতি মনোযোগী পন্থাবোৰৰ উৰ্দ্ধলৈ যোৱাৰ প্ৰয়োজনীয়তা আছে। শেহতীয়াকৈ গঠন কৰা পৰামৰ্শ ভিত্তিক ৰাষ্ট্ৰীয় পৰিৱেশ নীতি প্ৰক্ৰিয়া (Consultative National Environment Policy Process) ই ইয়াৰ বাবে এটা সম্ভাব্য উপায় আগবঢ়াইছে। এই পৰামৰ্শত বিভিন্ন পৰিৱেশভিত্তিক মঞ্চ সৃষ্টিৰ সম্ভাৱনীয়তাত আলোকপাত কৰা হৈছে। এনে মঞ্চৰ জৰিয়তে সমাজৰ সকলো শ্ৰেণীৰ লোকে স্থানীয়, আঞ্চলিক আৰু ৰাষ্ট্ৰীয় সমস্যাবোৰ সমাধানৰ পৰিকল্পনা তথা ব্যৱস্থাপনাত নিজ নিজ মতামত আগবঢ়াব পাৰিব।

বিগত কেইটামান দশকত আন্তঃৰাষ্ট্ৰীয়ভাৱে সামাজিক লিংগভিত্তিক সমস্যা আৰু সামাজিক লিংগবোৰৰ পৰিৱেশৰ সৈতে থকা সম্পৰ্কক স্বীকৃতি দিয়া হৈছে। ১৯৭২ চনত ষ্টকহোমত আয়োজিত পৰিৱেশ আৰু মানৱ বসতি বিষয়ক ৰাষ্ট্ৰসংঘৰ প্ৰথমখন সন্মিলনৰ পাছত বিষয়টোৱে যথেষ্ট গুৰুত্ব লাভ কৰিছে। ১৯৮৫ চনত নাইৰোবিত আয়োজিত আনখন ৰাষ্ট্ৰসংঘ সন্মিলনত পৰিৱেশ ক্ষেত্ৰ আৰু প্ৰাকৃতিক সম্পদত নাৰীৰ স্থান সম্পৰ্কীয় আলোচনাই গুৰুত্ব লাভ কৰিছিল। ১৯৯২ চনত ৰিঅ'ত অনুষ্ঠিত ৰাষ্ট্ৰসংঘৰ পৰিৱেশ আৰু উন্নয়ন বিষয়ক আন এক সন্মিলনতো বিষয়টোৰ আলোচনাক প্ৰাধান্য দিয়া হৈছিল। ১৯৮৫ চনত কোপেনহেগেনত অনুষ্ঠিত সামাজিক উন্নয়ন বিষয়ক শীৰ্ষ সন্মিলনত এই সিদ্ধান্ত লোৱা হৈছিল যে বহনক্ষম আৰ্থনৈতিক উন্নয়ন আৰু বিকাশৰ পোষকতা কৰিবলৈ সকলো পৰ্যায়তে সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত নাৰীৰ অংশগ্ৰহণ সুনিশ্চিত কৰিব লাগিব (Friedlander, 1996)। অৱশ্যে বৰ্তমানেও এই দিশত নতুন চিন্তাৰ বিকাশ অব্যাহত আছে।

## অগ্ৰগতি নিৰীক্ষণ

**প্ৰশ্ন নং ১ ঃ** নাৰী আৰু পৰিৱেশে কেনে ধৰণৰ দমনৰ ইতিহাস ভাগ-বাটোৱাৰা কৰে?

.....

**প্ৰশ্ন নং ২ ঃ** নাৰী বিশেষ পৰিৱেশকেন্দ্ৰিক প্ৰয়োজনীয়তাবোৰ কেনেকৈ বুজিব পাৰি?

.....

**প্ৰশ্ন নং ৩ ঃ** CONNEPP ৰ সম্পূৰ্ণ নাম আৰু ইয়াৰ কাম কি?

.....

**প্ৰশ্ন নং ৪ ঃ** পৰিৱেশ আৰু মানৱ বসতি সম্পকীয় ৰাষ্ট্ৰসংঘৰ প্ৰথম সন্মিলনখন কেতিয়া আৰু ক'ত অনুষ্ঠিত হৈছিল?

.....

## ১১.৩ পাৰিপাৰ্শ্ব-নাৰীবাদৰ ধাৰণা

পাৰিপাৰ্শ্ব-নাৰীবাদী (ecological feminists/ecofeminists) সকলৰ মতে সমাজে নাৰীৰ প্ৰতি প্ৰদৰ্শন কৰা আচৰণ, ভিন্ন ছালৰ লোক আৰু দুৰ্বল সামাজিক প্ৰস্থিতিৰ শ্ৰেণীৰ সৈতে অনা-মানৱীয় প্ৰকৃতিৰ প্ৰতি প্ৰদৰ্শন কৰা আচৰণৰ মাজত এটা গুৰুত্বপূৰ্ণ সংযোগ আছে।

পাৰিপাৰ্শ্ব-নাৰীবাদীসকল মতে নাৰীসমাজ আৰু প্ৰকৃতিৰ মাজত এক ঘনিষ্ঠ সম্পৰ্ক আছে। এই সম্পৰ্ক পিতৃ-প্ৰধান সমাজবোৰৰ দ্বাৰা চলোৱা দমনৰ উমৈহতীয়া ইতিহাসৰ পৰা সৃষ্ট। নাৰীবাদৰ বিভিন্ন শাখাৰ মাজতে পাৰিপাৰ্শ্ব-নাৰীবাদৰ শিপা প্ৰোথিত হৈ আছে। নাৰীবাদৰ দুটামান উল্লেখযোগ্য শাখা হ'ল- উদাৰ নাৰীবাদ, মাৰ্ক্সবাদী নাৰীবাদ, বৈপ্লৱিক নাৰীবাদ, সমাজবাদী নাৰীবাদ, কৃষ্ণাংগ নাৰীবাদ, তৃতীয় বিশ্বকেন্দ্ৰিক নাৰীবাদ। পাৰিপাৰ্শ্ব নাৰীবাদক অন্য নাৰীবাদতকৈ সুকীয়া পৰিচয় দিয়া বৈশিষ্ট্যটো হ'ল অনা-মানৱীয় প্ৰকৃতি আৰু প্ৰকৃতিবাদী নাৰীকেন্দ্ৰিক সমস্যা (যেনে- প্ৰকৃতিৰ অযুক্তিকৰ আধিপত্য)ৰ মাজত থকা সম্পৰ্কক লৈ ই প্ৰদৰ্শন কৰা দৃঢ় নিশ্চয়তা। পাৰিপাৰ্শ্ব-নাৰীবাদী দৰ্শনে প্ৰকৃতি (প্ৰকৃতিবাদ)ৰ আধিপত্য (যেনে- লিংগবাদ, জাতিবাদ, শ্ৰেণীবাদ, ভিন্নলৈঙ্গিকতাবাদ, বয়সবাদ, চেমাইটবাদ বিৰোধ ইত্যাদি)ৰ দৰে সামাজিক সমস্যাবোৰৰ পৰিচিত নাৰীবাদী ধৰণৰ সমালোচনা আগবঢ়ায়। পাৰিপাৰ্শ্ব-নাৰীবাদীসকলৰ মতে প্ৰকৃতি হ'ল এটা নাৰীবাদী সমস্যা। তেওঁলোকৰ যুক্তি অনুসৰি পৰিয়াল আৰু সমাজত নাৰীয়ে সহিবলগীয়া হোৱা দমন আৰু আনুগত্য তথা প্ৰকৃতিৰ অৱনতি ঘটাৰ এক উমৈহতীয়া ভেটি আছে। ধাৰণাগত দ্বিমূলতা আৰু আদৰ্শগত পদানুক্ৰমিকতাৰ মাজত প্ৰভেদ নিৰ্মাণৰ জৰিয়তে আধিপত্য আৰু শোষণ অব্যাহত ৰখা হয়। এনে দ্বিমূলতা আৰু পদানুক্ৰমিকতাই সমাজৰ উচ্চ স্থানত থকা শ্ৰেণীৰ লোকে নিম্ন স্থানত থকা শ্ৰেণীবোৰত খটুওৱা আধিপত্যৰ এক প্ৰণালীবদ্ধ যুক্তিযুক্ততা প্ৰদান কৰে। ভাৰতৰ এগৰাকী উল্লেখযোগ্য পাৰিপাৰ্শ্ব-নাৰীবাদী আন্দোলনকাৰী হ'ল বন্দনা শিৱা।

### ১১.৩.১ পৰিৱেশকেন্দ্ৰিক আন্দোলন

পাৰিপাৰ্শ্ব -নাৰীবাদী দাৰ্শনিকসকলে প্ৰকৃতিৰ এক নাৰীবাদী সমস্যাৰূপে প্ৰতিষ্ঠ কৰিবলৈ অতি গুৰুত্ব সহকাৰে নাৰী-প্ৰকৃতি যোগসূত্ৰ উদ্ভাৱনৰ বাবে পৰীক্ষালব্ধ তথ্যবোৰ অধ্যয়ন কৰে। বৰ্তমানলৈকে সমগ্ৰ বিশ্বতে নাৰীয়ে নেতৃত্ব দিয়া বিভিন্ন পৰিৱেশকেন্দ্ৰিক আন্দোলনৰ উত্থান ঘটিছে। তলত তেনে দুটা আন্দোলনৰ বিষয়ে আলোচনা কৰা হ'ল—

- **চিপ্‌কো আন্দোলন ঃ** ১৯৭৪ চনত উত্তৰ ভাৰতৰ ৰেনি নামৰ ঠাইডোখৰৰ ২৭ গৰাকী মহিলাই গছ কটা ৰোধ কৰিবলৈ এটা সৰল কিন্তু অভিনৱ পন্থা অৱলম্বন কৰিছিল। যেতিয়ালৈকে গছ কটা মানুহবোৰে কাম বন্ধ নকৰে তেতিয়ালৈকে তেওঁলোকে গছবোৰ সাৱটি ধৰি আছিল। মহিলাসকলৰ এই প্ৰতিবাদকে 'চিপ্‌কো' (হিন্দীত 'চিপ্‌কো শব্দৰ অৰ্থ হ' 'আঁকোৱালি ধৰি থকা' 'সাৱটি ধৰি থাকা') আন্দোলন নাম দিয়া হৈছিল। তেওঁলোকৰ এই কাৰ্যই প্ৰায় ১২,০০০ বৰ্গ কিলোমিটাৰ জুৰি বিয়পি থকা এডোখৰ সংবেদনশীল জলবিভাজিকা (watershed) অঞ্চল ৰক্ষা কৰিছিল। এই আন্দোলনটোৱে কেৱল এখন খিলঞ্জীয়া অৰণ্যৰ গছ-গছনিকে ৰক্ষা কৰা নাছিল, ই নাৰী-প্ৰকৃতিৰ মাজত থকা ওতঃপ্ৰোত সংযোগৰ গুৰুত্ব প্ৰতিপন্ন কৰিছিল।

➢ **কেনিয়াৰ 'গ্ৰীন বেল্ট' আন্দোলন ঃ** কেনিয়াৰ ৰাজধানী নাইৰোবিত থকাটো তৃণমূল পৰ্যায়ৰ খিলঞ্জীয়া অনা-চৰকাৰী সংস্থাৰ নাম হ'ল 'দ্য গ্ৰীন বেল্ট মুভমেণ্ট'। সংস্থাটোৱে দেশখনৰ গ্ৰামাঞ্চলৰ মহিলাসকলক গছ ৰুবলৈ, বনাঞ্চল ধ্বংসকাৰ্য ৰোধ কৰিবলৈ, ৰন্ধনৰ বাবে প্ৰয়োজনীয় ইন্ধনৰ প্ৰধান উৎস পুনৰ সমৃদ্ধ কৰি তুলিবলৈ, উপাৰ্জনৰ উপায় সৃষ্টি কৰিবলৈ আৰু ভূমিস্খলন ৰোধ কৰিবলৈ একত্ৰিত কৰি আহিছে। সংস্থাটোৰ প্ৰতিষ্ঠানপক ড° ৰাংগাৰি মাথাই কেনিয়াৰ ইহিথে নামৰ গ্ৰাম্য সম্প্ৰদায়টোৰ সদস্যা আছিল। ড° ৰাংগাৰি মাথাই আমেৰিকা যুক্তৰাষ্ট্ৰত উচ্চশিক্ষা গ্ৰহণ কৰিছিল। ইউনিভাৰ্চিটি ক'লেজ অৱ নাইৰোবিৰ পৰা ডক্তৰেট ডিগ্ৰী লাভ কৰা ড° মাথাহ ৰাংগাৰি আছিল পূব আফ্ৰিকান ৰাষ্ট্ৰবোৰৰ ভিতৰতে প্ৰথম মহিলা। তেওঁক পাৰিপাৰ্শ্ব-নাৰীবাদী আন্দোলনৰ এগৰাকী অগ্ৰণী নেতৃ বুলি গণ্য কৰা হয়।

'গ্ৰীন বেল্ট' আন্দোলনত মাহিলাসকলৰ সক্ৰিয় অংশগ্ৰহণ দেখিবলৈ পোৱা গৈছে। কৃষ্ণাংগ নাৰীবাদৰ দৃষ্টিৰে ই এক তাৎপৰ্যপূৰ্ণ কথা। কৃষ্ণাংগ নাৰীবাদে বিশেষকৈ কৃষ্ণাংগ মহিলাসকলৰ পৰিচয়, তেওঁলোকে সহন কৰা বিভিন্ন প্ৰকাৰৰ দমন তথা লাভ কৰা অভিজ্ঞতাৰ সৈতে জড়িত আন্তঃশাখাকেন্দ্ৰিক বাস্তৱবোৰ অধ্যয়ন কৰে। কেনিয়াত মহিলাসকলক এই সংস্থাৰ প্ৰধান ষ্টেকহোল্ডাৰ কৰি সংস্থাটোৱে তেওঁলোকক কৰ্তৃত্ব অধিকাৰ ওভটা দিছে। এটা সম্প্ৰদায়ক ফলপ্ৰসূভাৱে সংগঠিত কৰাৰ প্ৰধান উপায় হ'ল বাস্তৱ অভিজ্ঞতাৰ ভিত্তিত সামাজিক কাৰ্যকলাপবোৰক প্ৰভাৱিত কৰা। সংস্থাটোৱে বিভিন্ন গাঁৱলীয়া কেনিয়ান সম্প্ৰদায়ৰ মহিলাই পৰিপাৰ্শ্বিকৰ অৱনতিৰ ফলত লাভ কৰা অভিজ্ঞতাবোৰ আলোচনা কৰে। এনে আলোচনাবোৰত জমা হোৱা ব্যৱহাৰিক জ্ঞানৰ পৰা সমস্যাৰ সমাধান বাহিৰ কৰি সম্প্ৰদায়বোৰক উপান্ত শ্ৰেণীত পৰিণত হোৱাৰ পৰা ৰক্ষা কৰা হয় আৰু সম্প্ৰদায়বোৰৰ সাংস্কৃতিক জ্ঞান অক্ষুণ্ণ ৰখা হয়। নাৰীসমাজক প্ৰাপ্য গুৰুত্ব প্ৰদান নকৰাৰ প্ৰাসংগিক উদাহৰণ কেইটামান হ'ল মাটিৰ মালিকীস্বত্ব লাভৰ ক্ষেত্ৰত আৰোপ কৰা সামাজিক আৰু ৰাজনৈতিক বাধা-নিষেধ, পুৰুষৰ সমান মূলধন আহৰণত প্ৰদান কৰা বাধা আৰু সিদ্ধান্ত গ্ৰহণকাৰী বৈঠকবোৰত ভাগ লোৱাৰ পৰা বিৰত ৰখা ইত্যাদি। এই সংস্থাটোৱে কেনিয়াত প্ৰচলিত মাটি বলপূৰ্বক দখল কৰাৰ প্ৰথা, বনাঞ্চল ধ্বংসকাৰী কাৰ্যকলাপ আৰু দুৰ্নীতি আদিৰ দৰে দমনমূলক অনুশীলনবোৰৰ প্ৰকোপ প্ৰশমিত কৰাৰ চেষ্টা চলাই আহিছে। সংস্থাটোৰ ৪০০০ সামূহিক গোটৰ এক বিশাল সদস্য নেটৱ'ৰ্ক আছে। সদস্যসকলে নিজৰ প্ৰাকৃতিক পৰিৱেশ সুৰক্ষিত ৰাখিবলৈ আৰু দৈনিক নিজকে স্বাধীন কৰাৰ অনুশীলন কৰিবলৈ স্বেচ্ছাই আগবাঢ়ি আহিছে। আত্ম-স্বাধীনতা হ'ল কৃষ্ণাংগ নাৰীবাদৰ প্ৰধান বৈশিষ্ট্য। 'দ্য গ্ৰীন বেল্ট মুভমেণ্ট'-এ কেনিয়াত প্ৰচলিত সামৰ্থ আৰু শিক্ষাৰ সৈতে জড়িত দৃষ্টান্তমূলক আদৰ্শৰ বিৰুদ্ধে যুঁজিবলৈ সক্ষম হৈছে। "গছপুলি ৰুবলৈ ডিপ্লমাধাৰী লোকৰ প্ৰয়োজন নাই" বোলা আপ্তবাক্যষাৰিয়ে বিভিন্ন ধৰণৰ আৰু বিশাল পৰিধিৰ জ্ঞানত আলোকপাত কৰাৰ এক বিকল্প দৃষ্টিকোণ আগবঢ়াইছে।

## অগ্ৰগতি নিৰীক্ষণ

**প্ৰশ্ন নং ৫ ঃ** পাৰিপাৰ্শ্ব-নাৰীবাদীসকলে কি সংযোগ প্ৰতিষ্ঠা কৰাৰ চেষ্টা চলায়?

.....

**প্ৰশ্ন নং ৬ ঃ** পাৰিপাৰ্শ্ব-নাৰীবাদী দৰ্শনে কি কথাত আলোকপাত কৰে?

.....

**প্ৰশ্ন নং ৭ ঃ** কেতিয়া আৰু ক'ত চিপ্‌কো আন্দোলনৰ সূত্ৰপাত হৈছিল?

.....

**প্ৰশ্ন নং ৮ ঃ** 'দ্য গ্ৰীন বেল্ট মুভমেণ্ট'ৰ লগত প্ৰধানকৈ কাৰ নাম সাঙোৰ খাই আছে?

.....

## ১১.৪ বহনক্ষম উন্নয়নৰ অৰ্থ

বহনক্ষম উন্নয়ন মানে হ'ল ভৱিষ্যৎ প্ৰজন্মৰ প্ৰয়োজনীয়তা পূৰণৰ সামৰ্থৰ আপোচ নকৰাকৈ বৰ্তমান প্ৰজন্মই নিজৰ প্ৰয়োজনীয় উন্নয়ন সাধন কৰা কাৰ্য। ইয়াৰ সৈতে দুটা প্ৰধান দিশ জড়িত—

- **'প্ৰয়োজনীয়তা' (Need)ৰ ধাৰণা ঃ** এই ধাৰণাই বিশেষকৈ পৃথিৱীৰ দৰিদ্ৰ শ্ৰেণীটোৰ অত্যাৱশ্যকীয় প্ৰয়োজনবোৰৰ কথা বুজায়। এনে প্ৰয়োজনক অন্য সকলো প্ৰয়োজনতকৈ আগস্থান দিয়া উচিত।
- **'সীমাবদ্ধতা' (Limitation)ৰ ধাৰণা ঃ** ৰাষ্ট্ৰই প্ৰযুক্তি আৰু সামাজিক সংস্থা সংগঠনৰ ওপৰত এনে সীমাবদ্ধতা আৰোপ কৰি পৰিৱেশৰ বৰ্তমান তথা ভৱিষ্যৎ প্ৰয়োজনীয়তাবোৰ পূৰণ কৰাৰ সামৰ্থ অক্ষুণ্ণ ৰখাৰ চেষ্টা চলায়।

১৯৮০ ৰ দশকৰ শেষৰ ফালে 'বহনক্ষম উন্নয়ন' (substainable development) নামৰ অভিধাটোৱে জনপ্ৰিয়তা অৰ্জন কৰিছিল। 'দ্য ব্ৰ্যাণ্ডট্লেণ্ড ৰিপৰ্ট' নামেৰে জনাজাত 'আমাৰ উমৈহতীয়া ভৱিষ্যত' শীৰ্ষক প্ৰতিবেদনখনত এই অভিধাটো পোন প্ৰথমবাৰৰ বাবে ব্যৱহাৰ কৰা হৈছিল। এই প্ৰতিবেদনখন আছিল উন্নয়নৰ ধাৰণা আৰু অনুশীলন বিষয়ক 'পৰিৱৰ্তনৰ এক বিশ্বজনীন কাৰ্যক্ৰমাণিকা'ৰ প্ৰস্তাৱ আগবঢ়াবলৈ ৰাষ্ট্ৰসংঘৰ আহ্বান মৰ্মে গঠিত এখন আয়োগৰ দ্বাৰা উপস্থাপিত ফলাফল। 'দ্য ব্ৰ্যাণ্ডট্লেণ্ড ৰিপৰ্ট'ত আমাৰ জীৱন-যাপন তথা শাসন পদ্ধতিবোৰৰ বিষয়ে পুনৰ চিন্তা কৰাৰ প্ৰয়োজনীয়তাৰ ইংগিত দিয়া হৈছিল। প্ৰতিবেদনখনৰ মতে পুৰণি সমস্যাবোৰ বিবেচনা কৰি চাবলৈ 'মানৱ জাতিৰ লক্ষ্য তথা প্ৰত্যাশাবোৰ দায়িত্ব সহকাৰে পালন কৰিবলৈ' নতুন উপায়ৰ প্ৰয়োজন। ইয়াৰ উপৰি এই ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় সহযোগিতা তথা সমন্বয় স্থাপনৰ পৰিমাণো বাঢ়িব লাগিব। বহনক্ষম উন্নয়ন মানে হ'ল সংহতি স্থাপন। এনে উন্নয়নৰ জৰিয়তে যিমান সম্ভৱ সিমানকেইখন ক্ষেত্ৰ, দেশৰ চাৰিসীমা অতিক্ৰম কৰি বিভিন্ন অঞ্চল আৰু আনকি দুটা ভিন্ন প্ৰজন্মক উপকৃত কৰিব পৰা কাম-কাজ আগবঢ়াই নিয়া হয়। সহজ ভাষাত, যেতিয়া সমাজ, পৰিৱেশ আৰু অৰ্থনীতিত পেলাবলগীয়া প্ৰভাৱ আঁতিগুৰি মাৰি বিবেচনা কৰাৰ অন্তত গ্ৰহণ কৰা সিদ্ধান্তবোৰে বহনক্ষম উন্নয়ন সম্ভৱপৰ কৰি তোলে। সিদ্ধান্ত গ্ৰহণৰ সময়ত আমি মনত ৰখা উচিত যে আমাৰ কাৰ্যই আন ক'ৰবাত আৰু ভৱিষ্যততে প্ৰভাৱ পেলাব পাৰে।

### ১১.৪.১ বহনক্ষম উন্নয়নৰ তিনিটা স্তম্ভ

সমাজ, অৰ্থনীতি আৰু পৰিৱেশ হ'ল বহনক্ষম উন্নয়নৰ তিনিটা মূল স্তম্ভ। পৃষ্ঠভূমি যিয়েই নহওক, এই তিনিটা মৌলিক উপাদানৰ কোনো সাল-সলনি নঘটে। মানুহ, বসতি স্থল আৰু অৰ্থনৈতিক পদ্ধতিৰ মাজত আন্তঃসম্পৰ্ক আছে। আমি হয়তো কেইটামান বছৰ অথবা দশক এই আন্তঃসম্পৰ্ক আওকাণ কৰিব পাৰিম। কিন্তু ইতিহাসে এই কথা আমাক সোঁৱৰাই দিয়ে যে কিবা বিপদ সংকেট অথবা সংকটৰ দ্বাৰা আমি এই আন্তঃসম্পৰ্কৰ বিষয়ে পুনৰ সচেতন হ'বলৈ বাধ্য হৈ পৰোঁ। আচল কথাটো হ'ল আমি আমাৰ সকলো কাম-কাজৰ বাবে পাৰিপাৰ্শ্ব প্ৰণালী আৰু এই প্ৰণালীয়ে আগবঢ়োৱা সেৱাৰ ওপৰত নিৰ্ভৰশীল। ব্যৱসায় আগবঢ়াই নিবলৈ, সম্প্ৰদায় গঢ়ি তুলিবলৈ,জনসমষ্টিৰ খাদ্য চাহিদা পূৰণ কৰিবলৈ আৰু আন ভালেমান কামৰ ক্ষেত্ৰত আমি পাৰিপাৰ্শ্ব প্ৰণালীৰ ওপৰত নিৰ্ভৰ কৰোঁ। খাদ্য শস্য অংকুৰিত হোৱাৰ

বাবে অত্যাৱশ্যকীয় আধাৰ মাটি অথবা খাবলৈ পৰিষ্কাৰ পানীৰ দৰে গুৰুত্বপূৰ্ণ উদাহৰণৰ কথাই কও অথবা সালোক সংশ্লেষণৰ বাবে প্ৰয়োজন হোৱা অক্সিজেন উৎপাদন অথবা বেক্টেৰিয়াজনিত পচনৰ দ্বাৰা হোৱা বৰ্জ্য পদাৰ্থৰ সংসাধনৰ দৰে গৌণ উদাহৰণ উল্লেখ কৰোঁ, সকলোৰে পৰা এটা সিদ্ধান্তত উপনীত হোৱা যাব যে আমাৰ অস্তিত্ব বৰ্তাই ৰখাৰ স্বাৰ্থত আমি পৰিৱেশৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। আমি যদি পৰিৱেশৰ এনেবোৰ সেৱা আগবঢ়াব পৰা সামৰ্থৰ ক্ষতি অথবা ধ্বংস কৰোঁ, তেন্তে হয়তো আমি কোনোদিনে সাজু হৈ নথকা ধৰণৰ বিষম পৰিণতিৰ মুখামুখি হ'বলগীয়া হ'ম। এখন সমাজ (বৃহত্তৰ সমাজৰ অংশ ক্ষুদ্ৰ ক্ষুদ্ৰ সম্প্ৰদায়বোৰ)যেতিয়া অস্থিৰতা, দৰিদ্ৰতা আৰু ৰোগৰ দৰে কাৰণবোৰৰ সৈতে যুঁজি থাকিবলগীয়া হয়, তেতিয়া তেনে সমাজৰ দীৰ্ঘম্যাদি উন্নয়ন নঘটে। সামাজিক কল্যাণ আৰু অৰ্থনৈতিক কল্যাণ পৰস্পৰৰ পৰিপূৰক। দুয়োটা কথাই এক সুস্থ বাতাবৰণতহে বাস্তৱ ৰূপ ল'ব। বহনক্ষম উন্নয়নৰ তিনিওটা স্তম্ভৰ মাজত থকা জটিল সম্পৰ্ক আৰু আন্তঃনিৰ্ভৰশীলতাৰ কথা বুজিবলৈ কিছু প্ৰয়াসৰ প্ৰয়োজন। এই প্ৰয়াস স্থিৰ প্ৰকৃতিৰ হোৱা উচিত।

### অগ্ৰগতি নিৰীক্ষণ

**প্ৰশ্ন নং ৯ ঃ** বহনক্ষম উন্নয়ন বুলিলে কি বুজে?

.....

**প্ৰশ্ন নং ১০ ঃ** কেতিয়াৰ পৰা বহনক্ষম উন্নয়নৰ ধাৰণাটোৱে ব্যাপক স্বীকৃতি লাভ কৰিবলৈ লৈছিল?

.....

**প্ৰশ্ন নং ১১ ঃ** বহনক্ষম উন্নয়নৰ মূল স্তম্ভ তিনিটা কি কি?

.....

## ১১.৫ বহনক্ষম উন্নয়ন আৰু নাৰীসমাজত ইয়াৰ প্ৰভাৱ

উন্নয়নে বিশ্বৰ বিভিন্ন প্ৰান্তৰ লোকক বিভিন্ন ধৰণে প্ৰভাৱিত কৰে। ই আনকি পুৰুষ আৰু নাৰীকো ভিন্ ভিন্ ধৰণে প্ৰভাৱিত কৰিব পাৰে। এই ক্ষেত্ৰত ভাৰতৰ প্ৰখ্যাত পৰিৱেশবাদী নেত্ৰী বন্দনা শিৱাৰ মন্তব্য প্ৰণিধানযোগ্য। শিৱাই ২০০৪ চনত লিখা ('Empowering Women') নামৰ প্ৰবন্ধটোৰ জৰিয়তে এই পৰামৰ্শ আগবঢ়াইছিল যে ভাৰতৰ প্ৰাচীন কৃষি পদ্ধতিৰ পুনৰ প্ৰচলন কৰি কৃষিৰ এক অধিক বহনক্ষম আৰু উৎপাদনশীল পন্থা বাহিৰ কৰিব পাৰি। এই প্ৰাচীন কৃষি পদ্ধতিৰ জৰিয়তে কৃষিকাৰ্যত অধিক মহিলাৰ অংশগ্ৰহণক অগ্ৰাধিকাৰ দিয়া হৈছিল। তেওঁ বৰ্তমান প্ৰচলিত 'পিতৃতান্ত্ৰিক যুক্তি'ৰ বিৰুদ্ধে মাত মাতি আহিছে। শিৱাৰ মতে এক নাৰীকেন্দ্ৰিক কৃষি ব্যৱস্থাই বৰ্তমান প্ৰচলিত ব্যৱস্থাটো এক অত্যন্ত ইতিবাচক ৰূপলৈ সলনি কৰিব। তেওঁৰ মতে পাৰিপাৰ্শ্বক ধ্বংস আৰু ঔদ্যোগিক দুৰ্ঘটনাবোৰে আমাৰ দৈনন্দিন জীৱনলৈ ভাবুকি মাতি আনিছে। এনে সমস্যাবোৰৰ মুখামুখি হোৱাৰ দায়িত্ব নাৰীক জাপি দিয়া হৈছে।

২৫ ছেপ্তেম্বৰত ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে বহনক্ষম উন্নয়নৰ বাবে ২০৩০ বৰ্ষ পৰ্যন্ত এখন কাৰ্যক্ৰমণিকা গ্ৰহণ কৰিছে। ইয়াক আন্তঃৰাষ্ট্ৰীয় উন্নয়নৰ সৰ্বজন স্বীকৃত ৰূপৰেখা বুলি ধৰি লোৱা হৈছে। এই কাৰ্যক্ৰমনিকাখন কেৱল উন্নয়নশীল দেশবোৰতেই নহয় সকলো দেশতে প্ৰযোজ্য। সেইফালৰ পৰা দৰিদ্ৰতা নিৰ্মূলৰ লক্ষ্যৰে যুগুত কৰা এই কাৰ্যক্ৰমনিকাখনক এক অভিলাসী প্ৰকল্প বুলি ক'ব পৰা যায়। ইয়াৰ জৰিয়তে প্ৰচলিত সামাজিক ব্যৱস্থাবোৰক সামাজিক লিংগ (Gender) ৰ মাজত সমতা স্থাপনৰ একমাত্ৰ লক্ষ্য বান্ধি দিয়াৰ লগতে মহিলা আৰু কন্যা সন্তানৰ সবলীকৰণ ঘটোৱাৰ কথা কোৱা হৈছে। ২০৩০ চনৰ বহনক্ষম উন্নয়নৰ কাৰ্যক্ৰমণিকা (অথবা 'the 2030 Agenda'

SDGs ) ত মুঠ ১৭ টা বহনক্ষম উন্নয়ন লক্ষ্য (SDGs) আৰু ১৬৯ টা উদ্দেশ্য স্থিৰ কৰি লোৱা হৈছে। ২০১৬ চনৰ ১ জানুৱাৰীৰ পৰা এই কাৰ্যক্ৰমণিকাখনৰ কাৰ্য ৰূপায়ণ আৰম্ভ হৈছে। এই কাৰ্যক্ৰমণিকাখনে ২০১৫ চনৰ ২৭ জুলাইত ইথিঅ'পিয়াৰ ৰাজধানী আদ্দিছ আবাবাত অনুস্থিত 'উন্নয়নৰ বঙ্গবে বিত্তীয় সাহায্য প্ৰদান' বিষয়ক ৰাষ্ট্ৰসংঘৰ তৃতীয়খন আন্তঃৰাষ্ট্ৰীয় সন্মিলনত ভাগ লোৱা ১৯৩ খন সদস্য ৰাষ্ট্ৰৰ মাজত সম্পাদিত তথাকথিত 'আদ্দিছ আবাবা একশ্যন এজেণ্ডা' খনৰ সৈতে সমান্তৰালভাৱে আগবঢ়াই নিয়া হ'ব। ১৭ টা বহনক্ষম উন্নয়ন লক্ষ্যৰ ৫ নং লক্ষ্যটোৱে সামাজিক লিংগৰ মাজত সমতা স্থাপন আৰু মহিলা তথা কন্যা সন্তানৰ সবলীকৰণৰ কথা কয়।

**বহনক্ষম উন্নয়নৰ ৫ নং লক্ষ্যৰ উদ্দেশ্যসমূহ হ'ল —**

- বিশ্বৰ সৰ্বত্ৰ সকলো মহিলা তথা কন্যা সন্তানৰ বিৰুদ্ধে চলা সকলো ধৰণৰ বৈষম্যৰ ওৰ পেলোৱা;
- নাৰী সৰবৰাহ, যৌন নিৰ্যাতন আৰু আন সকলো ধৰণৰ শোষণ সামৰি ৰাজহুৱা তথা ব্যক্তিগতভাৱে মহিলা আৰু কন্যা সন্তানৰ ওপৰত চলা সকলো ধৰণৰ হিংসাত্মক কাৰ্যকলাপ নিৰ্মূল কৰা;
- বাল্য বিবাহ, কম বয়সতে বিয়া দিয়া, বলপূৰ্বক বিয়া দিয়া আৰু স্ত্ৰী যৌনাংগ ঘৃণীয়া কৰা আদিৰ দৰে সকলো ক্ষতিকাৰক অনুশীলন নাইকিয়া কৰা;
- ৰাজহুৱা সেৱা, আন্তঃগাঁথনি আৰু সামাজিক সুৰক্ষা নীতিৰ অন্তৰ্ভুক্ত বিধি-বিধানৰ জৰিয়তে মজুৰিবিহীন যত্ন তথা ঘৰুৱা কাম-কাজক স্বীকৃতি আৰু প্ৰাপ্য মূল্য দিয়া; সংশ্লিষ্ট ৰাষ্ট্ৰ এখনত ৰাষ্ট্ৰীয়ভাৱে উপযুক্ত পদ্ধতিৰে ঘৰুৱা তথা পৰিয়ালৰ ভিতৰুৱাভাৱে দায়িত্ব ভাগ-বাটোৱাৰাৰ নিয়মৰ পৃষ্ঠপোষকতা কৰা;
- ৰাজনৈতিক, অৰ্থনৈতিক আৰু ৰাজহুৱা জীৱনৰ সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াটোৰ সকলো স্তৰতে মহিলাৰ সম্পূৰ্ণ তথা ফলপ্ৰসূ অংশগ্ৰহণ আৰু নেতৃত্ব দিয়াৰ সমান সুযোগ সুনিশ্চিত কৰা;
- 'জনসংখ্যা আৰু উন্নয়ন বিষয়ক আন্তঃৰাষ্ট্ৰীয় সন্মিলনৰ কাৰ্য সম্পাদনমূলক কাৰ্যসূচী', 'কাৰ্য সম্পাদনৰ বেইজিং মঞ্চ' তথা পৰৱৰ্তী সময়ত এইবোৰৰ পুনৰীক্ষণ সন্মিলনত গৃহিত নতুন নথিৰ আধাৰত যৌন তথা প্ৰজননকেন্দ্ৰিক স্বাস্থ্য আৰু প্ৰজনন অধিকাৰক সাৰ্বজনীনভাৱে সুচল কৰি তোলা;
- সংশ্লিষ্ট ৰাষ্ট্ৰৰ ৰাষ্ট্ৰীয় আইন অনুসৰি মহিলাক অৰ্থনৈতিক সম্পদৰ সমান অধিকাৰ দিবলৈ;মাটি তথা আন সকলো ধৰণৰ সম্পত্তিৰ মালিকীস্বত্ব আহৰণ তথা নিয়ন্ত্ৰণৰ অধিকাৰ দিবলৈ; বিত্তীয় সেৱা, উত্তৰাধিকাৰীৰ অধিকাৰ তথা প্ৰাকৃতিক সম্পদ ব্যৱহাৰৰ অধিকাৰ দিবলৈ প্ৰয়োজনীয় আইন সংশোধনী ব্যৱস্থা গ্ৰহণ কৰা;
- নাৰী সৱলীকৰণৰ পোষকতা কৰিবলৈ প্ৰযুক্তিৰ, বিশেষকৈ তথ্য আৰু সংযোগ প্ৰযুক্তিৰ ব্যৱহাৰ সহজসাধ্য আৰু অধিক কৰি তোলা;
- সকলো স্তৰতে সামাজিক লিংগৰ সমতা স্থাপন আৰু সকলো মহিলা তথা কন্যা সন্তানৰ সবলীকৰণৰ পোষকতা কৰিবলৈ সুস্থ নীতি আৰু বলবৎসাধ্য বিধি-বিধান গ্ৰহণ তথা সেইবোৰ সুদৃঢ় কৰি তোলা।

ভাৰতৰ পটভূমিত বহনক্ষম উন্নয়নৰ লক্ষ্যবোৰ কেনেদৰে নিৰ্ধাৰণ কৰি লোৱা হৈছে আৰু এইবোৰৰ কাৰ্যৰূপায়নৰ বাবে কি ব্যৱস্থা গঢ়ি তোলা হৈছে সেয়া জনাটো অতি গুৰুত্বপূৰ্ণ। ভাৰতত মহিলাই কৰা কাম আৰু মহিলাৰ দ্বাৰা চলোৱা আন্দোলনৰ এক সুদীৰ্ঘ তালিকাৰে ইতিহাসৰ পৃষ্ঠা ভৰি আছে। ই দেশত মহিলাসকলৰ অংশগ্ৰহণ সম্পৰ্কে অহৰহ চিন্তা-চৰ্চা কৰাৰ পৰিৱেশ গঢ়ি তুলিছে আৰু সমাজত মহিলাৰ প্ৰস্থিতি উন্নত কৰাত সহায় কৰি আহিছে। নাৰীৰ সম অধিকাৰ বিচাৰি ভাৰতত চলা নাৰীকেন্দ্ৰিক আন্দোলনবোৰ বৈচিত্ৰ্যময়। নাৰীবাদী বিদগ্ধ পণ্ডিত বীণা মজুমদাৰ আৰু লতিকা সৰকাৰে ভাৰতৰ প্ৰথমখন 'ভাৰতীয় মহিলাৰ সামাজিক প্ৰস্থিতি বিষয়ক সমিতি'ৰ নেতৃত্ব দি প্ৰথমখন ঐতিহাসিক তথা বাটকটীয়া প্ৰতিবেদন যুগুত কৰিছিল। 'Towards Equality' (ভাৰত চৰকাৰ, ১৯৭৪ চন)শীৰ্ষক এই প্ৰতিবেদনত বৈষম্যমূলক সমাজ-সাংস্কৃতিক অনুশীলন আৰু অৰ্থনৈতিক তথা ৰাজনৈতিক প্ৰক্ৰিয়াবোৰে কেনেদৰে নাৰীৰ সবলীকৰণ প্ৰক্ৰিয়াটো দুৰ্বল কৰি তোলে তাৰৈ দেশৰ নাগৰিকৰ

মনোযোগ আকর্ষণ কৰিবলৈ সক্ষম হৈছিল। প্রতিবেদনখনৰ দ্বাৰা অৱনতি ঘটা লিংগ অনুপাদৰ সমস্যাটো সম্পর্কেও সাৱধান কৰি দিয়া হৈছিল। ইয়াৰ আধাৰতেদেশত সামাজিক লিংগ সংবেদনশীল নীতি গ্রহণৰ ব্যৱস্থা গঢ়ি উঠিছিল আৰু ক্রমে কন্যাৰ সন্তানৰ শিক্ষাৰ দিশটোৱে গুৰুত্ব লাভ কৰিছিল। প্রথম প্রতিবেদনখন দাখিলৰ ৪০ বছৰ পাছত ২০১৫ চনত নাৰীৰ সামাজিক প্রস্থিতি বিষয়ক আন এখন উচ্চস্তৰীয় সমিতিয়ে দ্বিতীয়খন প্রতিবেদন প্রস্তুত কৰিছিল। এই প্রতিবেদনত আন্তঃশাখামূলক দষ্টিকোণ এটা প্রয়োগ কৰি প্রধান সামাজিক লিংগভিত্তিক ব্যৱধানবোৰত আলোকপাত কৰা হৈছিল আৰু ভাৰতৰ নাৰীৰ জীৱনবোৰৰ বৈচিত্র্য তথা জটিলতা বর্ণনা কৰা হৈছিল। এই বিষয়ৰ আন কেইখনমান উল্লেখযোগ্য প্রতিবেদন হ'ল ১৯৮৮ চনৰ শ্রমশক্তি প্রতিবেদন, ২০১৩ চনৰ ন্যায়াধীন বার্মা সমিতিৰ প্রতিবেদন আৰু ২০১৪ চনৰ 'নাৰীৰ বিৰুদ্ধে চলা সকলো ধৰণৰ বৈষম্য নির্মূলকৰণ বিষয়ক সন্মিলন' (CEDAW)। আটাইকেইখন প্রতিবেদনতে দেশৰ নাৰীসমাজৰ সামাজিক প্রস্থিতি উন্নত কৰিবলৈ হাতত ল'ব পৰা পন্থাবোৰৰ বিস্তৃত আৰু তথ্যসমৃদ্ধ বিশ্লেষণ আগবঢ়োৱা হৈছে। ভাৰতত অনানুষ্ঠানিকভাৱে কাম কৰা মহিলাৰ সংখ্যা হ'ল প্রায় ১২০ মিলিয়ন। ২০১১ চনৰ ভাৰতীয় লোকপিয়ল তথ্য অনুসৰি দেশত মুঠ মহিলা কর্মীৰ সংখ্যা ১৪৯.৮ মিলিয়ন। ইয়াৰে ১২১.৮ মিলিয়ন গাওঁ অঞ্চলৰ আৰু ২৮ মিলিয়ন নগৰাঞ্চলৰ মহিলা। ইয়াৰে আকৌ ৩৫.৯ মিলিয়ন খেতিয়ক, ৬১.৫ মিলিয়ন কৃষি শ্রমিক, ৮.৫ মিলিয়ন ঘৰুৱা কাম-কাজ কৰা উদ্যোগটোৰ সৈতে জড়িত আৰু ৪৩.৭ মিলিয়নক 'অন্য কর্মী'ৰ শিতানত ৰখা হৈছে (ভাৰত চৰকাৰ, n.d.) ২০০৪-২০১১ বর্ষত ভাৰতৰ অর্থনীতি গড় হিচাপত ৭ শতাংশকৈ বাঢ়িছিল। কিন্তু তৎসত্বেও দেশৰ মহিলা কর্মশক্তিৰ অংশগ্রহণ ৩১ শতাংশৰ পৰা ৭ পইণ্ট কমি ২৪ শতাংশ হৈছিল (Pande & Troyer, 2016)। ইয়াৰ অর্থ এয়াই যে শ্রমিক শক্তিৰ পৰা চপ্ত মিলিয়নতকৈ অধিক মহিলা অন্তর্ধান হৈছে।

পাৰ হৈ যোৱা কেইটামান বছৰত ভাৰত চৰকাৰে বহনক্ষম উন্নয়নৰ লক্ষ্যবোৰত উপনীত হোৱাৰ দায়ৱদ্ধতা বাৰে বাৰে ব্যক্ত কৰিছে। ইয়াৰ বাবে চৰকাৰে বিভিন্ন কার্যসূচীভিত্তিক উদ্যমক বাস্তৱ ৰূপ দিছে। 'মেক ইন ইণ্ডিয়া', 'ডিজিটেল ইণ্ডিয়া', 'স্মার্ট চিটি' আৰু 'স্কিলচ্ ইণ্ডিয়া' আদিৰ দৰে উদ্যমবোৰৰ লক্ষ্য হ'ল অর্থনৈতিক তথা দক্ষতাভিত্তিক উন্নয়ন সাধন কৰা আৰু সামগ্রীৰ ঘৰুৱা উৎপাদনক উৎসাহিত কৰা। ইয়াৰ দ্বাৰা দেশৰ লাখ লাখ লোকক দৰিদ্রতাৰ পৰা মুক্ত হোৱাত সহায় কৰাৰ প্রচেষ্টা চলোৱা হৈছে (দ্য ইণ্ডিয়ান এক্সপ্রেছ, ২০১৬)। নাৰী আৰু কন্যা সন্তানৰ অধিকাৰ তথা মর্যাদা সুৰক্ষিত ৰখাৰ প্রয়াসেৰে আৰম্ভ কৰা আন দুখন প্রধান আঁচনি হ'ল 'বেটী বছাও, বেটী পঢ়াও' তথা 'স্বচ্ছ ভাৰত অভিযান'। মহিলা দলবোৰৰ পৰামর্শ অনুসৰি কন্যা সন্তান আৰু মহিলাৰ বাবে গঢ়ি তোলা সংৰচনামূলক প্রতিবন্ধকবোৰ আঁতৰোৱাটো সুনিশ্চিত কৰিব পৰাকৈ যথোপযুক্ত ৰূপৰেখাৰে এনে উদ্যমবোৰ বিকশিত কৰা উচিত।

২০১৪ চনত গঠন কৰা নতুন পৰিকল্পনা কর্তৃপক্ষ 'নীতি আয়োগ'-এ বহনক্ষম উন্নয়নৰ লক্ষ্যৰ সৈতে সামঞ্জস্য ৰাখি চৰকাৰৰ প্রধান কেন্দ্রীয় আঁচনিবোৰৰ ৰূপ ৰেখা যুগুত কৰিছে। ২০১৬ চনৰ জুন মাহত ভাৰতত বহনক্ষম উন্নয়ন লক্ষ্যত উপনীত হ'বলৈ সংশ্লিষ্ট মন্ত্রালয়বোৰৰ বাবে একোখন বিস্তৃত লক্ষ্য তালিকা তথা নির্দেশনা অনলাইন যোগে আপলোড কৰিছিল। এই লক্ষ্যসমূহৰ আধাৰত ৰাজ্য চৰকাৰবোৰে নিজ নিজ পৰিকল্পনা প্রস্তুত কৰাৰ প্রক্রিয়া আৰম্ভ কৰিছে বুলি ভবা হৈছে। এই ৰাজ্যিক পৰিকল্পানাবোৰ পাছত নীতি আয়োগে প্রস্তুত কৰিবলগীয়া ১৫ বছৰীয়া পৰিকল্পনাত অন্তর্ভুক্ত কৰা হ'ব (মিশ্র, ২০১৬)। নীতি আয়োগে ২০১৭ চনৰ ১৯ জুলাইত নিউয়'র্কত অনুস্থিত এক উচ্চস্তৰীয় ৰাজনৈতিক আলোচনা মঞ্চত ২০১৭ চনলৈকে বহনক্ষম উন্নয়ন লক্ষ্যত উপনীত হোৱাত ভাৰতে কিমান সফলতা লাভ কৰিছে এই সম্পর্কে প্রথমখন স্বৈচ্ছিক ৰাষ্ট্রীয় পুনৰীক্ষণ প্রতিবেদন দাখিল কৰিছে। আনহাতে নাৰী বিষয়ক ৰাষ্ট্রীয় নীতিৰ খচৰা (২০১৬) আৰু মানৱ সৰবৰাহ সম্পর্কীয় বিধেয়কৰ খচৰা (২০১৬) ৰূপে কেন্দ্রীয় মহিলা তথা শিশু উন্নয়ন মন্ত্রালয়ে দুখন খচৰা নীতি প্রস্তুত কৰি ৰাইজৰ মতামত সংগ্রহৰ বাবে ৰাজহুৱা মঞ্চত উপস্থাপন কৰিছে। এই সম্পর্কত ৰাষ্ট্রীয় মহিলা আয়োগেও বিভিন্ন মহিলা দলৰ সৈতে কথা পাতিছে

আৰু অনলাইন যোগে নানা দিহা-পৰামৰ্শ গ্ৰহণ কৰিছে। এইবোৰ চালি-জাৰি চোৱাৰ অন্তত প্ৰস্তুত কৰা চূড়ান্ত নথি এতিয়াও ৰাজহুৱা মঞ্চত উপস্থাপন কৰা হোৱা নাই। বহনক্ষম উন্নয়নৰ ৫নং লক্ষ্যত উপনীত হোৱাত প্ৰধান ভূমিকা লোৱাৰ দায়িত্ব কেন্দ্ৰীয় মহিলা তথা শিশু উন্নয়ন মন্ত্ৰালয়ক প্ৰদান কৰা হৈছে। অৱশ্যে ইয়াৰ বাবে কোনো উৎসৰ্গিত কৰ্ম শক্তি গঢ়ি তোলা হৈছেনে নাই সেই সম্পৰ্কে এই মুহূৰ্তলৈকে কোনো তথ্য জাৰি কৰা হোৱা নাই। ৫নং লক্ষ্যৰ অধীনত সামাজিক লিংগভিত্তিক উদ্দেশ্যবোৰ ফলৱতী কৰাত কোনে অৰিহণা আগবঢ়াব আৰু বিষয়টো কোনে নিৰীক্ষণ কৰিব তাৰো কোনো তথ্য ৰাজহুৱাভাৱে সদৰি কৰা হোৱা নাই। মহিলা দলবোৰে এনে নীতি আৰু পৰিকল্পনাবোৰৰ কাৰ্যৰূপায়ণ তথা নিৰীক্ষণৰ বাবে পৰামৰ্শদান ব্যৱস্থা গঢ়ি তোলাৰ দিহা দিছে। অৱশ্যে দেশৰ কেইটামান অনানুষ্ঠানিক দল আৰু নাগৰিক সমাজৰ সন্মিলিত সংঘই কিছুমান মঞ্চ গঠন কৰি বহনক্ষম উন্নয়নৰ লক্ষ্যবোৰৰ অগ্ৰগতি নিৰীক্ষণ আৰু তথ্য ভাগ-বটোৱাৰা কৰি আছে। এনে এটা ৰাষ্ট্ৰীয় সন্মিলিত সংঘ 'ৰাদা না তোড়ো অভিযান'এ ২০১৭ চনৰ জুলাই মাহত বহনক্ষম উন্নয়ন লক্ষ্যৰ ২০৩০ চনলৈকে কাৰ্যক্ৰমণিকাখনৰ সন্দৰ্ভত প্ৰস্তুত কৰা এখন নাগৰিক সমাজৰ প্ৰতিবেদন প্ৰকাশ কৰিছে। এনে আন কেইবাটাও উদাহৰণ আছে।

এই সকলোবোৰ দায়বদ্ধতাৰ উপৰি সমাজৰ সামাজিক লিংগভিত্তিক সম্পৰ্ক তথা অসমতাবোৰ সলনি কৰিবলৈ এক বৃহত্তৰ ৰাজনৈতিক সদিচ্ছাৰ প্ৰয়োজন হ'ব। গৃহীত হোৱা আনুষ্ঠানিক সংশোধনীবোৰ কাৰ্যৰূপায়িত কৰাৰ লগতে পিতৃতান্ত্ৰিক, সামন্তবাদী আৰু নাৰীবিদ্বেষী মনোভাৱ সলনি কৰিবলৈ সমাজৰ ফালৰ পৰা গভীৰতৰ দায়বদ্ধতা প্ৰদৰ্শিত হোৱা উচিত। ভাৰতৰ বাবে সবাতোকৈ প্ৰত্যাহ্বানমূলক বিষয়টো হ'ল পাৰ হৈ যোৱা বছৰবোৰত নাৰীৰ অধিকাৰ আৰু সমতা বিষয়ক সাংবিধানিক নিশ্চিতি থকাৰ আৰু বিভিন্ন নীতি তথা কাৰ্যসম্পাদনমূলক নিৰ্দেশনা গ্ৰহণ কৰাৰ পাছতো সমাজত কিয় এতিয়াও পিতৃতান্ত্ৰিক তথা নাৰীবিদ্বেষী মনোভাৱ অক্ষুণ্ণ আছে সেয়া গভীৰভাৱে অনুধাৱন কৰা। এনে মনোভাৱে নাৰীৰ স্বাধীনতা, কণ্ঠ আৰু মৰ্যাদা সীমাবদ্ধ কৰি ৰাখিছে।

### অগ্ৰগতি নিৰীক্ষণ

**প্ৰশ্ন নং ১২ ঃ** বন্দনা শিৱা কোন?

.....

**প্ৰশ্ন নং ১৩ ঃ** Agenda 2030 কি আৰু কোনে ইয়াক গ্ৰহণ কৰিছিল?

.....

**প্ৰশ্ন নং ১৪ ঃ** বহনক্ষম উন্নয়নৰ ৫নং লক্ষ্যই কি কয়?

.....

**প্ৰশ্ন নং ১৫ ঃ** কেতিয়া নীতি আয়োগ গঠন কৰা হৈছিল?

## ১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- নাৰীৰ পৰিৱেশৰ সৈতে এক ঘনিষ্ঠ সম্পৰ্ক আছে. প্ৰকৃতি মাতৃ আৰু নাৰী অভিন্নভাৱে পৰস্পৰৰ সৈতে সাঙোৰ খাই আছে। প্ৰকৃতি আৰু নাৰী উভয়েই পিতৃপ্ৰধান সমাজে চলোৱা দমনৰ উমৈহতীয়া ইতিহাস ভাগ-বাটোৱাৰা কৰে।
- পাৰিপাৰ্শ্ব-নাৰীবাদী (ecological feminists/ecofeminists) সকলৰ মতে সমাজে নাৰীৰ প্ৰতি প্ৰদৰ্শন কৰা আচৰণ, ভিন্ন ছালৰ লোক আৰু দুৰ্বল সামাজিক প্ৰস্থিতিৰ শ্ৰেণীৰ সৈতে অনা-মানৱীয় প্ৰকৃতিৰ প্ৰতি প্ৰদৰ্শন কৰা আচৰণৰ মাজত এটা গুৰুত্বপূৰ্ণ সংযোগ আছে।

- সমাজ, অৰ্থনীতি আৰু পৰিৱেশ হ'ল বহনক্ষম উন্নয়নৰ তিনিটা মূল স্তম্ভ। ইতিহাসৰ সকলো যুগতে ইয়াৰ প্ৰমাণ পোৱা যায় যে নাৰীসমাজে সমাজ আৰু অৰ্থনীতি দুয়োটাতে একোটা গুৰুত্বপূৰ্ণ উপাদান হিচাপে নিজ ভূমিকা পালন কৰি আহিছে। সেয়েহে বহনক্ষম উন্নয়নৰ কাৰ্যক্ৰমণিকাত নাৰীৰ সামাজিক প্ৰস্থিতি উন্নত কৰাৰ লক্ষ্য বান্ধি লোৱা হৈছে। এই দিশত বহুতো নীতি আৰু কাৰ্যক্ৰমণিকা ৰূপায়ণ কৰা হৈছে। ভাৰততো এনে বহু নীতি পূৰ্ণগতিত বলবৎ হৈ আছে যদিও নাৰীৰ অৱস্থাৰ বৰ বিশেষ পৰিৱৰ্তন ঘটা নাই। ইয়াৰ বাবে হয়তো দেশখনৰ নাৰী-পুৰুষ উভয়ৰে সজ্জাগত হৈ পৰা পিতৃতান্ত্ৰিক মনোভাৰকে জগৰীয়া কৰিব পৰা যায়।

## ১১.৭ অধিক জানিবলৈ

**ইংৰাজী গ্ৰন্থ ঃ**


1) Datar, C.2011 : Ecofeminism Revisited: Introduction to the Discourse. Jaipur. Rawat Publication.

2) Quinby, Lee (1990), " Ecofeminism and the Politics of Resistance," in *Reweaving the World*, ed. Diamond and Orenstein.


## ১১.৮ অগ্ৰগতি নিৰীক্ষণ

১। প্ৰকৃতি আৰু নাৰী উভয়েই পিতৃপ্ৰধান সমাজে চলোৱা দমনৰ উমৈহতীয়া ইতিহাস ভাগ-বাটোৱাৰা কৰে।

২। বিভিন্ন পৰিৱেশভিত্তিক অভিজ্ঞতাৰ পৃষ্ঠভূমিত নাৰীৰ বিশেষ প্ৰয়োজনীয়তাসমূহ বুজিব আৰু ইয়াৰ যথোপযুক্ত প্ৰতিকাৰমূলক কৌশল উদ্ভাৱন তথা প্ৰয়োগ কৰিব পৰা যাব।

৩। পৰামৰ্শ ভিত্তিক ৰাষ্ট্ৰীয় পৰিৱেশ নীতি প্ৰক্ৰিয়া

৪। ১৯৭২ চনত ষ্টকহোমত

৫। পাৰিপাৰ্শ্ব-নাৰীবাদী (ecological feminists/ecofeminists) সকলৰ মতে সমাজে নাৰীৰ প্ৰতি প্ৰদৰ্শন কৰা আচৰণ, ভিন্ন ছালৰ লোক আৰু দুৰ্বল সামাজিক প্ৰস্থিতিৰ শ্ৰেণীৰ সৈতে অনা-মানৱীয় প্ৰকৃতিৰ প্ৰতি প্ৰদৰ্শন কৰা আচৰণৰ মাজত এটা গুৰুত্বপূৰ্ণ সংযোগ আছে।

৬। পাৰিপাৰ্শ্ব-নাৰীবাদী দৰ্শনে প্ৰকৃতি (প্ৰকৃতিবাদ)ৰ আধিপত্য (যেনে- লিংগবাদ, জাতিবাদ, শ্ৰেণীবাদ, ভিন্নলৈঙ্গিকতাবাদ, বয়সবাদ, চেমাইটবাদ বিৰোধ ইত্যাদি)ৰ দৰে সামাজিক সমস্যাবোৰৰ পৰিচিত নাৰীবাদী ধৰণৰ সমালোচনা আগবঢ়ায়। পাৰিপাৰ্শ্ব-নাৰীবাদীসকলৰ মতে প্ৰকৃতি হ'ল এটা নাৰীবাদী সমস্যা। তেওঁলোকৰ যুক্তি অনুসৰি পৰিয়াল আৰু সমাজত নাৰীয়ে সহিবলগীয়া হোৱা দমন আৰু আনুগত্য তথা প্ৰকৃতিৰ অৱনতি ঘটাৰ এক উমৈহতীয়া ভেটি আছে। ধাৰণাগত দ্বিমূলতা আৰু আদৰ্শগত পদানুক্ৰমিকতাৰ মাজত প্ৰভেদ নিৰ্মাণৰ জৰিয়তে আধিপত্য আৰু শোষণ অব্যাহত ৰখা হয়। এনে দ্বিমূলতা আৰু পদানুক্ৰমিকতাই সমাজৰ উচ্চ স্থানত থকা শ্ৰেণীৰ লোকে নিম্ন স্থানত থকা শ্ৰেণীবোৰত খটুওৱা আধিপত্যৰ এক প্ৰণালীবদ্ধ যুক্তিযুক্ততা প্ৰদান কৰে। ভাৰতৰ এগৰাকী উল্লেখযোগ্য পাৰিপাৰ্শ্ব-নাৰীবাদী আন্দোলনকাৰী হ'ল বন্দনা শিৱা।

৭। ১৯৭৪ চনত উত্তৰ ভাৰতৰ ৰেনিত

৮। ড° ৰাংগাৰি মাথাইৰ

৯। বহনক্ষম উন্নয়ন মানে হ'ল ভৱিষ্যৎ প্ৰজন্মৰ প্ৰয়োজনীয়তা পূৰণৰ সামৰ্থৰ আপোচ নকৰাকৈ বৰ্তমান প্ৰজন্মই নিজৰ প্ৰয়োজনীয় উন্নয়ন সাধন কৰা কাৰ্য।

১০। ১৯৮০ ৰ দশকৰ শেষৰ ফালে 'বহনক্ষম উন্নয়ন' (substainable development) নামৰ অভিধাটোৱে জনপ্ৰিয়তা অৰ্জন কৰিছিল।

১১। সমাজ, অৰ্থনীতি আৰু পৰিৱেশ হ'ল বহনক্ষম উন্নয়নৰ তিনিটা মূল স্তম্ভ।

১২। ভাৰতৰ প্ৰখ্যাত পৰিৱেশবাদী নেত্ৰী

১৩। ২৫ ছেপ্তেম্বৰত ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে বহনক্ষম উন্নয়নৰ বাবে ২০৩০ বৰ্ষ পৰ্যন্ত এখন কাৰ্যক্ৰমণিকা গ্ৰহণ কৰিছে। ইয়াক আন্তঃৰাষ্ট্ৰীয় উন্নয়নৰ সৰ্বজন স্বীকৃত ৰূপৰেখা বুলি ধৰি লোৱা হৈছে।

২০৩০ চনৰ বহনক্ষম উন্নয়নৰ কাৰ্যক্ৰমণিকা (অথবা 'the 2030 Agenda' SDGs) ত মুঠ ১৭ টা বহনক্ষম উন্নয়ন লক্ষ্য (SDGs) আৰু ১৬৯ টা উদ্দেশ্য স্থিৰ কৰি লোৱা হৈছে।

১৪। বহনক্ষম উন্নয়ন লক্ষ্যৰ ৫ নং লক্ষ্যটোৱে সামাজিক লিংগৰ মাজত সমতা স্থাপন আৰু মহিলা তথা কন্যা সন্তানৰ সবলীকৰণৰ কথা কয়।

১৫। ২০১৪ চনত।

## ১১.৯ আৰ্হি প্ৰশ্ন

**(ক) চুটি প্ৰশ্ন** (প্ৰায় ১৫০ টা মান শব্দত উত্তৰ দিয়ক)

**প্ৰশ্ন ১ ঃ** পাৰিপাৰ্শ্ব- নাৰীবাদৰ শিপা ক'ত প্ৰোথিত হৈ আছে?

**প্ৰশ্ন ২ ঃ** বহনক্ষম উন্নয়নৰ সৈতে জড়িত দুটা প্ৰধান ধাৰণা কি?

**(খ) ৰচনা ধৰ্মী প্ৰশ্ন ঃ** (প্ৰায় ৩০০-৫০০ টা মান শব্দত উত্তৰ দিয়ক)

**প্ৰশ্ন ১ ঃ** 'দ্য গ্ৰীন বেল্ট মুভমেণ্ট'ৰ কাম-কাজ বহলাই বৰ্ণনা কৰক।

**প্ৰশ্ন ২ ঃ** ভাৰতৰ পৃষ্ঠভূমিত ইয়াৰ নাৰী সমাজত বহনক্ষম উন্নয়নৰ প্ৰভাৱ ব্যাখ্যা কৰক।

*** ***** ***

# অধ্যায় ১২ ঃ মহিলাৰ প্ৰতি হোৱা হিংসা

## অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ মহিলাৰ প্ৰতি হোৱা হিংসা
১২.৬.১ মহিলাৰ প্ৰতি হোৱা হিংসা নিয়ন্ত্ৰণৰ ব্যৱস্থাৱলী
১২.৪ বেশ্যাবৃত্তি
১২.৫ মানৱ সৱবৰাহ
১২.৫.১ মানৱ সৱবৰাহৰ কাৰণসমূহ
১২.৫.২ উত্তৰ- পূৱ ভাৰতত মানৱ সৱবৰাহ
১২.৬ যৌতুক প্ৰথা
১২.৮.১ যৌতুক সমস্যা সমাধানৰ উপায়
১২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৮ অধিক জানিবলৈ
১২.৯ অগ্ৰগতিৰ খতিয়ান
১২.১০ আৰ্হি প্ৰশ্ন

## ১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- মহিলাৰ বিৰুদ্ধে হোৱা অত্যাচাৰ বা হিংসাৰ কাৰণসমূহ আলোচনা কৰিব পাৰিব
- বেশ্যাবৃত্তি আৰু যৌতুক প্ৰথাৰ কাৰণ ব্যাখ্যা কৰিব পাৰিব

## ১২.২ পৰিচয়

আমাৰ সমাজত হিংসা এক ডাঙৰ সমস্যা। অতীতৰে পৰা ভাৰতবৰ্ষত বিভিন্ন ধৰণৰ হিংসা সংঘটিত হৈ আহিছে। পৰিৱৰ্তিত সমাজ ব্যৱস্থাৰ লগে লগে ইয়াৰ ধাৰণা, কাৰণ- প্ৰকৃতিৰো পৰিৱৰ্তন হোৱা দেখা যায়। তদুপৰি ইয়াক বোধ কৰা তথা বাধা প্ৰদানৰ ক্ষেত্ৰত আইন আৰু অন্যান্য ব্যৱস্থাৱলীও পৰিৱৰ্তন হৈ আহিছে। আজি কিছু বছৰৰ পৰা কেৱল ভাৰতবৰ্ষতেই নহয়, সমগ্ৰ বিশ্বতে বিভিন্ন ধৰণৰ হিংসাৰ সংখ্যা উল্লেখনীয়ভাবে বৃদ্ধি পাবলৈ ধৰিছে। ড° এন,ভি, পৰাঞ্জপে (Dr. N.V. Paranjape) - ৰ মতে আধুনিকীকৰণ, ঔদ্যোগীকৰণ, নগৰীকৰণ, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নতিকৰণ তথা বস্তুবাদৰ আবিৰ্ভাৱে সমাজত হিংসাৰ হাৰ বৃদ্ধিকৰণৰ মূল কাৰণ। অৰ্থনৈতিক ক্ষেত্ৰৰ উন্নতি সাধন হোৱাৰ লগে লগে মানুহবোৰ সম্পত্তি আহৰণ আৰু বিলাসিতাপূৰ্ণ জীৱনৰ প্ৰতি বেছি আকৰ্ষিত হ'বলৈ ধৰিছে, কিন্তু এনে এক জীৱন সজ পথেৰে আহৰণ কৰাটো সকলোৰে বাবে সহজসাধ্য নহয়। এনে এক জীৱন লাভ কৰিবৰ বাবে বহুত লোকে আইনক অৱমাননা কৰি যিকোনো পথ গ্ৰহণ কৰে আৰু এই বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উদ্ভাৱনে এই দিশত বেছি সহায় আগবঢ়াই আহিছে। এতিয়া, এই অধ্যায়টিত আমি মহিলাৰ প্ৰতি হোৱা হিংসাৰ বিষয়ে আলোচনা কৰিম।

## ১২.৩ মহিলাৰ প্ৰতি হোৱা হিংসা বা অত্যাচাৰ (VIOLENCE AGAINST WOMEN)

অতীজৰেপৰা ভাৰতীয় সমাজত মহিলা শ্ৰেণী বিভিন্ন ধৰণৰ হিংসা বা অত্যাচাৰ দ্বাৰা শোষিত হৈ আহিছে। শিক্ষাৰ উন্নতিৰ লগতে মহিলাসকল লাহে লাহে অৰ্থনৈতিকভাবে সবল হৈ পৰা তথা মহিলাৰ ক্ষেত্ৰত বিভিন্ন ধৰণৰ আইন ব্যৱস্থাও প্ৰণয়ন কৰা হৈছে যদিও বহুতো মহিলা এতিয়াও বিভিন্ন ধৰণৰ হিংসাৰ বলী হৈ থকা দেখা যায়।

মহিলাৰ বিৰুদ্ধে হোৱা যিকোনো ধৰণৰ কার্যকে মহিলাৰ প্ৰতি হিংসা বা অত্যাচৰ বুলি অভিহিত কৰা হয়। কেম্প (Kempe ,1982)- এ হিংসাৰ সংজ্ঞা দিবলৈ গৈ কৈছে যে '*কোনো ব্যক্তিক শাৰীৰিকভাবে আঘাত কৰাৰ ফলত হোৱা ক্ষতি বা দুখ- কষ্টই হ'ল হিংসা*'। ব্যৱহাৰিক অৰ্থত '*হিংসা বুলিলে কোনো ব্যক্তিক (মহিলাক) তেওঁৰ অনিচ্ছা সত্ত্বেও বলপূৰ্বক ব্যৱহাৰ কৰা; যাৰ ফলস্বৰূপে তেওঁ শাৰীৰিক, মানসিক অথবা দুই ধৰণে আঘাতপ্ৰাপ্ত হয়*'। গতিকে, ধৰ্ষণ, পত্নীক মাৰধৰ কৰা, যৌন আতিশয্য **'ইভ টিজিং'**, বলপূৰ্বকভাবে বেশ্যাবৃত্তিত নিয়োগ কৰা, মহিলাৰ প্ৰজনন অঙ্গচ্ছেদ কৰা বা বিকলাঙ্গ কৰা, বলপূৰ্বকভাৱে বিবাহ পাশত আবদ্ধকৰণ, অপহৰণ, হত্যা আদি মহিলাৰ বিৰুদ্ধে হোৱা হিংসা।

১৯৯৩ চনত ৰাষ্ট্ৰ সংঘই মহিলাৰ বিৰুদ্ধে হোৱা হিংসাৰ সংজ্ঞা এনেদৰে আগবঢ়াইছে যে লিঙ্গ ভিত্তিক কোনো কার্যৰ ফলত হোৱা মহিলাসকলৰ শাৰীৰিক, যৌন, মানসিক ক্ষতি তথা তেওঁলোকৰ ভীতিগ্ৰস্ততা আৰু স্বাধীনতাৰ পৰা বঞ্চিত। এই বিলাক ব্যক্তিগত জীৱনত নাইবা সামূহিক জীৱনতো হ'ব পাৰে।

চতুৰ্থ মহিলা সমাবৰ্তন ১৯৯৫ অনুযায়ী মহিলাৰ প্ৰতি হোৱা হিংসা হ'ল এজন ব্যক্তি বা এটা গোটৰ আনটো গোট বা ব্যক্তিৰ বিৰুদ্ধে হোৱা আক্ৰমণাত্মক শাৰীৰিক কার্য। সামাজিক লিঙ্গ ভিত্তিক কোনো হিংসা, যাৰ ফলত শাৰীৰিক, যৌন সম্পৰ্কীয় বা ব্যক্তিগত বা ৰাজহুৱা স্থানত স্বাধীনতাৰ পৰা বঞ্চিত আৰু সশস্ত্ৰ যুদ্ধকালীন অৱস্থাত মহিলাৰ মানৱ অধিকাৰ খৰ্ব হোৱা অৱস্থাক মহিলাৰ প্ৰতি হিংসা বুলি ক'ব পাৰি।

### জানি থোৱা ভাল

- ৰাষ্ট্ৰসংঘৰ আনুমানিক হিচাপ মতে, জনসংখ্যাৰ হিচাপত ২০০ নিযুত মহিলা আৰু ছোৱালী নিৰুদ্দেশ হৈ আছে।
- ইউনিছেফৰ মতে সমগ্ৰ পৃথিৱীত ১০০ ৰ পৰা ১০০ নিযুত মহিলাৰ প্ৰজনন অঙ্গ ঘৃণীয়া হৈ আহিছে।
- স্বামী-স্ত্ৰীৰ মাজত হোৱা হিংসাত্মক ঘটনাৰ হাৰ ভাৰতবৰ্ষত গড়ে ৩৭ শতাংশ আৰু আনহাতে অসমত ইয়াৰ পৰিমাণ ৪০ শতাংশ।

মহিলাৰ প্ৰতি হোৱা হিংসাক তলত দিয়া ধৰণে বিভক্ত কৰিব পাৰি -

- ***ঘৰুৱা হিংসাঃ*** পৰিয়ালৰ মাজত হোৱা শাৰীৰিক, যৌন সম্বন্ধীয় আৰু মানসিক অত্যাচাৰেই হ'ল ঘৰুৱা হিংসা। মহিলাক মাৰধৰ কৰা,যৌতুকসম্বন্ধীয় হিংসা, যৌন আতিশৰ্য, বৈবাহিক ধৰ্ষণ, মহিলাৰ প্ৰজনন অঙ্গচ্ছেদ ইত্যাদি সমূহে ইয়াৰ অন্তৰ্গত।
- ***সামাজিক হিংসাঃ*** সামাজিক হিংসা হ'ল সমাজত মহিলাৰ প্ৰতি হোৱা শাৰীৰিক, যৌন আৰু মানসিক হিংসা, ধৰ্ষণ, যৌন আতিশৰ্য বা যৌন উৎপীড়ন, কৰ্মস্থান , শিক্ষানুষ্ঠান আৰু আন যিকোনো ঠাইত পুৰুষৰ দ্বাৰা ভীতি প্ৰদৰ্শন, মহিলা সৰবৰাহ, বেশ্যাবৃত্তি কৰিবলৈ বাধ্য কৰোৱা, অশালীন ব্যৱহাৰ ইত্যাদি সমূহে সামাজিক হিংসাৱলীৰ অন্তৰ্গত।

- *অপৰাধজনিত হিংসাঃ* দেশৰ আইনক অৱমাননা কৰি মহিলাৰ প্ৰতি হোৱা যিকোনো অত্যাচাৰকে অপৰাধজনিত হিংসা বা অত্যাচাৰ বুলি আখ্যা দিয়া হয়। এইবোৰ পূৰ্বপৰিকল্পিত হিংসাত্মক ঘটনা যেনে- হত্যা কৰা, পলুৱাই নিয়া ইত্যাদি।

১৯৯০ চনৰ পৰা ভাৰতবৰ্ষত মহিলাৰ প্ৰতি হোৱা হিংসাত্মক ঘটনাৱলীৰ বিশেষকৈ ঘৰুৱা হিংসা বৃদ্ধি পাবলৈ ধৰিছে। ঘৰুৱা হিংসাত্মক ঘটনা সমাজৰ প্ৰায় সকলো আৰ্থ-সামাজিক গোটৰ মাজতে দেখা যায়। বহুতো সমাজত, মহিলাক এনে ধৰণৰ ঘটনাৱলী সহজভাৱে গ্ৰহণ কৰিবলৈ তথা মৌন হৈ থাকিবলৈ সামাজিক ভাবে শিকোৱা হয়। ১৯৮৩ চনত ভাৰত চৰকাৰে ঘৰুৱা হিংসাক এক অপৰাধ হিচাপে গণ্য কৰে যদিও ইয়াৰ বাবে কোনো ধৰণৰ বিশেষ আইন ব্যৱস্থা নাছিল। ২০০৬ চনত '*ঘৰুৱা হিংসাৰ পৰা মহিলাক সুৰক্ষা প্ৰদান আইন ২০০৫*' (Protection of Women from Domestic Violence Act 2005)সংশোধন কৰা হয়। মহিলাৰ বৈবাহিক ধৰ্ষণৰ নিষেধাজ্ঞা তথা মানসিক বা আবেগিক আৰু শাৰীৰিক শোষণৰ বলী হোৱা মহিলাক তেওঁৰ স্বামীৰ বা সঙ্গীৰ পৰা সুৰক্ষা প্ৰদান তথা লালন পালনৰ নিৰ্দেশ জাৰি কৰা এই আইনখনৰ অন্তৰ্গত।

## ১২.৩.১মহিলাৰ প্ৰতি হোৱা হিংসা নিয়ন্ত্ৰণৰ উপায় বা ব্যৱস্থাৱলী (Controlling Measures for Violence Against Women)

সমাজত মহিলা সকলৰ উন্নতিৰ জৰিয়তেহে সমাজখনৰ উন্নতি সাধন হয়। ইয়াৰ বাবে মহিলাৰ প্ৰতি এক সমান দৃষ্টি ভঙ্গীৰ অতি প্ৰয়োজন। সেয়েহে মহিলাৰ বিৰুদ্ধে হোৱা হিংসাত্মক ঘটনাৱলী নিয়ন্ত্ৰণ কৰা উচিত আৰু ইয়াৰ বাবে প্ৰয়োজনীয় ব্যৱস্থাৱলী তলত উল্লেখ কৰা হ'ল-

- সমাজৰ বিভিন্ন শ্ৰেণীৰ মাজত নৈতিক শিক্ষাৰ প্ৰচলনৰ দ্বাৰা মহিলাৰ প্ৰতি হোৱা অত্যাচাৰসমূহ হ্ৰাস কৰিব পৰা যায়। এই শিক্ষা প্ৰথমে স্কুল পৰ্যায়ৰ পৰা আৰম্ভ কৰিব পাৰি। ই মহিলাৰ প্ৰতি দৃষ্টিভঙ্গী সলনি হোৱাত সহায় কৰিব।
- সামাজিকীকৰণ প্ৰক্ৰিয়া সকলো ব্যক্তিৰ বাবে অতি প্ৰয়োজনীয়। গতিকে, এই প্ৰক্ৰিয়াৰ দ্বাৰা কিছুমান সমাজিক মূল্যবোধৰ জ্ঞান দিব পাৰি যেনে সমাজৰ আন পুৰুষ শ্ৰেণীৰ দৰে মহিলাসকলো সকলো ক্ষেত্ৰতে সমান আৰু সন্মানীয়। সেয়েহে শিশু সামাজিকীকৰণ প্ৰক্ৰিয়াৰ প্ৰাথমিক পৰ্যায়তে পুৰুষ মহিলা উভয়ে যে সকলো ক্ষেত্ৰতে সমান তাৰ ওপৰত গুৰুত্ব দিব লাগে।
- উভয় পক্ষক নিয়মিতভাবে মুকলিকৈ কথা বাৰ্তা পতাত উৎসাহ যোগালে আনটো শ্ৰেণীৰ প্ৰতি থকা অনুসন্ধিৎসু ভাব প্ৰাক্ শৈশৱ কালৰ পৰাই আঁতৰ হয়।
- আত্মৰক্ষাৰ বাবে জুদু, কুং ফু, টাইকানডো আদি শিকিবলৈ উৎসাহিত কৰিব লাগে।
- ধৰ্ষণ তথা আন অত্যাচাৰ সৈতে জড়িত অপৰাধীক কঠোৰভাৱে শাস্তি প্ৰদান কৰিব লাগে। তেনে ধৰণৰ শাস্তি প্ৰদানৰ উদাহৰণ বাতৰি কাকত আৰু জনসংযোগৰ আন মাধ্যমৰ জৰিয়তে বহলভাৱে প্ৰকাশ কৰিব লাগে যাতে ইয়াৰ পৰা আন পাষণ্ড ৰূপী ব্যক্তিসমূহো ভিত্তিগ্ৰস্ত হয়।

মহিলাৰ বিৰুদ্ধে হোৱা বিভিন্ন ধৰণৰ হিংসা তথা অত্যাচাৰ প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত বহুতো আইন ব্যৱস্থা গ্ৰহণ কৰা হৈছে। কন্যা শিশু হত্যা ৰোধ কৰাৰ অৰ্থে আইনে মাতৃগৰ্ভস্থ ভ্ৰূণ চিনাক্তকৰণত বাধা নিষেধ আৰোপ কৰিছে। কেৱল গৰ্ভাৱস্থাত দেখা দিয়া কোনো অস্বাভাৱিক অৱস্থা নিৰ্ণয়ৰ কাৰণেহে ইয়াক ব্যৱহাৰ কৰিব পাৰি। লিঙ্গ নিৰ্ণয় কৰাটো আইন মতে দণ্ডনীয়। তদুপৰি, ধৰ্ষণ আৰু আন আন হিংসাৰ সৈতে জড়িত ব্যক্তিক আইনে বিভিন্ন ধৰণে শাস্তি-প্ৰদান কৰি আহিছে। কিন্তু, এনে ধৰণৰ অপৰাধ সম্পূৰ্ণৰূপে নিঃশেষ কৰিবলৈ মহিলাৰ প্ৰতি মানুহৰ দৃষ্টিভঙ্গী সলনি হোৱাটো অতি প্ৰয়োজনীয়।

### অগ্ৰগতি নিৰীক্ষণ

**প্ৰশ্ন নং ১ ঃ** মহিলাৰ ওপৰত হোৱা তিনি ধৰণৰ অত্যাচাৰ কি কি?

.....

## ১২.৪ বেশ্যাবৃত্তি (PROSTITUTION)

অতীজৰে পৰা প্ৰায় সকলো সমাজৰ বাবে বেশ্যাবৃত্তি এক সমস্যা ৰূপে দেখা দি আহিছে। বেশ্যাবৃত্তিৰ সম্বন্ধে সংজ্ঞা আগবঢ়োৱাটো অতি কঠিন। *জন, এ, মেকিঅনিচ* (John A. Macionis) ৰ মতে '*যৌন সেৱা বা যৌন কাৰ্য বিক্ৰী কৰাই হ'ল বেশ্যাবৃত্তি*'। কিন্তু এই সংজ্ঞাটিৰ দৃষ্টিভঙ্গী অতি বহল। বেশ্যাবৃত্তিৰ সংজ্ঞাৰ সৈতে তিনি ধৰণৰ নিৰ্ণায়ক সাঙুৰ খাই আছে আৰু সেইকেইটা হ'ল- ব্যভিচাৰ, অৰ্থৰ বিনিময় আৰু উভয় সঙ্গীৰ মাজত আবেগৰ উদাসীনতা। *মেৰিয়ান ৱেবষ্টাৰ* (Merian Webster)- ৰ আইন সম্বন্ধীয় অভিধান অনুসৰি,বেশ্যাবৃত্তি মানে হ'ল '*বিশেষভাবে ধনৰ বিনিময়ত কৰা যৌন কাৰ্য বা যৌন সম্পৰ্ক আৰু ইয়াৰ সৈতে অপৰাধজনিত ঘটনা জড়িত হৈ থাকে*' (১৯৯৬)।

*ইলিয়ট আৰু মেৰিল* (Elliot and Merrill) - ৰ মতে বেশ্যাবৃত্তি হ'ল '*ধনৰ বিনিময় আৰু ব্যভিচাৰৰ ভিত্তিত বহুত লোকৰ সৈতে স্থাপন কৰা এক নিষিদ্ধ যৌন সংগম আৰু এই কাৰ্যত আবেগৰ উদাসীনতা জড়িত হৈ থাকে*'।

ভাৰতীয় দণ্ডবিধি আইন ১৮৬০ ৰ ৩৭২ ধাৰা অনুসৰি '*এগৰাকী মহিলাই ধন বা কোনো বস্তুৰ বিনিময়ত বহুত লোকৰ সৈতে যৌন সংগমৰ কাৰণে ধাৰলৈ নিজৰ শৰীৰ অৰ্পণ কৰা কাৰ্যই হ'ল বেশ্যাবৃত্তি*।' সাধাৰণ অৰ্থত বেশ্যাবৃত্তি হ'ল নিজস্বতাক বিক্ৰীৰ বাবে প্ৰস্তুত কৰা অথবা নিজৰ সামৰ্থ অনুসৰি কোনো গুৰুত্বহীন কামৰ কাৰণে নিজক অৰ্পন কৰা।

গতিকে বেশ্যাবৃত্তি হ'ল এক সেৱা, য'ত ধনৰ বিনিময়ত যৌন কাৰ্য কৰা হয় আৰু যিবোৰ লোক এই সেৱাৰ সৈতে জড়িত হৈ থাকে তেওঁলোকক বেশ্যা বুলি কোৱা হয়। 'ৰাজহুৱা বেশ্যা' হ'ল যিবোৰ মহিলাই পেছা অনুসৰি এই বৃত্তি গ্ৰহণ কৰে আৰু তেওঁলোকে বিক্ৰীৰ বাবে নিজৰ শৰীৰ সকলোধৰণৰ অথবা এক বিশেষ শ্ৰেণীৰ গ্ৰাহকক ভাড়াত দিয়ে। ই এক অপৰাধ কিয়নো কেতবোৰ সমাজিক সমস্যা বা অৱস্থাৰ বাবে বেশ্যাবৃত্তি গ্ৰহণ কৰে, যিবোৰ অৱস্থা তেওঁৰ নিয়ন্ত্ৰণৰ বাহিৰত। তদুপৰি এনে ধৰণৰ কাৰ্যৰ ফলত সমাজৰ নীতি নিয়ম তথা মূল্যবোধৰ স্খলন হয়।

বেশ্যাবৃত্তিৰ আইনগত মৰ্যাদা ভিন্ন ৰাষ্ট্ৰত ভিন্ন ধৰণৰ দেখা যায়। কিছুমানত মৃত্যুৰ দৰে শাস্তি প্ৰদান কৰাৰ লগতে আন কিছুমান ৰাষ্ট্ৰত এনে বৃত্তি সম্পূৰ্ণ আইনসন্মত। ভালেসংখ্যক দেশত প্ৰাপ্তবয়স্কৰ মাজত এই বৃত্তি আইনসন্মত। কিন্তু, ভাৰতবৰ্ষ, আজিণ্টিনা, ইছলাম ধৰ্মীয় দেশ তথা কমিউনিষ্ট দেশত বেশ্যাবৃত্তি আইনৰ দ্বাৰা নিষিদ্ধ।

নিম্ন উল্লিখিত ব্যৱস্থাৱলীৰ সহায়ত এই সমস্য প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণ কৰিব পৰা যায়-

- বিভিন্ন লোকক বিশেষকৈ মহিলাসকলক কৰ্ম সংস্থাপনৰ সা- সুবিধা প্ৰদানৰ দ্বাৰা এই সমস্যা নিয়ন্ত্ৰণ কৰিব পাৰি। ইয়ে তেওঁলোক অৰ্থনৈতিক ভাবে আত্মনিৰ্ভৰশীল হোৱাত সহায় কৰিব।
- সমাজৰ পৰা কুপ্ৰথাৰ প্ৰচলন বন্ধ কৰিব লাগে যিবোৰে বেশ্যাবৃত্তিৰ দৰে সমস্যা গঢ় লৈ উঠাত সহায় আগবঢ়াই।
- যৌন সম্বন্ধীয় অশ্লীল ভিডিঅ', অশ্লীল চিত্ৰ বা শিল্প, বা আন বস্তুৰ প্ৰচলন বন্ধ কৰি দিব লাগে।

- সকলোৱে পৰিয়ালৰ মাজত এক সুস্থ পৰিবেশ গঢ়ি তুলিবলৈ চেষ্টা কৰিব লাগে।

## জানি থোৱা ভাল

- প্ৰাচীন গ্ৰীক সমাজত পুৰুষ মহিলা উভয়ে এই বৃত্তিৰ সৈতে জড়িত হৈ আছিল।পুৰুষ বেশ্যাসকলক মেল এচকৰ্ট, হাচলাৰ আৰু জিগলো বুলি কৈছিল।
- ভাৰতবৰ্ষত মোগল সাম্ৰাজ্যৰ সময়ত বেশ্যাসকলক 'তায়াইফ' বুলি আখ্যা দিছিল। এই সকল মহিলাই মোগলৰ মেহফিলত অতিথিৰ সন্মুখত নৃত্য- গীত পৰিবেশন কৰি আমোদ দিব লাগিছিল। ইয়াত যৌন সংগমৰ দৰে কাৰ্য কেতিয়াবাহে কৰা হৈছিল।
- বৰ্তমান ভাৰবৰ্ষত প্ৰায় ১৫ নিযুত বেশ্যা আছে।

## ১২.৫ মানৱ সৰবৰাহ ( HUMAN TRAFFICKING)

অক্সফৰ্ড ইংৰাজী অভিধান মতে, বস্তুৰ বেআইনীভাবে বাণিজ্য বা বিক্ৰী কৰাই হ'ল সৰবৰাহ ; আৰু মানৱ সৰবৰাহৰ ক্ষেত্ৰত 'বস্তু' মানে হ'ল মহিলা আৰু শিশু। মানৱ সৰবৰাহ পৃথিৱীৰ এক আটাইতকৈ ডাঙৰ অপৰাধ। সাধাৰণতে মহিলা আৰু ছোৱালী বা যুৱতীক বিভিন্ন কাৰণত সৰবৰাহ কৰা হয় যেনে, ব্যৱসায়িক ভিত্তিত যৌন সম্পৰ্ক, বলপূৰ্বকভাবে বিবাহত আবদ্ধ কৰোৱা বিশেষকৈ সেইবোৰ ঠাইত য'ত লিঙ্গ অনুপাতৰ ক্ষেত্ৰত অসামঞ্জস্যতা দেখা যায় অৰ্থাৎ মহিলা আৰু পুৰুষৰ অনুপাত বা হাৰ সমান নহয়। মহিলাৰ দৰে শিশুসকলকো বিভিন্ন কাৰণত সৰবৰাহ কৰা হয় যেনে উদ্যোগসমূহত শ্ৰমিক হিচাপে নিযুক্ত কৰিবলৈ, আনৰ ঘৰত লগুৱা হিচাপে, ভিক্ষা খুজিবলৈ তথা খেতি পথাৰত কাম কৰিবলৈ। তেওঁলোকৰ কিছুমানক উগ্ৰপন্থী হিচাপে বিদ্ৰোহী সংগঠনে ব্যৱহাৰ কৰা দেখা যায়।

সৰবৰাহৰ শব্দটোৰ সম্পৰ্কে বিভিন্নজনে বিভিন্ন ধৰণৰ সংজ্ঞা আগবঢ়াইছে। মানৱ অধিকাৰৰ সংযুক্ত ৰাষ্ট্ৰ আয়োগ ( United Nations Commission, 2000)-ৰ মতে, '*ব্যক্তিৰ সৰবৰাহ মানে কোনো ব্যক্তিক ভয় দেখুৱাই , পলুৱাই , প্ৰতাৰণা বা শক্তি প্ৰদৰ্শন কৰি, বলপূৰ্বক ভাবে টকাৰ বিনিময়ত বা টকা নোহোৱাকৈ শ্ৰমিক বা লগুৱা হিচাপে, আন এক সমাজলৈ প্ৰেৰণ কৰা, নিযুক্তি দিয়াকে বুজিব পাৰি*'।

দ্য চাউথ এছিয়ান এছছিয়েছন ফৰ ৰিজিয়নেল কপাৰেশ্বন ( The South Asian Association for Regional Cooperation, SAARC)-ত্ৰ আগবঢ়োৱা সংজ্ঞা অনুসৰি '*নিজৰ দেশৰ ভিতৰত বা দেশৰ বাহিৰত টকাৰ বিনিময়ত অথবা আন বস্তুৰ বিনিময়ত মহিলা আৰু শিশুক বেশ্যাবৃত্তিৰ বাবে ব্যক্তিৰ সন্মতি অবিহনে বা সন্মতিসহ এঠাইৰ পৰা আন ঠাইলৈ পঠিওৱা, কিনা বাবেচা কাৰ্যকে সৰবৰাহ বুজো*'।

বৰ্তমানলৈ কোন মহিলা কোন ঠাইলে সৰবৰাহ কৰা হৈছে সেই সম্পৰ্কে কোনো ধৰণৰ গ্ৰহণযোগ্য তথ্য পোৱা নাযায়।

### ১২.৫.১ মানৱ সৰবৰাহৰ কাৰণসমূহ (Reasons or Causes of Trafficking)

মানৱ সৰবৰাহৰ মূল কাৰণসমূহ হ'ল-

- অৰ্থনৈতিক ভাবে বঞ্চিত বা অৰ্থনৈতিক দুৰৱস্থা মানৱ সৰবৰাহৰ এক অন্যতম কাৰণ। দৰিদ্ৰতাৰ বাবেই বহুতো অভিভাৱকে তেওঁলোকৰ সন্তানক কিছু টকাৰ বিনিময়ত কিছুমান অপৰাধী দলৰ হাতত বিক্ৰী কৰি দিয়ে। তেওঁলোকৰ দৰিদ্ৰতাই এনে ধৰণৰ কাম কৰিবলৈ বাধ্য কৰায়।
- নিয়োগৰ অভাৱৰ ফলত বহুতো যুৱতী ভুৱা সংস্থাৰ দ্বাৰা বিপথে পৰিচালিত হয়।

- মানুহৰ মাজত সজাগতাৰ অভাৱ আৰু নিৰক্ষৰতাও ইয়াৰ মূল কাৰণ।
- ভাৰতৰ কিছুমান ঠাইত যেনে হাৰিয়ানা, পাঞ্জাৱ আৰু ৰাজস্থান আদিত বিবাহৰ বাবে ছোৱালীৰ চাহিদা বেছি হোৱা বাবেও যুৱতীৰ সৰবৰাহ হয়।
- চহৰসমূহত ঘৰুৱা বনকৰা মানুহৰ প্ৰয়োজন হয় আৰু এইটোও মানৱ সৰবৰাহত উল্লেখযোগ্য অৱদান আগবঢ়াই।
- কিছুমান সামাজিক ব্যাধি যেনে যৌতুক প্ৰথা, ছোৱালীৰ প্ৰতি নিম্নমানৰ দৃষ্টিভঙ্গী, বাল্য বিবাহ,বেশ্যাবৃত্তি, ইত্যাদিও মানৱ সৰবৰাহৰ অন্যতম কাৰণ।
- পুলিচ প্ৰশাসন তথা আইন বলৱৎ কৰা অনুষ্ঠানসমূহৰ সুপ্ৰয়োগৰ অভাৱ।

## ১২.৫.২ উত্তৰ পূৱ ভাৰতত মানৱ সৰবৰাহ (Human Trafficking in North-East India)

মানৱ সৰবৰাহ উত্তৰ পূৱ অঞ্চলৰ ৰাজ্যসমূহৰ বাবে এক প্ৰধান সমস্যা ৰূপে দেখা দিছে। এই অঞ্চলসমূহৰ মহিলাক দিল্লী আৰু মুম্বাই চহৰত তথা পশ্চিম বঙ্গ, গোৱা, কেৰালা আৰু সীমান্তৱৰ্তী এলেকাৰ বজাৰত বিক্ৰী কৰা হয়। 'বচপন বচাও আন্দোলন' (Bachpan Bacao Andolan) গুৰি ধৰোতা কৈলাশ চত্যার্থীয়ে কৈছে যে উত্তৰ পূবৰ অসম আৰু আন ৰাজ্যসমূহৰ ল'ৰা-ছোৱালীক দিল্লী, মুম্বাই, তামিলনাড়ু আৰু আন আন স্থানলৈ সৰবৰাহ কৰা হয়। এই ক্ষেত্ৰত লক্ষীমপুৰ, কোকৰাঝাৰ, ওডালগুড়িৰ চাহ বাগানৰ লোক, শোণিতপুৰ, বঙ্গাইগাওঁ আৰু নামনি অসমৰ পিছপৰা অঞ্চলৰ বহুতো লোক সুসংগঠিত দুষ্কাৰ্যকাৰী দলৰ দ্বাৰা এনে সৰবৰাহৰ সৈতে জড়িত হৈ আছে। এই সৰবৰাহকাৰীসকলক সংস্থাপন প্ৰতিষ্ঠানৰ পৰা প্ৰত্যেক গৰাকী ছোৱালীৰ বিনিময়ত ১৫,০০০ - ২০,০০০ টকা দিয়ে আৰু সংস্থাপন প্ৰতিষ্ঠানসমূহে ছোৱালীবোৰক আনৰ ঘৰত বনকৰা ছোৱালী হিচাপে ৰাখিবলৈ প্ৰত্যেক ঘৰৰ পৰা ২৫,০০০ - ৩০,০০০ টকা লয়। এইদৰে, অসমৰ বহুতো ছোৱালী, মহিলা তথা শিশু বিভিন্ন অঞ্চললৈ সৰবৰাহ কৰা হৈছে।

এই অঞ্চলত মানৱ সৰবৰাহৰ মূল কাৰণসমূহ হ'ল- চাহ বাগানৰ লোকৰ সৈতে ঘনিষ্ঠতা আৰু জীৱন নিৰ্বাহৰ বাবে উপায় হেৰোৱা, দৰিদ্ৰতা, প্ৰাকৃতিক দুৰ্যোগ, ভূৱা সংস্থাপন প্ৰতিষ্ঠান, সজাগতাৰ অভাৱ আৰু নিৰক্ষৰতা, চহৰসমূহত ঘৰুৱা কাম-কাজৰ বাবে থকা লগুৱাৰ চাহিদা, আৰক্ষী প্ৰশাসনৰ দুখজনক কাৰ্যাৱলী, বিভিন্ন অঞ্চলৰ পৰা বিবাহৰ বাবে ছোৱালী প্ৰতি থকা চাহিদা, যৌতুক প্ৰথাৰ দৰে কিছুমান সামাজিক ব্যাধি, ইত্যাদি।

অসমত ১৪ টা মানৱ সৰবৰাহ প্ৰতিৰোধকৰণ কেন্দ্ৰ আছে আৰু এইবোৰে সৰবৰাহ ৰোধ কৰাৰ ক্ষেত্ৰত উল্লেখনীয় ভূমিকা পালন কৰে। বিভিন্ন সময়ত ইয়াৰ দ্বাৰা হাৰিয়ানা আদিৰ পৰা এই অঞ্চলৰ ছোৱালী উদ্ধাৰ কৰি আহিছে। এই অঞ্চলৰ মানৱ অধিকাৰ খৰ্ব হোৱাক ৰোধ কৰিবলৈ মানৱ অধিকাৰ আইন ১৯৯৩-ৰ অধীনত ১৯৯৬ চনৰ ১৯ মাৰ্চত অসম মানৱ অধিকাৰ আয়োগ স্থাপন কৰা হয়। এই ক্ষেত্ৰত গল্ড (GOLD, Global Organisation for Life Development) নামৰ বেচৰকাৰী সংস্থাটোৱে সৰবৰাহত বন্দী হোৱা ব্যক্তিক উদ্ধাৰ তথা তেওঁলোকক পুনৰ সংস্থাপনৰ ক্ষেত্ৰত আগ ভাগ লৈ আহিছে। এইদৰে বিভিন্ন উপায় বা ব্যৱস্থাৰ দ্বাৰা মানৱ সৰবৰাহ ৰোধ কৰিবলৈ চেষ্টা কৰা হৈছে যদিও বৰ্তমানেও এই অঞ্চলৰ পৰা বহুতো ছোৱালী আৰু মহিলা আন আন অঞ্চললৈ সৰবৰাহ হৈ থকা দেখা যায়। সেয়েহে, এনে অপৰাধ প্ৰতিৰোধকৰণৰ ক্ষেত্ৰত চৰকাৰ আৰু বেচৰকাৰী সংস্থাসমূহে অধিক কটকটীয়া প্ৰচেষ্টা হাতত লোৱাৰ প্ৰয়োজনীয়তা আহি পৰিছে।

### অগ্ৰগতি নিৰীক্ষণ

**প্ৰশ্ন নং ২ ঃ** মানৱ সৱবৰাহ ৰোধকৰণৰ কাৰণে বিশেষ ভাবে গ্ৰহণ কৰা একমাত্ৰ আইনখন কি ?

.....

.....

## ১২.৬ যৌতুক প্ৰথা (DOWRY)

যৌতুক প্ৰথা হিন্দু বিবাহৰ সৈতে জড়িত এক প্ৰচলিত প্ৰথা তথা সমস্যা। সাধাৰণতে, বিবাহৰ সময়ত ছোৱালীৰ লগত টকা, গহনা বা আন কোনো বস্তু দিয়াকে যৌতুক হিচাপে গণ্য কৰা হয়। ই ভাৰতীয় পৰম্পৰাৰ এটা পুৰণি প্ৰথা। ভাৰতবৰ্ষৰ প্ৰাচীন হিন্দু আইন মতে উত্তৰাধিকাৰ সুত্ৰে পৰিয়ালৰ সম্পত্তি কেৱল ল'ৰা সন্তানেহে পায়। গতিকে, অভিভাৱকে কন্যাৰ বিবাহৰ সময়ত সাম্ভাব্য পৰিমাণৰ বস্তু দিবলৈ চেষ্টা কৰে। কেতিয়াবা এই ক্ষেত্ৰত শাহু শহুৰে অধিক লোভত পৰি বেছি বস্তুৰ দাবী জনাই তথা দাবী পূৰণ নহ'লে স্বামী আৰু পৰিয়ালৰ সদস্যই লগ হৈ ছোৱালীজনীক অত্যাচাৰ কৰা দেখা যায়। বহু সময়ত এনে ধৰণৰ অত্যাচাৰৰ ফলত মহিলা গৰাকী মৃত্যু মুখত পৰে অথবা পৰিস্থিতিৰ ওচৰত বাধ্য হৈ আত্মহত্যাৰ দৰে পথ বাচি ল'বলগীয়া হয়।

বিবাহৰ সময়ত কন্যা পক্ষই দৰা পক্ষক আদায় দিয়া ধন বা আন কোনো ধৰণৰ বস্তুক যৌতুক বোলা হয়। প্ৰফেছাৰ *ৰাম অহুজাই* যৌতুকৰ সংজ্ঞা এনেদৰে আগবঢ়াইছে - '*যৌতুক হ'ল বিবাহৰ সময়ত কন্যা, দৰা আৰু দৰাৰ আত্মীয়ই পোৱা উপহাৰ তথা মূল্যবান বস্তু।*'

মেক্স ৰডিন (Max Radin) - ৰ সামাজিক বিজ্ঞানৰ বিশ্বকোষত উল্লেখ কৰা মতে '*কোনো ব্যক্তিয়ে বিবাহৰ সময়ত তেওঁৰ পত্নী আৰু পত্নীৰ পৰিয়ালৰ পৰা গ্ৰহণ কৰা সম্পত্তিয়েই হ'ল যৌতুক*'।

যৌতুক নিষিদ্ধকৰণ আইন ১৯৬১, অনুসৰি যৌতুক হৈছে পৰোক্ষ বা প্ৰত্যেক্ষভাৱে বিবাহৰ সময়ত আদায় দিয়া বা গ্ৰহণ কৰিবলৈ সন্মত হোৱা যিকোনো সম্পত্তি বা মূল্যবান নিৰাপত্তা; যি-

- বিবাহ সূত্ৰে এটা পক্ষই আন এটা পক্ষক ; বা
- মাক দেউতাক বা যিকোনো ব্যক্তিয়ে বিপৰীত পক্ষক বা বিবাহৰ সময়ত বা আগত বা পিছত দিয়া সামগ্ৰী বা সম্পত্তি। কিন্তু এই আইনখনে মুছলমানৰ ব্যক্তিগত আইনে (শৰিয়ট) ন্যস্ত কৰা যৌতুক বা মেহৰ ( mehr) সাঙুৰি লোৱা নাই।

প্ৰাচীন কালত যৌতুক আদান প্ৰদানক এক প্ৰথা হিচাপে গণ্য কৰিছিল। কিন্তু সমাজৰ পৰিবৰ্তনৰ লগে লগে মানুহ বেছি বস্তুবাদী হৈ পৰিল আৰু তেওঁলোকৰ বাবে অধিক সম্পত্তি তথা সামাজিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত মৰ্যাদা পাবলৈ এইটোৱে আটাইতকৈ সহজ পথ ৰূপে পৰিগণিত হ'ল। ইয়াৰ ফলস্বৰূপে, বৰ্তমান প্ৰজন্মৰ তথা তেওঁলোকৰ পিতৃ-মাতৃৰ বাবে এক কঠিন আৰু বিষম অৱস্থাই মূৰ দাঙি উঠিছে। যি যৌতুক প্ৰথা এসময়ত মৰম- ভালপোৱাৰ প্ৰতীক হিচাপে প্ৰচলিত আছিল সি এতিয়া বিবাহ ক্ষেত্ৰত বিত্তীয় বাধা ৰূপে দেখা দিছে। বৰ্তমান ইয়াৰ প্ৰচলন ইমান বাঢ়িব ধৰিছে যে ই এক চলিত ৰীতিলৈ পৰিৱৰ্তন হৈছে যাক মানুহে শক্তিশালী ৰূপে পালন কৰিবলৈ ধৰিছে।

এই কুপ্ৰথা সমাজত ইমান দূৰলৈ শিপাইছে যে আধুনিক সমাজতো পুৰণি ব্যাধি হিচাপে গা কৰি উঠিছে। সমাজৰ বহুতো সম্ভ্ৰান্ত শ্ৰেণীৰ শিক্ষিত পুৰুষ- মহিলাই এনে ধৰণৰ সমস্যাক বৃদ্ধি কৰাত সহায়হে কৰিছে। এই প্ৰথা প্ৰায় সকলো সমাজতে বেলেগ বেলেগ ৰূপত প্ৰচলন থকা দেখা যায়। কিন্তু ইয়াক উঠাই দিয়াৰ পৰিবৰ্তে বৰ্তমান সেইবোৰ সমাজেও ইয়াক পালন কৰে যিসকলে এসময়ত এই প্ৰথা সম্বন্ধে জ্ঞাতই নাছিল। বৰ্তমান এই

ব্যৱস্থা বিবাহ সম্বন্ধীয় ৰীতি নীতিৰ সীমা অতিক্ৰম কৰি গৈছে। অন্তঃসত্বা কালত, সন্তান জন্মৰ সময়ত আৰু সকলোধৰণৰ ধৰ্মীয় উৎসৱ তথা পাৰিবাৰিক উৎসৱ পাৰ্বন ইত্যাদিতো যৌতুকৰ দাবী জনোৱাটো স্বাভাৱিক নিয়মত পৰিণত হৈছে।

যৌতুক প্ৰথাৰ ফলাফলসমূহ হ'ল-

- *এই প্ৰথাই কন্যাৰ পৰিয়ালৰ ওপৰত অৰ্থৰ বোজা বঢ়াই* ঃ বৰ্তমান যৌতুক প্ৰথা বহুতো পৰিয়ালৰ বাবে বিশেষকৈ মধ্যবিত্ত শ্ৰেণীৰ বাবে এক বোজা স্বৰূপ হৈ পৰিছে। এই সকল লোকে সদায় সন্তানক শিক্ষা দিয়াৰ পৰা আৰম্ভ কৰি জীৱনৰ সকলো প্ৰয়োজন তথা সামাজিক নিয়ম-নীতি মানি চলি সামাজিক মৰ্যাদা ৰক্ষা কৰিবলৈ চেষ্টা কৰা দেখা যায়। এওঁলোকে সীমিত টকাৰে তেওঁলোকৰ বহুতো প্ৰয়োজন পূৰাব লগীয়া হয়। যাৰ বাবে তেওঁলোকৰ জমাৰ পৰিমাণো নিম্ন মানৰ হয়। ইয়াৰ কাৰণে তেওঁলোকে কন্যা সন্তানৰ বিবাহৰ সময়ত দৰা পক্ষৰ বিভিন্ন দাবী-পূৰণ কৰিবলৈ হয়তো টকা ধাৰত ল'বলগীয়া হয় অথবা ভূমি সম্পত্তি বিক্ৰী কৰি বা বন্ধকত থৈ প্ৰয়োজন পূৰণ কৰিবলগীয়া হয়। এই ঋণ সময়ৰ লগে লগে গোটেই পৰিয়ালটোক ধ্বংসৰ মুখলৈ আগবঢ়াই নিয়ে।
- *যৌতুক জনিত অতিশয্য আৰু হত্যাঃ* কেতিয়াবা যৌতুকৰ নামত স্বামী আৰু তেওঁৰ পৰিয়ালবৰ্গই মহিলাক বেয়া-ব্যৱহাৰ, শাৰীৰিক অথবা মানসিক ভাবে অত্যাচাৰ কৰা দেখা যায়। যেতিয়া কন্যা পক্ষই শাহু-শহুৰৰ দাবী পূৰণ কৰিব নোৱাৰে তেতিয়া তেওঁলোকে মহিলা গৰাকীক অত্যাচাৰ কৰিবলৈ আৰম্ভ কৰে। আমি বিভিন্ন সময়ত যৌতুকজনিত কাৰণত মহিলাৰ আকস্মিক বা অস্বাভাৱিক মৃত্যু তথা আত্মহত্যাৰ ঘটনা গণ মাধ্যমৰ যোগেদি বা অস্বাভাৱিক মৃত্যু তথা আত্মহত্যাৰ ঘটনা গণ মাধ্যমৰ যোগেদি জানিব পাৰি।
- *যৌতুকপ্ৰথাই অনৈতিকতালৈ আগুৱাই লৈ যায়ঃ* যৌতুক প্ৰথাৰ প্ৰচলন কেৱল বে-আইনীয়ে নহয় অনৈতিকো। মহাত্মা গান্ধীৰ মতে যি ব্যক্তিয়ে যৌতুকক বিবাহৰ পূৰ্বচৰ্ত ৰূপে গণ্য কৰে তেনে ব্যক্তিয়ে ইয়াৰ দ্বাৰা কেৱল মহিলা গৰাকীৰ প্ৰতি অসন্মান প্ৰকাশ কৰাই নহয়, দেশ, ইয়াৰ শিক্ষা ব্যৱস্থা আৰু সমগ্ৰ মহিলা জাতিলৈ অসন্মান কৰা সূচায়। এই প্ৰথাৰ প্ৰচলনৰ ফলত সমাজত কেতবোৰ অন্যান্য অনৈতিক কাৰ্যৱলীও গা কৰি উঠে। কেতিয়াবা কিছুমান অবিবাহিত ছোৱালীয়ে পিতৃ-মাতৃৰ ওপৰৰ পৰা বিত্তীয় বোজা কমাবলৈ কেতবোৰ নিষিদ্ধ কামত লিপ্ত হয়। কেতিয়াবা আকৌ পিতৃ-মাতৃয়ে তেওঁলোকৰ ছোৱালীৰ বিবাহৰ সময়ত বুজন পৰিমাণৰ যৌতুক আদায় দিয়াৰ সামৰ্থ্যৰ অভাৱত কন্যা গৰাকীক বয়স্কলোক অথবা শাৰীৰিক ভাৱে বাধাগ্ৰস্ত লোকলৈ বিয়া দিবলগীয়া হয়। এইদৰে যৌতুক প্ৰথাৰ প্ৰচলনে সমাজত বেয়াকৈ প্ৰভাৱ পেলাই।
- *পৰিয়ালৰ মাজত দেখা দিয়া মানসিক সংকট আৰু আবেগিক অস্থিৰতাঃ* যৌতুকৰ প্ৰচলনে পিতৃ-মাতৃসমূহক এক অঘোষিত তথা অবাঞ্ছনীয় প্ৰতিযোগিতালৈ আগুৱাই লৈ গৈছে। এইবোৰে অৱশেষত পৰিয়ালৰ সুখ-শান্তিৰ ওপৰত প্ৰভাৱ পেলায়। ইয়াৰ ফলত পুত্ৰ-বোৱাৰী, স্বামী-স্ত্ৰী, শাহু-শহুৰ তথা পৰিয়ালৰ আনবোৰ সদস্যৰ মাজত সংঘাতৰ সৃষ্টি হয়। অৱশেষত ইয়াৰ পৰিণাম তেওঁলোকৰ সন্তানেও ভোগ কৰিব লগীয়া হয়।

## ১২.৬.১ যৌতুক সমস্যা সমাধানৰ উপায় ( Measures to Solve the Problem of Dowry)

- *আইনী ব্যৱস্থাঃ* কেন্দ্ৰীয় চৰকাৰে যৌতুক প্ৰথা নিবাৰণৰ উদ্দেশ্যে ১৯৬১ চনত যৌতুক নিষিদ্ধকৰণ

আইন প্ৰণয়ন কৰে। যি ব্যক্তিয়ে যৌতুক গ্ৰহণ কৰে বা আদায় দিয়াত সহায় কৰে তেনে ব্যক্তিক এই আইনৰ নিৰ্দেশত ৫ বছৰৰ বাবে কাৰাদণ্ড দিয়াৰ লগতে ১৫,০০০ টকা বা যৌতুকৰ সমপৰিমাণ মূল্যৰ জৰিমনা ভৰিব লাগিব। ১৯৮৬ চনত ৰাজ্য চৰকাৰক কেতবোৰ কৰ্তত্ব প্ৰদান কৰি এই আইনখন পুনৰ সংশোধন কৰা হয়। মহিলাৰ প্ৰতি স্বামী তথা তেওঁৰ পৰিয়ালে কৰা নিষ্ঠুৰ ব্যৱহাৰ বন্ধ কৰিবলৈ ভাৰতীয় দণ্ডবিধি আইনত এক নতুন ধাৰা ৪৯৮ (ক) আৰু ১৯৮৩ চনত অপৰাধ কাৰ্যবিধি আইনৰ অধীনত ১৯৮ (ক) ধাৰা অন্তৰ্গত কৰা হয়।

তদুপৰি ২০০৬ চনত 'পাৰিবাৰিক হিংসা আইন ২০০৫' কাৰ্যকৰী কৰা হয়। এই আইন অনুসৰি, এগৰাকী মহিলাই যৌতুকজনিত হাৰাশাস্তি বন্ধ কৰিবলৈ পাৰিবাৰিক হিংসা আইনৰ সৈতে জড়িত বিষয়াৰ ওচৰ চপাৰ সম্পূৰ্ণ অধিকাৰ আছে।

এইদৰে এই আইনখনে যৌতুক প্ৰথা নিবাৰণৰ ক্ষেত্ৰত বিভিন্ন ব্যৱস্থাৱলী গ্ৰহণ কৰিছে যদিও ইয়াক সমাজৰ পৰা সম্পূৰ্ণ ৰূপে উচ্ছেদ কৰিব পৰা নাই। এই আইন প্ৰণয়নৰ পিছতো বৰ্তমানলৈ আমাৰ সমাজত যৌতুক জনিত হিংসা সংঘটিত হৈ আছে। সেয়েই, ইয়াক সম্পূৰ্ণ ৰূপে নিয়ন্ত্ৰণ বা নাশ কৰিবলৈ কেতবোৰ অনা আইনী ব্যৱস্থাৰ প্ৰয়োজন আছে।

## জানি থোৱা ভাল

- ভাৰতৰ ৰাষ্ট্ৰীয় অপৰাধ ৰেকৰ্ড কাৰ্যলয়ত ২০০৫ চনলৈকে যৌতুকজনিত হিংসাত মৃত্যু হোৱা ৬,৭৮৭ টা গোচৰ পঞ্জীভূত হৈ আছে।
- অসমত ২০০৯ ৰ এপ্ৰিলৰ পৰা ২০১০ জানুৱাৰীলৈ যৌতুক আতিশয্য সংক্ৰান্তত পঞ্জীভূত হৈ থকা গোচৰৰ সংখ্যা ১৪৩ আৰু ঘৰুৱা হিংসাজনিত গোচৰ ৩,৮০৭ টা।
- তামিলনাডুৰ টোডা জনজাতিৰ মাজত কন্যা শিশু হত্যাৰ প্ৰথাৰ প্ৰচলন থকা দেখা যায়।

❍ অনা-আইনী ব্যৱস্থাৱলীঃ

- *যৌতুকৰ বিৰুদ্ধে সজাগতাৰ সৃষ্টি কৰাঃ* সমাজৰ পৰা যৌতুক প্ৰথা নোহোৱা কৰিবলৈ ৰাইজৰ মাজত ইয়াৰ বিৰুদ্ধে সজাগতাৰ সৃষ্টি কৰাটো অতি প্ৰয়োজন। বিভিন্ন গণ মাধ্যম যেনে, বাতৰি কাকত, ইনটাৰনেট, টেলিভিচন, আদিৰ যোগেদি ৰাইজক বুজাব পাৰি যে যৌতুক প্ৰথা বেআইনীয়েই নহয় ই এক নীতিবৰ্হিভূত প্ৰথা।
- *শিক্ষাৰ উন্নতিঃ* মহিলাৰ মাজত বিশেষকৈ ছোৱালী শিক্ষা প্ৰসাৰ এক গুৰুত্বপূৰ্ণ কথা। শিক্ষাৰ দ্বাৰা ছোৱালীবোৰ অৰ্থনৈতিক ভাবে আত্মনিৰ্ভৰশীল হৈ সমাজত সন্মান লাভ কৰাত সহায়ক হয় তথা নিজে নিজৰ জীৱনৰ সিদ্ধান্ত ল'ব পাৰে। ইয়াৰ উপৰিও, শিক্ষাৰ ক্ষেত্ৰত সমাজত নৈতিক শিক্ষা প্ৰদান কৰাটো অতি প্ৰয়োজনীয় যাৰ দ্বাৰা সকলোৱে বুজিব পাৰে যে যৌতুক প্ৰথা এক অনৈতিক কাম আৰু ই সমাজখনক দূষিত কৰে।
- *আন্তঃ জাতি বিবাহৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰাঃ* আগতে উল্লেখ কৰি অহা হৈছে যে নিজ জাতিৰ মাজত বিবাহ স্থাপনৰ প্ৰচলিত নিয়মে এই সমস্যা বৃদ্ধি কৰাত সহায় কৰে। সেয়েহে, আন্তঃ জাতিৰ মাজৰ বিবাহৰ প্ৰচলনে আমাৰ সমাজৰ পৰা যৌতুক প্ৰথা নিবাৰণৰ ক্ষেত্ৰত সহায় কৰিব।
- *স্বেচ্ছাসেৱী সংগঠনৰ ভূমিকাঃ* স্বেচ্ছাসেৱী সংগঠনসমূহে যৌতুকৰ ভয়াবহতা সম্পৰ্কে আঁচনি প্ৰস্তুত কৰি ইয়াৰ প্ৰতিৰোধৰ ক্ষেত্ৰত এক উল্লেখযোগ্য ভূমিকা পালন কৰিব পাৰে। এই

সংগঠনসমূহে যৌতুক প্ৰথাৰ বলি হোৱা মহিলাৰ গোচৰসমূহ গ্ৰহণ কৰি সেইবোৰ ৰাইজৰ মাজত প্ৰকাশ কৰি ইয়াৰ বিৰুদ্ধে এক টোৰ সৃষ্টি কৰিব পাৰে। এনে ধৰণৰ কাৰ্যৰ সৈতে জড়িত ইয়াত বহুতো সংগঠন আছে।

## অগ্ৰগতি খতিয়ান

**প্ৰশ্ন নং ৩ ঃ** ভাৰতীয় দণ্ডবিধি আইনে (১৮৬০) বেশ্যাবৃত্তি সম্বন্ধে আগবঢ়োৱা সংজ্ঞাটি কি?

.....

.....

**প্ৰশ্ন নং ৪ ঃ** যৌতুক প্ৰথাৰ ওপৰত প্ৰফেছৰ ৰাম অহুজাই আগবঢ়োৱা সংজ্ঞাটি কি?

.....

.....

## ১২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বৰ্তমান সমাজত মানৱ সৰবৰাহ এক ভয়ানক অপৰাধ। ভাৰত চৰকাৰে এই সংক্ৰান্তত বিভিন্ন ধৰণৰ প্ৰতিৰোধ ব্যৱস্থা গ্ৰহণ কৰিছে যদিও, বৰ্তমানো ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত মানৱ সৰবৰাহ হৈ থকা দেখা যায়। ইয়াৰ মূল কাৰণ হ'ল- দৰিদ্ৰতা, নিয়োগৰ সুবিধাৰ অভাৱ, সজাগতাৰ অভাৱ, বহিঃ ৰাজ্যৰ পৰা ইয়াৰ ছোৱালী-বিবাহৰ বাবে থকা চাহিদা, ভুৱা সংস্থাপন প্ৰতিষ্ঠান, নিম্ন মানৰ আইন ব্যৱস্থা ইত্যাদি।
- মহিলাৰ প্ৰতি হোৱা বিভিন্ন হিংসা হৈছে যৌন উৎপীড়ন, ধৰ্ষণ আৰু শালীনতা হানি আদি। আমাৰ পুৰুষপ্ৰধান সমাজ তথা মহিলাৰ প্ৰতি থকা তেওঁলোকৰ দৃষ্টিভঙ্গীয়েই এনে অপৰাধৰ মূল কাৰণ।
- এইবোৰৰ উপৰিও যৌতুক প্ৰথা, বেশ্যাবৃত্তিও আমাৰ সমাজৰ মূল অপৰাধ।
- ভাৰত চৰকাৰে এই অপৰাধবোৰৰ প্ৰতিৰোধৰ কাৰণে বিশেষকৈ মহিলা আৰু শিশুৰ ক্ষেত্ৰত হোৱা অপৰাধ নিয়ন্ত্ৰণৰ কাৰণে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে। বহুতো বেচৰকাৰী সংস্থাইও এনে অপৰাধত বাধা প্ৰদান তথা ভোক্তভোগীক উদ্ধাৰ আৰু পুনৰ সংস্থাপনৰ ক্ষেত্ৰত বিভিন্ন প্ৰচেষ্টা গ্ৰহণ কৰা দেখা যায়। তথাপিও তেওঁলোকে সমাজৰ পৰা অপৰাধ মোচন কৰিবলৈ সক্ষম হোৱা নাই। প্ৰকৃততে অপৰাধ নিয়ন্ত্ৰণ তথা প্ৰতিৰোধ কৰাৰ মূল উপায় সমাজৰ লোকৰ মাজতে আছে। মানুহৰ মাজত আনৰ প্ৰতি মূল্যবোধ, দৃষ্টিভঙ্গী উন্নত হোৱাৰ প্ৰয়োজন আছে। ইয়াৰ পিছতেহে আমি এখন উন্নত সমাজৰ কথা ভাবিব পাৰো।

## ১২.৮ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থঃ

(১) Ahuja Ram. *Problems of Indian Society*. New Delhi : Rawat Publication

(২) Dutta, Nalini Kanta (2009). *The Law of Crime and Correction*. Guwahati : Purbanchal Prakash.

(৩) Paranjape, N.V. (2008). *Criminology and Penology*. Allahabad : Central Law Publication.

(৪) Shankar Rao, C.N. *Sociology of Indian Society*. New Delhi

(৫) Yadav K.P. (2006). *Trafficking : An Emerging Social Problem.* New Delhi: Adhyayan Publishers.

## ১২.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ যৌন অতিশয্য, শালীনতাহানি, ধৰ্ষণ হ'ল মহিলাৰ প্ৰতি হোৱা তিনি ধৰণৰ হিংসা।

২ নং প্ৰশ্নৰ উত্তৰঃ মানৰ সৰবৰাহ প্ৰতিৰোধী আইন ১৯৫৬।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতীয় দণ্ডবিধি আইন ১৮৬০ ৰ ৩৭২ ধাৰা অনুযায়ী এগৰাকী মহিলাই ধন বা কোনো বস্তুৰ বিনিময়ত বহুত লোকৰ সৈতে যৌন সংগমৰ কাৰণে নিজ শৰীৰ ধাৰলৈ দিয়া কাৰ্যই হ'ল বেশ্যাবৃত্তি।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাম আহুজাৰ মতে যৌতুক হ'ল বিবাহৰ সময়ত কন্যা, দৰা আৰু দৰাৰ আত্মীয়ই লাভ কৰা বস্তুৰ উপহাৰ তথা মূল্যবান বস্তু।

## ১২.১০ আৰ্হি প্ৰশ্ন

(ক) **চুটি প্ৰশ্ন** (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

**প্ৰশ্ন ১ঃ** মানৰ সৰবৰাহ মানে কি?

**প্ৰশ্ন ২ঃ** উত্তৰ পূৰ্বাঞ্চলৰ মানৰ সৰবৰাহ সম্বন্ধে চমুকৈ লিখক।

**প্ৰশ্ন ৩ঃ** বেশ্যবৃত্তিৰ ভয়াবহ পৰিণতি সম্পৰ্কে লিখক।

**প্ৰশ্ন ৪ঃ** যৌতুক প্ৰথাৰ সংজ্ঞা দিয়ক।

(খ) **ৰচনাধৰ্মী প্ৰশ্ন** (৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

**প্ৰশ্ন ১ঃ** ভাৰতবৰ্ষৰ মানৰ সৰবৰাহৰ কাৰণসমূহ বাখ্যা কৰক।

**প্ৰশ্ন ২ঃ** বেশ্যাবৃত্তিৰ কাৰণ আৰু প্ৰতিৰোধৰ ব্যৱস্থাৱলী আলোচনা কৰক।

*** ***** ***

# অধ্যায় ১৩ ঃ সামাজিক লিংগ, আইন আৰু মানৱ অধিকাৰ

## অধ্যায় গাঁথজ্জনি


১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ আইন, সাংবিধানিক নিশ্চিতি আৰু মহিলাৰ বাবে কৰা সংবিধান সংশোধনী
১৩.৪ নাৰী মুক্তিৰ আহিলা ৰূপে আইন
১৩.৫ মানৱ অধিকাৰ হিচাপে মহিলাৰ অধিকাৰ
১৩.৬ সামাজিক লিংগ আৰু মানৱ অধিকাৰ
১৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৮ অধিক জানিবলৈ
১৩.৯ অগ্রগতিৰ খতিয়ান
১৩.১০ আৰ্হি প্রশ্ন


## ১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- মহিলাৰ বাবে থকা সাংবিধানিক নিশ্চিতি আৰ মহিলাৰ বাবে কৰা সংবিধান সংশোধনীৰ বিষয়ে জানিব পাৰিব
- মহিলাৰ অধিকাৰবোৰক কেনেদৰে মানৱ অধিকাৰৰ অংশ বুলি গণ্য কৰা হয় সেইবিষয়ে জানিব পাৰিব।

## ১৩.২ পৰিচয়

ভাৰতীয় সংবিধানত সামাজিক লিংগভিত্তিক সমতাৰ নীতি অন্তর্ভুক্ত কৰা হৈছে। দেশৰ সংবিধানে মহিলাসকলক সমতা প্রদানৰ নিশ্চিতি দিয়াৰ উপৰি ৰাজ্যবোৰক মহিলাৰ অনুকূল ইতিবাচক বৈষম্য প্রদর্শনকাৰী ব্যৱস্থা গ্রহণৰ ক্ষমতা প্রদান কৰিছে। এটা গণতান্ত্রিক ৰাজনৈতিক ব্যৱস্থাৰ সংৰচনাৰ ভিতৰত দেশৰ আইন, উন্নয়নমূলক নীতি, পৰিকল্পনা আৰু কার্যসূচীবোৰৰ দ্বাৰা বিভিন্ন ক্ষেত্রত মহিলাৰ অগ্রগতি সম্ভৱ কৰি তোলাৰ লক্ষ্য বান্ধি লোৱা হৈছে। ভাৰতে মহিলাৰ সম-অধিকাৰ সুৰক্ষিত ৰাখিবলৈ দায়বদ্ধ বিভিন্ন আন্তঃৰাষ্ট্রীয় সন্মিলন আৰু মানৱ অধিকাৰ সংগঠনৰ পোষকতা কৰি আহিছে। ইয়াৰে ভিতৰত সবাতোকৈ গুৰুত্বপূর্ণ সন্মিলনখন হ'ল ১৯৯৩ চনত সমর্থন জনোৱা 'মহিলাৰ বিৰুদ্ধে চলা সকলো ধৰণৰ বৈষম্য নির্মূল বিষয়ক সন্মিলন' (CEDAW)। এই অধ্যায়টিত আমি সামাজিক লিংগভিত্তিক সমতা সুনিশ্চিতকাৰী বিভিন্ন আইন আৰু অধিকাৰৰ বিষয়ে আলোচনা কৰিম। ভাৰতত পিতৃপ্রধান সমাজৰ প্রাধান্য থকালৈ লক্ষ্য ৰাখি ইয়াত দেশৰ মহিলাসকলৰ অৱস্থা উন্নত কৰাৰ চেষ্টা চলোৱা আইন আৰু অধিকাৰবোৰৰ কথা বিশেষভাৱে আলোচনা কৰা হ'ব।

## ১৩.৩ আইন, সাংবিধানিক নিশ্চিতি আৰু মহিলাৰ বাবে কৰা সংবিধান সংশোধনী

ওপৰৰ শিতানত উল্লেখ কৰা হৈছে যে ভাৰতীয় সংবিধানে মহিলাক সমতাৰ নিশ্চিতি প্রদান কৰাৰ লগতে ৰাজ্যবোৰক মহিলাৰ অনুকূল ইতিবাচক বৈষম্য প্রদর্শনকাৰী ব্যৱস্থা গ্রহণৰ ক্ষমতা দিছে। আর্থ-সামাজিক,

শিক্ষা আৰু ৰাজনৈতিক ক্ষেত্ৰত নানা অসুবিধাত ভুগি থকা মহিলাসকলৰ বিভিন্ন সমস্যা আঁতৰোৱাত এই সাংবিধানিক সুবিধাবোৰে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। অন্য অধিকাৰবোৰৰ লগতে সংবিধান প্ৰদত্ত মৌলিক অধিকাৰবোৰে দেশৰ নাগৰিকক আইনৰ দৃষ্টিৰে সমান মৰ্যাদা দিয়াৰ লগতে আইনৰ দ্বাৰা সমান সুৰক্ষা প্ৰদান কৰিছে। এই সাংবিধানিক নীতি-নিয়মবোৰৰ দ্বাৰা ধৰ্ম, জাতি, সম্প্ৰদায়, জৈৱিক লিংগ অথবা জন্মস্থানৰ ভিত্তিত সকলো নাগৰিককে সকলো ধৰণৰ বৈষম্যমূলক আচৰণৰ বলি হোৱাৰপৰা সুৰক্ষা প্ৰদান কৰা হৈছে। সংবিধানে কৰ্মসংস্থাপনৰ দিশতো সকলো নাগৰিককে সমানু সুযোগ আগবঢ়োৱাৰ নিশ্চিতি দিছে।

এই বিষয়ে সংবিধানত সন্নিৱিষ্ট ধাৰাকেইটাহ'ল ক্ৰমে ১৪,১৫,(৩), ১৬, ৩৯ (a), ৩৯ (b), ৩৯ (c) আৰু ৪২

তলত সাংবিধানিক সা-সুবিধাবোৰ তুলি দিয়া হ'ল—

- আইনৰ দৃষ্টিত মহিলাৰ সমতা (ধাৰা ১৪)
- ৰাষ্ট্ৰই ধৰ্ম, জাতি, সম্প্ৰদায়, লিংগ, জন্মস্থান অথবা ইয়াৰে যিকোনো এটাৰ ভিত্তিত কোনো নাগৰিকৰ প্ৰতি বৈষম্যমূলক আচৰণ প্ৰদৰ্শন কৰিব নোৱাৰিব [(ধাৰা ১৫ (i)]
- ৰাষ্ট্ৰই মহিলা আৰু শিশুৰ অনুকূলে যিকোনো ধৰণৰ বিশেষ নীতি-নিয়ম প্ৰস্তুত কৰিব পাৰিব [(ধাৰা ১৫ (iii)]
- কৰ্মসংস্থাপনৰ সৈতে জড়িত যিকোনো কথা অথবা ৰাষ্ট্ৰৰ অধীনস্থ যিকোনো কাৰ্যালয়ত নিযুক্তিৰ ক্ষেত্ৰত সকলোৱে সমান সুযোগ লাভ কৰিব (ধাৰা ১৪)।
- ৰাষ্ট্ৰই পুৰুষ আৰু মহিলা উভয়ৰে বাবে জীৱিকা অৰ্জনৰ পৰ্যাপ্ত উপায় লাভৰ অধিকাৰ সমানে উপভোগ কৰাটো সুনিশ্চিত কৰিবলৈ বিভিন্ন নীতিত প্ৰয়োজনীয় সা-সুবিধা অন্তৰ্ভুক্ত কৰিব [(ধাৰা ৩৯ (a)]; পুৰুষ আৰু মহিলা উভয়ে একে কামৰ বাবে একে পা�ৰিশ্ৰমিক লাভ কৰিব [(ধাৰা ৩৯ (d)]
- সমান সুবিধাৰ ভিত্তিত ন্যায়ৰ পৃষ্ঠপোষকতা কৰা হ'ব; অৰ্থনৈতিকঅথবা অন্য প্ৰতিবন্ধক সৃষ্টিকাৰী কাৰণৰ দ্বাৰা যাতে কোনো নাগৰিক ন্যায় লাভৰ পৰা বঞ্চিত নহয় সেয়া সুনিশ্চিত কৰিবলৈ উপযুক্ত বিধি-বিধান, আঁচনি নাইবা অন্য উপায়েৰে নাগৰিকক বিনামূলীয়া আইনী সাহায্য আগবঢ়োৱা হ'ব [(ধাৰা ৩৯ (A)]
- ৰাষ্ট্ৰই ন্যায়সংগত আৰু মানৱীয় কৰ্মপৰিৱেশ সৃষ্টিৰ বাবে নীতি-নিয়ম প্ৰস্তুত কৰিব আৰু সন্তান জন্ম দিয়াৰ পাছত মহিলা কৰ্মীক প্ৰসূতি অৱস্থাৰ ছুটী প্ৰদানৰ ব্যৱস্থা ল'ব (ধাৰা ৪২)।
- ৰাষ্ট্ৰই দেশৰ দুৰ্বল শ্ৰেণীৰ নাগৰিকসকলৰ শিক্ষা তথা আৰ্থিক স্বাৰ্থবোৰৰ পোষকতা কৰাৰ লগতে বিশেষ যত্ন ল'ব, তেওঁলোকক সামাজিক অন্যায়ৰ পৰা সুৰক্ষিত ৰাখিব আৰু সকলো ধৰণৰ শোষণৰ পৰা আঁতৰাই ৰাখিব (ধাৰা ৪৬)।
- ৰাষ্ট্ৰই পৰিপুষ্টিৰ স্তৰ উচ্চ কৰিব আৰু নাগৰিকৰ জীৱন যাপনৰ মান উন্নত কৰিব (ধাৰা ৪৬)।
- ভাৰতৰ সকলো নাগৰিকৰ মাজত সমন্বয় তথা উমৈহতীয়া ভ্ৰাতৃত্ববোধৰ মনোভাৱ গঢ়াৰ পোষকতা কৰা হ'ব; মহিলাৰ মৰ্যাদা হানি কৰা প্ৰথাবোৰৰ অনুশীলন ৰোধ কৰা হ'ব [(ধাৰা ৫১ (A) (e)]
- দেশৰ প্ৰতিখন পঞ্চায়তেত মহিলাৰ বাবে মুঠ সদস্য সংখ্যাৰ এক তৃতীয়াংশতকৈ কম আসন সংৰক্ষিত থাকিব নোৱাৰিব (অনুসূচিত জাতি আৰু জনজাতিৰ মহিলাৰ বাবে সংৰক্ষিত আসনসমূহকে ধৰি), এনে আসনবোৰ প্ৰত্যক্ষ নিৰ্বাচনৰ দ্বাৰা পূৰাব লাগিব আৰু এনে আসনবোৰ এখন পঞ্চায়তে বিভিন্ন সমষ্টিৰ সদস্যসকলক চক্ৰাৱৰ্তন পদ্ধতিৰে আবণ্টন কৰিব লাগিব [(ধাৰা ২৪৩ (D) (3)]
- পঞ্চায়তৰ অধ্যক্ষৰ কাৰ্যালয়ৰ মুঠ পদৰ এক তৃতীয়াংশতকৈ কম পদ মহিলাৰ বাবে সংৰক্ষিত থাকিব নোৱাৰিব আৰু কাৰ্যালয়ৰ প্ৰতিটো স্তৰতে মহিলা সদস্যক অন্তৰ্ভুক্ত কৰাব লাগিব [(ধাৰা ২৪৩ (D) (4)]
- প্ৰতিখন পৌৰ নিগমতে প্ৰত্যক্ষ নিৰ্বাচনৰ দ্বাৰা পূৰাবলগীয়া মুঠ আসনৰ অতি কমেও এক তৃতীয়াংশ

আসন (অনুসূচিত জাতি আৰু জনজাতিৰ মহিলাৰ বাবে সংৰক্ষিত আসনকে ধৰি) মহিলাৰ বাবে সংৰক্ষিত কৰিব লাগিব আৰু এখন পৌৰনিগমৰ অধীনস্থ বিভিন্ন ৱার্ডৰ সদস্যৰ মাজত এই আসনবোৰ চক্রাৱর্তন পদ্ধতিৰে আবণ্টন কৰিব লাগিব [(ধাৰা ২৪৩ (T) (3)]

- পৌৰ নিগমৰ অধ্যক্ষৰ কার্যালয়ত সংশ্লিষ্ট আইনৰ সা-সুবিধা অথবা ৰাষ্ট্রৰ দ্বাৰা প্রণয়ন কৰা বিধি- বিধান অনুসৰি অনুসূচিত জাতি আৰু জনজাতিৰ মহিলাৰ বাবে আসন সংৰক্ষণ কৰিব লাগিব [(ধাৰা ২৪৩ (T) (4)]

**ন্যায়িক সুবিধা**

সাংবিধানিক নিশ্চিতি অটুট ৰাখিবলৈ ৰাষ্ট্রই নাগৰিকৰ সম-অধিকাৰ সুনিশ্চিত কৰিবলৈ, সামাজিক বৈষম্য প্রতিৰোধ কৰিবলৈ, বিভিন্ন ধৰণৰ হিংসা আৰন্ধ নিষ্ঠুৰতা ৰোধ কৰিবলৈ আৰু বিশেষকৈ চাকৰিয়াল মহিলাৰ বাবে সমর্থন সেৱা আগবঢ়াবলৈ বিভিন্ন বিধি বিধানমূলক নীতি-নিয়ম প্রৱর্তন কৰিছে। মহিলাক 'হত্যা', 'ডকাইতি', 'প্রৱঞ্চনা' আদি বিভিন্ন অপৰাধৰ বলি হ'ব পাৰে। কিন্তু মহিলাই বিশেষভাৱে বলি হোৱা অপৰাধবোৰক 'মহিলাৰ বিৰুদ্ধে চলা অপৰাধ' নাম দিয়া হৈছে। 'মহিলাৰ বিৰুদ্ধে চলা অপৰাধ'ক দুটা বহল ভাগত ভগোৱা হয়। ভাগ দুটা হ'ল—

● ভাৰতীয় দণ্ডবিধি আইনৰ অধীনত চিনাক্ত কৰা অপৰাধ ঃ

- ➢ বলাৎকাৰ ( ধাৰা ৩৭৬ , ভা. দ. আ.)
- ➢ বিভিন্ন উদ্দেশ্যত কৰা অপহৰণ আৰু নাৰীহৰণ ( ধাৰা ৩৬৩-৩৭৩)
- ➢ যৌতুকৰ বাবে হত্যা, যৌতুকজনিত মৃত্যু, অথবা যৌতুকৰ বাবে হত্যাৰ চেষ্টা (ধাৰা ৩০২/ ৩০৪-B , ভা. দ. আ.)
- ➢ শাৰীৰিক আৰু মানসিক দুয়ো ধৰণৰ নির্যাতন ( ধাৰা ৪৯৮-A , ভা. দ. আ.)
- ➢ যৌন উৎপীড়ন ( ধাৰা ৩৫৪-A , ভা. দ. আ.)
- ➢ যৌন নির্যাতন ( ধাৰা ৫০৯ ভা. দ. আ.)
- ➢ যুৱতী/ছোৱালী সৰবৰাহ (২১ বছৰ বয়সৰ ভিতৰৰ )

২। বিশেষ আইন (SLL)ৰ অধীনত চিনাক্তকৰা অপৰাধ সমূহ।

যদিও ভাৰতত বলবৎ হৈ থকা সকলো আইন সামাজিক লিংগ নির্দিষ্ট নহয়, তথাপিও মহিলাক তাৎপর্যপূর্ণভাৱে প্রভাৱিত কৰা বিভিন্ন আইনৰ অন্তর্গত নীতি-নিয়মবোৰ সময়ে সময়ে পুনৰীক্ষণ কৰা হয় আৰু নতুন প্রয়োজনৰ সৈতে খাপ খোৱাকৈ বিভিন্ন সংশোধনী ঘটোৱা হয়।

ভাৰতীয় মহিলা আৰু তেওঁলোকৰ স্বার্থক ৰক্ষণাবেক্ষণ দিবলৈ বিশেষ নীতি-নিয়ম সম্বলিত আইন কেইখনমান হ'ল—

- ➢ পাৰিবাৰিক আদালত আইন, ১৯৫৪
- ➢ বিশেষ বিবাহ আইন, ১৯৫৪
- ➢ হিন্দু বিবাহ আইন, ১৯৫৫
- ➢ হিন্দু উত্তৰাধিকাৰী আইন,১৯৫৬, আৰু ২০০৫ চনত কৰা ইয়াৰ সংশোধনী
- ➢ অনৈতিক মানৱ সৰাবৰাহ (প্রতিৰোধ) আইন, ১৯৫৬
- ➢ প্রসূতি মাতৃক উপকৃত কৰা আইন, ১৯৬১ (১৯৯৫ চনৰ সংশোধনীৰে সৈতে)
- ➢ যৌতুক নিষেধকাৰী আইন, ১৯৬১
- ➢ চিকিৎসাজনিত কাৰণত কৰা গর্ভপাত আইন, ১৯৭১
- ➢ বন্ধুৱা মজদুৰ নিয়ন্ত্রণ নীতি আৰু নির্মূল আইন, ১৯৭৬

- সমান পাৰিশ্ৰমিক আইন, ১৯৭৬
- বাল্য বিবাহ নিষেধকাৰী আইন, ২০০৬
- ফৌজদাৰী (সংশোধিত) আইন, ১৯৮৩
- মহিলাৰ অশালীন উপস্থাপন (নিষেধকাৰী আইন ১৯৮৬
- সতী আয়োগ (প্ৰতিৰোধ) আইন, ১৯৮৭
- গার্হস্থ্য হিংসাৰ পৰা মহিলাক সুৰক্ষা প্ৰদানকাৰী আইন, ২০০৫

**মহিলাৰ বাবে থকা বিশেষ নীতি- ব্যৱস্থাসমূহ**

➢ **ৰাষ্ট্ৰীয় মহিলা আয়োগ (National Commission for Women) ঃ** ভাৰত চৰকাৰে ১৯৯২ চনত এই বিধিসন্মত অভিকৰণটো গঠন কৰিছিল। ইয়াৰ বিশেষ উদ্দেশ্যসমূহ হ'ল মহিলাসকললৈ আগবঢ়োৱা সকলোবোৰ সাংবিধানিক তথা ন্যায়িক সুৰক্ষাৰ সৈতে জড়িত বিষয়বোৰ অধ্যয়ন আৰু নিৰীক্ষণ কৰা, প্ৰচলিত বিধি-বিধানবোৰৰ পুনৰীক্ষণ কৰা আৰু প্ৰয়োজন সাপেক্ষে সংশোধনীৰ পৰামৰ্শ আগবঢ়োৱা ইত্যাদি।

➢ **স্থানীয় স্ব-নিয়ন্ত্ৰিত প্ৰশাসনীয় ব্যৱস্থাবোৰত মহিলাৰ বাবে আসন সংৰক্ষণ ঃ** সংসদে ১৯৯২ চনত গৃহীত কৰা ৭৩ সংখ্যক সংবিধান সংশোধনীৰ জৰিয়তে দেশৰ গ্ৰামাঞ্চল আৰু নগৰাঞ্চল উভয়ৰে স্থানীয় প্ৰশাসনীয় অভিকৰণবোৰৰ নিৰ্বাচনৰ জৰিয়তে সদস্য সংখ্যাক পূৰোৱা সকলোবোৰ কার্যালয়তে মুঠ সদস্য সংখ্যাৰ এক তৃতীয়াংশ আসন মহিলাৰ বাবে সংৰক্ষিত কৰা হৈছে।

➢ **কন্যা শিশুৰ বাবে ৰাষ্ট্ৰীয় কার্য পৰিকল্পনা ১৯৯১-২০০০ ঃ** দেশৰ কন্যা শিশুহঁতৰ বাবে এক উন্নততৰ ভৰিষ্যৎ গঢ়ি তোলাৰ মূল উদ্দেশ্যৰে প্ৰস্তুত কৰা এই কার্য পৰিকল্পনাৰ জৰিয়তে কন্যা শিশুৰ জীৱন বর্তাই ৰখা, সিহঁতক সুৰক্ষা প্ৰদান কৰা আৰু বিকাশ ঘটাত সহায় আগবঢ়োৱা হয়। ভাৰত চৰকাৰে ইয়াৰ উপৰি ২০১৩ চনৰ ২৬ এপ্ৰিলত 'শিশুৰ বাবে ৰাষ্ট্ৰীয় নীতি, ২০১৩' খন গৃহীত কৰিছে। ইয়াৰ লগতে 'শিশুৰ বাবে ৰাষ্ট্ৰীয় পৰিকল্পনা, ২০১৬ খনৰো খছৰা সাজু হৈ আছে।

➢ **মহিলা সবলীকৰণৰ ৰাষ্ট্ৰীয় নীতি ২০০১ ঃ** ভাৰত চৰকাৰৰ মানৱ সম্পদ বিকাশ মন্ত্ৰালয়ৰ অধীনস্থ মহিলা আৰু শিশু বিকাশ বিভাগে ২০০১ চনত মহিলা সবলীকৰণৰ ৰাষ্ট্ৰীয় নীতি প্ৰস্তুত কৰিছে। এই নীতিৰ লক্ষ্য হ'ল দেশৰ মহিলাসকলৰ উন্নয়ন সাধন কৰি তেওঁলোকৰ সবলীকৰণ ঘটোৱা। ইয়াৰ লগতে 'মহিলা সবলীকৰণৰ ৰাষ্ট্ৰীয় নীতি, ২০১৬ ' খনৰ খছৰাও সাজু কৰি ৰখা হৈছে।

- **সংবিধানৰ ৭৩ আৰু ৭৪ সংখ্যক সংশাধনী আৰু মহিলাৰ বাবে সংৰক্ষণ ঃ**

সংসদৰ ভাষাত 'সংশোধনী' (Amendment) শব্দৰ অর্থ হ'ল কোনো বিধেয়ক (প্ৰস্তাৱিত আইন)ত ঘটোৱা কোনো সাল-সলনি। সংশোধনীৰ জৰিয়তে সংসদীয় প্ৰক্ৰিয়াৰ মাজেদি আগবাঢ়ি গৈ থকা বিধেয়কবোৰৰ মান উন্নত কৰা অথবা সেইবোৰত সাল-সলনি ঘটোৱা হয়। ভাৰতীয় সংবিধানৰ ৪০ নং অনুচ্ছেদৰ জৰিয়তে চৰকাৰক স্থানীয় স্ব-নিয়ন্ত্ৰিত প্ৰশাসনীয় অনুষ্ঠান ৰূপে সেৱা আগবঢ়াব পৰাকৈ পঞ্চায়ত গঠনৰ নির্দেশ দিয়া হৈছে। দেশৰ অধিকাংশ ৰাজ্যই এই নির্দেশাত্মক নীতি বলৱন্তৰাই মেহতা আয়োগৰ প্ৰতিবেদনত সন্নিৱিষ্ট পৰামর্শৰ আধাৰত কার্যক্ষেত্ৰত প্ৰয়োগ কৰিছে। আয়োগে দেশৰ পঞ্চায়তী ৰাজ অনুষ্ঠান (PRIs)ৰ ব্যৱস্থাটো তিনি খলপীয়া কৰাৰ পৰামর্শ দিছিল। ইয়াৰ প্ৰথম খলপাত থাকিব গাওঁ স্তৰৰ মৌলিক একক 'গাওঁ পঞ্চায়ত'বোৰ। এনে গাওঁ পৰিষদবোৰ ৰাইজৰ ভোটৰ দ্বাৰা নির্বাচিত প্ৰতিনিধিৰে গঠিত হয়। ইয়াৰ পাছত থাকে উন্নয়ন খণ্ড (Block) স্তৰৰ উন্নয়ন খণ্ড পৰিষদ (উন্নয়ন খণ্ড একোটা হ'ল জিলা এখনৰ বৃহত্তৰ উপ-গোট)। তৃতীয় খলপটো হ'ল জিলা পৰিষদ। পঞ্চায়তীৰাজ অনুষ্ঠানবোৰৰ গঠনক ভাৰতৰ সবাতোকৈ গুৰুত্বপূর্ণ ৰাজনৈতিক উদ্যমবোৰৰ এটা বুলি গণ্য কৰা হয়।

বিগত বছৰবোৰত পঞ্চায়তীৰাজ ব্যৱস্থাটোৱে বহুতো সফলতা আৰু বিফলতাৰ অভিজ্ঞতা লাভ কৰিছে।

এই অনুষ্ঠানবোৰে আগবঢ়াই নিয়া কার্যকলাপবোৰ বৃহত্তৰ ভিত্তিক। কিন্তু ইয়াৰ সমল ভাণ্ডাৰ হ'ল দুর্বল। এইটো কাৰণতে দেশৰ বহুকেইখন ৰাজ্যত পঞ্চায়তী ৰাজ অনুষ্ঠানবোৰে নাগৰিকৰ প্রত্যাশা অনুসৰি কাম কৰিব পৰা নাই। পুঁজি আৰু কর্তৃপক্ষৰ নাটনিৰ বাবে ১৯৭০ৰ দশকৰ শেষার্ধলৈকে বেছিভাগ ৰাজ্যৰে পঞ্চায়তবোৰ নিষ্ক্রিয় হৈ আছিল।

পঞ্চায়তীৰাজ অনুষ্ঠানবোৰৰ কাম-কাজত বিৰূপ প্রভাৱ পেলোৱা দুটামান প্রধান সমস্যা আৰু দুর্বলতা হ'ল-

- নিয়মীয়াকৈ নির্বাচন অনুস্থিত নোহোৱা;
- ক্ষমতা আৰু সম্পদৰ হস্তান্তৰ উপযুক্ত ধৰণৰ নোহোৱা;
- নিজ সম্পদ সৃষ্টিৰ বাবে প্রয়োজন হোৱা ক্ষমতা লাভ নকৰা; আৰু
- নির্বাচিত অভিকৰণবোৰত মহিলা আৰু সমাজৰ দুর্বল শ্রেণীৰ লোকৰ প্রতিনিধিত্বৰ অভাৱ।

১৯৮৯ চনত ভাৰত চৰকাৰে পঞ্চায়তৰ ভূমিকা সবল কৰি তুলিবলৈ দুটা গুৰুত্বপূর্ণ ব্যৱস্থা গ্রহণ কৰিছিল। ইয়াৰে প্রথমটো হ'ল 'জৱাহৰ ৰোজগাৰ যোজনা'ৰ প্রৱর্তন। এই পৰিকল্পনাৰ জৰিয়তে গাওঁ পৰিষদবোৰলৈ পোনপটীয়াকৈ পুঁজিৰযোগান ধৰা হৈছিল। পৰিষদবোৰে বিভিন্ন ৰাজহুৱা কার্যত দ্বাৰা নিবনুৱা লোকক কর্মসংস্থাপনৰ সুযোগ দিয়াৰ কামতএই পুঁজি খৰচ কৰিছিল।

দ্বিতীয়তে, চৰকাৰে ৬৪ সংখ্যক সংবিধান সংশোধনী বিধেয়ক উত্থাপন কৰিছিল। ইয়াত সকলোবোৰ ৰাজ্যৰ বাবে গাওঁ, উন্নয়নখণ্ড আৰু জিলা স্তৰত তিনিখলপীয়া পঞ্চায়তী ৰাজ ব্যৱস্থা বাধ্যতামূলক কৰাৰ প্রস্তাৱ ৰখা হৈছিল। এনে ব্যৱস্থাবোৰত পঞ্চায়ত সদস্যসকলক পাঁচ বছৰীয়া কার্যকালৰ বাবে প্রত্যক্ষ নির্বাচনৰ জৰিয়তে নির্বাচিত কৰাৰ কথা কোৱা হৈছিল। স্থানীয় উন্নয়নমূলক কাম-কাজবোৰ আগবঢ়াই নিবলৈ পঞ্চায়তবোৰৰ কর্তৃত্ব আৰু পুঁজিৰ পৰিমাণ আগতকৈ বৃদ্ধি কৰাৰ প্রস্তাৱ দিয়া হৈছিল। কিন্তু পঞ্চায়তবোৰলৈ ক্ষমতা হস্তান্তৰ কৰাৰ বাবে সকলো দিশৰ পৰা গোহাৰি জনোৱা সত্বেও ৰাজ্যসভাই ৬৪ সংখ্যক সংশাধনী বিধেয়কখন অগ্রাহ্য কৰিছিল।

**৭৩ আৰু ৭৪ সংখ্যক সংবিধান সংশোধনীৰ তাৎপর্য ঃ**

দেশে লাভ কৰা সুদূৰপ্রসাৰী ফলাফলবোৰ বিবেচনা কৰি ৭৩ আৰু ৭৪ সংখ্যক সংবিধান সংশোধনী দুটাক 'এক নীৰৱ বিপ্লৱ' আখ্যা দিয়া হয়। এই সংশোধনীৰ প্রথম সুফলটো আছিল পঞ্চায়তীৰাজ অনুষ্ঠানবোৰৰ ৰাজ্য চৰকাৰ আৰু ৰাজ্যিক আইনৰ মেৰপেঁচৰ পৰা মুক্তি। পঞ্চায়তীৰাজ অনুষ্ঠানবোৰ সংবিধানৰ অংশ নাথাকিল আৰু স্ব-নিয়ন্ত্রিত চৰকাৰ অনুষ্ঠানৰ মর্যাদা লাভ কৰিলে। ইয়াৰ মর্যাদা যুক্তৰাষ্ট্র স্তৰৰ সংসদ আৰু ৰাজ্যিক স্তৰৰ বিধান সভাবোৰৰ সমান কৰা হ'ল।

সংশোধনীত প্রতি পাঁচ বছৰৰ মূৰে মূৰে নিয়মীয়া পঞ্চায়ত নির্বাচন পতাৰ পৰামর্শ সন্নিৱিষ্ট কৰা হৈছিল। ইয়াৰ উপৰি কোনো বিশেষ কাৰণত ভংগী হোৱা পঞ্চায়তীৰাজ অনুষ্ঠানবোৰৰ বাবে ছমাহৰ ভিতৰত নির্বাচন অনুস্থিত কৰাৰ কথা কোৱা হৈছিল। মুক্ত, নিকা আৰু নিয়মীয়া নির্বাচন অনুস্থিত কৰাৰ উদ্দেশ্যেৰে ৰাজ্যিক নির্বাচন আয়োগ গঠনৰ পৰামর্শ দিয়া হৈছিল। এই ক্ষেত্রত গ্রহণ কৰা সবাতোকৈ গুৰুত্বপূর্ণ বৈপ্লৱিক সিদ্ধান্তটো আছিল এনে স্থানীয় প্রশাসনীয় অভিকৰণবোৰত মহিলাৰ বাবে সর্বমুঠ আসনৰ মাজৰ এক তৃতীয়াংশ আসন সংৰক্ষিত ৰখা। ইয়াৰ উপৰি আঞ্চলিক জনসংখ্যাৰ সমানুপাতিকভাৱে এনে অভিকৰণত অনুসূচিত জাতি আৰু জনজাতিৰ মহিলাৰ বাবেও আসন সংৰক্ষণৰ দিহা কৰাহৈছিল ।

সংশোধনীৰ জৰিয়তে পঞ্চায়তী ৰাজ অনুষ্ঠানবোৰক ২৯ টা কার্য সম্পাদন কৰাৰ দায়িত্ব অর্পন কৰা হৈছিল। অনুষ্ঠানবোৰত গণতান্ত্রিক প্রমূল্য বর্তাই ৰখা, জনসাধাৰণৰ ভাৰসা অক্ষুণ্ণ ৰখা আৰু স্বচ্ছতা সুনিশ্চিত কৰিবলৈ সংশোধনীত 'গ্রাম সভা'বোৰ নির্দিষ্ট সময়ৰ বিৰতিত অনুস্থিত কৰাৰ প্রয়োজনীয়তাত জোৰ দিয়া হৈছিল। গ্রামসভাবোৰত প্রতিখন গাঁৱৰে প্রতিগৰাকী প্রাপ্তবয়স্ক বাসিন্দাৰ উপস্থিতি কামনা কৰা হৈছিল। এনে সভাবোৰে

চলাই থকা কার্যসূচী আৰু পুঁজি আবণ্টন প্রক্রিয়াত অনুমোদন জনাইছিল। চমুকৈ, সংশোধনীৰ জৰিয়তে কেইটামান কাম সুচাৰুৰূপে সমাধা কৰাৰ কথা ভবা হৈছিল। এনে গুৰুত্বপূর্ণ কাম কেইটামান হ'ল— পুঁজি আবণ্টন, সম্পাদন কৰিবলগীয়া কাম আৰু সম্পাদন কৰোঁতা।এই তিনিওটা উপাদানৰ মাজত সমন্বয় থাকিলেহে ক্ষমতাৰ ফলপ্রসূ আৰু প্রকৃত গণতান্ত্রিক বিকেন্দ্রীকৰণ সুনিশ্চিত কৰিব পৰা যাব।

পঞ্চায়তীৰাজ ব্যৱস্থাটোলৈ আমূল পৰিৱর্তন কঢ়িয়াই অনা এই সংবিধান সংশোধনী বিধেয়কখন ১৯৯৪ চনৰ ২৪ এপ্রিলৰ পৰা বলবৎ কৰা হৈছিল। ইয়াৰ দ্বাৰা—

➢ পঞ্চায়তবোৰক সাংবিধানিক মর্যাদা দিয়া হৈছিল (তাৰ আগলৈকে পঞ্চায়তৰ সৈতে জড়িতসকলো কথাকে ৰাজ্যিক বিষয় বুলি গণ্য কৰা হৈছিল);

➢ দেশৰ গাওঁ, উন্নয়ন খণ্ড আৰু জিলা স্তৰত তিনি খলপীয়া পঞ্চায়তী ৰাজ ব্যৱস্থাৰ আনুষ্ঠানিকীকৰণ ঘটোৱা হৈছিল;

➢ ৰাজ্যিক নির্বাচন আয়োগৰ তদাৰকত অনুস্থিত নির্বাচনৰ জৰিয়তে সকলো পঞ্চায়ত সদস্যকে পাঁচ বছৰীয়া কার্যকালৰ বাবে নির্বাচিত কৰা হৈছিল।

- **স্থানীয় প্রশাসনত মহিলাৰ অংশগ্রহণ ঃ**

সংবিধানৰ ৭৩ আৰু ৭৪ সংখ্যক সংশোধনীৰ আগৰে পৰা স্থানীয় প্রশাসনীয় ব্যৱস্থাবোৰত কিছু সংখ্যক মহিলা সদস্য আছিল যদিও তেওঁলোকৰ সংখ্য আঙুলিমূৰত গণিব পৰা ধৰণৰ আছিল। বেছিভাগ ক্ষেত্রতে পুৰণি পদ্ধতিৰ পঞ্চায়তীৰাজ অনুষ্ঠানবোৰত ৰাজ্যিক আইন অনুসৰি অতি কমেও এখন নাইবা দুখন আসন মহিলাৰ বাবে সংৰক্ষিত আছিল। প্রায়েই এই আসনবোৰ মনোনয়নৰ দ্বাৰা পূৰোৱা হৈছিল।

এনে আসনবোৰৰ বাবে মনোনীত অধিকাংশ মহিলাই আছিল উচ্চ জাতিৰ অভিজাত পৰিয়ালৰ সদস্যা। এনে মহিলাৰ হাতত মাটি-সম্পত্তি আছিল বাবে পৰিয়াল, সম্প্রদায় আৰু শ্রেণী সকলোতে উচ্চ পর্যায়ৰ মর্যাদা লাভ কৰিছিল। এই মহিলাসকল সাধাৰণতে প্রতিষ্ঠিত ৰাজনৈতিক নেতাৰ পৰিয়ালৰ সৈতে জড়িত আছিল। তেওঁলোক যিহেতু প্রতীকি প্রতিনিধিহে আছিল, সেয়েহে তেওঁলোকৰ পঞ্চায়তী ৰাজ অনুষ্ঠানবোৰৰ কাম-কাজৰ প্রতি কোনো ধৰণৰ সক্রিয় আগ্রহ নাছিল। প্রাপ্তবয়স্ক ভোটাৰে দিয়া ভোটৰ ভিত্তিত অনুস্থিত প্রতিদ্বন্দ্বিতামূলক নির্বাচন আৰু মহিলাৰ বাবে আসন সংৰক্ষণৰ নতুন ব্যৱস্থাটোৱে এই পৰিস্থিতি সম্পূর্ণ সলনি কৰিলে।

সংসদত মহিলাৰ বাবে আসন সংৰক্ষণৰ বিষয়টোক লৈ বিতর্ক চলাৰ সময়ত বহুতো সাংসদে এই সন্দেহ প্রকাশ কৰিছিল যে ইমান অধিক সংখ্যক মহিলা নির্বাচনত প্রতিদ্বন্দ্বিতা কৰিবলৈ আগবাঢ়ি নাহিবও পাৰে। কিন্তু পাছতএই সন্দেহ অমূলক বুলি প্রমাণিত হৈছিল।

দেশৰ আটাইবোৰ স্থানীয় অভিকৰণতে মহিলাৰ বাবে ১০ লাখতকৈও অধিক আসন সংৰক্ষিত কৰা হৈছিল। এই আসনবোৰত প্রতিদ্বন্দ্বিতা কৰিবলৈ ৫০ লাখতকৈও অধিক মহিলা প্রার্থী আগবাঢ়ি আহিছিল। সেই দিশেৰে প্রতিখন আসনৰ বাবে গড় হিচাপত পাঁচগৰাকী মহিলাই প্রতিদ্বন্দ্বিতা কৰিছিল। ইয়াৰ উপৰি বহুতো মহিলাই পুৰুষ প্রার্থীক পৰাজিত কৰি অসংৰক্ষিত অথবা সাধাৰণ আসনতো জয়লাভ কৰিছিল। এনে ঘটনা যথেষ্ট কম যদিও ইয়াৰ যথেষ্ট তাৎপর্য আছিল।

এই নির্বাচনত মহিলা (অনুসূচিত জাতি আৰু জনজাতিৰ মহিলা)ৰ বাবে সাধাৰণ সদস্য পদৰ বাবেই আসন সংৰক্ষণ কৰা হোৱা নাছিল। বিষয়ববীয়া পর্যায়ৰ বাবেও এক তৃতীয়াংশ আসন সংৰক্ষণ কৰা হৈছিল। অর্থাৎ, সৰপঞ্চ অথবা পঞ্চায়তৰ সভানেত্রী পদৰ বাবেও এক তৃতীয়াংশ আসন মহিলাৰ বাবে আছুতীয়াকৈ ৰখা হৈছিল।

আনুষ্ঠানিক প্রাক্কলন অনুসৰি সমগ্র দেশতে ২৩১, ৬৩০ খন গ্রাম পঞ্চায়ত (গাওঁ পৰিষদ) আছে। ইয়াৰে ৭৭,২১০ খনতকৈও অধিক পঞ্চায়তত মহিলা সৰপঞ্চ আছে। মধ্যৱর্তী স্তৰত ৫,৯১২ খন তালুকা (অথবা

উন্নয়ন খণ্ড/ উন্নয়ন মণ্ডল) পঞ্চায়ত সমিতি আছে। ইয়াৰে ১,৯৭০ খনতকৈও অধিক সমিতিত মহিলা সভানেত্রী আছে। দেশত থকা জিলা পৰিষদৰ মুঠ সংখ্যা হ'ল ৫৯৪ খন। ইয়াৰে ২০০ খনত মহিলা সভানেত্রীয়ে কার্যনির্বাহ কৰি আছে। অর্থাৎ, পঞ্চায়তী ৰাজ ব্যৱস্থাত মহিলা সদস্যাৰ অনুপাত গণনা কৰি চালে দেখিম যে গ্রামাঞ্চল আৰু নগৰাঞ্চল উভয়ৰে স্থানীয় স্ব-নিয়ন্ত্রিত প্রশাসনীয় অভিকৰণবোৰত প্রায় দহ লাখ মহিলাই সদস্যা নাইবা মুৰব্বীৰ পদত কার্যনির্বাহ কৰি আছে। এই তথ্য সমগ্র বিশ্বৰ বাবে উদাহৰণস্বৰূপ হ'ব পাৰে।

অৱশ্যে মহিলাৰ অংশগ্রহণৰ হাৰ ৰাজ্যভেদে বেলেগ বেলেগ। তথাপিও অধিকাংশ ৰাজ্যই, শতাংশৰ সাংবিধানিক লক্ষ্যত উপনীত হ'ব পাৰিছে। কিছুমান ৰাজ্যই এই শতকৰা হাৰ অতিক্রম কৰি গৈছে। যেনে- কর্ণাটকত ৪৩.৬% মহিলাই স্থানীয় অভিকৰণবোৰৰ বিভিন্ন আসন দখল কৰি আছে। ইয়াৰ অর্থ এইটোৱেই যে যথেষ্ট সংখ্যক মহিলা সাধাৰণ (অসংৰক্ষিত) আসনত বিজয়ী হৈছে। ই ভৱিষ্যতে এক তাৎপর্যপূর্ণ ধাৰাৰ বিকাশ ঘটাব বুলি ভবা হৈছে।

মহিলাৰ বাবে বিধিসন্মত আসন সংৰক্ষণ ব্যৱস্থাই ৰাজনৈতিক প্রক্রিয়াৰ জৰিয়তে উন্নয়নমূলক কাম-কাজত মহিলাৰ আনুষ্ঠানিক অংশগ্রহণৰ পথ সুচল কৰি তুলিছে। তৃণমূল স্তৰৰ পৰা আৰম্ভ হোৱা এই প্রক্রিয়াই মহিলাসকলক স্থানীয় চৰকাৰৰ সিদ্ধান্তবোৰক প্রভাৱিত কৰাৰ ক্ষমতা প্রদান কৰিছে।

### অগ্রগতি নিৰীক্ষণ

**প্রশ্ন নং ১ ঃ** মহিলাৰ অধিকাৰক ৰক্ষণাবেক্ষণ দিবলৈ ভাৰতীয় সংবিধানত সন্নিৱিষ্ট ধাৰাকেইটা হ'ল.....।

.....

**প্রশ্ন নং ২ ঃ** সংবিধান সংশোধনী বিধেয়কখন..... পৰা বলবৎ কৰা হৈছিল।

.....

## ১৩.৪ নাৰী মুক্তিৰ আহিলা ৰূপে আইন

যিকোনো সমাজৰে প্রতিটো ধর্মৰে বিবাহ, উত্তৰাধিকাৰ, বিবাহ-বিচ্ছেদ, দত্তক গ্রহণ আদি বিষয়ৰ পৃথক পৃথক আইন থাকে। এই সকলোবোৰকে একেলগ কৰি ভাৰতত ইয়াক 'ব্যক্তিগত আইন' নাম দিয়া হৈছে। ১৭৭২ চনত ৱাৰেণ হেষ্টিংচে ভাৰতৰ বাবে প্রথম 'ব্যক্তিগত আইন' প্রস্তুত কৰিছিল। এই আইনৰ অধীনত আকৌ ১৩ খন বেলেগ বেলেগ আইন আছে। এই আইন কেইখনৰ সহায়ত ভাৰতৰ ভিন ভিন ধর্ম আৰু গোচৰৰ ক্ষেত্রত প্রযোজ্য ব্যক্তিগত আইন, বিবাহ তথা বিবাহ-বিচ্ছেদৰ দৰে সাধাৰণ সমস্যাবোৰ নিষ্পত্তিৰ প্রচেষ্টা চলোৱা হয়। ভাৰতত ব্যক্তিগত আইনৰ প্রচলন থকা হেতুকে পুৰুষতকৈ নাৰীৰ অধিকাৰ কিছু কম আৰু সকলো মহিলা অধিকাৰ একে নহয়।

ভাৰতৰ ইছলাম ধর্মপ্রধান অঞ্চলবোৰত 'অল ইণ্ডিয়া মুছলিম পার্ছনেল ল বোর্ড' নামৰ অনা-চৰকাৰী সংস্থাটোৱে ব্যক্তিগত আইনৰ প্রচাৰ চলায়, প্রয়োজন সাপেক্ষে এই আইন প্রয়োগ কৰে আৰু আইন প্রয়োগৰ নির্দেশনা আগবঢ়ায়। এই সংস্থাটোৱে মহিলা আৰু সমলৈঙ্গিকসকলক অধিকাৰ প্রদানৰ তীব্র বিৰোধিতা কৰাৰ উপৰি সকলো শিশুৰ বাবে বিনামূলীয়া শিক্ষানীতি (বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা আইন, ২০০৯ ) আৰু 'যোগা' (সাধাৰণ অর্থত বৈদিক সংস্কৃতিৰ প্রচাৰ )ৰ বিৰোধিতা কৰে। ইয়াৰ সলনি বোর্ডে বাল্য বিবাহ প্রচলন, একাধিক পত্নী গ্রহণ, তিনি তালাক প্রথা বাহাল ৰখাৰ অনুমতি আদায়ত জোৰ দি আহিছে। বোর্ডে ইছলাম ধর্মটোৰ

স্বয়ম্ভু অভিভাৱক (আইনৰ উৰ্দ্ধৰ ধৰ্মীয় কৰ্তৃপক্ষ) সকলৰ পৃষ্ঠপোষকতা কৰে। বৰ্তমান ভাৰতৰ বহুতো মুছলমান মহিলাই বোৰ্ড আৰু 'মুছলিম আইন'ৰ বিৰুদ্ধে মাত মতা আৰম্ভ কৰিছে।

মুছলিম ব্যক্তিগত আইনৰ অধীনত এজন পুৰুষে তিনিবাৰ 'তালাক' শব্দটো উচ্চাৰণ কৰি বিবাহ-বিচ্ছেদ কৰিব পাৰে। এই আইন অনুসৰি ছোৱালী ১৫ বছৰীয়া হ'লেই বৈধভাৱে বিয়া দিব পাৰি। এই নিয়ম বাল্য বিবাহ নিষেধ আইন, ১৯২৯ (২০০৬ চনৰ সংশোধনীৰে সৈতে)ৰ পৰিপন্থী। ১৯২৯ চনৰ আইন মতে ছোৱালীৰ বৈধ বিবাহোপযুক্ত বয়স হ'ল অতি কমেও ১৮ বছৰ ।

মুছলিম ব্যক্তিগত আইনে ভাৰতৰ মুছলমান পুৰুষক একাধিক পত্নী ৰখাৰ অনুমতি দিয়ে। এই আইন অনুসৰি এজন ভাৰতীয় মুছলমান পুৰুষৰ সর্বাধিক ৪ গৰাকী পত্নী থাকিব পাৰে। অৱশ্যে, হিন্দু বিবাহ আইন, ১৯৫৫ অনুসৰি গোৱাৰ হিন্দু পুৰুষসকলেও বহুপত্নী ৰখাৰ সুযোগ পায়। দেশৰ আদিবাসী সম্প্রদায় (১৫%) , বৌদ্ধ ধৰ্মী লোক (৮%), মুছলমান (৬%) আৰু হিন্দু (৬%) ই অবৈধভাৱে বহুপত্নী ৰখাৰ প্রথা অনুশীলন কৰে।

খ্রীষ্টিয়ান ধৰ্মৰ ব্যক্তিগত আইনে নাৰীক নিজৰ মৃত সন্তানৰ সম্পত্তি অথবা মাটিৰ উত্তৰাধিকাৰী হোৱাৰ অনুমতি নিদিয়ে। এহাল খ্রীষ্টিয়ান দম্পতীয়ে বিয়া হোৱাৰ দিনটোৰ পৰা দুবছৰ পাৰ নোহোৱালৈকে বিবাহ বিচ্ছেদৰ বাবে আবেদন কৰিব নোৱাৰে। অন্য সম্প্রদায়বোৰৰ ক্ষেত্রত বিবাহৰ অতি কমেও এবছৰৰ পাছত বিবাহ বিচ্ছেদ বিচাৰি আবেদন কৰাৰ সুবিধা আছে।

**একৰূপী নাগৰিক সংহিতা (Uniform Civil Code) ঃ**

ধৰ্ম আৰু উপাসনা স্থানে আইনক কোনোধৰণে পৰিচালনা কৰিব নোৱাৰে। দেশত বিভিন্ন দৃষ্টিভংগীৰ এনে এক সমষ্টি আছে যিটোৱে এই কথাত সহমত পোষণ কৰে যে ব্যক্তিগত আইনবোৰ বৈষম্যমূলক আৰু পক্ষপাতপূর্ণ। এই আইনবোৰ এখন একৰূপী নাগৰিক সংহিতা প্রচলনৰ দ্বাৰা নাইকিয়া কৰা উচিত। এই কথাটো মনত ৰখাটোও প্রয়োজনীয় যে আমাৰ পৰিৱর্তিত দৃষ্টিভংগীৰ সৈতে খাপ খোৱাকৈ আৰু এই দৃষ্টিভংগীবোৰ উপস্থাপন কৰিব পৰাকৈ সময়ত ন্যায়িক ব্যৱস্থাটোৰ বিৱর্তন ঘটে।

এই পৃষ্ঠভূমিতে ভাৰতৰ সকলোবোৰ ব্যক্তিগত আইন নিষ্ক্রিয় কৰি তুলিবলৈ নতুন আইনৰ এটা সমষ্টি প্রস্তাৱ কৰা হৈছে। ইয়াকেই একৰূপী নাগৰিক সংহিতা নাম দিয়া হৈছে। ঐতিহাসিকভাৱে, বিংশ শতিকাৰ আৰম্ভণিতে নাৰী সমাজ সেৰিকাসকলে পোনপ্রথমে একৰূপী নাগৰিক সংহিতা প্রচলনৰ প্রস্তাৱ উত্থাপন কৰিছিল। কিন্তু সমগ্র শতিকাজুৰি বিভিন্ন মহলে এই প্রস্তাৱৰ বিৰোধিতা কৰি গ'ল।আজিৰ প্রস্তাৱটোৱে তীব্র বিৰোধিতাৰ সন্মুখীন হৈ আছে। কথাটোলৈ লক্ষ্য কৰি আমি এইবুলি যুক্তি তর্কত লিপ্ত হ'ব পাৰোঁ যে আমাৰ সমাজখনক কেৱল আদর্শগতভাৱেহে সমতা, স্বাধীনতা, ন্যায় আৰু ভ্রাতৃত্ববোধৰ সার্বজনীন নীতিৰ আধাৱত গঢ় লৈ উঠা বুলি কোৱা হয়। একাংশৰ যুক্তি অনুসৰি এখন একৰূপী নাগৰিক সংহিতাই ভাৰতৰ নাগৰিকক জাতি, সামাজিক লিংগ, সম্প্রদায় অথবা ধৰ্ম নির্বিশেষে সমাজ ন্যায় প্রদান কৰিব আৰু আইনৰ সন্মুখত সমভাবে থিয় কৰাব পাৰে। আদালতত সকলো লোকৰ ক্ষেত্রত একে আইনেই প্রযোজ্য হ'ব। গোৱাত ইতিমধ্যে একৰূপী নাগৰিক সংহিতা আৰু উমৈহতীয়া পাৰিবাৰিক আইনৰ প্রচলন আৰম্ভ হৈছে। কিন্তু, বৰ্তমানলৈকে সমগ্র ভাৰতৰ বাবে প্রস্তাৱিত একৰূপী নাগৰিক সংহিতাৰ আনুষ্ঠানিক খছৰা সম্পূর্ণ হৈ উঠা নাই।

মহিলাৰ সৈতে জড়িত আইনবোৰক দুটা প্রধান ভাগত ভগাব পাৰি—

- **ভাৰতীয় দণ্ডবিধি আইন (Indian Penal Code) ঃ**

➢ **বলাৎকাৰ (ধাৰা ৩৭৬, (IPC) ঃ** এটা বলাৎকাৰীক অতি কমেও সাত বছৰৰ বাবে সশ্রম কাৰাদণ্ড বিহা হ'ব, এই শাস্তি প্রয়োজন সাপেক্ষে যাৱজ্জীৱনলৈ সম্প্রসাৰিত কৰা হ'ব, আৰু শাস্তিৰ সৈতে জৰিমনাও ভৰিব লাগিব।

- **বিভিন্ন উদ্দেশ্যত কৰা অপহৰণ, নাৰীহৰণ ফুলচুৰি (ধাৰা ৩৬৩,৩৭৩ (IPC) ঃ** নাবালকক ভিখাৰী সজাৰ উদ্দেশ্যেৰে অপৰহণ কৰোতা অথবা নাবালিকা / মহিলাক গণিকা বৃত্তিত নমোৱা অথবা অবৈধ শাৰীৰিক সম্পর্ক স্থাপনৰ বাবে নাৰীহৰণ কৰোতাক অপকর্মৰ ভিত্তিত দহ বছৰ পর্যন্ত কাৰাদণ্ড বিহা হ'ব পাৰে, আৰু এনে অপৰাধীয়ে জৰিমনাও ভৰিব লাগিব।
- **যৌতুকৰ বাবে হত্যা, যৌতুকজনিত মৃত্যু অথবা যৌতুকৰ বাবে হত্যা কৰাৰ চেষ্টা (ধাৰা ৩০২/৩০৮, B, IPC) ঃ** অগ্নিদগ্ধ হৈ অথবা শাৰীৰিক আঘাতৰ চিন অথবা অন্যধৰণৰ লক্ষণে দেখা দিয়াৰ বাবে কোনো মহিলাৰ মৃত্যু হ'ল অথবা আঘাতপ্রাপ্ত হ'লে আইনৰ উল্লিখিতধাৰাৰ অধীনত সমুচিত শাস্তি বিহা হ'ব পাৰে।

● **বিশেষ আইন ঃ**

সকলো ভাৰতীয় আইনেই কোনো একোটা বিশেষ সামাজিক লিংগ নির্দিষ্ট নহয়। মহিলাক তাৎপর্যপূর্ণভাৱে প্রভাৱিত কৰা নীতি-নিয়মবোৰ সময়ে সময়ে পুনৰীক্ষণ কৰা হয় আৰু নতুন প্রয়োজন অনুসৰি সংশোধন কৰি লোৱা হয়। মহিলাক ৰক্ষণাবেক্ষণ দিয়াৰ বিশেষ সুবিধা থকা আইন দুখন হ'ল—

- **যৌতুক নিষিদ্ধকাৰী আইন ১৯৬১ ঃ** এটা আইনৰ জৰিয়তে 'বিবাহৰ কাৰণ বিবেচনাৰ উপায়' ৰূপে যৌতুকৰ অনুৰোধ, যৌতুক আদায় অথবা যৌতুক গ্রহণ নিষিদ্ধ কৰা হৈছে। ইয়াত 'যৌতুক' মানে দাবী কৰা উপহাৰ অথবা বিবাহৰ বাবে বান্ধি দিয়া পূর্বচর্তৰ কথা বুজোৱা হৈছে। কোনো পূর্বচর্ত নথকা উপহাৰক যৌতুক বুলি গণ্য কৰা নহয়। এনে উপহাৰক আইনৰ ধাৰা ৩ (২) অনুসৰি বৈধ বুলি ধৰা হয়।
- **মহিলাক গার্হস্থ্য হিংসাৰ পৰা সুৰক্ষা প্রদানকাৰী আইন, ২০০৫ ঃ** এই আইনখনৰ দ্বাৰা পত্নী অথবা মহিলা সহবাস সংগী (live in partner)ৰ ওপৰত চলা ঘৰুৱা হিংসা অথবা মাৰপিটৰ পৰা মহিলাসকলক সুৰক্ষা দিয়া হয়। এনে হিংসা স্বামী, পুৰুষ সহবাস সংগী অথবা তেওঁৰ সম্পর্কীয় লোকৰ দ্বাৰা সৃষ্ট হ'ব পাৰে। আইনখনৰ জৰিয়তে কোনো পৰিয়ালত ভগ্নী, বিধৱা অথবা মাতৃৰূপে বাস কৰি থকা মহিলাকো ঘৰুৱা হিংসাৰ বলি হোৱাৰ পৰা সুৰক্ষিত ৰখা হয়।

## ১৩.৫ মানৱ অধিকাৰ হিচাপে মহিলাৰ অধিকাৰ

সাধাৰণ অর্থত মহিলা আৰু কন্যা শিশুৰ অধিকাৰবোৰো মানৱ অধিকাৰৰ অংশ। এই অধিকাৰবোৰে জীৱনৰ সকলো দিশ, যেনে- স্বাস্থ্য, শিক্ষা, ৰাজনৈতিক অংশগ্রহণ, অর্থনৈতিক কল্যাণ, হিংসাৰ পৰা মুক্তি আদি সামৰি লয়। মহিলা আৰু কন্যা শিশুৰ অইনৰ দৰেই সকলোবোৰ মানৱ অধিকাৰ উপভোগ কৰাৰ সম্পূর্ণ তথা সমান অধিকাৰ আছে। তেওঁলোকৰো সকলো ধৰণৰ বৈষম্যৰ পৰা মুক্ত হোৱাৰ অধিকাৰ আছে। মহিলাৰ অধিকাৰ হ'ল মৌলিক মানৱ অধিকাৰ। আজিৰ পৰা প্রায় ৭০ বছৰ আগতে ৰাষ্ট্রসংঘই এই অধিকাৰবোৰ বিশ্বৰ সকলো মানুহৰ বাবে নিৰূপণ কৰিছিল। এনে অধিকাৰবোৰৰ ভিতৰত প্রধান হ'ল— হিংসা, দাসত্ব আৰু বৈষম্যৰ পৰা মুক্ত জীৱন যাপনৰ অধিকাৰ, শিক্ষিতহোৱাৰ অধিকাৰ, সম্পত্তিৰ গৰাকী হোৱাৰ অধিকাৰ, ভোট দিয়াৰ অধিকাৰ, ন্যায্য আৰু সমান মজুৰি উপার্জনৰ অধিকাৰ।

ৰাষ্ট্রসংঘৰ ঘোষণাপত্র অনুসৰণ কৰি মহিলাৰ অধিকাৰ সম্পর্কে যুগুত কৰা গুৰুত্বপূর্ণ নথি দুখনৰ কথা চমুকৈ আলোচনা কৰা হ'ল। ইয়াৰে এখন হ'ল মহিলাৰ অধিকাৰ বিষয়ক আন্তঃৰাষ্ট্রীয় বিধেয়ক 'নাৰীৰ বিৰুদ্ধে চলা সকলো ধৰণৰ বৈষম্য নির্মূলকৰণ বিষয়ক সন্মিলন' অথবা (CEDAW)। এই বিধেয়কখনৰ দ্বাৰা সকলো ৰাষ্ট্রৰ চৰকাৰকে সামাজিক লিংগভিত্তিক বৈষম্যৰ ওৰ পেলোৱা আৰু পৰিয়াল পৰিকল্পনাকে ধৰি স্বাস্থ্য সেৱাৰ সৈতে জড়িত সকলো নাৰী অধিকাৰ সুনিশ্চিত কৰাৰ ব্যৱস্থা গ্রহণ কৰাৰ আহ্বান জনোৱা হৈছে। আনখন হ'ল ১৯৯৫

চনত বেইজিঙত অনুস্থিত ৰাষ্ট্রসংঘৰ চতুর্থ বিশ্ব সম্মিলনত গৃহীত 'বেইজিং ঘোষণাপত্র আৰু কার্য সম্পাদন মঞ্চ' নথি। ইয়াৰ জৰিয়তে সামাজিক লিংগভিত্তিক সমতা স্থাপন আৰু জীৱনৰ সকলো দিশতে নাৰীৰ অধিকাৰ ৰক্ষাৰ আহ্বান জনোৱা হৈছে।

## ১৩.৬ সামাজিক লিংগ আৰু মানৱ অধিকাৰ

ৰাষ্ট্রসংঘৰ সহস্রাব্দ উন্নয়ন লক্ষ্যবোৰত দৰিদ্রতা হ্রাস কৰাৰ বিশেষ উদ্দেশ্য বান্ধি লোৱা হৈছে। ইয়াত সামাজিক লিংগভিত্তিক সমতাৰ মাত্রা বৃদ্ধি কৰাৰ কথাও কোৱা হৈছে। শিক্ষা, কর্ম আৰু প্রতিনিধিত্বৰ ক্ষেত্রত বিশেষভাৱে লিংগভিত্তিক সমতা স্থাপনৰ প্রয়াস চলাই থকা হৈছে। ৰাষ্ট্রসংঘৰ মহিলা আয়োগে বিভিন্ন অধ্যয়নৰ পৰা গম পাইছিল যে বিশ্বত মহিলাৰ অগ্রগতি সকলোতে একে সমান নহয়। পৰিৱর্তিত সময়ত বিশ্বৰ আগতকৈ যথেষ্ট অধিক মহিলাই বিদ্যালয়ত শিক্ষালাভৰ তথা উপার্জনৰ বাবে কাম কৰাৰ সুবিধা পাইছে। তথাপিও, আধাতে বিদ্যালয় এৰা শিক্ষার্থীৰ মাজত ছোৱালীৰ সংখ্যা (বিশেষকৈ মাধ্যমিক পর্যায়ত) অধিক হৈয়েই আছে। নির্বাচনৰ জৰিয়তে পদ পুৰণ কৰা কার্যালয়বোৰত মহিলা সদস্যাৰ সংখ্যা বাঢ়িছে যদিও মাত্র ২১.৮% মহিলাইহে সাংসদৰ পদ দখল কৰি আছে। ইয়াৰ উপৰি বহুতো ক্ষেত্রত এতিয়াও মহিলাৰ অধিকাৰ বিপদাপন্ন হৈ আছে। মহিলাৰ বিৰুদ্ধে চলা নানা প্রকাৰৰ হিংসা, যৌন নির্যাতন আৰু সন্তান জন্ম দিয়াৰ অধিকাৰ বিষয় সহস্রাব্দৰ লক্ষ্যত অন্তর্ভুক্ত কৰা হোৱা নাই। লগতে , জাতি, সম্প্রদায়, জৈৰিক লিংগ, উপার্জন অথবা বাসস্থানৰ ভিত্তিতএতিয়াও বহুতো মহিলাক নানা সা-সুবিধাৰ পৰা বঞ্চিত এটা অৱহেলিত শ্রেণী কৰি ৰখা হৈছে।

নতুন বহনক্ষম উন্নয়ন লক্ষ্য (SDGs)বোৰে মহিলাৰ অধিকাৰক নতুন মাত্রা দিয়াৰ প্রতিশ্রুতি বহন কৰিছে। ইয়াত ৫ টা লক্ষ্যৰ ভিতৰত ৫ নং নির্দিষ্ট লক্ষ্যটোত সামাজিক লিংগভিত্তিক সমতা স্থাপনৰ বাবে কৰণীয়বোৰ অন্তর্ভুক্ত কৰা হৈছে। ৫ নং লক্ষ্যটো বৃহত্তৰ পৰিসৰৰ আৰু ইয়াত সামাজিক লিংগ ভিত্তিক হিংসাৰ ওৰ পেলোৱা, বাল্য বিবাহ নিমূল কৰা, মহিলাৰ যৌনাংগ ঘৃণীয়া কৰা প্রথাৰ ওৰ পেলোৱা, মহিলাক যৌ আৰু প্রজনন বিষয়ক স্বাস্থ্য সেৱা আগবঢ়োৱাটো সুনিশ্চিত কৰাৰ কথা কোৱা হৈছে। এই লক্ষ্যত মহিলাক শিক্ষা লাভৰ সমান সুযোগ দিয়াৰ লগতে অর্থনৈতিক সা-সুবিধাবোৰ মহিলাৰ বাবেও সম্প্রসাৰিত কৰাৰ কথা উল্লেখ কৰা হৈছে। এইবোৰৰ লগতে মহিলা আৰু কন্যা শিশুই পালন কৰি অহা মজুৰি বিহীন সেৱা- যত্ন বিষয়ক কাম-কাজৰ বোজা লাঘৱ কৰাৰ কথাও লক্ষ্যটোত অন্তর্ভুক্ত কৰা হৈছে।

## ১৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতীয় সংবিধানত সামাজিক লিংগভিত্তিক সমতাৰ নীতি অন্তর্ভুক্ত কৰা হৈছে।
- দেশৰ সংবিধানে মহিলাসকলক সমতা প্রদানৰ নিশ্চিতি দিয়াৰ উপৰি ৰাজ্যবোৰক মহিলাৰ অনুকূল ইতিবাচক বৈষম্য প্রদর্শনকাৰী ব্যৱস্থা গ্রহণৰ ক্ষমতা প্রদান কৰিছে।
- সাধাৰণ অর্থত মহিলা আৰু কন্যা শিশুৰ অধিকাৰবোৰো মানৱ অধিকাৰৰ অংশ। এই অধিকাৰবোৰে জীৱনৰ সকলো দিশ, যেনে- স্বাস্থ্য, শিক্ষা, ৰাজনৈতিক অংশগ্রহণ, অর্থনৈতিক কল্যাণ, হিংসাৰ পৰা মুক্তি আদি সামৰি লয়।
- মহিলা আৰু কন্যা শিশুৰ অইনৰ দৰেই সকলোবোৰ মানৱ অধিকাৰ উপভোগ কৰাৰ সম্পর্ণ তথা সমান অধিকাৰ আছে। তেওঁলোকৰো সকলো ধৰণৰ বৈষম্যৰ পৰা মুক্ত হোৱাৰ অধিকাৰ আছে।
- সংসদৰ ভাষাত 'সংশোধনী' (Amendment) শব্দৰ অর্থ হ'ল কোনো বিধেয়ক (প্রস্তাৱিত আইন)ত

ঘটোৱা কোনো সাল-সলনি। সংশোধনীৰ জৰিয়তে সংসদীয় প্ৰক্ৰিয়াৰ মাজেদি আগবাঢ়ি গৈ থকা বিধেয়কবোৰৰ মান উন্নত কৰা অথবা সেইবোৰত সাল-সলনি ঘটোৱা হয়।

- ভাৰতীয় সংবিধানৰ ৪০ নং অনুচ্ছেদৰ জৰিয়তে চৰকাৰক স্থানীয় স্ব-নিয়ন্ত্ৰিত প্ৰশাসনীয় অনুষ্ঠান ৰূপে সেৱা আগবঢ়াব পৰাকৈ পঞ্চায়ত গঠনৰ নিৰ্দেশ দিয়া হৈছে। দেশৰ অধিকাংশ ৰাজ্যই এই নিৰ্দেশাত্মক নীতি বলৱন্তৰাই মেহতা আয়োগৰ প্ৰতিবেদনত সন্নিৱিষ্ট পৰামৰ্শৰ আধাৰত কাৰ্যক্ষেত্ৰত প্ৰয়োগ কৰিছে।
- আয়োগে দেশৰ পঞ্চায়তীৰাজ অনুষ্ঠান (PRIs)ৰ ব্যৱস্থাটো তিনি খলপীয়া কৰাৰ পৰামৰ্শ দিছিল। ইয়াৰ প্ৰথম খলপত থাকিব গাওঁ স্তৰৰ মৌলিক একক 'গাওঁ পঞ্চায়ত'বোৰ। এনে গাওঁ পৰিষদবোৰ ৰাইজৰ ভোটৰ দ্বাৰা নিৰ্বাচিত প্ৰতিনিধিৰে গঠিত হয়। ইয়াৰ পাছত থাকে উন্নয়ন খণ্ড (Block) স্তৰৰ উন্নয়ন খণ্ড পৰিষদ (উন্নয়ন খণ্ড একোটা হ'ল জিলা এখনৰ বৃহত্তৰ উপ-গোট)। তৃতীয় খলপটো হ'ল জিলা পৰিষদ।
- ৰাষ্ট্ৰসংঘৰ সহস্ৰাব্দ উন্নয়ন লক্ষ্যবোৰত দৰিদ্ৰতা হ্ৰাস কৰাৰ বিশেষ উদ্দেশ্য বান্ধি লোৱা হৈছে। ইয়াত সামাজিক লিংগভিত্তিক সমতাৰ মাত্ৰা বৃদ্ধি কৰাৰ কথাও কোৱা হৈছে। শিক্ষা, কৰ্ম আৰু প্ৰতিনিধিত্বৰ ক্ষেত্ৰত বিশেষভাৱে লিংগভিত্তিক সমতা স্থাপনৰ প্ৰয়াস চলাই থকা হৈছে। ৰাষ্ট্ৰসংঘৰ মহিলা আয়োগে বিভিন্ন অধ্যয়নৰ পৰা গম পাইছিল যে বিশ্বত মহিলাৰ অগ্ৰগতি সকলোতে একে সমান নহয়। পৰিৱৰ্তিত সময়ত বিশ্বৰ আগতকৈ যথেষ্ট অধিক মহিলাই বিদ্যালয়ত শিক্ষালাভৰ তথা উপাৰ্জনৰ বাবে কাম কৰাৰ সুবিধা পাইছে। তথাপিও, আধাতে বিদ্যালয় এৰা শিক্ষাৰ্থীৰ মাজত ছোৱালীৰ সংখ্যা (বিশেষকৈ মাধ্যমিক পৰ্যায়ত) অধিক হৈয়েই আছে।
- ৰাষ্ট্ৰসংঘৰ মহিলা আয়োগে বিভিন্ন অধ্যয়নৰ পৰা গম পাইছিল যে বিশ্বত মহিলাৰ অগ্ৰগতি সকলোতে একে সমান নহয়। পৰিৱৰ্তিত সময়ত বিশ্বৰ আগতকৈ যথেষ্ট অধিক মহিলাই বিদ্যালয়ত শিক্ষালাভৰ তথা উপাৰ্জনৰ বাবে কাম কৰাৰ সুবিধা পাইছে। তথাপিও, আধাতে বিদ্যালয় এৰা শিক্ষাৰ্থীৰ মাজত ছোৱালীৰ সংখ্যা (বিশেষকৈ মাধ্যমিক পৰ্যায়ত) অধিক হৈয়েই আছে।

## ১৩.৮ অধিক জানিবলৈ

**ইংৰাজী গ্ৰন্থ ঃ**

1) Bakshi, P.M.(2006), *The Constitution of India*, Universal Law Publishing Co. Pvt.Ltd.,Delhi

2) Chaterjee,Mohini(2004) , "*Feminism and Women's Human Rights*", Aavishkar Publishers, India.

## ১৩.৯ অগ্ৰগতিৰ খতিয়ান

**উত্তৰসমূহ ঃ**

**১নং প্ৰশ্নৰ উত্তৰ ঃ** (ক) ১৪,১৫, ১৫ (৩), ১৬,৩৯ (a ), ৩৯, (b) ৩৯ (c) আৰু ৪২ (খ) ১৯৯৪ চনৰ ২৪ এপ্ৰিলৰ

## ১৩.১০ আৰ্হি প্ৰশ্ন

**(ক) চমুটোকা লিখক ঃ** (প্ৰায় ১৫০টা মান শব্দৰ ভিতৰত)

**প্ৰশ্ন ১ ঃ** মহিলাৰ বাবে থকা সাংবিধানিক সুবিধাসমূহ

**(খ) ৰচনাধৰ্মী প্ৰশ্ন ঃ** (প্ৰায় ৩০০-৫০০টা মান শব্দৰ ভিতৰত)

**প্ৰশ্ন ১ ঃ** মানৱ অধিকাৰ হিচাপে মহিলাৰ মৌলিক অধিকাৰবোৰ ব্যাখ্যা কৰক।

**প্ৰশ্ন ২ ঃ** একৰূপী নাগৰিক সংহিতাৰ বিষয়ে ব্যাখ্যা কৰক।

*** ***** ***

# অধ্যায় ১৪ ঃ সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন পৰিকল্পনা

## অধ্যায় গাঁথনি


১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন পৰিকল্পনা (Gender Budgeting)ৰ ধাৰণা
১৪.৪ সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন পৰিকল্পনাৰ উদ্দেশ্য
১৪.৫ ভাৰতত এই পৰিকল্পনাৰ প্ৰয়োগ
১৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.৭ অধিক জানিবলৈ
১৪.৮ অগ্ৰগতিৰ খতিয়ান
১৪.৯ আৰ্হি প্ৰশ্ন


## ১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন পৰিকল্পনাৰ ধাৰণাটো বুজি পাব
- এই পৰিকল্পনাৰ উদ্দেশ্যবোৰৰ বিষয়ে জানিব পাৰিব
- সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন পৰিকল্পনা কেনেদৰে বাস্তৱ ক্ষেত্ৰত প্ৰয়োগ কৰা হয় সেয়া জানিব পাৰিব।

## ১৪.২ পৰিচয়

ভাৰতৰ শৈক্ষিক আৰু নীতি গৱেষণাৰ ক্ষেত্ৰ দুখনত সময়ে সময়ে সামাজিক লিংগ (Gender) কেন্দ্ৰিক বিষয় তথা সমস্যাবোৰ বিভিন্ন দিশেৰে আলোচনা কৰা হৈ আহিছে। এনে আলোচনাৰ পৰা নিষ্কাশিত সূক্ষ্মচিন্তা আৰু এইবোৰক লৈ চলা বিতৰ্কবোৰে সমল ভাণ্ডাৰ যথেষ্ট সমৃদ্ধ কৰি তুলিছে। পূৰ্বে বিত্তীয় নীতি বিষয়ক বিভিন্ন আলোচনায়ে সামাজিক লিংগকেন্দ্ৰিক বিষয়টোত নানা তথ্য যোগ দিছিল। কিন্তু ১৯৯০ ৰ দশকৰ শেষৰ পৰাহে ভাৰতত চৰকাৰী বাজেটবোৰত সামাজিক লিংগভেদে কিমান বিত্ত আবণ্টনৰ দিহা কৰা হৈছে সেই সম্পৰ্কীয় গৱেষণা আৰম্ভ হৈছে। সেই সম্পৰ্কীয় গৱেষণা আৰম্ভ হৈছে। শেহতীয়াভাৱে সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন পৰিকল্পনাৰ ধাৰণাটো সামাজিক লিংগক মূলসুঁতিৰ অন্তৰ্ভুক্তকৰণ কৌশল (Gender mainstreaming Strategy)ৰ অংশ হৈ পৰিছে। সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন পৰিকল্পনাৰ দ্বাৰা এটা সামাজিক লিংগ ভিত্তিক বিশ্লেষণ তথা সম্পদ বিতৰণৰ এটা সমতাকেন্দ্ৰিক মূল্যায়নত মনোনিৱেশ কৰা হয়। এই সম্পদবোৰ প্ৰধানতঃ ধন, সময় আৰু মজুৰী লাভ কৰা অথবা মজুৰীবিহীন কাৰ্য হ'ব পাৰে। অৰ্থাৎ, সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন পৰিকল্পনাৰ দ্বাৰা সম্পদৰ এটা সামাজিক লিংগাভিত্তিক সম-বিতৰণৰ লক্ষ্যত উপনীত হোৱাৰ চেষ্টা কৰা হয়। কেইবাটাও কাৰণত সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন পৰিকল্পনা সম্পৰ্কে আমি বিস্তৃত জ্ঞানৰ অধিকাৰী হোৱোটো আৱশ্যক। এই পৰিকল্পনাৰ কেন্দ্ৰবিন্দু কেৱল বিত্তই নহয়। কিন্তু পুৰুষ আৰু মহিলাৰ মাজত সম্পদৰ

সামাজিক লিংগ ভিত্তিক সম-বিতৰম প্ৰকৃতাৰ্থত হৈছেনে নাই সেয়া নিশ্চিত কৰিবলৈ চৰকাৰী বিত্তীয় অৰ্থনীতি (বিত্তৰ প্ৰবাহ, আয়, মজুৰী প্ৰদান কৰা কাম) ৰ লগতে ব্যক্তিগত, মজুৰীবিহীন পুনঃ উৎপাদনমূলক কাৰ্য (পৰিয়ালৰ যত্ন, সন্তানৰ যত্ন, বয়সস্থসকলৰ যত্ন, স্বৈচ্ছিক সেৱা) বোৰকো অধ্যয়নৰ পৰিধিৰ ভিতৰত সামৰি লোৱা উচিত।

## ১৪.৩ সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন পৰিকল্পনাৰ ধাৰণা

আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত অৰ্থনৈতিক বিশ্বায়ন ঘটাৰ লগে লগে সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন পৰিকল্পনা (Gender budgeting) ৰ ধাৰণাটোৰ উত্থান ঘটিছে। মহিলা আৰু পুৰুষ সমৰূপী গোট নহয়। জীৱন-যাপনৰ পৰিৱেশ, বয়স,উৎস, শাৰীৰিক আৰু মানসিক সংৰচনা, শিক্ষা আদি দিশেৰে নাৰী আৰু পুৰুষৰ মাজত প্ৰভেদ আছে। উভয়েই সম্পদক প্ৰভাৱিত কৰা সিদ্ধান্তসমূহৰ দ্বাৰা ভিন্ ভিন্ ধৰণে প্ৰভাৱিত হয়। এনে সিদ্ধান্তবোৰৰ কাৰ্যৰূপায়ণে মহিলা আৰু পুৰুষক বিভিন্ন দিশত সম্পূৰ্ণ ভিন্ন ধৰণে প্ৰভাৱিত কৰে। সম্পদৰ বিতৰণে সামাজিক সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত অংশগ্ৰহণ আৰু বৃহত্তৰ সামাজিক বিন্যাসত মহিলা আৰু পুৰুষৰ মৰ্যাদা নিৰ্ধাৰণৰ এক নিৰ্ণায়ক কাৰকৰ ভূমিকা লয়।

সামাজিক লিংগ ভিত্তিক দায়বদ্ধতাবোৰক সমৰ্থন জনাবলৈ চলোৱা বিত্ত সম্পৰ্কীয় ব্যৱস্থা গ্ৰহণৰ অনুশীলনেই হ'ল সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন পৰিকল্পনা অথবা Gender Budgeting (চমুকৈ GB)। মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰালয়ৰ সংজ্ঞা অনুসৰি, "উন্নয়নৰ সা-সুবিধাবোৰৰ দ্বাৰা পুৰুষৰ সমানেই মহিলাসকলকো উপকৃত কৰাতো নিশ্চিত কৰি আটাইবোৰ সামাজিক লিংগৰ মূলসুঁতিত অন্তৰ্ভুক্তকৰণ প্ৰক্ৰিয়াটো সফল কৰি তোলাৰ এক শক্তিশালী আহিলা হ'ল সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন পৰিকল্পনা ৰাজহুৱা বাজেটে এখন চৰকাৰৰ প্ৰমূল্য ভিত্তিক সিদ্ধান্ত আৰু অগ্ৰাধিকাৰসমূহ স্পষ্টকৈ প্ৰতিফলিত কৰে। এই ক্ষেত্ৰত শ্ৰমৰ ব্যক্তিগত বিভাজন বিষয়ক সম্পদ কেন্দ্ৰিক সিদ্ধান্তবোৰে সামাজিক লিংগক কেনেদৰে প্ৰভাৱিত কৰে সেয়াও বিবেচনা কৰি চোৱা হয়। এক দৃষ্টিভংগী অনুসৰি পৰিয়াল একেটাক অৰ্থনৈতিক গোট বুলি ধৰি লোৱা কথাটোৱে পৰিয়ালবোৰৰ অভ্যন্তৰীণ আৰু প্ৰায়েই সংঘটিত হোৱা শ্ৰমৰ সামাজিক লিংগ ভিত্তিক বিভাজনৰ দিশটো গোপন কৰে। আনহাতে, সম্পদ ভিত্তিক সিদ্ধান্তবোৰৰ কাৰ্যৰূপায়ণৰ ক্ষেত্ৰত গাইগুটীয়া পৰিয়ালবোৰক সামৰি লোৱাৰ উপৰি এই পৰিয়ালবোৰক একো একোটা অৰ্থনৈতিক তথা উপভোক্তা একক বুলি ধৰি লোৱা হৈছে। আন এক বিশ্লেষণ পদ্ধতিত ব্যক্তি (শিশু মহিলা আৰু পুৰুষ)ক প্ৰভাৱিত কৰা সামাজিক লিংগ ভিত্তিক প্ৰভেদৰ পৰিণামবোৰ বিচাৰ কৰি চোৱা হয়।

মজুৰিবিহীন কৰ্ম (unpaid work) ৰ ধাৰণাটো এখন সমাজৰ অৰ্থনৈতিক পাৰদৰ্শিতাৰ এটা গুৰুত্বপূৰ্ণ অংশ। এক অৰ্থনীতিৰ পৰম্পৰাগত ধাৰণাই সা-সুবিধা আদায় দিয়াৰ সময়ত সন্তানৰ যত্ন লোৱা, ঘৰুৱা কাম-কাজ, পৰিয়ালৰ বয়সস্থ লোকৰ শুশ্ৰূষা কৰা আৰু স্বৈচ্ছিক নাগৰিক সমাজকেন্দ্ৰিক কাম-কাজবোৰক মজুৰি পোৱাৰ উপযুক্ত কৰ্ম বুলি স্বীকৃতি নিদিয়ে। এখন সমাজৰ মুঠ অৰ্থনৈতিক ফলাফলত মজুৰিবিহীন খণ্ড আৰু মজুৰিপ্ৰাপ্ত অৰ্থনৈতিক খণ্ড দুয়োটাৰে অৰিহণা থাকে।

মজুৰিবিহীন কাম-কাজক সমাজৰ বাবে বিনিময় পণ্যদ্ৰব্য (Payment in Kind) বুলি সংজ্ঞাবদ্ধ কৰা হৈছে। কথাটো ৰাষ্ট্ৰৰ দ্বাৰা সম্পাদিত বিভিন্ন কাম-কাজৰ ক্ষেত্ৰত অধিক প্ৰযোজ্য যদিও ইয়াত অনা-লাভদায়ক (non-profit) আন সকলো ধৰণৰ কাম-কাজৰ লগতে 'পৰম্পৰাগত' ঘৰুৱা তথা পৰিয়ালকেন্দ্ৰিক কাম-কাজকো সামৰি লোৱা হয়। মজুৰিবিহীন কাম-কাজক সম্প্ৰদায় এটালৈ আগবঢ়োৱা অদৃশ্য বৰঙণি বুলি বিবেচনা কৰা আৱশ্যক। এনে বৰঙণিয়ে সমাজৰ প্ৰগতি সম্ভৱ কৰে যদিও ইয়াক এতিয়ালৈকে অৰ্থনৈতিক কাৰ্যকলাপৰ শিতানত অন্তৰ্ভুক্ত কৰা হোৱা নাই। আগতেই আলোচনা কৰা হৈছে যে মজুৰিবিহীন কাম-কাজ আৰু শ্ৰমৰ ব্যক্তিগত বিভাজনক 'সময় কাৰক' (time factor)ৰ ভিত্তিতহে যুক্তিযুক্তভাৱে জুখিব পৰা যায়।

অর্থাৎ, অর্থনৈতিক হিচাপ-নিকাচ কৰাৰ সময়ত এই 'সময় কাৰক'টোৰ কথাও বিবেচনা কৰাটো হ'ল বর্তমান পৰিস্থিতিৰ আহ্বান। ইয়াৰ ফলত সন্তানৰ যত্ন লওঁতে মানুহে খৰচ কৰা সময়ৰ পৰিমাণ জুখিব পৰা যাব। কাৰণ, এইবোৰ কার্যক কোনো দিনে কর্তাৰ পূর্ণকালীন কর্মসংস্থাপন বুলি গণ্য কৰা নহয়। এই বিবেচনাৰ দ্বাৰা লাভদায়ক কর্মসংস্থাপন আৰু সামাজিক সিদ্ধান্ত গ্রহণ প্রক্রিয়া উভয়তে সামাজিক লিংগ ভিত্তিক বর্জনৰ ব্যৱস্থাটোক প্রত্যাহ্বান জনোৱাৰ সামগ্রিক উদ্দেশ্য স্থিৰ কৰি লোৱা হৈছে। অর্থনৈতিক গণনাত 'সময় কাৰক'ৰ অন্তর্ভুক্তিয়ে অর্থনীতিৰ বাহুল্য বর্জনকাৰী ব্যৱস্থাবোৰৰ এক অধিক বাস্তৱসম্মত প্রভাৱ মূল্যায়ন সম্ভৱ কৰি তুলিব আৰু এনেদৰেই মজুৰিবিহীন কাম-কাজৰ ক্ষতি পূৰণ কৰা ব্যয়ৰ হিচাপ বাহিৰ কৰিব পৰা যাব। কিন্তু যিমানে অধিক অর্থনৈতিকভাৱে লাভজনক কাম-কাজবোৰ কৰিবলৈ ব্যক্তি গাইগুটীয়াভাৱে আগবাঢ়ি আহিব সিমানে ব্যক্তিগত যত্নভিত্তিক কাম-কাজ (যেনে- সন্তানৰ যত্ন লোৱা)বোৰ কৰিবলৈ মানুহৰ হাতত সময়ৰ নাটনি হ'ব। সেয়েহে সন্তানৰ যত্ন লোৱাৰ দৰে সেৱাবোৰৰ উৎকর্ষ প্রায়েই অৱনমিত হয় আৰু এয়া অনিবার্য। কিন্তু, এনে সেৱা পর্যাপ্ত আৰু উপযুক্ত নোহোৱাৰ ফলত অর্থনীতিত 'অনুগামী ব্যয়' (follow-up costs) ৰ পৰিমাণ বাঢ়ি যায়।

## ১৪.৪ সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন পৰিকল্পনাৰ উদ্দেশ্য

নাৰীৰ বিৰুদ্ধে ক্রমে বাঢ়ি যোৱা নানা-ধৰণৰ হিংসাত্মক কার্যকলাপ ৰোধৰ এটা গুৰুত্বপূর্ণ আহিলা হ'ল সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন পৰিকল্পনা (GB) কৰা। ঐতিহাসিকভাৱে নাৰীক ভোট দিয়াৰ অধিকাৰ প্রদান কৰা প্রথম দেশবোৰৰ ভিতৰত ভাৰতো এখন। ইয়াৰ উপৰি ভাৰতীয় সংবিধান হ'ল বিশ্বৰ সবাতোকৈ প্রগতিশীল সংবিধানবোৰৰ এখন। ভাৰতীয় সংবিধানে মহিলাকো সমান অধিকাৰ প্রদানৰ নিশ্চিতি দিছে। এই আটাইবোৰ কথাৰ পৰা এয়াই প্রমাণিত হয় যে ভাৰতীয় নাৰী আৰু কোনো ধৰণৰ দমনৰ বলি হৈ থকা নাই। কিন্তু দেশৰ মানৱ উন্নয়ন সূচ্যাংক অধ্যয়ন কৰিলে আমি দেখিম যে ভাৰতীয় মহিলাই উন্নয়নৰ মাত্র দুই তৃতীয়াংশৰ লক্ষ্যতহে উপনীত হ'ব পাৰিছে। উন্নয়ন ক্ষেত্রখনত থকা কিছুমান সামাজিক লিংগ ভিত্তিক সমস্যাৰ বাবেই এনে হ'বলৈ পাইছে। মানুহে প্রায়েই 'সামাজিক লিংগ' (Gender) ৰ অভিধাটো 'নাৰী'ৰ সমার্থকৰূপে ব্যৱহাৰ কৰে আৰু সামাজিক লিংগৰ ধাৰণাটো এক পশ্চিমীয়া ধাৰণা বুলি ভাবে। সাধাৰণ অর্থত বিপৰীত লিংগক উন্নয়নৰ সা-সুবিধা দিবলৈ অমান্তি হোৱা আৰু উন্নয়নত বাধা দিয়াৰ ফলতেই সামাজিক লিংগ ভিত্তিক সমস্যাবোৰে মূৰ দাঙি উঠে। উন্নয়নৰ ইতিবাচক ফলাফলবোৰ নিৰীক্ষণ কৰিবলৈ আৰু এনে ফলাফল লাভ কৰিবলৈ বিষয়টো সামাজিক লিংগ ভিত্তিক দৃষ্টিভংগীৰে মূল্যায়ন, বিশ্লেষণ, পৰিকল্পনা, নিৰীক্ষণ আৰু মূল্যাংকন কৰি চোৱাতো অতীৱ প্রয়োজনীয়। সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন পৰিকল্পনাৰ উদ্দেশ্য হিচাপে তলৰ কথাবোৰ স্থিৰ কৰি লোৱা হৈছেঃ

- GB ৰ ধাৰণা, আহিলা আৰু কৌশল প্রসাৰ তথা প্রদান কৰি বিভিন্ন কেন্দ্রীয় মন্ত্রালয় তথা বিভাগে গঠন কৰা 'জেণ্ডাৰ বাজেটিং কোষ' (GBCs)বোৰক এক সংহত দৃষ্টিভংগীৰে আগবাঢ়ি যোৱাত সহায় কৰা; এনে কোষবোৰক উপযুক্ত দিক্-নির্দেশনা প্রদান কৰা।
- GBC বোৰে অনুশীলন কৰা সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন ব্যৱস্থাবোৰৰ মাজত সমন্বয় স্থাপন আৰু নিৰীক্ষণ কৰা; GB বিশ্লেষণৰ সুবিধা সৃষ্টি কৰা।
- বিভিন্ন ষ্টেকহোল্ডাৰৰ বাবে সামর্থ নির্মাণকাৰী কর্মশালাৰ আয়োজন কৰা। এনে ষ্টেকহোণ্ডাৰৰ তালিকাত কেন্দ্রীয় তথা চৰকাৰৰ বিষয়াবর্গ, ৰাজহুৱা খণ্ডৰ অভিকৰণসমূহ, কর্প'ৰেট খণ্ড, পঞ্চায়তী ৰাজ সংস্থা, বিভিন্ন অনা-চৰকাৰী সংস্থা আদিক স্থান দিয়া হয়।
- সকলো ষ্টেকহোল্ডাৰৰ বাবে, GB সম্পর্কীয় প্রশিক্ষণ পাঠ্যক্রম/পেকেজ, প্রশিক্ষণ সামগ্রী, তথ্য পুস্তিকা,

হাতপুথি আদি বিকশাই তোলাত প্রয়োজনীয় সহায় আগবঢ়োৱা। ৰাজ্য চৰকাৰ আৰু পঞ্চায়তী ৰাজ সংস্থাবোৰক GB সম্পর্কীয় পৰিকল্পনা আৰু কৌশল যুগুতাবলৈ অনুপ্রাণিত কৰা; ইয়াৰ বাবে প্রয়োজনীয় সাহায্য, সমর্থন আৰু পৰামর্শদান সেৱা আগবঢ়াই নানা কর্মশালা, আলোচনা চক্র আৰু প্রশিক্ষণ কার্যসূচীৰ আয়োজন কৰা আদি।

- গৱেষণা প্রতিষ্ঠান, অনা-চৰকাৰী সংস্থা ইত্যাদিক GB বিষয়ক গৱেষণা, অধ্যয়ন, সমীক্ষা আদি চলোৱাত প্রয়োজনীয় সহায় সমর্থন আগবঢ়োৱা ।
- ৰাজহ, বিত্তীয়, পৰিৱেশ, ব্যৱসায়-বাণিজ্য ভিত্তিক ৰাষ্ট্রীয় নীতিবোৰৰ সামাজিক লিংগ ভিত্তিক সংবেদনশীল পুনৰীক্ষণৰ প্রাথমিক কার্য নীতি যুগুত কৰা।
- গুৰুত্বপূর্ণ বিধানৰ সামাজিক লিংগ ভিত্তিক পুনৰীক্ষণ তথা গণনাৰ প্রাথমিক কার্যনীতি যুগুত কৰা; সামাজিক লিংগ ভিত্তিক একত্রিত নোহোৱা তথ্যবোৰ গোটোৱা নাইবা সংগ্রহৰ যথোপযুক্ত নির্দেশনা আগবঢ়োৱা
- সামাজিক লিংগ ভিত্তিক প্রভাৱ বিশ্লেষণ কৰা, হিতাধিকাৰীৰ প্রয়োজনীয়তা মূল্যায়ন কৰা আৰু হিতাধিকাৰীকেন্দ্রিক ঘটনাবোৰৰ বিশ্লেষণ কৰা।
- সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টনৰ উত্তম অনুশীলন পদ্ধতি প্রস্তুত তথা এনে পদ্ধতিৰ পোষকতা কৰা।

ওপৰৰ আলোচনাৰ পৰা আমি গম পালো যে সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন পৰিকল্পনাৰ উদ্দেশ্য হ'ল ৰাষ্ট্রীয় নীতিবোৰৰ দায়ৱদ্ধতা আৰু বিত্তীয় পুঁজি প্রবাহৰ ধাৰাবোৰ সামাজিক লিংগ ভিত্তিক দৃষ্টিভংগীৰে যাতে নির্ধাৰণ কৰা হয় সেয়া সুনিশ্চিত কৰা। সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন নীতিবোৰক প্রভাৱিত কৰিবলৈ আৰু ফলপ্রসূ কৰি তোলাৰ উদ্দেশ্যৰে সময়ে সময়ে নানা ব্যৱস্থা গ্রহণ কৰা হৈছে। ইয়াৰ উপৰি সামাজিক লিংগ ভিত্তিক অসমতা নাইকিয়া কৰাৰ নানা কার্যসূচী, সমতা স্থাপন তথা উন্নয়নৰ পোষকতাকাৰী নানা কার্যকলাপো চিনাক্ত কৰি উলিওৱা হৈছে। লগতে এনে পৰিকল্পনাৰ দ্বাৰা এই নিশ্চিতিও প্রদান কৰা হয় যে এখন বাজেটত ৰাজহুৱা সম্পদৰ বিতৰণ ব্যৱস্থা ধার্য কৰাৰ সময়ত ইয়াৰ সামাজিক লিংগ ভিত্তিক দিশটোৰ প্রতিও লক্ষ্য ৰখা হ'ব।

## ১৪.৫ ভাৰতত এই পৰিকল্পনাৰ প্রয়োগ

এই মূহুর্তত চলি থকা সামাজিক পুনর্গঠন কার্যসূচী আৰু অধ্যাৰোপিত সংৰচনামূলিক সমাযোজন কার্যসূচীবোৰত সহায়ক হোৱাকৈ সামাজিক লিংগ ভিত্তিক সমতা নীতিবোৰে সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন দৃষ্টিভংগীটো প্রয়োগ কৰে। ইয়াৰ দ্বাৰা ৰাজহুৱাভাৱে কৰিবলগীয়া কামৰ পৰিমাণ হ্রাস কৰা হয়। এনে কামবোৰৰ দুটা পদ্ধতিৰে ব্যক্তিগতকৰণ ঘটোৱা হয়। কামবোৰৰ এটা অংশ বজাৰকেন্দ্রিক সেৱা উদ্যোগসমূহক কৰিবলৈ দিয়া হয়। আন অংশটো ব্যক্তিগত খণ্ডৰ মজুৰি লাভ নকৰা কর্মীক কৰিবলৈ দিয়া হয়। ঘৰুৱা কর্মী শক্তিৰ তালিকাত মহিলাৰ স্থান সবাতোকৈ ব্যক্তিগত কামটো সমাধা কৰাত সবাতোকৈ গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। কিন্তু এনেদৰে হস্তান্তৰিত কামবোৰে তেওঁলোকৰ বাবে অতিৰিক্ত বোজাৰ সৃষ্টি কৰে। ফলত তেওঁলোকে এনেদৰে অতিৰিক্তভাৱে জাপি দিয়া কামবোৰ ভালদৰে সম্পূর্ণ কৰিব নোৱাৰে। ফলত পৰিয়ালবোৰত আৰু সামাগ্রিকভাৱে সমাজখনত ইয়াৰ নেতিবাচক পৰিণাম পৰিলক্ষিত হয়।

শ্রম বজাৰ, পৰিয়াল আৰু সামাজিক নীতিবোৰত মহিলাৰ বাবে নেতিবাচক পৰিণাম দর্শোৱা অর্থনৈতিক নীতিবোৰক অর্থনৈতিক দিশেৰে কৰা সমালোচনাৰ ফলস্বৰূপে সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন পৰিকল্পনা

প্ৰস্তুত কৰাৰ কাম আৰম্ভ হৈছে। এনে অৰ্থনৈতিক নীতি বিষয়ক সিদ্ধান্তবোৰ ৰাজহুৱা বাজেটৰ গুৰুত্বপূৰ্ণ পুনৰ প্ৰস্তুতি প্ৰক্ৰিয়াৰ সৈতে জড়িত । সেয়েহে ৰাজহুৱা বাজেটৰ ক্ষেত্ৰতো সামাজিক লিংগ ভিত্তিক সমতা বিশ্লেষণ কৰি চোৱাৰ ব্যৱস্থাটো যোগ দিয়া হৈছে।

নাৰী সবলীকৰণৰ বাবে গ্ৰহণ কৰা কৌশলবোৰ সফল কৰি তুলিবলৈ বিষয়টোৰ সৈতে জড়িত আটাইবোৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক দিশ বিবেচনা কৰি চাব লাগিব। এনে দুটামান মনত ৰাখিবলগীয়া দিশ হ'ল—

- সবলীকৰণ ব্যৱস্থাবোৰে দেশৰ সকলো অঞ্চলৰে সকলো শ্ৰেণীৰ মহিলাকে সামৰি ল'ব লাগিব।
- নাৰী যিহেতু দেশ এখনৰ সম-নাগৰিক, সেয়েহে দেশৰ সকলো ৰাজহুৱা ব্যয় আৰু নীতিৰ সৈতে জড়িত সকলো কথাতে সামাজিক লিংগ ভিত্তিক সকলোবোৰ দিশ অন্তৰ্ভুক্ত কৰিব লাগিব।
- নাৰীৰ বিশেষ প্ৰয়োজনীয়তাবোৰৰ প্ৰতি লক্ষ্য ৰাখি সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত তেওঁলোকৰ অংশগ্ৰহণ নিশ্চিত কৰিব লাগিব আৰু তেওঁলোকক সমাজৰ সমমৰ্য্যদাসম্পন্ন নাগৰিক ৰূপে স্বীকৃতি দিব লাগিব।
- সময়ে সময়ে নাৰীৰ প্ৰতি থকা সমাজৰ অন্য লোকসকলৰ সামাজিক মনোভাৱ পুনৰ নতুনকৈ গঢ়ি তুলিব লাগিব।

নাৰী সবলীকৰণৰ সকলোবোৰ দিশতেই সম্পদৰ আবণ্টন আৰু ৰাজহুৱা ব্যয়ে গুৰুত্বপূৰ্ণ ভূমিকা লয়। সেয়েহে এই ক্ষেত্ৰত সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন পৰিকল্পনাৰ প্ৰয়োজনীয়তা আছে। মহিলা আৰু কন্যা শিশুই দেশৰ মানৱ সম্পদৰ এক বৃহৎ পুঁজি। ইয়াৰ উপৰি তেওঁলোকো সুকীয়া পৰিচয়ধাৰী একো একোগৰাকী ব্যক্তি। তেওঁলোকৰ আৰ্থ-সামাজিক উন্নয়নেদেশৰ লগতে সমাজৰ অৰ্থনীতিৰো বহনক্ষম বিকাশৰ ভেটি নিৰ্মাণ কৰিব। ভাৰতীয় সমাজবোৰত প্ৰচলিত বিভিন্ন পৰম্পৰা আৰু প্ৰথাই নাৰী সমাজৰ বিকাশ আৰু অগ্ৰগতিত বাধাৰ সৃষ্টি কৰি আহিছে। জাতি আৰু ধৰ্মই পৰস্পৰৰ ওপৰত আধিপত্য স্থাপনৰ চেষ্টা চলাই আহিছে। এই কথায়ো দেশৰ বিকাশত অন্তৰায় ৰূপে থিয় দিছে। গাওঁ অঞ্চলত মহিলাসকল অধিক জটিল ধৰণৰ সামাজিক প্ৰতিবন্ধকতাৰ সন্মুখীন হয়। সেয়েহে, সময় বাগৰাৰ লগে লগে সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন পৰিকল্পনাৰ গুৰুত্ব বৃদ্ধি পাইছে। ৰাষ্ট্ৰীয় অথবা ৰাজ্যিক বাজেটত নাৰীৰ বাবে সম্পদৰ অধিক আবণ্টন কৰাটোকে লিংগ ভিত্তিক বাজেট প্ৰস্তুত কৰা বুলি নকয়। তৃণমূল পৰ্যায়লৈকে সকলো মহিলাই যাতে আবণ্টিত সম্পদ সমানে ব্যৱহাৰ কৰিবলৈ পায় তাৰ বাবে যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰাটোকহে সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন বুলি কোৱা হয়। ইয়াৰ বাবে গাওঁ আৰু নগৰ-চহৰৰ বাস কৰা সকলো মহিলা বাসিন্দাকে নিৰীক্ষণ পৰিসৰত সামৰি লোৱা উচিত।

ৰাজহুৱা খণ্ডৰ বিত্তীয় দিশেৰে ফলপ্ৰসূ সকলো ধৰণৰ সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন পৰিকল্পনা হ'ল সকলোবোৰ সামাজিক লিংগকে সমাজৰ মূলসুঁতিৰ ভিতৰুৱা কৰি লোৱা প্ৰক্ৰিয়াটোৰ অংশ। সাম্প্ৰতিক আলোচনাত সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টনৰ বিষয়টোক প্ৰায়েই সামাজিক লিংগৰ মাজত সমতা স্থাপনৰ লক্ষ্যেৰে গ্ৰহণ কৰা ৰাজহুৱা বিত্ত আবণ্টন নীতিবোৰৰ প্ৰণালীবদ্ধ বিশ্লেষণ তথা বিকাশত এক পন্থা বুলি বুজা যায়। তাকে কৰিবলৈ যাওতে বাজেট বিষয়ক সকলো কথা, ৰাজনৈতিক সিদ্ধান্ত, কাৰ্য ব্যৱস্থা, কাৰ্যসূচী, আইন-কানুন আৰু সামগ্ৰিকভাৱে গোটেই বাজেটখনকে মহিলা আৰু পুৰুষে পোৱা সুবিধাৰ মাজৰ প্ৰভেদ আৰু ইয়াৰ পৰিণামৰ ভিত্তিত পুনৰীক্ষণ কৰি চোৱা হয়।

সামাজিক লিংগবোৰৰ মাজত সম্পদৰ সম-বিতৰণ সুনিশ্চিত কৰিবলৈ দেশৰ বাজেট প্ৰস্তুতকৰণ প্ৰক্ৰিয়াটোৰ সম্পূৰ্ণ নতুন আৰ্হি গঢ়ি লোৱা হৈছে। ইয়াৰ বাবে ৰাজহ তথা ব্যয় ব্যৱস্থবোৰৰো প্ৰয়োজনীয় সাল-সলনি কৰি লোৱা হৈছে।

ৰাজহুৱা বাজেটবোৰ মনোযোগৰ কেন্দ্ৰবিন্দু হৈ পৰাৰ তিনিটা প্ৰধান কাৰণ আছে—

প্ৰথম কাৰণটো হ'ল বিভিন্ন সামাজিক লিংগৰ লোকক সমাজৰ মূল সুঁতিত অন্তৰ্ভুক্ত কৰোৱাৰ কৌশলবোৰ প্ৰধানতঃ ৰাষ্ট্ৰ, যুক্তৰাষ্ট্ৰ অথবা পৌৰ নিকায়বোৰৰ দৰে ৰাজনৈতিক অনুষ্ঠান-প্ৰতিষ্ঠানবোৰৰ বাবে ৰাজনৈতিক নিয়ন্ত্ৰণ নিজৰ হাতত ৰখাত বিত্তীয় সাহায্যবোৰ ক'ত কেনেদৰে ব্যৱহাৰ কৰা হ'ব সেই বিষয়ক সিদ্ধান্তবোৰে নিৰ্ণায়ক ভূমিকা লয়। সেয়েহে এইবোৰ অনুষ্ঠান-প্ৰতিষ্ঠানে বিস্তৃত সামাজিক লিংগ ভিত্তিক সমতা স্থাপনকাৰী কৌশল প্ৰয়োগ কৰে।

দ্বিতীয় কাৰণটো হ'ল-ৰাজহুৱা বাজেটবোৰৰ ৰাষ্ট্ৰীয় অৰ্থনৈতিক গুৰুত্ব আছে। ই ব্যক্তিগত সিদ্ধান্ত গ্ৰহণৰ বৃহত্তৰ প্ৰক্ৰিয়াটোতো তাৎপৰ্যপূৰ্ণ প্ৰভাৱ পেলায়। সেয়েহে বিত্তীয় নীতিবোৰত সকলো সামাজিক লিংগকে সামাজিক মূলসুঁতিত অন্তৰ্ভুক্তকাৰী ব্যৱস্থাৰ সংযোজন ঘটোৱা হৈছে।

তৃতীয় কাৰণটো হ'ল— এক সুবিবেচিত ৰাজহুৱা ব্যয় আৰু ৰাজহ ব্যৱস্থাক ব্যক্তিগত উদ্যোগ জগতৰ পৰা প্ৰবাহিত ধনতকৈ অধিক ৰাজনৈতিক ৰূপ দিব পৰা যায় আৰু ৰাজনৈতিকভাৱে প্ৰভাৱিত কৰিব পাৰি।

অৰ্থাৎ, সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন পৰিকল্পনাৰ সামগ্ৰিক লক্ষ্য হ'ল সম্পদ আবণ্টনৰ সকলো ক্ষেত্ৰতে সামাজিক লিংগৰ মাজত সমতা স্থাপনকাৰী সম্পদ বিতৰণ ব্যৱস্থা ফলৱতী কৰি তোলা। বিত্তীয় দিশেৰে ফলপ্ৰসূ ৰাজনৈতিক সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত সামাজিক লিংগৰ মাজত সমতা স্থাপনকাৰী বাজেটনীতি গ্ৰহণ কৰা হয়। এনে নীতিত বিত্তীয় নীতি সম্পৰ্কীয় নিৰ্দেশনা তথা ব্যৱস্থা গ্ৰহণৰ পৰামৰ্শৰ লগতে ৰাজহুৱা শুল্ক আৰু ব্যয়ৰ দিশ দুটাকো সামৰি লোৱা হয়। বাজেট সম্পৰ্কীয় সিদ্ধান্ত গ্ৰহণৰ প্ৰতিটো স্তৰতে আৰু বাজেট প্ৰস্তুত কৰোঁতে সামাজিক লিংগ ভিত্তিক দৃষ্টিভংগীটোক গুৰুত্ব দিয়া উচিত বুলি বিবেচনা কৰা হয়। ইয়াৰ দ্বাৰা পুৰুষ আৰু মহিলাৰ মাজত সামাজিক লিংগ ভিত্তিক সমতা স্থাপনৰ ব্যৱস্থাবোৰক দিয়া অগ্ৰাধিকাৰ ব্যৱস্থাটোলৈ পৰিৱৰ্তন অনাৰ প্ৰয়াস কৰা হৈছে।

বহুকেইখন ৰাজ্য চৰকাৰে তাৎপৰ্যপূৰ্ণ সফলতাৰে সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন পদ্ধতিটো কাৰ্যৰূপায়িত কৰি আছে। কৰ্ণাটক, কেৰালা, গুজৰাট, ৰাজস্থান, মধ্যপ্ৰদেশ, ছত্তিছগড় আৰু আন কেইবাখনো ৰাজ্যই এই পদ্ধতিটোৰ আনুষ্ঠানিকীকৰণ ঘটাই সামাজিক লিংগ ভিত্তিক ব্যৱধানৰ সমস্যাটো সমাধানৰ প্ৰয়াস কৰি আছে। বহুকেইখন ৰাজ্য চৰকাৰে ইয়াৰ বাবে বিভিন্ন কাৰ্য-ব্যৱস্থা হাতত লৈছে। এনে দুটামান গুৰুত্বপূৰ্ণ কাৰ্য-ব্যৱস্থা হ'ল সামাজিক লিংগভিত্তিক বিত্ত আবণ্টনৰ এটা ন'ডেন বিভাগ স্থাপন, সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টনকোষ গঠন, সামাজিক লিংগ বিষয়ক ৰাজ্যিক নীতি গ্ৰহণ, বিষয়টোৰ তদাৰক কৰিবলৈ বিভিন্ন সমিতি গঠন, সামাজিক লিংগ ভিত্তিক তথ্য বেংক সৃষ্টি, অগ্ৰাধিকাৰ দিয়া আৰু দিবলগীয়া দিশবোৰৰ তালিকা প্ৰস্তুত, ৰাজ্যিক বাজেটত সামাজিক লিংগ ভিত্তিক বিত্ত তালিকা প্ৰস্তুত, ৰাজ্যিক বাজেটত সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টনৰ খতিয়ান অন্তৰ্ভুক্তকৰণ ইত্যাদি। ৰাজ্যিক পৰ্যায়ৰ সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন উদ্যমবোৰক ছটা মণ্ডলত ভাগ কৰা হৈছে (i) উত্তৰ, (ii) পশ্চিম, (iii) মধ্য, (iv) পূব, (v) উত্তৰ পূৱ আৰু (vi) দক্ষিণ। উত্তৰ-পূৱ অঞ্চলত নাগালেণ্ডত এনে ব্যৱস্থাৰ অধীনত চলি থকা দুটামান প্ৰয়াস উদ্যমৰ কথা তলত চমুকৈ উল্লেখ কৰা হ'ল—

- সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন ব্যৱস্থা গ্ৰহণ— ২০০৯ চনৰ পৰা নাগালেণ্ডত এই ব্যৱস্থা গ্ৰহণ প্ৰক্ৰিয়া আৰম্ভ হৈছে।
- সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টনৰ পোষকতাকাৰী ন'ডেল কোষ গঠন-নাগালেণ্ডত সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টনৰ পোষকতা কৰিবলৈ নাগালেণ্ড চৰকাৰে পৰিকল্পনা আৰু সমন্বয়ৰক্ষী বিভাগ এটা গঠন কৰিছে। ৰাজ্যখনৰ পৰিকল্পনা বিভাগে ২০১২ চনৰ নৱেম্বৰ মাহত সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন পৰিকল্পনা কোষটো গঠন কৰিছে। এই কোষটোৱে পৰিকল্পনা বিভাগৰ বাৰ্ষিক পৰিকল্পনাবোৰত নিহিত সামাজিক লিংগৰ প্ৰতি সঁহাৰিসূচক স্থিতিবোৰ বিশ্লেষণ তথা সুনিশ্চিত কৰে। ৰাজ্য চৰকাৰে

আটাইবোৰ বিভাগলৈকে সামাজিক লিংগ বিষয়ক দিশটো চোৱা চিতা কৰা ন'ডেল বিষয়া মনোনীত কৰাৰ নির্দেশ দিছে। তেওঁলোকে এই বিষয়টোৰ সৈতে জড়িত কথাবোৰত পৰিকল্পনা বিভাগৰসৈতে সম্পর্ক ৰক্ষা কৰি চলে।

- সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন বিষয়ক কার্যভাৰপ্রাপ্ত দল— ২০০৯ চনৰ মার্চ মাহত 'সামাজিক লিংগ ভিত্তিক ব্যৱস্থা গ্রহণকাৰী ৰাজ্য আৰু জিলা ভিত্তিক পৰিকল্পনা'ৰ কার্য ৰূপায়ণৰ বাবে এটা কার্যভাৰপ্রাপ্ত দল (Task Force) গঠন কৰা হৈছে। এই দলটোৱে সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টনত হাতপুথিখনো প্রস্তুত কৰে। নাগালেণ্ড চৰকাৰৰ বিভিন্ন বিভাগ আৰু নাগালেণ্ড বিশ্ববিদ্যালয়ৰ পৰা মনোনীত মুঠ নগৰাকী সদস্যৰে এটা দল গঠিত। দলটোৱে প্রস্তুত কৰা হাতপুথিখনত UNDP ৰ যুটীয়া সহযোগ থাকে আৰু ইয়াত স্থানীয় প্রয়োজনীয়তাবোৰক অগ্রাধিকাৰ দিয়া হয়।
- সামাজিক লিংগ ভিত্তিক দিশ চোৱা-চিতা কৰা কেন্দ্রীয় সমিতি ২০১৩ চনত নাগালেণ্ড চৰকাৰে এই সমিতিখন গঠন কৰিছে। সমিতিখনৰ কাম হ'ল বিভিন্ন সামাজিক লিংগৰ সদস্যক সমাজৰ মূলসুঁতিত অন্তভুর্ক্ত কৰাৰ পৰিসৰ ব্যাপক কৰি তোলা আৰু বিষয়টোত অনা-চৰকাৰী খণ্ডকো অন্তর্ভুক্ত কৰা।
- সামর্থ গঢ়াৰ উদ্যম— সামাজিক লিংগৰ ধাৰণা আৰু সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন পৰিকল্পনাৰ বিষয়ে সজাগতা সৃষ্টিকাৰী কর্মশালাৰ আয়োজন, বাজেট বিশ্লেষণ বিষয়ক সামর্থ গঢ়া কার্যসূচীৰ আয়োজন ইত্যাদি। ২০০৯ চনত নাগালেণ্ডত পোন প্রথমবাৰৰ বাবে ৰাজ্যিক পর্যায়ৰ সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন পৰিকল্পনাৰ প্রশিক্ষণ কার্যসূচীৰ আয়োজন কৰা হৈছিল।
- সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন পৰিকল্পনা হ'ল নাগালেণ্ডৰ প্রশাসনীয় প্রশিক্ষণ প্রতিষ্ঠান (Administrative Training Institute) আৰু ৰাজ্যিক গ্রামোন্নয়ন প্রতিষ্ঠান (State Institute of Rural Development) ৰ প্রশিক্ষণ কেলেণ্ডাৰৰ অংশ।
- ৰাজ্যখনৰ অধিকাংশ বিভাগেই নিজ নিজ পৰিকল্পনা আৰু কার্য-ক্রমণিকাত সামাজিক লিংগ ভিত্তিক বিষয়বোৰত সামর্থ গঢ়াৰ কার্যসূচী অন্তর্ভুক্ত কৰিছে।
- লিংগৰ ভিত্তিত অ-বিভাজিত তথ্যবোৰকো সকলো কার্যসূচীতে প্রয়োগ কৰিব পৰাঙ্গৈ জমা কৰি ৰখা হয়।

আকৌ, ত্রিপুৰাত কার্যৰূপায়িত হৈ থকা দুটামান ব্যৱস্থা হ'ল—

- সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন ব্যৱস্থা গ্রহণ— ২০০৬-০৭ বর্ষত ত্রিপুৰাত এনে ব্যৱস্থা গ্রহণৰ প্রক্রিয়া আনুষ্ঠানিকভাৱে আৰম্ভ হৈছিল। ৰাজ্যখনৰ ২০০৫-০৬ বর্ষৰ বাজেট ভাষণত এই ব্যৱস্তা গ্রহণৰ কথা ঘোষণা কৰা হৈছিল।
- সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন পৰিকল্পনাৰ পোষকতাকাৰী ন'ডেল বিভাগ কোষ /গঠন— ৰাজ্যখনত এই বিষয়ক ন'ডেল বিভাগটো হ'ল ত্রিপুৰা চৰকাৰৰ সমাজ কল্যাণ আৰু সামাজিক শিক্ষা বিভাগ। চৰকাৰৰ বিত্ত বিভাগে এই দিশত ন'ডেল বিভাগটোক সমর্থন আগবঢ়ায়। ২০১৫-১৬ চনত বিষয়টোক কেন্দ্র কৰি প্রশিক্ষণ কার্যসূচীৰ আয়োজন কৰাৰ দায়িত্ব আগৰতলাত থকা ৰাজ্যিক ৰাজহুৱা প্রশাসন আৰু গ্রামোন্নয়ন প্রতিষ্ঠান (SIPARD)ক অর্পন কৰা হৈছিল. ন'ডেল বিভাগৰ মহিলা কল্যাণ শাখাই সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন পৰিকল্পনা প্রস্তুত কৰে। ৰাজ্যখনৰ মুঠ ১৮ টা চৰকাৰী বিভাগত সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন পোষকতাকাৰী কোষ গঠন কৰা হৈছে। এই বিভাগবোৰৰ নাম ৰাজ্যখনৰ সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টনৰ খতিয়ানত উল্লেখ কৰা হয়।
- সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন পৰিকল্পনাৰ খতিয়ান আৰু বাজেট বিশ্লেষণ— ত্রিপুৰাই এই বিষয়ক খতিয়ান ৰখাৰ ব্যৱস্থা কৰিছে আৰু বাজেটৰ মুঠ ধনৰ ৩৩% অথবা ততোধিক মহিলাৰ বাবে ব্যয়

কৰাৰ ব্যৱস্থা লৈছে। ন'ডেল বিভাগে বাজেট বিশ্লেষণ আৰু ব্যয়ৰ হিচাব পৰীক্ষা কৰে।

- মহিলাৰ বাবে গ্রহণ কৰা আঁচনি— ত্রিপুৰা চৰকাৰে ৰাজ্যখনৰ মহিলা আৰু কন্যা শিশুৰ সবলীকৰণৰ বাবে তলৰ আঁচনিবোৰ কার্যৰূপায়িত কৰি আছে—

➢ ২০১২ চনৰ জুলাই মাহৰ পৰা দাৰিদ্র্য সীমা ৰেখাৰ তলৰ পৰিয়ালৰ ৪৫ বছৰ অথবা ততোধিক বয়সৰ অবিবাহিত মহিলাৰ বাবে পেন্সন আঁচনি চলাই থকা হৈছে। এই আঁচনিৰ অধীনত হিতাধিকাৰীসকলে প্রতি মাহে ৫০০ টকাৰ ভাত্তা লাভ কৰে।

➢ ২০১২ চনৰ পৰা দৰিদ্র্য সীমা ৰেখাৰ তলত পৰিয়ালৰ বিধৱাসকলৰ বাবে পেন্সন আঁচনি চলাই থকা হৈছে।

➢ ২০১৩ চনৰ ডিচেম্বৰ মাহৰ পৰা দাৰিদ্র্য সীমা ৰেখাৰ ওপৰত পৰিয়ালৰ স্বামী পৰিত্যক্তা মহিলাৰ বাবে বিত্তীয় সাহায্য প্রদানৰ আঁচনি চলাই থকা হৈছে।

➢ ২০১৩-১৪ চনৰ বিত্তীয় বর্ষৰ পৰা ৰাজ্যখনত মহিলা (বলাৎকাৰৰ বলি, ঘৰুৱা হিংসাৰ বলি আৰু অন্য ধৰণে নির্যাতিতা মহিলাসকলক সামৰি)ৰ সামর্থ গঢ়াৰ বাবে নানা প্রশিক্ষণ আঁচনি চলাই থকা হৈছে। এই কার্যসূচীৰ অধীনত মহিলা /যুৱতীসকলক গাড়ী চলোৱা, সৌন্দর্য চর্চা, চিলাই, কাপোৰত ফুলতোলা, কৃত্রিম ফুল তৈয়াৰ কৰা, চক পেঞ্চিল তৈয়াৰ, ফলমূল আৰু খাদ্যবস্তু সংসাধন, কঠ সজা আদি কামৰ প্রশিক্ষণ দিয়া হয়। প্রশিক্ষণ কালত প্রশিক্ষার্থীসকলক ভাত্তা আৰু প্রশিক্ষণত প্রয়োজন হোৱা সঁজুলিৰ টোপোলা দিয়া হয়। বর্তমানলৈকে এই আঁচনিবোৰৰ জৰিয়তে মুঠ ৩০০ গৰাকী মহিলা /যুৱতী উপকৃত হৈছে। চৰকাৰ মহিলা আশ্রম আৰু অন্য সুৰক্ষিত অনুষ্ঠানবোৰত এই প্রশিক্ষণবোৰ সমাপ্ত কৰা মহিলা/ যুৱতীয়ে বিভিন্ন আত্ম- সহায়ক গোটৰ সদস্যা হৈ জীৱিকা অর্জন কৰি আছে।

এই প্রক্রিয়া পদ্ধতি অথবা আহিলা হিচাপে সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন পৰিকল্পনাৰে সমাজৰ তৃণমূল (গ্রাম্য আৰু নগৰীয় দুয়োটাৰে) স্তৰটোক সামৰি ল'ব পাৰিলে ব্যৱস্থাটোৰ কার্যৰূপায়ণে ৰাজ্যিক /কেন্দ্রীয় শাসিত প্রদেশ স্তৰত সর্বাত্মক সফলতা লাভ কৰিব। যিকোনো উন্নয়ন প্রকল্প /কার্যসূচীৰ দ্বাৰা সমাজৰ সবাতোকৈ দুখীয়া শ্রেণীটোৰ সদস্যসকল সবল হৈ উঠা আৰু তেওঁলোকক এনে প্রকল্প কার্যসূচীৰ সা-সুবিধাবোৰৰ দ্বাৰা উপকৃত কৰি তোলাটোৱেই প্রতিটো উদ্যমৰ প্রধান উদ্দেশ্য হোৱা উচিত। ইয়াৰ বাবে চৰকাৰে সকলো ধৰণৰ কার্যসূচীকে পঞ্চায়ত পর্যায়ত পোন প্রথমে অনুশীলন কৰি চোৱাৰ পৰামর্শ আগবঢ়ায়। ইয়াৰ বাবে কেইখনমান বছা বছা পঞ্চায়তক জিলা বাজেট অথবা ৰাজ্যিক বাজেটত সামৰি লোৱা হয়। এই কার্যৰ দ্বাৰা তৃণমূল স্তৰৰ পৰিকল্পনা কালত সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন পৰিকল্পনা সন্দর্ভত সজাগতা সৃষ্টিৰ লগতে প্রয়োজনীয় দক্ষতা বৃদ্ধি কৰিব পৰা যাব বুলি ভবা হয়। ইয়াৰ উপৰি এই কার্যৰ দ্বাৰা কিছুমান গুৰুত্বপূর্ণ শিক্ষা লাভ কৰিব পৰা যাব বুলিও ধৰি লোৱা হয়।

ওপৰৰ আলোচনাৰ পৰা গম পোৱা গ'ল যে এক বৃহত্তৰ ৰাজনৈতিক পৃষ্ঠভূমিত সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন ব্যৱস্থাবোৰৰ সফলতা নির্ভৰশীল হৈ আছে। এই কথাটোত সংসদ, অনা-চৰকাৰী-সংস্থা, নাগৰিক সমাজ, শৈক্ষিক সমাজ আৰু প্রচাৰ মাধ্যমৰ দৰে প্রধান ষ্টেকহোণ্ডাৰসকলৰ দৃঢ় একতাৰো প্রয়োজন। প্রতিটো ষ্টেকহোল্ডাৰৰ ভূমিকাই বিত্ত আবণ্টনৰ পৰিকল্পনা প্রক্রিয়াটোক দক্ষতাৰে সমৃদ্ধ কৰিব আৰু প্রয়োজনীয় দূৰদৃষ্টি প্রদান কৰিব। কিন্তু বাজেট প্রক্রিয়াটো এইটো দিশেৰে আগবঢ়াই নিয়াত দেশৰ বিত্ত মন্ত্রালয়ৰ ভূমিকা সবাতোকৈ গুৰুত্বপূর্ণ। তেতিয়াহে বাজেট এখনক সম্পূর্ণ ৰূপ দিয়াত বিভিন্ন প্রতিনিধি আৰু নাগৰিকে আগতকৈ অধিক অংশগ্রহণ কৰিব পাৰিব।

## অগ্রগতি নিৰীক্ষণ

**প্রশ্ন নং ১ ঃ** মহিলা আৰু শিশু উন্নয়ন মন্ত্রালয়ৰ সংজ্ঞা অনুসৰি সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন পৰিকল্পনা হ'ল ".....।"

.....

**প্রশ্ন নং ২ ঃ** ৰাজ্যিক পর্যায়ৰ সামাজিক লিংগভিত্তিক বিত্ত আবণ্টন উদ্যমবোৰক.....টা মণ্ডলত ভাগ কৰা হৈছে।

.....

## ১৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন পৰিকল্পনা হ'ল সমাজৰ সকলো লিংগৰ লোককে সামাজিক মূলসুঁতিত অন্তর্ভুক্ত কৰা প্রক্রিয়াটোৰ অংশ। এই প্রক্রিয়াৰ উদ্দেশ্য হ'ল ৰাজহুৱা খণ্ডৰ বাবে বিত্তীয় দিশেৰে ফলপ্রসূ সিদ্ধান্ত লোৱা।
- ১৯৮৪ চনত অষ্ট্রেলিয়াত পোন প্রথমে সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন পৰিকল্পনাৰ সূত্রপাত ঘটিছিল।
- অষ্ট্রেলিয়াৰ উদাহৰণে বিষয়টো সন্দর্ভত সজাগতা সৃষ্টিত গুৰুত্বপূর্ণ ভূমিকা লৈছিল। পৰৱর্তী সময়ৰ এনে সকলো ব্যৱস্থাতে অষ্ট্রেলিয়াৰ উল্লেখ কৰা হৈছিল।
- সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন পৰিকল্পনা মানে মহিলাৰ বাবে পৃথক বাজেট প্রস্তুত কৰাটোক নুবুজায়। ইয়াৰ দ্বাৰা মূল বাজেটখনক প্রতিটো সামাজিক লিংগৰে নির্দিষ্ট প্রয়োজনবোৰৰ প্রতি সঁহাৰিমূলক কৰি তোলাৰ চেষ্টা কৰা হয়।
- পুৰুষ আৰু নাৰী সমবৈশিষ্ট্য প্রদর্শনকাৰী গোট নহয়।
- জীৱন যাপনৰ পৰিস্থিতি, বয়স, উৎপত্তি, শাৰীৰিক তথা মানসিক বৈশিষ্ট্য, শিক্ষা আদি দিশত পুৰুষ আৰু মহিলাৰ মাজত পার্থক্য আছে। সেয়েহে সম্পদ বিতৰণৰ সৈতে জড়িত সিদ্ধান্তবোৰে দুয়োটা গোটকে ভিন্ ভিন্ ধৰণে প্রভাৱিত কৰে।
- সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন পৰিকল্পনাৰ উদ্দেশ্য হ'ল সামাজিক লিংগৰ মাজত থকা অমিলবোৰৰ কথা মনত ৰাখি বিত্তীয় নীতি বিষয়ক দায়ৱদ্ধতা আৰু বিত্তীয় প্রবাহ সুনিশ্চিত কৰা।
- সময়ে সময়ে এই দিশত নানা ব্যৱস্থা গ্রহণ কৰা হৈ আহিছে। ইয়াৰ বাবে প্রভাৱশালী আৰু ফলপ্রসূ সামাজিক লিংগ ভিত্তিক বাজেট নীতি গ্রহণ কৰা হয়, লিংগ অসমতাৰ সমস্যাটো আঁতৰাবলৈ নানা কার্যসূচী চলোৱা হয় তথা সামাজিক লিংগৰ মাজত সমতা স্থাপন তথা উন্নয়নৰ পোষকতা কৰা হয়।

## ১৪.৭ অধিক জানিবলৈ

**ইংৰাজী গ্রন্থ ঃ**

1. Budget Report 2008-09, Government of India.
2. Budgets: A New Perspective, Public Administration Review, May 2010.

3. Report on Gender Diagnosis and Budgeting in India of National Institute of Public Finance and Policy, December, 2010.
4. Rubin Marilyn Marks and John R. Bartle (2011): Integrating Gender into Government
5. Sharp Rhonda and Ray Broomhill, (2008): "Women and Government Budgets, "Australia Journal of Social Issues, Vol. 25.

## ১৪.৮ অগ্রগতিৰ খতিয়ান

**১নং প্রশ্নৰ উত্তৰ ঃ** উন্নয়নৰ সা-সুবিধাবোৰৰ দ্বাৰা পুৰুষৰ সমানেই মহিলাসকলকো উপকৃত কৰাতো নিশ্চিত কৰি আটাইবোৰ সামাজিক লিংগৰ মূলসুঁতিত অন্তর্ভুক্তকৰণ প্রক্রিয়াটো সফল কৰি তোলাৰ এক শক্তিশালী আহিলা।"

**২নং প্রশ্নৰ উত্তৰ ঃ** (i) উত্তৰ, (ii) পশ্চিম, (iii)মধ্য, (iv)পূৱ, (v)উত্তৰ-পূৱ আৰু (vi)দক্ষিণ

## ১৪.৯ আৰ্হি প্রশ্ন

**(ক) চুটি প্রশ্ন ঃ** (প্রায় ১৫০টা মান শব্দত উত্তৰ দিয়ক)

**প্রশ্ন ১ ঃ** সামাজিক লিংগভিত্তিক বিত্ত আবণ্টন পৰিকল্পনা

**(খ) ৰচনাধর্মী প্রশ্ন ঃ** (প্রায় ৩০০-৫০০টা মান শব্দত উত্তৰ দিয়ক)

**প্রশ্ন ১ ঃ** উত্তৰ-পূৱ অঞ্চলত সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন পৰিকল্পনাৰ কার্য প্রয়োগ সম্পর্কে আলোচনা কৰক।

**প্রশ্ন ১ ঃ** সামাজিক লিংগ ভিত্তিক বিত্ত আবণ্টন পৰিকল্পনাৰ উদ্দেশ্যবোৰ ব্যাখ্যা কৰক।

*** ***** ***

## প্রসঙ্গ পুথি


1) Aswal, Balam Singh(2013) Readings in Women's and Girls' Rights, Cyber-Tech Publications
2) Baig, Tara Ali. 1976. Women Power of India. New Delhi: Sultan Chand and Sons.
3) Banerjee, Narayan. 1992. Grassroots Empowerment Mimeograph. New Delhi: Center for Women's Development Studies.
4) Baxter, Wright (2000) The glass ceiling hypothesis: a comparative study of the United States, Sweden and Australia. Gender and Society 14: 275-294.
5) Beauvoir , Simone de. 2010. *The Second Sex*. New York: Knopf Doubleday Publishing Group.
6) Chakravarty, Uma. 1998. Rewriting History: The Life and Times of PanditaRamabai. New Delhi: Kali for Women Press.
7) Chawla,Monica (2006) Gender Justice Women and Law in India, Deep & Deep Publications Pvt. Ltd.
8) Gender Discrimination (2016) Editorial, Business Recorder.
9) J.A. Rubby, "A Study of Kudumbashree Project in Kerala", Mahatma GandhiUniversity, Kottayam, July 2008, p. 23.
10) Kausal, Rachana(2000) Women and Human Rights in India, Kaveri Books
11) Kelsey CL, Gender inequality: Empowering women. Journal of Legal Issues and Cases in Business.
12) Kumar, Radha. 1993. History of Doing. New Delhi: Kali for Women.
13) Lal, Ruby. 2004. Domesticity and Power in the Early Mughal World. Cambridge: Cambridge University Press.
14) Leela Menon, "Women and Social attitude", Kerla Calling, March 2004, p. 5.
15) Mukharjee, B.N. 1975. "Awareness of Legal Rights Among Married Women And their Status". Indian Anthropologist, 5 (2) 30-58.
16) Murthy, N.Let.2007. *Towards Gender Equality: India's Experience*. New Delhi: Serials Publications.
17) Mc Neese, Tim, Mountjoy, Shane(2009) The Women Rights Movement: Moving Toward Equality, InfoBase Publishing
18) Nair S (2015) More gender inequality in India than Pakistan, Bangladesh: UN. The Indian Express.
19) Pager D, Shepherd H (2008) The sociology of discrimination: racial discrimination in employment, housing, credit, and consumer markets. Annual Review of Sociology 34: 181-209.
20) Pande, Rekha &Kamweshwari J. 1987, "Women's Discourse on Education (A Preliminary Reading of the Speeches Delivered at the Annual Conferences of the

Andhra Mahila Sabha, 1913 & 1914)". Proceedings of Indian History Congress, pp. 390 -396.
21) Pande, Rekha. 2002. "The Public Face of a Private Domestic Violence".
22) International Feminist Journal of Politics. Vol. 4, No. 3, pp.342-367.
23) Pande, Rekha. 2010. Divine Sounds from the Heart, Singing Unfettered in their Own Voices- The Bhakti Movement and its Women Saints (12th to 17th century). U.K: Cambridge Scholars Publishing.
24) Panniker, K.N. 1975. "Presidential Address". Proceedings of Indian History Congress.
25) Patel, K.A. 1975. "International Women's Year : Half of Humanity and New International Order." Mainstream, 13 (49).
26) Quillian L (2006) New approaches to understanding racial prejudice and discrimination. Annual Review of Sociology 32: 299-328.
27) Rajan, R.S. 1999. *Signposts-Gender Issues in Post –Independence India*. New Jersey: Rutgers University Press.
28) Ray ,Raka(2000) Fields of Protest: Women's Movements in India, Zubaan
29) Saikia, Nandita(2008) Indian Women A Socio-Legal Perspective, Serials Publications
30) Sharma Sheetal, "Empowerment of women and property, rights key to ruraldevelopment", Kurukshetra, 54, No. 8, June 2006, p47
31) Ray, Raka, Katzenstein, Mary Fainsod(2005) Social Movements in India: Poverty, Power, and Politics, Rowman & Littlefield
32) Thapar, Romila. 1975. "Looking Back in History". Devaki Jain (ed.) Indian Women. New Delhi: Publication Division, Government of India.
33) Tharu, Susie and K. Lalit (eds). 1991. Women Writing in India, Vol. 11. NewDelhi: Oxford University Press.
34) Tong,Rosemarie.(2009).*Feminist Thought-A More Comprehensive Iintroduction.* Colarado:Westview Press
35) United Nation Development Programmes (UNDP), Human Development Report2006.
36) Vogel, Lise*. Marxism and the oppression of Women*.USA: Rutgers University Press,1983.
37) Water, Mary-Alice. *Feminism and the Marxist Movement*. London: Pathfinder Press, 1972.
38) Wadesango N (2011) Is gender equality still an issue? Tensions and contradictions embedding the work of feminists today. J Soc Sci 26: 163.
39) Yojana 45, No. 8, August 2001, p. 4.

## প্রসঙ্গ পুথি


1) Ahuja Ram, *Problems of Indian Society*. New Delhi: Rawat Publication.

2) Anuj and Ranjande (2006)"*Women's Right to Health"*, – National Human Rights Commission,New Delhi

3) Baig, Tara Ali. 1976. Women Power of India. New Delhi: Sultan Chand and Sons.

4) Bakshi, P.M.(2006), *The Constitution of India*, Universal Law Publishing Co. Pvt.Ltd.,Delhi

5) Banerjee, Narayan. 1992. Grassroots Empowerment Mimeograph. New Delhi: Center for Women's Development Studies.

6) Budget Report 2008-09, Government of India.

7) Budgets: A New Perspective, Public Administration Review, May 2010.

8) Chakravarty, Uma. 1998. Rewriting History: The Life and Times of PanditaRamabai. New Delhi: Kali for Women Press.

9) Chaterjee,Mohini(2004) , "*Feminism and Women's Human Rights*", Aavishkar Publishers, India.

9) Datar, C.2011 : Ecofeminism Revisited: Introduction to the Discourse. Jaipur. Rawat Publication.

10) Dutta, Nalini Kanta (2009). *The Law of Crime and Correction*. Guwahati: Purbachal Prakash

11) Finance and Policy, December, 2010.

12) Kumar, Radha. 1993. History of Doing. New Delhi: Kali for Women.

13) Lal, Ruby. 2004. Domesticity and Power in the Early Mughal World. Cambridge: Cambridge University Press.

14) Mukharjee, B.N. 1975. "Awareness of Legal Rights Among Married Women And their Status". Indian Anthropologist, 5 (2) 30-58.

15) Pande, Rekha. 2010. Divine Sounds from the Heart, Singing Unfettered in their Own Voices- The Bhakti Movement and its Women Saints (12th to 17th century). U.K: Cambridge Scholars Publishing.

16) Pande, Rekha. 2002. "The Public Face of a Private Domestic Violence".

17) Paranjape, N.V. (2008). *Criminology and Penology*. Alahabad: Central Law Publication.

18) International Feminist Journal of Politics. Vol. 4, No. 3, pp.342-367.

19) Pande, Rekha &Kamweshwari J. 1987, “Women’s Discourse on Education (A Preliminary Reading of the Speeches Delivered at the Annual Conferences of the Andhra Mahila Sabha, 1913 & 1914)”. Proceedings of Indian History Congress, pp. 390 -396.

20) Panniker, K.N. 1975. “Presidential Address”. Proceedings of Indian History Congress.

21) Patel, K.A. 1975. “International Women’s Year : Half of Humanity and New International Order.” Mainstream, 13 (49).

22) Rubin Marilyn Marks and John R. Bartle (2011): Integrating Gender into Government

23) Sarojini N.B, ChakraborthySuchita, VenkatachalamDeepa, Bhattacharya Saswati, Kapilasharmi

24) Sharmila, N &Dhas, Albert Christopher, 2010. “*Development of Women Education in India*,” MPRA Paper 20680, University Library of Munich, Germany, retrieved 10.2.2018

25) Sharp Rhonda and Ray Broomhill, (2008): “Women and Government Budgets,

26) Thapar, Romila. 1975. “Looking Back in History”. Devaki Jain (ed.) Indian Women. New Delhi: Publication Division, Government of India.

27) Tharu, Susie and K. Lalit (eds). 1991. Women Writing in India, Vol. 11. NewDelhi: Oxford University Press.

28) Quinby, Lee (1990), “ Ecofeminism and the Politics of Resistance,” in *Reweaving the World*, ed. Diamond and Orenstein.

29) Yadav, K.P. (2006). *Trafficking: An Emerging Social Problem*. New Delhi: Adhyayan Publishers

30) **www.ncert.nic.in/rightside/links/pdf/framework/english/nf2005.pdf**

31) “Australia Journal of Social Issues, Vol. 25.

32) 6.http://wcd.nic.in/sites/default/files/GB%20%20Handbook%20October%202015.pdf

33) Report on Gender Diagnosis and Budgeting in India of National Institute of Public

ISBN : 978-93-89559-93-4

KRISHNA KANTA HANDIQUI STATE OPEN UNIVERSITY
Headquarter : Patgaon, Rani, Guwahati - 781017, Assam, India
City Office : NH 37, Resham Nagar, Khanapara, Guwahati-781022, Assam, India
Tel: 0361-2235642 (Rani Campus), 0361-2235971 (Khanapara Campus, City Office),
Fax: 0361-2235398
Website : www.kkhsou.in

Printed at : RR Graphics, Rajgarh Road, Bylane: 03, House No. 15, Guwahati-781003.